# অসমৰ চাওঁতাল জনগোষ্ঠীৰ পৰম্পৰাগত জীৱন শৈলী ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

## (কোকৰাঝাৰ জিলাৰ বিশেষ উল্লিখনেৰে)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাত পিএইচ. ডি. ডিগ্ৰীৰ
বাবে অসমীয়া বিভাগৰ পৰা নিবেদিত
গৱেষণা গ্ৰন্থ

**নয়ন জ্যোতি দাস**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
২০২০

# ASOMOR SĀOTĀL JANAGOSTHIR PARAMPARĀGATA JIWAN SAILI : ETI BISLESHONĀTMAK ADHYAYAN

(KOKRĀJHĀR JILĀR BISESH U̱LLIKHANERE)

[A THESIS SUBMITTED TO BODOLAN UNIVERSITY FOR
THE DEGREE OF DOCTOR OF PHILOSOPHY IN
THE SUBJECT OF ASSAMESE UNDER
FACULTY OF LANGUAGE]

NAYAN JYOTI DAS
Assamese Department
Bodoland University
2020


# DECLARATION OF CANDIDATE

I, Nayan Jyoti Das, here by declare that the Thesis entitled **"SĀOTĀL JANAGOSTHIR PARAMPARĀGATA JIWAN SAILĪ: ETI BISLESHONĀTMAK ADHYAYAN (KOKRĀJHĀR JILĀR BISESH U̱LLIKHANERE)"** was not submitted by me for any research degree to this University or any other University or Institution.

Place :

Date :

Signature of candidate



NAYAN JYOTI DAS
Research Scholar
Department of Assamese
Bodoland University, Kokrajhar.
Registration No. Final/01ASS0005 of 2013-14

# DEPARTMENT OF ASSAMESE

**BODOLAND UNIVERSITY**

KOKRAJHAR - 783370, BTC, ASSAM, INDIA

*Dr. Navajyoti Sarmah,* M.A. Ph.D
Ex. HoD, Assamese

Email : navajyotinaju@gmail.com
Phone : +919435849434


*Ref.* ............................ *Date*.....................................

I have the pleasure to certify that this thesis entitled ASOMOR **SĀOTĀL JANAGOSTHIR PARAMPARĀGATA JIWAN SAILĪ : ETI BISLESHONĀTMAK ADHYAYAN (KOKRĀJHĀR JILĀR BISESH U̱LLIKHANERE)** has been prepared by Mr. Nayan Jyoti Das under my guidance and supervision. He has fulfilled all the requirements under the Ph.D Regulations of Bodoland University. No part of this thesis has been published earlier. This thesis has never been presented earlier for any degree of any such purpose to any University or Institution.

This is an entirely fresh and original piece of research work.

(Dr. Navajyoti Sarmah)
Guide/Supervisor
Department of Assamese
Bodoland University, Kokrajhar.

Guide / Supervisor
Department of Assamese
Bodoland University, Kokrajhar

# সূচীপত্ৰ


পৃষ্ঠা

**আগকথা ঃ** i-ii

**অৱতৰণিকা ঃ** ১-১৪

**প্ৰথম অধ্যায় ঃ**

চাওঁতাল জনগোষ্ঠীৰ প্ৰব্ৰজনৰ ইতিহাস ১৫-৩০

**দ্বিতীয় অধ্যায় ঃ**

অসমৰ চাওঁতাল জনগোষ্ঠীৰ মৌখিক সাহিত্য ৩১-১০০

**তৃতীয় অধ্যায় ঃ**

অসমৰ চাওঁতাল জনগোষ্ঠীৰ সমাজ ব্যৱস্থা ১০১-১৪৪

**চতুৰ্থ অধ্যায় ঃ**

অসমৰ চাওঁতাল জনগোষ্ঠীৰ সামাজিক লোকাচাৰ

আৰু লোকবিশ্বাস ১৪৫-২২৭

**পঞ্চম অধ্যায় ঃ**

অসমৰ চাওঁতাল জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি ২২৮-২৬৩

**উপসংহাৰ ঃ** ২৬৪-২৭৪

**গ্ৰন্থপঞ্জী ঃ** ২৭৫-২৮২

**পৰিশিষ্ট ঃ**

(ক) চাওঁতাল পাৰিভাষিক শব্দাৱলী আৰু অসমীয়া অৰ্থ i-vi

(খ) আলোক চিত্ৰ vii-xiv

# আগকথা

১৯৯৬ চনৰ গোষ্ঠী সংঘৰ্ষৰ পাছত খবৰ কাকত আৰু দূৰদৰ্শনত পৰিবেশিত বিভিন্ন খবৰৰ জৰিয়তে চাওঁতাল জনগোষ্ঠীৰ বিষয়ে প্ৰথম শুনিবলৈ পাইছিলো। কিন্তু তেওঁলোকক চাক্ষুস ভাৱে দেখাৰ কোনো সুবিধা পোৱা নাছিলো। ১৯৯৮ চনত চাকৰিৰ সন্ধানত সেৰফাংগুৰিস্থিত জনতা মহাবিদ্যালয়ত সাক্ষাৎকাৰ দিবলৈ অহাৰ সময়ত কাৰিগাঁও পাৰ হৈয়েই ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুকাষে দেখিবলৈ পাইছিলো গোষ্ঠী সংঘৰ্ষত বিতাড়িত চাওঁতাল শৰণাৰ্থীৰ লানি নিচিগা শিৱিৰৰ শাৰী। পৰৱৰ্ত্তী সময়ত উক্ত মহাবিদ্যালয়ত প্ৰৱক্তাৰ পদত যোগদান কৰাৰ সুবাদত এই জনগোষ্ঠীটোৰ বিষয়ে ভালদৰে জানিবৰ সুযোগ পালো। তেওঁলোকৰ মাজৰ বিভিন্ন নেতৃস্থানীয় ব্যক্তিৰ সৈতে মত বিনিময় কৰা হ'ল। লগতে তেওঁলোকৰ বিভিন্ন উৎসৱ পাৰ্বনত অতিথি হিচাপে অংশ গ্ৰহণৰ সুযোগ পালো। বাহ্যিক দৃষ্টিত সাধাৰণ যেন লগা জনগোষ্ঠীটোৰ বহুসংখ্যক একক বৈশিষ্ট্য লাহে লাহে চকুৰ সন্মুখত উন্মোচিত হ'ব ধৰিলে। উপলব্ধি হ'ল প্ৰচাৰ বিমুখতাৰ বাবে এটা সুকীয়া ঐতিহ্য বহনকাৰী জনগোষ্ঠী যেন কালৰ সোঁতত হেৰাই যোৱাৰ উপক্ৰম হৈছে। নামনি অসমত আদিবাসী আৰু উজনি অসমত চাহ-জনগোষ্ঠী হিচাপে পৰিচিতি লাভ কৰাৰ ফলত চাওঁতাল হিচাপে থকা তেওঁলোকৰ আত্মপৰিচয় যেন বিলুপ্তিৰ গৰাহত। তেওঁলোকৰ বাবে কিবা এটা কৰাৰ যি সময়ৰ আহ্বান সেই আহ্বানক সৰোগত কৰি যি প্ৰচষ্টা আগবঢ়োৱা হ'ল তাৰেই ফচল হ'ল এই গৱেষণা গ্ৰন্থ।

এই গৱেষণা গ্ৰন্থখনৰ প্ৰস্তুতি পৰ্বৰ পৰা অন্তলৈকে যিসকল পণ্ডিত প্ৰৱৰ ব্যক্তি, চাওঁতাল সমাজৰ বিভিন্ন নেতৃস্থানীয় ব্যক্তি, বন্ধু-বান্ধৱ, পৰিয়াল পৰিজন আৰু শ্ৰদ্ধাৰ তত্ত্বাবধায়কে আকুণ্ঠ সহায়-সহযোগিতা আগবঢ়ালে তেওঁলোক সদৌটিলৈকে আমি কৃতজ্ঞতা নিবেদন ধৰিছোঁ। তেওঁলোকৰ সহায়-সহযোগিতা আৰু অনুপ্ৰেৰণা অবিহনে এই গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰণ সম্ভৱ হৈ নুঠিল হেতেন।

তত্ত্বাবধায়ক ড° নৰজ্যোতি শৰ্মা মহাশয়ে "অসমৰ চাওঁতাল জনগোষ্ঠীৰ পৰম্পৰাগত জীৱনশৈলীঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (কোকৰাঝাৰ জিলাৰ বিশেষ উল্লিখনেৰে)" শীৰ্ষক

গৱেষণা গ্রন্থখনৰ পূর্ণ ৰূপ দিয়াৰ প্ৰতিটো দিশতে ভূল ত্রুটিবোৰ আঙুলিয়াই দি বিভিন্ন দিহা পৰামর্শৰে কর্ম সমাপনৰ বাবে অহৰহ তাগিদা আৰু অনুপ্রেৰণা জোগাই আহিছে। এই মহানুভৱতাৰ বাবে আমি তেখেতৰ ওচৰত আজন্ম ঋণী হৈ ৰ'ম।

মা আৰু দেউতাৰ একান্ত ইচ্ছা আছিল তেওঁলোকৰ জীৱন কালত আমাৰ গৱেষণা কর্মৰ সফল পৰিসমাপ্তি। কিন্তু মাৰ সেই আশা অপূর্ণ হৈয়েই ৰ'ল। শয্যাগত দেউতাৰ উৎসাহ আৰু অনুপ্ৰেৰনাই আমাৰ গৱেষণা কর্মৰ যি গতি প্রদান কৰিলে তাৰ বাবে আমাৰ এই গৱেষণা গ্রন্থখন, তেওঁলোকৰ চৰণত উছর্গা কৰিলোঁ।

অসমৰ চাওঁতাল সমাজখনৰ পুৰুষ-মহিলা সমন্বিতে যি সকল সদাশয় ব্যক্তিয়ে বিভিন্ন তথ্য জ্ঞাপনেৰে আমাৰ গৱেষণা গ্রন্থ খনৰ প্রয়োজনীয় তথ্য সমল যোগান ধৰিলে তেওঁলোকৰ ওচৰত আমি সদায় ঋণী হৈ ৰ'ম। চাওঁতাল সমাজৰ দুগৰাকী বিদ্বৎ ব্যক্তি উত্তৰ পাটগাঁও নিবাসী শ্রীযুত চানুৰাম হেমব্রম আৰু গৌৰীনগৰ নিবাসী শ্রীযুত সত্য নাথ টুডু ডাঙৰীয়াই আমাৰ ক্ষেত্র অধ্যয়ণৰ সকলো দিশ চোঁৱাচিতা কৰিছিল আৰু দোভাষী হিচাপে সকলো সময়তে আমাক সংগ দিয়াৰ বাবে প্রস্তুত আছিল। তেওঁলোক দুজনলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা ও শ্রদ্ধা নিবেদন কৰিছোঁ।

মহামাৰী কভিদ-১৯ৰ জটিল সন্ধিক্ষণৰ 'লক ডাউন'ৰ সময়চোঁৱাত বর্ণ বিন্যাসেৰে আমাৰ গ্রন্থখনৰ আক্ষৰিক ৰূপ দিয়া কোকৰাঝাৰ চহৰ নিবাসী বন্ধুবৰ শ্রীযুত কাজল দাসলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তদুপৰি বডোলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্রধান ড° বিভূতি লোচন শর্মা মহাশয়, ড° চুমী কলিতা বাইদেউ, ড° ৰাতুল ডেকা মহাশয়, দীপামণি বৈশ্য বাইদেউ আৰু ডেইজী ৰাণী ডেকা বাইদেউলৈ তেখেত সকলৰ বিভিন্ন সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত গৱেষণা গ্রন্থখনত অনিচ্ছা কৃত ভাৱে বৈ যোৱা বিভিন্ন ভূল ত্রুটিৰ বাবে সংশিষ্ট সকলোৰে ওচৰত ক্ষমা প্রার্থী হৈ ৰ'লো।

নয়ন জ্যোতি দাস
গৱেষক, অসমীয়া বিভাগ,
বডোলেণ্ড বিশ্ববিদ্যালয়।

দিনাংক ঃ

# অৱতৰণিকা

বিভিন্ন জাতি-জনগোষ্ঠীৰে সমৃদ্ধ এখন দেশৰ সভ্যতা আৰু সংস্কৃতি গঢ় লৈ উঠে সমন্বয়ৰ জৰিয়তে। অসমীয়া জাতি বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণত গঢ়ি উঠা এটা জাতি। এই অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াত ভাৰতৰ মূল মূল নৃ-গোষ্ঠী আৰু ভাষা-গোষ্ঠী সমূহৰ অৱদান অতুলনীয়। এখন সমাজত বাস কৰা প্ৰতিটো জনগোষ্ঠীৰে কিছুমান একক বৈশিষ্ট্য থাকে; য'ত অন্তৰ্নিহিত হৈ থাকে মানৱীয় প্ৰমূল্যবোধ, জীৱন সম্পৰ্কে ধ্যান ধাৰণা, সামাজিক প্ৰথা, ধৰ্মীয় ৰীতি - নীতি, পৌৰাণিক লোককথা তথা লোকাচাৰ। এই পৰম্পৰাগত অনুষ্ঠান সমূহে সেই জনগোষ্ঠীটোৰ আত্ম-পৰিচয় জনমানসত উপস্থাপন কৰাত যথেষ্ট অৰিহণা যোগায়।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত উল্লেখনীয় অৱদান আগবঢ়াই অহা এটা জনগোষ্ঠী হৈছে — চাওঁতাল জনগোষ্ঠী। ২০০১ চনৰ লোকপিয়ল অনুসৰি অসমত চাওঁতাল জনগোষ্ঠীৰ লোকৰ সংখ্যা ২,৪২,৮৬৬ জন। নৃ-গোষ্ঠীগত বৈশিষ্ট্যৰ ফালৰ পৰা চাওঁতাল সকল হৈছে "প্ৰোটʼ-এষ্ট্ৰালয়ড" আৰু তেওঁলোকৰ ব্যৱহৃত "চাওঁতালী (Santali) ভাষা হৈছে "এষ্ট্ৰʼ - এচিয়াটিক" ভাষা পৰিয়ালৰ অন্তৰ্গত "মুণ্ডাৰী" ভাষাগোষ্ঠীৰ এটা শাখা। ভাৰতবৰ্ষত চাওঁতাল সকলৰ ইতিহাস দ্ৰাবিড় তথা আৰ্যসকলতকৈও প্ৰাচীন যদিও তেওঁলোকৰ এই ইতিহাস নিজৰ অস্তিত্ব বৰ্তাই ৰখাৰ বাবে কৰা এক সংঘাতৰ ইতিহাস।

চাওঁতাল জনগোষ্ঠীৰ উৎপত্তি সম্বন্ধে থকা পৌৰাণিক লোককথা অনুসৰি চাওঁতাল জনগোষ্ঠীৰ সৃষ্টি পৃথিৱীৰ আদি নৰ-নাৰী পিলচু হাড়াম আৰু পিলচু বুঢ়ীৰ পৰা। তেওঁলোকৰ জীৱনৰ আৰম্ভণি হয় 'হিহিড়ী পিপিড়ী' নামৰ স্থানত য'ত তেওঁলোকৰ সাতগৰাকী ল'ৰা আৰু সাতগৰাকী ছোৱালী সন্তানৰ জন্ম হয়। কালক্ৰমত তেওঁলোকৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন হয় আৰু তাৰ ফলশ্ৰুতিত বহু সতি-সন্ততিৰ জন্ম হয়। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত যাতে নিজৰ ভাই-ভনীৰ মাজত কোনো অবৈধ সম্বন্ধ স্থাপন নহয় তাৰবাবে পিলচু হাড়াম আৰু পিলচু বুঢ়ীয়ে তেওঁলোকক সাতটি গোত্ৰত ভাগ কৰে। সেইবোৰ হ'ল ক্ৰমে-হাসদা, মুৰ্মু, কিস্কু, হেমব্ৰম, মাৰ্দি, চোৰেণ আৰু টুডু। কালক্ৰমত 'হিহিড়ী পিপিড়ী'ৰ পৰা তেওঁলোকৰ

প্ৰৱজন ঘটে ‘খোজকামান’লৈ য’ত তেওঁলোকৰ আচৰণ পশুতুল্য হৈ পৰে। তেতিয়া ভগৱান ‘ঠাকুৰজিউ’ৰে তেওঁলোকক সংযত হ’বলৈ নিৰ্দেশ দিয়ে যদিও তেওঁলোকে সেই নিৰ্দেশ অমান্য কৰে। তেতিয়া খঙত অগ্নিশৰ্মা হৈ ‘ঠাকুৰজিউ’ৰে ‘হাৰাতা’ পৰ্বতমালাৰ এটি গুহাত এটি মাত্ৰ পৰিয়ালক সুৰক্ষিত ৰাখি সাতদিন সাতৰাতি অগ্নিবৃষ্টিৰে সমগ্ৰ চাওঁতাল জাতিটোকে ধ্বংস কৰে। ‘হাৰাতা’’ পৰ্বতমালাৰ সেই পৰিয়ালটোৰ কালক্ৰমত বহু সতি-সন্ততিৰ জন্ম হয় আৰু তেওঁলোকে ‘সাসাংবেডা’ নামৰ ঠাইলৈ প্ৰব্ৰজন কৰে। তাতে তেওঁলোকক পূৰ্বৰ সাতটা গোত্ৰৰ উপৰি পাঁচটা নতুন গোত্ৰত ভাগ কৰা হয়। সেইবোৰ হ’ল ক্ৰমে — বাস্কে, বেস্ৰা, পৌউৰিয়া, চোৰে আৰু বেদিয়া। সময়ৰ সোঁতত ‘বেদিয়া’ গোত্ৰ সম্পূৰ্ণ ৰূপে নিঃশ্চিহ্ন হয় আৰু অৱশেষত তেওঁলোকে ‘চাম্পা’ নামৰ ঠাইলৈ প্ৰব্ৰজন কৰে আৰু নিগাজিকৈ বসবাস কৰিবলৈ লয়।

পৌৰাণিক কথা অনুসৰি চাওঁতালসকল প্ৰব্ৰজনকাৰী জনগোষ্ঠী। যদিও লোককথাত উল্লেখ থকা ঠাই সমূহৰ চিনাক্তকৰণ প্ৰকৃতাৰ্থত আজিও সম্ভৱ হৈ উঠা নাই; তথাপিও সাম্প্ৰতিক সময়টো তেওঁলোকৰ এই বৈশিষ্ট্য প্ৰৱহমান হৈ আছে। ওঠৰ শতিকাৰ পৰা ধাৰাবাহিক ভাৱে ভাৰতবৰ্ষত চোটানাগপুৰ, হাজাৰিবাগ, পালামু, সিংভুম, মেদিনীপুৰ আৰু বীৰভূম অঞ্চলত বৃহৎ সংখ্যক চাওঁতাল লোকৰ বসতিৰ উল্লেখ পোৱা যায়। পৰৱৰ্তী সময়ত তেওঁলোক চোটানাগপুৰৰ মালভূমিৰ উত্তৰ-পুৱ প্ৰান্তত অৱস্থিত ৰাজমহল পাহাৰৰ দিশে অগ্ৰসৰ হয় আৰু তদানীন্তন ইংৰাজ চৰকাৰে ১৮৩৩ চনত ৰাজমহল পাহাৰৰ ১৩৬৬ বৰ্গ মাইল অঞ্চল ‘দামিন-ই-কোহ’ নামেৰে নামকৰণ কৰি চাওঁতালসকলক বসতি স্থাপন কৰিবলৈ অনুপ্ৰাণিত কৰে আৰু কালক্ৰমত উক্ত অঞ্চল চাওঁতাল লোক সকলৰ বসতিৰে পৰিপূৰ্ণ হৈ পৰে।

চাওঁতাল জনগোষ্ঠীৰ ইতিহাসৰ সবাতোকৈ উল্লেখযোগ্য ঘটনা হ’ল ১৮৫৫ চনৰ পৰা ১৮৫৬ চনলৈ সংঘটিত হোৱা ‘চাওঁতাল বিদ্ৰোহ’। এই বিদ্ৰোহ আছিল ইংৰাজ শাসক আৰু দেশীয় জমিদাৰসকলে বছৰ বছৰ ধৰি কৰি অহা অত্যাচাৰ, শোষণ আৰু লাঞ্চনাৰ প্ৰতিবাদ। যি বিদ্ৰোহক ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰথম বিদ্ৰোহ হিচাপে স্বীকৃতি দিয়াৰ দাবী বিভিন্ন সময়ত বিভিন্ন মহলত উত্থাপন কৰা পৰিলক্ষিত হয় যদিও ভাৰতৰ ইতিহাসত

এই বিদ্ৰোহ স্বাধীনতা সংগ্ৰামৰ অংশ হিচাপে আজিলৈকে স্বীকৃতি পোৱা পৰিলক্ষিত হোৱা নাই। প্ৰায় ২৫,০০০ হাজাৰ চাওঁতাল ডেকাৰ প্ৰাণৰ বিনিময়ত সম্পূৰ্ণ এবছৰ ধৰি চলা প্ৰচেষ্টাৰ অন্তত ইংৰাজ শাসকসকলে এই বিদ্ৰোহ দমন কৰিবলৈ সক্ষম হয় যদিও এই বিদ্ৰোহে চাওঁতালসকলৰ প্ৰতি নতুন দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ ইংৰাজ শাসকসকলক বাধ্য কৰে। তাৰেই পৰিণতিত ১৮৫৫ চনৰ ২২ ডিচেম্বৰত 'দামিন-ই-কোহ' আৰু তাৰ পাৰ্শ্বৱৰ্তী এলেকা সমূহ সামৰি চাওঁতালসকলৰ বাবে 'চাওঁতাল পৰগণা' (Santal Pargana) নামৰ এখন সুকীয়া 'অ-নিয়ন্ত্ৰিত' (Non-regulatory) জিলা গঠন কৰা হয়। ১৮৫৬ চনৰ পুলিচ আইন অনুসৰি চাওঁতাল পৰম্পৰাগত শাসন ব্যৱস্থাক এই জিলাখনৰ প্ৰশাসনিক ব্যৱস্থা হিচাবে নায্যতা প্ৰদান কৰা হয় আৰু এই পৰম্পৰাগত শাসন ব্যৱস্থাৰ দুই মূল হোতা 'মৌন্‌ঝি' (গাওঁবুঢ়া) আৰু 'পৰগণা' (অঞ্চলৰ মুৰব্বী)ক আইনী ক্ষমতা প্ৰদান কৰা হয়। তাৰোপৰি ১৮৮৫ চনৰ 'Land Tenancy Act' অনুসৰি এই জিলাৰ ভূমিৰ অধিকাৰ কেৱল মাত্ৰ চাওঁতালসকলৰ বাবে সংৰক্ষিত কৰা হয়।

অসমতো চাওঁতালসকলৰ আগমন সম্বন্ধে বহুতো তথ্যৰ উল্লেখ পোৱা যায় যদিও; তাৰ ভিতৰত বিজ্ঞান সন্মত আৰু ঐতিহাসিক ভাবে দুটা তথ্যক শুদ্ধ ৰূপত গ্ৰহণ কৰা হৈছে। প্ৰথম তথ্য অনুসৰি ১৮২৩ চনত ৰবাৰ্ট ব্ৰুচ চাহাবে অসমত চাহ গছ আৱিষ্কাৰ কৰি চাহ -বাগিচা স্থাপন কৰাৰ পাছত সেই বাগিচাসমূহত স্থানীয় শ্ৰমিকৰ নাটনি হোৱাত প্ৰথমাৰ্দ্ধত চীনৰ পৰা শ্ৰমিক আমদানি কৰা হৈছিল। কিন্তু সেই চীনা শ্ৰমিক সকল উক্ত কামৰ বাবে পৰ্যাপ্ত নোহোৱাত নতুন শ্ৰমিক নিয়োগৰ বাবে তেওঁলোকে কিছুমান 'আৰ্‌কাটি' (ঠিকাদাৰ) নিয়োগ কৰিবলৈ লয় আৰু সেই 'আৰ্‌কাটি' সকলে ভাৰতৰ বিভিন্ন স্থানৰ পৰা বিভিন্ন জনগোষ্ঠীৰ লগতে চোটানাগপুৰ অঞ্চলৰ পৰা বৃহৎ সংখ্যক চাওঁতাললোকক অসমলৈ আমদানি কৰি চাহ-বাগিচা সমূহত 'কুলি' হিচাবে নিয়োগ কৰে। পৰৱৰ্তী সময়ত তেওঁলোকৰ সতি-সন্ততি লগতে উল্লিখিত স্থান সমূহৰ পৰা নতুনকৈ আগমন হোৱা শ্ৰমিকসকল সমগ্ৰ উজনি অসমতে বসতি কৰিবলৈ লয়। আনহাতে দ্বিতীয় তথ্য অনুসৰি ১৮৫৫ চনৰ পৰা ১৮৫৬ চনৰ ভিতৰত সংঘটিত হোৱা 'চাওঁতাল বিদ্ৰোহ'ৰ সময়ছোৱাত বিপৰ্যস্ত হোৱা চাওঁতাল পৰিয়াল সমূহক পুনঃ সংস্থাপনৰ বাবে বিহাৰ আৰু বেনাগড়ীয়াৰ

ধৰ্মযাজক সকলে তদানীন্তন অসমৰ ইংৰাজ শাসকসকলৰ লগত আলোচনা কৰি অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্গত পশ্চিম প্ৰান্তত ৩০ কিলোমিটাৰ অঞ্চল সাঙুৰি এটি অঞ্চল 'Asom Colony' হিচাপে নামকৰণ কৰি চাওঁতালসকলক সংস্থাপিত কৰিবলৈ লয়। পৰবৰ্তী সময়ত তেওঁলোকৰ সতি-সন্ততিৰ লগতে ঝাৰখণ্ড অঞ্চলৰ পৰা নতুনকৈ প্ৰৱজিত হোৱা চাওঁতালসকলে সমগ্ৰ নামনি অসমতে স্থায়ীভাৱে বসতি স্থাপন কৰিবলৈ ধৰে।

সাম্প্ৰতিক সময়ত তেওঁলোকৰ বসতি চত্তিশগড়, ঝাৰখণ্ড, ওড়িষাৰ দাচাৰ এলেকা, বিহাৰৰ সিংভুম, মানভুম আৰু গোণ্ডা জিলা, চোটানাগপুৰ এলেকা, পশ্চিমবংগৰ বৰ্ধমান, হুগলি, মেদিনীপুৰ, বাংকুৰা আৰু পুৰুলিয়া জিলা, প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশ, নেপাল আৰু ভূটানৰ উপৰিও অসমৰ কোকৰাঝাৰ, বঙাইগাওঁ, চিৰাং, নলবাৰী, বাক্সা, দৰং, লখিমপুৰ, ডিব্ৰুগড় আৰু নগাওঁ জিলাত পৰিলক্ষিত হয়।

চাওঁতালসকল মূলতঃ ধৰ্মীয় পৰম্পৰাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল আৰু এই ধৰ্মীয় লোকাচাৰৰ গ্ৰহণযোগ্যতাক অবিশ্বাস কৰা তেওঁলোকৰ বাবে স্বভাববিৰুদ্ধ। সেয়েহে পৰম্পৰাগত উৎসৱ-পাৰ্বণ তথা আচাৰ-ৰীতি পালনৰ নিৰ্দিষ্ট সময়, স্থান আৰু ব্যক্তি সম্বন্ধে তেওঁলোক খুবেই সচেতন। তদুপৰি এই উৎসৱ পাৰ্বণৰ লগত জড়িত ধৰ্মীয় উপাসনাবোৰৰ গুৰুত্ব তেওঁলোকৰ জীৱনত অপৰিসীম। কাৰণ এই উপাসনাবোৰৰ জৰিয়তে তেওঁলোকে দৈনন্দিন জীৱনৰ দুখ-দুৰ্দশা, মানসিক চাপ, অৱসাদ আৰু উত্তেজনা আদিক সাময়িকভাৱে পাহৰি থকাৰ সমল বিচাৰি পায়। তদুপৰি তেওঁলোকৰ জীৱনত সক্ৰিয় হৈ থকা শক্তিসমূহৰ লগত নিজকে সংযোজিত কৰাৰ শক্তি, জীৱনৰ অনিশ্চয়তাৰ বিৰুদ্ধে সাহসেৰে অগ্ৰসৰ হোৱাৰ আত্মবিশ্বাসো এই উপাসনা সমূহৰ পৰাই আহৰণ কৰে। সাম্প্ৰতিক সময়ত অসমৰ বিভিন্ন নৃ-গোষ্ঠীসমূহৰ পাৰম্পৰিক বিশ্বাস আৰু সাংস্কৃতিক আত্মপৰিচয়ৰ ক্ষেত্ৰখনত দেখা দিয়া অবক্ষয় চাওঁতাল সমাজখনত পৰিলক্ষিত নহয়। উদাহৰণ স্বৰূপে হিন্দু আৰু ইছলাম ধৰ্মৰ সংস্পৰ্শত যুগ যুগ ধৰি বসবাস কৰি অহা স্বত্বেও তেওঁলোকৰ ধৰ্মীয় বিশ্বাসত ইয়াৰ প্ৰভাৱ অতিকৈ নগণ্য বুলি গণ্য কৰিব পাৰি। আৰু এইটো হয়তো সম্ভৱ হৈ উঠিছে তেওঁলোকৰ জাতিসত্তাৰ লগত থকা ব্যক্তিসত্তাৰ একাত্মবোধৰ জৰিয়তে।

ভাৰতবৰ্ষত বসবাস কৰা অনুসূচিত জনজাতিৰ বাৰ শতাংশ উত্তৰ পূৰ্বাঞ্চলত বসবাস

কৰে কিন্তু ঝাৰখণ্ড মূলীয় মুণ্ডা, ওৰাও, চাওঁতাল আদিকে ধৰি 'আদিবাসী' সকলক অসমত অনুসূচীত জনজাতিৰ মৰ্য্যাদা প্ৰদান কৰা হোৱা নাই। তেওঁলোকক অসমত বহুলভাৱে পৰিচিত 'চাহ জনগোষ্ঠী'ৰ হে অন্তৰ্ভূক্ত কৰা হৈছে। এই জনগোষ্ঠীসমূহ ঝাৰখণ্ডত অনুসূচীত জনগোষ্ঠীৰ স্বীকৃতিপ্ৰাপ্ত। পশ্চিম বংগ, উৰিষ্যা, বিহাৰ আদি প্ৰদেশটো তেওঁলোক অনুসূচীত জনগোষ্ঠীৰ সূচীভুক্ত। এই 'চাহ জনগোষ্ঠী' সকলৰ এক বুজন সংখ্যক লোক 'আদিবাসী' সকলেৰে সমৃদ্ধ। অসমত বসবাস কৰা সৰ্বমূঠ সাতত্ৰিশ জনগোষ্ঠীকহে 'আদিবাসী' হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে আৰু চাওঁতাল জনগোষ্ঠী হ'ল এই আদিবাসী জনগোষ্ঠী সমূহৰ ভিতৰত সৰ্ববৃহৎ। আনহাতে এই আদিবাসী সকলৰ মাজতো বস্তি অঞ্চলত বসবাস কৰা আৰু চাহ-বাগিচাত শ্ৰমিক হিচাপে কাম কৰা— এই দুই ধৰণৰ শ্ৰেণী বিভাজন দেখা যায়। বস্তিবাসী সকলৰ মাজত কিছু পৰিমাণে অৰ্থনৈতিক স্বতন্ত্ৰতা দেখা যায়। তেওঁলোকে চাহ-বাগিচাৰ নিৰ্দিষ্ট সীমাবদ্ধ প্ৰণালীৰ অন্তৰ্ভূক্ত নহয় বাবে কিছু পৰিমাণে মুক্ত যদিও ন্যূনতম নিৰাপত্তাৰ দিশত চাহ জনগোষ্ঠী সকলতকৈ কিছু পৰিমাণে পিছপৰা। দ্বিতীয়তে, সকলো চাহ জনগোষ্ঠীয় লোক ঝাৰখণ্ড মূলীয়ও নহয়। 'আদিবাসী' সকল নামনি অসমৰ আৰু 'চাহ জনগোষ্ঠী' সকল মূখ্যত উজনি অসমৰ বাসিন্দা। 'আদিবাসী' আৰু 'চাহ-জনগোষ্ঠী'ৰ মাজত এই প্ৰভেদ মূল সম্বন্ধীয়ই মাথো নহয়। ইয়ে নিজৰ পৰিচয় নিৰূপণ কৰাৰ ক্ষেত্ৰটো যথেষ্ট প্ৰভাৱ পেলাইছে। উদাহৰণ স্বৰূপে 'চাহ জনগোষ্ঠীয়' বনুৱা সকলৰ বুজন সংখ্যকে নিজকে অসমীয়া বুলি পৰিচয় দাঙি ধৰাৰ বিপৰীতে নামনি অসমৰ 'আদিবাসী' সকলে ঝাৰখণ্ড মূলীয় পৰিচয় বৰ্তাই ৰাখিছে। তাৰোপৰি উজনি অসমৰ 'চাহ জনগোষ্ঠীয়' লোক সকলৰ প্ৰায় সংখ্যকৰে অসমীয়া ভাষাত ব্যুৎপত্তি আছে আৰু 'চাদ্ৰি'ক মাতৃভাষা হিচাপে স্বীকৃতি দিছে আনহাতে নামনি অসমৰ 'আদিবাসী' সকলৰ খুব কম সংখ্যকৰহে অসমীয়া ভাষাত ব্যুৎপত্তি থকা দেখা যায় আৰু প্ৰায় সকলোৱে ঝাৰখণ্ড মূলীয় আদিবাসীৰ ভাষা যেনে— চাওঁতালী, ওৰাও, মুণ্ডা আদি মাতৃভাষা হিচাপে ব্যৱহাৰ কৰে। আনহাতে 'আদিবাসী' সকল চাহ জনগোষ্ঠীয় লোক সকলৰ তুলনাত পাৰিপাৰ্শিক বাতাবৰণৰ পৰা বিচ্ছিন্ন।[১]

অনস্বীকাৰ্য হ'লেও সত্য যে গোলকীকৰণৰ যুগত পৃথিৱীৰ সৰ্বত্ৰতে বৃহৎ

জাতিগোষ্ঠীসমূহৰ দ্বাৰা ক্ষুদ্ৰ জনগোষ্ঠীয় লোকসকলক প্ৰান্তীয়কৰণ (Marginalised) কৰা হৈছে। যি সময়ত সমগ্ৰ বিশ্ব বিজ্ঞান আৰু প্ৰযুক্তিৰ উচ্চ শিখৰত উপনীত হৈছে, সেই একেই সময়তে এই অৱহেলিত লোকসকলে অস্তিত্বৰ সংগ্ৰামত ব্ৰতী হ'ব লগা হৈছে। চাওঁতাল সকলো ইয়াৰ ব্যতিক্ৰম নহয়। সাম্প্ৰতিক সময়ৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা সাংস্কৃতিক ক্ষেত্ৰখনত দেখা দিয়া আমূল পৰিবৰ্তনে চাওঁতাল সমাজ জীৱনলৈ কঢ়িয়াই আনিছে চৰম ভাবুকি। এই সমাজখনতো পৰিলক্ষিত হৈছে লোকাচাৰেৰে সমৃদ্ধ পৰম্পৰাগত সংস্কৃতি আৰু আধুনিকতাৰ মাজত তীব্ৰ সংঘাত। কাৰণ চাওঁতাল সমাজখন অভিযোজনৰ দিশত আজিও যথেষ্ট পিছপৰা। তেওঁলোকে অতীতৰ পৰম্পৰাকে সযতনে বুকুত বান্ধি শোষণ, নিপীড়ন তথা মানবীয় প্ৰমূল্যবোধহীন বৰ্তমানৰ মাজত পিষ্ট হৈ থাকিব লগা হৈছে।

ধৰ্মীয় ধ্যান ধাৰণাৰে গঢ় লৈ উঠা নিয়মানুবৰ্তিতা তথা অনুশাসনে তেওঁলোকৰ সামাজিক জীৱনত উচ্চ-নীচ ভেদাভেদাহীন ঐক্য, সংহতি আৰু ভ্ৰাতৃত্ববোধৰ অনুভূতি উদ্ৰেক কৰাৰ লগতে জন্ম, বিবাহ আৰু মৃত্যু আদিৰ লগত জড়িত লোক-বিশ্বাস, মানৱ জীৱনৰ পৱিত্ৰতা, শুদ্ধিকৰণ আদি সম্বন্ধে বিভিন্ন আচাৰ-ৰীতি, পূৰ্বপুৰুষৰ প্ৰতি শ্ৰদ্ধা, পৰজন্ম সম্বন্ধে বিশ্বাস আদিক জীৱনৰ অপৰিহাৰ্য অংগ হিচাবে বিবেচনা কৰাত অৰিহণা যোগাই আহিছে।

## বিষয়বস্তুৰ উপস্থাপন আৰু অধ্যয়নৰ পৰিসৰ ঃ

উপৰোক্ত আলোচনাৰ আঁত ধৰি গৱেষণাৰ বিষয়বস্তু "অসমৰ চাওঁতাল জনগোষ্ঠীৰ পৰম্পৰাগত জীৱন শৈলী ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (কোকৰাঝাৰ জিলাৰ বিশেষ উল্লিখনেৰে)" নামকৰণ কৰা হৈছে। উক্ত অধ্যয়নে সামগ্ৰিকভাবে অসমৰ আৰু বিশেষ ভাৱে কোকৰাঝাৰ জিলাৰ চাওঁতালসকলৰ লোকজীৱনৰ প্ৰতিটো দিশকে প্ৰতিফলিত কৰিছে। অভিজ্ঞতালব্ধ তথ্য সমলেৰে কেনেকৈ পৰম্পৰাগত লোকাচাৰে এই সমাজকখনক প্ৰতিপালিত কৰিছে তথা 'চাওঁতাল' হিচাপে নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰাত অৰিহণা যোগাই আহিছে তাৰ বিশদ বিশ্লেষণ কৰা হৈছে।

## অধ্যয়নৰ পদ্ধতি আৰু আৰ্হি ঃ

আমাৰ অধ্যয়নৰ প্ৰকৃতি হ'ল বৰ্ণনামূলক। সাংস্কৃতিক দিশেৰে আমাৰ গৱেষণাৰ বাবে দৰকাৰী বিভিন্ন প্ৰণালীসমূহৰ নিশ্চিত ৰূপত পালন কৰা হৈছে। মূখ্য সমল হিচাবে দৰকাৰী ক্ষেত্ৰ অধ্যয়নৰ উদ্দেশ্য হ'ল চাওঁতাল জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় লোকাচাৰ সম্বন্ধে সমল সংগ্ৰহ কৰা। অসমৰ চাওঁতালসকলৰ বসতি স্থল কোকৰাঝাৰ জিলাতেই পুৰ্বোক্ত 'Asom Colony' স্থাপনৰ পিচৰে পৰাই পূৰ্বকালীন পৰম্পৰাৰে চাওঁতালসকল ফুংসী, সিস্তি, বাওনাই, বৰাবিল, বিহ্নিঝৰা, দুইবিনি, শোধপুৰ, শ্যামঝাৰা, বেটাবাৰি, বাতাবাৰি, গুগুঝৰা, চৈবাৰী, দালাবাৰি, গ্ৰাহামপুৰ, শ্ৰীৰামপুৰ, কাৰিগাওঁ প্ৰমুখ্যে বিভিন্ন গাওঁত বসবাস কৰি আহিছে। সেয়েহে সমল সংগ্ৰহৰ বাবে পোনতে কোকৰাঝাৰ জিলাৰ চাওঁতাল অধ্যুষিত গাওঁসমূহৰ এটি জৰীপ কৰা হৈছে আৰু তাৰ পিচত 'Random Sampling' পদ্ধতিৰে এই গাওঁসমূহৰ পৰা সৰ্বমুঠ ৩০ খন গাওঁ নিৰ্বাচিত কৰা হৈছে। এই গাওঁসমূহৰ ওপৰত চলোৱা ক্ষেত্ৰ অধ্যয়নে চাওঁতাল সমাজৰ পাৰিবাৰিক, সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় বিশ্বাস আৰু পাৰম্পৰিক লোকপ্ৰথা সম্বন্ধে বুনিয়াদি তথ্য যোগান ধৰাত সহায়ক হৈছে। পৰবৰ্তী পদক্ষেপ হিচাপে চাওঁতাল বসতিপ্ৰধান অঞ্চল সমূহৰ বিভিন্ন উৎসৱ অনুষ্ঠানত নিৰীক্ষণ আৰু অংশগ্ৰহণ প্ৰণালীৰে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে এই উৎসৱ অনুষ্ঠান সম্বন্ধে সকলো দৰকাৰী তথ্য সংগ্ৰহ কৰা হৈছে। এই ক্ষেত্ৰত দৰকাৰী বিবেচিত বিভিন্ন উপাদান যেনে ঃ কাগজ, কলম, কেমেৰা, টেপ ৰেকৰ্ডাৰ, ভিডিও ৰেকৰ্ডাৰ আদিৰ যথাসম্ভৱ প্ৰয়োগ কৰা হৈছে। গৌণ সমল হিচাপে চাওঁতাল জনগোষ্ঠী সম্বন্ধে প্ৰকাশিত অথবা অপ্ৰকাশিত বিভিন্ন গ্ৰন্থ, আলোচনী, চৰকাৰী-বেচৰকাৰী নথি, পাণ্ডুলিপি, ইন্টাৰনেট যোগে প্ৰকাশিত বিভিন্ন লেখা আদিৰ খৰচি মাৰি অধ্যয়ন কৰা হৈছে। পৰবৰ্তী পৰ্যায়ত বাচনি প্ৰক্ৰিয়াৰে উপযুক্ত বিবেচিত হোৱা তথ্যসমূহৰ বিশ্লেষণ কৰি ইতিপূৰ্বে প্ৰস্তুত কৰা পূৰ্বানুমানসমূহৰ লগত ৰিজাই চোৱা হৈছে আৰু উপসংহাৰত এই অধ্যয়নে প্ৰস্তাৱিত উদ্দেশ্যসমূহ কেনেদৰে পূৰণ কৰিছে তাৰ চমু বিশ্লেষণ কৰা হৈছে।

## অধ্যয়নৰ উদ্দেশ্য ঃ

ক) অসমত বসবাস কৰা নৃগোষ্ঠীসমূহৰ ভিতৰত চাওঁতাল জনগোষ্ঠীৰ জীৱনশৈলীৰ বিষয়ে অধ্যয়ন কৰা।

খ) অসমৰ চাওঁতাল জনগোষ্ঠীৰ নৃগোষ্ঠীয় বৈশিষ্ট্য, জীৱন, মৃত্যু, বিবাহ আদিৰ লগত জড়িত বিভিন্ন লোকাচাৰ, কৃষিভিত্তিক চাওঁতাল সমাজখনৰ শ্ৰীবৃদ্ধিৰ হকে পালন কৰা বিভিন্ন পৰম্পৰাগত লোক-উৎসৱৰ বিষয়ে অধ্যয়ন কৰা।

গ) অসমৰ চাওঁতাল সমাজ জীৱনৰ লগত অভিন্নভাৱে জড়িত প্ৰাকৃতিক আৰু অলৌকিক শক্তি সমূহৰ প্ৰতি থকা বিশ্বাস আৰু এই শক্তিসমূহৰ উপাসনাৰ লগত জড়িত ৰীতি-নীতিৰ এক বিস্তৃত বিশ্লেষণ আগবঢ়োৱা।

ঘ) "আদিবাসী" আৰু "চাহ-জনজাতি" আদি নামকৰণৰ ফলস্বৰূপে আত্মপৰিচয়ৰ সংকটত ভোগা চাওঁতাল সমাজৰ সুকীয়া পৰিচয় সম্বন্ধে বুনিয়াদি তথ্য যোগান ধৰা।

ঙ) বিভিন্ন আৰ্য আৰু মংগোলীয় জনগোষ্ঠীৰ সংস্পৰ্শত তথা হিন্দু, ইছলাম আৰু খ্ৰীষ্ট ধৰ্মৰ প্ৰভাৱত অসমৰ চাওঁতাল জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় বিশ্বাস তথা লোকাচাৰ সমূহ কেনেদৰে প্ৰভাৱান্বিত হৈছে তাৰ এক খতিয়ান দাঙি ধৰা।

## অধ্যয়নৰ প্ৰমেয় ঃ

"অসমৰ চাওঁতাল জনগোষ্ঠীৰ পৰম্পৰাগত জীৱন শৈলী ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (কোকৰাঝাৰ জিলাৰ বিশেষ উল্লিখনেৰে)" বিষয় অধ্যয়নৰ বাবে নিৰ্দিষ্ট প্ৰমেয় স্থিৰ কৰা হৈছে। তলত প্ৰমেয় কেইটা উল্লেখ কৰা হ'ল —

ক) অসমত চাওঁতাল জনগোষ্ঠীক 'আদিবাসী' আৰু 'চাহ-জনজাতি' হিচাপে নামকৰণ কৰাৰ পৰিপ্ৰেক্ষিতত অসমৰ চাওঁতাল জনগোষ্ঠীটোৱে অস্তিত্বৰ সংকটত ভুগিছে।

খ) অসমৰ ভিন্ন পৰিবেশত আৰ্য আৰু মংগোলীয় জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সংস্পৰ্শৰ পৰিণতিত চাওঁতাল জনগোষ্ঠীৰ লোক পৰম্পৰা আৰু লোকসংস্কৃতিৰ ক্ষেত্ৰখনত আমূল পৰিবৰ্তন ঘটিছে।

গ) চাওঁতাল সমাজত হিন্দু, ইছলাম আৰু খ্ৰীষ্ট ধৰ্মৰ প্ৰসাৰে পৰম্পৰাগত ধৰ্মীয় বিশ্বাস আৰু লোকাচাৰত প্ৰভাৱ পেলাইছে।

**অধ্যয়ন সমীক্ষা ঃ**

চাওঁতালসকলৰ কোনো লিখিত ইতিহাস পাবলৈ নাই। তেওঁলোকৰ মৌখিক সাহিত্য তথা পৰম্পৰাগত লোককথাসমূহ এটি প্ৰজন্মৰ পৰা আন এটি প্ৰজন্মলৈ মৌখিক ভাৱে প্ৰবাহিত। তেওঁলোকৰ বাবে স্মৃতিশক্তি লিখিত পৰম্পৰাতকৈ বেছি বিশ্বাসযোগ্য। যদিও তেওঁলোকৰ জীৱন আৰু সমাজ সম্বন্ধে বিভিন্ন সময়ত বিভিন্ন লেখা, টোকা, গ্ৰন্থ আদিৰ প্ৰণয়ন হৈছে, তেওঁলোকৰ প্ৰতি পোনতে আকৰ্ষিত হয় খ্ৰীষ্ট ধৰ্মীয় যাজক আৰু পাদুৰী সকল। ইংৰাজ শাসক, ধৰ্মযাজক অথবা পৰিব্ৰাজক সকলৰ বিভিন্ন সময়ত, বিভিন্ন পৰিবেশত সংগৃহীত তথ্যৰ টোকাসমূহ চাওঁতাল জনগোষ্ঠী সম্বন্ধে প্ৰথম লেখা হিচাপে গণ্য কৰা হৈছে।

চাওঁতাল জনগোষ্ঠী সম্বন্ধে প্ৰকাশিত প্ৰথম পূৰ্ণাংগ গ্ৰন্থ হৈছে ১৮৬৭ চনত 'চাওঁতাল পৰগণা' জিলাৰ তদানীন্তন সহকাৰী আয়ুক্ত E. G. Mannৰ দ্বাৰা ৰচিত 'Sonthalia and the Sonthals'। এই গ্ৰন্থখনত তেওঁ 'চান্তাল পৰগণা' জিলাত কৰ্মৰত সময়ত তেওঁৰ সংস্পৰ্শলৈ অহা চাওঁতাল সকলৰ বিভিন্ন দিশ সম্পৰ্কে তেওঁৰ অনুভূতিৰ এটি সম্যক বিৰৰণ দাঙি ধৰা হৈছে।

W.W. Hunter দ্বাৰা ৰচিত আৰু ১৮৬৮ চনত প্ৰকাশিত 'Annals of Rural Bengal' নামৰ গ্ৰন্থখনৰ চাৰি নং অধ্যায়ত বীৰভূম অঞ্চলৰ চাওঁতালসকলৰ ভাষা, পৰিয়াল, নৃগোষ্ঠীগত বৈশিষ্ট্য, ধৰ্মীয় বিশ্বাস আদিৰ বিস্তৃত আলোচনা কৰিছে।

১৮৮৭ চনত Rev. L.O. Skrefsrud নামৰ ধৰ্ম যাজকজনৰ দ্বাৰা চাওঁতালী ভাষাত ৰচিত গ্ৰন্থ 'Horkoren Mare Hapramko Reak Katha' নামৰ গ্ৰন্থখন সুদীৰ্ঘ ৫০ বছৰৰ মূৰত

P.O. Bodding নামৰ যাজকজনে 'Tradition and Institutions of the Santals' নামেৰে ইংৰাজীত প্ৰকাশ কৰি উলিয়ায়। এই গ্ৰন্থখন চাওঁতাল গুৰু 'ক'লীয়ান'ৰ মুখেৰে শুনা চাওঁতালসকলৰ জনগোষ্ঠীৰ উৎপত্তি সম্বন্ধীয় পৌৰাণিক কথা তথা চাওঁতাল সমাজৰ বিভিন্ন অনুষ্ঠান তথা লোকপ্ৰথাৰ এক অমূল্য সম্পদ। এই Bodding চাহাবে পৰৱৰ্তী সময়ত চাওঁতালী ভাষাৰ অভিধানকে আদি কৰি 'Santal Folktales', 'Santal Riddles and Witchcraft Among the Santals', 'Materials for a Santali Grammar', 'Studies in Santal Medicine and Connected Folklore' আদি সৰ্বমুঠ ২৫ খন গ্ৰন্থ ৰচনা কৰে। তাৰ ভিতৰত 'Studies in Santal Medicine and Connected Folklore' ৰোগ আৰু প্ৰতিকাৰ তথা চাওঁতাল সমাজৰ পৰম্পৰাগত বনৌষধিৰ এক অমূল্য সম্পদ।

Cecil Henry Bompas ৰ দ্বাৰা সংকলিত আৰু ১৯০৯ চনত লণ্ডনৰ পৰা প্ৰকাশিত 'Folklore of the Santal Pargana' নামৰ গ্ৰন্থখন চান্তাল পৰগণা জিলাৰ চাওঁতাল সমাজত প্ৰচলিত সৰ্বমুঠ ১৭০ টা লোককথাৰ সংকলন।

L. S. S.O' Malley ৰ দ্বাৰা ১৯১০ চনত প্ৰকাশিত আন এখন গ্ৰন্থ হ'ল 'Santal Pargana'। এই কিতাপখন বিহাৰৰ ভগলপুৰ ডিভিজনৰ অন্তৰ্গত 'চান্তাল পৰগণা' জিলাৰ নিবাসি চাওঁতালসকলৰ সামাজিক, নৃতাত্ত্বিক আৰু ৰাজনৈতিক পৰিচয়ৰ এক সংক্ষিপ্ত সাৰ আখ্যা দিব পাৰি। বিশেষকৈ ইতিহাসে ঢুকি পোৱা সময়ৰ পৰা তেওঁলোকৰ প্ৰব্ৰজনৰ ইতিহাস সম্বন্ধে বিভিন্ন পণ্ডিতৰ মতামত এইখন গ্ৰন্থখনত দাঙি ধৰা হৈছে।

পৰৱৰ্তী সময়ত ১৯১৩ চনত M.A. Pederson দ্বাৰা ৰচিত 'Sketches from Santalistan' গ্ৰন্থখন স্কেণ্ডিনেভিয়াৰ লুথাৰেণ গীৰ্জাত কৰ্মৰত যুৱকসকলক ভাৰতীয় চাওঁতাল জনগোষ্ঠী সম্বন্ধে অৱগত হোৱাত সহায়ক হৈছিল। এই গ্ৰন্থখনৰ অধিকাংশই আছিল বিভিন্ন সময়ত বিভিন্ন বাতৰি কাকত তথা আলোচনীত প্ৰকাশিত লেখাৰ সংকলন।

W.J. Culshaw দ্বাৰা ৰচিত আৰু ১৯৪৯ চনত প্ৰকাশিত 'Tribal Heritage - A Study of the Santals' নামৰ গ্ৰন্থখনৰ লেখক বাংকুৰা জিলাত ১৯৩২ চনৰ পৰা ১৯৪৩ চনলৈকে থকা সময়ছোৱাৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ প্ৰতিফলন বুলি সমালোচক সকলে উল্লেখ কৰিছে। এই গ্ৰন্থখনত লেখকে চাওঁতাল সমাজৰ লগত জড়িত লোকাচাৰ, পৰম্পৰা আদি সাৱলীল

ভাষাত পটুৱৈ সমাজৰ বাবে উপস্থাপন কৰা দেখা যায়।

Navendu Datta Mazumder ৰ দ্বাৰা ৰচিত আৰু ১৯৫৬ চনত প্ৰকাশিত The Santal : A Study in Cultural Change নামৰ গ্ৰন্থখন পশ্চিমবংগৰ শান্তিনিকেতনৰ পাৰ্শ্বৱৰ্তী চাৰিখন চাওঁতাল গাওঁৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ ভিত্তিত ৰচনা কৰা হৈছে। এই গ্ৰন্থত তেওঁ উল্লেখ কৰিছে যে অন্যান্য জনগোষ্ঠীৰ সংস্পৰ্শত আৰ্থ-সামাজিক দিশত চাওঁতালসকলক পৰিৱৰ্তনৰ ঢৌৱে চুইছে যদিও ধাৰ্মিক ক্ষেত্ৰখনত এই পৰিবৰ্তন একেবাৰে নগণ্য।

Parimal Chandra Mitra ৰ দ্বাৰা ইংৰাজী ভাষাত ৰচিত আৰু ১৯৮৮ চনত প্ৰকাশিত আন এখন গ্ৰন্থ হ'ল 'Santali : The Base of World Language' এই গ্ৰন্থখন ভাৰতীয় ভাষাসমূহৰ আদি মূল ‘ইণ্ডো-ইউৰোপিয়ান’ ভাষাগোষ্ঠী হিচাবে শতিকা ধৰি থকা ধাৰণাক নসাৎ কৰি ‘ইণ্ডো-‘ইৰানীয়ান’ ভাষা গোষ্ঠীক পৃথিৱীৰ ভাষাসমূহৰ আদিমূল আৰু ঋগবেদৰ ভাষাৰ মূল — ‘ইণ্ডো-‘ইৰানীয়ান’ হিচাবে প্ৰতিস্থা কৰিব বিচৰা এক অতিকৈ সাহসী পদক্ষেপ। তেখেতৰ গ্ৰন্থখন প্ৰকৃতাৰ্থতেই এখন অপৰম্পৰাগত চিন্তাধাৰাৰ ফচল।

বাবুলাল মুৰমুৰ দ্বাৰা বাংলা ভাষাত ৰচিত আৰু ১৯৯১ চনত প্ৰকাশিত আন এখন কিতাপ হ'ল ‘হড় সেৰেঞ’। এই কিতাপখনত চাওঁতালজীৱন আৰু সংস্কৃতিৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত বাবুলাল মুৰমু দেৱে পশ্চিমবংগৰ চাওঁতাল সমাজৰ বিভিন্ন অনুস্থানৰ বহু মূল্যবান গীত তুলি ধৰিছে।

১৯৯৬ চনত সাহিত্য অকাডেমিৰ দ্বাৰা প্ৰকাশিত সুহৃদ কুমাৰ ভৌমিকৰ দ্বাৰা অনুদিত ও সম্পাদিত ‘সাওতালি গীত ও কবিতা সংকলন’ মুখ্যত বিভিন্ন সময়ত বিভিন্নজন চাওঁতাল সাহিত্যকাৰে লিখা আধুনিক গীত ও কবিতাৰ এটি সংকলন। তাৰ সৈতে পশ্চিমবংগৰ বিভিন্ন অঞ্চলত সিচঁৰতি হৈ থকা কিছুসংখ্যক মৌখিক সাহিত্য তেওঁৰ গ্ৰন্থখনত সন্নিবিষ্ট কৰিছে।

ধীৰেন্দ্ৰ নাথ বাস্কেৰ দ্বাৰা বাংলা ভাষাত ৰচিত দুখন গ্ৰন্থ হ'ল —২০০০ চনত প্ৰকাশিত ‘চাওঁতাল গণ সংগ্ৰামেৰ ইতিহাস’ আৰু ২০১০ চনত প্ৰকাশিত ‘চাওঁতালী ভাষা ও সাহিত্যেৰ ইতিহাস’। তাৰ ভিতৰত প্ৰথম গ্ৰন্থখন বাবুল বৰুৱাৰ দ্বাৰা ২০০৬ চনত ‘চাওঁতাল গণ সংগ্ৰামৰ ইতিহাস’ নামেৰে অসমীয়াত অনুবাদ কৰা হৈছে। এই গ্ৰন্থখন ‘চাওঁতাল

বিদ্ৰোহ'ৰ দিনপঞ্জী হিচাপে গণ্য কৰিব পাৰি। আনহাতে দ্বিতীয় গ্ৰন্থখনত চাওঁতাল জনগোষ্ঠীৰ মৌখিক সাহিত্যৰ লগত জড়িত প্ৰবাদ-প্ৰবচন, জতুৱাঠাচ, সাঁথৰ, গীত-মাত আদি সন্নিবিষ্ট কৰা হৈছে।

২০০৪ চনত প্ৰকাশিত W.J. Calshaw দ্বাৰা ৰচিত গ্ৰন্থ 'Tribal Heritage. A Study of the Santals'. এই কিতাপখন লিখকে বাংকুৰা জিলাৰ সাৰেংগা গাওঁত বাসকৰা সময়ছোৱাত অৰ্থাৎ ১৯৩২ চনৰ পৰা ১৯৪৩ চনৰ মাজৰ সময়ছোৱাত উক্ত গাওঁত বসবাস কৰা চাওঁতালসকলৰ পৰা প্ৰত্যক্ষভাৱে সংগ্ৰহ কৰা তথ্যৰ ওপৰত ৰচিত। এই কিতাপখন উক্ত সময়ৰ এটি নিৰ্দিষ্ট অঞ্চলৰ চাওঁতাল সকলৰ সামাজিক জীৱনৰ দলিল হিচাপে বিবেচিত কৰিব পাৰি।

২০০৫ চনত প্ৰকাশিত Harka Bahadur Chettry ৰ দ্বাৰা ৰচিত 'Adivasis and the culture of Assam' নামৰ গ্ৰন্থত চমুকৈ চাওঁতালসকলৰ সমাজ জীৱনৰ বিভিন্ন দিশৰ উল্লিখন পৰিদৃষ্ট হয়।

আকৌ W.G. Archer ৰ দ্বাৰা ৰচিত আৰু ২০০৭ চনত প্ৰকাশিত 'The Hill of Flutes' চাওঁতালৰ জীৱন ধাৰণৰ লগত জড়িত বিভিন্ন দিশৰ লগতে তেওঁলোকৰ দৈহিক সুষমা, নৃত্য আৰু গীতৰ প্ৰতি অনুৰাগ, প্ৰাকৃতিক আৰু অলৌকিক শক্তিৰ প্ৰতি বিশ্বাস আদিৰ বিষয়ত ৰচিত এখন আপুৰুগীয়া গ্ৰন্থ।

২০০৭ চনত পৰিমল হেমব্ৰমৰ দ্বাৰা সম্পাদিত 'সাওঁতালি সাহিত্যের ইতিহাস' নামৰ এখন গ্ৰন্থ প্ৰকাশিত হয়। তেওঁৰ এই গ্ৰন্থখনত চাওঁতাল পৰম্পৰাগত মৌখিক সাহিত্যৰ বিভাগ সমূহ, মিছনেৰিসকলৰ দ্বাৰা ৰচিত তথা সংগ্ৰহিত সাহিত্য, মিছনেৰিসকলৰ আমোলৰ চাওঁতালী সাহিত্যকাৰ, চাওঁতাল সমাজৰ মাজত প্ৰচলিত বিভিন্ন পত্ৰ-পত্ৰিকা আদিৰ সম্বন্ধে সংক্ষিপ্ত আলোচনা আগবঢ়াইছে।

উল্লিখিত অধ্যয়নৰ পৰা দেখা যায় যে ভাৰতবৰ্ষৰ চাওঁতাল সমাজখনৰ বিভিন্ন দিশত কিছু সংখ্যক গ্ৰন্থ প্ৰণিত হৈছে যদিও অসমৰ চাওঁতাল সমাজ জীৱনৰ লগত জড়িত লোকপ্ৰথা, লোকাচাৰ আৰু তাৰ লগত জড়িত লোকবিশ্বাস আদি সমগ্ৰ দিশ সাঙুৰি আজিলৈকে কোনো বিস্তৃত অধ্যয়ন হৈ উঠা নাই অথবা কোনো গ্ৰন্থও ৰচিত হোৱা নাই। সেয়েহে এই অধ্যয়নৰ

জৰিয়তে অসমৰ চাওঁতাল জনগোষ্ঠীৰ ওপৰত এটি বিস্তৃত বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

## অধ্যয়নৰ ফলাফল ঃ

অসমত চাওঁতালসকলৰ ইতিহাস ডেৰ শতিকাতকৈয়ে পুৰণি যদিও তেওঁলোকৰ পৰিচয় আজিলৈকে অতি পুতৌজনক। কিয়নো উপযুক্ত শিক্ষাৰ অভাৱ, নিম্ন মজুৰি, চৰকাৰী ঋণৰ সুবিধাৰ পৰা বঞ্চিতকৰণ আৰু ভূমি সংক্ৰান্তীয় বিভিন্ন কেৰোণ হেতু তেওঁলোক সমাজৰ মূল সুতিৰ পৰা বিচ্ছিন্ন। তদুপৰি ভাৰতৰ আন আন ৰাজ্যবোৰৰ দৰে অসমত তেওঁলোকক জনজাতিৰ মৰ্যদাও প্ৰদান কৰা হোৱা নাই। যাৰ ফলশ্ৰুতিত তেওঁলোক প্ৰকৃতাৰ্থতেই এক শক্তিহীন জনগোষ্ঠী। জাতি সত্তা তথা সাংস্কৃতিক ভাৱে নামনি অসমত বাস কৰা চাওঁতালসকলে ঝাৰখণ্ডমূলীয় পৰিচয় বৰ্তাই ৰাখিব খোজাৰ পৰিপ্ৰেক্ষিততেই হয়তো অসমৰ জনমানসত আজিও তেওঁলোক 'বহিৰাগত'। তদুপৰি অসমত 'চাওঁতালী' অথবা 'মুণ্ডাৰী' স্বীকৃত ভাষা নোহোৱাৰ লগতে চাহ-বাগিচাত বনুৱাৰ কাম কৰিবলৈ জোৰপূৰ্বক 'গিৰমিটিয়া কুলি' হিচাপে প্ৰেৰণ কৰাত তেওঁলোক মূলসুতিৰ পৰা পৃথক হৈ পৰে। অসমত পদাৰ্পণ কৰাৰ পাছৰে পৰা প্ৰতিটো বিষয়তে পৰনিৰ্ভৰশীলতা তথা চৰকাৰী সা-সুবিধাৰ অভাৱে তেওঁলোকৰ পৰিচয় সংক্ৰান্তত সংকট নমাই আনিছে বুলি ক'ব পাৰি। জাতি আৰু ভাষাগত ভাৱে সম্পূৰ্ণ পৃথক হোৱা স্বত্তেও সময়ৰ সোঁতত তেওঁলোকে স্থানীয় পৰিবেশৰ লগত নিজকে খাপ খুৱাই মূল সুতিত একাত্ম হ'বলৈ প্ৰচেষ্টা অব্যাহত ৰখাৰ লগতে এটি অবিকৃত তথা আৰ্য ভিন্ন সংস্কৃতি বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে। অসমৰ বায়ু পানীৰ লগত অভিন্ন হৈ, অসমকে মাতৃভূমি হিচাপে আকোৱালী লৈ, অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰি, অসমীয়া আৰ্থ-সামাজিক দিশত তেওঁলোকৰ অতিকৈ সমৃদ্ধ সাংস্কৃতিক সম্পদৰাজিৰে যি অনবদ্য অৱদান আগবঢ়াইছে সিয়ে বৃহত্তৰ অসমীয়া জাতি গঠণ প্ৰক্ৰিয়াত প্ৰভূত অৰিহণা যোগোৱাৰ লগতে আৰ্থ-সামাজিক ক্ষেত্ৰত নিজৰ সুকীয়া পৰিচয় অক্ষুন্ন ৰাখিছে। অসমৰ স্থানীয় পৰিবেশৰ লগত একাত্ম হ'বলৈ কৰা প্ৰচেষ্টাত তেওঁলোকে কিন্তু হেৰাই যাব দিয়া নাই তেওঁলোকৰ সামাজিক ৰীতি-নীতি

তথা লোকাচাৰ সমূহ। অসমৰ চাওঁতাল সকলৰ সৰহ ভাগে আওঁহতীয়া পৰিবেশত কৃষি কৰ্মকে জীৱিকাৰ মুখ্য সম্বল হিচাপে গ্ৰহণ কৰিছে আৰু আন কিছু সংখ্যকে দূৰণিৰ চাহ বাগিচাত বণুৱা হিচাপে কৰ্মৰত হৈ আছে।

এটি জনগোষ্ঠীৰ বিষয়ে অধ্যয়ন কৰাটো অতিশয় কষ্টসাধ্য আৰু সময়খৰচি, কিন্তু সাম্প্ৰতিক সময়ত প্ৰান্তীয়কৰণৰ বলি হোৱা জনগোষ্ঠীসমূহৰ সময় থাকোতে উপযুক্ত অধ্যয়ন নকৰিলে সময়ৰ সোঁতত হয়তো বহুতো জনগোষ্ঠীয়ে অস্তিত্বৰ সংকটত ভুগিব লাগিব। সেয়েহে আশা কৰা হৈছে আমাৰ অধ্যয়নে অসমৰ চাওঁতাল জনগোষ্ঠীৰ বিষয়ে বুনিয়াদি তথ্যৰ যোগান ধৰিব আৰু তেওঁলোকৰ অস্তিত্ব সুৰক্ষিত কৰাত অধিক সহায়ক হ'ব।

-----

**প্ৰসংগ টোকা ঃ**

১) Walter Fernandes, Vidyajyoti Journal of Theological Reflection, February,2003, পৃ-৪২-৪৩

## প্ৰথম অধ্যায়

# চাওঁতাল জনগোষ্ঠীৰ প্ৰব্ৰজনৰ ইতিহাস

অতীজৰে পৰা চাওঁতাল জনগোষ্ঠীটো প্ৰব্ৰজিত জনগোষ্ঠী হিচাপে পৰিচিত হৈ আহিছে। ভাৰতবৰ্ষৰ বৰ্তমানৰ 'চোটানাগপুৰ' আৰু তাৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত স্থায়ী ভাৱে থিতাপি লোৱাৰ আগতে তেওঁলোকৰ ইতিহাস আছিল এখন দেশৰ পৰা আন এখন দেশলৈ প্ৰব্ৰজনৰ ইতিহাস। লোক প্ৰবাদমতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি, প্ৰথম মানৱ দম্পতীৰ সৃষ্টি, সৃষ্টিকৰ্তা লিতাগোসাঁইৰ নিৰ্দেশত 'হাণ্ডি' প্ৰস্তুত কৰি সেই 'হাণ্ডি' পান কৰি নিচাসক্ত হৈ প্ৰথম সংগমত লিপ্ত হোৱা আৰু পৰৱৰ্তী সময়ত তেওঁলোকৰ সাতজন পুত্ৰ আৰু সাতজনী কন্যা সন্তানৰ জন্ম, তেওঁলোকৰ পৰস্পৰৰ মাজত বিবাহ আৰু সেই বিবাহৰ পৰিণতিত তেওঁলোকৰ জনসংখ্যা বৃদ্ধি ইত্যাদি তেওঁলোকৰ লোক কথা সমূহত পৰিস্ফুট। লোককথা অনুসৰি সকলোবোৰ সংঘটিত হৈছিল তেওঁলোক 'হিহিড়ী পিপিড়ী' নামৰ স্থানত থকা কালত। উক্ত স্থানৰ পৰা পৰবৰ্তী সময়ত তেওঁলোকে 'খোজ-কামান' লৈ প্ৰব্ৰজন কৰে আৰু তেওঁলোক নৈতিক ভাৱে স্খলিত হয়। সেয়ে ভগৱানে তেওঁলোকক তেওঁৰ ওচৰলৈ উভতি যাবলৈ নিৰ্দেশ দিয়ে কিন্তু সেই নিৰ্দেশ তেওঁলোকে অমান্য কৰে। ফলশ্ৰুতিত ভগৱানে এহাল পৱিত্ৰ দম্পতীৰ বাহিৰে সমগ্ৰ চাওঁতাল জাতিটোকে নিশেষ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেই মৰ্মে উক্ত দম্পতি হালক 'হাৰাতা' পাহাৰৰ গুহাত আশ্ৰয় লোৱাৰ বাবে নিৰ্দেশ দিয়ে। সেই নিৰ্দেশ মৰ্মে তেওঁলোকে 'হাৰাতা'ত আশ্ৰয় লোৱাৰ পাছত সাতদিন একেলেথাৰিয়ে অগ্নিবৃষ্টি হয় ফলত সমগ্ৰ জীৱ কূল নিচিহ্ন হয়। অগ্নিবৃষ্টি সমাপ্ত হোৱাৰ পাছত মানৱ-দম্পতি হাল গুহাৰ পৰা ওলাই আহে আৰু তেওঁলোকৰ পৰা পুনৰ এটি নতুন মানৱ-জাতিৰ সৃষ্টি হয়। তেওঁলোকে 'হাৰাতা'ত কিছুবছৰ বাস কৰাৰ পাছত 'সাসাংবেডা'লৈ প্ৰব্ৰজন কৰে। উক্ত

স্থানতে এই মানৱ-জাতি বিভিন্ন গোত্ৰত বিভক্ত হয় আৰু পূৰ্বৰ সাতটা গোত্ৰৰ সৈতে পাঁচটা নতুন গোত্ৰৰ সৃষ্টি হয়। 'সাসাংবেডা'ৰ পৰা তেওঁলোকে 'জাৰ্পি'লৈ প্ৰব্ৰজন কৰে। 'জাৰ্পি'ৰ পৰা অগ্ৰসৰ হোৱাৰ পাছত তেওঁলোকে এলানি ওখ পৰ্বতমালাৰ সন্মুখীন হয় আৰু তেওঁলোকৰ পথ ৰূদ্ধ হৈ পৰে। এই পৰ্বত শৃংখল ইমানেই ওখ আৰু দীঘল আছিল যে তেওঁলোকে দুপৰীয়া সময়তহে আকাশত সূৰ্য দেখিবলৈ সক্ষম হৈছিল। ইয়ে প্ৰমান কৰে যে তেওঁলোকৰ প্ৰব্ৰজন পূৰ্বদিশৰ পিনে আছিল। উক্ত স্থানতেই তেওঁলোকে এই বিশাল পৰ্বতৰ দেৱতা 'মাৰাংবুড়ু'ক পূজা কৰিবলৈ আৰম্ভ কৰে। সেই আৰাধনাত সন্তুষ্ট হৈ সেই বিশাল পৰ্বতমালাই তেওঁলোকক পৰ্বতৰ মাজেৰে 'সিনদুৱাৰ' আৰু 'বাই দুৱাৰ' নামৰ দুটি সুৰংগৰ ব্যৱস্থা কৰি দিয়ে। উক্ত সুৰংগ ৰাস্তাৰে তেওঁলোক 'এৰে' প্ৰদেশত প্ৰবেশ কৰে আৰু তাৰ পৰৱৰ্তী সময়ত ক্ৰমে, 'কইণ্ডে', 'চাই' আৰু অৱশেষত 'চাম্পা' প্ৰদেশত প্ৰৱেশ কৰিবলৈ লয়।

'চাম্পা'ত তেওঁলোকে নিজৰ ৰজাৰ শাসনত বহু বছৰ শান্তিৰে বসবাস কৰিছিল। উল্লিখিত 'চাম্পা'তেই তেওঁলোকক মুণ্ডা, কুৰ্মী, বিৰহড় আদি উপভাগত বিভক্ত হৈ পৰে। 'চাম্পা'ৰ পৰা তেওঁলোক 'তোৰে পুখুৰী বাহা বাণ্ডেলা' নামৰ ঠাইলৈ প্ৰব্ৰজন কৰে। উক্ত স্থানতেই বহু দিনৰ পৰা প্ৰচলিত হৈ অহা কিছুমান ৰীতি-নীতি বিলুপ্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু কিছু সংখ্যক নতুন ৰীতি-নীতিৰ সৃষ্টি কৰে। তাৰ পৰৱৰ্তী সময়ত তেওঁলোকে পুনৰ 'শিখৰ', 'শান্ত' আদি ঠাইলৈ প্ৰব্ৰজন কৰে।

চাওঁতালসকলৰ প্ৰব্ৰজনৰ বিষয়ে থকা এই পৰম্পৰাগত লোককথাৰ ওপৰত ভিত্তি কৰি বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত তেওঁলোকৰ প্ৰব্ৰজন সম্বন্ধে বিভিন্ন মত আগবঢ়োৱা দেখা যায়। এল. ও, স্কেফচ্ৰুদে কৈছে যে চাওঁতালসকলে পাৰস্যৰ পৰা আৰম্ভ কৰি আফগানিস্থান আৰু চীনদেশত বসতি স্থাপন কৰি উত্তৰ-পশ্চিম সীমান্তৰে ভাৰতবৰ্ষত প্ৰৱেশ কৰে আৰু বৰ্তমানৰ পঞ্জাব প্ৰদেশত বসতি স্থাপন কৰিবলৈ লয়। তাৰ পৰৱৰ্তী সময়ত তেওঁ লোকে চোটানাগপুৰৰ সমতল ভূমিলৈ প্ৰব্ৰজন কৰে। আকৌ কৰ্ণেল দেল্টনৰ মন্তব্য অনুসৰি তেওঁলোকে উত্তৰ পূব সীমান্তৰে ভাৰতত প্ৰৱেশ কৰি চোটানাগপুৰৰ মালভূমি অঞ্চলত থিতাপি লয় আৰু দামোদৰ নদীৰ দাতি কাষৰীয়া অঞ্চলসমূহত বসতি স্থাপন কৰে। চাৰ উইলিয়াম হান্টাৰেও তেওঁৰ 'Annals of Rural Bengal' নামৰ কিতাপখনত দেল্টনৰ এই মন্তব্যৰ সমৰ্থন

কৰিছে।[১] আনহাতে কৰ্ণেল ৰাডেলে চাওঁতাল সকলৰ পৰম্পৰাগত প্ৰব্ৰজনৰ কাহিনীক আৰ্যসকলে উত্তৰৰ পৰা কৰা আগ্ৰাসনৰ ফলশ্ৰুতিত গংগা নদীৰ দক্ষিণ পশ্চিম দিশৰ পলসুৱা ভুমি পৰিত্যাগ কৰি পাহাৰৰ দিশত প্ৰব্ৰজন কৰা বুলি অভিহিত কৰিছে।[২] এই তথ্যৰ আধাৰত ড° কেম্পবেলে লিখিছে যে চাওঁতালসকলে গংগা নদীৰ দুয়োপাৰে বসতি স্থাপন কৰিছিল যদিও মূলতঃ উত্তৰ পাৰতেই সংখ্যাধিক আছিল। তেওঁলোকে উত্তৰ-পূৰৰ পৰা আৰম্ভ কৰি গংগা উপত্যকালৈ ভটিয়াই আহি মিৰ্জাপুৰক কেন্দ্ৰ কৰি বেনাৰসৰ আশে পাশে বসতি স্থাপন কৰে। পৰবৰ্তী সময়ত উত্তৰ দিশে বসতি কৰা সকলে গংগা নদী পাৰ হৈ দক্ষিণৰ পিনে অগ্ৰসৰ হৈ বিন্ধ পৰ্বতৰ সন্মুখীন হয়। এই বাধাত তেওঁলোক বাওদিশৰ পিনে অগ্ৰসৰ হৈ চোটানাগপুৰ অঞ্চলত থিতাপি লয়। তেওঁ পুনৰ উল্লেখ কৰিছে যে, চোটানাগপুৰ অঞ্চলত বিচাৰি পোৱা একেধৰণৰ নামৰ সৈতে ৰিজাই চাই তেওঁলোকৰ আখ্যানত উল্লেখ থকা দেশ, নদী, দূৰ্গ আদিৰ চিনাক্তকৰণৰ প্ৰচেষ্টা চলি আছে। তেওঁলোকৰ পৰম্পৰাগত আখ্যানত উল্লেখ থকা বিভিন্ন নামৰ সৈতে এই অঞ্চলৰ বিভিন্ন নামৰ সামঞ্জস্য দেখা যায় আৰু তাৰ পৰাই অনুমান কৰিব পাৰি যে এই অঞ্চলৰ পৰাই হয়তো তেওঁলোকৰ পৰম্পৰা আৰু অনুষ্ঠানসমূহ বিকশিত হৈছিল। কিন্তু তেওঁলোকৰ ইতিহাস যে বহু প্ৰাচীন আৰু আদিম বাসস্থান যে বৰ্তমানৰ চোটানাগপুৰ অঞ্চলৰ পৰা শ শ মাইল নিলগত সেয়া তেওঁলোকৰ পৰম্পৰাৰ পৰাই বুজিব পাৰি।[৩]

আনহাতে ছাৰ হাৰ্বাৰ্ট ৰিজলে কৈছে যে চাওঁতালসকলৰ পৰম্পৰাগত প্ৰব্ৰজনৰ লোককথাক তেওঁলোকৰ প্ৰকৃত প্ৰব্ৰজনৰ তথ্য হিচাপে গণ্য কৰিব নোৱাৰি কাৰণ তেওঁলোকৰ মাজত এনেকুৱা এখন মহাকাব্যক মৌখিক পৰম্পৰাৰ মাধ্যমত এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বোৱাই নিবলৈ কোনো চাৰণ কবিও নাছিল। সেইহেতুকে এই লোককথাক ইতিহাস সমৃদ্ধ দলিল ৰূপে অভিহিত কৰিব নোৱাৰি। কিন্তু যদিহে তেওঁলোকৰ এই লোককথা তুলনামূলক ভাবে সাম্প্ৰতিক সময়ৰ দলিল ৰূপে গণ্য কৰা হয় তেন্তে তেওঁলোকৰ প্ৰব্ৰজন সম্বন্ধে প্ৰকৃত তথ্যৰ হয়তো সম্ভেদ বিচাৰি পোৱা যাব। হাজাৰিবাগ জিলাৰ অন্তৰ্গত চাই আৰু চাম্পা প্ৰদেশত এসময়ত এখন সমৃদ্ধিশালী চাওঁতাল বসতি থকা কথাটো ঐতিহাসিক ভাবে সত্য আৰু উক্ত স্থানত তেওঁলোকৰ এটা দূৰ্গ থকাৰো তথ্য পোৱা যায়; যিটো দূৰ্গ

পৰবৰ্তী সময়ত মুছলমান সকলে দখল কৰিছিল। তেওঁ এইদৰে উল্লেখ কৰিছে —

*'If the date of the taking of this fort by Ibrahim Ali were assumed to be about 1340 A.D, the subsequent migration of which the tribal legends speak would fill up the time intervening between the departure of the Santals from Chai Champa and their settlement in the present Santal Parganas. Speaking generally, these recent migrations have been to the East which is the direction they might prime facie have been expected to follow. The earliest settlements which Santal tradition speaks of, those in Ahiri Pipiri and Chai Champa, lie in the North-Western Frontier of the tableland of Hazaribagh and in the direct line of advance of the numerous Hindu immigrants from Bihar. That the influx of Hindus has in fact driven the Santals Eastward is beyond doubt, and the line which they are known to have followed in their retreat corresponds on the whole with that attributed to them in their tribal legends'* [৪]

**অৰ্থ ঃ** যদি ইব্ৰাহিম আলীয়ে তেওঁলোকৰ এই দুৰ্গ ১৩৪০ চন মানত দখল কৰা বুলি অনুমান কৰা হয় তেন্তে তাৰ পৰবৰ্তী সময়ৰ প্ৰব্ৰজন নিশ্চয়কৈ তেওঁলোকৰ আখ্যানে বৰ্ণনা কৰা চাই চাম্পাৰ পৰা বৰ্ত্তমানৰ চাওতাল পৰগণাত থিতাপি লোৱাৰ মাজৰ সময়খিনিৰ খালী ঠাই সমূহ পূৰণ কৰিব পৰা যাব। তেওঁলোকৰ সাম্প্ৰতিক সময়ৰ প্ৰব্ৰজন হ'ল পূৰ্ব দিশে। তেওঁলোকৰ মাজত প্ৰচলিত পৰম্পৰাগত আখ্যানত বৰ্ণিত প্ৰথম বাসস্থান আহিৰি পিপৰী আৰু চাই চাম্পা হাজৰিবাগৰ দক্ষিণ পশ্চিম সীমান্তত আছিল য'ত তেওঁলোকে বিহাৰৰ পৰা অহা হিন্দু শৰণাৰ্থীৰ আগ্ৰাসনৰ বলি হ'ব লগা হৈছিল। সেইবাবে বৰ্দ্ধিত হিন্দুৰ সংখ্যাই যে তেওঁলোকক পূবদিশে প্ৰব্ৰজন কৰিবলৈ বাধ্য কৰিছিল তাত কোনো সন্দেহ নাই আৰু তাৰ পৰবৰ্তী তেওঁলোকে পশ্চাৎসৰণ কৰাৰ সময়তে যি দিশৰ আত ধৰি প্ৰব্ৰজন কৰিছিল সেয়া তেওঁলোকৰ আখ্যানত বৰ্ণিত প্ৰব্ৰজনৰ ইতিহাসৰ সৈতে প্ৰায় একে।

চাওঁতাল জনগোষ্ঠীৰ প্ৰকৃত বাসস্থান যিয়েই নহওক লাগিলে কিন্তু বুৰঞ্জীয়ে ঢুকি পোৱা সময়ৰ পৰাই তেওঁলোকে চোটানাগপুৰৰ মালভূমি অঞ্চলৰ লগতে চুবুৰীয়া মেদিনীপুৰ আৰু সিংভূম জিলাত বসতি স্থাপন কৰি ১৮ শতিকাৰ শেষাৰ্দ্ধত উত্তৰৰ দিশত গতি কৰে আৰু ১৯ শতিকাৰ প্ৰথমাৰ্দ্ধত এক বুজন সংখ্যক চাওঁতাল বীৰভূম অঞ্চলৰ পৰা লাকেৰদেৱানী অৰ্থাৎ হাণ্ডে আৰু বেলপাতা অঞ্চলত বসতি স্থাপন কৰিবলৈ লয়। তেওঁলোকক এই বীৰভূম অঞ্চললৈ হাবি কাটি মাটি মোকোলাবলৈ লৈ অহা হৈছিল বুলি উল্লেখ পোৱা যায়।[৫]

বুচানন হেমিলটনৰ তথ্য অনুসৰি বীৰভূম অঞ্চলৰ জমিদাৰ সকলৰ অত্যাচাৰ সহিব নোৱাৰিহে চাওঁতাল সকলে ১৭৯০ চনৰ পৰা ১৮১০ চনৰ ভিতৰত হাণ্ডে, বেলপাতা আদি অঞ্চলত বসতি স্থাপন কৰিছিল। আনহাতে ১৮১৫ ৰ পৰা ১৮৩০ চনৰ ভিতৰত উক্ত স্থানলৈ নতুনকৈ প্ৰব্ৰজিত হোৱা বহু সংখ্যক চাওঁতাল মি. সুথাৰলেণ্ড আৰু মি. ৱাৰ্ডৰ দৃষ্টিগোচৰ হৈছিল। যাৰ ফলত ১৮২৬ ৰ পৰা ১৮৩৩ চনৰ ভিতৰত চাওঁতাল সকলৰ বাবে 'দামিন - ই-কোহ'ৰ গঠন কৰিছিল। ১৮৩৬ চনৰ পৰা ১৮৫১ চনলৈ আন বিভিন্ন অঞ্চলৰ পৰা নতুনকৈ প্ৰব্ৰজিত হোৱা চাওঁতাল সকলৰ দ্বাৰা 'দামিন-ই-কোহ' ঠাহ খাই পৰে আৰু দাঁতিকাষৰীয়া গভীৰ হাবি পৰিস্কাৰ কৰি বসতি স্থাপন কৰিবলৈ লয়। পৰবৰ্তী সময়ত জমিদাৰ সকলৰ পৰা সহজ বন্দোবস্তি অৰ্থাৎ এটি শিশুৰ চকুৰে মনিব পৰা পৰ্যন্ত এডৰা মাটিৰ বাবে বছৰি এক টকা খাজনাৰ বিনিময়ত 'পাত্তা' লাভ কৰে।[৬]

## চাওঁতাল শব্দৰ উৎপত্তি ঃ

চাওঁতাল, চান্থাল আদি যি নামেৰেই অভিহিত কৰা নহওক কিয় এই নাম যে মূলত হিন্দী শব্দৰ ইংৰাজী ৰূপ সেয়া ধ্ৰুৱপ। এই 'চাওঁতাল' বা 'সান্থাল' শব্দ বাংলা 'সাত্ততাড়' শব্দৰ প্ৰতিশব্দ। চাওঁতাল সকলে নিজকে 'হড়' বুলি কয়। এই 'চাওঁতাল' বা সান্থাল নামটো আন আন জনগোষ্ঠীয় লোকসকলে তেওঁলোকক বুজাবলৈ ব্যৱহাৰ কৰা নামহে মাথোন।

ডব্লিউ. বি. ওল্ডহামৰ মন্তব্য অনুসৰি 'চাওঁতাল' বা 'সান্থাল' এই নামটো 'সামন্তৱালা' শব্দটোৰ সংক্ষিপ্ত ৰূপ। মি. ৱাৰ্ডে ১৮২৮ চনত শিয়ালদহ পৰগণাত চাওঁতাল সকলৰ উপস্থিতি আবিস্কাৰ কৰি উক্ত স্থানক 'সামন্ত' নামেৰে নামকৰণ কৰিছিল। ফলশ্ৰুতিত উক্ত স্থানৰ

বাসিন্দা হিচাপে তেওঁলোক 'সামন্তৱালা' হিচাপে পৰিগণিত হয়। আনহাতে স্থানীয় বাসিন্দা সকলৰ মাজত শিয়ালদহ পৰগণা 'সামন্ত ভূই' আৰু চাওঁতালসকল 'সান্তভূই' হিচাপে জনাজাত আছিল। তদুপৰি পি. ও. বোডিং এ মন্তব্য কৰিছে যে 'সান্ত' আৰু 'সাত্তন্ত' শব্দ মূল সংস্কৃত 'সামন্ত'ৰ পৰা আহৰণ কৰা হৈছে। এই শব্দবোৰ মূলত আৰ্যমূলীয় শব্দ। সেইহেতুকে এই অঞ্চলৰ বাসিন্দা সকলক কোৱা হৈছিল 'সাত্তন্তাৰ' যাৰ অৰ্থ হ'ল সীমান্তবাসী।[৭]

ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মত অনুসৰি 'চাওঁতাল' শব্দটো সংস্কৃত মূলীয় শব্দ 'সামন্তপাল'ৰ পৰা আহৰণ কৰা হৈছে। ব্যুৎপত্তি গত ৰূপ অনুসৰি মূল শব্দ 'সামন্তপাল'ৰ পৰা অপভ্ৰংশ হিচাপে 'চাঅন্তআল' তাৰ পাছত 'চাওঁতাল' হৈছে।[৮]

চাওঁতাল গৱেষক পণ্ডিত ৰেভাৰেণ্ড স্ক্রেফ্চৰুদৰ মন্তব্য অনুসৰি মেদিনীপুৰ জিলাৰ শিয়ালদহ পৰগণা একসময়ত 'সাওন্ত' বা 'সামন্তভূমি' হিচাপে জনাজাত আছিল। সেয়েহে সেই 'সাওন্ত' প্ৰদেশত বসবাস কৰা লোক সকল কালক্ৰমত 'সাওন্তাৰ' হিচাপে পৰিচিতি লাভ কৰিবলৈ লয় আৰু 'সাওন্তাৰ' শব্দ সময়ৰ সোঁতত অপভ্ৰংশ ৰূপ পাই 'চাওঁতাল' হয়।[৯]

আনহাতে চাৰ জন চোড়ে তেওঁৰ 'চাম এক্সত্ৰাঅৰ্দিনাৰি ফেক্টচ কাস্তমচ এন্ড প্ৰেক্টিচেচ্ অফ হিন্দুজ' নামৰ প্ৰবন্ধত চাওঁতাল সকলক 'চুনতাড়' হিচাপে উল্লেখ কৰিছে।[১০]

এক সময়ত সমগ্ৰ 'খেৰবাড়' জাতি পূব-ভাৰতৰ পাহাৰীয়া অঞ্চলসমূহত বাস কৰিছিল। সময়ৰ সোঁতত কিছুসংখ্যক লোক সমতল ভূমিলৈ নামি আহি সমতলত বসতি স্থাপন কৰে। সমতলত বসতি স্থাপন কৰাৰ বাবেই তেওঁলোক 'চামনতল' বা চাওঁতাল বুলি জনাজাত হৈ পৰিল বুলিও এটা মতবাদৰ উল্লেখ পোৱা যায়।[১১]

উল্লিখিত মতবাদ সমূহৰ ভিন্নতাৰ বাবে 'চাওঁতাল' শব্দৰ উৎপত্তি সম্বন্ধে এটা মতত উপনীত হ'ব নোৱাৰি যদিও সংস্কৃতমূলীয় 'সামন্ত' শব্দৰ পৰাই সময়ত 'চাওঁতাল' হোৱাৰ সম্ভাবনাই বেছি বুলি অভিহিত কৰিব পাৰি।

ভাৰতবৰ্ষত মানৱ সভ্যতাৰ উদ্ভৱ সম্পৰ্কে কোনো তথ্য পোৱা নাযায়। বুৰঞ্জীয়ে ঢুকি নোপোৱা প্ৰস্তৰ যুগৰ সময়ৰ পৰাই ভাৰতবৰ্ষলৈ বিভিন্ন স্থানৰ পৰা মানুহৰ প্ৰব্ৰজন ঘটি আহিছে। এই সম্বন্ধে ৰিজলে, ৰূগেৰি, হেদেন প্ৰমুখ্যে নৃতত্ত্ববিদ সকলে বিভিন্ন সময়ত বিভিন্ন মতবাদ আগবঢ়াইছে যদিও 'অক্সফোৰ্ড পেমফ্লেট অফ ইণ্ডিয়ান এফিয়াৰচ,

নং ২২’ ত ড° বিৰজা শঙ্কৰ গুহই তেওঁৰ ‘ৰেচিএল ইলিমেন্টচ্ ইন দা ইণ্ডিয়ান পপুলেচন্’ নামৰ প্ৰবন্ধত প্ৰকাশিত সিদ্ধান্তসমূহেই সৰ্বাধিক গ্ৰহণ যোগ্য হিচাপে বিবেচিত হৈ আহিছে। তেওঁৰ সিদ্ধান্ত অনুসৰি ছয়টা প্ৰজাতিৰ মানুহ বিভিন্ন সময়ত ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। যথা —

**ক) নেগ্ৰিটো ঃ**

এই প্ৰজাতিৰ মানুহখিনি আফ্ৰিকাৰ পৰা আৰব হৈ প্ৰাক-ঐতিহাসিক সময়ৰ প্ৰস্তৰ যুগত ভাৰতবৰ্ষত প্ৰবেশ কৰিছিল। তেওঁলোক ‘নেগ্ৰেইট’ অথবা ‘নেগ্ৰিবটু’ হিচাপেও পৰিচিত।

**খ) প্ৰোট-অষ্ট্ৰেলীয় ঃ**

এই প্ৰজাতিৰ লোকসকল পশ্চিম এচিয়া দেশ সমূহৰ পৰা ভাৰতবৰ্ষত প্ৰৱেশ কৰি সমগ্ৰ ভাৰতবৰ্ষতে সিঁচৰতি হৈ পৰাৰ উপৰিও ভাৰতবৰ্ষৰ বাহিৰৰ মেলানেচীয়া আৰু পলিনেচীয়া আদিতো বিস্তাৰিত হৈ পৰিছিল।

**গ) ভূমধ্য সাগৰীয় ঃ**

এই প্ৰজাতীয় লোক সকল গ্ৰীচ, মিচৰ, পেলেষ্টাইন, ছিৰিয়া, এচীয়া মাইনৰ আদি ঠাইৰ পৰা ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। তেওঁলোক তিনিটা ভাগত বিভক্ত- প্ৰত্ন ভূমধ্যসাগৰীয়, ভূমধ্য সাগৰীয় আৰু প্ৰাচ্য।

**ঘ) পশ্চিমীয় প্ৰশস্তমস্তকী ঃ**

ভাৰতত প্ৰৱেশ কৰা এই চতুৰ্থ প্ৰজাতিৰ লোক সকল মেচোপটেমীয় আৰু এচীয় মাইনৰ মূলীয়। তেওঁলোকো তিনিভাগত বিভক্ত আছিল। যথা— আলপাইনীয়, অৰ্মেনীয় আৰু দিনাৰিক।

**ঙ) নৰ্দিক ঃ**

এই প্ৰজাতিৰ লোক সকল ভূমধ্য সাগৰীয় অঞ্চলৰ পৰা ইৰান আৰু আফগানিস্থান

হৈ ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল।

**চ) মংগোলীয় ঃ**

এই প্ৰজাতিৰ লোকসকল হিমালয়ৰ পাদদেশৰ পৰা উত্তৰ আৰু উত্তৰ-পূব় দিশেৰে ভাৰতবৰ্ষত প্ৰবেশ কৰি বিস্তাৰ লাভ কৰিবলৈ লয়।

উক্ত প্ৰজাতিৰ ভিতৰত প্ৰথম প্ৰজাতি নেগ্ৰিটো সকলৰ কোনো অস্তিত্ব সাম্প্ৰতিক সময়ত বিচাৰি পোৱা নাযায়। সম্ভৱত তেওঁলোকে সময়ৰ সোঁতত আন প্ৰজাতিৰ মানুহৰ সৈতে সানমিহলি হৈ স্বতন্ত্ৰ অস্তিত্ব হেৰুৱাই পেলায়। সেইহেতুকে প্ৰটো-অষ্ট্ৰেলীয় প্ৰজাতিৰ লোকসকল আৰু তেওঁলোকৰ ভাষাক ভাৰতবৰ্ষৰ আদিম জনগোষ্ঠী আৰু আদিম ভাষা বুলি কোৱা হয়। এই প্ৰজাতিৰ লোক সকল পৰবৰ্তী সময়ত 'কোল' নামেৰে পৰিচিতি লাভ কৰে। কালক্ৰমত উক্ত 'কোল' প্ৰজাতি বিভিন্ন গোটত বিভক্ত হয়। যেনে — মুণ্ডা, চাওঁতাল, গণ্ড খোণ্ড, সাৱৰ, ভুমিজ, বিৰহৰ, কুৰকু, কোৰা, গ'ৰ্বড, হো আদি।[১২] উক্ত প্ৰজাতিকৰণ হিচাপে 'চাওঁতাল' সকল হ'ল ভাৰতবৰ্ষৰ আদিম বাসী অৰ্থাৎ 'আদিবাসী'।

ইয়াৰ উপৰিও মহেঞ্জোদাৰো আৰু হৰপ্পাৰ প্ৰত্নতাত্তিক স্থানৰ পৰা খনন কাৰ্য্যৰ জৰিয়তে উদ্ধাৰ হোৱা খোদিত চিহ্ন সমূহ আৰু চাওঁতাল সকলে পূজাৰ সময়ত 'খোণ্ড' অৰ্থাৎ বেদীত অংকিত চিত্ৰ সমূহৰ মাজত থকা মিলৰ পৰাও চাওঁতাল লোকসকলৰ প্ৰাচীনতাৰ আভাষ পোৱা যায়।[১৩]

উল্লিখিত অষ্ট্ৰিক প্ৰজাতিৰ লোকসকলক প্ৰাচীন কালত ভাৰতবৰ্ষত দস্যু আৰু নিষাদ নামেৰে নামকৰণ কৰা হৈছিল।[১৪] আনহাতে সংস্কৃত কাব্যটো অষ্ট্ৰিক প্ৰজাতিৰ লোকসকলক নিষাদ, শবৰ, পুলিন্দ, ভিল্ল, কোল্ল, সমনপাল আদিৰে অভিহিত কৰা হৈছিল।[১৫]

বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে উল্লেখ কৰিছে যে খ্ৰীষ্টপূৰ্ব প্ৰায় দুহাজাৰ বছৰ পূৰ্বে উল্লিখিত প্ৰজাতিৰ লোকসকল ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ পাৰৰ পৰা দক্ষিনচীন, ম্যানমাৰ, অসম, ভাৰত, ইণ্ডোচীন আদি ঠাইলৈ বিস্তাৰিত হৈ পৰিছিল। আনহাতে বহু সংখ্যক ভাষাবিদে্ চীনদেশৰ দক্ষিণ-পশ্চিম অঞ্চলক এই অষ্টিকলোকসকলৰ পূৰ্ব বাসস্থান হিচাপে চিহ্নিত কৰিছে। তেওঁলোকৰ মতে খ্ৰীষ্টপূৰ্ব কেইবাহাজাৰ বছৰ আগেয়ে তেওঁলোক দুই

ভাগত বিভক্ত হৈ এটা ভাগ মালয় আৰু ইণ্ডোনেচীয় দেশসমূহ যেনে - সুমাত্ৰা, বালি, জৱা, বৰ্ণিও, ফিলিপাইন আদিত প্ৰৱেশ কৰে আৰু পৰৱৰ্তী সময়ত মেলানেচীয়া আৰু পলিনেচীয়া দ্বীপপুঞ্জলৈ সম্প্ৰসাৰিত হৈ পৰে। আনহাতে দ্বিতীয়টো দলে ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকাত বসতি স্থাপন কৰে আৰু পৰৱৰ্তী সময়ত মধ্যভাৰত আৰু পঞ্জাব প্ৰদেশলৈ বিস্তাৰিত হৈ পৰে। উল্লেখযোগ্য যে তেওঁলোকৰ মাজৰ এটা দল দক্ষিনলৈ আগুৱাই গৈ ত্ৰিবাংকুৰ (Travancore) অঞ্চলত বসতি স্থাপন কৰে।[১৬]

## চাওঁতাল জনগোষ্ঠী আৰু অসম ঃ

লিখিত তথ্য অনুসৰি চাওঁতালসকলৰ অসমলৈ আমদানি কৰা হৈছিল ১৮২৩ চনত ৰবাৰ্ট ব্ৰুচে চাহ গছৰ আবিষ্কাৰ কৰাৰ পাছত। নতুনকৈ স্থাপন কৰা বাগিছাসমূহত স্থানীয় শ্ৰমিকৰ নাটনি হোৱাত চাহ কোম্পানীসমূহে শ্ৰমিক নিযুক্তিৰ বাবে কিছুমান 'আৰ্কাটি' অৰ্থাৎ ঠিকাদাৰ নিযুক্তি দিছিল আৰু সেই ঠিকাদাৰবোৰে ভাৰতৰ বিভিন্ন স্থানত সিঁচৰতি হৈ থকা বিভিন্ন জনজাতীয় লোকৰ লগতে চাওঁতাল সকলকো অসমলৈ আমদানি কৰে। কেতিয়াবা জোৰ জবৰদস্তি কৰিও তেওঁলোকক অসমলৈ বনুৱা-মজদুৰ অথবা 'কুলি' হিচাপে লৈ অহা হৈছিল। ১৮৪০ চনত ঠিকাদাৰৰ দ্বাৰা হাজাৰিবাগ অঞ্চলৰ পৰা ৬৫২ জন আদিবাসীলোকক ফুচুলাই অনা হৈছিল যদিও আদবাটতে দুৰ্ভাগ্যজনক ভাৱে আটাইকেইজন লোকৰ মৃত্যু ঘটে। এই 'কুলি'ৰ ব্যৱসায়টো ইমানেই ভয়ানক অছিল যে ১৮৬৩ চনৰ পৰা ১৮৬৬ চনলৈকে অসমলৈ আমদানি কৰা ৮৪,৯১৫ জন কুলিৰ ভিতৰত ১৮৬৬ চনৰ জানুৱাৰী মাহলৈ, ৩০,০০০ জনেই মৃত্যুৰ মুখত পৰিছিল। এইদৰে চাহ-বাগিচা সমূহলৈ বনুৱা হিচাপে অসমৰ বাহিৰৰ পৰা আমদানি কৰা চাওঁতাল আৰু আন জনজাতীয়লোক সমূহ পৰৱৰ্তীসময়ত অসমৰ বিভিন্ন চুকে কোনে সিঁচৰতি হৈ অসমৰ স্থায়ী বাসিন্দা হৈ পৰে।[১৭]

চাওঁতাল ইতিহাসৰ এটি গুৰুত্বপূৰ্ণ অধ্যায় হ'ল ১৮৫৫ চনৰ পৰা ১৮৫৬ চনৰ ভিতৰত বিহাৰৰ 'দামিন-ই কোহত' সংঘটিত হোৱা চাওঁতাল বিদ্ৰোহ। এই চাওঁতাল বিদ্ৰোহৰ পাছত সৰ্বস্ৰান্ত হৈ পৰা চাওঁতাল পৰিয়ালসমূহৰ পুনঃ সংস্থাপনৰ অৰ্থে বিহাৰৰ বেনাগড়িয়াৰ খ্ৰীষ্টিয়ান ধৰ্ম যাজক সকলে তদানীন্তন অসমৰ বৃটিছ শাষকসকলৰ সৈতে কৰা আলোচনা

মৰ্মে ১৮৮১ চনৰ ৮ ফেব্ৰুৱাৰী দিনা অবিভক্ত গোৱালপাৰা জিলাৰ পশ্চিম প্ৰান্তত ধুবুৰী জিলাৰ সমীপত ১০০ জন সদস্যৰে সৈতে সৰ্বমুঠ ৪২ টা খ্ৰীষ্টিয়ান চাওঁতাল পৰিয়ালক সংস্থাপন দিয়ে। পৰৱৰ্তী সময়ত আৰু বহুতো পৰিয়ালক উক্ত ঠাইত সংস্থাপনৰ ব্যৱস্থা কৰা হয় আৰু তেওঁলোকে তাতেই নিগাজিকৈ থাকিবলৈ লয় আৰু তেওঁলোকৰ জনসংখ্যা দিনে দিনে বৃদ্ধি পাবলৈ ধৰে। পৰৱৰ্তী সময়ত উক্ত স্থান 'অসম কলোনী' বা অসমৰ চাওঁতাল কলোনী হিচাপে খ্যাতি লাভ কৰে। চাওঁতাল পৰগণাৰ বাহিৰত খ্ৰীষ্টিয়ান চাওঁতাল সকলক সংস্থাপনৰ বাবে পোনতে অষ্ট্ৰেলিয়াৰ দক্ষিণ পাৰে জৰিপ কৰা হৈছিল। বিষয়টো আনকি অষ্ট্ৰোলিয়াৰ সংসদতো আলোচনা কৰা হৈছিল আৰু এই আলোচনাৰ বাবে খ্ৰীষ্টিয়ান পাদুৰী স্কেফচ্‌ৰুড চাহাবক আমন্ত্ৰণ জনোৱা হৈছিল। স্কেফ্‌চৰুড আছিল বিখ্যাত 'বেপ্তিষ্ট মিছনেৰি সোঁসাইটি'ৰ এজন সক্ৰিয় পাদুৰী। তেওঁৰ আমন্ত্ৰণী পত্ৰখনত ১৮৭৫ চনৰ ২৯ জানুৱাৰীত স্বাক্ষৰ কৰিছিল তদানীন্তন অষ্ট্ৰেলিয়াৰ শিক্ষামন্ত্ৰী ডব্লিউ. এইচ্. ৰাণ্ডে। কিন্তু কোনো বিশেষ কাৰণবশত সেই পৰিকল্পনা বাতিল কৰা হ'ল। কিন্তু তেওঁলোকৰ সংস্থাপনৰ বাবে নতুন স্থানৰ সন্ধান অব্যাহত থাকিল। এই প্ৰকল্পৰ আগৰণুৱা আছিল 'সান্তাল মিছন অফ দা নৰ্ডাৰ্ণ চাৰ্চ'। ১৯১০ চনলৈ এই প্ৰকল্পক 'ইণ্ডিয়ান হোম মিছন' হিচাপে অভিহিত কৰা হৈছিল। সদৌ শেষত উক্ত মিছনেৰী সোঁসাইটিৰ সদস্য তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ স্বাস্থ্য সেৱা বিষয়া হম্‌চ পিটাৰ বয়েৰচন আৰু তেওঁৰ স্কটলেণ্ড নিবাসী বন্ধু ড° কে. গ্ৰাহাম চাহাবে তদানীন্তন অসমৰ প্ৰশাসনৰ সৈতে আলোচনা কৰে আৰু সেই আলোচনাত সহমত প্ৰকাশ কৰি প্ৰশাসনে ধুবুৰীৰ পৰা ৩০ মাইল উত্তৰে অৱিভক্ত গোৱালপাৰা জিলাত ৩০ বৰ্গ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ এটা এলেকা 'অসম কলোনী' হিচাপে প্ৰতিষ্ঠা কৰে।[১৮]

বোয়েৰচন চাহাবে ১৮৮১ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখে পোন প্ৰথমবাৰৰ বাবে ৪২ টা খ্ৰীষ্ট্ৰিয়ান চাওঁতাল পৰিয়ালৰ সৈতে আহি 'অসম কলোনী'ত প্ৰৱেশ কৰে। তেওঁলোকে পোনতে ধুবুৰীলৈকে ৰেলগাড়ীৰে আহি বাকী ৩০ মাইল খোজকাঢ়ি 'অসম কলোনী'ত উপস্থিত হয়। 'দিংদিঙা' নামৰ গাওঁখনত উপস্থিত হৈ তাত থকা এডাল বিশাল গছৰ তলত সকলোৰে সমবেত হৈ তেওঁলোকক এক নতুন বাসস্থান দিয়াৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি 'যীশুখৃষ্ট' লৈ প্ৰাৰ্থনা আগবঢ়ায় আৰু ঠাইখনৰ নাম 'ঠাকুৰপুৰ' হিচাপে নতুনকৈ নামকৰণ কৰা হয়

আৰু পৰৱৰ্তী সময়ত এই ঠাকুৰপুৰ 'অসম কলোনী'ৰ সকলো কাম কাজৰ কেন্দ্ৰ বিন্দু হৈ পৰে। তেওঁলোকৰ পাছত তেৰটা পৰিয়ালৰ সতে 'এবনেজাৰ বয়জ স্কুল'ৰ শিক্ষক হেজেকিয়া দাস আহি 'অসম কলোনী'ত উপস্থিত হয়।[১৯]

'অসম কলোনী'ৰ উত্তৰ অংশত ৰাজবংশী আৰু মুছলমান লোকৰ বাসস্থান হোৱাৰ উপৰিও সমগ্ৰ কলোনীখন অৰণ্য আৰু বন্যজন্তুৰে পূৰ্ণ আছিল। তেওঁলোকক সংস্থাপনৰ প্ৰথম বছৰতে মেলেৰিয়া আৰু আন মহামাৰীৰ কবলত মুঠ ১৪ জন লোক মৃত্যুৰ মুখত পৰিছিল। ১৮৮৮ চনত 'কলোনী'ৰ মুঠ জনসংখ্যা ৬০০ লৈ বৃদ্ধি পায় আৰু তেওঁলোকে মুঠ ১৮৮৬ হালিচা (হেক্টৰ) মাটি খেতি কৰাৰ বাবে জংগল কাটি মুকলি কৰি লয়। পৰৱৰ্তী সময়ত এই জনসংখ্যা ৪৪৮৬ জনলৈ বৃদ্ধি পায় আৰু খেতিৰ বাবে মুকলি কৰা মাটি কালিৰ পৰিমাণ হয়গৈ ১২২৮০ হালিচা।[২০]

পৰৱৰ্তী সময়ত খ্ৰীষ্টিয়ান চাওঁতালসকলৰ উপৰিও আন ধৰ্মীয় চাওঁতাল সকলৰো উক্ত অঞ্চললৈ আগমন ঘটে আৰু তেওঁলোকে 'অসম কলোনী'ৰ বাহিৰত বৰ্ত্তমানৰ কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলত বসবাস কৰিবলৈ লয়।

উল্লেখযোগ্য যে চাওঁতালসকলৰ সামাজিক ৰীতি-নীতি আৰু পৰম্পৰা 'অসম কলোনী'ত অক্ষুন্ন ৰখা হ'ব বুলি ভবা হৈছিল যদিও খ্ৰীষ্ট ধৰ্মৰ বিভিন্ন নিয়ম কানুন মানিবলৈ তেওঁলোকক বাধ্য কৰোৱা হয় আৰু বহু ধৰণৰ বাধা নিষেধ তেওঁলোকৰ ওপৰত আৰোপ কৰা হয়। পৰৱৰ্তী সময়ত 'অসম কলোনী'ত চাওঁতালসকলৰ পৰম্পৰাগত 'মৌন্‌ঝি বাইসি', 'পৰগণা বাইসি'কে আদি কৰি ধৰ্মীয় আৰু আন আন সামাজিক প্ৰথাসমূহৰ ব্যৱহাৰ অনুমতি প্ৰদান কৰা হৈছিল যদিও তেওঁলোকৰ পৰম্পৰাগত সুৰাৰ ব্যৱহাৰ, মূৰ্তি পূজা আৰু তাৰ সৈতে জড়িত উৎসৱ পাৰ্বণ সমূহ নিষিদ্ধ কৰা হৈছিল।

কিছুবছৰ সকলো ঠিকে ঠাকে চলিছিল যদিও তেওঁলোকৰ ওপৰত নতুনকৈ আৰোপ কৰা নিয়ম কানুন আৰু বাধা নিষেধ সমূহে তেওঁলোকৰ জনজাতীয় স্বভাৱৰ স্বতঃস্ফূৰ্ত প্ৰকাশৰ অন্তৰায় হৈ পৰে। সেয়েহে এক বুজন সংখ্যক চাওঁতাল 'অসম কলোনী'ৰ পৰা আঁতৰি আহি ওচৰৰ আন আন ঠাইসমূহত বসতি স্থাপন কৰিবলৈ আৰম্ভ কৰে। ১৯১১ চনলৈ 'কলোনী:ৰ বাহিৰত বাস কৰা চাওঁতালৰ সংখ্য ৮৬৮৭ জন হয়গৈ।[২১]

তদুপৰি চোটানাগপুৰ, চান্তাল পৰগণা, উৰিষ্যা আৰু আন আন মিছনৰ পাদুৰীসকলে সেই সময়ৰ প্ৰশাসন ব্যৱস্থাৰ অন্তৰ্গত সুতখোৰ জমিদাৰসকলৰ শোষণ আৰু বঞ্চনাৰে পিষ্ট গৰীব লোকসকলৰ অৱস্থা উন্নীতকৰণৰ অৰ্থে অসমলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। 'এংলো-ইণ্ডিয়ান ইভানজেলিকেল চাৰ্চ'ৰ সমপাদক ৰেভ. আইজাক ৰোৱে 'ইংলিচমেন' ত লিখিছে যে বেংগলৰ জিলাসমূহত অথবা ওচৰৰ ঠাই সমূহত ঠাহ খাই থকা ভোকাতুৰ অৰ্ধউলংগ লোকসকল অসমলৈ পথোৱাৰ ব্যৱস্থা কৰিব লাগে য'ত তেওঁলোকে সহজ আৰু লোভনীয় সংস্থাপনৰ ব্যৱস্থা কৰিব পাৰে।[২২] ১৯০৬ চনত গঠিত 'লেবাৰ ইনকুৱেৰী কমিটি' ৰ সন্মুখত সাক্ষ্য প্ৰদান কৰি ৰাচিৰ জাৰ্মানি ইভানজেলিকেল লুথাৰন চাৰ্চ''ৰ ৰেভ, নট্টটে কৈছে —

*'Our Mission has about 60,000 adherents in this districts. I should be willing to see more of our people going to Assam'* [২৩]

**অৰ্থ ঃ** আমাৰ মিছনৰ এই জিলাত ৬০,০০০ অনুগামী আছে। আমাৰ এই অনুগামীসকলৰ বুজন সংখ্যক অসমলৈ যোৱাটো বিচাৰো।

এই প্ৰব্ৰজনক উৎসাহিত কৰাৰ অৰ্থে পাদুৰীসকলে এই সিদ্ধান্ত গ্ৰহণ কৰে যে যিসকল লোক অসমলৈ প্ৰব্ৰজন কৰিব তেওঁলোকক চৰকাৰী পতিত মাটিত সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব আৰু তেওঁলোকক কোনো 'বেট-বেগাৰী' অৰ্থাৎ জৰৰদস্তি কামত খটোৱা নহ'ব। আইনৰ সম্পূৰ্ণ সুবিধা প্ৰদান কৰা হ'ব আৰু জমিদাৰৰ শোষণৰ পৰা মুক্ত হ'ব। বেপ্তিষ্ট মিছনেৰি ৰেভ. হেবেৰলেত চাহাবে ১৮৮৭ চনত ব্যক্তিগত উদ্যোগত উৰিষ্যাৰ পৰা খ্ৰীষ্টিয়ান চাওঁতালৰ এটি দল আনি তদানীন্তন চিলেট জিলাতো সংস্থাপন কৰিছিল।[২৪] এই সময়ছোৱাত পাদুৰি সকল যে চাহ -বাগিচাত কাম কৰাৰ বাবে শ্ৰমিক যোগান ধৰাতে সীমাবদ্ধ আছিল তেনে নহয়। তেওঁলোক আনকি চাহ-বাগিচাৰ মালিক পৰ্যন্ত হৈ পৰিছিল। উদাহৰণ স্বৰূপে 'চান্তাল পৰগণা'ৰ 'দা ত্ৰাস্ত এচোচিয়েচন অফ নৰ্দাৰ্ণ ইভেনজেলিকেল লুথেৰন চাৰ্চ' নামৰ মিছনে ১৮৯০ চনত অবিভক্ত গোৱালপাৰা জিলাত দুখনকৈ চাহ-বাগিচাৰ মালিক হৈ পৰাৰ লগতে এখন জমিদাৰীৰো মালিক হৈ পৰিছিল। উক্ত চাহ-বাগিচা দুখনৰ ভিতৰত এখন আছিল মৰনৈ চাহ-বাগিচা। পৰবৰ্তী সময়ত উক্ত চাহ -বাগিচাত কাম কৰা চাওঁতালসকলৰ

সতি সন্ততি দাঁতি কাষৰীয়া অঞ্চল সমূহত সিঁচৰতি হৈ পৰে। এই সন্দৰ্ভত এইচ. কে. বৰপূজাৰিয়ে মন্তব্য কৰিছে যে তদানিন্তন বৃটিছ চৰকাৰৰ দ্বাৰা ঘোষিত ভূমিনীতিৰ দ্বাৰা আকৰ্ষিত কৰি গোৱালপাৰা জিলালৈ তেওঁলোকক লৈ অহা হৈছিল।[২৫]

## চাওঁতাল জনগোষ্ঠীৰ নৃ-তাত্বিক বিচাৰ ঃ

চাওঁতাল সকলৰ বৰণ ইষৎ ক'লা যদিও নিগ্ৰোসকলৰ দৰে গভীৰ ক'লাও নহয়। চকু মধ্যমীয়া ক'লা বৰণৰ। চুলি সাধাৰণতে ঘন ক'লা আৰু চিধা। মাজে সময়ে ব্যক্তি বিশেষে আফ্ৰিকাৰ লোকসকলৰ মাজত দেখা পোৱা ধৰণে ঢৌ খেলোৱা আৰু কেঁকোৰা হোৱাও দেখা যায়। নাক সাধাৰণতে ডাঙৰ আৰু চেপেতা হয়। চাওঁতাল সকলৰ মাজত দাড়ি খুব কম আৰু গাত নোম কমেই দেখা যায়। শাৰিৰীক ভাৱে তেওঁলোক সবল, পোন আৰু শক্তিশালী হয়। তেওঁলোকৰ উচ্চতা ভিন্ন ধৰণৰ হয় যদিও সাধাৰণতে আৰ্যসকলতকৈ কম উচ্চতাৰ হোৱা দেখা যায়।[২৬]

নৃতত্ত্ববিদ সকলে বিভিন্ন সময়ত চাওঁতাল সকলক প্ৰাক্- দ্ৰাবিড়ীয়ান, কোলাৰিয়ান, দ্ৰাবিড়ীয়ান, প্ৰোট-এষ্ট্ৰালয়দ, নিসাদ আৰু অষ্ট্ৰিক আদি বিভিন্ন নামেৰে নামকৰণ কৰিছে। ৰিজলে চাওঁতাল সকলক প্ৰকৃত দ্ৰাবিড়ীয় হিচাবে অভিহিত কৰিছে। কনো, হাদন, সৰকাৰ প্ৰমুখ্যে বহু নৃতত্ত্ববিদে চাওঁতাল আৰু আন মুণ্ডাৰী ভাষী জনগোষ্ঠীবোৰক দ্ৰাবিড়ীয় ভাষী জনগোষ্ঠীতকৈ পৃথক বুলি গণ্য কৰিছে। পিটাৰ ডব্লিউ স্কিম্‌দত এ চাওতালসকলক 'এষ্ট্ৰো-এচিয়াটিক' হিচাপে বিবেচিত কৰিছে। হাদন এ তেওঁলোকক 'প্ৰি-দ্ৰাবিড়ীয়ান' বুলি মন্তব্য কৰিছে। পিটাৰ ডব্লিউ স্কিম্‌দত অৰ ধাৰণাক ৰুৱন ৰিকষ্টেদ এও সমৰ্থন জনাইছে। ড° বিৰজা শংকৰ গুহ ই চাওঁতালসকলক অষ্ট্ৰেলিয়াৰ আদিবাসী সকলৰ সৈতে তেওঁলোকৰ যথেষ্ট সাদৃশ্য দেখা যায় বাবে তেওলোকক 'প্ৰোট এষ্ট্ৰালয়দ' বুলি অভিহিত কৰিছে। আনহাতে আৰ. ভন. হেইনে গেলদাৰ্ন এ চাওঁতালসকলক মংগোলীয় জনগোষ্ঠীৰ লোক বুলি অভিহিত কৰিছে। চাওঁতালসকলৰ মাজত কিছুমান মংগোলীয় লক্ষণ দেখা পোৱা যায় যদিও ৰিজলে আৰু বোদিং এ চাওতালসকলক মংগোলীয় জনগোষ্ঠীৰ লোক বুলি অভিহিত কৰাৰ ধাৰণটো একেমুখে অস্বীকাৰ কৰিছে। পি.ও. বোদিং এ চাওঁতাল শিশুৰ ছালত থকা 'পিগমেন্ট'

সমূহ অনুধাৱণ কৰি মন্তব্য প্ৰকাশ কৰিছে যে এই ‘পিগমেন্ট’ সমূহৰ আকাৰ, স্থান আৰু ৰং মংগোলীয় জনগোষ্ঠীৰ শিশুসকলৰ দেহত বিচাৰি পোৱা এক বিশেষ নীল বৰণীয়া বিন্দুৰ সৈতে একে। গতিকে এইটো অনস্বীকাৰ্য্য হ’লেও সত্য যে ইতিহাসৰ কোনো এক নিৰ্দ্দিষ্ট পৰ্য্যায়ত চাওঁতাল শৰীৰত মংগোলীয়ান তেজৰ সংযোজন ঘটিছিল। হয়তো চাওঁতাল সকলে মংগোলীয় পত্নী গ্ৰহণৰ যোগেদি অথবা চাওঁতাল মহিলা আৰু মংগোলীয় পুৰুষৰ মাজতসম্পৰ্ক স্থাপনৰ জৰিয়তে এইয়া সম্ভৱ হৈছিল। এচ. এচ. সৰকাৰে মন্তব্য কৰিছে যে চাওঁতালসকলৰ মাজত ‘মংগোলীয়ান’ বৈশিষ্ট বিদ্যমান যদিও বিশেষ অষ্টেলীয় জনগোষ্ঠীয় লক্ষণেৰে চাওঁতালসকল সমৃদ্ধ। এই ভিন্নধৰ্মী মতামতবোৰক টুচ আৰু টেৰুৰাৰে বিশেষ ভাবে চালি জাৰি চাই উল্লেখ কৰিছে যে মুণ্ডা, হো আৰু চাওঁতালসকল ‘এষ্ট্ৰো এচিয়াটিক’।[২৭] উপৰি উক্ত আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰে যে চাওঁতালসকলৰ নৃগোষ্ঠীয় পৰিচয় ক্ষেত্ৰত এক বিজ্ঞানসন্মত গভীৰ অধ্যয়নৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত ড° বিৰজা শংকৰ গুহৰ মন্তব্যক সমৰ্থন কৰি চাওঁতালসকলক প্ৰোট-অষ্টেলীয় বুলি কব পাৰি কিয়নো অষ্টেলীয়াৰ আদিবাসী আৰু চাওঁতাল সকলৰ মাজত যথেষ্ট সাদৃশ্য দেখা যায়।

এইদৰে আলোচনা কৰিলে দেখা যায় যে চাওঁতাল জনগোষ্ঠী এটা প্ৰব্ৰজিত জনগোষ্ঠী। তাহানিতে তেওঁলোকক নিজ গৃহভূমি ত্যাগ কৰি প্ৰব্ৰজনৰ গতিৰে জীৱন ধাৰা আৰু শৈলী অব্যাহত ৰাখিছে। উক্ত প্ৰব্ৰজনৰ গতিৰে তেওঁলোক ভাৰতবৰ্ষত প্ৰৱেশ কৰে আৰু বিভিন্ন অঞ্চলত বসতি স্থাপন কৰিবলৈ লয়। তাৰ অংশ স্বৰূপে উনৈশ শতিকাত অসমলৈ চাওঁতাল সকলৰ আগমণ ঘটে। তাৰ পৰবৰ্তী সময়ত স্বকীয় অস্তিত্ব বৰ্তাই ৰাখি অসমক মাতৃ ভূমি হিচাপে আদৰি লয়। বৰ্তমান চাওঁতাল জনগোষ্ঠী অসমৰ এটা অবিচ্ছেদ্দ্য অংগ আৰু বৃহৎ অসমীয়া জাতি গঠণ প্ৰক্ৰিয়াৰ এটা নৃ-গোষ্ঠীয় উপাদান।

-----

## প্ৰসংগ টোকা ঃ


১) LSS O' Malley, Bengal district Gazetteers Santal Pargana, P.- 90

২) L. A. Waddell, The Traditional Migration of the Sautal Tribe, The Indian Antiquary, PP. - 294-6

৩) LSS O' Malley, Bengal district Gazetteers Santal Pargana, PP. - 90-91

৪) Sir Herbert Hope Risley, Tribes and Castes of Bengal, Vol. II, PP-225-6

৫) LSSO' Malley, ibid, PP.-95-97

৬) LSSO' Malley, ibid, P.-99

৭) LSSO' Malley, ibid, P.- 100

৮) সাৰদা প্ৰসাদ কিস্কু, সুকুমাৰ সিকদাৰ, (সম্পা. ), খেৰওয়াল বংশা ধৰম পুথি, পৃ-১২

৯) উল্লিখিত, পৃ- ২০

১০) LSS O' Malley, Bengal district Gazetteers Santal Pargana, P.-96

১১) সাৰদা প্ৰসাদ কিস্কু, সুকুমাৰ সিকদাৰ, (সম্পা. ), খেৰওয়াল বংশা ধৰম পুথি, -১৫

১২) Parimal Chandra Mitra, Santali the base of World Languages, PP. -1-2

১৩) Arun Pathak, N.K. Verma, choes of Indus Valley - P.-8

১৪) ড° ভুবন মোহন দাস, জনগোষ্ঠীত প্ৰজাতীয় উপাদান, গিৰিধৰ শৰ্মা, (সম্পা.), অসমীয়া জাতিৰ ইতিবৃত্ত (আদিম কালৰ পৰা দ্বাদশ শতিকালৈ), পৃ- ১০-১৯

১৫) প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য (সম্পা.), অসমৰ জনজাতি, পৃ-৭

১৬) বিৰিঞ্চি কুমাৰ বৰুৱা, অসমীয়া ভাষা আৰু সংস্কৃতি, পৃ- ১২

১৭) সুশীল কুৰ্মী, অসমৰ চাহ শ্ৰমিকৰ অৱদান, পৃ- ৩৪

১৮) ছটৰায় দেশমাঝি (মুল) বাবুল বৰুৱা (অনুবাদ) চাওঁতাল গণসংগ্ৰামৰ ইতিহাস, পৃ-২০৯

১৯) উল্লিখিত, পৃ-২০৯

২০) উল্লিখিত, পৃ- ২০৯

২১) উল্লিখিত, পৃ- ২১০

২২) Special Report on the working of the Act I of the 1882 in the province of Assam during the year 1886-89, Calcutta, 1890 P 229

২৩) Proceeding of the Assam Labour Enquiry Committee in the recruiting and Labour District, Calcutta, 1906. P.19

২৪) Special Report on the working of the Act I of the 1882 in the Province of Assam during the year 1886-89. Cacutta, 1890 P 220.

২৫) H. K. Barpujari, The Comprehensive History of Assam, Vol.- V, P.- 48

২৬) J. Troisi, Tribal Religion : Religious Beliefs and Practices Among the Santals, P. - 27

২৭) J. Troisi, ibid, P. 27

-----

# দ্বিতীয় অধ্যায়

# অসমৰ চাওঁতাল জনগোষ্ঠীৰ মৌখিক সাহিত্য

লোকসাহিত্য লোকসমাজৰ দাপোন স্বৰূপ। এই লোক সাহিত্যৰ মাজেৰেই প্ৰতিফলিত হয় লোকমনোধৰ্মী বিভিন্ন লোকবিশ্বাসৰ ছবি। লোক মানসত পৰিব্যাপ্ত হৈ থকা লোক জীৱনৰ আৱেগ, অনুভূতি আৰু অভিজ্ঞতা প্ৰকাশ কৰা মাধ্যম সমূহকে লোক সাহিত্য বুলি ক'ব পাৰি। লোকসাহিত্যই যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে চলি আহিছে। সি সমূহ গতিশীল আৰু পৰিবৰ্তন মুখী যদিও তাৰ সাঁহটো কালজয়ী। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভাষাত "জাতিৰ আদিম অৱস্থাৰ পৰা সভ্যস্তৰলৈ আঁত নিছিগাকৈ চলি অহা জনশ্ৰুতিয়ে হ'ল লোকসাহিত্য। ই গদ্য আৰু গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্ট আৰু সংৰক্ষিত।"[১]

যুগ যুগ ধৰি আৰ্জিত মানৱ জীৱনৰ অভিজ্ঞতা, অনুভূতিৰ আৱেগিক প্ৰতিফলন ঘটে লোকসাহিত্যত। অনাখৰী কবিৰ মুখেৰে নিগৰিত এই লোকসাহিত্যত মানুহৰ সুখ, দুখ, আশা-আকাংক্ষা, হাঁহি-কান্দোন, প্ৰকৃতিৰ বিচিত্ৰ বৰ্ণনা, সামাজিক প্ৰতিচ্ছবি স্পষ্ট ৰূপত প্ৰকাশ পায়। জাগতিক জীৱনৰ সকলোবোৰ সৰু বৰ কথাই স্বভাব কবিসকলক আকৰ্ষণ কৰিছিল আৰু তাৰ আধাৰতেই সৃষ্টি হৈছিল লোক-সাহিত্যৰ ন-ন দিশ। লোকসাহিত্য সামাজিক জীৱনৰ দলিলস্বৰূপ। এই শ্ৰেণীৰ সাহিত্যৰ মাজেৰে গাঁওলীয়া সমাজৰ এখন সুন্দৰ ছবি প্ৰতিফলিত হোৱাৰ লগতে নৈসৰ্গিক জগতখনৰো স্পষ্ট প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। লোকজীৱনত প্ৰচলিত লোকবিশ্বাস, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, অন্ধবিশ্বাস, উৎসৱ-অনুস্থান আদিৰ বৰ্ণনাই লোকসাহিত্যত এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে।

'লোক-সাহিত্য হৈছে লোক-বিশ্বাসৰ প্ৰতিচ্ছবি। লোক-জীৱনৰ পৰম্পৰা আৰু

অভিজ্ঞতাই লোক-বিশ্বাসৰ সৃষ্টি কৰে। লোক-বিশ্বাসে যুক্তি-তৰ্ক স্বীকাৰ নকৰে; কিন্তু পৰম্পৰা স্বীকাৰ কৰে।'[২]

লোকমানসৰ চিন্তা, চেতনা, ভাব-কল্পনাৰ ভেটিত সৃষ্টি হোৱা লোকসাহিত্যৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে নৈৰ্ব্যক্তিতা। এই শ্ৰেণীৰ সাহিত্যত কোনো ৰচকৰ নাম নাথাকে। লোকসাহিত্যৰ আন এটি বিশেষত্ব হ'ল সৰলতা। নিৰক্ষৰ চহা মানুহৰ মনৰ অভিব্যক্তিৰ বাবেই হয়তো এই শ্ৰেণীৰ সাহিত্যত কোনো জটিলতা নাই। প্ৰকাশভংগী পোনপটীয়া আৰু সৰল হোৱা বাবে লোকসাহিত্যৰ জনপ্ৰিয়তা সৰ্বাধিক।

মানুহে সদায় আনন্দৰ নিজৰাতেই অবগাহন কৰিবলৈ ভাল পায় যদিও দুখ-শোক, বিৰহ-বেদনাই মাজে মাজে ব্যথিত কৰি তোলে। সেইবাবেই লোকসাহিত্যত আনন্দৰ আবেগময়ী প্ৰকাশৰ লগতে বিষাদৰ সুৰো প্ৰতিধ্বনিত হয়। সেয়ে স্বভাৱ কবিয়ে তাক প্ৰকাশ কৰে নিজস্ব ছন্দ অলংকাৰেৰে। সেইবাবে লোকসাহিত্যত ব্যাকৰণ সন্মত এটা সুষ্ঠ গাঁথনি পোৱা নাযায়। তদুপৰি লোকসাহিত্য যিহেতু মুখে মুখে প্ৰবাহিত সেয়ে ইয়াৰ কোনো লিখিত ৰূপ পোৱা নাযায়।

> *'লোক-সাহিত্য সামাজিক জীৱনৰ বুৰঞ্জী। বুৰঞ্জীৰ পাতত অনেক সময়ত ৰজা-মহাৰজাৰ প্ৰৱল-প্ৰতাপৰ বিৱৰণীহে থাকে সামাজিক জীৱনৰ বিষয়ে একো কথা পোৱা নেযায়। কিন্তু লোক-সাহিত্যৰ অন্তৰ্গত বিশ্লেষণ আৰম্ভ কৰিলে সামাজিক জীৱনৰ অন্ধবিশ্বাস, লোকবিশ্বাস, ৰীতি-নীতি, ধৰ্ম, মানসিক পৰিসৰৰ বিষয়ে বঢ়িয়াকৈ জানিব পাৰি। আধুনিক যুগৰ শিক্ষাই আমাক লোক-সাহিত্যৰ প্ৰতি চৰ্চা-বিমুখ কৰি তোলাৰ অনেক অনেক সম্পদ হেৰুৱাবলৈ আৰম্ভ কৰিছোঁ; কিন্তু এটা জাতিৰ সামাজিক জীৱন বুৰঞ্জী লিখিবলৈ আটাইতকৈ ডাঙৰ আহিলা হৈছে লোক-সাহিত্য।'[৩]*

অষ্ট্ৰিক ভাষাগোষ্ঠীৰ মাজত চাওঁতালী ভাষাকেই উন্নত হিচাপে গণ্য কৰা হয়। গ্ৰিয়াৰসনে মন্তব্য কৰিছে যে 'মুণ্ডা ভাষাগোষ্ঠীৰ মাজত চাওঁতালী সবাতোকৈ গুৰুত্বপূৰ্ণ'।[৪] উল্লেখ্য যে অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অন্তৰ্গত কোনো ভাষাৰেই লিখিত ৰূপ উনৈশ শতিকাৰ মধ্যভাগলৈ বিচাৰি পোৱা নাযায়। অৰ্থাৎ সকলোবোৰ ভাষাই আছিল মৌখিক। গতিকে

চাওঁতাল সমাজতো পূৰ্বৰে পৰা প্ৰচলিত সাহিত্য আছিল মৌখিক। চাওঁতালসকলৰ মাজত এটি বহুল ভাৱে প্ৰচলিত কথা হ'ল — 'অল খন দ থুতিগে সৰসা' অৰ্থাৎ লিখাতকৈ শ্ৰুতিয়েই শ্ৰেষ্ঠ। আৰু সেইবাবেই হয়তো চাওঁতাল লোক সাহিত্য বহুকাল ধৰি শ্ৰুতিৰ মাধ্যমেৰে প্ৰচলন হৈ আহিছে। বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰ পৰাই এই বিশাল সাহিত্য ভাণ্ডাৰৰ কিছু সংখ্যক স্মৃতিৰ মানসপটত ৰৈ গৈছে আৰু বংশ পৰম্পৰা হিচাপে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ মৌখিক ৰূপত প্ৰবাহিত হৈ আহিছে যিয়ে এই সাহিত্যৰ ভাণ্ডাৰক লুপ্ত হোৱাৰ পৰা ৰক্ষা কৰি আহিছে।

লোকসাহিত্যৰ ইতিহাস আৰু বৈশিষ্ট্য সমূহক আগত ৰাখি ড° সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া লোক-সাহিত্যক প্ৰধানত তিনিভাগত ভাগ কৰিছে। যথা — (ক) লোকগীত (খ) ফকৰা-যোজনা আৰু প্ৰৱচন (গ) সাধুকথা।[৫]

থিক তেনেদৰে ড° প্ৰফুল্লদত্ত গোস্বামীয়ে আকৌ মৌখিক সাহিত্যৰ শ্ৰেণী বিভাজন কৰিছে এনেদৰে — (ক) সাধুকথা (খ) গীত-মাত (গ) সাঁথৰ (ঘ) পটন্তৰ বা বচন আৰু (ঙ) মন্ত্ৰ।[৬]

আনহাতে ড° নবীন চন্দ্ৰ শৰ্মাই লোক-সাহিত্যৰ পাঠ তলত উল্লেখ কৰা ধৰণেৰে ভাগ কৰি দেখুৱাইছে — (ক) লোক কবিতা বা লোকগীত (খ) গদ্যধৰ্মী লোককথা (গ) প্ৰৱচন, লোকোক্তি, যোজনা, পটন্তৰ (ঘ) সাঁথৰ, দিষ্টান (ঙ) লোকভাষা।[৭]

এইদৰে আলোচনা কৰিলে দেখা যায় যে অধ্যয়নৰ প্ৰয়োজনীয়তা অনুসৰি বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে মৌখিক সাহিত্যক বিভিন্ন ধৰণে শ্ৰেণী বিভাজন কৰিছে। ঠিক তেনেদৰে আমাৰ গৱেষণাৰ বিষয়বস্তু — "অসমৰ চাওঁতাল জনগোষ্ঠীৰ পৰম্পৰাগত জীৱন শৈলীঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (কোকৰাঝাৰ জিলাৰ বিশেষ উল্লিখনেৰে) ৰ আলোচনাত তলত উল্লেখ কৰা ধৰণে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। যথা — (ক) লোকগীত (খ) লোককথা (গ)সাঁথৰ, প্ৰবাদ-প্ৰৱচন, ফকৰা আদি আৰু (ঘ) মন্ত্ৰ। তলত সি সমূহৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

## লোকগীত ঃ

লোকসাহিত্যত লোকগীতে এটি বিশিষ্ট স্থান অধিকাৰ কৰি আছে। সেয়েহে লোকগীত সম্বন্ধে ড° সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে —

> *'অনাড়ম্বৰ সৰল ভাষা, ঘৰুৱা চিত্ৰ, আঞ্চলিক প্ৰকাশভঙ্গী, ভাবৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস আৰু আলৌকিকতাৰ প্ৰভাৱ লোকগীতসমূহত লক্ষ্য কৰা যায়। গীতবোৰৰ ছন্দ, ভাব আৰু ভাষা শৃঙ্খলিত নহয়, সৱলীল আৰু উন্মুক্ত। চহাপ্ৰাণৰ ই মুক্ত পৰিস্ফুৰণ আৰু আদিম আৰু মৌলিক ভাৱাবেগৰ (elemental passion) অকৃত্ৰিম প্ৰকাশ। লোকগীতবোৰত ব্যক্তিবিশেষৰ ভাব অনুভূতি প্ৰকাশ হোৱাতকৈ সামূহিক জীৱনৰ আশা আকাংক্ষাহে বেছি পৰিস্ফূট হৈছে।'*[৮]

লোকগীতৰ শ্ৰেণী বিভাজন সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত বিভিন্ন মন্তব্য দিয়া দেখা যায়। তাৰ ভিতৰত ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মত অনুসৰি লোকগীতক মুখ্যতঃ তিনি শ্ৰেণী ভগাব পাৰি ঃ (ক) অনুষ্ঠানমূলক (খ) আখ্যানমূলক (গ) বিবিধ বিষয়ক।[৯]

সেইদৰে ড° প্ৰফুল্লদত্ত গোস্বামীয়ে লোকগীতক (ক) বৰ্ণনাত্মক মালিতা (খ) ধৰ্মীয় গীত (গ) প্ৰণয়সূচক গীত (ঘ) কৰ্ম গীত আৰু (ঙ) নিচুকনি গীতত বিভক্ত কৰিছে।[১০]

আনহাতে ড° নবীন চন্দ্ৰ শৰ্মাই লোকগীতক তলত দিয়া অনুসৰি ভাগ কৰা দেখা যায়। যথা — (ক) ধৰ্মীয় গীত-পদ (খ) উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত-পদ (গ) কৰ্ম বা শ্ৰম গীত (ঘ) প্ৰেম-প্ৰণয়মূলক গীত-পদ (ঙ) ল'ৰা-ছোৱালীৰ সৈতে জড়িত গীত-পদ (চ) বিবিধ বিষয়ক গীত-পদ (ছ) কাহিনী-গীত বা মালিতা।[১১]

চাওঁতাল মৌখিক সাহিত্যৰ এক অপূৰ্ব নিদৰ্শন হ'ল যুগে যুগে চলি অহা লোকগীতসমূহ। সামাজিক বিৱৰ্তনৰ কৰাল গ্ৰাসত পৰা স্বত্তেও এই লোক গীত সমূহ আজিও তেওঁলোকৰ মুখে মুখে সমানে ধ্বনিত হৈ আছে। চাওঁতাল সমাজত যুগ যুগ ধৰি শোষিত, লাঞ্চিত, অনাদৃত আৰু অৱহেলিত হৈ অহাৰ গাথাঁ এই গীতসমূহে সুৰৰ সংযোজনেৰে জীপাল কৰি ৰাখিছে।

চাওঁতাল লোকগীতসমূহ বিভিন্ন অনুষ্ঠানক কেন্দ্র কৰি ৰচিত হোৱা দেখা যায়। এই লোকগীতসমূহ যেনেকৈ ভাবগধুৰ ঠিক তেনেকৈ সুললিত আৰু ব্যঞ্জনাময়ো। বুৰঞ্জীয়ে ঢুকি পোৱাৰ আগৰে পৰাই তেওঁলোকৰ মুখে মুখে এই গীতসমূহ প্ৰবাহিত হৈ আহিছে। এই গীতসমূহত আধুনিকতাৰ পৰশ নাই, ই ত্ৰুটিহীন ভাৱে চলমান হৈ আছে। চাওঁতালি ভাষাত গীতক 'সিৰিঞ' বুলি কোৱা হয়। আমাৰ আলোচনাত চাওঁতাল জনগোষ্ঠীৰ লোকগীত সমূহক তলত দিয়া ধৰণে শ্ৰেণী বিভক্ত কৰি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। যথা — (ক) ধৰ্মীয় সিৰিঞ (খ) জীৱন পৰিক্ৰমাৰ সৈতে জড়িত সিৰিঞ (গ) ঋতুকেন্দ্ৰীক উৎসৱ পাৰ্বণৰ সৈতে জড়িত সিৰিঞ (ঘ) আখ্যানমূলক সিৰিঞ (ঙ) প্ৰণয়সূচক সিৰিঞ আৰু (চ) আন আন বিষয়ক সিৰিঞ।

## ধৰ্মীয় সিৰিঞ ঃ

চাওঁতাল সিৰিঞসমূহৰ এক বুজন অংশ ধৰ্মীয় সিৰিঞৰে সমৃদ্ধ। এই ধৰ্মীয় সিৰিঞ সমূহত সাধাৰণতে বিভিন্ন উপকাৰী আৰু অপকাৰী বংগাৰ স্তুতি তথা বিশ্ব সৃষ্টিৰ ব্যাখ্যা পোৱা যায়। যথা—

ক) 'তকয় দৰে সেটেৰেনাই তি ৰে জনঃ আতে?
তি ৰে জনঃ আতে মানা দাউড়া দিপিলাতে।
জাহেৰ এৰা সেটেৰেনাই তি ৰে জনঃ আতে,
তি ৰে জনঃ আতে মা না দাউড়া দিপিলাতে।
জঃ জঃ এ জগায় বাড়িজা এ জগায়
দিপিল দিপিল দিপিলায় বোগেয়া ঃ এ দিপিলা'।[১২]

**অৰ্থ ঃ** হাতত ঝাড়ু আৰু মাথাত ডালা লৈ কোন আহিল? ও- হাতত ঝাড়ু আৰু মাথাত ডালা লৈ জাহেৰ এৰা আহিল। তেওঁ সমস্ত আৱৰ্জনা ঝাড়ু দি পৰিস্কাৰ কৰে আৰু ভাল খিনি ডালাত লৈ মুৰত তুলি লয়।

খ) তকয় দেনা সেটেৰেনায় বাৰছি হাপা আতে?
বাৰছি হাপা আতে মানা অতে কটাব আতে।

ধৰম গুৰু সেটেৰেনায় বাৰছি হাপা আতে।

বাৰছি হাপা আতে মানা অতে কটাব আতে।

কটাব কটাব কটাবায় নতে অতে কটাৰায়,

উদুঃ উদুঃ উদুগায় বাৰছি হাপা সিদুৰায়।[১৩]

**অৰ্থ ঃ** হাতত বৰশি লৈ কোন আহিল? বৰশি লৈ এখোজ দুখোজ কৈ কোন আহিল? ধৰম গুৰু বৰশি, লাঠি লৈ আহি পালে। ধৰম গুৰু এখোজ দুখোজ কৈ আহি পালে। তেওঁ কেতিয়াবা ভৰি টিপি টিপি আগবাঢ়ে আৰু লগত বৰশি দেখায়।

গ) ‘তকয় দৰে সেটেৰেনায় তি ৰে কৌপি আতে?

তি ৰে কৌপিআতে মানা সাকওয়া অৰং আতে।

মাৰাং দেওয়ায় সেটেৰেনা তি ৰে কৌপি আতে,

তি ৰে কৌপি আতে মানা সাকাওয়া অৰং আতে।

মাঃ মাগে মাগায় বাড়িজাঃ এ মাগায়,

অৰং অৰং অৰংআয় সাক্‌ওয়া হাতে অৰংআয়।[১৪]

**অৰ্থ ঃ** হাতত কুঠাৰ আৰু মহৰ শিঙৰ ধ্বনি দি কোন আহিছে? মাৰাংবুডু হাতত কুঠাৰ আৰু শিঙাৰ ধ্বনি দি দি আহিছে। তেওঁ সকলো বস্তু কাটাকাটি কৰি পৰিস্কাৰ কৰে আৰু শিঙা বজায়।

জাহেৰ থানত পূজাৰ সময়ত গোৰা আন এটা সিৰিঞ এনেধৰণৰ —

ঘ) মঁড়েকো দ মঁড়ে বয়হা-

তৰুই কো দ তুৰুই বয়হা

জাৰগে দাঃ মা হালায় হালায়

মিতৌ নালা পোৰোই পোৰোই

চেতে তেকো গুগুৰিজা?

চেতে তেকো লামাগা?

তওয়া তেকো গুগুৰিজা

দাহে তেকো লামাগা।

যে তাপে সুনুম সিন্দুৰ

নে তাপে নায়নম ৰড়া

আতাঙ তাপে সুনুম সিন্দুৰ

তেলায় তাপে নায়নম ৰড়া।[১৫]

**অর্থ ঃ** মঁড়েকোহত পাচ ভাই, তুৰুইকো হত ছয় ভাই। দপদপাই অহা শিলা বৃষ্টিত বানপানী আচ্ছন্ন। কিহেৰে গোবৰ দিম ? কিহেৰে লেপিম ? গাখীৰ দি মচিম, দৈ দি লেপিম। তোমালোকে তেল সেন্দুৰ লোৱা, তোমালোকে এই যে কালজলতা লোৱা। তোমালোকে তেল সেন্দুৰ গ্ৰহণ কৰা আৰু কালজলতাৰ ওপৰত তেল লগোৱা।

আনহাতে সৃষ্টিতত্ত্বৰ সৈতে জড়িত সিৰিঞ এইদৰে পৰিবেশন কৰা দেখা যায়।

৬) হায় হায় ! জালাপুৰিৰে

হায় হায় ! নুকনি মানওয়া

হায় হায় ! বুঁসাড় আকানকিন

হায় হায় ! নুকিন মানওয়া

হায় হায় ! তকাৰে দহাকন ?

হায় হায় ! দো সে লৌইয়ায়ৰেন

হায় হায় ! মাৰাং ঠাকুৰ জীউ

হায় হায় ! বুঁসাড় আকান কিন

হায় হায় ! নুকিন মানওৱা

হায় হায় ! তকাৰে দহকিন ?[১৬]

**অর্থ ঃ** হায় হায় ! এই মহাসমুদ্ৰত দুটি মানব শিশু জন্ম লৈছে। হায় হায়, দুটি মানব শিশু ! হায় হায় ক'ত তোমালোকক ৰখা হ'ব। হায় হায় কৈ দিয়া মহান ঠাকুৰ। হায় হায় দুটি মানব শিশু জন্ম হৈছে ক'ত তোমালোকক ৰখা হ'ব।

এই সিৰিঞটোৰ জৰিয়তে চাওঁতাল জনগোষ্ঠীৰ আদিম পিতৃ-মাতৃ পিলচু হাড়াম আৰু পিলচু বুঢ়ীৰ দুখ-দুৰ্দশাৰ এটি পূৰ্ণাংগ ছবি তুলি ধৰা পৰিদৃষ্ট হয়।

## জীৱন পৰিক্ৰমাৰ সৈতে জড়িত সিৰিঞঃ

এই ধাৰাৰ অন্তৰ্ভূক্ত সিৰিঞ সমূহ মানৱ জীৱনৰ বিভিন্ন পৰ্যায় যেনে — জন্ম, বিবাহ আৰু মৃত্যুৰ সৈতে জড়িত বিভিন্ন সংস্কাৰমূলক অনুষ্ঠানত পৰিৱেশন কৰা দেখা যায়।

### জন্মৰ সৈতে জড়িত সিৰিঞঃ

চাওঁতাল সমাজত ল'ৰা শিশুৰ জন্মৰ পাঁচ দিন পাছত আৰু ছোৱালী শিশুৰ জন্মৰ তিনি দিন পাছত 'জনম চৌতিয়াৰ' অথবা 'নিম ডাক মণ্ডি' উৎসৱ পালন কৰা হয়। এই উৎসৱত বিভিন্ন সিৰিঞ পৰিবেশন কৰা হয়। যথা —

ক) তকয়ে যতন লেঁদা নিম দ
হিপিড় হিপিড় নিম দ
নিম দাৰে দ
বাবায় ৰহয় লেদা নিম দ
হিপিড় হিপিড় নিম দ
নিম দাৰে দ
নায়োয় যতন লেদা নিম দ
হিপিড় হিপিড় দ
নিম দাৰে দ।[১৭]

**অৰ্থ ঃ** কাৰ চোতালত নিম লৰিছে, নিম গছ। 'অমুক'ৰ চোতালত নিম লৰিছে নিম গছ। কোনে যত্ন কৰিছিল নিম গছ। বাবাই ৰুইছিল মাই যত্ন কৰিছিল নিম গছ।

খ) চৌত বৌইশৗখ সিতুং লল
তকাৰে ঝেঁট বেটাস তাঁহেকান তিক?
পয়ৰানি বাঁধ লাতাৰ
পয়ৰণি সাকাম লাতাৰ
জপিৎ হিড়িঞ লিদৗঞ য়ো
তোওয়া দাৰে।[১৮]

**অৰ্থ ঃ** চ'ত বহাগৰ গৰম ৰ'দত ক'ত আছিল আমাৰ ডাঙৰ ল'ৰা। পদুম পুখুৰীৰ তলত পদুম পাতৰ তলত শুই শুই পাহৰি গৈছিলো ও মা....

**বিবাহ উৎসৱৰ সৈতে জড়িত সিৰিঞ ঃ**

সামাজিক পৰ্যায়ৰ সিৰিঞ সমূহৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয় আৰু চিন্তাকৰ্ষক সিৰিঞ হ'ল বিবাহ অনুষ্ঠানৰ সৈতে জড়িত সিৰিঞ সমূহ। দৰা কইনাৰ গাত হালধী লগোৱাৰ পৰা আৰম্ভ কৰি কইনাৰ বিদায় পৰ্যন্ত বিভিন্ন পৰ্যায়ত বিভিন্ন সিৰিঞ পৰিবেশন কৰা হয়। চাওঁতাল সমাজে এই সিৰিঞ সমূহৰ জৰিয়তে নৱ-বিবাহিত দম্পতীহালৰ নৱজীৱনক চিত্ৰধৰ্মী কৰি ৰাখে।

**সাসাং সুনুম দং ঃ**

চাওঁতাল পৰম্পৰাতো বিবাহ অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় দৰা কইনাক হালধি লগোৱা প্ৰথাৰ জৰিয়তে। হালধি লগোৱাৰ সময়ত গাওঁৰ ছোৱালী তিৰোতা সকলে এইধৰণৰ সিৰিঞ পৰিবেশন কৰে। যথা —

ক) 'দাৰাহাৰা অড়াঃৰে মৗইদয় হাৰায়েনা
লেয়েৰ কদৰ,
মৗই ৰেয়া ঃ সিঁদুৰ সাকাম সাগেনেনা
দৗ ওড়ৗ চেতানৰে হিপিড় হিপিড়।[১৯]

**অৰ্থঃ** অট্টালিকাত আমাৰ ধুনীয়া ছোৱালীজনী ডাঙৰ হ'ল। তাইক আজি 'দৗউড়ৗ'ৰ ওপৰত বহি সেন্দুৰ দিয়া হ'ব।

তাৰ পৰৱৰ্তী সময়ত আকৌ এনেদৰে গায় —

খ) মৗই দ তালা ৰাচা ৰেকো দুওুপ কেদে
মৗই দ তেহেঞ দ সাসাং সুনুম
মৗই দ বাহায় ৰেবেদা
মৗই দ বায় হৗটিঞ....।[২০]

**অৰ্থ ঃ** কইনাজনীক চোতালত বহোৱা হ'ল। আজি তাইৰ তেল হালধি; তাই আজি ফুল গুজিব কাকো নিদিব।

**ইতুৎ সিন্দুৰ দং ঃ**

দৰাই কইনাৰ শিৰত যেতিয়া সেন্দুৰ ঘহি দিয়ে, সেইসময়টো বিভিন্ন গীত পৰিবেশন কৰা হয়। যথা —

ক) বীৰয়ীত ক দুলদুল
বলয়েনাক বাহ তুতুল
সনেৰ তালাৰে বাহু ক তুলেকান
মঁড়ে বেড়হা ক আচুৰেকান।"[২১]

**অৰ্থ ঃ** মহাসমাৰোহেৰে বৰযাত্ৰী আহি কইনাক দৌউড়ীত উঠাব আহিছে। সোনাৰ দৌউড়ীত কইনাক উঠাই পাচ পাক ঘূড়াইছে।

খ) দিসম পেড়া ক হাৰে ফাৰে
হৰিবোল কেদা ক বাৰে বাৰে
উলে টাওৰীঃ তিৰিম ৰুকু আদিএঃ
টিকী সিঁদুৰ তেম বুঁদি কিদিএঃ।[২২]

**অৰ্থ ঃ** দেশৰ আত্মীয় স্বজন বাৰে বাৰে হৰিবোল কৰিলে। আমৰ পাতত লগোৱা সেন্দুৰ ফোট দি বিয়া কৰোৱা হ'ল।

**বিদীয় দং ঃ**

বিয়াৰ সিৰিএঃসমূহৰ মাজত সবাতোকৈ কৰুণ হ'ল কইনাক বিদায় দিয়াৰ সময়ত গোৱা সিৰিএঃ। কইনাৰ বিদায়ৰ সময়ত সকলোৰে অশ্ৰুসিক্ত নয়নেৰে আৱেগিক হৈ পৰে আৰু আৱেগ বিহ্বল হৈ সিৰিএঃৰ মাধ্যমেৰে বিভিন্ন উপদেশ দিয়া পৰিদৃষ্ট হয়। যথা —

ক) চাঁদো সিৰজনপুৰী মাহা মিলন জুৰি
মাড়াং জাওয়ায় মিৰু সাৰি জুৰি।

নালাম নাজম মিৰু গাতে কাথা
নওয়া বড় দ মিৰু সাৰি কাথা
কুইলী কুহু কানায় গাতে লাগিৎ
ৰাগাম অনকা হাপেন জাওয়াল লাগিৎ।[২৩]

**অৰ্থ ঃ** ভগৱানৰ সৃষ্টি পৃথিৱী মহামিলন ক্ষেত্ৰ। স্বামীয়েই সবাতোকৈ আপোন বন্ধু। আনৰ কথা নুশুনিবা। জীৱনৰ এইয়াই সঁচা। যেনেকৈ কুলিয়ে নিজৰ সংগীৰ বাবে কান্দে, তেনেকৈ তুমিও পাছত স্বামীৰ বাবে কান্দিবা।

খ) জানাম লেনাম মিৰুঞ হাৰাকেৎমে,
অক্ত সেটেৰেনা জাওয়ায় কাৎমে।
নালম ৰাগতিঞ মিৰু নালামহমৰ,
জনম দাতা মনে মিৰু নালাম বাড়িচ
চাদোগে শিকড়ি মিৰুই জড়াও আকাৎ
মনেৰ শিকড়ি মিৰু নালম তপাগ।
বুবনৗউ মেসে মিৰু নুইহাৰ মেসে।
জিতৗয়ি তাম দ মিৰু গটায় তামলে।
মা সিৰঃমে মিৰু দে হাৰুমে
জাওয়ায়ে চালাঃ মিৰুএ বি-দৗইহৎমে।[২৪]

**অৰ্থ ঃ** জন্মিছিলা, ডাঙৰ কৰিলো। বিয়াৰ সময় হ’ল, বিয়া দিলো। নাকান্দিবা, দুঃখ নকৰিবা, মাৰ মনটো বেয়া নকৰিবা। ভগৱানেই মিলনৰ সেতু বান্ধিছে, মনৰ শিকলি চিঙি নিদিবা। মন আৰু জীৱনক দৃঢ় কৰা। শান্ত হোৱা, অস্থিৰ নহ’বা। জোঁৱাই যাব ওলাইছে, তোমাক এতিয়া বিদায় দিও।

বিবাহৰ এই তিনিটা মুখ্য পৰ্বৰ উপৰিও সমগ্ৰ দিন জুৰি নৃত্য-গীতৰ পৰ্ব চলি থাকে। ইয়াৰ ভিতৰত মুখ্য হ’ল কুঁওয়াঁৰী দং। কুমাৰী ছোৱালীৰ সুখ দুখৰ কথা এই গীতৰ মাধ্যমত প্ৰকাশিত হয়। হয়তো ভাল কাপোৰ পিন্ধিব শিকা নাই, ভাল নৃত্য-গীত ও কৰিব শিকা নাই। বিয়া ঘৰত ডাঙৰ বাইদেও সকলৰ পৰা যি সিৰিঞ শুনিলে তাৰ অৰ্থ ও বুজা নাই। কিন্তু

সিৰিঞৰ অৰ্থ নুবুজিলেও সিৰিঞবোৰ শুনি শুনি শিকি ল'লে। ডাঙৰ হোৱাৰ লগে লগে সেই সিৰিঞৰ অৰ্থ বুজি পোৱা হ'ল আৰু তেতিয়াই নিজৰ জীৱনৰ সৈতে এই সিৰিঞসমূহৰ অৰ্থ বিচাৰি পালে আৰু তেতিয়াই নিজৰ নবৌ অথবা বান্ধৱীসকলৰ সৈতে মনৰ গোপন কথাবোৰ পাতে। দেহ মনত যেন এটি মাদকতাৰ উদ্ৰেক হয়। এই সময়খিনিত ছোৱালীবোৰ যাতে বেয়া দিশে ঢাল নাখায় তাৰ বাবে মা-দেউতাকে নজৰ ৰাখে। সঠিক পথত আগুৱাই যোৱাৰ পৰামৰ্শ দিয়ে। হয়তো সেই সময়তে মা-দেউতা তাইৰ বিয়াৰ বাবে দৰা চাব আৰম্ভ কৰে। সেইবাবে তাইৰ মনটো খুব উগুল-থুগুল হয়। দৰা বা কেনেকুৰা হয়। গাওঁৰ কোনোবা প্ৰেমিক থাকিলে গানৰ জৰিয়তে কয় যে দৰাৰ ঘৰত নাথাকো। মাকক কয় - মা মোক তেল-হালধি নাসানিবি, গাওঁতেই কল গছৰ দৰে সুপুৰুষ ল'ৰা আছে। এনেধৰণৰ কুমাৰী বয়সৰ সৈতে জড়িত বিভিন্ন সিৰিঞ বিচাৰি পোৱা যায়। যথা —

ক) খীজীড়ি খীজীড়ি মে - নাকো নায়ো গ
দাকা বাংখান দ বাং বিবিয়া
আপাবাৰে আপাবাৰে মে
নাকো নায়ো গ
জুৰি বাংখান দ সানাম মিষ্টী।[২৫]

**অৰ্থ ঃ** চিড়া মুড়িৰ কথা বহুতে কয় মা। কিন্তু ভাত নহ'লে যে পেত নভৰে। দেউতা ভাইৰ কথা বহুতে কয় মা। কিন্তু সংগী নহ'লে যে সব বৃথা।

আনহাতে আদহীয়া মহিলাসকলেও বিয়াৰ সময়ত 'বুড়হি দং' পৰিবেশন কৰি নিজৰ মনৰ ভাব প্ৰকাশ কৰে। যথা —

ক) 'নাপুঞ তেকো দ গীই কিঁষাড়
বাৰেঞ তেকো দ বিতকিল কিঁষাড়।
হড়ম ৰেয়াড় দ তওয়াঞ এুওয়া,
জিওয়ি লাড়েচ্ দ আপাবাৰে'[২৬]

**অৰ্থ ঃ** বাবাৰ গোষ্ঠী গাইৰ ধনী। ভাই সকল টকা-পইচাৰে ধনী। শৰীৰ ঠাণ্ডা হয় গাখীৰ পানে, জীৱন সুস্থিৰ হয় বাবা-ভাইৰ কাৰণে।

বিয়াৰ সময়ত আকৌ বিয়ৈ বিয়ৈনী সকলেও মনৰ আনন্দত 'বালায়া দং' পৰিবেশন কৰা দেখা যায়। এই সিৰিঞ সমূহৰ মাজত গছ-গছনী, পাহাৰ পৰ্বত, জীৱ-জন্তু আদি প্ৰকৃতিৰ বিভিন্ন সমলৰ সৈতে চাওঁতাল জনজীৱনৰ কথা বিচাৰি পোৱা যায়। যেনে —

মাৰাং বুডু চটৰে
হাতি লেকান গোডোয় গচ্ আকানা।
কুড়িৎ ক হাদ্ হাদ্
কাঁহু ক খা-খা
তোয়ো বেচাৰা দয নুয়ুং আকাৎ।[২৭]

**অৰ্থ ঃ** ডাঙৰ পাহাৰৰ ওপৰত হাতিৰ দৰে এন্দুৰ মৰি পৰি আছে। বহুতো শগুণ উৰিছে, কাউৰীয়ে কা-কা কৰিছে। বেচেৰা শিয়ালে উকি মাৰি আছে।

### মৃত্যুৰ সৈতে জড়িত সিৰিঞ ঃ

চাওঁতালি ভাষাত মৃত্যুৰ প্ৰতিশব্দ হৈছে 'মৰণ'। জন্ম, বিবাহৰ সৈতে মানৱ জীৱনত মৃত্যু অৱশ্যম্ভাৱী। চাওঁতাল সমাজত মৰণৰ সৈতে জড়িত বিভিন্ন আচাৰ, ৰীতি-নীতিৰ প্ৰচলন দেখা যায়। এই আচাৰ ৰীতি সমূহৰ সৈতে বিভিন্ন বিলাপৰ সিৰিঞ ও চাওঁতাল সমাজত প্ৰচলিত। তাৰ ভিতৰত তলত উল্লেখ কৰা সিৰিঞটি বহুল ভাৱে পৰিৱেশন কৰা দেখা যায়।

"লওয়া ধৌতি ৰোয়াঃ ৰৌস্কৌ,
তিমিনা দিন চ তাহেনা ৰে?
হয়গে জিউায় হাসাগে হড়মো
সাৰু সাকাম দাঃ লেকা টলমল
সেতাক্ ৰাতাং দাঃ লেকা বাং তাহেনা।[২৮]

**অৰ্থ ঃ** এই পৃথিৱীৰ আনন্দ কিমান দিন থাকিব। বতাহেই জীৱন। মাটিৰ শৰীৰ কচু পাতৰ পানীৰ দৰে টলমল। প্ৰভাতৰ নিয়ৰৰ দৰে বেচি ক্ষণ নাথাকে।

মৃত্যু সদায় কৰুণ। কাৰোবাৰ মৃত্যু হ'লে পৰিয়ালৰ লোকৰ সৈতে আত্মীয় স্বজন, প্ৰতিবেশী সকলোৱে শোকত ম্ৰিয়মান হৈ পৰে। চাওঁতাল সমাজতো জন্মদাত্ৰী মাতৃৰ বিয়োগ

হ'লে এনেদৰে গায় —

হায়ৰে হায়ৰে, তওয়া দাৰে তিঞ দ

তওয়া দাৰে দগো গুৰেন তিঞ দ

তকা কণ্ড ইঞ দাঁড়ালেৰে

তওয়া দাবৰে ৰেয়াঃ ৰূপ ঞেল ঞামতায়া?

হায়ৰে হায়ৰে, নিন দাৰা দ

সিম এংগা লেকা গুংগুতলেৎ

তেহেঞ দ গ সিম হপন লেয়া লেকা।

তেহেঞ দ গম কটা বৗগি ওটোওয়াৎ লেয়া।

হায়ৰে হায়ৰে, নিন দাৰা দ

জাঁহাঁ খনলে হিজুঃআ

ইংগাঞ দ দুওয়ৗৰৰে দুডুপকাতে

কিসনি হপন লেকায় চেৰেচ্ দাৰামলোয়া।[২৯]

**অৰ্থ ঃ** হায় হায়, স্তনদাত্ৰী আমাৰ মাৰ মৃত্যু হ'ল। ক'ত গ'ল আমাৰ মা! মাৰ মূৰ্ত্তি আৰু কেতিয়া দেখিব পাম? হায় হায়, মুৰ্গীৰ মাজনীয়ে যেনেকৈ পোৱালীবোৰক পাখিৰ আৰত লুকাই ৰাখে, ইমান দিন মাই আমাক তেনেকৈয়ে আবৰি ৰাখিছিল। সেই মুৰ্গীৰ পোৱালীৰ দশাই আজি আমাৰ দশা। মাই আজি আমাক এৰি গুচি গ'ল। হায় হায়, ইমান দিনে মাই আমাক শালিকা চৰাইৰ দৰে মৰম কৰিছিল। হায় হায়, আজি আমাক কোনে কোলাত ল'ব।

থিক তেনেদৰে জন্মদাতা পিতৃৰ বিয়োগতো অনুৰূপ ভাৱে বিলাপৰ গীত গায়। যথা—

"হায়ৰে হায়ৰে, জনমদাতা তিঞ দ

জানাম দাতা দ তেহেঞ দয় বৗগিয়াৎলেয়া।

তকা কণ্ড ইঞ দাঁড়ালেৰে জানামদাতাওয়া;

ৰূপ দ বাবাঞ ঞেল ঞামতায়া? [৩০]

**অৰ্থ ঃ** হায় হায়। আমাৰ জন্মদাতা আজি আমাক এৰি গুছি গ'ল। ক'ত বিচাৰি গ'লে

জন্মদাতাৰ ৰূপ পুনৰ বিচাৰি পাম।

ঠিক তেনেদৰে স্বামী, পত্নীৰ মৃত্যুত আৰু ল'ৰা-ছোৱালীৰ মৃত্যুত বিলাপ কৰি গোৱা সিৰিঞ ও পোৱা যায়। ল'ৰা-ছোৱালী মৃত্যু হ'লে জন্মদাত্রী মাতৃয়ে তলত উল্লেখ কৰাৰ দৰে বিলাপ কৰি কান্দে —

হায়ৰে হায়ৰে, কুইডি মিৰু তিঞ দ
কুঁইডি মিৰু দ দয় কাৰকাওযেন তিঞা
তকা কণ্ড ইঞ দাঁড়ালেৰে
কুঁইডি মিৰু ৰেয়াঃ ৰূপ দঞ ঞেল ঞামতায়া ?[৩১]

**অৰ্থ ঃ** হায় হায়, আমাৰ চেনেহৰ পোনা প্ৰাণ পখী, আমাৰ প্ৰাণ পখী আজি উৰি গ'ল। ক'ত বিচাৰিলে আমাৰ প্ৰাণ পখিৰ ৰূপ পুনৰ বিচাৰি পাম।

চাওঁতাল সমাজত মৃত্যুৰ পাচ দিন পাছত "তেল-নাহান' অনুষ্ঠিত হয়। এই কৰ্ম-কাণ্ডতো কিছুমান সিৰিঞ পৰিবেশন কৰা দেখা যায়। যথা —

"বাবা ৰেয়াঃ জাঙ বাহা হঁ
মহৰ মেটাওএন,
বাবা ৰেনাঃ সাৰা কাট হঁ
ল তৰচএন।
বাবা ৰেয়াঃ সসানৰে
ধুবি ঘাঁস হঁ জানামএন,
টুওয়ীৰ এনাঞ মাৰাং দাদা
খবৰাঞ কান।" [৩২]

**অৰ্থ ঃ** 'বাবাৰ অস্থি বিলুপ্ত হল, বাবাৰ চিতাৰ কাঠ পুড়ি ছাই হ'ল। বাবাৰ শ্মশানত দূৰৰি গজিল। ডাঙৰ দাদা খবৰ দিয়াত অনাথ হ'লো।

'তেল, নাহান' অনুষ্ঠানৰ একৈশ দিনৰ পাছৰ পৰা তিনি বছৰৰ ভিতৰত যিকোনো এটা দিনত নদীত মৃতকৰ অস্থি বিসৰ্জন দিয়া হয়। অস্থি বিসৰ্জন দিয়াৰ সময়ত আকৌ এনেদৰে গায় —

নৌইতেম ইদিঞমে দ বৌবু তিৰয়ো অৰংমে

নৌইতেম ইদিঞৰে দ বৌবু তিৰয়ো বাবু অৰংমে

তালা নৌই কাঁসাইৰে দি বৌবু

বহেল গিতি মে।

নৌইতেম আড়গোনৰে দ বৌবু

হৰিবোল হৰিবোল লৌইয়াম বৌবু

তালা নৌই কাঁসাইৰে দ ডাঙ বাহা

বহেল গিতি মে।।

নৌই খন ৰাকাবৰে দ বৌবু

মেঁৎদাঃ বাবু জৰয়মে

তায়ম সেৎ আল বৌবুম

কয়গ ৰুওয়ৌড়া।[৩৩]

**অৰ্থ ঃ** আমাক নদীত লৈ যোৱাৰ সময় বাবু বাঁহী বজাব। কাঁসাই নদীৰ মাজত বাবু সোঁতে আমাক ভহাই নিব। নদীত নমাৰ সময় বাবু হৰিবোল হৰিবোল ক'ব। কাঁসাই নদীৰ মাজত বাবু আমাৰ অস্থি উতুৰাই দিব। নদীৰ পৰা উঠাৰ সময় বাবু চকুৰ পানী পৰিব। পিছলৈ আৰু উভতি নাচাম।

## ঋতুকেন্দ্ৰীক উৎসৱ পাৰ্বণৰ সৈতে জড়িত সিৰিঞ ঃ

চাওঁতাল সমাজত ঋতুক কেন্দ্ৰ কৰি বিভিন্ন উৎসৱ বা পৰব উদযাপন কৰা পৰিদৃষ্ট হয়। গাৱৰ গঞা ৰাইজে এই পৰৱ সমূহত বিভিন্ন সিৰিঞ পৰিবেশন কৰে।

### সহৰায় পৰবৰ সিৰিঞ ঃ

চাওঁতাল সমাজত কৃষিকেন্দ্ৰীক ঋতুচক্ৰ আৰম্ভ হয় সৰহায় পৰবৰ জৰিয়তে। এই অনুষ্ঠান ছয় দিন ব্যাপি চলে আৰু প্ৰতিটো দিনতেই পুৰুষ-মহিলাৰ দ্বাৰা নৃত্য-গীত পৰিবেশন কৰা হয়। এই অনুষ্ঠানত পৰিবেশিত সিৰিঞসমূহকেই সহৰায় সিৰিঞ বোলা হয়। সহৰায়

সিৰিঞ্ঞসমূহ সুপ্ৰাচীন আৰু সি সমূহৰ কোনো পৰিবৰ্তন দেখা নাযায়। চাওঁতাল সমাজত সহৰায় উৎসৱৰ তাৎপৰ্য ইমানেই বিশাল যে এই উৎসৱক হাতীৰ সৈতে তুলনা কৰা হয়। এই উৎসৱ পালনত গোৱা কেইটিমান সিৰিঞ্ঞৰ উদাহৰণ দাঙি ধৰা হ'ল —

ক) নিইয়ী চাঁদো কুনৌমী
দাৰায় চাঁদো আম্বাবীয়সী হেসেচ্ সেকৰেচ্
সহৰায় দীইনা দাৰায় কানাৰে।
ভিত পিঁদৌ নড়াঃ দুআঁৰ দেলাং পতাও দীইনা
হীতি লেকান সহৰায় দীইনা দাৰায় কানাৰে।
দিন দিনতে দিন দ চালাঃ
সহৰায় দীইনা সেটেৰ হিজু ঃ
পোড় জেতেড় পতাও দীইনা বায় তাঁগিয়া।[৩৪]

**অৰ্থ ঃ** এই মাহৰ পূৰ্ণিমা আৰু অহা মাহৰ অমাবশ্যাৰ মাজত উৎসৱ মুখৰ সহৰায় আহিব বাইদেউ। আহা বাইদেউ আহা। ঘৰৰ বেৰ, দুৱাৰ পৰিস্কাৰ কৰো, হাতীৰ সমান সহৰায় আহিব ধৰিছে। দিনৰ পিছত দিন যাব ধৰিছে, সহৰায় আগুৱাই আহিছে। ঘৰ সাৰি, মচি, চূন-তেল দিয়ালৈ সহৰায় অপেক্ষা কৰি নাথাকে।

খ) হীতি টেকম বুল আকান টেলা দাদা
পীৰা টেকম তাহেত' আকান
তালা দাদা ভেত কাথা গাম লাকলেত'
অকময় কাড়লান অওক কিয়া
অকয় কাড়লান বাহাৰে তালা দাদা
ভেদ কাথা বাম লাকলেত
অকয় কাদা সাকামে হালান
অকয় কাদা ঢুড়িয়া ওতান
তালা দাদা উনি কাদালান ওদোনচা
তালা দাদা উনি কাদালান বাহেৰেটালান

তাহিন দো তোন তালান গুৰিজা

তাহিন দো দাহে তালান গেমেজা

তাহিন দো সোনা দোলান ওডোলেতালান।[৩৫]

**অৰ্থ ঃ** দাদা তুমি হাঁণ্ডি আৰু পৌড়া খাই মাতাল হৈ পৰিছা। কিন্তু তুমি মোক নক'লা আমাৰ কোনটো ম'হ 'খুন্টাও'ৰ [৩৬] বাবে নিব লাগিব। আমি আমাৰ সেই ম'হটোৱে বান্ধিম যিটোৱে পৰি থকা গছৰ পাতবোৰ উঠাব পাৰে আৰু নাচৰ ক্ষেত্ৰখন ধুলিৰে ধুসৰিত কৰি দিব পাৰে। সেইবাবে আজি আমি নৃত্যৰ ক্ষেত্ৰখন দৈ আৰু গাখীৰেৰে ভালদৰে ধুই মচি আমাৰ অতিকে আপোন ম'হটোক লৈ অহা উচিত।

**বাহা পৰবৰ সিৰিঞ ঃ**

চাওঁতালসকলে বসন্ত উৎসৱ আৰু নৱবৰ্ষ হিচাপে পালন কৰা উৎসৱটোক বাহাপৰব বুলি কোৱা হয়। এই উৎসৱৰ সময়ত পৰিবেশিত সিৰিঞ সমূহক বাহা সিৰিঞ বুলি কয়। বাহা উৎসৱত মুখ্যত মাৰাংবুড়ু, জাহেৰ এৰা আৰু গোঁসাই এৰাৰ পূজা অৰ্চনা কৰা হয়। সেইবাবে এই পৰবৰ সৈতে জড়িত সিৰিঞসমূহত উল্লিখিত মাৰাং বুড়ু, জাহেৰ এৰা আৰু গোসাঁই এৰাৰ বৰ্ণনা পোৱা যায়। এই পৰবত পুৰুষ মহিলা উভয়ে অংশ গ্ৰহণ কৰে। তলত কেইটামান সিৰিঞৰ উদাহৰণ দাঙি ধৰা হ'ল। যথা —

ক) সিম ক দ ক ৰাঃ কেদা ছিতা দে।

মাৰা ক দ ক হেয়াঃ কেদা মাহা দে।।

দো হিৰি আগুয়েম ছিতা দে।

দো চিয়া আগুয়েম মাহা দে।

অকয় মা ৰাচাৰে জ জঃ কান ছিতৌ দে।

অকয় মা বাটেৰে গিগিৰ কানা মাহা দে।

নায়কে মা ৰাচাৰে জ জঃ কানাছিতা দে

বোয়মা বাটেৰে গিগিৰ কানা মাহাদে। [৩৭]

**অৰ্থ ঃ** ৰাতি পুৱাল। কুকুৰা আৰু ময়ুৰে মাতিছে। কাৰ চোতালত ছিতা অৰ্থাৎ জাহেৰ এৰাই

ঝাডু দিছে আৰু কাৰ ৰাস্তাত মাহাদে অৰ্থাৎ মাৰাং বুডুই গোবৰ লেপি দিছে — নাইকিৰ চোতালত জাহেৰ এৰাই ঝাডু দিছে আৰু নাইকিৰ স্ত্ৰীৰ ৰাস্তাত মাৰাং বুডুই গোবৰ লেপন দিছে।

খ) অকয় মায় বেৰেৎ লেৎ হো বিৰ দিশম দ
অকয় মায় বসতি লেৎ আতোৰে পাঁয়ড়ি
মাৰাং বৰুয় বেৰেৎ লেৎ হো বিৰ দিশম দ
জাহেৰ আয়োয় বসতি লেৎ আতোৰে পায়ড়ি।[৩৮]

**অৰ্থ ঃ** কোনে সেই গভীৰ বনভূমিক মানুহৰ উপযুক্ত কৰিছিল আৰু কোনে সেই গাওঁখনক জনমুখৰ কৰি তুলিছিল। মাৰাংবুডুই সেই বনভূমিক মানুহৰ বসবাসৰ উপযুক্ত কৰিছিল আৰু জাহেৰ এৰাই স্নিগ্ধ জলধাৰাৰ স্ৰোত বোৱাঁই আনি গাওঁখনক কৰি তুলিছিল জনমুখৰ।

**দাঁশাই পৰবৰ সিৰিঞ ঃ**

চাওঁতাল জনগোষ্ঠীটোৱে পালন কৰা উৎসৱ সমূহৰ ভিতৰত দাঁশাই উৎসৱ এটা অন্যতম উৎসৱ অথবা পৰব। এই পৰবত পৰিবেশিত সিৰিঞসমূহকে দাঁশাই সিৰিঞ বুলি কোৱা হয়। এই সিৰিঞসমূহৰ আৰম্ভণি 'হায়ৰে হায়ৰে' শব্দৰ সংযোজনেৰে গোৱা হয়। লুমীম সৰেনে তেওঁৰ 'সাওঁতাল জাতির ধৰ্ম ও সংস্কৃতি' নামৰ গ্ৰন্থত উক্ত 'হায়ৰে হায়ৰে' শব্দৰ বিশ্লেষণ এনেদৰে কৰিছে — "চাওঁতাল জনগোষ্ঠী প্ৰকৃততে লংকাৰ ৰাৱণ ৰজাৰ বংশধৰ। সেইবাবে তেওঁলোকে ৰাবণ ৰজাৰ যুদ্ধত নিধন আৰু লংকাৰ ধংশৰ স্মৃতি বহন কৰি আহিছে। সেইবাবে এই শোকৰ স্মৃতিৰ চিন স্বৰূপে 'হায়ৰে হায়ৰে' শব্দৰ দ্বাৰা গান আৰম্ভ কৰা হয়।"[৩৯] তলত দুটা উদাহৰণ দাঙি ধৰা হ'ল। যথা —

ক) হায়ৰে হায়ৰে
তাঁগিঞ মেসে ভায়ৰাং
তাঁগিঞ মেসেৰে।
তোড়ে সুতীম ভায়ৰাং
তপাঃ এনা ৰে।

ভুয়াং ডানটিচ ভায়ৰাং
ৰাপুত এনা ৰে।
তোড়ে সুতৌম বাড়েম
তোঁগে লিতিঞখান
বুয়াং তানটিচ বাড়েম
খজা লিতিঞখান
দিশম দিশম ভায়ৰাং ইঞ
আসেন আচুৰ কেম।[৪০]

**অৰ্থ ঃ** হে ভৈৰব তুমি আমাৰ বাবে অপেক্ষা কৰা। আমাৰ জীৱন ৰূপি সূতা চিগি গৈছে আৰু শৰীৰ ৰূপ বুয়াং[৪১] ৰ মেৰুদণ্ড ভাঙি গৈছে। যদি তুমি জীৱন ৰূপি সূতা আৰু শৰীৰ ৰূপি বুয়াংৰ মেৰুদণ্ড জোৰা লগাই দিব পাৰা তেন্তে দেশে দেশে তোমাক লৈ ফুৰিম।

খ) হায়ৰে হায়ৰে জালাপুৰিৰে
হায়ৰে হায়ৰে মানসি জনমলেন
হায়ৰে হায়ৰে মানসি জালাপুৰিৰে
অকাৰেদ আয়েঞ দহকিন তিঞ
হায়ৰে হায়ৰে জালাপুৰিৰে
হায়ৰে হায়ৰে মানসি জালাপুৰিৰে।[৪২]

**অৰ্থ ঃ** হায় হায় সীমাহীন অশান্ত সাগৰত ঘটিছিল মানুহৰ আৱিৰ্ভাব। হে জননী ক'ত হ'ব তেওঁলোকৰ স্থান। হায় হায় অনন্ত সাগৰত। হায় হায় মানৱ সন্তান আজি অতল সমুদ্ৰৰ ওপৰত।

**কাৰাম পৰবৰ সিৰিঞ ঃ**

কাৰাম পৰব চাওঁতাল সমাজত ঐশ্বৰ্য-বিভূতি তথা সন্তানৰ মংগলাৰ্থে পালন কৰা উৎসৱ। সেয়েহে এই উৎসৱত গোৱা সৰহ সংখ্যক সিৰিঞই হ'ল অপায় অমংগলৰ পৰা ৰক্ষা পাবলৈ কৰা ভগৱানৰ আৰাধনা। এনেধৰণৰ দুটা সিৰিঞ তলত উদাহৰণ স্বৰূপে দাঙি

ধৰা হ'ল। যথা —

ক) চেতে লৌগিৎ হো কাৰ্মু হেচ্আ কানা হো?

চেতে লৌগিৎ হো কাৰ্মু সেটেৰা কানা

নাম লৌগিৎ হো কাৰমুঞ হেচ্আকানা হো।

নাম লৌগিৎ হো কাৰমুঞ সেটেৰা কানা।[৪৩]

**অৰ্থ ঃ** হে কাৰ্মু তুমি কিহৰ বাবে ইয়ালৈ আহিছা? কিহৰ বাবে তুমি উপস্থিত হৈছা? কাৰ্মু, আমি তোমাৰ বাবেই আহিছো। তোমাৰ বাবেই আমি উপস্থিত হৈছো।

খ) দে কামৰা দেলা কাৰমা দে বেৰেৎ মে কাৰমা

দে কাৰমা দেলা কাৰমা দেলা তেংগোনো মে কাৰমা

দে কাৰমা দেলা কাৰমা দে তেংগোন মে

বৗঞ চালাঃ হো কাৰ্মু বৗঞ সেনঃ হোকাৰ্মু

দো ৰুওয়ৗড় মে কাৰ্মু দো চালাঃমে।

আম মায়াতে কাৰ্ৰমা গেল সেৰমাঞ উপৗসাকাৎ

আম দায়াতে কাৰ্মা নিসি সেৰমাঞ তিৰোসাকাদা

আলম ৰাগা কাৰ্মা আলম হমৰা কাৰ্মা

ইদি তেহঞ হাদিমেয়া তেহঁঞ সেটেৰমেয়া

কলে ৰেগে কাৰমাঞ দহমেয়া

বা কাৰ্মা হো কাৰ্মা হেঁও মিয়াঞ হো কাৰ্মা

দে কাৰ্মা হো কাৰ্মা হবৰ মিয়াঞ হো কাৰ্মা

তওয়াতেঞ উমমেয়া দাহেতেঞ নাড়মা মেয়া

কলে ৰেগে হো কাৰ্মাএ দহমেয়া হো।[৪৪]

**অৰ্থ ঃ** কাৰাম উঠা, ব'লা। ব'লা কাৰাম উঠি থিয় হোৱা। মই নাযাও, কাৰ্মু মই নাযাও। তুমি ঘূৰি যোৱা কাৰ্মু তুমি ঘূৰি যোৱা। কাৰাম তোমাৰ মমতাত মই দহ বছৰ উপবাস কৰিছো। বিছ বছৰ পৰ্য্যন্ত পানী স্পৰ্শ কৰা নাই কাৰাম তুমি নাকান্দিবা! তুমি বিলাপ নকৰিবা কাৰাম। যি কোনো প্ৰকাৰে তোমাক লৈ যামেই। কাৰাম তোমাক কোলাত লৈ যাম। কাৰাম, আহা তোমাক

কোলাত লওঁ। কাৰাম, আহা তোমাক কোলাত বহাই লওঁ। গাখীৰ দি তোমাৰ চৰণ ধুৱাম। দৈ দি মূৰ ঘহি পৰিস্কাৰ কৰিম। কাৰাম তোমাক কোলাত বহাইয়ে ৰাখিম।

## আখ্যান মূলক সিৰিঞ ঃ

চাওঁতাল সমাজত সৃষ্টিতত্ত্বৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ প্ৰব্ৰজনৰ কাহিনী যুক্ত বিভিন্ন আখ্যানমূলক সিৰিঞ পোৱা যায়। তলত কেইটামান আখ্যানমূলক সিৰিঞ উল্লেখ কৰা হ'ল। যথা —

ক) হিহিড়িৰে গাঁই ক জানাম লেন
পিপিড়িৰে মানসী জানাম দ
দৰয়াৰে দ গো বাবা
দৰয়াৰে দ বিতকিল জানামলেন।[৪৫]

**অৰ্থ ঃ** হিহিড়ি নামৰ ঠাইত গাই-গৰু জন্মিছিল। পিপিড়ি নামৰ ঠাইত মানুহৰ জন্ম হৈছিল আৰু হ্ৰদত ম'হৰ জন্ম হৈছিল।

খ) চাঁই চাম্পা গাড় দ লিলিবিছি
বাদোলি কঁয়তা লিখন গড়হন
দায়াগে চাঁই চাম্পা বাদোলি কঁয়ডা
দায়াগে গাড় দ বন বাগিয়াৎৰে।[৪৬]

**অৰ্থ ঃ** চাই চাম্পা গড় কিমান ধুনীয়া। বাদোলী কঁয়ডা গড় ধুনীয়া লিকলিকীয়া। হায়ৰে চাই চাম্পা বাদোলী কঁয়ডা। হায়ৰে ইমান সুন্দৰ দুৰ্গ আমি এৰি থৈ আহিলো।

চাওঁতাল জনগোষ্ঠীৰ বাবে এটি ঐতিহাসিক উল্লেখযোগ্য ঘটনা হ'ল ১৮৫৫ চনৰ চাওঁতাল বিদ্ৰোহ। দুই ভাই সিধু মুৰ্মু আৰু কানহু মুৰ্মুৰ নেতৃত্বত শোষন বঞ্চনাৰ প্ৰতিবাদত ইংৰাজৰ বিৰুদ্ধে চলা এই বিদ্ৰোহত পচিশ হেজাৰতকৈও অধিকলোকে প্ৰাণ আহুতি দিব লগাত পৰিছিল। এই বিদ্ৰোহক চাওঁতাল গণ সংগ্ৰাম বুলি অভিহিত কৰিব পাৰি। এই গণ সংগ্ৰামৰ মূল নায়ক সিধু আৰু কানহু মুৰ্মুৰ বীৰগাথা তথা এই সংগ্ৰামক লৈ ৰচিত হোৱা বহু সিৰিঞ চাওঁতাল সমাজত পৰিদৃষ্ট হয়। এনে ধৰণৰ এটি সিৰিঞ উল্লেখ কৰা হ'ল। যথা —

সেদায় মা যুগৰে ঝাড়খণ্ড দিশমৰে
সিধু কানহু কিন ৰাজলেনা
লৌওহৗই লেদা কিন ইংৰেজ সাওঁতে
সান্তাড় পাৰগনা কিন ভেগাৰ কেদা।[৪৭]

**অৰ্থ ঃ** আগৰ যুগত ঝাৰখণ্ড দেশত সিধু কানহু দুইজন ৰজা হৈছিল। ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰি চাওঁতাল পৰগণা পৃথক কৰিছিল।

## প্ৰণয়সূচক সিৰিঞ ঃ

চাওঁতাল সমাজত প্ৰচলিত বিভিন্ন ধৰণৰ লোকগীতৰ মাজত প্ৰণয়সূচক গীতৰ আবেদন সবাটোকৈ ব্যাপক। পৰস্পৰৰ প্ৰতি আকৃষ্ট হ'লে তেওঁলোকৰ অন্তৰত যি বেদনা-মধুৰ অনুভূতিৰ আলোড়ন সৃষ্টি হয় সেই অনুভূতিয়ে এই গীতবোৰৰ মুখ্য উপজীব্য। এই গীত সমূহৰ জৰিয়তেই স্ত্ৰী-পুৰুষৰ মনৰ গভীৰতম প্ৰদেশৰ অনুভূতি প্ৰকাশ পায়। সেইবাবেই প্ৰণয়সূচক সিৰিঞ সমূহ হ'ল দুখন হৃদয়ক একীভূত কৰাৰ একমাত্ৰ যোগসূত্ৰ। কম শব্দত চিৰন্তন মনৰ বাঙ্ময় প্ৰকাশ। তলত চাওঁতাল সমাজত বহুল ভাৱে প্ৰচলিত কেইটামান প্ৰেমগীতৰ উদাহৰণ দাঙি ধৰা হ'ল। যথা —

ক) দায়া দুলৗড় এ্ঞলতে,
কুলি মেগে সানাএ্ঞা,
মনেৰ ভাবনা বাচম লৗই
মন তিঞ মা চুট চুট, কড়াম তিঞ ধাক ধাক
আম তুলুচ ৰাড়গে চ বাচঞ দিলা।[৪৮]

**অৰ্থ ঃ** তোমাৰ প্ৰেমৰ গভীৰতা দেখি মোৰ সুধিবলৈ ইচ্ছা হয়। মোৰ মনৰ ভাব প্ৰকাশ কৰিব পৰা নাই, বুকুখন দুৰু দুৰু কপিছে। তোমাৰ সৈতে কথা পতাৰ সাহস যেন মই হেৰাই পেলাইছো। হায় হায়! কেনেকৈ যে মই প্ৰেম নিৱেদন কৰিম। প্ৰেমৰ যন্ত্ৰণা সহজে পাহৰিব পৰা নাযায়। বিষৰ দৰে ই সদায় জ্বলাই থাকে।

সেইবাবে অবিবাহিত দেওৰ এজনে নবৌৰ সম্মুখত শুনায় —

খ)　সাৰু বিৰে সাকাম হেঃচইঞ

দুকানা হিলি হো;

হেন্দে সাংসৰ বিঞ দ হিলি হো,

বিঞ দ হিলি হোয় জোটেং আদিঞ

ঝাড় তেহঁ ঝাৰনি তেহঁ

বিঞ বিষ দ আঁড়গোনা;

উঙ্গুয়া কড়া বিষ দ হিলি হো,

চেকাতে আঁড়গোনা ?[৪৯]

**অৰ্থ ঃ** সাৰু জংগলত পাত তুলিব গৈছিলো নবৌ। ক'লা সাপে মোক দংশন কৰিলে। জৰা-ফুকা কৰিলে তো বিষ নামে নবৌ কিন্তু এই অবিবাহিত যুৱকৰ গাৰ পৰা যৌৱনৰ বিষ নামিব কেনেদৰে।

ঠিক তেনেদৰে প্ৰেমৰ অগ্নিত নিৰন্তৰ জ্বলি থকা নাৰী মনৰ কৰুণ গাঁথাৰ অতৃপ্ত সুৰ তলৰ গীতটোত ফুটি উঠিছে —

গ)　বুৰু সেঙ্গেল লঃ দ হড়কো এঞেলা

ইঞাং জিউয়ি লঃ দ অকায় এঞেলা ?

ইঞাং জিউয়ি লঃ দ বোৰসে সেঙ্গেল,

ইঞাং জিউয়ি লঃ দ অকায় এঞেলা ?[৫০]

**অৰ্থঃ** পাহাৰত জুই লাগিলে মানুহে দেখে। মোৰ জীৱনত লগা জুই জানো কোনোবাই দেখিবলৈ পাইছে? মোৰ জীৱন তুঁহ জুইৰ দৰে উমি উমি জ্বলিছে মোৰ জীৱনৰ জুই জানো কোনোবাই দেখিছে?

## আন আন বিষয়ক সিৰিঞ ঃ

আন আন বিষয়ক সিৰিঞসমূহক আকৌ তিনিটা ভাগত ভাগ কৰি আলোচনা কৰা হৈছে। যথা — (ক) বীৰ সিৰিঞ (খ) সাকৰাত বা চিকাৰ বিষয়ক সিৰিঞ (গ) কেঁচুৰা ল'ৰা-ছোৱালীৰ সৈতে জড়িত সিৰিঞ।

## বীৰ সিৰিঞঃ

বীৰ শব্দটোৰ মৌলিক অৰ্থ হ'ল অৰণ্য। কিন্তু বীৰ সিৰিঞ মানে মূলত অৰণ্য সংগীত নহয়। এই গীতবোৰ হ'ল 'বুনো' অৰ্থাৎ অশ্লীল গান। এই সিৰিঞবোৰ সামাজিক অনুষ্ঠান অথবা পৰিয়ালৰ মাজত গোৱা বাৰণ। শিকাৰ উৎসৱৰ সময়ত নিৰ্জন অৰণ্যৰ মাজত অথবা জান-জুৰি বা নদীৰ পাৰত পুৰুষসকলে এই সিৰিঞসমূহ গায়। কাম ভাবাপন্ন হোৱা বাবে সামাজিক তথা পৰিয়াল কেন্দ্ৰিক উৎসৱ সমূহত এই ধৰণৰ সিৰিঞ পৰিৱেশন কৰা নহয়। এনে ধৰণৰ দুটা সিৰিঞ উদাহৰণ স্বৰূপে দাঙি ধৰা হ'ল। যথা —

ক) ৰৌণ্ডি ছাড়ওয়ি হড়মো মৗইৰি
সেঁগেল মাৰ মাৰ টুনডৌ লেকা
ৰৌণ্ডি ছাড়ওয়ি হড়মো মৗইৰি আলাম জুটেদা
বহঃ এ্ঞৰেহ মৗইৰি
ৰৌণ্ডি ছাড়ওয়ি হয়মো মৗইৰিঞ সেঁগেল লেকা গৈয়া।[৫১]

**অৰ্থ ঃ** স্বামী পৰিত্যক্তা ৰমণীৰ দেহ লেলিহান শিখা। শাখা প্ৰশাখাত দ্ৰুত সঞ্চাৰিত হয় অগ্নিকনা। আলিংগনত বদ্ধ হ'লে দেহ পোৰে, তীব্ৰ বিভীষিকা। সচা কও বন্ধু, সেই নাৰীৰ প্ৰেমত নপৰিবা। মস্তক বিচূৰ্ণ হয়। স্বামী পৰিত্যক্তা ৰমনীৰ পেমত তীব্ৰ সুখ, অগ্নী সবাংগ।

খ) আম খাতিৰতে দ মৗইৰি পিণ্ডাৰে গেঞ গিতিঃ লেন
সেৰা লেকান তোয়া মৗইৰি পৗইলা লেকায়েন
আম তুলুঃ চৰড় লাদা বাইঞ্ বাগিলে হ মৗইৰি
আমা ঃ জিউয়ি ৰেগে মৗইৰি মন দ আলম বৗড়িজাঃ
আমবেগে ইঞা জিউয়ি ইঞ আলায়া।[৫২]

**অৰ্থ ঃ** তোমাৰ কথা ভাবিয়েই বিচনাত শুই শুই উজাগৰি ৰাতি পাৰ হয়। কেজি ওজনৰ স্তনৰ আয়তন কমি এপোৱা হ'ল। কিমান দিন যে হ'ল তোমাৰ লগত আলীংগন বদ্ধ নোহোৱা। হতাশ নহবা, মইতো তোমাকেই দেহ মন সপি অন্ধ হৈ পৰিছো।

**সাকৰাত ঃ**

সহৰায় পৰবৰ ষষ্ঠ দিনটোক সাকৰাত নামেৰে অভিহিত কৰা হয়। এই সাকৰাত উপলক্ষে অনুষ্ঠিত হোৱা সামূহিক চিকাৰৰ সময়ত এই সিৰিঞসমূহ পৰিবেশন কৰা হয়। চিকাৰৰ এই সিৰিঞসমূহ বীৰ ৰস আৰু কৰুণ ৰসেৰে সিক্ত। কেতিয়াবা কেতিয়াবা এই ধৰণৰ সিৰিঞত মাত্ৰাধিক ভাৱে স্ত্ৰীৰ বিলাপো শুনিবলৈ পোৱা যায়। যথা —

ক) শীল এ্য দীড় কেৎ কাটাপ্ কাটাপ্
সাৰেএ তুঞ কেৎ সাৰাৎ সাৰাৎ
শীল দয় বাজাও এ্যনা, সাৰ দ পাৰমেনা
সাৰ দ পাৰমেন দাদাঞ কড়ামৰে।
শীল দ গগে পে ইশি টাডাতে
দাদাঞ গগে পে আতো মড়ে হড়তে
ইঞ দ অভাগা দাদাইচ বীহীৰি
চিকী লেকাতে অড়াঃ দঞ ৰুয়ীড়।[৫৩]

**অৰ্থ ঃ** দুই ভাই চিকাৰত গৈছে। খত্ খত্ শব্দ কৰি চিকাৰ দৌৰি পলাল। তীব্ৰ বেগত তীৰ এৰিলো। চিকাৰ বিদ্ধ হ'ল কিন্তু চিকাৰৰ শৰীৰ ভেদি শৰপাতে দাদাৰ বুকু বিদ্ধ কৰিলে। দাদাৰ মৃত্যু হ'ল। তোমালোক পাঁচজন মিলি চিকাৰ আৰু দাদাক গাঁওলৈ লৈ ব'লা। হতভাগা মই! কেনেকৈ গাঁওলৈ উভতি যাম।

খ) দিশম হড় ক পাৰমেনা
আতো হড় ক সেটেৰ এনা
ইঞ ৰিনিচ ছাতা দাৰে
ছাতা দাৰে দ বাং এ্য ৰুমীড় লেন।
অড়া ঃ স্যেৎ ইঞ বললেনা
হোড়ো চাওলে আৰমে তামেদ
ছাটকা স্যেৎ ইঞ বাহেৰ লেনা
কানাশোদ হালে হঁসৰেন

উন খন গেঞঃ বুঝীও কেদা

ছাতা দাৰে দ বাং এ্য ৰুমৗড় তিঞঃ।[৫৪]

**অৰ্থ ঃ** স্বামী চিকাৰলৈ গৈছে। কেতিয়া উভতিব মনটোৱে চটফট কৰিছে। দেশৰ চিকাৰীবোৰ উভতি গ'ল গাঁওৰ চিকাৰীবোৰ উভতি আহিল। মোৰ স্বামী এতিয়াও কিয় উভতি নাহিল। ঘৰৰ ভিতৰলৈ গ'লো, ধান চাউল বোৰ সিঁচৰতি হৈ পৰি আছে। চোতাললৈ গ'লো, চুলিৰ কোচা সুলকি পৰিল। বুজিলো মোৰ স্বামী আৰু উভতি নাহিব।

## কেঁচুৰা ল'ৰা-ছোৱালীৰ সৈতে জড়িত সিৰিঞঃ ঃ

কেঁচুৰা ল'ৰা-ছোৱালীৰ সৈতে জড়িত সিৰিঞঃ সমূহক আকৌ তিনিটা ভাগত বিভক্ত কৰিব পাৰি। যথা — (ক) নিচুকনি গীত (খ) টোপনী নিওৱা গীত আৰু (গ) ওমলা গীত।

### নিচুকনি গীত ঃ

চাওঁতালী ভাষাত নিচুকনি গীতক 'লৌ লৌ সিৰিঞঃ' বুলি কোৱা হয়। অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে চাওঁতাল জনগোষ্ঠীৰ মাজতো নিচুকনি গীতৰ ব্যৱহাৰ যথেষ্ট পৰিমানে দেখা যায়। এই গীতসমূহে কেবল মাত্ৰ শিশুসকলকেই যে আনন্দ প্ৰদান কৰে তেনে নহয়; ই সমূহৰ দ্বাৰা প্ৰাপ্তবয়স্ক সকলেও যেন তেওঁলোকৰ হেৰাই যোৱা শৈশৱৰ মধুৰ ক্ষণ সমূহ খন্তেকৰ বাবে হ'লেও বিচাৰি পায় । এই নিচুকনি গীত সমূহৰ মাজত ব্যংগ-কৌতুক, ৰং-ধেমালী আদি বিদ্যমান। ইয়াত অশ্লীলতাৰ কোনো উল্লেখ পোৱা নাযায়। এই সিৰিঞঃ সমূহ সচৰাচৰ কান্দি থকা শিশুক চুপ কৰাবলৈ গোৱা হয়। এই সিৰিঞঃবোৰ মাথো শিশুসকলৰ বাবেই উপভোগ্য নহয়, বয়স্ক সকলৰবাবেও সমানে আনন্দদায়ক। শিশুসকলৰ বাবে কৌতুহলৰ বিভিন্ন উৎস যেনে জোন, বেলি, তৰা, চৰাই-চিৰিকতি আদি এই নিচুকনি গীত সমূহৰ মুখ্য বিষয়বস্তু। এনেধৰণৰ লৌ লৌ সিৰিঞঃৰ দুটা উদাহৰণ তলত উল্লেখ কৰা হ'ল। যথা —

ক) আলে কুনু ৰায় ৰাগা

সিম চুপিলে ৰাপাঃ আয়া

ৰংগো দাকালে খায়ৎ আয়া

কুডৌম কুডৌমতেয় জম আচুৰা।[৫৫]

**অৰ্থা ঃ** "আমাৰ মইনা নাকান্দে। তোমাক মূৰ্গীৰ নেজ পুৰি দিম। পোৰা ভাত বাঢ়ি দিম। ঘৰৰ পিচফালে দৌৰি দৌৰি খাবএ।

খ) ধাদৰা হাটাঃ চাতমতিএঃ

হাড়াম পুসি সাদমতিএঃ

হৰ হৰতিএঃ লাগা কেদে

কাড়াপ কাড়াপ কাড়াপ।[৫৬]

**অৰ্থঃ** "ভাঙা কুলা আমাৰ ছাতা। বুঢ়া এড়াল ঘোঁৰা। ৰাস্তাই ৰাস্তাই দৌৰিলো। কাড়াপ কাড়াপ কাড়াপ।

## টোপনী নিওৱা গীত ঃ

আন আন জনগোষ্ঠীয় সমাজৰ দৰে অসমৰ চাওঁতাল সমাজতো শিশুসকলক টোপনী নিওৱাৰ বাবে সিৰিএঃ বিদ্যমান। এই গীতবোৰ গাই গাই এগৰাকী মাকে তেওৰ শিশুক বিচনাত টোপনী নিয়ায়। সুৰ আৰু লয় ধৰি গোৱাৰ বাবে শিশুসকল মাকৰ কোঁচ বা বিচনাত শুই পৰে। অসমীয়া সমাজৰ এটি বহুলভাৱে প্ৰচাৰিত নিচুকনি গীত - "আমাৰে মইনা শুৱয়ে। বাৰিতে বগৰি ৰুবয়ে। বাৰিতে বগৰি পকি সৰি যাব। মইনাই বুতলি খাবএ।" সদৃশ এটি চাওঁতালি নিচুকনি গীত তলত উল্লেখ কৰা হ'ল। যথা —

লৌলৌ লৌলৌ হৌৰলৌ লৌ

গিদৌ দয়ে জৌপিৎ তালে

আম গ গ দ গিদৌ

গাতা পাৰমে সেন আকান

হেচ কাতে দ গিদৌ

সিলপিএঃ লেকায় পিঠৌওয়ামা

গুড়গু লেকায় ডোম্বোঃ আমা

কুডৌম কুডৌমতে জম বাড়ায়া।[৫৭]

**অৰ্থ ঃ** লোলো লোলো লোলো লোলো। আমাৰে মইনা শুবএ। আমাৰে মইনা শুবএ। মা গৈছে নদীৰ পাৰত। ঘুৰি আহি  দুৱাৰৰ সমান পিঠা দিব এ। পটাগুটি সমান লাডু দিব এ। আমাৰ মইনা ঘৰৰ পিচফালে দৌৰি দৌৰি খাব এ।

আন এটি টোপানী নিয়াবৰ বাবে গোৱা গীত হ'ল —

নি দো বাবা গো

আলম ৰাগা গো

এগাম দয় কৌমিকানা

আপুম দয় সিয়োঃ কানা

দি নো ........।[৫৮]

**অৰ্থঃ** বাবা আমাৰ নাকান্দিবি। বাবা আমাৰ শুব এ। মা তোমাৰ কাম কৰে। বাবা তোমাৰ হাল বায়। শুব এ......শুব এ।

**ওমলা গীত ঃ**

নিচুকনি গীততকৈ পৃথক অথচ শিশুসকলৰ ওমলা সময়ত গোৱা কিছুমান সিৰিঞও চাওঁতাল সমাজত বিচাৰি পোৱা যায়। সেই গীত সমূহক 'গিদৰী গাতে সিৰিঞ' বুলি কোৱা হয়। তলত এনেধৰণ গীতৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল। যথা—

ক)   হালায়, হালায় হালায়

কৌহু কাঁঃ কাঁঃ

ঠন্টা ৰেতাম তেজো

তোয়ো ফেউ ফেউ

মেন দীড় মে গুয়ুং

ঝন্টিৰে লাংটি সেতায় পাৰমেন

তোয়ো ফেউ ফেউ।[৫৯]

**অৰ্থঃ** পলোৱা পলোৱা পলোৱা। কাউৰী তুমি পলোৱা। তোমাৰ ওঠত পোকা। শিয়ালে মাতে হুৱা হুৱা। সোনকালে পলোৱা। বেৰ ভাঙি কুকুৰ পলায়। শিয়ালে মাতে হুৱা হুৱা।

খ)　গাম গাম কুদুম কুদুম

তোকাতে পুসিম চালাওলেনা ?

ঝুৰি হালাংইঞ চালাওলেনা।

তোকাৰ তাম ঝুৰি ?

চলহী কুডৌমৰেঞ দহলেৎ।

মিহু গেচয় লেবেৎ ৰৌপুৎকেৎ

চেদাঃ মিহুম লেবেৎ ৰৌপুৎকেৎ

গীই গে থ বায় তওয়ায়েৎ।

চেদাঃ গীই বাম তওয়ায়েৎ ?

ঘাস গে্ চ বাং ঘাঁসঃ কান।

চেদাঃ ঘাঁস বাম ঘাঁস কান ?

দাঃ সে চ বায় দা এৎ

চেদাঃ দাঃ বাম দঃ এৎ

ৰটে গে চ বাকো ৰাঃ এৎ।

চেদাঃ ৰটে বাপে ৰাঃ এৎৎ।

ডুলডুং বিঞপে চ কো উৎলে

সিঞ ঞিদৌ কাড়য়াৎ কুড়য়ুৎ।[৬০]

**অৰ্থ ঃ** মেকুৰী তুমি ক'ত গৈছিলা ? গৈছিলো খড়ি আনিব। খড়ি তোমাৰ ক'ত ? ৰাখিছিলো ৰান্ধনী শালত, দামুৰীয়ে ভাঙিছে। দামুৰীয়ে কিয় ভাঙিছে? গাইজনীয়ে যে গাখীৰ নিদিয়ে। অ' গাই অ' গাই গাখীৰ নিদিয়া কিয় ? পথাৰত যে ঘাঁহ নাই মইনো দিম কিয়। অ পথাৰ পথাৰ ঘাঁহ নাই কিয় ? বৰষুণ যে নিদিয়ে ঘাঁহ হ'ব কিয় ? অ' বৰষুণ অ' বৰষুণ তুমি নপৰা কিয় ? বেঙে যে নামাতে মই নো পৰিম কিয় ? অ' বেঙ অ' বেঙ তুমি নামাতা কিয় ? মাতিম কেনেকে - সাপে যে খাই পেলাব।

এই গিদৰী গাতে সিৰিঞটোৰ মাজত অসমীয়া সমাজত শিশুসকলৰ মনযোগ আকৰ্ষণ কৰিবলৈ বহল ভাবে প্ৰচলিত - " অ ফুল অ ফুল নুফুল কিয়" শীৰ্ষক পদ্যটোৰ

স'তে সামঞ্জস্য দেখা যায়।

## লোক কথা ঃ

মৌখিক সাহিত্যৰ বুজন সংখ্যক স্থান অধিকাৰ কৰি আছে বিভিন্ন ধৰণৰ লোককথাই। পুৰুষানুক্ৰমে জনগোষ্ঠী সমূহৰ আভ্যন্তৰীণ আৰু সামাজিক ৰূপান্তৰ ঘটিলেও লোককথা সমূহ হেৰাই নাযায়। ই পৰম্পৰা হিচাপে গতিশীল হৈ থাকে। চাওঁতাল সমাজতো অধুনা লোককথা সমূহ বিদ্যমান। এই লোককথা সমূহ বিভিন্ন বিষয়ৰ ওপৰত ৰচিত হোৱা দেখা যায়। পৃথিৱীৰ সৃষ্টিতত্ত্বৰ পৰা আৰম্ভ কৰি বিভিন্ন দেৱ-দেৱী, প্ৰথম নৰ-নাৰী, নদ-নদী, গছ-লতা, পাহাড়-পৰ্বত, চন্দ্ৰ-সূৰ্য্য, বিভিন্ন গ্ৰহ-নক্ষত্ৰ, জীৱ-জন্তু, পশু-পক্ষী লগতে নিত্য-প্ৰয়োজনীয় ব্যৱহাৰ্য সামগ্ৰী আদিৰ ওপৰত ৰচিত তেওঁলোকৰ লোককথা সমূহে চাওঁতাল সমাজক আপ্লুত কৰি আহিছে। চাওঁতালি ভাষাত লোককথা বা সাধুকথা সমূহক 'জৌড়' বুলি কোৱা হয়।

লোক সাহিত্যৰ এক বুজন অংশ লোককথাৰে সমৃদ্ধ। লোককথা বুৰঞ্জীয়ে ঢুকি নোপোৱা সময়ৰ পৰাই বিভিন্ন নৃগোষ্ঠী সমূহৰ মাজত এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ মৌখিক ভাৱে প্ৰবাহিত হৈ আহিছে। বৰ্ণনাধৰ্মী যিকোনো লোককথাক 'সাধুকথা' আখ্যা দিয়া হয়। 'সাধু' শব্দটো সংস্কৃত শব্দ 'সাধু'ৰ পৰা অহা যাৰ অৰ্থ হৈছে 'সদাগৰ' আৰু 'কথা'ৰ অৰ্থ হৈছে বা-বাতৰি বা কাহিনী। সেইবাবে 'সাধুকথা' মানে হ'ল পৰিভ্ৰমী সদাগৰবোৰে কোৱা কাহিনী।[৬১]

হেমকোষ অভিধান অনুসৰি সাধু মানে হ'ল সন্ত আৰু কথা মানে উপাখ্যান। সেইবাবে সন্ত সকলে কোৱা কথাকেই সাধুকথা আখ্যা দিয়া হয়।[৬২] উমেশ চেতিয়াই লিখিছে —

> *"লক্ষীনাথ বেজবৰুৱাদেৱৰ ভাষাত "কোনো এটা জাতিৰ ভিতৰুৱা শিক্ষিত-অশিক্ষিত, সভ্য-অসভ্য, জ্ঞানী-অজ্ঞানী সকলো মানুহৰে চৰণৰ চাপ যেনেকৈ সেই জাতিৰ নিজা ভাষাত মচ নোখোৱাকৈ থাকি যায়, জাতিয় পুৰণিকলীয়া সাধুকথা বিলাকতো সেইদৰে সেই জাতীৰ ভিতৰুৱা সকলো শ্ৰেণীৰ মানুহৰ পুৰণি আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-কল্পনা আদিৰ সাঁচ মচ নোখোৱাকৈ থাকি যায়।"*[৬৩]

লোককথাৰ আলোচনাত বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে শ্ৰেণী বিভক্ত কৰা পৰিলক্ষিত হয়। তাৰ ভিতৰত ড° সত্যেন্দ্ৰ নাথ শৰ্মাই এইদৰে ভাগ কৰিছে। যথা — (ক) জীৱ-জন্তু সম্পৰ্কীয় সাধু (Animal Tales) (খ) অলৌকিক বা অতিভৌতিক (Tales of Supernatural) (গ) টেঁটকুটি (Jokes or humerous tales) (ঘ) টেটোনৰ সাধু (Trickster tales) (ঙ) লানি নিচিগা সাধু (Cumulative story) [৬৪]

আকৌ ড° নবীন চন্দ্ৰ শৰ্মাই তেওঁৰ আলোচনাত লোককথাক তলত দিয়া ধৰণে বিভক্ত কৰিছে। যথা — (ক) পুৰাণ কথা বা পুৰা কথা (খ) জনশ্ৰুতিমূলক বা জন শ্ৰুতিগত কথা (গ) সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহনী।[৬৫]

আনহাতে ড° ৰাতুল ডেকাই লোককথাক তলত উল্লিখিত ধৰণে ভাগ কৰা পৰিলক্ষিত হয়। যথা — (ক) জন্তু সম্পৰ্কীয় লোককথা (Animal Tales) (খ) অতিভৌতিক বা অতিলৌকিক লোককথা (Tales of supernatural) (গ) ধৰ্মীয় লোককথা (Religious Tales) (ঘ) বাস্তৱধৰ্মী বা জীৱনসদৃশ লোককথা (Realistic Tales) (ঙ) সৃষ্টি সম্পৰ্কীয় লোককথা (Etiological Tales) (চ) লোক ইতিহাস সম্পৰ্কীয় লোককথা (Tales on Folk history)[৬৬]

এইদৰে আলোচনা কৰিলে দেখা যায় যে লোককথাৰ শ্ৰেণী বিভাজনৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট শ্ৰেণী বিভাজনৰ ধাৰা দেখা নাযায়। সেয়েহে আমাৰ অধ্যয়নৰ প্ৰয়োজনীয়তাত চাওঁতাল জনগোষ্ঠীৰ লোককথাক তলত দিয়া ধৰণে শ্ৰেণী বিভাজন কৰি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। যথা — (ক) বাস্তৱধৰ্মী লোককথা (খ) জন্তু সম্পৰ্কীয় লোককথা (গ) অতিভৌতিক বা অলৌকিক লোককথা (ঘ) সৃষ্টি সম্পৰ্কীয় লোককথা (ঙ) লোক ইতিহাস সম্পৰ্কীয় লোককথা।

## বাস্তৱ ধৰ্মী লোককথা ঃ

এই শ্ৰেণীৰ জৌড় সমূহত চাওঁতাল চহা জন-জীৱনৰ সৈতে জড়িত বিভিন্ন বিষয় যেনে — পাৰিবাৰিক সম্পৰ্ক, সামাজিক বান্ধোন, সামাজিক ৰীতি-নীতি, জীৱিকা আদিৰ উল্লেখ পোৱা যায়। এই ধৰণৰ জৌড় সমূহত সাধাৰণতে সামাজিক ৰীতি-নীতিৰ বিষয়ে উল্লেখ থাকে। ইয়াৰ চৰিত্ৰ সমূহ আদৰ্শ যুক্ত হয়। লোক সমাজে তেনেধৰণৰ চৰিত্ৰ সমূহক

আদৰি লয় আৰু সেই চৰিত্ৰটোৰ আদৰ্শ অনুকৰণ কৰিবলৈ চেষ্টা কৰে। চাওঁতাল সমাজত প্ৰচলন থকা তেনেধৰণৰ এটি জৌড় হৈছে—

**ৰমাই আৰু সমাই**

এসময়ত ৰমাই আৰু সমাই নামৰ দুজন গৰীব লোক গাওঁ এখনলৈ আহি জমিদাৰৰ পৰা কিছু পতিত মাটি লৈ হাল বাই তাত মাকৈ খেতি আৰম্ভ কৰিলে। তেওঁলোকৰ হালখন আছিল খুব সৰু আৰু গাইগৰুই টনা। সেয়েহে তেওঁলোকে অলপ মান মাটিত মাকৈ সিচাৰ পাছতেই বৰষুণৰ দিন আৰম্ভ হ'ল। গতিকে সমাই কৃষি বাদ দি মাছধৰা আৰম্ভ কৰিলে আৰু কিছুদিনৰ পাছতেই মাছ বিক্ৰী কৰি এক বুজন সংখ্যক লাভ কৰিবলৈ সক্ষম হ'ল। তেওঁ আনকি নিজেই সিচা মাকৈখিনি কাটিবলৈও পাহৰি গ'ল। আনহাতে ৰমাই দিনে নিশাই অশেষ কষ্ট স্বীকাৰ কৰি যিমান পাৰে মাটি মোকলাই মাকৈ আৰু ধানৰ খেতি আৰম্ভ কৰিলে। ৰমাইৰ কষ্ট দেখি সমাই তেওঁক উপলুঙা কৰে আৰু কয় এই সৰু হালখনেৰে তুমি এটা শষ্যৰ দানাও উৎপাদন কৰিব নোৱাৰিবা। এদিন এই হালখনো ভাগি শেষ হ'ব আৰু তোমাৰ হাতত ফুটা কড়ি এটাও নাথাকিব। গতিকে সহজ উপায় হ'ল মাছ ধৰা যিয়ে কম সময়তে অধিক লাভ দিব পাৰে। ৰমাই কোনো উত্তৰ দিয়া নাছিল কিন্তু যেতিয়া বাৰিষা শেষ হ'ল মাছ ধৰাও বন্ধ হ'ল। লাহে লাহে সমাইৰ সাঁচতীয়া ধনো শেষ হ'ল। অৱশেষত খোৱা ভাত মুঠিৰ বাবে গাঁৱে গাঁৱে গৈ তেওঁ ভিক্ষা খোজা আৰম্ভ কৰিলে। আনহাতে ৰমাই মাকৈ খিনি চহ কৰি 'মাকৈ' কটাৰ সময়লৈ চলিল আৰু মাকৈখিনি চপাই ধান কটাৰ সময়লৈ খুব সুন্দৰ ভাবে দিন অতিবাহিত কৰিলে আৰু কেতিয়াও অভাবৰ সম্মুখীন হ'ব লগা নহ'ল। এদিন সমাইক তেওঁ নিশাৰ সাজলৈ নিমন্ত্ৰণ জনাই খোৱা, শেষ হোৱাৰ পিছত ৰমাই তেওক ক'লে — 'মোৰ এই সৰু হালখনৰ বিষয়ে এতিয়াও তোমাৰ কিবা ক'ব লগা আছেনে? পিচদিনা পুনৰ ৰমাই সমাইৰ ঘৰলৈ আহিল আৰু সমাইক ক'লে — এসময়ত মই পেতৰ ক্ষুধা নিৰাময়ৰ বাবে খুব কষ্ট কৰিব লগা হৈছিল কিন্তু এতিয়া মোৰ কোনো অভাৱ নাই। তেতিয়া তুমি মোক বিদ্ৰূপ কৰিছিলা তোমাৰ হাতত পৰ্য্যাপ্ত আছিল বাবে কিন্তু আজি তোমাৰ ক্ষুধা নিবাৰণৰ বাবে ফুটা কড়ি এটাও নাই।[৬৭]

## জীৱ-জন্তুৰ সৈতে জড়িত জৌড় ঃ

গ্ৰাম্য সমাজখনত আপোন মানুহৰ পাছতে স্থান পায় বিভিন্ন ধৰণৰ জীৱ-জন্তুৱে। বিভিন্ন জীৱ-জন্তু গ্ৰাম্য চহা জীৱনৰ সংগী হয় আৰু কিছু সংখ্যক জীৱ-জন্তু গ্ৰাম্য সমাজখনৰ কাৰণে আতংক ময় হৈ পৰে। চহা সমাজৰ লোক সকলে হাবি-বননি পৰিষ্কাৰ কৰি খেতি কৰিবলৈ লোৱাত বিভিন্ন জীৱ-জন্তুৰ সন্মুখীন হয়। সেই জীৱ-জন্তু বোৰক লৈ কোনোৱা চহা লোকে লোককথা কয়। তাৰ কাৰণ আছিল তেওঁলোকে নিৰিক্ষণ কৰা বিভিন্ন জীৱ-জন্তুৰ আচৰণৰ যোগেদি গ্ৰাম্য সমাজখনক ভাল আৰু বেয়া সম্পৰ্কে এটি সম্যক ধাৰণা দিয়া। এনে ধৰণৰ জৌড় সমূহত মুখ্য চৰিত্ৰ হিচাপে কোনো চৰাই বা জন্তু আদি দেখা যায় আৰু সেইবোৰে মানুহৰ দৰেই কথা পাতে আৰু আচাৰ ব্যৱহাৰো মানুহৰ দৰেই হোৱা দেখা যায়। অসমৰ চাওঁতাল সমাজখনতো জীৱ-জন্তুক লৈ লোককথাৰ প্ৰচলন দেখা যায়। তলত উক্ত বিষয় যুক্ত দুটা লোককথা উল্লেখ কৰা হ'ল।

### ক) শিয়ালৰ শাস্তি

এসময়ত এটা মূৰ্গী আৰু এটা শিয়াল নলে গ'লে লগা বন্ধু আছিল। এদিন তেওলোকে এটি ভোজৰ আয়োজন কৰিলে আৰু তাৰ বাবে প্ৰয়োজনীয় 'হাঁণ্ডি' তৈয়াৰ কৰা হ'ল। মূৰ্গীয়ে চাউল, মাকৈ, বজৰা আদিৰে 'হাঁণ্ডি' তৈয়াৰ কৰিলে আৰু শিয়ালে জেঠী, ভেকুলী আৰু মাছেৰে 'হাঁণ্ডি' তৈয়াৰ কৰিলে। পোনতে মুৰ্গীজনী শিয়ালৰ ঘৰত ভোজ খাব গ'ল কিন্তু শিয়ালে প্ৰস্তুত কৰা 'হাঁণ্ডি' ইমানেই দুৰ্গন্ধময় আছিল যে মূৰ্গীজনীয়ে মুখতেই দিব নোৱাৰিলে। তাৰপিছত দুয়ো মূৰ্গীজনীৰ ঘৰলৈ আহিল। মূৰ্গীজনীয়ে প্ৰস্তুত কৰা 'হাঁণ্ডি' ইমানেই সুস্বাদু আছিল যে দুয়োজনে আটাইখিনি 'হাঁণ্ডি' খাই শেষ কৰিলে আৰু দুয়োৰে খুব নিচা লাগিল। এই অৱস্থাতে শিয়ালে মনতে স্থিৰ কৰিলে যে যিহেতু মূৰ্গীয়ে বনোৱা হাঁণ্ডি ইমান সুস্বাদু মূৰ্গীজনী নিশ্চয় বহুত বেচি সুস্বাদু হ'ব। এই বুলি ভাবি শিয়ালে মূৰ্গীজনীক গবা মাৰি ধৰি খোৱা আৰম্ভ কৰিলে। তাকে দেখি মূৰ্গী পোৱালী কেইটাই চিঞঁৰ বাখৰ আৰম্ভ কৰিলে। শিয়ালে এইবাৰ সিদ্ধান্ত ল'লে যে সি এই মূৰ্গী পোৱালী কেইটাকো খাই পেলাব। পৰিকল্পনা অনুসৰি শিয়ালে দ্বিতীয় দিনা আহি মূৰ্গীপোৱালী কেইটাক সুধিলে

তোমালোকে ৰাতি ক'ত শোৱা? পোৱালী কেইটাই ক'লে যে তাহাতে জুহালত শোৱে। যেতিয়া শিয়ালটো গুচি গ'ল মূৰ্গীপোৱালী কেইটা নিজক কেনেকৈ বচাব পাৰে তাৰ বুদ্ধি পাঙিব ধৰিলে।

পোৱালীকেইটাৰ মাকে এটি কণী পাৰিছিল। এতিয়া সেই কণীটোক উম দিবলৈ যিহেতু সিহঁতৰ মাক নাই সেইবাবে সিহঁতে কণীটোক ক'লে — তুমি জুহালত শুই থাকিবা আৰু শিয়ালটোক অন্ধ বনাই দিবা" আৰু কুলা খনক ক'লে "তুমি দৰজাৰ ওচৰত ৰৈ থাকিবা। যেতিয়াই শিয়ালটো বাহিৰলৈ ওলাই আহিব তুমি তাক বগৰাই দিবা" তাৰপিছত দৰ্জাৰ ওপৰত ওলোমাই থোৱা ধানকোৰোৱা দাং ডালক ক'লে তুমি শিয়ালটোৰ ওপৰত পৰি তাক শেষ কৰি দিবা। সেইমতে সিহঁতে কণীটোক গৰম চাইৰ ওপৰত থৈ দিলে আৰু সকলোৱে এখন চাংৰ ওপৰত উঠি হাতত এখন কুঠাৰ লৈ বহি থাকিল। শিয়ালটো আহি জুহালৰ ওচৰত গৈ মূৰ্গী পোৱালীৰ সন্ধানত চাইবোৰ খুচৰিব ধৰিলে আৰু তেতিয়া কণীটো বিস্ফোৰিত হৈ শিয়ালৰ দুই চকু অন্ধ কৰি পেলালে। যন্ত্ৰনাত চটফটাই যেতিয়াই সি দৰজাৰ সন্মুখ পালে কুলা খনে শিয়ালটোকে মাটিত বগৰাই দিল। সি যেতিয়া চুচৰি চুচৰি দৰজা পাৰ হৈ যাব খুজিলে তেতিয়াই দাং দালে দৰজাৰ ওপৰৰ পৰা তাৰ ওপৰত খহি পৰি তাৰ হাড় মূৰ গুড়ি কৰি পেলালে আৰু মূৰ্গীপোৱালী কেইটা লুকাই থকা ঠাইৰ পৰা ওলাই আহি হাতৰ কুঠাৰ খনেৰে খংঙৰ ভমকত শিয়ালটোক টুকুৰা টুকুৰ কৈ কাটি পেলালে আৰু মাকৰ হত্যাকাৰীৰ ওপৰত প্ৰতিশোধ ল'লে।[৬৮]

**খ) শিয়াল আৰু শহাপহু**

এসময়ত এটি শিয়াল আৰু এটি শহা পহু সখি আছিল। এদিন সিহঁতে ৰাতি পায়স খোৱাৰ সিদ্ধান্ত ল'লে। পৰিকল্পনা মতে শহা পহুটোৱে ৰাস্তাৰ দাঁতিৰ এজোপা জোপোহাৰ তলেৰে এটি সুৰংগ খান্দিলে ৰাস্তাৰ বিপৰীত দিশত থকা বজাৰখনলৈ আৰু ওচৰতে ৰৈ সকলো লক্ষ্য কৰি থাকিল। সেইসময়তে কেইজনমান মানুহ বজাৰলৈ চাউল বিক্ৰী কৰিব আহিল। তেতিয়াই ৰাস্তাৰ আনটো পাৰত থকা শহা পশুটোক দেখি চাউলৰ মোনাটো তাতেই এৰি শহাটো ধৰিবলৈ দৌৰি আহিল। শহাটোৱে তেওঁলোকক বহু দূৰলৈ লৈ গ'ল আৰু তাৰ

পৰা পলায়ন  কৰিলে। সেইসময়তে শিয়ালটোৱে তেওঁলোকৰ মোনাৰ পৰা যিমান পাৰে চাউল চুৰি কৰি লৈ আহিল। সেই একে পদ্ধতিৰে তেওঁলোকে গাখীৰ, খৰি, বাচন আৰু কেইখিলামান পাতৰ থালও চুৰি কৰিলে আৰু এনেদৰেই খৰি বাহিৰে বাকী সকলো সিহঁতে যোগাৰ কৰিলে।

জুইৰ যোগাৰ কৰিবৰ বাবে শিয়ালটোৱে ওচৰৰ গাওঁখনত বাস কৰা এগৰাকী আইতাৰ ঘৰত উপস্থিত হ'ল। আইতাই তেতিয়া প্লামৰ গুটি খুন্দি আছিল। শিয়ালে আইতাক অলপ জুই বিচাৰিলে। আইতাই কলে — 'সেই ঘৰটোলৈ যোৱা আৰু তাৰপৰা এডাল জ্বলি থকা খৰি লৈ যোৱা।" শিয়ালটোৱে ক'লে —" আইতা আপুনিয়ে গৈ লৈ আহক তেতিয়ালৈ মই আপোনাৰ খোৱা খুন্দি দিও"। আইতাই যেতিয়া জুই আনিব গ'ল শিয়ালে তেতিয়া খুন্দনাত তাৰ লেলাউতি পেলাই দিলে আৰু আইতাই জুই লৈ অহাৰ পাছত সি জুই লৈ গুচি গ'ল। শিয়ালটো গুচি যোৱাৰ পাছত আইতাই দেখিলে যে শিয়ালে তেওঁৰ সকলো খোৱা বস্তু নষ্ট কৰি পেলাইছে।

এইফালে  আইতাৰ পৰা লৈ যোৱা জুইৰে  শিয়াল আৰু শহা পহুটোৱে পায়স বনালে। বনোৱা শেষ হোৱাৰ পাছত সিহঁতে আলোচনা কৰিবলৈ ধৰিলে পায়সখোৱাৰ আগত কোনে গা  ধুবলৈ যাব। অৱশেষত সিদ্ধান্ত হ'ল যে শিয়ালেই পোনতে যাব। কথামতে শিয়ালে দৌৰা দৌৰিকৈ গৈ গা ধুই আহিল। তাৰ পাছত শহা পহুটোৱে গা ধুবলৈ গৈ ভালদৰে গা ধুই বহু সময়ৰ মূৰত  উভতি  আহিল  ইতিমধ্যে শহাটোৱে গা ধুবলৈ যোৱাৰ সময়ত শিয়ালে উদৰ পুৰাই পাসয় খাই পায়সৰ পাত্ৰটো নিজৰ বিষ্ঠাৰে পূৰ্ণ কৰি ভালদৰে ঢাকি ৰাখিছিল। শহাটোৱে গা ধুই অহাৰ পাছত পায়সৰ পাত্ৰৰ ঢাকন উঠাই অকন পায়স লোৱাৰ  পাছতে দেখিলে যে সম্পূৰ্ণ পাত্ৰটোৱে  বিষ্ঠাৰে পূৰ্ণ তেতিয়া শহাটোৰ খুব খং উঠিল আৰু "এই  বাবেই  মই গোটেই  দিনটো ইমান কষ্ট কৰিলো নেকি" বুলি পাত্ৰটো শিয়ালৰ গাত মাৰি তাক খেদি পঠালে।

শিয়ালটো পলাই গৈ এটি ঢোল বনালে আৰু প্ৰতিদিনে নদীৰ পাৰত বহি ঢোলটো বজোৱা আৰম্ভ কৰিলে। এদিন শহাটোৱে ঢোলৰ মাত শুনি শিয়ালৰ ওচৰত গৈ ঢোলটো বজাব বিচাৰিলে। শিয়ালটোৱে শহাটোক ঢোলটো বজাব দিলে কিন্তু শহাটোৱে বজোৱাৰ

সময়ত ইমান জোৰেৰে বজালে যে ঢোলটো ফাতি থাকিল। ঢোল ফটা দেখি শহাটো পলাই গ'ল।[৬৯]

## অতিভৌতিক বা অলৌকিক জৌড় ঃ

এনেধৰণৰ লোককথাত সাধাৰণতে পৰী, ৰাক্ষস, দৈৱ শক্তি, ৰজা বা ৰাজকুমাৰ অসাধাৰণ ও অদ্ভুত কাৰ্য্যসাধন আদিয়ে স্থান পায়। অতিৰিক্ত ৰমন্যাসিক কল্পনাৰ স্বৰ্ণৰাজ্যত এইবোৰে মুক্ত বিচৰণ কৰি থাকে। বঙ্গা আৰু ডাইনী চাওঁতাল সমাজৰ এটা অবিচ্ছেদ্য অংগ। অসমৰ চাওঁতাল সমাজতো বঙ্গা আৰু ডাইনীৰ প্ৰভাৱ দেখা যায়। চাওঁতাল সমাজৰ বিশ্বাস অনুযায়ী এই বঙ্গাসমূহ সৰ্বত্ৰতে বিৰাজমান আৰু তেওঁলোকে মানুহৰ জীৱনৰ বিভিন্ন বিষয়ত প্ৰত্যক্ষ হস্তক্ষেপ কৰে। বঙ্গাবোৰে প্ৰায়ে পুৰুষ বা মহিলাৰ ৰূপ ধাৰণ কৰিব পাৰে আৰু বিপৰীত লিংগৰ সৈতে সংগমতো লিপ্ত হ'ব পাৰে। এই বঙ্গাবোৰ যে মাথো অমংগলীয়া তেনে নহয়, তেওঁলোকৰ মাজত বহুতো উপকাৰী বঙ্গাও আছে যাৰ আশীৰ্বাদ চাওঁতালসকলে গ্ৰহণ কৰে। আনহাতে চাওঁতাল সমাজত আজিও 'ডাইনী'ৰ প্ৰতি বিশ্বাস বিদ্যমান। চাওঁতাল সমাজত প্ৰায় সকলো অকাল মৃত্যু তথা চিকিৎসাৰ দ্বাৰা সুষ্ঠ কৰিব নোৱাৰা ৰোগ 'ডাইনী'ৰ প্ৰভাৱত হোৱা বুলি বিশ্বাস কৰা হয়। আজিও 'ডাইনী'ৰ সন্দেহত চাওঁতালসমাজত মহিলাৰ ওপৰত আক্ৰমণ সংঘটিত হয়। চাওঁতাল সমাজত প্ৰচলিত এনে ধৰণৰ তিনিটা লোককথা উল্লেখ কৰা হ'ল —

### ক) ৰজা আৰু ভাটৌ চৰাই

এখন দেশত এজন ৰজা আছিল। তেওঁৰ কোনো বস্তুৰে অভাৱ নাছিল। অভাব আছিল মাথো সন্তানৰ। যাৰ বাবে ৰজাৰ মনত কোনো শান্তি নাছিল। সন্তানৰ বাবে ৰজাই সাত জনীকৈ কুঁৱৰীক বিয়া কৰাইছিল। কিন্তু এগৰাকীৰ পৰাও তেওঁ সন্তানৰ মুখ দেখা নাছিল। সেই বাবে ৰজাৰ মন সদায় বিমৰ্ষ হৈ ৰৈছিল। ৰজাৰ দুখত প্ৰজাও সমানে বিমৰ্ষ হৈছিল। ৰজাৰ এযোৰ ভাটৌ চৰাই আছিল। এই চৰাই দুটাক ৰজাই খুব ভাল পাইছিল। এদিন প্ৰজাসকলে আহি ৰজাক ক'লে — 'মহাৰাজ, আপুনী যদি ভাটৌ চৰাই হালক বিয়া দিব

পাৰে তেন্তে আপোনাৰ নিশ্চয় সন্তান জন্ম পাব"। ৰজাই প্ৰজাসকলক খুব ভাল পাইছিল। প্ৰজাসকলে যে তেওঁৰ মংগল বিচাৰে সেই কথা বুজি পাই তেওঁ প্ৰজাৰ কথাত আপত্তি নকৰিলে। তেওঁ মাথো ক'লে — চৰাই দুটাৰ মতামত লৈ চোৱা। সিহঁত যদি ৰাজি হয় তেন্তে বিয়া পাতি দিম; ৰাজি নহ'লে বিয়া নাপাতিম। আৰু বিয়া হ'লে যদি সিহঁতৰ পোৱালী হয় তেন্তে আমাৰো সন্তান নিশ্চয় হ'ব।"

প্ৰজাসকলে ৰাজ আজ্ঞা অনুসৰি চৰাই দুটিৰ মতামত জানিব বিচাৰিলে। কিন্তু দুয়োটিয়ে বিবাহ হ'বলৈ ৰাজি নহ'ল। প্ৰজাসকলে তাৰ কাৰণ জানিব বিচৰাত মাইকী চৰাই জনীয়ে তেওঁলোকক এটা গল্প ক'লে। গল্পটো হ'ল — এখন জংঘলত এটা ৰাক্ষস আছিল। দেশ বিদেশৰ পৰা সি মানুহ ধৰি আনি খাইছিল। এবাৰ সি খোৱাৰ বাবে এজনী ৰাজকন্যা ধৰি আনিলে। কিন্তু ৰাজকন্যাৰ ৰূপ দেখি নিজেই মুগ্ধ হ'ল আৰু তাইক নাখাই ৰাক্ষস পুৰীত আদৰ যত্ন কৰি ৰাখি দিলে।

এবাৰ ৰাক্ষস চিকাৰৰ বাবে বহু দূৰলৈ গ'ল। ছয়মাহ আগত সি ঘূৰি নাহিব। সেই সময়তে এজন ৰাজকুমাৰ জংঘলত চিকাৰ কৰিব আহি পথ ভূল কৰি ৰাক্ষসপুৰীত প্ৰৱেশ কৰিলে। ৰাক্ষসপুৰীত বিশাল বিশাল অসংখ্য ঘৰ কিন্তু কাৰো ক'তো সাৰসূৰ নাই। তেওঁ সকলো ঘৰ চলাথ কৰি শেষত ৰাজ কুমাৰী থকা ঘৰত উপস্থিত হ'ল। ৰাজকুমাৰী তেতিয়া অকলে বিচনাত শুই কান্দি আছিল। ৰাজকুমাৰক দেখি ৰাজকন্যাই অবাক হৈ সুধিলে—" কি নাম তোমাৰ? ক'ত ঘৰ? কেনেকৈ ইয়াত আহিলা?" ৰাজকুমাৰে সকলো কথা খুলি ক'লে।

ৰাজকুমাৰীয়ে তেতিয়া ৰাজকুমাৰক ক'লে — " এইটো ৰাক্ষসৰ ঘৰ। ইয়াত কোনো মানুহ থাকিব নোৱাৰে। মই এগৰাকী ৰাজকুমাৰী। মোক ৰাক্ষসে খোৱাৰ বাবে ধৰি লৈ আহিছিল। কিন্তু নাজানো কিহৰ বাবে নাখালে। তাৰ সেৱা যত্নৰ বাবে সি মোক বচাই ৰাখিছে। তুমি যদি বাচি থাকিব বিচৰা তেন্তে এতিয়াই পলাই যোৱা।

ৰাজকুমাৰে ক'লে —"তুমি ভয় নকৰিবা। মই অকলে ঘূৰি নাযাও। তোমাকো ইয়াৰ পৰা মুক্ত কৰি মোৰ দেশত লৈ যাম আৰু তোমাক বিয়া কৰাম।"

ৰাজকুমাৰৰ কথা শুনি ৰাজকুমাৰী মনে মনে আনন্দিত হ'ল যদিও প্ৰকাশ্যে মনৰ কথা

প্ৰকাশ নকৰিলে আৰু ৰাজকুমাৰৰ আদৰ যত্ন কৰিব ধৰিলে। যেতিয়া ৰাক্ষস অহাৰ সময় হ'ল তেও ৰাজকুমাৰক এক গোপন স্থানত লুকাই ৰাখিলে।

ৰাক্ষস তাৰ ঘৰত ঘূৰি আহিয়েই ৰাজকুমাৰীক সুধিলে —" হাও মাও চাও। মানুহৰ গোন্ধ পাও। তোমাৰ ঘৰত কোনোবা মানুহ আহিছে নেকি?"

ৰাজকুমাৰীয়ে ক'লে —"এই স্থানত মানুহ কেনেকৈ আহিব। মোৰ শৰীৰৰ পৰাও মাজে মাজে মানুহৰ গোন্ধ বাহিৰ হয়। সেই গোন্ধই পাইছা হয়তো।" ৰাক্ষসে তাইৰ কথা বিশ্বাস কৰি পুনৰ মানুহ চিকাৰৰ বাবে বাহিৰলৈ ওলাই গ'ল। সেইচেগতে ৰাজকুমাৰে ৰাজকুমাৰীক লৈ জিনৰ দেশৰ ফালে পলাবলৈ ধৰিলে।

সন্ধিয়া ৰাক্ষস ঘূৰি আহি দেখিলে যে ৰাক্ষস পুৰী শূণ্য। ৰাজকুমাৰী পলাল বুলি সি বুজি পালে আৰু ৰাজকুমাৰীক ধৰাৰ বাবে খেদি গ'ল। ৰাজকুমাৰ আৰু ৰাজকুমাৰী তেতিয়ালৈকে ছয় সমুদ্ৰ পাৰ হৈ সপ্তম সমুদ্ৰ পাইছিল। ৰাজকুমাৰে যেতিয়া দেখিলে ৰাক্ষস প্ৰায় তেওঁৰ ওচৰ পাইছে তেওঁ ৰাজকুমাৰীক গতা মাৰি সাগৰত পেলাই দিলে।

এই কাহিনী শেষ কৰি মাইকী ভাটৌ জনীয়ে ক'লে —" দেখিলা ৰাজকুমাৰী ৰাজকুমাৰৰ উপকাৰ কৰিলে অথচ নিজৰ বিপদ দেখি ৰাজকুমাৰে ৰাজকুমাৰীক সাগৰত পেলাই দিলে। পুৰুষ জাতি বিশ্বাসঘাতক। সেইবাবে পুৰুষক বিয়া কৰা সম্ভৱ নহয়।

তাৰ পাছত মতা ভাটৌটোৱে এটা কাহিনী ক'লে — এখন দেশত এজন ৰজা আছিল। ৰজাৰ এগৰাকীয়ে ৰাণী আছিল। দুয়োজনৰ মাজত খুব মিল। এদিন দুয়ো প্ৰতিজ্ঞা কৰিলে যে দুয়োজনৰ মাজত এজন যদি আগত মৃত্যু হয় তেন্তে আনজনে জীৱনত আৰু বিয়া নকৰিব।

কিছুদিন পাছত ৰাণী পিতৃ গৃহলৈ গ'ল আৰু অসুস্থ হৈ তাতেই মৃত্যু মুখত পৰিল। ৰজাই খবৰ পাই কান্দি কান্দি লগে লগেই শহুৰৰ ঘৰত উপস্থিত হ'ল। ৰজাই ৰাণীৰ মৃতদেহ নিজ দেশলৈ অনাৰ বাবে এটা কাঠৰ বাকচ তৈয়াৰ কৰি ৰাণীৰ মৃতদেহ তাত ভৰাই নিজৰ দেশলৈ ৰাওনা হ'ল। ৰাস্তাত তেওঁ ক্লান্ত হৈ পৰাত ক্ষন্তেক সময় বিশ্ৰাম কৰাৰ বাবে এডাল গছৰ তলত বহিল। ৰাণীৰ বিয়োগত তেওঁ একেবাৰে ভাগি পৰিছিল। সেইসময়ত সেই পথ দি এগৰাকী বঙ্গা গৈ আছিল। ৰজাক দেখি তেওঁৰ দয়া উপজিল। তেওঁ ৰজাক

ক'লে — "তোমাৰ আয়ুস এতিয়াও চল্লিশ বছৰ বাকী আছে। তুমি যদি তাৰ পৰা ২০ বছৰ দিবলৈ ৰাজী হোৱা তেন্তে মই তোমাৰ ৰাণীক পুনৰ জীৱিত কৰি দিব পাৰো। ৰজা ৰাজি হ'ল। তেতিয়া বঙ্গাজনে ক'লে — "তোমাৰ কান্ধৰ গামোছাখনেৰে ৰাণীৰ মুখ ঢাকি দিয়া আৰু নিজে ভাত বনাই ৰাণীক খাবলৈ মাতা।" এইখিনি কৈ বঙ্গাজন গুছি গ'ল। আজ্ঞা মতে ৰজাই ভাত বনাই ৰাণীক খাবলৈ মতাত ৰাণীয়ে নতুন জীৱন ঘূৰাই পালে। ৰজা ৰাণীৰ খুব আনন্দ লাগিল আৰু আনন্দমনে দুয়ো ৰাজপ্ৰসাদলৈ ৰাওনা হ'ল। বহুদূৰ যোৱাৰ পাছত দুয়োজন ক্লান্ত হৈ পৰিল। এখন নদীৰ পাৰত এডাল গছৰ তলত জিৰণি লৈ ৰজাই ৰাণীক ক'লে —"মই অলপ শুই লওঁ।" এই বুলি কৈ ৰজা শুই পৰিল।

সেইসময়ত সেই নদীৰ ঘাতত এজন সদাগৰে নাও বান্ধিলে। ৰাণীৰ ৰূপ দেখি সদাগৰ পাগল হৈ পৰিল। সদাগৰৰ মিঠা মিঠা কথা আৰু দামী দামী সামগ্ৰীত কম সময়তে ৰাণীও মোহিত হৈ পৰিল। তাৰ পাছত ৰজাক তেনেকৈ শুই থকা অৱস্থাতে এৰি থৈ ৰাণী সদাগৰৰ সৈতে পলাই গ'ল।

ৰজাই টোপনীৰ পৰা উঠি ৰাণীক বিচাৰিব ধৰিলে। নদীৰ পাৰে পাৰে বহুদূৰ বিচাৰি যোৱাৰ পিচত নদীৰ মাজত সদাগৰৰ নাওত ৰাণীক দেখা পালে। লগে লগে ৰজাইও নাওলৈ পিচে পিচে খেদি গ'ল। সাত দিন সাত ৰাতি যোৱাৰ পাছত সদাগৰৰ ঘাতত নাও লাগিল আৰু ৰাণীয়ে সদাগৰৰ হাতত ধৰি কোনোফালে ভ্ৰুক্ষেপ নকৰি সদাগৰৰ ঘৰত প্ৰৱেশ কৰিলে।

এদিন ৰজাই ৰাণীক দেখা কৰিবলৈ ভিখাৰীৰ বেশ ধাৰণ কৰিলে। তেওঁ আহি ৰাণীৰ ওচৰত ভিক্ষা বিচাৰিলে। ৰাণী যেতিয়া ভিক্ষা দিবলৈ ওলাই আহিল ৰজাই ৰাণীৰ হাতত থাপ মাৰি ধৰি ক'লে — "মই তোমাক নিজৰ আয়ুদান কৰি বচালো। তুমি কি ভাবি মোক পৰিত্যাগ কৰিলা? বহুত হ'ল। ব'লা এতিয়াই আমাৰ ৰাজ্যলৈ ঘূৰি যাও"। ৰাণীয়ে তেওঁৰ কথাত কোনো গুৰুত্ব নিদিলে। আৰু তেওঁ যে এতিয়া সদাগৰৰ হে ঘৈণীয়েক সেয়া বুজাই দি ৰজাৰ হাতৰ পৰা নিজকে মুক্ত কৰাৰ চেষ্টা কৰিলে। সেই সময়তে সদাগৰে আহি যেতিয়া ৰজাই ৰাণীৰ হাত ধৰি টনাটনি কৰি থকা দেখিলে তেওঁ এডাল লাঠিৰে ৰজাৰ মূৰত প্ৰচণ্ড শক্তিৰে আঘাত কৰিলে আৰু সেই আঘাততে ৰজাৰ মৃত্যু হ'ল। গল্প শেষ কৰি মতা ভাটৌ চৰাইটোৰে ক'লে — "নাৰী জাতিক কেতিয়াও বিশ্বাস নকৰিবা। তেওঁলোক কেতিয়াও

কাৰো আপোন হ'ব নোৱাৰে।

দুয়োজনৰে কাহিনী শুনাৰ পাছত প্ৰজাসকলে ৰজাৰ স্বাৰ্থত দুয়োকে বিয়া হ'বলৈ অনুৰোধ কৰিলে। চৰাই দুটাইও ৰজাক খুব ভাল পাইছিল আৰু সেইবাবে দুয়ো বিয়া হ'বলৈ ৰাজি হ'ল। ৰজাই মহা আড়ম্বৰেৰে চৰাই দুটিৰ বিয়া পাতি দিলে।[৭০]

## খ) ডাইনী আৰু ওঝা

এসময়ত মাৰাং বুডুৱে সিদ্ধান্ত ল'লে যে তেওঁ পুৰুষবোৰক ডাইনী বিদ্যা শিকাব। সেইসময়ত এখন পবিত্ৰ স্থান আছিল য'ত পুৰুষবোৰ সমবেত হৈ মাৰাংবুডুৰ সৈতে সভা পাতিব পাৰিছিল কিন্তু তেওঁলোকে মাথো তেওঁৰ কথাহে শুনিবলৈ পাইছিল দেখা কিন্তু পোৱা নগৈছিল। এদিন সভাৰ সময়ত যেতিয়া তেওঁলোকে মাৰাংবুডুক তেওঁলোকৰ সমস্যাসমূহৰ বিষয়ে কোৱা আৰম্ভ কৰিছিল তেতিয়া তেওঁলোকক নিৰ্দিষ্ট এটা দিনত তেওঁলোকৰ পৰিস্কাৰ কাপোৰবোৰ পিন্ধি আহিব ক'লে আৰু ক'লে যে সেইদিনা তেওঁ তেওঁলোকক ডাইনী বিদ্যা শিকাব।

পুৰুষবোৰ ঘৰলৈ গৈ তেওঁলোকৰ ঘৈণিয়েকবোৰক তেওঁলোকৰ কাপোৰবোৰ পৰিস্কাৰ কৈ ধুবলৈ ক'লে যাতে নিৰ্দিষ্ট দিনত তেওঁলোকে ডাইনী বিদ্যা শিকিবলৈ যাব পাৰে। এই কথা জানিব পাৰি মহিলাসকলে আলোচনা কৰিলে যে যদি পুৰুষসকলে এনেকুৱা এটা আচহুৱা বিদ্যা আহৰণ কৰিব পাৰে তেন্তে তেওঁলোকে মহিলাসকলৰ ওপৰত বেচিকৈ অত্যাচাৰ কৰিব। সেইবাবে তেওঁলোকে পুৰুষসকলতকৈ বেচি শক্তিশালী হোৱাৰ বাবে এটা পৰিকল্পনা কৰিলে। তেওঁলোকে সিদ্ধান্ত ল'লে যে প্ৰতিগৰাকীয়ে হাঁড়ি প্ৰস্তুত কৰিব আৰু মাৰাংবুডুক দেখা কৰিবলৈ যোৱাৰ আগমুহুৰ্তত তেওঁলোকৰ গিৰীয়েকবোৰক তেওঁলোকে বনোৱা হাঁড়ি অলপ পান কৰি যাবলৈ অনুৰোধ জনাব যিহেতু তেওঁলোকে উভতি আহোতে দেৰি হ'ব। কাৰণ তেওঁলোকে ভালদৰেই জানে যে পুৰুষসকলে যদি এবাৰ হাঁড়ি পান কৰিবলৈ আৰম্ভ কৰে তেন্তে শেষনোহোৱালৈকে তেওঁলোকে পান কৰিয়ে থাকিব আৰু যেতিয়াই তেওঁলোক এনেদৰে নিচাসক্ত হৈ পৰি থাকিব তেতিয়া তেওঁলোকে পুৰুষৰ কাপোৰ পিন্ধি মাৰাংবুডুক ওচৰলৈ গৈ ডাইনী বিদ্যা শিকি আহিব। কথা মতেই কাম। নিৰ্দিষ্ট

দিনত গিৰীয়েকবোৰক টেটুলৈকে হাঁড়ি পান কৰাই ধূতি পাগুৰি পিন্ধি মুখত ছাগলীৰ দাড়ি লগাই পুৰুষ সাজি মাৰাংবুডুৰ ওচৰ পালে। মাৰাংবুডুই তেওঁলোকক পুৰুষ বুলি ভাবি প্ৰতিশ্ৰুতি হিচাপে ডাইনী বিদ্যা শিকালে।

ঘৈণীয়েকবোৰ ঘৰলৈ উভতি অহাৰ পাছত লাহে লাহে গিৰীয়েকবোৰৰ জ্ঞান উভতি আহিবলৈ আৰম্ভ কৰিলে আৰু নতুন পোচাক পৰিধান কৰি মৰাংবুডুৰ ওচৰ পালে আৰু তেওঁলোকক ডাইনী বিদ্যা শিকাবলৈ অনুৰোধ জনালে। মাৰাংবুডুই ক'লে "মইতো ৰাতিপুৱা তোমালোকক শিকাই দিলো। এতিয়া আকৌ কিয় আহিছা? পুৰুষবোৰে তেওঁৰ কথা বিশ্বাস নকৰি প্ৰতিবাদ কৰি ক'লে "আমি ৰাতিপুৱা অহাই নাছিলো, আপুনী মিছা কৈছে"। মাৰাংবুডুই উত্তৰ দিলে — "তেন্তে মই আজি ডাইনী বিদ্যা শিকাম বুলি তোমালোকে তোমালোকৰ ধৰ্ম পত্নী সকলক কৈছিলা নিশ্চয়?" সেই কথা তেওঁলোকে মাৰাংবুডুৰ ওচৰত স্বীকাৰ কৰিলে। মাৰাংবুডুই ক'লে "সেইবাবে তেওঁলোকে বুদ্ধি কৰি তোমালোকক নিচাসক্ত কৰি তোমালোকৰ ঠাইত তেওঁলোক আহি সকলো মন্ত্ৰ শিকি গ'ল।" এই কথা শুনি তেওঁলোকে দুখ কৰিব ধৰিলে আৰু মাৰাংবুডুক তেওঁলোককো শিকাবলৈ অনুৰোধ জনালে। মাৰাংবুডুই ক'লে যে এইয়া সম্ভৱ নহয় কিন্তু তেওঁলোকক তেওঁ আন এটি বিদ্যা শিকাই দিব সেয়া হ'ল ওঝা বিদ্যা যাতে তেওঁলোকে পুনৰ ঘৈণীয়েকসকলৰ পৰা আগৰ দৰেই সুবিধা আদায় কৰিব পাৰে আৰু 'জান' নামৰ আন এটি বিদ্যা শিকাব যাতে ঘৈণীয়েবোৰে ডাইনী হ'লে তেওঁলোকে বিচাৰি উলিয়াব পাৰে। আৰু সেইদিনৰ পৰাই চাওঁতালসমাজত মহিলাসকলেই মাথো ডাইনী হোৱাৰ প্ৰথা প্ৰচলিত হ'ল।[৭১]

**গ) বাহৰে বঙ্গা**

এসময়ত এজন মানুহৰ এখন বহুত ডাঙৰ খেতিপথাৰ আছিল। প্ৰতিবছৰে তেওঁ খেতি চপোৱাৰ আগতে বাহৰে বঙ্গাৰ নামত এটি গাহৰি উছৰ্গা কৰিছিল। কিন্তু তৎস্বত্বেও বাহৰে বঙ্গাই তেওঁৰ খেতিপথাৰৰ এটি অংশ কাটি লৈ গৈছিল। সেইবাবে এবাৰ শষ্য চপোৱাৰ সময় হওঁতে বাহৰে বঙ্গাই, কেনেকৈ তেওঁৰ শষ্য কাটি লৈ যায় সেয়া চাবৰ বাবে প্ৰতিদিনে

মানুহজনে পথাৰলৈ যোৱা আৰম্ভ কৰিলে। এদিন সূৰ্যাস্তৰ সময়ত যেতিয়া তেওঁ পথাৰৰ একোণত বহি আছিল তেতিয়া তেওঁ হঠাৎ বাহৰে বঙ্গা আৰু তেওঁৰ ঘৈণীয়েকৰ মাজত হোৱা কথোপকথন শুনিবলৈ পাইছিল। বঙ্গাজনে কৈছিল যে তেওঁ তেওঁৰ বন্ধুকেইজনমানৰ ঘৰলৈ আলহি খাবলৈ যাব বিচাৰিছে আৰু ঘৈণীয়েকে তেওঁক কৈছিল যে এতিয়া খেতি চপোৱাৰ সময় আৰু তেওঁ নাথাকিলে খেতিয়কজনে সকলোবোৰ শষ্য চপাই লৈ যাব। কিন্তু বঙ্গা জনে ঘৈণীয়েকৰ কোনো পৰামৰ্শ নুশুনি বন্ধুৰ ঘৰলৈ আলহি খাবলৈ গুছি গ'ল। খেতিয়ক জনে এইয়াই সুৱৰ্ণ সুযোগ বুলি লৈ সচৰাচৰ কৰাৰ দৰে গাহৰি এটি উছৰ্গা কৰি আটাইখিনি শষ্য চপাই ল'লে। পিচদিনা যেতিয়া শষ্য চপোৱা শেষ হ'ল তেওঁ পথাৰৰ এচুকৰ পৰা বঙ্গাজন ঘূৰি আহিছে নে নাই জনাৰ চেষ্টা কৰিলে কিন্তু সেইদিনা তেওঁ কোনো কথোপ কথন শুনিবলৈ নাপালে। পিচদিনা তেওঁ যেতিয়া মৰনা মাৰিলে তেওঁ দেখিবলৈ পালে যে তেওঁ সচৰাচৰ পোৱা বিশ মোনৰ পৰিৱৰ্তে ষাঠি মোন ধান এইবেলি তেওঁ খেতিৰ পৰা পাইছে। পিছদিনা সন্ধিয়া তেওঁ পুনৰ খেতিপথাৰলৈ গ'ল। তেওঁ দেখিলে যে বঙ্গাজন ঘূৰি আহিছে আৰু বঙ্গাৰ ঘৈণীয়েকে বঙ্গাজনক গালি পাৰি আছে কাৰণ তেওঁ খেতিয়কজনক সকলো শষ্য চপোৱাবলৈ সুবিধা কৰি দিলে। বঙ্গাৰ ঘৈণীয়েকে চিঞৰি চিঞৰি ক'লে — " তোৰ নামত উছৰ্গা কৰা এই চাউলৰ গুড়ি আৰু গাহৰিটোকে খা। মই তোক বাৰে বাৰে যাবলৈ মানা কৰিছিলো তথাপিও তই গলি। তই নাথাকিলে এই ল'ৰা-ছোৱালী কেইতাক এৰি কেনেকৈ মই ধান কাটিব যাম। তই যদি থাকিলিহেতেন আজি আমি পাঁচ 'বাণ্ডি' ধান পালোহেতেন।[৭২]

## সৃষ্টি সম্পৰ্কীয় জৌড় ঃ

এনেধৰণৰ জৌড় সমূহত সাধাৰণতে সৃষ্টিতত্ত্বৰ পৰা আৰম্ভ কৰি বিভিন্ন বস্তুৰ সৃষ্টিৰ আখ্যান পোৱা যায়। গ্ৰাম্য সমাজে বিভিন্ন সময়ত বিভিন্ন আখ্যান ৰচনা কৰি আহিছে। অসমৰ চাওঁতাল সমাজখনতো এনেধৰণৰ বিভিন্ন লোককথা বিচাৰি পোৱা যায়। তলত সেই বিষয়ক এটা লোককথা উদাহৰণ স্বৰূপে দাঙি ধৰা হ'ল।

**ধপাঁতৰ জন্ম কথা**

এসময়ত এগৰাকী ব্ৰাহ্মনৰ জীয়েক আছিল। ঘৰৰ অভিভাৱকসকলে তেওঁৰ বিয়া নিদিয়াৰ ফলত কুমাৰী হৈয়ে তেওঁ মৃত্যু মুখত পৰিল। তেওঁৰ সৎকাৰ শেষ হোৱাৰ পাছত চাংগো বঙ্গাই ভাবিলে "মই তাইক পৃথিৱীলৈ পঠালো অথচ তাইৰ যত্ন ল'বলৈ কোনো পুৰুষ আগবাঢ়ি নাহিল। গতিকে মই তাইক এটা উপহাৰ দিম যাতে পুৰুষসকলে প্ৰতিদিনে তাইক পাব বিচাৰে।" ভবা মতে তাইৰ সৎকাৰ কৰা স্থানত তেওঁ এটি গছপুলি ৰোপণ কৰিলে। কিছুদিন পাছত এই গছপুলিটো ডাঙৰ হৈ বহু ঠাই জুৰি পেলালে। এটি গৰখীয়া ল'ৰাই তাৰ ছাগলী জাক প্ৰায়ে সেই স্থানত চৰাব আনিছিল। সি লক্ষ্য কৰিব ধৰিলে যে ছাগলীবোৰে সেই নতুন গছৰ পাত খুব আগ্ৰহেৰে খায়। তাৰ মনত কৌতুহল সৃষ্টি হ'ল গতিকে সি নিজেই এদিন সেই পাত চোবাই চালে কিন্তু তিতা লগাত থুৱাই দিলে। কিছুদিন পাছত এদিন তাৰ দাঁতৰ বিষ হোৱাত আন বহুতো প্ৰতিকাৰ ব্যৱহাৰ কৰি সুফল নোপোৱাত সেই গছডালৰ কথা তাৰ মনত পৰিল। সি গছডালৰ পৰা কেইটামান পাত চিঙি চোবাই চোবাই কিছু সময় মুখৰ ভিতৰত ৰাখি দিলে। এনেদৰে কৰাত তাৰ দাঁতৰ বিষ ভাল হ'ল। তাৰ পাছৰ পৰা সি প্ৰায়েই এই পাত চোবোৱা আৰম্ভ কৰিলে। এদিন সি ছাগলী চৰাই থাকোতে পথাৰত বগা বগা গুড়ি পৰি থকা দেখি দুই আঙুলীৰে উঠাই ঘহি চালে আৰু তাৰ সতে চোবাই থকা ধপাত সৈতে মিহলাই খাই চালে। এইবাৰ ধপাতৰ পাতৰ সোৱাদ বহু পৰিমানে বৃদ্ধি পালে। সেই বগা বগা গুৰিবোৰ চূণৰ গুড়ি আছিল। সেইদিনৰ পৰা সি সদায় ধপাত চূণৰ সৈতে খোৱা আৰম্ভ কৰিলে। পাছত সি দাঁতৰ বিষ থকা আন মানুহকো এই ধপাত খোৱাৰ পৰামৰ্শ দিলে আৰু তেওঁলোক এনেদৰে ধপাত খোৱা অভ্যাস আৰম্ভ হ'ল। পৰবৰ্তী সময়ত দাঁতৰ বিষ নথকা মানুহেও ধপাত খোৱা আৰম্ভ কৰিলে আৰু তেনেকৈয়ে সকলো শ্ৰেণীৰ মানুহৰ মনত ধপাতৰ প্ৰৱণতা গঢ় লৈ উঠিল।[৭৩]

## লোক-ইতিহাস সম্পৰ্কীয় লোককথা ঃ

কোনো জনগোষ্ঠীৰ লোক-ইতিহাস সম্পৰ্কীয় লোককথাত সেই জনগোষ্ঠীৰ পৰম্পৰা তথা বিভিন্ন ৰীতি-নীতি সম্পৰ্কে থকা লোক-বিশ্বাসৰ চিত্ৰণ পোৱা যায়। এই লোককথা

সমূহ হ'ল জনগোষ্ঠীটোৰ সৃষ্টি আৰু প্ৰব্ৰজন, ধৰ্মীয় আৰু সাংস্কৃতিক অতীত সম্পৰ্কে থকা বিশ্বাসৰ প্ৰতিফলন। এনেধৰণ লোককথা সমূহৰ এক ধৰণৰ সৰ্বজন গ্ৰহণযোগ্যতা থাকে। চাওঁতাল মৌখিক সাহিত্যৰ অন্যতম মূল্যবান সম্পদ হ'ল বিন্‌তি। এই বিন্‌তি সমূহক এই শ্ৰেণীৰ লোককথাৰ শ্ৰেণীভূক্ত কৰিব পাৰি। মৌখিক সাহিত্যৰ আন ধাৰা সমূহৰ দৰে বিন্‌তি সমূহো যুগ যুগ ধৰি প্ৰচলিত হৈ আহিছে। সাম্প্ৰতিক সময়ত বিন্‌তি সমূহ অবিকৃত ৰূপত প্ৰচলিত হৈ আছে বুলি একে মুখে স্বীকাৰ কৰিব পৰা নাযায়। যুগ ধৰ্ম অনুযায়ী সময়ৰ প্ৰভাব, স্থানৰ প্ৰভাব আদি বিন্‌তিৰ ওপৰত পৰিছে। যাৰ ফলত বহুতো সংযোজন বিন্‌তি সমূহৰ ক্ষেত্ৰত সংঘটিত হৈছে। তথাপি কব পৰা যায় যে বিন্‌তিৰ মূল বিষয়বস্তু এটিয়াও অবিকৃত অৱস্থাতেই আছে। আনহাতে স্থান বিশেষে আৰু গুৰুভেদে বিন্‌তিৰ ধাৰাবাহিকতাত হয়তো কিছু বিতৰ্কৰ সৃষ্টি হৈছে। এক গুৰুৰ বৰ্ণণাৰ সৈতে কোনো কোনো ক্ষেত্ৰত আন এক গুৰুৰ বৰ্ণণা অমিল দেখা পোৱা যায়। উদাহৰণ স্বৰূপে হাঁস-হাঁসিল চৰাই দুটিৰ উৎপত্তি সম্বন্ধে। কিছুমান গুৰুৰ মতে লিতা গোঁসাই গা ধুই থকা সময়ত বুকুৰ মলি ঘহি ঘহি সেই মলিৰ পৰা তেওঁ দুটি চৰাইৰ সৃষ্টি কৰি তাত প্ৰাণ প্ৰতিস্থা কৰিছিল। সেই চৰাই দুটিয়েই হ'ল — "হাঁস আৰু হাঁসিল" আন কোনো গুৰুৰ বৰ্ণণা অনুসৰি 'সিৰম' ঘাঁহৰ পৰা লিতা গোঁসাই দুটি হাঁস-হাঁসিলৰ সৃষ্টি কৰি তাত প্ৰাণ প্ৰতিস্থা কৰিছিল।

বিন্‌তি হ'ল মূলত সৃষ্টিতত্ত্বৰ কাহিনী। এই কাহিনী বিন্‌তি গুৰুৱে বিভিন্ন সামাজিক অনুষ্ঠানত স্তৱ-স্তুটি সহকাৰে পৰিৱেশন কৰে। এই বিন্‌তি মূলত গদ্য প্ৰধান। বিন্‌তি পৰিৱেশনৰ সময়ত বিন্‌তি কাৰৰ সৈতে কেইজনমান বাদ্য যন্ত্ৰ সংগতকাৰীও থাকে। কাহিনী বৰ্ণণা কৰাৰ সময়ত মাজে মাজে কাহিনীৰ কিছু অংশ গীতৰ দৰে পৰিৱেশন কৰে। বিন্‌তি পৰিৱেশন কৰিবলৈ দহৰ পৰা বাৰ ঘন্টা সময়ৰ প্ৰয়োজন হয়। এই বিন্‌তিৰ মাজতে অন্তৰ্নিহিত হৈ থাকে চাওঁতালসমাজৰ ধৰ্মীয় অনুশাষণ, লোকাচাৰ আৰু সাংস্কৃতিক পৰিকাঠামো।

চাওঁতাল সমাজত প্ৰচলিত আচাৰ অনুস্থান ভেদে পাঁচ প্ৰকাৰৰ বিন্‌তিৰ প্ৰচলন দেখা যায়। তলত সেই সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল। যথা —

**জম্‌সিম্ বিন্‌তি ঃ**

জম্‌সিম্ বিন্‌তি সকলো সময়তে শুনিবলৈ পোৱা নাযায়। চাওঁতাল সমাজত 'জম্‌সিম্' বঙ্গাৰ পূজাৰ সময়তহে মাথো এই বিন্‌তি পৰিৱেশন কৰা হয়। এই বিন্‌তি চাওঁতাল সমাজত সবাতোকৈ জনপ্ৰিয়।

**চৌতিয়ৌৰ বিন্‌তি ঃ**

চাওঁতাল সমাজত 'চাচো চৌতিয়ৌৰ' এটি সামাজিক অনুষ্ঠান। হিন্দু সমাজত ব্ৰাহ্মণ সকলৰ মাজত থকা উপনয়নৰ ব্যৱস্থাৰ দৰে অথবা খ্ৰীষ্টান ধৰ্মালম্বী লোকসকল মাজত থকা 'ব্যাপ্তিজিম' ব্যৱস্থাৰ দৰে পৰম্পৰাগত চাওঁতাল সমাজতো চাচো চৌতিয়ৌৰ অনুষ্ঠানৰ জৰিয়তে সন্তানক জাতিভূক্ত অথবা সমাজ ভূক্ত কৰা হয়। এই অনুষ্ঠানৰ সময়ত পৰিৱেশন কৰা বিন্‌তিকে চৌতিয়ৌৰ বিন্‌তি কোৱা হয়।

**ভাঁণ্ডান বিন্‌তি ঃ**

ভাঁণ্ডান শব্দৰ অসমীয়া সমাৰ্থ হ'ল শ্ৰাদ্ধ অনুষ্ঠান। এই অনুষ্ঠানত পৰিবেশিত বিন্‌তিক ভাঁণ্ডান বিন্‌তি কোৱা হয়।

**কাৰাম বিন্‌তি ঃ**

চাওঁতাল সমাজত দেৱ-দেৱীৰ মাজত অন্যতম দেৱতা হ'ল 'কাৰাম'। এই অনুষ্ঠানক কেন্দ্ৰ কৰি 'কাৰাম পূজা' তথা কাৰাম উৎসৱ পালন কৰা হয়। শস্যৰ উৎপাদন বৃদ্ধি আৰু অপদেৱতাৰ কোপৰ পৰা ৰক্ষা পোৱাৰ বাবে চাওঁতাল সমাজত কাৰাম পূজা কৰা হয়। এই কাৰাম পূজা উপলক্ষে যি বিন্‌তি পৰিৱেশন কৰা হয় তাকেই কাৰাম বিন্‌তি কোৱা হয়।

**বাপ্‌লা বিন্‌তি ঃ**

বিবাহ অনুষ্ঠানত পৰিবেশিত বিন্‌তিক বাপ্‌লা বিন্‌তি কোৱা হয়। এসময়ত বিবাহ অনুষ্ঠানৰ আচাৰ ৰীতি সম্পৰ্কীয় বিন্‌তি সমাজত বহুল ভাৱে প্ৰচাৰিত আছিল যদিও কৰ্মৰ

তাগিদাত তথা সময়ৰ অভাবত লাহে লাহে এই বিন্‌তি সমাজত এতিয়া প্ৰায় লুপ্ত প্ৰায়।

বিন্‌তিৰ সৈতে চাওঁতাল সমাজৰ ঐতিহ্য জড়িত হৈ আছে। প্ৰতিটো প্ৰকাৰৰ বিন্‌তিৰ শুভাৰম্ভ হয় সৃষ্টিতত্ত্বৰ কাহিনীৰ জৰিয়তে। পৃথিৱী সৃষ্টি, জীৱৰ সৃষ্টি, আদি পিতৃ-মাতৃ পিলচু হাড়াম-পিলচু বুঢ়ীৰ সৃষ্টি, তেওঁলোকৰ সতি সন্ততিসকলৰ মাজত বিবাহৰ নিয়ম সৃষ্টি আদি আটাইকেইবিধ বিন্‌তিতে পৰিৱেশন কৰা হয়। তাৰ পাছতে প্ৰকাৰ ভেদে বিন্‌তিৰ বিষয় ভিন্ন ভিন্ন হৈ পৰে।

এই বিন্‌তিসমূহত উল্লেখিত সৃষ্টিতত্ত্বৰ কাহিনী অনুসৰি সৃষ্টিৰ পূৰ্বে পৃথিৱী পানীৰে পূৰ্ণ আছিল। এই পানীৰ তলত আছিল মাটি। স্বৰ্গপূৰীৰ পৰা 'ঠাকুৰ জিউ' নামি আহি সদায় এই জলৰাশিত গা ধুইছিল। প্ৰতিবাৰেই নামি অহাৰ সময়ত তেওঁ এটি নতুন জলচৰ প্ৰজাতিৰ সৃষ্টি কৰিছিল। এনেদৰেই সেই জলৰাশি কেঁকোৰা, ঘৰিয়াল, মিছা মাছ, ৰাঘব মাছ, কেঁচু, কাছ আদি বিভিন্ন প্ৰকাৰৰ জলচৰ প্ৰাণীৰে পূৰ্ণ হৈ পৰিল। জলচৰ প্ৰাণীৰ সৃষ্টিৰ পাছত 'ঠাকুৰ জিউ' মানুহৰ সৃষ্টি কৰিবলৈ মনস্থ কৰিলে। ভবা মতেই কাম। সাগৰৰ তলৰ মাটি উঠাই তেওঁ দুটি মানৱ মূৰ্তি তৈয়াৰ কৰি তাত প্ৰাণ প্ৰতিষ্ঠা কৰাৰ আগমুহুৰ্ত্তত আকাশৰ পৰা 'সিঞ সাদম' অৰ্থাৎ সূৰ্য্যঘোড়া নামি আহি মূৰ্তি দুটা ভৰিৰে গুড়িয়াই ভাঙি পেলায়। নিজৰ পৰিশ্ৰম আৰু মনোকামনা পূৰ্ণ নোহোৱাৰ দুখত সিদ্ধান্ত গ্ৰহণ কৰিলে যে তেওঁ পুনৰ মানুহৰ সৃষ্টি নকৰে।

এদিন ঠাকুৰ জিউ গা ধোৱাৰ সময়ত বুকুৰ মলি একত্ৰিত কৰি সেই মলি দি এটি মতা চৰাই আৰু এটি মাইকী চৰাইৰ সৃষ্টি কৰিলে। মতা চৰাই নাম 'হাঁস' আৰু মাইকী চৰাইটোৰ নাম 'হাঁসিল' ৰখা হ'ল। চৰাই দুটি দেখাত খুব সুন্দৰ হোৱাত ঠাকুৰ জিউৰ মনত খুব আনন্দ লাগিল সেইবাবে ফু মাৰি তেওঁ চৰাই দুটাৰ শৰীৰত প্ৰানৰ সঞ্চাৰ কৰিলে। প্ৰান পাই চৰাই দুটি আকাশলৈ উৰি গ'ল আৰু চাৰিওফালে উৰি ফুৰিব ধৰিলে। চাৰিওফালে মাথো পানী। জিৰণি ল'বলৈ ক'তো কোনো ঠাই নথকাত উৰি উৰি চৰাই দুটি ঠাকুৰৰ হাতত আহি পৰিল। সেই সময়তে স্বৰ্গপুৰীৰ পৰা চিং বঙ্গা ঘোঁড়াৰ ৰূপত পানী খাবলৈ তললৈ নামি আহিল। পানী খোৱা সময়ত তেওঁৰ মুখৰ পৰা ফেন বাহিৰ হৈ সেই ফেন পানীত ভাহিবলৈ আৰম্ভ কৰিলে। ঠাকুৰৰ কথা অনুসৰি চৰাই দুটিয়ে সেই ফেনৰ ওপৰত আশ্ৰয় গ্ৰহণ কৰিলে। ভাসমান

সেই ফেনৰ সৈতে চৰাইদুটিয়েও স্থান পৰিবৰ্তন কৰি ঘূৰি ফুৰিব ধৰিলে। এনেদৰে ঘূৰি ঘূৰি সিহতে মনত আনন্দ পালেও খাদ্যৰ অভাৱত সিহত পুনৰ ঠাকুৰৰ শৰণাপন্ন হ'ল। তেতিয়া ঠাকুৰে স্থলভূমিৰ প্ৰয়োজন অনুভৱ কৰিলে। তেওঁ সেয়েহে তেওঁৰ দ্বাৰা সৃষ্ট জলচৰ প্ৰাণী সমূহক এটি এটিকৈ মাতি আনি পানীৰ তলৰ পৰা মাটি উঠাবলৈ নিৰ্দেশ দিলে। কিন্তু সকলো চেষ্টাই বৃথা হ'ল কাৰণ মাটি উঠোৱাৰ সময়ত সব মাটি পানীত গলি যায়। ঠাকুৰে ভাবিবলৈ ধৰিলে। সৰ্বশেষত ঠাকুৰে কেঁচুক মাটি উঠাবলৈ নিৰ্দেশ দিলে। কেঁচুই চৰ্ত সাপেক্ষে মাটি উঠাবলৈ ৰাজি হ'ল। চৰ্ত হ'ল কাছই পানীৰ ওপৰত ভাহি থাকিব লাগিব। ঠাকুৰে কেঁচুৰ চৰ্ত মানি লৈ কাছক মাতি পানীৰ ওপৰত স্থিৰ হৈ ভাহি থাকিবলৈ নিৰ্দেশ দিলে। কথা মতেই কাম। তাৰ তিনিখন ভৰি শিকলীৰে বান্ধি দিয়া হ'ল। কেঁচুই তেতিয়া কাছৰ পিঠিত নেজ ৰাখি পানীৰ তলত গৈ মাটি খোৱা আৰম্ভ কৰিলে আৰু সেই মাটি বিষ্ঠা ৰূপত বাহিৰ হৈ কাছৰ ওপৰত জমা হ'ব ধৰিলে। এইদৰে কৰোতে কৰোতে কাছৰ পিঠি মাটিৰে পূৰ্ণ হ'ল। ঠাকুৰে তেতিয়া এখন মৈ ৰে কাছৰ পিঠিৰ মাটি মৈয়াই দিলে। যিবোৰ ঠাই ঢিপৰ দৰে ওখ হৈ থাকিল সেইবোৰ পাহাৰ হ'ল। তাৰ পাছত সমতল মাটিত ঠাকুৰে 'সিৰোম' নামৰ এবিধ ঘাঁহৰ বীজ ৰোপণ কৰিলে। তাৰপৰাই দূৱৰি বনৰ সৃষ্টি হ'ল। তাৰ পাছত এই মাটিত তেওঁ ক্ৰমশ 'কৰম', শাল, মহুৱা, প্ৰমুখ্যে আন আন গছ-গছনীৰ সৃষ্টি কৰিলে।

হাঁস-হাঁসিল চৰাই দুটিয়ে 'সিৰোম' গছৰ ওপৰত বাহ সজালে। এদিন হাঁসিলে সেই বাহত দুটি কণী পাৰিলে। নিৰ্দিষ্ট সময়ত সেই কণীৰ পৰা দুটি মানৱ শিশুৰ জন্ম হ'ল। এটি ল'ৰা, আনটো ছোৱালী, কিন্তু এই মানৱ শিশুদুটিক ক'ত ৰখা হ'ব বা কি খুওৱা হ'ব সেই লৈ চিন্তিত হৈ হাঁস-হাঁসিলে বিলাপ কৰিব ধৰিলে। হাঁস-হাঁসিলৰ বিলাপ শুনি ঠাকুৰ জিউ তেওঁলোকক মানৱ শিশুদুটিৰ বাবে স্থান নিৰ্দ্ধাৰণৰ নিৰ্দেশ দিলে। নিৰ্দেশ মতে হাঁস-হাঁসিল পশ্চিমৰ পিনে উৰি গৈ এটুকুৰা ঠাই নিৰ্দ্ধাৰণ কৰিলে। এই স্থানৰ নামেই হ'ল হিহিড়ী পিপিড়ী। তেওঁলোকে উক্তস্থানৰ কথা ঠাকুৰ জিউক কোৱাত ঠাকুৰ জিউ মানৱ শিশু দুটি উক্ত স্থানলৈ স্থানান্তৰ কৰাৰ নিৰ্দেশ দিয়ে আৰু নিৰ্দেশ মৰ্মে মানৱ শিশুদুটিক পিঠিত উঠাই হাঁস-হাঁসিল উক্ত স্থানলৈ লৈ আহে আৰু তেওঁলোকক তাত ৰাখি হাঁস-হাঁসিল অন্তৰ্ধান হয়।

ঠাকুৰ জিউৰ বাৰ্তাবাহক লিতাগোসাঁইৰ ওপৰত এই মানৱ শিশু দুটিৰ পৰিচৰ্যাৰ ভাৰ

ন্যস্ত কৰা হ'ল। শিশু দুটি ক্ৰমান্বয়ে 'সুমতু বুকচ' আৰু 'শ্যামা' ঘাহৰ দানা খাই ডাঙৰ হ'ব ধৰে। তেওঁলোক লাহে লাহে যৌৱন প্ৰাপ্ত হ'ল। তেওঁলোকৰ মাজত তেতিয়ালৈকে কোনো লজ্জাবোধ নাছিল বাবে তেওঁলোক উলংগ হৈয়ে কটাইছিল।

এদিন লিতাগোসাঁই তেওঁলোকক হাঁণ্ডি প্ৰস্তুত কৰিব শিকালে আৰু ক'লে যে এই হাঁণ্ডি পান কৰাৰ আগত যেন প্ৰতিবাৰে অকণমান হাঁণ্ডি লিতাগোসাঁইৰ নামত উছৰ্গা কৰা হয়। সেই মৰ্মে আদি মানৱ পিলচু হাড়াম আৰু পিলুচ বুঢ়ীয়ে হাঁণ্ডি প্ৰস্তুত কৰি লিতাগোসাঁইৰ নামত অলপমান হাঁণ্ডি উছৰ্গা কৰি প্ৰথমবাৰৰ বাবে হাঁণ্ডি পান কৰিলে আৰু সেই হাঁণ্ডিৰ নিচাৰ ৰাগিত প্ৰথমবাৰৰ বাবে দৈহিক ভাবে মিলিত হয়।

পিচদিনা ৰাতিপুৱা লিটাগোসাঁই আহি তেওঁলোকক মতাত তেওঁলোকৰ প্ৰথম লজ্জাবোধ অনুভৱ হ'ল। দেহত কেনো আভৰণ নাই। তেওঁলোকে ক'লে যে তেওঁলোকে হাঁণ্ডিৰ নিচাত আগদিনা ৰাতি নিষিদ্ধ কামত লিপ্ত হৈছে। সেইবাবে তেওঁলোক তেওঁৰ সন্মুখত আহিব নোৱাৰিব। কিন্তু এই সকলোবোৰ যিহেতু লিতাগোসাঁইৰ পৰামৰ্শ মতেই হৈছিল সেইবাবে তেওঁলোকক আস্বস্ত কৰাৰ বাবে তেওঁ ক'লে যে যি হৈছে ভালেই হৈছে। তোমালোকে কোনো বেয়া কাম কৰা নাই। তাৰ পাছত তেওঁ নিজেই লাজ নিবাৰণৰ বাবে বটগছৰ পাত আনি দিলে। সেই পাত চিলাই কৰি পিন্ধি তেওঁলোক লিতাগোসাঁইৰ সন্মুখত উপস্থিত হ'ল।

পৰবৰ্তী সময়ত পিলচু হাড়াম আৰু পিলচু বুঢ়ীৰ সাতটি ল'ৰা আৰু সাতজনী ছোৱালী সন্তানৰ জন্ম হয়। মাৰাংবুডু এ এই ল'ৰা-ছোৱালীসকলক 'খেড়ওবাৰ' জাতি হিচাপে অভিহিত কৰে। ল'ৰাছোৱালীসকল ডাঙৰ হৈ এসময়ত যৌৱনপ্ৰাপ্ত হয়।

এদিন পিলচু হাড়াম আৰু পিলচু বুঢ়ীয়ে ঠিক কৰিলে যে বংশবৃদ্ধিৰ বাবে তেওঁলোকৰ পৰস্পৰৰ মাজত বিয়া পতাৰ দৰকাৰ। সেইবাবে তেওঁলোকক একেলগে ৰাখিব পৰা নাযাব। সেইবাবে তেওঁলোকে ল'ৰা আৰু ছোৱালীবোৰক বেলেগ কৈ ৰখাৰ ব্যৱস্থা কৰিলে যাতে তেওঁলোকৰ মাজত দেখা সাক্ষাৎ নহয়। পিলচু হাড়াম ল'ৰা কেইজনক লৈ প্ৰায় চিকাৰলৈ গৈছিল। আনহাতে পিলচু বুঢ়ীয়ে ছোৱালী কেইজনীক লৈ জংঘলত শাক-পাত আদি উঠাবলৈ গৈছিল। এনেদৰে ল'ৰাকেইজনে এদিন 'খাণ্ডেৰায়' জংঘলত চিকাৰ কৰিবলৈ যায় আৰু

ছোৱালীবোৰে 'সুডুকুচ' জংঘলত শাক উঠাবলৈ যাওঁতে ভুলক্রমত 'চাঁপাকিয়া' বটবৃক্ষৰ তলত মুখামুখি হয়। ঠাকুৰ জিউৰ লীলাত কোনেও কাকো চিনি নাপালে। তেওঁলোক তাৰ পাছত নৃত্য গীতত মত্ত হয় আৰু পৰস্পৰৰ মাজত প্রেমৰ উদ্রেক হয়। ডাঙৰ ল'ৰাজনে ডাঙৰ ছোৱালী, দ্বিতীয় ল'ৰাজনে দ্বিতীয় ছোৱালীজনী আৰু এনেদৰে সৰু ল'ৰাজনে সৰু ছোৱালীজনী পচন্দ কৰে। এই কথা বুজিব পাৰি পিলচু হাড়াম আৰু পিলচু বুঢ়ীয়ে তেওঁলোকক বিয়া দিয়াৰ মনস্থ কৰি সাতটি ঘৰ বনাই তেওঁলোকৰ মাজত বিবাহ সম্পন্ন কৰায়।

কালক্রমত তেওঁলোকৰো সতি-সন্ততীৰে ঠাইখিনি ভৰি পৰে। তাকে দেখি পিলচু হাড়াম আৰু পিলচু বুঢ়ী চিন্তিত হয়। এবাৰ ভাই-ভনীৰ মাজত ঘটনাৰ পাকচক্রত পৰি বিয়া হৈ গৈছে, গতিকে ভৱিষ্যতে যাতে একে ঘটনাৰ পুনৰাবৃত্তি নহয় সেইবাবে তেওঁলোকক সাতটি ভিন্ন গোত্রত বিভক্ত কৰি তেওঁলোকৰ মাজত বিভিন্ন পদবী বিভক্ত কৰি দিয়ে যেনে — হাঁসদা, মুৰ্মু, কিস্কু, হেমব্রম, মাৰ্দি, চোৰেণ আৰু টুডু। লগতে নিয়ম বান্ধি দিয়া হ'ল যে এক গোত্রৰ ল'ৰা ছোৱালীৰ মাজত আৰু কেতিয়াও বৈবাহিক সম্পর্ক স্থাপন নহ'ব।[৭৪]

সকলো ধৰণৰ বিন্‌তিতে সৃষ্টিতত্ত্বৰ কাহিনী এই পৰ্য্যায়লৈ একেই থাকে। ইয়াৰ পাছত বিন্‌তি অনুযায়ী কাহিনীৰ ধাৰা অন্যধৰণৰ হোৱা দেখা যায়। যেনে — কাৰাম বিন্‌তিৰ ক্ষেত্রত সৃষ্টিতত্ত্বৰ কাহিনীৰ পাছত কাৰ্ম-ধাৰ্মুৰ কাহিনী ব্যাখ্যা কৰা হয়। চৌতিয়াৰ বিন্‌তিৰ ক্ষেত্রত বিবাহৰ নিয়ম নিৰ্দিষ্টকৰণ কৰা হোৱাৰ পাছত হিহিড়ী পিপিড়ীত তেওঁলোকৰ বিশাল বংশ বৃদ্ধি হোৱাত হিহিড়ী পিপিড়ীৰ পৰা খোজকামান, হাড়াতা, সাসাংবেডাহৈ চায়-চাম্পালৈ অহাৰ কাহিনী বৰ্ণনা কৰা হয়। বিন্‌তিগুৰুৱে "শিকাৰ ভূম'ৰ কাহিনী উল্লেখ কৰি কাহিনী শেষ কৰে।

ভাগুান বিন্‌তিৰ ক্ষেত্রত সৃষ্টিতত্ত্বৰ কাহিনীৰ পাছত পূৰ্বপুৰুষৰ বাসভূমি যেনে হিহিড়ী পিপিড়ী, খোজকামান, হাড়াতা, সাসাংবেডা, চায়-চাম্পা হৈ বিতৰি ঘুটুত বসবাসৰ বৰ্ণনা থাকে। জমসিম বিন্‌তিৰ ক্ষেত্রত এটি প্রাক সৃষ্টি কাহিনীৰ বৰ্ণনা থাকে য'ত স্বৰ্গ, মৰ্ত্য আৰু বিভিন্ন দেৱ-দেৱীৰ কাহিনী বৰ্ণনা কৰা হয়।

গুৰুভেদে এই বিন্‌তিৰ বৰ্ণিত কাহিনীৰ সামান্য হেৰফেৰ স্বাভাৱিক যদিও পিলচু হাড়াম আৰু পিলচু বুঢ়ী লগতে তেওঁলোকৰ সাত ল'ৰা ছোৱালীৰ কাহিনীৰ কোনো অমিল

দেখা পোৱা নাযায়। বিন্‌তি হ'ল চাওঁতাল জনগোষ্ঠীৰ বেদ স্বৰূপ। এই বিন্‌তিৰ মাজতে তেওঁলোকৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুশাসন অন্তৰ্নিহিত হৈ আছে। আজিও এই অনুশাসনেই পালন কৰি আহিছে যদিও সভ্যতাৰ সৈতে তাল মিলাই চলিব গৈ কিছু পৰিবৰ্তন হোৱাতো নিতান্তই স্বাভাৱিক।

## সাঁথৰ (কুদুম) ঃ

লোক সাহিত্যত সাঁথৰে এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। সেয়েহে ইয়াৰ উৎপত্তি সবাতোকৈ প্ৰাচীন বুলি ভবা হয়। পণ্ডিতসকলে মহাভাৰতৰ বুকুতেই প্ৰথম "সাঁথৰ"ৰ সৃষ্টি হৈছিল বুলি মন্তব্য কৰাৰ উল্লেখ পোৱা যায়। কিয়নো মহাভাৰতত যুধিষ্ঠিৰক ধৰ্মই সাঁথৰৰ যোগেদিয়েই প্ৰশ্ন কৰিছিল। ধৰ্মই যুধিষ্ঠিৰক প্ৰশ্ন কৰিছিল —

"কা বাৰ্তা? কিমাশ্চৰ্যম?
কঃ পন্থা? কস্য মোদতে?
ইতি মে চতুৰঃ প্ৰশ্নান
উত্তৰং দড়া জলং পীৰ।"[৭৫]

সাঁথৰবোৰ যথেষ্ঠ বুদ্ধি উদ্দীপক কৌশল যাৰ যোগেদি মানুহৰ বুদ্ধিমত্তাৰ পৰীক্ষা কৰা হয়। লগতে ইয়াত নিহীত হৈ থাকে ৰহস্য আৰু ঔৎসুকতা। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই সাঁথৰ সম্বন্ধে উল্লেখ কৰিছে — "সাঁথৰবিলাক জন সাধাৰণ আৰু কেতিয়াবা কেতিয়াবা পণ্ডিতৰো সহজ বুদ্ধিজাত ধেমালী। অনেক সাঁথৰত কল্পনাৰ স্ফুৰণ, কাব্যশ্ৰীৰ স্পৰ্শ আৰু অনুশ্ৰী আদি শব্দ লংকাৰৰ ব্যঞ্জনা দেখিবলৈ পোৱা যায়।"[৭৬]

ফুলকুমাৰী কলিতাই সাঁথৰ সম্বন্ধে এনেদৰে লিখিছে —

*"হেয়ালিৰ ছন্দ'ত পণ্ডিত ড° সৰ্বেশ্বৰ ৰাজগুৰুদেৱে কৈছে — "সাঁথৰ হৈছে মানুহৰ বুদ্ধি আৰু জ্ঞান পৰীক্ষা কৰিবৰ কাৰণে কোৱা গুপ্ত অৰ্থ থকা এক বা একাধিক ফাঁকি থকা কথা, ই প্ৰশ্নসূচকো হ'ব পাৰে বা বিৰৰণমূলকো হ'ব পাৰে। ভাৰতবৰ্ষত ঋকবেদত ঋষিমুনি সকলৰ মাজত যজ্ঞস্থলীত অনুষ্ঠিত ব্ৰহ্মোদ্যসমূহ; উপনিষদৰ কিছু সংখ্যক বাদ বিবাদত, মহাভাৰতত যক্ষৰূপী*

ধৰ্ম আৰু ধৰ্মৰাজ যুধিষ্ঠিৰৰ মাজত হোৱা প্ৰশ্ন-প্ৰশ্নোত্তৰত জাতকমালাত যক্ষৰ প্ৰশ্নসমূহত (পঞ্হ) সাঁথৰৰ প্ৰতিধ্বনি শুনা যায়। পাশ্চাত্যত সাঁথৰৰ প্ৰচলনও অতি প্ৰাচীন। ইংৰাজীত সাঁথৰৰ প্ৰতিশব্দ হ'ল Riddle অৰ্থাৎ ইয়াৰ অৰ্থ উপদেশ দিয়া। পাশ্চাত্যৰ পণ্ডিতৰ মতে কোনোবাই যদি সাঁথৰৰ প্ৰাচীনতাৰ প্ৰমাণ কৰিব বিচাৰে তেনেহ'লে প্ৰাচীন বেবিলনৰ বিদ্যালয়ৰ পাঠ্য হিচাবে Riddle ৰ প্ৰচলন থকা বুলি ক'ব পাৰি — "The oldest Riddles on records are school text from Babylone"। প্ৰাচীন মানৱৰ শৌৰ্য্য-বীৰ্য্য প্ৰদৰ্শনৰ, নিজৰ অস্তিত্ব নিৰূপনৰ অন্যতম উপায় বাহুযুদ্ধৰ নিচিনা মানুহৰ বুদ্ধি-বৃত্তি আৰু চিন্তাশক্তিৰ অন্যতম কৌশল আছিল সাঁথৰ বা ধাঁধাৰ অৱলম্বনত অনুষ্ঠিত বাকযুদ্ধ। ঠাইবিশেষে সাধাৰণতে বিবাহ, মৃত্যু, অনাবৃষ্টি আদিত, পাত্ৰ-পাত্ৰী নিৰ্বাচনৰ ক্ষেত্ৰত বুদ্ধি বৃত্তি পৰীক্ষাৰ কাৰণে সাঁথৰ ভঙা প্ৰথাটোৱে আছিল উত্তম উপায়।..... দেশ ভেদে সাঁথৰ বা ধাঁধাৰ নাম ভিন্ ভিন্। হিন্দীত পহেলি, বুজৌভাল, ভুল্‌ভুলাইয়া, মাৰাঠী ভাষাত উখানা, আহনা, উমান, কোহাড়া, কোড়ে বয়ানা, সিন্ধীত উখানি, পাঞ্জাৱীত পহেলি, ভজা, গুজৰাটী ভাষাত উখানো বা উখানু, কোহভ্যা, আথিয়ানু, কোডু আৰু উড়িয়া ভাষাত পহেলি শব্দই সাঁথৰকে বুজায়।..... যিকোনো সমাজৰ সমাজতাত্ত্বিক দিশ অধ্যয়নৰ অপূৰ্ব আহিলা হ'ল সাঁথৰ। লোক সাহিত্যৰ প্ৰায় অন্যান্য শাখাৰ নিচিনা সাঁথৰ বা ধাঁধা সৃষ্টিৰ আঁৰত থাকে মানুহৰ বাস্তৱ জীৱনৰ অভিজ্ঞতা আৰু মননশীলতা — "ধাঁধাৰ বিষয়বস্তু নিৰ্বাচনে যেমন বাস্তব জীৱনেৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ প্ৰয়োজন, তেমনেই অভিজ্ঞতা লব্ধ বিষয়টি মনোজগতেৰ সমৰ্থন লাভ কৰাও আবশ্যক" (আশুতোষ ভট্টাচাৰ্য্য)। সাধাৰণতে মানুহৰ অতি পৰিচিত আৰু অতি সহজে ঢুকি পোৱা বিষয় বস্তুৰ প্ৰতিহে সাঁথৰ সজাগ। লগতে আকৃতি আৰু প্ৰকৃতিত বিশেষ বিশেষত্ব থকা বিষয় বস্তুইও মানুহৰ দৃষ্টি আকৰ্ষণ কৰে।)[৭৭]

প্ৰাচীন অলৌকিকতাৰ দিনত মানুহে বহুতো কথাই পোনপটীয়াকৈ নকৈ আওপকীয়াকৈ কৈছিল আৰু সেইবাবেই হয়তো এই সাঁথৰবোৰৰ সৃষ্টি হৈছিল। চাওঁতাল ভাষাত সাঁথৰক 'কুদুম' বুলি কোৱা হয়। জীৱন আৰু জীৱিকাৰ সৈতে সংপৃক্ত এই সাঁথৰ বা কুদুমবোৰ চাওঁতালী সাহিত্যৰ বিশিষ্ট অংগ। এই কুদুমবোৰত চাওঁতাল চহা জীৱনৰ বিভিন্ন বিষয়সমূহক সৰল কাব্যিক ৰূপত তুলি ধৰা হয়। অসমৰ চাওঁতাল সমাজতখনতো যথেষ্ট পৰিমাণে সাঁথৰ অথবা কুদুমৰ ব্যৱহাৰ পৰিলক্ষিত হয়। চাওঁতাল সমাজত 'কুদুম কুঁড়িং' বুলি আৰম্ভ কৰি কুদুম কোৱা নিয়ম। উদাহৰণ স্বৰূপে—

কুদুম কুঁড়িং কুঁড়িং
চটৰে গিদি তুকী লঃকান
ফেডৰে হাড়াম বুড়হিকিন ৰূপড়কান - হুকী আৰ কুলকা।[৭৮]

**অৰ্থ ঃ** কুদুম কুঁড়িং কুঁড়িং
ওপৰত শগুণৰ বাহা পোৰে
তলত বুঢ়াবুঢ়ি গল্প কৰে — হুকা আৰু চিলিম

বহুতো কুদুমৰ আৰত জনশ্ৰুতিমূলক কাহিনীও লুকাই থাকে। চাওঁতালসমাজত তেনেকুৱা এটা জনশ্ৰুতি হ'ল — কেঁকোৱাৰ ঠেংৰ সৈতে জড়িত।

এবাৰ এজন গৰখীয়াই গৰু চৰাবলৈ গৈ এটা গৰু হেৰুৱালে। গৰাকীয়ে সেয়া জানিব পাৰি প্ৰচণ্ড ক্ষোভত হেৰুৱা গৰুটো বিচাৰি আনিব ক'লে। হাবিয়ে জংগলে গৰু বিচাৰি চলাথ কৰিলে কিন্তু কোনো সন্ধান নাপাই এটি জুৰিৰ পাৰত উপস্থিত হ'ল। লঘোণে, ভোকে ক্লান্ত হৈ সি খাবৰ বাবে জুৰিৰ পৰা কেইটামান কেঁকোৱা ধৰি জুৰিৰ পাৰত পুৰি খালে। তাৰ পাছত ছাতিটো খুলি জুৰিৰ পাৰত পুতি থৈ পুনৰ গৰু বিচাৰিবলৈ ওলাল। দূৰৰ পৰা এটা বাঘ গৰখীয়াৰ এই সমস্ত কৰ্ম লক্ষ্য কৰি আছিল। কিন্তু গৰখীয়াৰ হাতত লাঠি আৰু ছাতি দেখি আক্ৰমণৰ সুবিধা কৰিব পৰা নাছিল। বাঘটোৱে আহি পুতি থোৱা ছাতিটোক সুধিলে — 'এই একভৰি ৱালা, দুই ভৰি ৱালা ক'ত গ'ল"। ছাতিয়ে উত্তৰ দিলে — 'দহ ঠেং থকাক খাই এই মাত্ৰ সি চাৰি ঠেং থকাক বিচাৰি গ'ল।" এই কথা শুনি বাঘে ভাবিলে যে মানুহজনে যিহেতু দশ ঠেং থকাটোক খাই চাৰি ঠেং থকাটোক বিচাৰি গৈছে

তাৰ মানে মোৰো যিহেতু চাৰি ঠেং আছে গতিকে হয়তো মোকেই বিচাৰি গৈছে। গতিকে ইয়াত আৰু থকা নাযাব কৈ বাঘটো তাৰ পৰা পলাই গ'ল।[৭৯]

কুদুমৰ বিষয়বস্তু সম্বন্ধে আলোচনা কৰিলে দেখা যায় গাওঁলীয়া জীৱনৰ সৈতে সংপৃক্ত বিভিন্ন বিষয়বস্তু, প্ৰকৃতি আৰু জীৱজগৎক লৈ এই সমূহ ৰচিত আৰু এই কুদুম সমূহ সদায় বাস্তৱ জীৱনৰ লগত হে সম্পৰ্কিত; কল্পজগতৰ সৈতে নহয়। এই কুদুমৰ জৰিয়তে অতি সাধাৰণ এটি বস্তু বা বিষয়ক কৌতুহল দীপ্ত তথা ৰসাল কৰি তোলা হয় সেয়েহে গাওঁলীয়া সমাজত কুদুম লোক শিক্ষাৰ বাহক হিচাপে ব্যৱহৃত হোৱা দেখা যায়। বয়োজ্যেষ্ঠ সকলে কুদুমৰ জৰিয়তে তেওঁলোকৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা নতুন চামৰ মাজত বিতৰণ কৰে। যদিওৱা কুদুম কোনো উপদেশ বা নীতি শিক্ষাৰ বাহক নহয় তথাপি এটা অতি পৰিচিত বস্তুক ৰূপকৰ জৰিয়তে তুলি ধৰাৰ ফলত এফালে যেনেকৈ বিস্ময়ৰ উদ্ৰেক হয় আনফালে ঠিক তেনেকৈ ঔৎসুকতা বঢ়ায় আৰু শিশুসকলে এই সম্বন্ধে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰে। কুদুমৰ প্ৰকাশভংগীত কোনো নিৰ্দিষ্ট নিয়ম নাথাকে। গদ্য, পদ্য, মিত্ৰাক্ষৰ বা অমিত্ৰাক্ষৰ যিকোনো ধৰণেই কুদুম কোৱা হয়। কিন্তু প্ৰায় ক্ষেত্ৰতে এটি ছন্দময় ধাৰাত কুদুম কোৱা হয়। এই কুদুমবোৰত সাধাৰণতে তিনিৰ পৰা চাৰিটা পদ থকা দেখা যায়। চাওঁতাল সমাজৰ জীৱনপ্ৰবাহৰ নিখুত ছবি তুলি ধৰি এই কুদুমবোৰে চাওঁতালী সাহিত্য আৰু সংস্কৃতিক যথেষ্ট সমৃদ্ধিশালী কৰিছে। তলত অসমৰ চাওঁতাল সমাজত বহুল ভাৱে প্ৰচলিত কেইটামান কুদুম উদাহৰণ স্বৰূপে আগবঢ়োৱা হ'ল। যথা —

ক) কুদুম কুঁড়িং কুঁড়িং
ৰাপুত অড়াঃৰে
কঃ ক তোপোৎ আ ভাদ ভাদ।
তেলা-খৌজৌড়ি আতা।[৮০]

**অৰ্থঃ** কুদুম কুঁড়িং কুঁড়িং
বগলীৰ জাক ভঙা ঘৰত
লুটিপুতি কাজিয়া কৰে
উত্তৰ - মুড়ি ভাজা

খ) কুদুম কুঁড়িৎ কুঁড়িৎ

দুলৌড় কাতেক হেম কিদিঞা

বানাৰ তি তেক থাপা কিদিঞা

তেলা - তুমদাঃ।[৮১]

**অর্থঃ** কুদুম কুঁড়িৎ কুঁড়িৎ

ভালপাই কোলাত ল'লে

দুই হাতে চৰ মাৰিলে

উত্তৰ - মাদল

গ) কুদুম কুঁড়িৎ কুঁড়িৎ

জেল বৌনুঃ তায় জাং মেনা তায়

পুনয়া গেতায় কাটা

গিদৌৰ পিদৌৰ হাড়াম দুডুম

ঝতগে তায় পেড়া।

মা লৌইয়ে গৰম আয়ো

হাকো কানায় স্যে মেৰম?

তেলা - পাৰকম।[৮২]

**অর্থঃ** কুদুম কুঁড়িৎ কুঁড়িৎ

মাংস নাই হাড় মাথো

চাৰিখন মাত্র ভৰি

ল'ৰা ছোৱালী বুঢ়া বুঢ়ী

সকলো তাৰ আপোন

কোৰা চোন আইতা কি হ'ব

গৰু না ছাগল

উত্তৰ - খাটিয়া

ঘ) কুদুম কুঁড়িং কুঁড়িং

চেতাম ৰে মা চুন পোতাও

ইনৗ লাতাৰ ৰে মা ৰিড়িম দাঃ

ইনৗ লাতাৰ ৰে মা সনা ডোম্বোঃ

তেলা - বেলে।[৮৩]

**অৰ্থঃ** কুদুম কুঁড়িং কুঁড়িং

ওপৰত চূণ দিয়া

তাৰ তলত পানী

তাৰ তলত সোনাৰ গোলা

উত্তৰ - কণী

ঙ) কুদুমৰে কুঁড়িং কুঁড়িং

চেতান খনে এ্ঙৰ এনা

আয়োগো বাবাগো বতৰগে

নওয়া অকা দিশম ৰেয়াঃ কাথা

ঝত গত গুটিক তলকেৎ লেয়া বাছা

মা লৗই মে বৗবু আপাত

দাৰোগা কানায় স্যে পুলিস?

তেলা ঃ হাকো সাব চাপাৎ জাল।[৮৪]

**অৰ্থঃ** কুদুম কুঁড়িং কুঁড়িং

ওপৰৰ পৰা পৰি কেকাই

ও মা ও বাবা

এইয়া যে কোন দেশৰ কথা

সকলোকে ইমান সহজে বান্ধিলি বাছা

কোৰাচোন সোনাৰ বাবা

দাৰোগা নে পুলিশ

উত্তৰঃ মাছ ধৰা জাল।

চ) কুদুম কুঁড়িৎ কুঁড়িৎ

দাৰে বীনুঃ ত্তীৰ বীনুঃ

ৰেহেৎ বীনুঃ সেন্দেৎ বীনুঃ

আমথান ৰেম এ্রেলা গড়ম

একেন কেচ সাকাম

তেলা ঃ ভাঙো।[৮৫]

**অৰ্থঃ** কুদুম কুঁড়িৎ কুঁড়িৎ

গাছ নাই ডাল নাই

গোৰা নাই শিপা নাই

আকাশলৈ চোৱা ককা

চৰিওফালে মাথো পাত

উত্তৰ ঃ ঘূৰ্ণী বতাহ

## প্ৰবাদ প্ৰবচন আৰু ফকৰা-যোজনা (মেনকাথা) ঃ

পৃথিৱীৰ জনগোষ্ঠীভেদে সকলোবোৰ লোকসাহিত্যত ফকৰা-যোজনাই এখনি বিশিষ্ট স্থান অধিকাৰ কৰি আছে। মানুহৰ অন্তৰৰ গভীৰ অৰ্থব্যঞ্জক ভাব ৰাশিক সংক্ষিপ্ত অথচ ৰসপূৰ্ণভাবে প্ৰকাশ কৰিবলৈ যাওঁতে, মানুহে ফকৰা-যোজনাৰ আশ্ৰয় লয়। ফকৰা-যোজনা হ'ল বাক্যালাপ মনোগ্ৰাহী কৰাৰ অন্যতম কৌশল। ইংৰাজীত ভাষা সাহিত্যত Proverb বুলি পৰিচিত ফকৰা-যোজনা, ভাৰতীয় ভাষাতো নানা ৰূপে, নানা নামে আত্মপ্ৰকাশ কৰি মানুহৰ মন জয় কৰি আহিছে। গুজৰাটত কাহানীয়া, বাঙালীত ছল্‌কি বা প্ৰবাদ,তেলেগুত চামেট্ বা শাস্ত্ৰম, কানাড়াত চাৰ্মিটে আৰু কোনো কোনো অঞ্চলত ইয়াৰ নাম লোকক্তি। সংস্কৃত ভাষাত ফকৰা-যোজনাৰ নাম 'সুভাষিতম্' বা 'আপ্তবাক্য'।[৮৬]

ফকৰা-যোজনাবোৰ হ'ল প্ৰত্যক জাতিৰ একোখন দাপোণ, য'ত প্ৰতিফলিত হয় একোটা জাতিৰ বৈশিষ্ট্য, চলন-ফুৰণ আৰু মানসিকতাৰ স্পষ্ট প্ৰতিচ্ছবি। পৃথিৱীৰ প্ৰায়

প্ৰত্যেক জাতিৰ বৃহত্তৰ সমাজ জীৱনৰ হুবহু প্ৰকাশৰ বাবে সকলো ধৰণৰ লোক সাহিত্যৰ তুলনা নাই যদিও ফকৰা-যোজনা বা প্ৰবাদ প্ৰবচনৰ মাজত প্ৰকাশ পোৱা পাৰিবাৰিক জীৱনৰ চিত্ৰখনি অতি স্পষ্ট।

যিকোনো জনগোষ্ঠীৰ মাজত প্ৰচলিত প্ৰবাদ প্ৰবচনবোৰ হ'ল দীৰ্ঘদিনীয়া সাংসাৰিক অভিজ্ঞতাৰ ফচল। এইবোৰ হ'ল সাংসাৰিক মানুহৰ সংসাৰ জীৱনৰ অভিজ্ঞতাৰ ফলশ্ৰুতি। সত্য কথাক সহজ সৰল ভাৱে উপস্থাপন কৰিবলৈ তথা যিকোনো যুক্তিপূৰ্ণ কথাক জোৰ দি উপস্থাপন কৰিবলৈও এই প্ৰবাদসমূহৰ গুৰুত্ব অপৰিসীম। লোক সাহিত্যৰ গৱেষক স্বৰ্গীয় অতুল চন্দ্ৰ বৰুৱাদেৱে কৈছে — 'যোজনা-ফকৰা বচন প্ৰবচনবোৰ হ'ল কথাৰ মছলা। ব্যঞ্জনত মছলাৰ দৰে এইবোৰৰ যথাযত ব্যৱহাৰে কোৱা কথা যুক্তিপূৰ্ণ আৰু অতি ৰঞ্জিত কৰি তোলে।"[৮৭] যি ভাষাত প্ৰবাদ প্ৰবচন কম, সেই ভাষা ৰুগ্ন আৰু দুৰ্বল বুলি কোৱা হয়। কাৰণ এই প্ৰবাদ প্ৰবচনসমূহৰ দ্বাৰা জনমানসৰ স্বৰূপ প্ৰকাশ পায়। এই প্ৰবাদ-প্ৰবচনসমূহত গ্ৰাম্য শব্দ বা অশ্লীল শব্দ যিয়েই নহওক কিয় সাৱলীল ভাবে ব্যৱহাৰ হয় কাৰণ বক্ৰোক্তি বা ব্যংগাক্তম কৌতুক আদিও এই প্ৰবাদ-প্ৰবচনত অন্তৰ্ভূক্ত হৈ থাকে। প্ৰবচনৰ সংজ্ঞা দিয়া দুৰূহ কাম। এই সন্দৰ্ভত উমেশ চেতিয়াই লিখিছে —

*ড° প্ৰফুল্ল দত্ত গোস্বামীদেৱে কৈছে — "প্ৰবচন স্থিৰিকৃত বাগবৈশিষ্ট্য (Fixed Phrase) বিশিষ্ট একশ্ৰেণীৰ লোকবিদ্যা।" ইয়াৰ উপৰিও অসমীয়া সাহিত্যৰ লেখক ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে কৈছে যে প্ৰবচন বোৰ হৈছে — "প্ৰজ্ঞাৰ স্বতঃস্ফুৰ্ত প্ৰকাশ, জীৱনৰ টিপ্পনি আৰু জাতীয় মানসিকতা, জাতীয় ভাবধাৰা, জাতীয় আৱশ্যক অনাবশ্যকবোধ, জাতীয় সুখ-দুখৰ ধাৰণা। ডিম্বেশ্বৰ নেওগদেৱে কৈছে — বচন সাহিত্য জানিবা পূৰ্বৰ বিদ্যৎ সমাজৰ, সংস্কৃত সূত্ৰ সাহিত্য, একেদৰে চমু, সাৰগৰ্ভ, আওৱাবৰ আৰু আবৃত্তি কৰিবৰ বাবে অত্যন্ত উপাদেয়।"*

*চাৰ্ভেন্টিচে প্ৰবাদ প্ৰবচন সম্পৰ্কে বৰ সুন্দৰকৈ কৈছে - A proverb is a short sentence, founded on long experience জন ৰাছেলে কৈছে — ই হৈছে — "One man's art and all men's wisdom".*[৮৮]

অসমৰ চাওঁতালসমাজখনতো প্ৰবাদ-প্ৰবচনৰ যথেষ্ট প্ৰয়োগ দেখা যায়। পুৰুষতকৈ মহিলাৰ সমাজত এই প্ৰবাদ প্ৰবচনৰ প্ৰয়োগ বেছি। সেয়েহে পুৰুষানুক্ৰমে নাৰীয়েই এই প্ৰবাদ প্ৰবচনসমূহ বহন কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। চাওঁতালসমাজত প্ৰবাদ-প্ৰবচন সমূহক মেনকাথা বুলি কোৱা হয়। অসমৰ চাওঁতাল সমাজত প্ৰচলিত কেইটামান মেনকাথা উদাহৰণ স্বৰূপে দাঙি ধৰা হ'ল। যথা —

ক) অকা লেকাম এ্যৰ আ, অনা লেকাম ইৰ আ।[৮৯]

**অৰ্থ ঃ** যেনে কৰ্ম তেনে ফল।

খ) একেন ঠিলি দ সাতে গেয়া[৯০]

**অৰ্থ ঃ** দাত নোহোৱা সাপৰ ফোচফোচনীয়ে সাৰ।

গ) জানুমতে জানুমগে সাহা হোয়োঃ[৯১]

**অৰ্থ ঃ** হুলেৰেহে হুল কাঢ়িব পাৰি।

ঘ) টাকা খান বাহু, দাকা খান কাঁহু [৯২]

**অৰ্থ ঃ** বগা ভাত দেখিলে কাউৰীৰ অভাব নাই।

ঙ) টিংকি বুটীম সেনঃ ৰেসে লোবোঃ খোদেম [৯৩]

**অৰ্থ ঃ** যত্ন কৰিলেহে ৰত্ন পায়।

চ) তাহেন ৰেমা হাটাঃ হাটাঃ বাং ৰেমা বাটাঃ বাটাঃ[৯৪]

**অৰ্থ ঃ** এলেহুৱাক ভাতে নোজোৰে।

ছ) দিনীম কোমড়ো মড়ে মাহা ৰে দয়, সাবঃ গেয়া[৯৫]

**অৰ্থ ঃ** এশ গৰু মাৰিলে বাঘৰো মৰণ।

জ) অল খন দ থুতি গে সৰেসা[৯৬]

**অৰ্থ ঃ** লেখাতকৈ শ্ৰুতিয়েই শ্ৰেষ্ঠ।

ঝ) বাহা হঁম তিয়ো গা, জানুমহঁ বাম পাটিঃ আ[৯৭]

**অৰ্থ ঃ** সাপো মৰক লাঠিও নাভাঙক।

ঞ) সিৎ ধাড়েতে পিঠী দ বাং ইমিনঃ গেয়া।[৯৮]

**অৰ্থ ঃ** এক হাতে তালি নাবাজে।

ট) মচা কাথাগে সেবেলা, দাকা উতু দবাং সেবেলা [৯৯]

**অৰ্থ ঃ** আপোনাৰ ব্যৱহাৰে আপোনাৰ পৰিচয়।

ঠ) সোজহে কাটুপতে গতম বাং ৰাকাপ আ[১০০]

**অৰ্থ ঃ** সিধা আঙুলীত ঘি নুঠে।

ড) চেতান ৰং চহ্ ভিতৰি ভদৰ ভং [১০১]

**অৰ্থ ঃ** বাহিৰে ৰং চং ভিতৰি কোৰা ভাতুৰী

ঢ) দিকু হঁ তাম পেড়া, জানুম হঁ তাম ঝান্টি [১০২]

**অৰ্থ ঃ** পৰ কেতিয়াও আপোন নহয়।

ণ) আংগা তৰা কাথা চাংগা গেয়া [১০৩]

**অৰ্থ ঃ** কথাত কথা বাঢ়ে।

## ভেনতা কাথা ঃ

মেন কাথা অৰ্থাৎ প্ৰবাদ প্ৰবচনৰ দৰে চাওঁতাল মৌখিক সাহিত্যত 'ভেনতা কাথা' নামৰ এক ধৰণৰ সাংকেতিক প্ৰকাশ ভংগী বিচাৰি পোৱা যায়। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ মুখে মুখে বাগৰী অহা এনে বহু ভেনতা কাথা সময়ৰ সোঁতত লুপ্ত হৈ গৈছে যদিও এনে বহু ভেনতা কাথা আজিও চাওঁতাল সমাজত বিদ্যমান।

ক) অত উটা [১০৪]

**অৰ্থ ঃ** গাহৰীৰ মাংস

খ) অড়া গমকে [১০৫]

**অৰ্থ ঃ** স্ত্ৰী

গ) অড়া দুয়ৗৰ তিংগো [১০৬]

**অৰ্থ ঃ** বিয়া দিয়া

ঘ) আৰাঃ দৌহড়ি [১০৭]

**অৰ্থ ঃ** সিপাহী

চ) আৰা সাদাম কামসাও[১০৮]

**অৰ্থ ঃ** ঘৰত জুই লগা

ছ) ইনী হলাৎ গে[১০৯]

**অৰ্থ ঃ** একে ধৰণৰ

জ) কাৰাম বিৎ[১১০]

**অৰ্থ ঃ** উপবাস

ঝ) কাসমাৰ টটকো[১১১]

**অৰ্থ ঃ** বিবাহ

ঞ) খীৰচৌড়ি[১১২]

**অৰ্থ ঃ** খোৱা পানী

ট) খাটো চাণ্ডবল[১১৩]

**অৰ্থ ঃ** পঠাৰ মাংস

ঠ) চিলকি ভিলকি উদুঃ[১১৪]

**অৰ্থ ঃ** ভয় দেখুৱা

ড) চেঁড়ে আৰলাস[১১৫]

**অৰ্থ ঃ** ডাইনি

ঢ) সমৰাজঠেন মুনিষঃ চালাঃ[১১৬]

**অৰ্থ ঃ** মৃত্যু

ণ) জেলেঞ হড়[১১৭]

**অৰ্থ ঃ** সাপ

ত) তহৎ হাড়া এতাম[১১৮]

**অৰ্থ ঃ** বিপদত পৰা

**মন্ত্ৰ আৰু ঝৰ্ণী (মানতাৰ) ঃ**

লোক সাহিত্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশটোৱেই হৈছে মন্ত্ৰ। লোকতত্ত্ব বিদ সকলে মন্ত্ৰৰ পৰাই মৌখিক সাহিত্যৰ সৃষ্টি হৈছে বুলি ক'ব খোজে। কিয়নো চিকাৰজীৱি

সমাজখনে যেতিয়া সমাজ পাতি বাস কৰিবলৈ ধৰে তাৰ লগে লগেই মন্ত্ৰৰ উৎপত্তি হৈছিল বুলি ভাৱিব পাৰি। এই ক্ষেত্ৰত লীনা শৰ্মাৰ মতটোক সমৰ্থন কৰি ক'ব পাৰি যে অসহায় মানৱ সমাজ নিত্যনৈমিত্তিক জীৱনৰ দুখ যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ পাবলৈ যেতিয়াই কোনো অলৌকিক শক্তিৰ আশ্ৰয় লৈছে তেতিয়াই তেওঁলোকে সেই শক্তিসমুহক আহ্বান কৰাৰ বাবে কিছুমান দুৰ্ভেদ্য শব্দ সমষ্টিৰ ব্যৱহাৰ কৰিছে। কালক্ৰমত এই প্ৰহেলিকাময় শব্দসমষ্টিয়ে মন্ত্ৰৰ ৰূপ পাইছে। ভাৰতবৰ্ষত মন্ত্ৰৰ ইতিহাস অতিকৈ প্ৰাচীন।[১১৯]

প্ৰফুল্লদত্ত গোস্বামীয়ে লিখিছে —

> *"সুপণ্ডিত চৈয়দ ইদ্ৰিছ শ্বাহৰ মতে যাদু বা ইন্দ্ৰজালৰ গুৰি মধ্য এচিয়াৰ মঙ্গলসকল। মঙ্গলসকলৰ পৰাই পুৰণি এচিৰিয়া/বেবিলনিয়াত থিত লয়হি। এচিৰিয়াৰ বিদ্যোৎসাহী অচুৰ বাণী পালে খৃঃপূঃ সপ্তম শতিকাত এটি পুথিভৰাল স্থাপন কৰে। এই ভঁৰালত যিবিলাক পোৰা মাটিৰ ফলি সংৰক্ষিত হৈছিল তাৰ বহুখিনিত পুৰণি মন্ত্ৰ আছিল। এইবিলাকৰ কিছুমান বৰ্তমান যুগত উদ্ধাৰ কৰা হৈছে। ফলিবিলাকত বহুতো দেও ভূতৰ উল্লেখ আছে। এওলোকক সন্তুষ্ট আৰু বশ কৰিবৰ বাবে ব্যৱস্থা আছে, শত্ৰুক বশ কৰিবৰ, অপায় অমংগল আঁতৰাবৰ আৰু ৰোগ নিৰাময়ৰ ব্যৱস্থা আছে।......বৌদ্ধ যুগতো মন্ত্ৰই সন্মানজনক স্থান লাভ কৰিলে। বৌদ্ধসকলে 'ধাৰণি' মন্ত্ৰ ইমানকৈ ব্যৱহাৰ কৰিছিল যে খেতিবাতিৰ অপায়-অমংগল আঁতৰাবৰ উদ্দেশে প্ৰয়োগ কৰা 'বজ্ৰ-লৌহ-তুণ্ড ধাৰণী' মন্ত্ৰ স্বয়ং বুদ্ধদেৱৰ মুখৰ পৰা ওলোৱা বুলি তিব্বতী পৰম্পৰাই ক'ব খোজে।"*[১২০]

প্ৰাচীন কালত প্ৰকৃতিৰ শক্তিসমূহৰ কোনো বাখ্যা বিচাৰি নাপাই এই সকলোবোৰৰ অন্তৰালত একোটা শক্তি বা দেও থকা বুলি আদিম মানৱে ধাৰণা কৰিছিল। সেইবাবে নিজৰ নিৰাপত্তা বিচাৰি এই দেওবোৰক সন্তুষ্ট কৰাৰ অৰ্থে পূজা-পাতলৰ ব্যৱস্থা তেওঁলোকে কৰিছিল কিন্তু এই পূজা-পাতল আছিল সাধাৰণ পূজা-পাতলতকৈ সূকীয়া। য'ত স্তুতিতকৈ বিভিন্ন ক্ৰিয়াকাণ্ডই হে প্ৰাধান্য পাইছিল। তেওঁলোকৰ ধাৰণা আছিল এই ক্ৰিয়াকাণ্ডসমূহ

নিয়াৰিকৈ সম্পন্ন কৰিব পাৰিলে এই দেওসমূহক বশীভূত কৰিব পৰা যায়। ভাৰতবৰ্ষত মন্ত্ৰৰ ইতিহাস অতিকৈ প্ৰাচীন সম্ভৱত ঋগ্বেদৰ পৰাই মন্ত্ৰৰ সৃষ্টি হৈছিল। বিভিন্ন নৈসৰ্গিক শক্তিসমূহক নিজৰ আয়ত্তাধীন কৰাই আছিল ঋগ্বেদৰ কৰ্মকাণ্ডত উল্লিখিত মন্ত্ৰ সমূহৰ মূল উদ্দেশ্য।[১২১]

লোক-সাহিত্যৰ অন্যান্য বিভাগ সমূহৰ দৰেই মন্ত্ৰ-সাহিত্য প্ৰজন্মৰ পৰা প্ৰজন্মলৈ মৌখিক ভাৱেই প্ৰবাহিত হৈ আহিছে। মন্ত্ৰ সাহিত্যক নিৰ্দিষ্ট কোনো সীমাৰ দ্বাৰা ভাগ কৰিব নোৱাৰি। জাগতিক জগতৰ প্ৰায় সকলো বিষয়বস্তুৰ ওপৰতেই মন্ত্ৰ পোৱা যায়। ভূত-প্ৰেত দূৰ কৰাৰ বাবে, ৰোগ-ব্যাধি নিৰ্মূল কৰাৰ বাবে, ধন-সম্পত্তি বৃদ্ধিৰ উদ্দেশ্যে, সন্মোহন, বশীকৰণ, শত্ৰুনাশ আদিৰ সকলো বিষয়ৰে মন্ত্ৰ মন্ত্ৰপুথিসমূহত পোৱা যায়। মন্ত্ৰৰ অলৌকিক শক্তিৰ সৈতে মানুহৰ বিশ্বাস সংপৃক্ত হৈ থাকে।[১২২]

চাওঁতাল সমাজত মন্ত্ৰক 'মান্তাৰ্' বুলি কোৱা হয়। এই 'মানতাৰ' সমূহ কিমান প্ৰাচীন সেয়া নিৰ্ণয় কৰা অতিকৈ দুৰূহ। এই মান্তাৰ্ সমূহো চাওঁতালি মৌখিক সাহিত্যৰ এক অপৰিহাৰ্য অংশ।

চাওঁতাল সমাজত 'মন্ত্ৰ' দুই ধৰণৰ। 'মন্ত্ৰ' আৰু ' ঝৰ্ণী'। ওঝা এজনে ৰোগীক বনৌষধি প্ৰয়োগ কৰাৰ আগতে 'মান্তাৰ্'ৰ দ্বাৰা ৰোগ নিৰাময়ৰ চেষ্টা কৰে। আনহাতে এই 'মান্তাৰ্' সমূহৰ সৈতে ওঝাই এক বিশেষ ধৰণৰ সুৰেৰে আন ধৰণৰ মন্ত্ৰ গায় সেইবোৰক 'ঝৰ্ণী' বুলি কোৱা হয়।

অসমৰ চাওঁতাল সমাজতো বিভিন্ন ৰোগ ব্যাধিৰ অন্তৰালত বিভিন্ন 'চাকেট বঙ্গা' অৰ্থাৎ দেওৰ প্ৰভাৱ থকা বুলি বিশ্বাস কৰা হয়। ইয়াৰ ওপৰি বিভিন্ন 'চাকেট বঙ্গা'ৰ তুষ্টি কৰণেৰে বিভিন্ন জাগতিক বিষয়সমূহৰ ওপৰত সিদ্ধিলাভ কৰিব পাৰি বুলিও লোক-বিশ্বাস প্ৰচলিত। প্ৰতিজন ওঝাৰেই নিজস্ব গুৰু থাকে। সেয়েহে মন্ত্ৰসমূহ গোৱাৰ সময়ত প্ৰতিজন ওঝাই তেওঁৰ গুৰুৰো আহ্বান কৰে কাৰণ চাওঁতাল সমাজৰ বিশ্বাস অনুসৰি গুৰু সকলো মৃত্যুৰ পাছত বঙ্গালৈ ৰূপান্তৰিত হয়। চাওঁতাল ওঝা সমূহৰ মাজত মুখ্যত পোন্ধৰজন গুৰু বিচাৰি পোৱা যায়। সেই সমূহ হ'ল যথা — কামৰূ গুৰু, গাংদো গুৰু, সিধা গুৰু, বীৰহৰ গুৰু, কেওঁটা গুৰু, দাংদো গুৰু, ৰহড়া গুৰু, ভৈৰ' গুৰু, মানসিং গুৰু, তিৰ'ম গুৰু, বুয়াং গুৰু, পটা গুৰু, ল'ব'ৰ গুৰু, জিতু গুৰু, কেড়হা গুৰু আৰু বুহ'ৰ গুৰু। এই গুৰু সমূহৰ ভিতৰত

'কামৰূ গুৰু'ক সৰ্বোচ্চ সন্মান প্ৰদান কৰা হয়। কাৰণ প্ৰচলিত বিশ্বাস অনুসৰি কামৰূ গুৰুৰ জৰিয়তেই চাওঁতাল সমাজত 'মন্ত্ৰ'ৰ প্ৰচলন আৰম্ভ হৈছিল।

চাওঁতাল সমাজত ওঝা সমূহে সকলো জাগতিক সমস্যা সমূহৰ অন্তৰালত থকা বুলি বিশ্বাস কৰা 'চাকেট বঙ্গা' সমূহ হ'ল ক্ৰমে — শিৱ ঠাকুৰ, বলমান ঠাকুৰ, ধৰতী মুনী মাই, ধৰতী মাই, জিতু সিং, মা মনসা, গঙ্গা গীৰা, পাৰ্বতি, পিৰ্থি কুওৰ, বেসেৎ কুওৰ, বাসবীৰ, মহাবীৰ, মহা পৰাসনাথ, মিলুংকু, সিংবাহনি, বাসপাহাৰ, ৰংগা পাহাৰ, বোকা পাহাৰি, পাচবহনি, পাহাৰদানা, ধান ঘাৰা, নৰসিং, লীলাবতি, মাৰাংবুড়ু, মৌন্‌ঝিহাৰাম, পৰগণা, দেস মৌন্‌ঝি, গোসাঁই এৰা, জাহেৰ এৰা, কাৰাচণ্ডন, চিক্ৰাবাৰী, মাই চাহৰি, চিৰকাউক, নাগ-নাগিন, লীলা চাণ্ডি, গাড় দানা, কাৰহাড় দানা, গড় শিংকা, সিংহাসৰ নট, সিংস'ৰ এক'ত ভাংসং, সগ্ৰামসিং, গুৰাইয়া, থুনতা তুৰচা, গুৰাইয়া চাওৰা, চোৰ দানা, জাতা চাওৰা, ধাৰা চাওৰা, ৰংগো ৰুজি, কাল চাওৰা, লীলা চাওৰা, লুৰী লোৰা, ঘাত চাওৰা, গাড় চাওৰা, জগ দানা, সাৰা দানা, চাণ্ডি দানা, লীলা দানা, বান্ধ কুওৰ, জলন কুওৰ, কেওলো কুওৰ, তাক বিৰাল, কাল বিচা, দুৰীয়া বৰড', কুন্দ্ৰা চাণ্ডি, কাল চাণ্ডি, ধানা চাণ্ডি, ধাৰা চাণ্ডি, সাৰা চাণ্ডি, বিচা চাণ্ডি, ৰিসা চাণ্ডি, নাচন চাণ্ডি, বান দুড়ি, ভেল'ৰা ৰাংগি, ৰাত্নি ৰাংগি, কুণ্ডলি পুখৰি, কাপাৎ দাৰহা, নাংগিন কইলো, লেলোড়ী, গোহাল ঘুড়া, আক দুৱাৰ, আক দেওৰা, কাল দেওৰা, ধাড়াপ কিয়াৰী, বিচা ৰাংগি, কেওলো ৰাংগি, বাৰ্‌সি ৰাংগি, ৰাংগিন চাংগিন, সল'মা সৰে, হিসি, দুমনি, উলুমপাইকা, জুলুমপাইকা, কাপি কাৰাণ, ভালৌৰা বিজাই, পাতি চিৰা, কাল ভইৰো, মাচাং কাল, ৰ'ক'ত কুঁওৰী ইত্যাদি।[১২৩]

কোকৰাঝাৰ জিলাৰ জয়পুৰ, গৌৰীনগৰ, দালাবাৰী আৰু গুগুঝৰা অঞ্চলৰ ক্ষেত্ৰ অধ্যয়নৰ পৰা সংগ্ৰহিত 'মান্‌তাৰ্‌' কিছুমান উল্লেখ কৰা হ'ল। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই 'মান্‌তাৰ্‌' সমূহৰ সৰহ সংখ্যই ত্ৰুটি পূৰ্ণ বাংলা আৰু বিহাৰী ভাষাৰ সংমিশ্ৰণ —

মূৰৰ বিষ দূৰ কৰা 'মানতাৰ' —

মাথা পিৰা কে ফুকে?

গুৰু গিয়ান মায় ফুকে।

ফুকাই চিৰি কাহৰি গিয়ান।

কামৰু দোহাই ফুকে।

চুতীয়া যা।[১২৪]

শৰীৰৰ বিভিন্ন অংশত হোৱা বিষ উপশমৰ বাবে ব্যৱহৃত 'মানতাৰ' —

বেথা বেথা

মুণ্ডেৰ বেথা

দাতেৰ বেথা

কোথাৰ বেথা

পাকাৰ বেথা

দণ্ডৰ বেথা

ই বেথাৰ বিস কে ঝাৰে?

গুৰু ঝাৰে, গুৰু গিয়ান

মায় ঝাৰে

ঝাৰে শ্ৰী কাহৰি গিয়ান

কামৰু দোহাই ঝাৰে।[১২৫]

এই মানতাৰ কোৱাৰ অন্তত ঝাৰ্ণী গোৱা হয় —

বেথাগোৰ বেথা

মুণ্ডেৰ বেথা

দাতেৰ বেথা

বেথাগোৰ বেথা

কোলাৰ বেথা

বেথাগোৰ বেথা

দণ্ডৰ বেথা

বিস ঝাৰণৰে

কোনেৰ গুৰু হামাৰ

ঝাৰই টো ঝাৰই?

কোনেৰ চেলা হামাৰ

ঝাৰা সেৰে বিস দো

মুণ্ডেৰ বেথা

দাতেৰ বেথা

কোথাৰ বেথা

পাঞ্জাৰ বেথা

দণ্ডৰ বেথা

বিস ঝাৰণ ৰে।[১২৬]

সাপে কামুৰিলে সেই বিষৰ পৰা পৰিত্ৰাণ পোৱা 'মানতাৰ'

পদ্দ পাতে জন্ম হঁলো

মানিক আৰ বিচাই ঠাকুৰ

তাই সত্তি জানি;

কোন তলে আগুন হবে

কোন তলে পানী

কোন তলে বিষ নামে?

বাতিচ লানী মহাদেৱ আমাৰ মা-বাপ?

গুৰুৰ মুহেৰ শিচ,

এক হাতে বিষ ঝাৰবো

দেখো তোৰ ধিচ

আইহৰ বাইহৰ যা

শিয়াৰ চাণ্ডোৰ মুখে যা।[১২৭]

-----

## প্ৰসংগ টোকা ঃ

১) বিৰিঞ্চি কুমাৰ বৰুৱা, অসমীয়া ভাষা আৰু সংস্কৃতি পৃ- ৭

২) লীলা গগৈ, অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, পৃ- ১

৩) উল্লিখিত, পৃ- ২

৪) G. A. Grierson, Linguistic Survey of India. Vol- IV, P.-32

৫) ড° সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ- ১৯

৬) ড° প্ৰফুল্লদত্ত গোস্বামী, অসমীয়া জন-সাহিত্য, পৃ-১১

৭) ড° নবীন চন্দ্ৰ শৰ্মা, লোক সংস্কৃতি, পৃ- ৪৯

৮) ড° সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ- ২১

৯) উল্লিখিত, পৃ- ২১

১০) ড° প্ৰফুল্লদত্ত গোস্বামী, অসমীয়া জন-সাহিত্য, পৃ-১১

১১) ড° নবীন চন্দ্ৰ শৰ্মা, লোক সংস্কৃতি, পৃ- ৫৪

১২) তথ্যজ্ঞাপক ঃ চানুৰাম হেমব্ৰম, পু, ৫৬, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

১৩) উল্লিখিত।

১৪) ধীৰেন্দ্ৰ নাথ বাস্কে, সাঁওতালী ভাষা ও সাহিত্যের ইতিহাস, পৃ- ৬৯

১৫) তথ্যজ্ঞাপক ঃ চানুৰাম হেমব্ৰম, পু, ৫৬, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

১৬) ধীৰেন্দ্ৰ নাথ বাস্কে, সাঁওতালী ভাষা ও সাহিত্যের ইতিহাস, পৃ- ৭০

১৭) বাবুলাল মুৰমু, হড় সেৰেঞ, পৃ-১

১৮) তথ্যজ্ঞাপক ঃ বৃন্দাবন হেমব্ৰম, পু, ৫০, শ্ৰীৰামপুৰ, কোকৰাঝাৰ।

১৯) বাবুলাল মুৰমু, হড় সেৰেঞ, পৃ-৪

২০) উল্লিখিত। পৃ-৫

২১) তথ্যজ্ঞাপক ঃ মঞ্জুলা হাসদা, ম, ৫০, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

২২) উল্লিখিত।

২৩) বাবুলাল মুৰমু, হড় সেৰেঞ, পৃ-৩৩

২৪) উল্লিখিত, পৃ- ৩৯

২৫) তথ্যজ্ঞাপক ঃ মঞ্জুলা হাসদা, ম, ৫০, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

২৬) উল্লিখিত।

২৭) তথ্যজ্ঞাপক ঃ মুনী হাসদা, ম, ৫৫, গুৰাবাৰী, কোকৰাঝাৰ।

২৮) উল্লিখিত।

২৯) উল্লিখিত।

৩০) বাবুলাল মুরমু, হড় সেরেঞ, পৃ-১৫৩

৩১) তথ্যজ্ঞাপক ঃ মুনী হাসদা, ম, ৫৫, গুৰাবাৰী, কোকৰাঝাৰ।

৩২) ধীরেন্দ্র নাথ বাস্কে, সাঁওতালী ভাষা ও সাহিত্যের ইতিহাস, পৃ- ১৫৪

৩৩) উল্লিখিত, পৃ- ১৬২

৩৪) তথ্যজ্ঞাপক ঃ শনিৰাম কিস্কু, পু, ৪৫, গৌৰীনগৰ, কোকৰাঝাৰ।

৩৫) উল্লিখিত।

৩৬) সহৰায় পৰবৰ তৃতীয় দিনা পালন কৰা অনুস্থানত নির্দিষ্ট কৰি ৰখা ক্ষেত্রত বান্ধি ৰখাৰ বাবে অনা ম'হ বা যাঁড় গৰু।

৩৭) তথ্যজ্ঞাপক ঃ শনিৰাম কিস্কু, পু, ৪৫, গৌৰীনগৰ, কোকৰাঝাৰ।

৩৮) উল্লিখিত।

৩৯) পরিমল হেমব্রম, চাওতালি সাহিত্যের ইতিহাস, পৃ- ৮২-৮৩

৪০) তথ্যজ্ঞাপক ঃ জেঠাৰাম মুৰ্মু, পু, ৫২, বিষমুৰী, কোকৰাঝাৰ।

৪১) ৰঙা লাউৰ খোলা দুচটা বাহৰ মাজত সুমাই তাৰ দি বনোৱা এবিধ বাদ্যযন্ত্র।

৪২) তথ্যজ্ঞাপক ঃ জেঠাৰাম মুৰ্মু, পু, ৫২, বিষমুৰী, কোকৰাঝাৰ।

৪৩) ধীরেন্দ্র নাথ বাস্কে, সাঁওতালী ভাষা ও সাহিত্যের ইতিহাস, পৃ- ১২৯-৩০

৪৪) তথ্যজ্ঞাপক ঃ জেঠাৰাম মুৰ্মু, পু, ৫২, বিষমুৰী, কোকৰাঝাৰ।

৪৫) উল্লিখিত।

৪৬) উল্লিখিত।

৪৭) পরিমল হেমব্রম, সাওঁতালি সাহিত্যের ইতিহাস, পৃ-৯৫

৪৮) তথ্যজ্ঞাপক ঃ মঞ্জুলা হাসদা, ম, ৫০, উত্তৰ পাটগাওঁ, কোকৰাঝাৰ।

৪৯) উল্লিখিত।

৫০) উল্লিখিত।

৫১) সুহৃদ কুমার ভৌমিক, সাওঁতালি গান ও কবিতা সংকলন, পৃ-৭৬

৫২) উল্লিখিত, পৃ-৭৬

৫৩) তথ্যজ্ঞাপক ঃ শনিৰাম কিস্কু, পু, ৪৫, গৌৰীনগৰ, কোকৰাঝাৰ।

৫৪) উল্লিখিত।

৫৫) তথ্যজ্ঞাপক ঃ মঞ্জুলা হাসদা, ম, ৫০, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

৫৬) উল্লিখিত।

৫৭) তথ্যজ্ঞাপক ঃ দাশমী মার্ডি, ম, ৩৫, গৌৰীনগৰ, কোকৰাঝাৰ।

৫৮) উল্লিখিত।

৫৯) তথ্যজ্ঞাপক ঃ সত্যনাথ টুডু, পু, ৩৮, গৌৰীনগৰ, কোকৰাঝাৰ।

৬০) ধীৰেন্দ্র নাথ বাস্কে, সাঁওতালী ভাষা ও সাহিত্যের ইতিহাস, পৃ- ৫৮

৬১) Dr. Birendranath Datta (Ed), Praphulladatta Goswami Rachanavali, P-127

৬২) উমেশ চেতিয়া, অসমৰ লোক-সংস্কৃতিৰ ৰূপৰেখা, পৃ-৯৪

৬৩) উল্লিখিত, পৃ-৯৪

৬৪) Dr. Birendranath Datta (Ed), Praphulladatta Goswami Rachanavali, P-129

৬৫) ড° নবীন চন্দ্ৰ শৰ্মা, লোক-সংস্কৃতি, পৃ-১৬৫

৬৬) Dr. Ratul Deka, A compartive study of the folktales of the Mising and Deori tribes in Assam in terms of structuralist narratology, পৃ-৬০-৬৩

৬৭) তথ্যজ্ঞাপক ঃ দাশমী মাৰ্দি, ম, ৩৫, গৌৰীনগৰ, কোকৰাঝাৰ।

৬৮) তথ্যজ্ঞাপক ঃ বেঞ্জামিন মুৰ্মু, পু, প্ৰয়াত, শ্ৰীৰামপুৰ, কোকৰাঝাৰ।

৬৯) উল্লিখিত।

৭০) তথ্যজ্ঞাপক ঃ চানুৰাম হেমব্ৰম, পু, ৫৬ , উত্তৰ পাটগাওঁ, কোকৰাঝাৰ।

৭১) উল্লিখিত।

৭২) উল্লিখিত।

৭৩) তথ্যজ্ঞাপক ঃ জেঠাৰাম মুৰ্মু পু, ৫২, বিষমুৰী, কোকৰাঝাৰ।

৭৪) তথ্যজ্ঞাপক ঃ থুমা টুডু (বিন্‌তি গুৰু), পু, ৫৭, পাণবাৰী, গৰুফেলা, কোকৰাঝাৰ।

৭৫) উমেশ চেতিয়া, অসমৰ লোক সংস্কৃতিৰ ৰূপৰেখা, পৃ-৮৯

৭৬) উল্লিখিত, পৃ- ৮৯

৭৭) ফুলকুমাৰী কলিতা, লোক-সংস্কৃতিৰ সুবাস, পৃ-২৯-৩২

৭৮) ধীরেন্দ্র নাথ বাস্কে, সাঁওতালী ভাষা ও সাহিত্যের ইতিহাস, পৃ- ৪৭

৭৯) উল্লিখিত, পৃ-৪৮

৮০-৮১) তথ্যজ্ঞাপক ঃ সোণা মুৰ্মু, ম, ৬২, গৌৰীনগৰ, কোকৰাঝাৰ।

৮২-৮৫) তথ্যজ্ঞাপক ঃ মঞ্জুলা হাসদা, ম, ৫০, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

৮৬) ফুলকুমাৰী কলিতা, লোক-সংস্কৃতিৰ সুবাস পৃ-১৫-১৬

৮৭) উমেশ চেতিয়া, অসমৰ লোকসংস্কৃতিৰ ৰূপৰেখা, পৃ-৭৯

৮৮) উল্লিখিত, পৃ- ৮১

৮৯-৯২) তথ্যজ্ঞাপক ঃ সৰোজিনী হাসদা, ম, ৪৫, শিয়ালমাৰী, কোকৰাঝাৰ।

৯৩-৯৭) তথ্যজ্ঞাপক ঃ মৃণালিনী মুৰ্মু, ম, ৫০, শিয়ালমাৰী, কোকৰাঝাৰ।

৯৮-১০৩) তথ্যজ্ঞাপক ঃ শিবু হাসদা, পু, ৫০, শিয়ালমাৰী, কোকৰাঝাৰ।

১০৪-১১৮) তথ্যজ্ঞাপক ঃ বেঞ্জামিন মুৰ্মু পু, প্ৰয়াত, শ্ৰীৰামপুৰ, কোকৰাঝাৰ।

১১৯) লীলা শৰ্মা, অসমৰ চাওঁতাল জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি, পৃ-১৪৮

১২০) ড° প্ৰফুল্লদত্ত গোস্বামী, অসমীয়া জন-সাহিত্য, পৃ-১৬১-১৬৩

১২১) উল্লিখিত গ্ৰন্থ- পৃ-১৬২

১২২) লীলা গগৈ, অসমীয়া, লোক-সাহিত্যৰ ৰূপৰেখা, পৃ-৫-৬

১২৩) P.O. Bodding, Studies in Santal Medicine and connected folklore,পৃ-৬৪-৬৭

১২৪-১২৭) তথ্যজ্ঞাপক ঃ ছোটৰায় হাসদা (ওঝা), পু, ৫০, পাটগাঁও, কোকৰাঝাৰ।

-----

# তৃতীয় অধ্যায়

# অসমৰ চাওঁতাল জনগোষ্ঠীৰ সমাজ ব্যৱস্থা

মানুহ সামাজিক প্ৰাণী হিচাপে পৰিচিত। সমাজ বহির্ভূত ভাবে মানুহ অকলে বাচি থাকিব নোৱাৰে। দৈনন্দিন জীৱনৰ বিভিন্ন প্ৰয়োজন পুৰণাৰ্থে মানুহ সংঘবদ্ধভাৱে বসবাস কৰে। এজনে আনজনৰ সৈতে মিলি জীৱনৰ আশা-আকাংক্ষা, প্ৰয়োজন আদি বাস্তবায়িত কৰাৰ উদ্দেশ্যে সংগবদ্ধভাৱে বসবাস কৰাৰ ব্যৱস্থাকে মানুহে সমাজ বুলি অভিহিত কৰে। সাধাৰণতে সমাজ বুলিলে মানৱ সৃষ্ট সমাজকেই বুজায় যদিও সমাজ মাথো মানুহৰ মাজতেই সীমাবদ্ধ নহয়। জীৱ-জন্তু, পশু-পক্ষীৰ মাজতো সমাজ বিদ্যমান। সেই সমাজৰ সৈতে মানৱ সমাজৰ পাৰ্থক্য হ'ল মানৱ সমাজ সামাজিক সচেতনতা, সামাজিক যোগাযোগ আৰু স্বীকৃত ব্যৱহাৰিক প্ৰণালীৰে পৰিচালিত। প্ৰকৃত সমাজ হিচাপে আত্মপ্ৰকাশ কৰাৰ ক্ষেত্ৰত মানুহৰ মাজত পাৰস্পৰিক সচেতনতা আৰু সংঘবদ্ধ জীৱন এই দুটা মৌলিক বৈশিষ্ট্য ৰক্ষিত হোৱা দেখা যায়।

এইক্ষেত্ৰত সমাজতাত্বিক ডিমলে ডেভিসৰ মন্তব্যটোক অগ্ৰাধিকাৰ দিব পাৰি। তেওঁ সমাজ সম্পৰ্কে ব্যক্ত কৰিছে যে মানুহে তেওঁলোকৰ সামাজিক প্ৰয়োজন নিৰ্দিষ্ট ব্যৱহাৰিক প্ৰণালীৰ জৰিয়তে পূৰণ কৰিবলৈ উদ্যোগী হয়। এই ব্যৱহাৰিক প্ৰণালী হঠাৎ গঢ় লৈ নুঠে। নিৰবচ্ছিন্ন ভাৱে দীৰ্ঘদিনৰ প্ৰচেষ্টাত মানুহৰ মাজত সামাজিক ব্যৱহাৰে স্বীকৃতি পায় আৰু সকলোৰে সেয়া মানি চলে। সামাজিক ক্ৰিয়া-প্ৰক্ৰিয়া আৰু যোগাযোগৰ মাধ্যমেৰে প্ৰজন্মৰ পিচত প্ৰজন্ম ধৰি মানুহে তেওঁলোকৰ নিজস্ব সংস্কৃতি, সামাজিক ৰীতি-নীতি আৰু ব্যৱহাৰিক প্ৰণালী বৰ্তাই ৰাখে।[১] অন্যান্য প্ৰাণীৰ তুলনাত মানুহে উক্ত বিষয়সমূহ ধৰি ৰাখিবলৈ সক্ষম হোৱাৰ অন্যতম কাৰক হৈছে ভাষা। ভাষাৰ মাধ্যমত তেওঁলোকে তেওঁলোকৰ অভিব্যক্তি,

ইচ্ছা আৰু প্ৰয়োজনৰ কথা পৰিষ্কাৰ ভাৱে প্ৰকাশ কৰিব পাৰে। ভাষাৰ ব্যৱহাৰৰ জৰিয়তে মানৱ সমাজে নিজৰ মনৰ কথা পৰস্পৰৰ মাজত বিস্তাৰিত ভাবে জানিবৰ সুযোগ পায় আৰু তাৰ জৰিয়তে মানুহৰ মাজত একধৰণৰ মানসিক সম্বন্ধ স্থাপন সম্ভৱপৰ হৈ উঠে। পৰৱৰ্তী সময়ত ভাষাৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠে সামাজিক সচেতনতা আৰু অভিন্ন দৃষ্টিভংগী। ভাষাই যেনেদৰে মানৱ সভ্যতাক বিকাশ লাভ কৰাত সহায় কৰিছে, তেনেদৰে সমাজক সংহত আৰু দৃঢ় কৰিছে। মানুহে যদি ভাষাৰ ব্যৱহাৰ নাজানিলেহেতেন তেন্তে মানুহৰ মাজত কেতিয়াও সামাজিক সচেতনতা আৰু সমষ্টি হিচাপে বসবাস কৰাৰ প্ৰৱণতা গঢ়ি নুঠিলেহেতেন আৰু হয়তো গঢ়ি নুঠিলেহেতেন সামাজিক অনুশাষণ আৰু সামাজিক শৃংখলা। সমাজ বিজ্ঞানীসকলৰ মতে মানৱ সমাজৰ দুটা দিশ থাকে তাৰ ভিতৰত এটা হ'ল সমাজ কেনে ধৰণৰ হোৱা উচিত আৰু আনটো সমাজৰ বাস্তৱ অৱস্থা কেনে ধৰণৰ হোৱা উচিত। মানুহৰ সাংস্কৃতিক ঐতিহ্যই নিৰ্দ্ধাৰিণ কৰে সমাজত কি হোৱা উচিত অথবা কি হোৱা অনুচিত আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই সামাজিক অনুশাষণ আৰু ৰীতি নীতি নিৰ্মাণ হয়। এই অনুশাষণৰ বিৰুদ্ধাচৰণ কৰা ব্যক্তিক শাস্তি প্ৰদান বিধানৰ জৰিয়তে সামাজিক শৃংখলা ঘূৰাই আনিবলৈ চেষ্টা কৰা হয়। সাংস্কৃতিক ঐতিহ্য বহনকাৰী এই ৰীতি নীতি সমূহ ভাষাৰ জৰিয়তে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰৱাহিত কৰা হয়। সেইবাবে সঠিক অৰ্থত ক'বলৈ গ'লে সমাজ বিকশিত হ'বলৈ হ'লে সামাজিক ঐতিহ্য আৰু পৰম্পৰা অতি গুৰুত্বপূৰ্ণ উপাদান।

সমসত্বতা (Homogeneity) অসমৰ চাওঁতাল সমাজখনৰ মুখ্য চালিকা শক্তি। সমাজ গঠনৰ ক্ৰমবিকাশত বিভিন্ন সময়ত ঘটি অহা বিক্ষেপণ, সংকট, বিভিন্ন ৰাজনৈতিক, সাংস্কৃতিক আৰু ধৰ্মীয় পৰিৱৰ্তন স্বত্বেও চাওঁতালসকলে তেওঁলোকৰ সমগোত্ৰীয় পৰিচয়, ভাষা, ৰীতি-নীতি আৰু সামাজিক অনুষ্ঠান ধৰি ৰাখিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত দত্ত-মজুমদাৰৰ মন্তব্য উল্লেখযোগ্য। যথা —

*"The traditional democratic organization of the Santal has ... shown tenaciousness in continued existence in those areas where*

*direct political pressure has been brought to bear upon it .... In spite of the adoption of few Hindu deities and festivals, and the abandonment of few festivals ... the basic character of Santal religion has been seen to remain intact ... different aspects of (the) Santal way of life have shown a differential rate of change, yet the interrelationship of various aspects in the dynamics of change has not led to a disintegration of Santal culture as a whole. Change in one aspect, rather has led to a concomitant change in another."* [২]

**অৰ্থ ঃ** চাওঁতালসকলৰ পাৰম্পৰিক গণতান্ত্ৰিক অনুষ্ঠানসমুহে, প্ৰত্যক্ষ ৰাজনৈতিক হেঁচাৰ সন্মূখীন হোৱা ক্ষেত্ৰসমূহত নিৰন্তৰ প্ৰভাৱ অব্যাহত ৰখাৰ ক্ষেত্ৰত দৃঢ়তা দেখুৱাইছে। কিছুমান হিন্দু দেৱ-দেৱী আৰু উৎসৱ আদিক আদৰি লোৱা স্বত্বেও চাওঁতাল ধৰ্মৰ মৌলিক বৈশিষ্টসমূহ অক্ষুণ্ণ অৱস্থাত আছে। চাওঁতালসকলৰ জীৱনধাৰাৰ বিভিন্ন দিশত জাতিগত বৈশিষ্ট্যমূলক পৰিৱৰ্তন দেখা যায় যদিও পৰিৱৰ্তনৰ ধাৰাত বিভিন্ন দিশৰ আন্তঃসম্পৰ্কই সামগ্ৰিকভাৱে চাওঁতাল সংস্কৃতিৰ সংহতিক ব্যাহত কৰা নাই।

চাওঁতালসকলে এক সু-সংঘবদ্ধ সামাজিক জীৱনশৈলীৰ অনুসৰণ কৰে। সিসমূহ তেওঁলোকৰ পাৰম্পৰিক সামাজিক আৰু ন্যায়িক অনুষ্ঠানৰ ওপৰত ভিত্তি কৰি নিৰ্মিত হৈছে। এই সামাজিক আৰু ন্যায়িক ব্যৱস্থা তেওঁলোকে পূৰ্বপুৰুষপ্ৰদত্ত অভিজ্ঞতাৰ ফচল বুলি মানি চলে।

চাওঁতালসকল তেওঁলোকৰ চাওঁতালী সত্তাৰ ক্ষেত্ৰত খুবেই সচেতন আৰু এই সত্তাৰে তেওঁলোক ৰঞ্জিত। চাওঁতালসকলৰ পাৰম্পৰিক লোককথাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা একতা আৰু ভাতৃত্ববোধৰ গভীৰতম চেতনা পৰ্য্যবেক্ষণ কৰি ডব্লিউ. জি. আৰ্চাৰে উল্লেখ কৰিছে যে চাওঁতাল জীৱনত গোত্ৰ বা পৰিয়ালতকৈ জনগোষ্ঠীটো বেছি তাৎপৰ্য্য পূৰ্ণ কৰ।[৩] বিভিন্ন আনুষ্ঠানিক পৰ্বৰ যোগেদি তেওঁলোকে নিজৰ জনগোষ্ঠীটোৰ প্ৰতি থকা আনুগত্যতা প্ৰদৰ্শন

কৰে। তেওঁলোকৰ লোকতান্ত্ৰিক, ন্যায়িক আৰু প্ৰশাসনিক অনুষ্ঠানসমূহ এনেদৰে এটাৰ সৈতে আনটো সংপৃক্ত হৈ আছে যে সেই সমূহক পৃথক পৃথককৈ অনুধাৱন কৰিব পৰা নাযায়।

## পৰিয়াল ঃ

সমাজ বিজ্ঞানত পৰিয়াল এটি মৌলিক আৰু ক্ষুদ্ৰ একক হিচাপে স্বীকৃত যদিও সমাজবিজ্ঞানী সকলৰ মাজত পৰিয়ালৰ সংজ্ঞা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত দ্বিমতৰ অন্ত নাই। তথাপি সাধাৰণতে একেই বাসস্থানত অভিভাৱক আৰু সতি-সন্ততিৰ মাজত পৰস্পৰিক সম্পৰ্কৰ ব্যৱস্থাকে পৰিয়াল বুলি কোৱা হয়। পৰিয়াল হ'ল এনে এটিগোষ্ঠী য'ত স্বামী-স্ত্ৰীৰ মাজত সুনিৰ্দ্দিষ্ট যৌন সম্পৰ্কৰ জৰিয়তে সন্তানৰ জন্ম, লালন-পালন আৰু ডাঙৰ হৈ উঠাত সহায়ক হয়। পৰিয়াল প্ৰথমে বিবাহৰ বান্দোনত বন্ধ হৈ সন্তান গ্ৰহণৰ জৰিয়তে আৰম্ভ হয়। দ্বিতীয়তে, পৰিয়ালৰ সদস্য সকলে একেই স্থানতে বসবাস কৰে যদিও অস্থায়ীভাৱে কোনো সদস্য আন আন ঠাইত বাস কৰিবও পাৰে। তৃতীয়তে, পৰিয়াল এনেবোৰ ব্যক্তিৰ দ্বাৰা গঠিত যাৰ মাজত কোনোবা স্বামী, কোনোবা স্ত্ৰী, কোনোবা মাতৃ, কোনোবা পিতৃ, কোনোবা পুত্ৰ, কোনোবা কন্যা, কোনোবা ভাই, কোনোবা ভনী হিচাপে সামাজিক ভূমিকা পালন কৰে। চতুৰ্থতে, সকলো পৰিয়ালৰ নিজস্ব কিছু সংস্কাৰ থাকে আৰু পৰিয়ালৰ সদস্য সকলে যথাসম্ভৱ সেই সংস্কাৰসমূহ পালন কৰিবলৈ চেষ্টা কৰে।

সামাজিক প্ৰতিস্থানবোৰৰ ভিতৰত পৰিয়ালেই হ'ল সবাতোকৈ বেছি সাৰ্বজনীন। কাৰণ এনে কোনো সমাজ নাই য'ত পৰিয়াল দেখিবলৈ পোৱা নাযায়। আকাৰগত আৰু পৰিকাঠামোগত বিভিন্নতা স্বত্বেও পৰিয়ালৰ অস্তিত্ব আৰু গুৰুত্ব সৰ্বজনস্বীকৃত।

পৰিয়ালক এটি মৌলিক একক হিচাপে আত্মপ্ৰকাশ কৰাৰ আন এটা কাৰণ হ'ল এই যে পৰিয়ালে বহুকেইটা গুৰুত্বপূৰ্ণ সামাজিক ভূমিকা পালন কৰে। প্ৰথমতে, পৰিয়ালৰ জৈৱিক ভূমিকাৰ কথা উল্লেখ কৰিব পাৰি। মা-দেউতাৰ মাজত সমাজ স্বীকৃত যৌন সম্পৰ্কৰ বাহিৰেও পৰিয়াল হ'ল শিশুসকলৰ লালন পালন আৰু পৰিচৰ্যাৰ স্থান। দ্বিতীয়তে, পৰিয়াল ব্যৱস্থাৰ জৰিয়তে ব্যক্তিজীৱনৰ বিভিন্ন প্ৰয়োজন পূৰণ কৰা সম্ভৱ। বিশেষকৈ ব্যক্তিজীৱনৰ আৰম্ভণি অৰ্থাৎ শৈশৱত বিভিন্ন ধৰণৰ প্ৰয়োজন ৰক্ষা কৰাৰ দৰকাৰ। তৃতীয়তে, পৰিয়ালৰ জৰিয়তেই

সামাজিকৰণ প্ৰক্ৰিয়া সঠিকভাৱে আগবাঢ়ি যোৱাত সহায়ক হয় কাৰণ পৰিয়াল হ'ল শিশুৰ সামাজিক ভূমিকা কি ধৰণে পালন কৰিব লাগে সেয়া প্ৰশিক্ষণ দিয়াৰ প্ৰথম কেন্দ্ৰ। চতুৰ্থতে, পৰিয়ালে বিভিন্ন ধৰণৰ অৰ্থনৈতিক আৰু ব্যৱসায়িক উদ্যোগ পালন কৰে। যাৰ বাবে বহুতে পৰিয়ালক এটি অৰ্থনৈতিক একক হিচাপেও গণ্য কৰে। পঞ্চমতে, পৰিয়ালৰ ভিত্তিতে বংশপৰম্পৰাগত ভাৱে সম্পত্তিৰ অধিকাৰ বৰ্তি থাকে। ষষ্ঠতে, পৰিয়ালৰ জৰিয়তেই মহিলা আৰু পুৰুষৰ মাজত পাৰম্পৰিক প্ৰেম, স্নেহ আৰু সুখ-স্বাচ্ছন্দ্য বৰ্তাই ৰখা সম্ভৱ হয়। পৰিয়াল আকৌ বিভিন্ন আকাৰৰ হোৱা দেখা যায়। যি পৰিয়াল মাথো পিতৃ-মাতৃ আৰু তেওঁলোকৰ সন্তানৰে গঠিত সেই পৰিয়ালক একক পৰিয়াল (Neclear Family) বুলি কোৱা হয়। সাম্প্ৰতিক সময়ত অধিকাংশ পৰিয়ালেই একক পৰিয়ালৰ শ্ৰেণীভুক্ত। যি পৰিয়ালত বহুকেইটা প্ৰজন্ম একেলগে বসবাস কৰে তেনেধৰণৰ পৰিয়ালক কোৱা হয় যৌথ পৰিয়াল (Extended Family)। আনহাতে কেতিয়াবা এন ধৰণৰ বহু পৰিয়াল দেখা যায় য'ত পৰিয়ালৰ সদস্যসকলে নিজ গোষ্ঠীয় সদস্যৰ সতেহে বিবাহ পাশত আৱদ্ধ হয়। তেনে ধৰণৰ পৰিয়ালক সগোত্ৰীয় পৰিয়াল (Endogamous Family) বুহি অভিহিত কৰা হয়। আনহাতে যিবোৰ পৰিয়ালে অন্য গোত্ৰীয় সদস্যৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপন কৰে তেনেধৰণৰ পৰিয়ালক বৰ্হিগোত্ৰীয় পৰিয়াল (Exogamous Family) বুলি কোৱা হয়।

আনহাতে বিবাহৰ ভিত্তিত গঢ়ি উঠা বিভিন্ন প্ৰকাৰৰ পৰিয়ালো দেখা যায়। যি পৰিয়ালত এজন পুৰুষৰ সৈতে মাথো এজনী মহিলাৰ বিবাহ সূত্ৰে গঢ়ি উঠে সেই পৰিয়ালক কোৱা হয় একবিবাহ পৰিয়াল (Monogamous Family)। আনহাতে এজন পুৰুষৰ সৈতে একাধিক মহিলাৰ বিবাহ সূত্ৰে গঢ়ি উঠা পৰিয়ালক কোৱা হয় বহুবিবাহ পৰিয়াল (Polygamous Family)। যি পৰিয়ালৰ কৰ্তৃত্ব মহিলাৰ হাতত থাকে সেই পৰিয়ালক কোৱা হয় মাতৃতান্ত্ৰিক পৰিয়াল (Matriarchal Family)। আনহাতে যি পৰিয়াল পুৰুষকেন্দ্ৰীয় অৰ্থাৎ যি পৰিয়ালৰ মুৰব্বী পুৰুষ তেনেকুৱা পৰিয়ালক কোৱা হয় পিতৃতান্ত্ৰিক পৰিয়াল (Patriarchal Family)। আনহাতে যিসমূহ পৰিয়ালৰ বংশ লতা পিতৃ পৰিয়ালৰ সৈতে সংযুক্ত সেই সমূহ পৰিয়ালক কোৱা হয় পিতৃৰৈখিক পৰিয়াল (Patrilineal Family) আৰু যি সমূহ পৰিয়ালৰ বংশ লতা মাতৃ বংশৰ সৈতে সংযুক্ত সেই পৰিয়ালক কোৱা হয় মাতৃৰৈখিক পৰিয়াল (Matrilineal Family)। বিবাহৰ পাছত পৰিয়ালে

কোন স্থানত বসতি স্থাপন তাৰ ভিত্তিতো পৰিয়ালৰ নামকৰণ কৰা হয়। বিবাহৰ পাছত নৱদম্পতী যদি স্বামী গৃহত বসবাস কৰে তেন্তে সেই পৰিয়ালক কোৱা হয় স্বামী গৃহত বসবাস কাৰী পৰিয়াল (Patrilocal Family)। আনহাতে বিবাহৰ পাছত স্বামী স্ত্ৰী উভয়ে যদি স্ত্ৰীৰ ঘৰত বসবাস কৰে সেই পৰিয়ালক কোৱা হয় স্ত্ৰীৰ ঘৰত বসবাসকাৰী পৰিয়াল (Matrilocal Family)।[৪]

যদিও অসমৰ চাওঁতালসকলে একক পৰিয়াল ব্যৱস্থাৰ প্ৰতি লাহে লাহে গতি কৰিছে, কিন্তু সৰহভাগেই পুৰ্বৰ যৌথ পৰিয়াল ব্যৱস্থাকেই অনুসৰণ কৰা দেখা যায়। পিতৃতান্ত্ৰিক সমাজ হোৱা হেতুকে, পৰিয়ালবোৰো পিতৃকেন্দ্ৰীক আৰু কইনাই দৰাৰ লগত দৰাৰ ঘৰত নতুন পৰিয়ালটোৰ সৈতে থাকিবলৈ লয়। অৱশ্যে কিছুমান ক্ষেত্ৰত ব্যতিক্ৰমো পৰিলক্ষিত হয়। সাধাৰণতে পিতৃয়েই ঘৰখনৰ প্ৰধান হোৱা হেতুকে তেওঁৰ ওপৰতে সকলো কৰ্তৃত্ব ও স্বত্ব ন্যস্ত থাকে। তেৱেঁই হৈছে পৰিয়ালৰ সম্পত্তিৰ একমাত্ৰ স্বত্বাধিকাৰী আৰু প্ৰশাসক। পৰিয়ালৰ সকলো সদস্যই সেইজনাক সন্মান আৰু সমীহ কৰি চলাটো পৰিয়ালৰ নিয়ম। পিতৃৰ অনুপস্থিতিত, ঘৰৰ ডাঙৰ ল'ৰাই পিতৃৰ প্ৰতিনিধি হিচাপে পৰিয়ালৰ দায়িত্ব মুৰপাতি লয়।

পিতৃ প্ৰধান সামাজিক ব্যৱস্থাৰ বাবে পিতৃ, পিতৃৰ ফালৰ পুৰুষৰ গুৰুত্ব মাতৃ বা মাতৃৰ ফালৰ পুৰুষৰ গুৰুত্বৰ তুলনাত বেছি। পুৰুষানুক্ৰমে চলি অহা নিয়ম-নীতিবোৰৰ প্ৰচলন চাওঁতালসকলৰ মাজত এতিয়াও প্ৰচলিত। ঘৰৰ পৰিয়ালৰ সদস্যসকলক খাদ্য, আশ্ৰয়, বেমাৰ-আজাৰৰ বাবে খৰচ আদি বহন কৰাটো মূৰব্বী পুৰুষ জনৰ দায়িত্বত পৰে। আনহাতে, গৃহিণীগৰাকী ঘৰুৱা কাম-বনৰ বাবে দায়বদ্ধ থাকে। তদুপৰি গৃহিণীগৰাকীয়ে পুৰুষগৰাকীক কৃষিকাৰ্য, মাছ মৰা আদি কামত সহায় কৰে। ঘৰৰ ডাঙৰ ল'ৰাই তেওঁলোকৰ দেউতাকক খেতি পথাৰত সহায় কৰে। একেদৰে জীয়ৰীবোৰে মাকক ঘৰৰ কাম-বনত সহায় কৰে। মহিলাক কেতবোৰ ধৰ্মীয় আৰু প্ৰশাসনিক কাম-কাজৰ পৰা বিৰত ৰখা হয় যদিও পৰিয়ালত অৰ্থনৈতিক দিশৰ পৰা তেওঁলোকৰ গুৰুত্ব নথকা নহয়। তেওঁলোকৰ কাম আৰু ভূমিকাৰ পৰা এটা কথা সহজে অনুমেয় যে তেওঁলোকেও পৰিয়ালৰ মাজত একধৰণৰ কৰ্তৃত্ব আৰু স্বাধীনতা লাভ কৰে।

দৰাৰ বাবে এগৰাকী কইনা অনা হয় যাৰ বাবে কইনাৰ মূল্য আদায় দিব লগা হয়। এনে ব্যৱস্থাত কইনাই দৰাৰ ঘৰত শাহু-শহুৰৰ লগত থাকিবলৈ লয়। পুত্ৰই পৈত্ৰিক সম্পত্তিৰ অধিকাৰী হয়। এনে ব্যৱস্থাত উত্তৰাধিকাৰী কেৱল পুৰুষ হয়। কিন্তু কেতিয়াবা কিছুমান বিশেষ পৰিৱেশত কইনাৰ বাবে দৰা এজন অনা হয় আৰু তাৰ বাবে কোনোধৰণৰ মূল্য আদি দিবলগা নহয় আৰু দৰাই কইনাৰ ঘৰত স্থায়ীভাৱে থাকিবলৈ লয়। এইক্ষেত্ৰত নাতিয়ে ককাদেউতাকৰ পৰা জীয়েকৰ যোগেদি সম্পত্তিৰ উত্তৰাধিকাৰী হয়। জী আৰু জোঁৱাই দুয়োগৰাকীয়ে সম্পত্তিৰ ব্যৱহাৰৰ অধিকাৰ পায় যদিও পোনপটীয়াকৈ সম্পত্তিৰ উত্তৰাধিকাৰী হ'ব নোৱাৰে। আনহাতে আন কিছুমান বিশেষ পৰিস্থিতিত কইনাৰ বাবে দৰা অনা হয় আৰু বিয়াৰ পাছত দৰাজন পাঁচ বছৰৰ কাৰণে শহুৰেকৰ ঘৰত খাদ্য আৰু আশ্ৰয়ৰ বাদে আন কোনো পাৰিশ্ৰমিক নোপোৱাকৈ থাকে। অবশ্যে দৰাজনৰ বাবে এটা গৰু অথবা মাটি এটুকুৰা সংৰক্ষিত কৰি ৰখা থাকে যাতে পাঁচ বছৰ সম্পূৰ্ণ হোৱাৰ পাছত তেওঁ ইচ্ছা কৰিলে থাকিব পাৰে অথবা নিজৰ গৃহলৈ পৰিয়াল সমন্বিতে ঘূৰি যাব পাৰে। কইনাৰ বাবে কোনোধৰণৰ মূল্য দিয়া নহয়। এইক্ষেত্ৰতো উত্তৰপুৰুষ কেৱল পিতৃৰ ফালৰহে হয়।

## গাওঁ ঃ

গাওঁ হৈছে স্বতন্ত্ৰ মানৱ প্ৰতিষ্ঠান। এই গাওঁতেই ব্যক্তিৰ সৈতে ব্যক্তিৰ আৰু পৰিয়ালৰ সৈতে পৰিয়ালৰ ভাৱৰ সামাজিক আদান প্ৰদান ঘটে। প্ৰাচীন আৰু পৰম্পৰাগত প্ৰতিষ্ঠান স্বৰূপে চাওঁতাল গাওঁবোৰে নিজস্ব সামাজিক, ৰাজনৈতিক আৰু বিধিগত কাঠামো গঢ়ি-পিটি লৈছে। বঙ্গাৰ অৰ্থাৎ দেৱতাৰ বিশেষ বিধানৰ ৰূপত এই সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাই নিজস্ব গঢ় লাভ কৰিছে আৰু ইয়াক পৱিত্ৰতা প্ৰদান কৰিছে। চাওঁতালসকলে বিশ্বাস কৰে যে এই বিশ্বখন শুভ আৰু অশুভ বঙ্গাৰে আৱৰি আছে। সেয়ে প্ৰকৃতিৰ সমন্বয় অটুট ৰখাৰ স্বাৰ্থতে পৰোপকাৰী বঙ্গাক সন্তুষ্ট কৰি ৰখাটো প্ৰয়োজন। আনফালে শস্য আৰু গাওঁৰ সুখ-সমৃদ্ধিত অপদেৱতাৰ কু-দৃষ্টি নপৰাকৈ ৰখাৰ বাবেও অপদেৱতাসমূহক পূজা-অৰ্চনা কৰিবলগা হয়। উপকাৰী আৰু অপকাৰী বঙ্গাৰ মাজত সমন্বয়ৰ অভাৱৰ ফলতেই পাৰিবাৰিক আৰু সামাজিক গোটসমূহৰ মাজত কন্দল, প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী আদিয়ে দেখা দিয়ে

বুলিও চাওঁতালসকলে বিশ্বাস কৰে। অসমৰ ঘনবসতিপূৰ্ণ অঞ্চলবোৰত গছ-গছনিৰ সংখ্যা ক্ৰমাত কমি অহাত চাওঁতালসকলে হাবি বা হাবিৰ দাতি কাষৰীয়া অঞ্চল সমূহত বসবাস কৰি আহিছে। চাওঁতালসকলে অকলশৰীয়াকৈ ঘৰ সাজি নাথাকে যদিও সাধাৰণতে সৰল ৰেখাৰ দৰে দীঘল দীঘল শাৰী পাতি ঘৰ সাজিও বাস নকৰে। তেওঁলোকে আহল-বহল মাটি এটুকুৰাত জোখ-মাপ কৰি ৰাস্তাৰ দুয়োকাষে ঘৰ সজাৰ বাবে প্ৰত্যেক ঘৰ গৃহস্থকে নিৰ্দেশ দিয়ে। মাটিৰ এই ভাগবোৰ আকৌ একেসমান নহয়। তদুপৰি, প্ৰত্যেক ঘৰৰে সীমাকৰি দিয়া নিজা পথাৰ থাকে। ইয়াৰ লগতে প্ৰত্যেকৰে অনাময়ৰ ব্যৱস্থাও থাকে। পৰিয়ালৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি চাওঁতালসকলৰ গাওঁৰ আকাৰ সৰু-ডাঙৰ হয়। চাওঁতাল ঘৰবিলাক 'কুলহি' অৰ্থাত মূল ৰাস্তাৰ দিশে মুখ কৰি নাথাকে।

গাওঁ এখন প্ৰতিস্থা কৰাৰ আগেয়ে শুভাশুভ লক্ষণ চোৱা হয়। কোনো এটুকুৰা নিৰ্দিষ্ট স্থানত চৰিকোণত চাৰিটা বেদী সাজি সেই বেদীত আৰৈ চাওল ৰখা হয়। সোঁমাজত আৰৈ চাউল, দূবৰি, ঘট আৰু ধূপ জ্বলাই এৰাতি ৰাখি দিয়া হয়। পিচদিনা গৈ নিৰীক্ষণ কৰা হয়। যদি দেখা যায় যে চাৰিওটা বেদীৰ চাউল সোমাজৰ পিনে নামি আহিছে তেন্তে শুভ লক্ষণ বুলি গ্ৰহণ কৰি উক্ত স্থানত গাওঁখন প্ৰতিষ্ঠা কৰে। একেদৰে প্ৰতিটো পৰিয়ালৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰটো উল্লিখিত সেই পদ্ধতিটোৰ জৰিয়তে শুভা-শুভ লক্ষণ চোৱা হয়। কোনো কোনো ঠাইত আকৌ আন এক পদ্ধতিৰেও শুভা-শুভ লক্ষণ চোৱা হয়। সেই পদ্ধতি অনুসৰি একলোতা পানীত আমপাত ৰাখি লোতাটোৰ চাৰিওফালে এৰাঁ সূতা বান্ধি ৰাতিটোৰ বাবে থৈ দিয়া হয় আৰু পিছৰ দিনা নিৰীক্ষণ কৰা হয়। যদি চাৰিওফালে বান্ধি ৰখা সূতা অক্ষত অৱস্থাত থাকে তেন্তে ভাল লক্ষণ আৰু সূতা চিঙিলে অশুভ লক্ষণ হিচাপে বিবেচিত হয়।

গাওঁ একোখনত বিভিন্ন টোলা বা চুবুৰী থাকে। একেবাৰে পিচফালে থকা অংশটো 'লাতাৰ টোলা', মাজৰ অংশটো 'তালাটোলা' আৰু সন্মুখৰ অংশটোক 'চেতানটোলা' কোৱা হয়। আনহাতে মূল ৰাস্তা যদি ভাজ হৈ যিকোনো একাষে গতি কৰে সেই ভাজহোৱা অংশৰ ফালে থকা চুবুৰীটোক 'কাড়বাটোলা' বুলি কোৱা হয়। চাওঁতালসকলে পানীৰ বাবে সাধাৰণতে প্ৰাকৃতিক উৎস যেনে জান-জুৰি, নদ-নদী আদিৰ ওপৰত নিৰ্ভৰশীল। তদুপৰি তেওঁলোকে

নিজাকৈ বা কেইঘৰমান মানুহে লগ লাগি কুঁৱাও খান্দে। ঘৰৰ বাহিৰত বা ভিতৰত বাঁহৰ চাং পাতি মাটিৰ পৰা ওখ স্থানত মাটিৰ পাত্ৰত পানী ৰখাৰ ব্যৱস্থা কৰে।

## জাহেৰ থান ঃ

জাহেৰথান হৈছে চাওঁতাল গাওঁ এখনৰ অপৰিহাৰ্য্য অনুষ্ঠান য'ত সামূহিক প্ৰাৰ্থনা কৰা হয়। জাহেৰে থান উলূৱনিৰ মাজত থকা শাল আৰু মহুৱা গছৰ সংমিশ্ৰনত বনোৱা হয়। 'বাহা' উৎসৱৰ সময়ত উলূখেৰৰ 'দুৰিঞ' বনাই সূতাৰে উলুখেৰ টুপিৰ আকাৰত বান্ধি এনে তিনি বা পাঁচটা 'দুৰিঞ' খুটাত সূতাৰে বান্ধি ওলোমাই ৰখা হয়। জাহেৰ থান সাধাৰণতে শালগছ আৰু মহুৱা গছৰে আবৃত স্থানত স্থাপন কৰা হয়। এয়া হৈছে এনে এক পৱিত্ৰ স্থান য'ত গাঁওৰ সকলো 'জাহেৰ বঙ্গা' বাস কৰে যাক মাৰাং বুড়ু, মোৰেকা-টুৰুইকো, জাহেৰ এৰা, গোসাঁই এৰা আৰু পৰগণা বঙ্গা বুলি কোৱা হয়। এই দেৱ-দেৱীসকলক তেওঁলোকে জাতীয় বঙ্গা বুলি বিবেচনা কৰে আৰু বিভিন্ন প্ৰমুখ উৎসৱ যেনে সহৰায়, বাহা, এৰক চিম, হাঁড়িয়াৰ চিম আৰু জান্থাৰ আদিত তেওঁলোকক এই পৱিত্ৰ স্থানতে উপাসনা কৰে।

জাহেৰ থান চাওঁতাল সমাজৰ মূল বঙ্গাসকলৰ ধাম বুলি কোৱা হয়। এই স্থান গাওঁৰ পশ্চিম কোণত থাকে। গাওঁৰ গুৰুত্বপূৰ্ণ অনুষ্ঠান আদিৰ সময়ত গাওঁবাসীয়ে 'নাইকি'ৰ অৰ্থাৎ পুৰোহিতৰ যোগেদি মূল বঙ্গাসকললৈ নিজৰ তথা পৰিয়াল বা সমাজৰ কুশলাৰ্থে পূজা-অৰ্চনা কৰে। জাহেৰ থানৰ সৈতে গাওঁৰ আত্মীয়তাই পৰম্পৰাগত একতাৰ ভাৱ প্ৰকাশ কৰে। এখন গাওঁৰ বাবে এখেনেই জাহেৰ থান থাকে।

## মৌন্‌ঝিথান ঃ

মৌন্‌ঝিথান হ'ল গাওঁৰ গাওঁবুঢ়াসকলৰ পৱিত্ৰ আত্মাৰ বাসস্থান। এই মৌন্‌ঝি থান নিৰ্বাচনৰো এক নিৰ্দিষ্ট পদ্ধতি থাকে আৰু উক্ত পদ্ধতিটোক 'টাক্‌টাকি' পদ্ধতি বুলি কোৱা হয়। এজন ওঝাৰ লগত এডাল বেতৰ লাঠি থাকে। ওঝাই মন্ত্ৰ মাতে। সেই মন্ত্ৰৰ প্ৰভাৱত সমজুৱাৰ মাজত কাৰোবাৰ শৰীৰত দেও লম্ভে। তেওঁ ওঝাৰ হাতৰ পৰা লাঠি ডাল কাঢ়ি লৈ মাটিত 'থক্ থক্' শব্দ কৰি আগুৱাই যায়। য'ত লাঠি স্থিৰ হয় উক্ত স্থানডোখৰক মৌন্‌ঝি থানৰ

বাবে উপযুক্ত বিবেচনা কৰা হয়। উল্লেখযোগ্য যে 'জাহেৰ থান' ৰ  ক্ষেত্ৰতো একেই পদ্ধতিৰে স্থান নিৰ্বাচন কৰা হয়।

কাঠ বা বাঁহৰ খুটাৰে খেৰৰ চালি দি মৌন্‌ঝি থান বনোৱা হয়। সোমাজত এটি কাঠৰ খুটা পোতা হয়। সেই খুটাত লাগি থকাকৈ মাটিত দুটি শিল 'মৌন্‌ঝি হাড়াম' আৰু 'মৌন্‌ঝি বুঢ়ী'ৰ নামত সংস্থাপন কৰা হয়। শিল দুটিৰ ওচৰত এটুকুৰা স্থান 'মাৰাংবুডু'ৰ নামত সংৰক্ষিত ৰখা হয় যদিও উক্ত স্থানত 'মাৰাংবুডু'ৰ নামত কোনো শিল সংস্থাপন কৰা নহয়। মৌন্‌ঝি থান হৈছে চাওঁতালসকলৰ এক গুৰুত্বপূৰ্ণ পাৰম্পৰিক অনুষ্ঠান। এই থান মৌন্‌ঝিৰ ঘৰৰ ফালে মুখ কৰি স্বৰ্গগত মৌন্‌ঝিসকলৰ আত্মাৰ বাবে তৈয়াৰ কৰা হয়। বিশ্বাস কৰা হয় যে মৌন্‌ঝিৰ বঙ্গা মৌন্‌ঝি থানত বাস কৰে আৰু কাঠৰ মূল খুঁটা এটাৰ ওচৰত থকা শিলটোৱে মৌন্‌ঝি বঙ্গাৰ প্ৰতিনিধিত্ব কৰে। পাৰম্পৰিক বিশ্বাস অনুসৰি এই আত্মাই গাওঁবুঢ়াৰ পৰামৰ্শ দাতা হিচাপে কাম কৰে আৰু গাওঁবুঢ়াই মৌন্‌ঝি বঙ্গাৰ পৰা গাওঁৰ দায়িত্ব লাভ কৰে। গাওঁৰ যিকোনো কাজিয়া আদিৰ মীমাংসাও এই স্থানতে কৰা হয়।

নিয়ম অনুযায়ী, যদি গাওঁৰ মূৰব্বীজনে তেখেতৰ আগৰ স্থানৰ পৰা আঁতৰি যায়, তেন্তে মৌন্‌ঝি থানখনো তেখেতৰ নতুন আলয়লৈ লৈ যোৱা হয়। মৌন্‌ঝি থানখনৰ চোৱাচিটাৰ দায়িত্ব গাওঁবুঢ়াজনৰ ঘৰৰ ছোৱালী এজনীৰ ওপৰত ন্যস্ত কৰা হয়।

## গাওঁ সভাৰ বিষয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য ঃ

গাওঁ নিৰ্মাণ কৰাৰ লক্ষন চোৱাৰ পাছত 'মোৰে হড়' অৰ্থাৎ 'গাওঁসভা' গঠন কৰা হয়। তাৰ বাবে 'চৌৰসী' পদ্ধতি ব্যৱহাৰ কৰা হয়। এই পদ্ধতি অনুসৰি এজন 'চৌৰসী' গুৰু নিমন্ত্ৰণ জনোৱা হয়। তেওঁৰ সৈতে কেইজনমান 'চেলা' বা শিষ্য আছে। গাওঁৰ মানুহৰ সন্মুখত চৌৰসী গুৰুই মন্ত্ৰ পঢ়ে আৰু 'চেলা'ৰ দেওঁধনি উঠে। তাৰ পাছত এজন এজনকৈ গাওঁ সভাৰ বিষয়ববীয়া নিৰ্বাচন কৰে।

সাধাৰণতে প্ৰত্যেকখন চাওঁতাল গাওঁৰ গাওঁ পৰিষদত তলত দিয়া বিষয়াসকল থাকে মৌন্‌ঝি (গাওঁৰ মূৰব্বী), পাৰাণিক (গাওঁৰ উপ-মূৰব্বী), জগমৌন্‌ঝি (গাওঁৰ নৈতিক পৰিদৰ্শক), গদিৎ (দূত), নাইকি (গাওঁৰ পুৰোহিত) আৰু কুদুম নাইকি (সহকাৰী পুৰোহিত)। তদুপৰি

গোচৰ শুনা আৰু গোচৰৰ ৰায় দিয়াৰ সময়ত ভোগদ আৰু লাচেৰ নামৰ দুজন বিষয়া থাকে। মৌন্‌ঝিয়েই হ'ল গাওঁৰ সৰ্বেসৰ্বা। সেয়েহে তেওঁ ধৰ্মীয় তত্ত্বাৱধায়ক, সোহাৰ্দ্যপূৰ্ণ আচৰণৰ লগতে কঠোৰ নিয়মানুৱৰ্তিতা মানি চলা ব্যক্তি হ'ব লাগে। জনগোষ্ঠীটোৰ প্ৰতি তেওঁ আগবঢ়োৱা সেৱাৰ বিপৰীতে গাওঁ বাসীয়ে তেওঁক যথেষ্ঠ সন্মান প্ৰদৰ্শন কৰে। যিবোৰ ঠাইত চাওঁতালসকলৰ সামাজিক নীতিৰ প্ৰশাসন সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ আছে সেইবোৰ ঠাইত মৌন্‌ঝিয়ে নিম্নোল্লিখিত কাৰ্য সম্পাদন কৰিব লাগে —

ক) তেওঁ সৃষ্টিকৰ্তাৰ পবিত্ৰ ঠাই মৌন্‌ঝি থান চোৱাচিতা কৰাৰ লগতে জাহেৰ থানৰ প্ৰশাসনীয় কাম-কাজ পৰিচালনা কৰে।

খ) যদি জাহেৰ থান সেৰেঙা হয় আৰু গাওঁখনত কেনো বিকল্প জাহেৰ থান নাথাকে তেতিয়া তেওঁ নতুনকৈ এখন জাহেৰ থান স্থাপন কৰিব লাগে।

গ) যদি জাহেৰ থানৰ পবিত্ৰ বঙ্গা বৃক্ষ মৰি যায় তেতিয়া মৌন্‌ঝিয়ে নাইকিক সেইজোপাৰ প্ৰতিপালন কৰিবলৈ নিৰ্দেশ দিব পাৰে নাইবা প্ৰয়োজন হ'লে সেইজোপা আঁতৰাই নতুন এজোপা ৰুবলৈ আদেশ দিব পাৰে।

ঘ) তেওঁ উৎসৱ উদযাপন ব্যৱস্থা নিশ্চিত কৰাৰ লগতে জন্ম, মৃত্যু, বিবাহ আদি সকলোবোৰ অনুষ্ঠানত গাওঁৰ প্ৰতি ঘৰত অংশ গ্ৰহণ নিশ্চিত কৰে।

ঙ) গাওঁত কোনো সংক্ৰামক ৰোগ হৈ যোৱাৰ পাছত তেওঁ বিশেষ সভাৰ আহ্বান কৰিব পাৰে আৰু বিশেষ উছৰ্গাৰি ব্যৱস্থা কৰিব পাৰে।

চ) যেতিয়া কোনো বিবাদৰ উৎপত্তি হয় অথবা কোনোৱে জনগোষ্ঠীৰ বিশেষ নিয়ম ভংগ কৰে তেতিয়া তেওঁ গাওঁ সভা আহ্বান কৰি ইয়াৰ আলোচনাত সভাপতিত্ব কৰে।

ছ) গ্ৰাম্য জীৱনৰ সকলোবোৰ উপাদান যেনে মাটি, পানী, জীৱ-জন্তু, সম্প্ৰদায়টোৰ সম্পদ, চৰণীয়া পথাৰ, পুখুৰী, পশুধন, সামাজিক সম্পৰ্ক, বিবাহ, পৰিয়াল ব্যৱস্থা, জন্ম মৃত্যু, জৰুৰীকালীন অৱস্থা আদিবোৰ চোৱাচিতা কৰাৰ লগতে ব্যক্তিগত ভাৱে যত্ন লয়।

জ) এইবোৰ সাধাৰণ কাৰ্যৰ উপৰি মৌন্‌ঝিয়ে তেওঁৰ গাওঁৰ আইন শৃঙ্খলা পৰিস্থিতিৰ প্ৰতি গুৰুত্ব দিয়ে। সহৰায় উৎসৱৰ সময়ত খাদ্য আৰু হাঁণ্ডিৰ যোগান ধৰাৰ দায়িত্ব তেওঁৰ ওপৰত ন্যস্ত থাকে। তদুপৰি মৌন্‌ঝিয়ে তেওঁৰ গাওঁত প্ৰশাসনীক ভাৱে চলোৱা উন্নয়নমূলক কাৰ্যৰ নিৰীক্ষণ কৰে।

**পাৰাণিক ঃ**

সাধাৰণতে পাৰাণিক মৌন্‌ঝিৰ পৰামৰ্শ দাতা হিচাপে কাম কৰে। প্ৰকৃততে তেওঁ মৌন্‌ঝিৰ বিকল্প হিচাপে কাৰ্য সম্পাদন কৰে। যেতিয়া কোনো এৰাব নোৱাৰা পৰিস্থিতিত মৌন্‌ঝি অনুপস্থিত থাকে তেতিয়া পাৰাণিকে মৌন্‌ঝিৰ কাৰ্য সম্পাদন কৰে।

**জগমৌন্‌ঝি ঃ**

জগমৌন্‌ঝিয়ে গাওঁৰ নৈতিক দিশটো চোৱা-চিতা কৰে। এক কথাত ক'বলৈ গ'লে তেওঁ গাওঁৰ নৈতিকতাৰ নিৰীক্ষক বুলিব পাৰি। তেওঁ যুৱক-যুৱতীসকলে নৃত্য অনুশীলন কৰা সময়ত নিৰীক্ষণ কৰি অনুশাসন বৰ্তাই ৰাখে। কোনো যুৱক বা যুৱতীয়ে অশালীন আচৰণ কৰিলে তেওঁ তেনে ব্যক্তিক তাৰ পৰা বহিস্কাৰ কৰিব পাৰে। যেতিয়া কোনো যুৱকে এখন গাওঁৰ এগৰাকী যুৱতীক আন এখন গাওঁলৈ পত্নী হিচাপে লৈ যায় নাইবা কোনো যুৱকে যদি এগৰাকী যুৱতীক জোৰ কৰি কপালত সেন্দুৰ দি পত্নী হিচাপে ৰাখে তেতিয়া জগমৌন্‌ঝিক আনখন গাওঁৰ মৌন্‌ঝিৰ ওচৰলৈ 'মায়ামপাঞ্জা' (তেজৰ সম্বন্ধৰ সন্ধান) হিচাপে প্ৰেৰণ কৰে আৰু উক্ত ঘটনাৰ আনুষ্ঠানিক অভিযোগ দিয়ে। তদুপৰি যদি অবিবাহিত অৱস্থাত ছোৱালী গৰ্ভৱতী হয় তেতিয়া তাৰ বাবে জগমৌন্‌ঝিয়ে দোষীৰ অনুসন্ধান কৰি প্ৰকৃত দোষী বিচাৰি অনাৰ বাবে নিৰ্দেশ দিব পাৰে।

**গদিৎ ঃ**

চাওঁতাল গ্ৰাম্য জীৱনৰ অন্য এটা পদবী হ'ল গদিৎ। বৃত্তিগত ভাৱে তেওঁক এজন দূত বুলিব পাৰি। তেওঁ গাওঁৰ সকলোবোৰ ঘৰলৈ গৈ গাওঁৰ বিভিন্ন কাৰ্যৰ বিষয়ে খবৰ দিব লাগে। মৌন্‌ঝিৰ দূত হিচাপে তেওঁ মৌন্‌ঝিৰ আদেশ মতে গাওঁৰ প্ৰত্যেক ঘৰলৈ গৈ গাওঁ সভা অনুষ্ঠিত

কৰাৰ স্থান, তাৰিখ আৰু সময়ৰ খবৰ দিব লাগে। গাওঁত হোৱা কোনো জন্ম, মৃত্যু, ব্যক্তিৰ অন্ত্যেষ্টিক্রিয়া আদিৰ খবৰ সকলো পৰিয়ালক দিব লাগে। উৎসৱত প্রত্যেক ঘৰ লোকে উছৰ্গা কৰিব লগীয়া পশু-পক্ষী সংগ্রহ কৰাটো তেওঁৰে অন্যতম কর্তব্য। গাওঁ পৰিষদত আৰু দুজন ব্যক্তিয়ে গুৰুত্বপূর্ণ পদত কার্যনির্বাহ কৰে। তেওঁলোক প্রকৃততে ধর্মীয় আচাৰ পালনৰ মন্ত্রী বুলিব পাৰি। সেই পদ দুটা হ'ল নাইকি আৰু তেওঁৰ সহায়ক কুদুম নাইকি।

**নাইকি ঃ**

নাইকিয়ে চাওঁতাল গাওঁৰ ধর্মীয় বিষয়বোৰ চোৱাচিতা কৰে। তেওঁ গাওঁৰ জনসাধাৰণ আৰু বঙ্গা অথবা গাওঁত মৃত্যু হোৱা ব্যক্তিৰ পবিত্র আত্মাৰ সৈতে সঠিক সম্পর্ক ৰাখে। নাইকিয়ে গাওঁৰ জনসাধৰণৰ হৈ মূর্গী আৰু হাঁণ্ডি অর্পন কৰি বঙ্গাক সন্মান জনাই গাওঁৰ সকলোবোৰৰ উৎসৱৰ উদ্‌ঘাটন কৰে। তেওঁ উছৰ্গা কৰা মূৰ্গী চাউলৰ সৈতে ৰান্ধে আৰু গাওঁৰ পুৰুষ সদস্যসকলে ইয়াক এক প্রসাদ হিচাপে গ্রহণ কৰে। নাইকি পদটো এক প্রকাৰৰ বংশানুক্রমিক হৈ পৰিছে। সাধাৰণতে কার্যৰত নাইকিৰ দেহাৱসান হোৱাৰ পাছত তেওঁৰ ডাঙৰ পুত্রই সেই পদবী লাভ কৰে। ইয়াৰ মূলত হ'ল উপাসনাৰ বাবে প্রয়োজনীয় ৰীতি-নীতিৰ সম্পর্কে বংশানুক্রমিক ভাৱে তেওঁৰ পুত্রই ইতিমধ্যেই জানি লয় বাবেই তেনে কৰা হয়। গাওঁৰ ধর্মীয় উৎসৱত কার্য সম্পাদন কৰিবৰ বাবে নাইকিয়ে গাওঁৰ আন ব্যক্তিৰ পৰা নিজকে নিলগাই ৰাখি প্রস্তুতিৰ কাম সম্পূর্ণ কৰে। উছৰ্গাৰ পূর্ব ৰাতি নাইকিয়ে মাটিত শুৱে। যৌন সম্ভোগৰ পৰা নিজকে নিলগাই ৰাখে আৰু পিছদিনা পুৱাই শুদ্ধিকৰণৰ বাবে গা ধোৱে। তেতিয়াৰে পৰা উছৰ্গাকাৰ্য সমাপন নোহোৱালৈকে উপবাস থাকে।

**কুদুম নাইকি ঃ**

এওঁ হ'ল নাইকিৰ সহকাৰী। উৎসৱৰ সময়ত যেতিয়া নাইকিয়ে গাওঁৰ পৰিয়াল সমূহে আগবঢ়োৱা মূৰ্গী উছৰ্গাৰ কাম কৰে তেতিয়া কুদুম নাইকিয়ে পৰগণা বঙ্গা, বাহৰে বঙ্গা আৰু সিমা বঙ্গাৰ নামত নিজৰ উৰুৰ তেজ উছৰ্গা কৰে। উক্ত উছৰ্গাক 'বুলমায়াম' নামেৰে জনা যায়।

**ভোগ্দ ঃ**

ভোগ্দ পদটোৰ গুৰুত্ব অপৰিসীম। গাওঁৰ প্ৰত্যেকটো চুবুৰীত অতি কমেও এজনকৈ ভোগ্দ নিয়োগ কৰা হয়। তেওঁক নিয়োগ কৰা বিশেষ চুবুৰীটোত ভোগ্দ হ'ল মৌন্‌ঝিৰ প্ৰতিনিধি। কোনো চুবুৰীত বিশেষ কাৰ্য, ঘটনা অথবা চুবুৰীটোৰ যিকোনো কামৰ নিৰীক্ষণৰ প্ৰয়োজন হ'লে মৌন্‌ঝি, পাৰাণিক আৰু নাইকি আহি উপস্থিত নোহোৱালৈকে কাৰ্যটো অথবা পৰিস্থিতিটো চম্ভালিব লাগে। যেতিয়া উৰ্ধতম কৰ্তৃপক্ষ আহি উপস্থিত হয় তেতিয়া সমস্যাটো সমাধান কৰাত তেওঁ সহায় কৰে। যদি কেতিয়াবা একেলগে দুটা চুবুৰীত দুখন বিবাহ অনুষ্ঠিত হয়, তেতিয়া ভোগ্দই এটা চুবুৰীৰ বিয়াৰ কাৰ্য তদাৰক কৰিব লাগে।

তদুপৰি এটা অতি গুৰুত্বপূৰ্ণ বিষয় অৱজ্ঞা কৰিব নোৱাৰি যে মৌন্‌ঝিৰ সকলোবোৰ সহযোগীৰ কাৰ্য চুবুৰী ভেদে পৰিৱৰ্তন হ'ব পাৰে। কোনো ব্যক্তিক অতিৰিক্ত দায়িত্ব দিয়াৰ বিপৰীতে কেতিয়াবা একেজন ব্যক্তিয়ে এটাতকৈ অধিক পদত কাৰ্যনিৰ্বাহ কৰি থাকিব পাৰে। গাওঁ সভাৰ বিষয়াসকলে গাওঁৰ সকলোবোৰ বিষয়ত সজাগ থাকে। জন্ম, মৃত্যু, বিবাহ, চুৰি, বহিৰাগতৰ আগমন, ভূতৰ দ্বাৰা আক্ৰান্ত, অসুখ, মহামাৰী আদি সকলোবোৰ খবৰৰ তীক্ষ্ণ ভাৱে নিৰীক্ষণ কৰে।

**লাচেৰ ঃ**

গাওঁৰ যিকোনো নৈতিক নীতি উলংঘা কৰা বিচাৰৰ আয়োজন কৰিলে লাচেৰ ভোগ্দৰ সহযোগী হিচাপে নাইবা গাওঁৰ বিচাৰক মণ্ডলীৰ সদস্য হিচাপে কাৰ্য সম্পাদন কৰে।

## 'মোৰেহড়' অৰ্থাৎ গাওঁসভাৰ বিষয়ববীয়াসকলৰ বাবে গাওঁবাসীৰ কৰণীয় কাৰ্য —

গাওঁৰ প্ৰতিটো পৰিয়ালে 'মোৰেহড়'ৰ বিষয়ববীয়া সকলৰ বাবে নিম্নলিখিত অনুদান বাধ্যতামূলক ভাৱে আগবঢ়াব লাগে। যথা —

১) মৌন্‌ঝি ঃ মৌন্‌ঝি ম'ন ঃ এদোখৰ খেতি মাতি (সকলো পৰিয়ালে মিলি)

২) নাইকি ঃ বছৰি ১ পাল্লা (৫ কেজি) ধান প্ৰতি পৰিয়াল।

৩) কুদুম নাইকি ঃ বছৰি ১ পাল্লা (৫ কেজি) ধান প্ৰতি পৰিয়াল।

৪) গদিৎ ঃ বছৰি ১ পাল্লা (৫ কেজি) ধান প্ৰতি পৰিয়াল।

## গোত্ৰ আৰু উপ-গোত্ৰ ঃ

চাওঁতাল জনগোষ্ঠীটো সৰ্বমুঠ বাৰটা 'পৰিচ' বা গোত্ৰত বিভক্ত। সেইবোৰ হ'ল বাস্কে, বেদিয়া, বেস্ৰা, চোৰে, হাঁসদা, হেমব্ৰম, কিস্কু, মুৰ্মু, মাৰ্দি, পৌউৰিয়া, চোৰেণ আৰু টুডু। এই বাৰটা গোত্ৰৰ ভিতৰত বেদিয়া গোত্ৰটো ইতিমধ্যে লুপ্ত হৈ গৈছে আৰু বৰ্তমান সময়ত এই গোত্ৰৰ কোনো অস্তিত্ব বিচাৰি পোৱা নাযায়। তলত প্ৰত্যেকটো গোত্ৰৰে বিৰৰণ দিবলৈ প্ৰয়াস কৰা হ'ল—

**বাস্কে ঃ**

তেওঁলোকৰ মূল গৃহভূমি চাম্পাত কোনোধৰণৰ পদবী ধাৰণ কৰাৰ কোনো তথ্য পোৱা নাযায়। চাওঁতালসকলক গোত্ৰত বিভক্ত কৰা সময়ত তেওঁলোকে ইমানেই সৰহকৈ ৰান্ধিছিল যে পিছদিনালৈ সেই বাহি ভাত তেওঁলোকে আকৌ খাবলগা হৈছিল। সেই অনুসৰি তেওঁলোকৰ নাম বাস্কে ৰখা হয়। কাৰণ চাওঁতাল সমাজত বাস্কে শব্দৰ অৰ্থ হ'ল বাহি। আন কিছুমানৰ মতে তেওঁলোকৰ পুৰ্বপুৰুষ আছিল দুজন ল'ৰা। দুয়োজনে জংঘলৰ পৰা উভতি আহি খাবলৈ একো নাপাই গাত এটাত থকা বাহি ভাতকে খাই ক্ষুধা পূৰণ কৰাত তেওঁলোকৰ পৰা সৃষ্ট গোত্ৰৰ নাম বাস্কে ৰখা হয়। এওঁলোক বাণিজ্যৰ সৈতে জড়িত।

**বেদিয়া ঃ**

বেদিয়াসকলক কোনোধৰণৰ পদবী বা দায়িত্ব প্ৰদান কৰাৰ কোনো তথ্য নাই। লোককথা অনুসৰি চাওঁতালসকল চাম্পাৰ পৰা গুচি যোৱাৰ সময়ত যি সকল চাম্পাতেই থাকি গৈছিল তেওঁলোককে বেদিয়া বুলি নামকৰণ কৰা হৈছে।

**বেস্ৰা ঃ**

বেস্ৰাসকলকো চাম্পাত কোনোধৰণৰ বাব-দায়িত্ব দিয়াৰ তথ্য পোৱা নাযায়। চাওঁতালসকলৰ মূল সাতটা গোত্ৰৰ সৈতে পৰবৰ্তী সময়ত যোগ হোৱা পাঁচটা গোত্ৰৰ মাজৰ

এটা হৈছে বেস্রা। চাওঁতালসকলৰ অইন গোত্রবোৰৰ মাজত বেস্রাসকলক কিছু নিম্ন স্থানত ৰখা হয়। বেস্রাসকলৰ লগত বহুতেই বিয়াত বহিবলৈ অসন্মত হয়। এই গোত্রৰ লোকসকল আপেক্ষিক ভাবে বুদ্ধিমান বুলি জনা যায় আৰু মহিলাসকল সফল গৃহিণী হয়।

**চোৰে ঃ**

চোৰে গোত্র সংখ্যাত তাকৰ আৰু সমাজত তেওঁলোক সন্মানীয় হিচাপে গণ্য কৰা নহয়। চাম্পাত তেওঁলোকক কোনোধৰণৰ বাব দিয়াৰ তথ্য নাই।

**হাঁসদা ঃ**

পৰম্পৰা অনুযায়ী হাঁসদা হৈছে প্ৰথম মানৱ দম্পত্তিৰ জেষ্ঠ্য পুত্ৰ। সেয়ে তেওঁলোক হৈছে চাওঁতালসকলৰ প্ৰথম সাতটা গোত্ৰৰ মাজৰ এটা। তেওঁলোক খেতি-বাতিৰ সৈতে জড়িত আৰু তেওঁলোকে গাওঁৰ মুৰব্বীৰ ভুমিকা পালন কৰে।

**হেমব্ৰম ঃ**

পৰম্পৰা অনুযায়ী, হেমব্ৰম গোত্ৰৰ লোকসকলক হেমব্ৰম কোঁৱৰ বুলি জনা হয়। তেওঁলোকে ন্যায়বিচাৰৰ কামো কৰে।

**কিস্কু ঃ**

পৰম্পৰা অনুযায়ী, কিস্কু হৈছে চাম্পাত থকা সময়ত শাসক গোত্ৰ। সেয়ে তেওঁলোকক ‘কিস্কু ৰাপাজ’ বুলি কোৱা হৈছিল।

**মাৰ্ডি ঃ**

মাৰ্ডিসকলক ৰাজ দৰবাৰত ধন ভৰালী হিচাপে নিযুক্তি দিয়া হৈছিল আৰু চাম্পাত ‘মাৰ্ডি কিপিচাৰ’ বুলি নাম দিয়া হৈছিল।

**মুৰ্মু ঃ**

চাম্পাত মুৰ্মুসকল ৰাজকুমাৰৰ পৰ্য্যায়ৰ সন্মান লাভ কৰিছিল আৰু ‘মুৰ্মু ঠাকুৰ’ বুলি জনা গৈছিল।

**পাঁউৰিয়া ঃ**

এই গোত্ৰৰ অন্তৰ্গত চাওঁতালৰ জনসংখ্যা তাকৰ আৰু চাম্পাত এওঁলোকে কোনোধৰণৰ পদবী ধাৰণ কৰাৰ বিষয়ে জনা নাযায়।

**চোৰেণ ঃ**

চাম্পাত চোৰেণ গোত্ৰৰ লোকসকল সামৰিক বাহিনীত আছিল আৰু ‘চোৰেণ চিপাহী’ বুলি তেওঁলোকক জনা হৈছিল।

**টুডু ঃ**

টুডুসকলে সংগীতৰ ক্ষেত্ৰখন বাচি লৈছিল আৰু ‘টুডু মাণ্ডাৰিয়া’ নাম লাভ কৰিছিল। অৱশ্যে তেওঁলোকক দিয়া জীৱিকাগত পদবীৰ কোনো প্ৰমাণ পৰৱৰ্তী সময়ত পোৱা হোৱা নাই। এতিয়াও গোত্ৰটোৰ উত্তৰপুৰুষৰ কিছুমানে একে জীৱিকাই গ্ৰহণ কৰি আহিছে যদিও জীৱিকাগত বিশেষীকৰণৰ কোনো প্ৰমাণ দেখা নাযায়। পিছলৈ বেস্ৰা আৰু চোৰেসকলক হেয় জ্ঞান কৰা হয় আৰু অইন গোত্ৰৰ লোকসকল তেওঁলোকৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন কৰাৰ পৰা বিৰত থাকে। অৱশ্যে সকলো ফৈদেই সমানেই সামাজিক মৰ্যদা উপভোগ কৰে।

পৰৱৰ্তী সময়ত সেই গোত্ৰবোৰ বিভিন্ন উপ-গোত্ৰত বিভক্ত হয় যাক ‘খুত’ বুলি জনা যায়। চাওঁতালসকলৰ উপ-গোত্ৰসমূহৰ বিষয়ে হৰ্ক বাহাদুৰ চেত্ৰীয়ে নিম্নোক্ত ভাৱে উল্লেখ কৰিছে —

**হাঁসদা ঃ**

বদড়, হাঁসদা, বেদবাৰ, বাদৰাৰ, চিলবিন্দৌ, কুহী, কুন্দী, মহান্দা, আবাৰ, পিটকাণ্ডা, ৰালুটুৰ, চাদা, চালে চা, টৌহিঝাউৰি, জুগি, কাদা-গুঝাও, কাউহু, গাণ্ড, জিহু, কেদৰাৰ আৰু খেৰৱাড়।

**মুৰ্মু ঃ**

বদড়, বিটাল বাৰাড, চিপজোৰ, দাতেলা, গাজাড, গাড, হাউডি, জাহেৰ জিহু, জুগী, কাডা, কাবাডা, কাথা, কুডিম লাহেৰ, লাট, মাহুত, মুণ্ড, আৰাৰা, আবাৰ, আমু পাৰা, পাণ্ডা, চাদা, চানাচাং, চাউ, চাখেয়াৰ, চিতয়াৰ, তিলক, টুৰ্কু, টিকাও, টুটি চাৰজাম, চেল আৰু বাউৰা।

**কিস্কু ঃ**

আড়ই, বদড়, বিটালগাড়, ভাবে কান্দা, কাটৰা, কাটৰা, লাট, আবাৰ, আ, পাউতি, লুটুৰ, চাদা, চান, টিকাউ গাড়, লাহেৰ আৰু পালাল।

**হেমব্ৰম ঃ**

বদড়, বিতাল, ডাৰেলা গাড়, গুৰাও, গুৰা, হাউণ্ডি, আবাৰ, আ, চাদা, চালে ঠাউকৰ, চাসা, কুঁৰাৰি, লাহেৰ, লাৰ আৰু নিৰাউৰ।

**মাৰ্দি ঃ**

বাবাড়ে, বাদাব, বাদিল, টিকাউ, বিতাল, বুৰু-বেৰেট, ভাচ, গাড, হেচেল, জানা, জুগী, কেডৰাৰ, কুলখী খাণ্ডা, খান্দাগাজাব, খাৰা, লাখিন, মিৰু, আবাৰ, পণ্ডু, ৰাট, ৰুপাও, চাদা, চিডাপ টুৰ্কু, লামাওম, চিকাও গাডা, কাডা আৰু ৰা।

**টুডু ঃ**

বাদেৰ, বাচেক, বিতাল, ভাক্তা, চিকি চুৰুচ, দাতেলা গাড, জুগী, কুডওম, খাৰহাৰা, লাহেৰ, লাড, লাট, মৌগুাডিঔ, আবাৰ, পায়েটা, আ, পাটাম, চাদা, তিলক আৰু টিকাও।

**চোৰেণ ঃ**

বাদেৰ, বাৰৰ্চি, বাৰিহিৰত, বাদেয়া, বিতাল, দাতেলা গাড, গাণ্ডে, গুবৌ, জুগী, জিহু, চেহেল, খাণ্ডা, লুড়কা, মাড়, মাল, মাইলী, মুণ্ডু, আবাৰ, আ, পণ্ডু, ৰা লুটু, চাদা, চাদা-চিডাপ, চাক, চাৰ, চিডাপ, চান, চৰুক চুমুন, চিকা আৰু চেং।

**বাস্কে ঃ**

বানদাউদ, বিতাল, ভিড়ি, ভিতাওৰ, গাড, হেণ্ডে, আহেৰ, জিহু, কুহী, কুহী, কেডৰাৰ বা, লাট, মৌন্‌ঝি, খিল, মুণ্ডু, নায়ে, কেখিল, নিল, আবাৰ, আ, পাটাম, চাদা, চাউৰা গাডা, চুডে আৰু ঠুনটিল।

**বেস্ৰা ঃ**

বাস্কে , বিনদাদ, বিতাল, ভিনৰাৰ, গাড, গুবাও, কৌহু, কুহী, কুধী, খাণ্ডা, লাট, আবাৰ, আ, চেন আৰু তিলক।

**চোৰে ঃ**

বিদান্দ, বিতাল, চনচাৰহাট, গাড় গুবৌ, গুবৌ-হেমব্ৰম, গুবৌ-চৰেণ, হেমব্ৰম-কোডৰৰ, খাউহু, লাট, আ, চাদা, সিন্দুৰ আৰু ঠাকুৰ।

**পৌউৰিয়া ঃ**

বিতাল, ভিতাউৰ, চাৰিৰয়া, গাড়, লাট, মুণ্ডু, আবাৰ, পালাম, চাদা, চিদাপ আৰু বেদিয়া।

**বেদিয়া ঃ**

জনা নাযায়। [৫]

গোত্ৰৰ ব্যৱস্থাই চাওঁতালসকলৰ আচৰণ নিয়ন্ত্ৰণত ৰখাৰ লগতে তেওঁলোকে বিশ্বাস কৰা বঙ্গা সকলৰ সৈতে সুসম্পৰ্ক বজাই ৰখাৰ ক্ষেত্ৰতো সহায় হয় বুলি জনগোষ্ঠীটোৰ মাজত থকা জনবিশ্বাসৰ প্ৰচলন মন কৰিবলগীয়া। চাওঁতালসকলে গোত্ৰ ব্যৱস্থা আৰু ইয়াৰ আঁৰত থকা প্ৰবাদো সমৰ্থন কৰে আৰু ইয়ে তেওঁলোকৰ জীৱনশৈলীক ভালদৰে বুজাত সহায় কৰে। চাওঁতালসকলৰ স্বগোত্ৰীয় বিবাহৰ পৰম্পৰা ভঙ্গ কৰা আৰু জনগোষ্ঠী বহিৰ্ভূত বিবাহ চাওঁতাল সমাজত আটাইতকৈ ডাঙৰ অপৰাধ বুলি বিবেচনা কৰা হয়। এনে নিয়ম উলংঘা কৰা সকলক সমাজৰ পৰা বহিষ্কাৰ কৰা বিধান অধূনা প্ৰচলিত।

প্ৰতিখন চাওঁতাল গাওঁ হৈছে সমাজ ব্যৱস্থাৰ এক মৌলিক আৰু প্ৰাথমিক বৈশিষ্টৰ নিদৰ্শন স্বৰূপ। চাওঁতাল গাওঁ এখনত থকা বিভিন্ন ফৈদে চাওঁতাল সমাজৰ গণতান্ত্ৰিক চৰিত্ৰটোকে দৰ্শায়। গাওঁৰ পৰিয়ালবোৰে লগ লাগি সকলো সামাজিক, ন্যায়িক আৰু বিধি-বিধান সম্পৰ্কীয় কাম-কাজৰ বাবে এক স্বতন্ত্ৰ একক হিচাপে ভূমিকা পালন কৰে।

## চাওঁতাল সমাজত মহিলাৰ স্থান ঃ

চাওঁতাল সমাজত যদিওবা মহিলাৰ স্থান পুৰুষৰ তুলনাত নিম্ন, তথাপিও সমাজত মহিলাই এক সুকীয়া স্থান দখল কৰি আহিছে। চাওঁতাল মহিলা সমাজত আধুনিকতাৰ পৰশ পৰা স্বত্বেও নাৰীসমাজৰ পৰম্পৰা আৰু বিধিৰ প্ৰতি অধিকাৰ তথা আনুগত্যতা আছে। বিবাহত নবহাঁলৈকে সমগ্ৰ দায়িত্ব পিতৃয়ে বহন কৰিব লাগে বাবে এগৰাকী চাওঁতাল ছোৱালী পিতৃৰ সম্পত্তিৰ দৰে বুলিব পাৰি। যদি ছোৱালীয়ে কেনো ৰীতি-নীতি উলংঘন কৰে, তাৰ বাবে পিতৃ অথবা অভিভাৱকে পদক্ষেপ ল'ব লাগে। যদি চাওঁতাল ছোৱালীৰ কোনো প্ৰেমিক থাকে আৰু সেই কথা ৰাজহুৱা হয় তেতিয়া তেওঁৰ বিয়াৰ বাবে যোগ্যতা হানি হয়। যদি কোনো অবিবাহিত জীয়ৰীয়ে কোনো নীতি উলংঘা হোৱা কাৰ্য কৰে তাৰ বাবে 'সম্পত্তি

বিপথগামী' হোৱা বুলি পিতৃক সমাজচ্যুত কৰা হয়। ঠিক তেনেদৰে বিবাহৰ পাছত এগৰাকী ছোৱালী সম্পূৰ্ণৰূপে স্বামীৰ সম্পত্তি হৈ পৰে আৰু তেতিয়াৰে পৰা তেওঁৰ সমূহ দায়িত্ব স্বামীৰ ওপৰত ন্যস্ত হয়। লিংগভেদে কামৰ বিভাজন থাকে যদিও ঔচিত্য আৰু সুবিধা অনুসৰি উক্ত বিভাজন কৰা হয়। কিছুমান কামৰ পৰা মহিলাক বাৰণ কৰা হয়। উদাহৰণ স্বৰূপে মহিলাই হাল বাব নোৱাৰে, ঘৰৰ চালত উঠিব নোৱাৰে অথবা কোৰ আদি মাৰিব নোৱাৰে। তদুপৰি চাওঁতাল মহিলাই ধনু-কাঁড় চলাব নোৱাৰিব, খুৰ ব্যৱহাৰ কৰিব নোৱাৰিব, বটালিৰে বিন্ধা কৰিব নেৱাৰিব, কুঠাৰ চলাব নোৱাৰিব অথবা বৰশিৰে মাছ মাৰিব নোৱাৰিব। কাপোৰ বোৱা আৰু ঘৰ বনোৱা কাম আদিটো চাওঁতাল মহিলাই অংশ গ্ৰহণ কৰিব নোৱাৰে। পুৰুষৰ কাপোৰ পৰিধান কৰা আৰু পুৰুষে বজোৱা বাদ্যযন্ত্ৰ চাওঁতাল মহিলাই বজোৱাটো তেওঁলোকৰ ৰীতিৰ বিপৰীত। এই সকলোবোৰ কাম কেৱল পুৰুষৰ বাবে নিৰ্ধাৰিত। অনুৰূপ ধৰণে মহিলাক কেতিয়াও জন্তু বলি দিবলৈ অনুমতি দিয়া নহয় আৰু তেনে কাৰ্য মহিলাই প্ৰতক্ষ্য কৰাটো নিষিদ্ধ। পৰিস্থিতি সাপেক্ষে মহিলাক 'ভিতৌৰ'ত অৰ্থাৎ ঘৰৰ একোণত স্থাপন কৰা গোসাঁই থান প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া নহয়। মহিলাই উল্লিখিত নীতি ভংগ কৰিলে বঙ্গাৰ ব্যঘাত জন্মে বুলি চাওঁতাল সমাজত বিশ্বাস প্ৰচলিত হৈ আহিছে। অৱশ্যে কিছুমান কাৰ্য যেনে খৰিকটা, খোৱা পানী যোগাৰ কৰা, ৰন্ধা আদি কাৰ্যবোৰ সম্পূৰ্ণৰূপে মহিলাই সমাপন কৰিব লাগে। এটা ক্ষেত্ৰত চাওঁতাল মহিলাক পুৰুষৰ পৰা সম্পূৰ্ণৰূপে পৃথক কৰিছে। ক'লা যাদুৰ প্ৰতি থকা তেওঁলোকৰ বিশ্বাস অনুযায়ী কেৱল মহিলাহে ডাইনী হ'ব পাৰে, পুৰুষে কেৱল ডাইনী অনুসন্ধান কৰাৰ লগতে আৰোগ্য কৰিব পাৰে। সেইবাবেই মহিলাক সম্পূৰ্ণৰূপে ঢোল বজাবলৈ দিয়াৰ পৰা বাৰণ কৰাৰ লগতে মৌন্‌ঝি থান আৰু সৎকাৰ স্থলিলৈ যোৱাত বাধা আৰোপ কৰা হয়। কাৰণ তেনে কৰিলে পুৰুষৰ মনত ডাইনীৰ সন্দেহ উপজিব বুলি শংকা কৰা হয়।

## সম্পত্তিৰ ওপৰত চাওঁতাল মহিলাৰ অধিকাৰ ঃ

চাওঁতাল সমাজত বিবাহিত মহিলাতকৈ অবিবাহিত যুৱতীৰ সম্পত্তিৰ অধিকাৰ অধিক। যেতিয়ালৈকে কোনো যুৱতীয়ে বিবাহপাশত আবদ্ধ নহয় তেতিয়ালৈকে তেওঁ উপাৰ্জন কৰা পাৰিশ্ৰমিকৰ অধিকাৰ পৰিয়ালৰ মুৰব্বীৰ থাকে। অবিবাহিত যুৱতীৰ ছয় প্ৰকাৰৰ

পাৰিশ্ৰমিকৰ ওপৰত অধিকাৰ থাকে। ইয়াৰে প্ৰথমটো হ'ল 'ইৰাৰ্পা' অৰ্থাৎ কৃষি শস্যৰ অংশ। প্ৰায় সকলোবোৰ অৱস্থাপন্ন পৰিয়ালতে 'ইৰাৰ্পা' দিয়া হয়। দ্বিতীয়তে মোমায়েকে উপহাৰ স্বৰূপে যি জন্তু উপহাৰ হিচাপে প্ৰদান কৰে তাৰ ওপৰত অবিবাহিত যুৱতীৰ অধিকাৰ থাকে তদুপৰি অবিবাহিত যুৱতীয়ে কেইবাটাও ৰীতি পালন কৰাত একেচেতিয়া অধিকাৰ পায়। যদি ককাক অথবা ভিনীহি যুৱতীৰ গৃহলৈ আহে তেতিয়া যুৱতী গৰাকীয়ে তেওঁলোকৰ ভৰি ধুৱাই দিয়ে। পৰম্পৰা অনুসৰি তেওঁলোকেও যুৱতীজনীক উপহাৰ প্ৰদান কৰে। যিবোৰ সম্পূৰ্ণৰূপে যুৱতীজনীৰ একেচেতিয়া সম্পত্তি। বায়েকৰ বিবাহত যুৱতীয়ে 'আকবুৰিক' অথবা মূৰব্বী ছোৱালী হিচাপে কাৰ্য কৰে আৰু বিভিন্ন উপহাৰ লাভ কৰে। ছোৱালীজনীৰ মা বা দেউতাকৰ মৃত্যু হ'লেও তেওঁ কিছুপৰিমানে সম্পত্তিৰ অধিকাৰ লাভ কৰে। যদি ছোৱালীৰ মাক ইতিমধ্যে মৃত্যু হৈছে, তেতিয়া দেউতাকৰ অস্থাৱৰ সম্পত্তিবোৰৰ অধিকাৰ যুৱতীয়ে বিয়াত নবহালৈকে লাভ কৰে। যদি ছোৱালী সেই সময়ত নাবালক হয় তেতিয়া তেনে সম্পতিবোৰ নিজৰ সুবিধা অনুসৰি ৰাখিব পাৰে অথবা ছোৱালীৰ অভিভাৱকে ছোৱালী সাবালক নোহোৱালৈকে নাইবা বিবাহত নবহালৈকে ৰাখিব পাৰে। যদি ছোৱালীৰ মাকৰ ইতিমধ্যে মৃত্যু হয় আৰু ছোৱালীৰ ককায়েক বা ভায়েক থাকে তেতিয়া দেউতাকৰ স্থাৱৰ সম্পত্তিৰ ওপৰত অধিকাৰ দাবী কৰিব নোৱাৰে। যদি ছোৱালীৰ বিবাহৰ পূৰ্বে পৰিয়ালত বিভাজন হয় তেতিয়া ছোৱালীক পোহনীয়া জন্তু ৰূপত 'দাংগুৱাহিচা' প্ৰদান কৰে। প্ৰচলিত নীতি অনুসৰি দেউতাকৰ স্থাৱৰ সম্পত্তিৰ ওপৰত ছোৱালীৰ সীমিত অধিকাৰ থাকে। পৰিয়াল বিভাজনৰ সময়ত ককায়েক ভায়েকৰ পৰা অবিবাহিত ছোৱালীয়ে সম্পত্তিৰ অধিকাৰ দাবী কৰিব নোৱাৰে যদিও সাধাৰণতে বিবাহৰ সময়ত আৰ্থিক কামত ব্যৱহাৰৰ বাবে ভূমিৰ কিছু অংশ আছুতীয়াকৈ ৰখা হয়। তদুপৰি ছোৱালী সাবালিকা হ'লেও তেওঁৰ দেউতাক, ককায়েক নাইবা দেউতাকৰ সম্পৰ্কীয়ক বিয়া নোহোৱালৈকে ভৰণ-পোষণৰ দাবী কৰিব পাৰে। ইয়াৰ লগতে ছোৱালীৰ বিয়া নোহোৱালৈকে ভৰণ-পোষণৰ বাবে ৰখা ভূমি অধিগ্ৰহণ কৰি ৰাখিব পাৰে। ছোৱালীয়ে বিয়া নোহোৱালৈকে সম্পৰ্কীয় অভিভাৱকৰ পৰা 'ইৰাৰ্পা' হিচাপে লাভ কৰা অংশৰ লগতে ছোৱালীৰ বাবে ৰখা ভূমিখিনি অধিগ্ৰহণ কৰি ৰাখিব পাৰে। তেনেধৰণৰ ভূমিৰ ওপৰত ছোৱালীৰ একচেটীয়া অধিকাৰ থাকে। অনুৰূপ ধৰণে কোনো ককাই-ভাই নাইবা

দেউতাকৰ সম্পৰ্কীয় কোনো নাথাকিলে অবিবাহিত ছোৱালীয়ে দেউতাকৰ সকলোবোৰ সম্পত্তিৰ অধিকাৰ লাভ কৰে। অবিবাহিত ছোৱালীৰ আৰু কিছুমান অছুতীয়া অধিকাৰ আছে। যদি কোনোবাই তেওঁৰ সন্মান হানি কৰে তেতিয়া অপৰাধীয়ে 'লাজাওমাৰাও' অৰ্থাৎ জৰিমনা আদায় দিব লাগে। লাজাওমাৰাও হিচাপে লাভ কৰা ধন ছোৱালীৰ একচেটীয়া সম্পত্তি। সকলো ব্যৱহাৰ্য্য সামগ্ৰী, গহণা, নগদ ধন অথবা পোহনীয়া জন্তু আদিবোৰৰ ওপৰত অবিবাহিত ছোৱালীৰ অধিকাৰ থাকে। যদি বিয়াৰ পাছত ছোৱালীয়ে দেউতাকৰ কৃষি কাৰ্যত সহায় কৰিবৰ বাবে আহে তেতিয়া তাৰ বাবে তেওঁ দেউতাকৰ পৰা অতিৰিক্ত শস্যৰ অংশ লাভ কৰিব। যদি ইৰাৰ্পা মূৰ্গী, গাহৰী, ছাগলী, গৰু আদি পোহনীয়া জন্তুৰ লগতে নগদ ধনৰূপত থাকে বিবাহৰ পাছত নতুন ঘৰত থিতাপি নোহোৱালৈকে সেইবোৰ দেউতাকৰ ঘৰত ৰাখিব পাৰে। অস্থাৱৰ সম্পত্তিৰ ক্ষেত্ৰত স্বামীৰ অধিকাৰ নাথাকে যদিও মহিলাৰ সন্তানৰ মাজত সম অধিকাৰ থাকে। স্থাৱৰ সম্পত্তি অৰ্থাৎ ভূমিৰ ক্ষেত্ৰত এই নীতি পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। যদি ভূমি 'তাবেনজম' (ম্যাদী) হয় তেতিয়া বিবাহিত মহিলাৰ সন্তানে ইয়াৰ অধিকাৰ লাভ কৰে। মহিলাৰ স্বামী অথবা স্বামীৰ পৰিয়ালে তেনে ভূমিৰ কোনোধৰণৰ উত্তৰাধীকাৰিতা দাবী কৰিব নোৱাৰে। যদি মহিলাৰ কোনো সন্তান নাথাকে তেতিয়া উক্ত ভূমিৰ অধিকাৰ পিতৃ-মাতৃ, ককায়েক, ভায়েক অথবা পিতৃৰ সম্পৰ্কীয়ক ঘূৰাই দিব পাৰে।

## ন্যায়িক ব্যৱস্থাত চাওঁতাল মহিলাৰ অংশ গ্ৰহণ ঃ

চাওঁতাল সম্প্ৰদায়ৰ ন্যায়িক ব্যৱস্থাত মহিলাৰ বাবে তিনিখন আসন সংৰক্ষিত থাকে যাক 'বুঢ়ী হাড়াম' নামেৰে জনা যায়। ইয়াত বুঢ়ী শব্দৰ অৰ্থ বৃদ্ধ নহয় বয়োজেষ্ঠ হে। প্ৰকৃততে পদবী কেইটা বয়োজেষ্ঠৰ বাবে নিৰ্ধাৰিত কৰা যেন লাগে যদিও ইয়াত বয়সৰ সৈতে কোনো সম্পৰ্ক নাথাকে। দৰাচলতে এই পদ কেইটা মৌন্ঝি, জগমৌন্ঝি আৰু নাইকিৰ পত্নীৰ কাৰণে মৌন্ঝিবুঢ়ী, জগমৌন্ঝি বুঢ়ী আৰু নাইকি বুঢ়ী নামেৰে পূৰ্ব নিৰ্ধাৰিত ধৰণে সংৰক্ষিত থাকে। উল্লেখযোগ্য যে চাওঁতাল সমাজত উল্লিখিত মহিলা বিষয়া কেইগৰাকীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিশেষকৈ জনগোষ্ঠীটোৰ পৰম্পৰাগত সামাজিক আৰু সাংস্কৃতিক কাৰ্যসূচীবোৰত তেওঁলোকৰ ভূমিকা যথেষ্ট পৰিমাণে পৰিলক্ষিত হয়।

কিন্তু সকলো পদাধিকাৰীয়ে এই কথাত সহমত প্ৰকাশ কৰে যে মহিলাক ধৰ্মীয় কাৰ্যত অংশগ্ৰহণ কৰিবলৈ দিয়াটো অনুচিত। মহিলায়ো উক্ত পৰম্পৰা স্বীকাৰ কৰি আহিছে।

**ন্যায়িক ব্যৱস্থা ঃ**

চাওঁতালসকল মুখ্যত গাওঁত বাস কৰে। গাওঁ খনত বাসকৰা পৰিয়ালৰ সংখ্যা অনুসৰি গাওঁৰ আকাৰ নিৰ্দিষ্ট হয়। প্ৰত্যেকখন চাওঁতাল গাওঁত এক সু-প্ৰতিষ্ঠিত প্ৰশাসন ব্যৱস্থা আছে। মোৰে হড়ক মুখ্য কৰি গাওঁ পৰিষদ খন গঠন কৰা হয় আৰু গাওঁৰ মুৰব্বী অৰ্থাৎ মৌন্‌ঝি হ'ল মোৰে হড়ৰ স্থায়ী সভাপতি। সকলো পৰিয়ালৰ প্ৰত্যেকজন সদস্যই গাওঁ পৰিষদৰ সদস্য যদিও প্ৰায়ে পৰিষদৰ সভাত মূৰব্বী অথবা জেষ্ঠ পুৰুষ সদস্যইহে প্ৰতিনিধিত্ব কৰে। সমগ্ৰ জনগোষ্ঠীটোৰ কথা জড়িত হৈ থকা যিকোনো সামাজিক নাইবা ধৰ্মীয় বিষয়ত কি পদক্ষেপ লোৱা হ'ব সেইটো পৰিষদে নিৰ্ণয় কৰে। বিবাহ, মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া, বিবাদৰ সমাধান, ধৰ্মীয় উৎসৱৰ তিথি আদি নিৰ্দিষ্ট কৰাটো পৰিষদৰ মুখ্য কাম। চাওঁতাল ন্যায়িক প্ৰশাসনৰ কাৰ্যাৱলী অতি নিখুত বুলিব পাৰি। চাওঁতাল জনগোষ্ঠীৰ পৰম্পৰাগত শাসন ব্যৱস্থাত গাওঁক প্ৰশাসনৰ প্ৰাথমিকস্তৰ বুলি বিবেচনা কৰা হয়। চাওঁতালসকলৰ তিনিটা স্তৰৰ জনগোষ্ঠীয় পৰিষদ থাকে সেইবোৰ হ'ল —

**মৌন্‌ঝি বাইসি ঃ**

গাওঁৰ ন্যায়ালয়ত মৌন্‌ঝিয়ে কৰ্তৃত্বশীল ন্যায়াধীশ হিচাপে কাৰ্য কৰে। চাওঁতালি ভাষাত বাইসি অৰ্থাৎ 'সমিটি'ৰ অন্তৰালত থকা ধাৰণা হ'ল সামাজিক ভিত্তিত কৰা বিচাৰৰ ন্যায় প্ৰতিস্থা। তেওঁলোকে বিশ্বাস কৰে যে মৌন্‌ঝি বাইসিৰ ওচৰত কোনো গাওঁবাসীয়ে অন্যায় ভোগ কৰিব লগা নহয়। কোনো বিচাৰৰ ন্যায় প্ৰদান কৰাৰ সময়ত সমগ্ৰ গাওঁবাসীয়ে প্ৰত্যক্ষ কৰি থাকে বাবে অপৰাধীয়ে নিৰ্ধাৰিত নীতি মতে শাস্তি পোৱাটো নিশ্চিত কৰে। গোচৰীয়াই তেওঁৰ আপত্তিৰ কথা মৌন্‌ঝিৰ আগত ব্যক্ত কৰিব লাগে। আপত্তি শুনাৰ পাছত মৌন্‌ঝিয়ে গদিৎক গাওঁবাসীৰ এখন সভা আহ্বান কৰিবলৈ কয়। সভাত নিজৰ আসন গ্ৰহণ কৰাৰ পাছত মৌন্‌ঝিয়ে সভা আহ্বানৰ কাৰণ ব্যাখ্যা কৰে। সেই কাম সমাপন হোৱাৰ লগে লগে

গাওঁৰ মৌন্‌ঝিৰ সন্মুখত দুডাল লাঠি ৰাখি নাইকিয়ে লাঠি দুডালৰ পাঁচ ঠাইত সেন্দুৰ আৰু গোবৰৰ ফোট লগায়। ইয়াৰ লগতে পাঁচটা মুদ্রা আনি মৌন্‌ঝিৰ সন্মুখত ৰখা হয়। তেতিয়া মৌন্‌ঝিয়ে গোচৰীয়াক ভোগ্‌দৰ সন্মুখলৈ আহি তেওঁৰ আপত্তি ব্যক্ত কৰিবলৈ আহ্বান কৰে। গোচৰীয়াৰ আপত্তি শুনাৰ পাছত মৌন্‌ঝিয়ে গোচৰীয়াক কোনোবা সাক্ষী আছে যদি সভাৰ আগত সাক্ষী দিবলৈ আহ্বান কৰে। সাক্ষী থাকিলে নাম ঘোষণা কৰাৰ পাছত গোচৰীয়াই নিজৰ আসনলৈ যায়। ইয়াৰ পাছত অভিযুক্তক নিজৰ মতামত প্রকাশ কৰি কৰিবলৈ কোৱা হয়। তেওঁ যদি অভিযোগ অস্বীকাৰ কৰে তেন্তে ভোগ্‌দই সাক্ষীৰ মতামত লবলৈ মৌন্‌ঝিক পৰামর্শ প্রদান কৰে। গাওঁৰ নাইকিয়ে গাওঁবাসীৰ আগত সাক্ষীৰ চাওঁতালী পৰম্পৰাত শপত বাক্য পাঠ কৰোৱায়। ইয়াৰ পাছতহে সাক্ষীক বিচাৰ চলি থকা বিষয়টোৰ সম্পর্কে নিজ চকুৰে কি দেখিছিল তাক ব্যক্ত কৰিবলৈ অনুমতি দিয়া হয়। সাক্ষীৰ মতামত গ্রহণ কৰাৰ পাছত মৌন্‌ঝিয়ে ভোগ্‌দসকলক কি শাস্তি দিলে উচিত হয় সেই সম্পর্কে তেওঁলোকৰ মাজত আলোচনা কৰাৰ পৰামর্শ দিয়ে। যিটো প্রক্রিয়াক ‘বেংগাৰকোচা’ নামেৰে জনা যায়। ইয়াৰ লগে লগে ভোগ্‌দসকলে জনসমাগমৰ পৰা কিছু নিলগলৈ আঁতৰি যায় আৰু আৰোপী, আবেদনকাৰী, সাক্ষী আদিৰ মতামতবোৰ পুনঃমূল্যায়ণ কৰে। উক্ত আলোচনাতে আবেদনকাৰী, অভিযুক্ত আৰু আভিযোগকাৰীৰ চৰিত্র সম্পর্কে সুক্ষ্ম বিশ্লেষণ কৰাৰ লগতে আইন উলংঘা কৰা বিষয়টোৰ প্রতিটো দিশ আৰু ইয়াৰ পৰা সমাজত পৰিব পৰা প্রভাৱ আদি সকলোবোৰ দিশৰ প্রতি গুৰুত্ব দিয়া হয়। ইয়াৰ পাছত তেওঁলোক এক সিদ্ধান্তত উপনীত হৈ মৌন্‌ঝিক অৱগত কৰে। তাৰ পাছত অভিযুক্ত দোষী হয়নে নহয় সেই ৰায় ঘোষণা কৰা হয়। যদি অভিযুক্ত দোষী সাব্যস্ত কৰা হয় তেতিয়া উক্ত দোষৰ শাস্তি কি হ’ব সেই কথাও সভাতে মৌন্‌ঝিয়ে ঘোষণা কৰে। যদি ঘোষণা কৰা ৰায়ৰ সম্পর্কে কোনো গাওঁবাসীৰ কিবা আপত্তি থাকে তাক মৌন্‌ঝিয়ে শুনিবলৈ বাধ্য। অৱশ্যে উক্ত আপত্তি কেৱল মাত্র জৰিমনাৰ পৰিমাণ অথবা শাস্তিৰ প্রকৃতিৰ সম্পর্কেহে কৰিব পাৰিব। ভোগ্‌দসকলে তেনে আপত্তি গ্রহণ কৰি ঘোষণা কৰা শাস্তিৰ সংশোধন সম্পর্কে মৌন্‌ঝিক পুনৰ বিচাৰ কৰিবলৈ ক’ব পাৰে। তেতিয়া মৌন্‌ঝিয়ে সভাতে শাস্তিৰ প্রকৃতিৰ সংশোধন বিষয়ক ৰায় প্রদান কৰে। প্রায়বোৰ বিচাৰতে সংশোধিত ৰায়দান সভাই স্বীকাৰ কৰি লয়। কাৰণ এনে ৰায়দান সভাৰ সন্মতি মত সাপেক্ষে দিয়া হয়।

পৰবৰ্তী পদক্ষেপ সমূহ হ'ল অভিযুক্তৰ ওপৰত জৰিমনা কেনেদৰে বিহা হ'ব তাক লৈ আলোচনা। মৌন্‌ঝিয়ে গাওঁৰে কেইজনমান ব্যক্তিক সেই দায়িত্ব অৰ্পণ কৰে। আৰ্থিক জৰিমনা প্ৰদান কৰিলে গাওঁৰ গদিৎক নিৰ্ধাৰিত জৰিমনা সংগ্ৰহ কৰি আনি সভাত জমা দিয়াৰ নিৰ্দেশ দিয়ে। মৌন্‌ঝিয়ে নিজস্ব ভাৱে ৰায়দান দিব পৰা কিছু গোচৰ তলত উল্লেখ কৰা ধৰণৰ —

ক) পাৰিবাৰিক কন্দল

খ) মাৰপিট

গ) মিছা অভিযোগ

ঘ) যৌন অপৰাধ

ঙ) অন্যান্য অপকৰ্ম

ঠিক তেনেকৈ গাওঁৰ প্ৰত্যেকটো সামাজিক সম্পৰ্ক মোৰেহড়ে মৌন্‌ঝিক অৱগত কৰি বৈধতা প্ৰদান কৰে। অন্যথা গাওঁত তাৎক্ষণিক প্ৰভাৱ পৰা বিষয়ত জৰুৰী গাওঁসভাৰ আহ্বান কৰে। ঠিক তেনেকৈ মৌন্‌ঝিয়েও সকলো ধৰণৰ ঘটনাৰ সৈতে সংলগ্ন হৈ থাকে। গঞাই পোনে পোনে আৰক্ষী চকীলৈ যোৱাটো নিষেধ। তেওঁলোকে ভূমি বিবাদ, পাৰিবাৰিক জীৱন, পশুধন, বেদখল আদি আন আন বিবাদো গাওঁতে সমাধান কৰে। শাস্তি দিয়াৰ ক্ষেত্ৰটো অপৰাধীক মৌন্‌ঝিয়েহে পৰম্পৰাগত ভাৱে শাস্তি প্ৰদান কৰে।

যদি কোনো লোকৰ মৌন্‌ঝিবাইসীয়ে দিয়া শাস্তি গ্ৰহণযোগ্য নহয় তেতিয়া অভিযুক্তই উৰ্দ্ধতম বিচাৰপতি অৰ্থাৎ পৰগণাবাইসীৰ ওচৰত আবেদন কৰিব পাৰে।

**পৰগণাবাইসি ঃ**

পৰগণাবাইসি হ'ল চাওঁতালসকলৰ দ্বিতীয় পৰ্যায়ৰ বিচাৰালয়। পৰগণা হ'ল কেইখন মান গাওঁ সাঙুৰি গঠন কৰা এটা অঞ্চল। নিৰ্দিষ্ট অঞ্চলক লৈ গঠিত পৰগণাক চাওঁতালসকলে নিজ অঞ্চলৰ সৰ্বেসৰ্বা বুলি গণ্য কৰে। দহৰ পৰা বিশখন গাওঁক লৈ গঠিত এখন পৰগণাই উক্ত অঞ্চলত প্ৰশাসনিক কাৰ্য পৰিচালনা কৰে। এই পৰিষদৰ মুৰব্বীজনক পৰগণা বুলি কোৱা হয়। পৰগণাৰ অধীনত থকা অঞ্চলৰ মৌন্‌ঝিসকলে পৰগণাৰ বাবে যোগ্য ব্যক্তিক সেই পদলৈ

নিৰ্বাচন কৰে। পূৰ্বতে পৰগণা চাওঁতাল জনসাধাৰণৰ মুখ্য প্ৰবক্তা আছিল বুলিব পাৰি। কাৰণ তেতিয়া চাওঁতাল জনসাধাৰণৰ সৈতে দেশৰ মূল সূতিৰ প্ৰশাসনৰ কোনো ধৰণৰ প্ৰত্যক্ষ সংযোগ নাছিল। ঔপনিবেশিক শাসনৰ পূৰ্বে, ঔপনিবেশিক শাসনৰ সময়ছোৱাত আৰু উত্তৰ ঔপনিবেশিক কালতো পৰগণাসকলে চাওঁতাল জনসাধাৰণৰ প্ৰতিনিধি হিচাপে ৰাজ্যৰ মুখ্য শাসকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিছিল। যেতিয়া কোনো বিবাদৰ পুনঃবিচাৰ আবেদন পৰগণাবাইসিৰ সন্মুখত উত্থাপন কৰা হয় তেতিয়া পুনঃ বিচাৰৰ বাবে আবেদন কৰা মৌন্‌ঝিজনে পৰগণাক সাক্ষাৎ কৰি তেওঁৰ সমস্যাৰ কথা অৱগত কৰাৰ লগতে পৰগণাবাইসিৰ পৰা কি আশা কৰি আবেদন কৰা হৈছে সেই কথাও বিৱৰি কয়। মৌন্‌ঝিৰ কথাত সন্তুষ্ট হ'লে মৌন্‌ঝিয়ে কি তাৰিখত বিষয়টোৰ সৈতে সম্পৰ্কীয় ব্যক্তি কেইজনক বিচাৰস্থলীলৈ আনিব পাৰিব তাৰ নিশ্চয়তা বিচাৰে। ইয়াৰ পাছত 'চল্লাদাৰে' (পৰগণা বাইসিৰ একৰাকী বিষয়ববীয়া) বিপক্ষে থকা মৌন্‌ঝিৰ ওচৰলৈ গৈ আবেদন কৰা মৌন্‌ঝিৰ আবেদনৰ কথা উল্লেখ কৰে আৰু পুনঃবিচাৰৰ শুনানীৰ তাৰিখ নিশ্চিত কৰাৰ কথাও কয়। নিম্ন বিচাৰ সভাত বিজয়ী পক্ষৰ মৌন্‌ঝিৰ লগতে অন্য দহজন মৌন্‌ঝিক সমগ্ৰ বিচাৰ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ বাবে আমন্ত্ৰণ কৰে। গোচৰৰ সৈতে জড়িত মৌন্‌ঝিৰ বাদেও নিৰীক্ষক হিচাপে আমন্ত্ৰণ কৰা মৌন্‌ঝিৰ লগত তেওঁলোকৰ অনুগামী গাওঁবাসীসকলক লৈ নিৰ্ধাৰিত তাৰিখত পৰগণাৰ বাসগৃহত উপস্থিত হয়। পৰগণাত উপস্থিত হোৱাৰ পাছত মৌন্‌ঝিসকলক উষ্ম অভ্যৰ্থনা জনোৱা হয়। পৰগণাৰ গাওঁত আহি মৌন্‌ঝিসকল উপস্থিত হোৱাৰ পাছত তেনে কৰাটো তেওঁলোকৰ পৰম্পৰাগত ৰীতিৰ ভিতৰত পৰে। এইটো ৰসহীন বিচাৰ প্ৰক্ৰিয়াৰ সলনি উৎসৱ সদৃশ দৃশ্য ক'ব পাৰি। মৌন্‌ঝিসকলে আসন গ্ৰহণ কৰাৰ পাছত চাল্লাদাৰৰ নেতৃত্বত সহায়ক বিষয়াসহ পৰগণাই বিচাৰকক্ষত প্ৰবেশ কৰে। পৰগণাই পৰম্পৰাগত পৰিচ্ছদ অৰ্থাৎ মূৰত পাগুৰি মাৰি হাতত এডাল দীঘল বেতৰ লাঠি লৈ সভাকক্ষত প্ৰবেশ কৰে। পাগুৰি আৰু বেতৰ লাঠিডাল হ'ল চাওঁতাল সমাজত ক্ষমতাৰ প্ৰতীক। পৰগণাক উপস্থিত আটাইকেইজন মৌন্‌ঝিয়ে অভিবাদন জনায়। পৰগণাই আনতকৈ এক উচ্চস্থানত আসন গ্ৰহণ কৰে। পৰগণাৰ কাষতে চাল্লাদাৰে আসন গ্ৰহণ কৰে; পাঁচজন নিৰীক্ষক মৌন্‌ঝিয়ে পৰগণাৰ সোঁফালৰ খাটত আন পাঁচজনে পৰগণাৰ বাওঁফালে থকা খাটত বহে। আবেদন কৰা মৌন্‌ঝি আৰু প্ৰতিবাদী মৌন্‌ঝিয়ে পৰগণাৰ সন্মুখত দহৰ পৰা পোন্ধৰ ফুটৰ দূৰত্বত নিজৰ আসন

লয়। বিচাৰ প্ৰক্ৰিয়া চাবলৈ অহা গাওঁবাসীয়ে এই সমল ব্যক্তিসকলৰ চাৰিওফালে অৰ্ধবৃত্তাকাৰ ৰূপত ঠিয় হৈ থাকে। পৰগণাই উচ্চ ঠাইত থকা আসনত বহাৰ পাছতে চাক্লাদাৰে আবেদন কৰা মৌন্‌ঝিক তেওঁৰ গোচৰৰ কথা প্ৰকাশ কৰিবলৈ কয়। আবেদন কৰা মৌন্‌ঝিয়ে পৰগণাৰ সন্মুখত ঠিয় হৈ তেওঁৰ গোচৰৰ কথা ব্যক্ত কৰে। সমগ্ৰ গোচৰটো শুনাৰ পাছত পৰগণাই নিৰীক্ষক হিচাপে থকা মৌন্‌ঝিসকলক গোচৰীয়া আৰু প্ৰতিবাদী মৌন্‌ঝিৰ গোচৰটোৰ সম্পৰ্কে মতামত দিবলৈ কয়। নিৰীক্ষকসকলে তেওঁলোকৰ মাজত বিষয়টোৰ সম্পৰ্কে আলোচনা কৰে আৰু এটা সিদ্ধান্তলৈ আহি সেই সম্পৰ্কে পৰগণাক অৱগত কৰে। পৰগণাইও বিষয়টোৰ সম্পৰ্কে ভাবি গুণি চায়। যদি পৰগণাৰ মতামতৰ সৈতে নিৰীক্ষক মৌন্‌ঝি কেইজনৰ মতামতৰ মিল থাকে তেতিয়া পৰগণাই লগে লগে ৰায়দান গোষণা কৰে। যদি পৰগণাৰ ব্যক্তিগত মতামত আৰু নিৰীক্ষক মৌন্‌ঝিৰ মতামত নিমিলে পৰগণাই বিষয়টোৰ গুৰুত্বৰ প্ৰতি ধ্যান ৰাখি মৌন্‌ঝিৰ মতামত পুনঃবিচাৰৰ বাবে অনুৰোধ কৰে। পৰগণাৰ মতামতৰ প্ৰতি গুৰুত্ব ৰাখি বিষয়টো আকৌ নতুন ধৰণে আলোচনা কৰা হয়। যদি নিৰীক্ষক মৌন্‌ঝিয়ে অনুভৱ কৰে যে বিষয়টোৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি পৰগণাৰ মতামতে এটা সুস্থসমাধান দিব তেতিয়া পৰগণাৰ মতামতৰ সৈতে তেওঁলোকৰ সহমতৰ কথা পৰগণাক ব্যক্ত কৰে। আৰু যদি পৰগণাৰ মতামতত ভাৰসাম্যতাৰ অভাৱ বুলি নিৰীক্ষকসকলে ভাৱে তেতিয়া অতি নম্ৰ ভাৱে উক্ত মতামতে সামাজিক মানদণ্ড হানি কৰাৰ লগতে ভৱিষ্যতে ঘটনাটোৱে জনসাধাৰণৰ মাজত এটা বেয়া আদৰ্শ প্ৰতিষ্ঠা হোৱাৰ সম্ভাৱনা আছে বুলি বিষয়টো পৰগণাক অৱগত কৰে। চাওঁতাল সামাজিক ৰীতি অনুসৰি পৰগণাই নিৰীক্ষক মৌন্‌ঝিৰ মতামত অস্বীকাৰ কৰি নিজৰ মতামত বাহাল ৰাখিব পাৰে। ইয়াৰ পাছত পৰগণাই ৰায়দান ঘোষণা কৰে। ৰায়দান ঘোষণা হোৱাৰ পাছত গুচৰীয়া আৰু প্ৰতিবাদী মৌন্‌ঝিক উক্ত ৰায়দান সম্পৰ্কত তেওঁলোকৰ মতামত প্ৰকাশ কৰিবলৈ কিছু সময় দিয়া হয়। যদি দুয়োপক্ষই ৰায়দানৰ সিদ্ধান্ত সঠিক আৰু চূড়ান্ত বুলি বিবেচনা কৰে তেন্তে সেয়া স্বীকাৰ কৰি লয়। যদি যিকোনো এটা পক্ষই ৰায়দানৰ বিৰোধিতা কৰে তেতিয়া নিৰীক্ষক মৌন্‌ঝিসকলে আপত্তিৰ কাৰণ আলোচনা কৰে আৰু বিৰোধিতাৰ কাৰণবোৰ পুনৰ ভালদৰে বিচাৰ কৰে। তেনেধৰণে আলোচনা কৰাৰ পাছত নিৰীক্ষক মৌন্‌ঝিসকলে এটা সহমতত উপনীত হোৱাৰ বাবে যত্ন কৰে। তাৰ পাছত পৰগণাই ঘোষণা কৰে যে আপত্তি কৰা সকলোবোৰ দিশ

চালিজালি পুনঃ বিবেচনা কৰি সমাজৰ ভালৰ প্ৰতি লক্ষ্য ৰাখি নতুন ৰায়দান কৰা হৈছে। দ্বিতীয়বাৰ ঘোষণা কৰা ৰায়দানক দুয়োপক্ষই সাধাৰণতে স্বীকাৰ কৰি লয়। পৰগণাই বিচাৰ কক্ষ ত্যগ কৰাৰ পূৰ্বে আসনৰ পৰা উঠে আৰু ৰায়দানৰ প্ৰতীকস্বৰূপে বেতৰ লাঠি ডাল শূন্যলৈ তিনিবাৰ ডাঙি ৰায়দানত অনুমোদন কৰে। ইয়াৰ লগতে তেওঁ সকলো মৌন্‌ঝিকে তেওঁৰ গৃহলৈ পুনৰ আমন্ত্ৰণ কৰে। তেওঁৰ গৃহত সকলো মৌন্‌ঝিকে হাঁণ্ডি আপ্যায়ণ কৰে।

**ল’বীৰ বাইসি ঃ**

ল’বীৰ বাইসি হ’ল চাওঁতাল সমাজৰ ন্যায়িক প্ৰক্ৰিয়াৰ উচ্চতম ন্যায়ালয়। যিখন বিচাৰালয় বাৰ্ষিক চিকাৰৰ দিনা হাবিৰ মাজত অনুষ্ঠিত কৰা হয়। ল’বীৰবাইসি শব্দটো চাওঁতালসকলৰ বাবে অতি ভয় লগা শব্দ হোৱাৰ লগতে ই এক আকৰ্ষণীয় শব্দও। ভয়লগা কাৰণটো হ’ল বাইসিয়ে যি কোনো সিদ্ধান্ত দিব পাৰে। অন্যহাতে যুৱ প্ৰজন্মই চাওঁতাল ন্যায়িক প্ৰক্ৰিয়াৰ উচ্চতম বিচাৰ সভাৰ কাৰ্যাৱলী প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰে বাবে ই তেওঁলোকৰ বাবে আকৰ্ষণীয়ও হয়। উল্লেখযোগ্য যে উক্ত চাওঁতাল বিচাৰালয়লৈ কেৱল প্ৰাপ্তবয়স্ক লোককহে যোৱাৰ অনুমতি দিয়া হয়। উক্ত অনুষ্ঠানত পৰিবেশিত বীৰ গীতসমূহে হয়তো যুৱপ্ৰজন্মক আকৰ্ষণ কৰাৰ অন্যতম কাৰণ হ’ব পাৰে। এই শ্ৰেণীৰ গীতবোৰ চাওঁতাল মহিলা সদস্য আৰু গাওঁৰ পথ বা যিকোনো সামাজিক স্থানত গোৱাটো নিষেধ। এইবোৰ গীত গোৱাটো পুৰুষৰ একচেতীয়া অধিকাৰ হোৱাৰ লগতে এনে গীতবোৰ অতি অশ্লীল হয়। ল’বীৰবাইসিৰ কৰ্মবিৰতি সময়ত আৰু বাইসি আৰম্ভ হোৱা পূৰ্ব দিনা গোটখোৱা বৃহৎ সংখ্যক লোকে বাইসিৰ বাবে অপেক্ষা কৰাৰ সময়ত পৰম্পৰাগত ভাৱে এই গীতসমূহ গোৱা হয়। ল’বীৰবাইসি হ’ল বাৰ্ষিক চিকাৰৰ সামৰণি পৰ্ব। ‘দিহীৰি’ৰ নেতৃত্বত চাওঁতালসকলে বাৰ্ষিক চিকাৰলৈ যায়। চিকাৰৰ নেতা দিহীৰিয়ে তেওঁলোকৰ বাবে অপেক্ষা কৰি থাকে। দিহীৰিয়ে নিজ নিজ নাইকি আৰু মৌন্‌ঝিৰ নেতৃত্বত যোৱা গাঁওবাসীক সম্ভাষণ জনায়। কেতিয়াবা পৰগণাও উক্ত অনুষ্ঠানত অংশ গ্ৰহণ কৰে। প্ৰথম নিশা এই লোকসকল লোকে হাবিত থকা শিবিৰতে কটায়। পিছদিনা পুৱা দিহীৰিয়ে শুভ অশুভৰ সম্পৰ্কে পৰীক্ষা কৰে। যদি তেওঁ সেইদিনা চিকাৰত যোৱাতো শুভ বুলি নিশ্চিত হয় তেতিয়া জনসাধাৰণক চিকাৰলৈ যোৱাৰ

বাবে নিৰ্দেশ দিয়ে। যদি তেওঁ কিবা অশুভ ইংগিত লাভ কৰে তেতিয়া অংশগ্ৰহণকাৰী জনতাক সঠিক সময়ৰ  বাবে অপেক্ষা কৰিবলৈ পৰামৰ্শ দিয়ে। চিকাৰ কাৰ্য সমাপ্ত হোৱাৰ পাছত অংশ গ্ৰহণকাৰী জনতাই ল'বীৰ বাইসিৰ সমাপ্তিৰ অনুষ্ঠানৰ বাবে শিবিৰলৈ উভতি আহে। উক্ত অনুষ্ঠান  দিহিৰীৰ  সভাপতিত্বত অনুষ্ঠিত হয়। ল'বীৰ বাইসি হ'ল পাঁচখন বেলেগ বেলেগ উপ-সমিটিৰ (বা শাখা) সমূহীয়া নাম। পাঁচখন উপ-সমিটি হ'ল এনে ধৰণৰ — মৌন্‌ঝি উপ-সমিটি, জগমৌন্‌ঝি উপ-সমিটি, গদিৎ  উপ-সমিটি, নাইকি উপ-সমিটি  আৰু  লাচেৰ উপ-সমিটি। ল'বীৰ বাইসিৰ সময়ত সাধাৰণতে ইখনে-সিখনৰ পৰা সামান্য দূৰত্বত এই পাঁচখন উপ-সমিটিয়ে বেলেগ বেলেগকৈ বহে। সভাপতি দিহৰীক আৱৰি অৰ্ধবৃত্তাকাৰত পাঁচজোপা গছৰ তলত উক্ত উপ-সমিটিবোৰ বহাত গুৰুত্ব দিয়া হয়। উক্ত সভাত দিহৰীৰ সন্মুখত পৰগণা বাইসিত নিস্পত্তি নোহোৱা গোচৰবোৰ গোচৰীয়া পক্ষই নিজে নাইবা নিজ গাওঁৰ মৌন্‌ঝিৰ দ্বাৰা উত্থাপন কৰে। গোচৰৰ শুনানীৰ পাছত দিহৰীয়ে কোনো উপ-সমিটিক এই বিষয়ে আলোচনা কৰা দায়িত্ব অৰ্পণ কৰে। তেওঁলোকে বিস্তৃত ভাৱে আলোচনা কৰি এটা সিদ্ধান্তলৈ আহে আৰু সেই সম্পৰ্কে দিহৰীক তেওঁলোকৰ মতামত জনায়। দিহৰীয়ে উপ-সমিটিৰ মতামত শুনাৰ পাছত তেওঁৰ মতামতৰ সৈতে মিল পালে লগে লগে ৰায়দান ঘোষণা কৰে। যদি তেওঁ উপ-সমিটিৰ মতামতৰ সৈতে সহমত নহয় তেতিয়া বিষয়টো লাচেৰ উপ-সমিটিয়ে প্ৰেৰণ কৰে। লাচেৰ উপ-সমিটিৰ মতামতক চুড়ান্ত ৰায় বুলি গ্ৰহণ কৰা হয় যদিও দিহৰীয়েহে  ৰায়দান কৰাটো নিয়ম সিদ্ধ।

অতীতত চাওঁতালসকলে উল্লিখিত এক পৃথক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে তেওঁলোকৰ সমাজ জীৱন পৰিচালনা কৰিছিল  যদিও সাম্প্ৰতিক সময়ত পৰগণাবাইসি আৰু  ল'বীৰবাইসিৰ অস্তিত্ব অসমৰ চাওঁতাল সমাজত বিচাৰি পোৱা নাযায়। মাথো মোৰেহড়ৰ জৰিয়তে মৌন্‌ঝি বাইসিয়ে প্ৰতিখন গাওঁতে সামাজিক জীৱন পৰিচালনা কৰি  অহা  নিয়মটোহে  সৰ্বত্ৰে পৰিলক্ষিত হয়।

## গাওঁ সভাৰ বিষয়ববীয়াৰ নিৰ্বাচন ঃ

মাঘ মাহত অনুষ্ঠিত হোৱা 'মাঘচিম' অনুষ্ঠান পালনৰ পাছত গাওঁবাসী একগোট হয়। উক্ত অনুষ্ঠানত মৌন্‌ঝিয়ে তেওঁৰ বিষয়বাবৰ পৰা পতদ্যাগ কৰে আৰু তাৰ পাছত গাওঁ সভাৰ

আন আন বিষয়ববীয়াসকলেও পদত্যাগ কৰে। যদি কোনো বিষয়ববীয়াৰ কামত ৰাইজ অসন্তুষ্ট তেতিয়া এই সভাতেই আন কোনো ব্যক্তিক সেই বিষয়বাবটো অৰ্পণ কৰা হয়। অন্যথা পূৰ্বৰ বিষয়ববীয়া সকলকে তেওঁলোকৰ বিষয়বাব সমূহ পুনৰ্বাৰ অৰ্পণ কৰা হয়। তাৰ কিছুদিন পাছত তেওঁলোকে এক নিৰ্দিষ্ট দিনত শপত বাক্য পাঠ কৰি নিজৰ নিজৰ দায়িত্বসমূহ গ্ৰহণ কৰে। নাইকিৰ নিৰ্বাচন প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে কৰা হয়। যদি কোনো বিষয়ববীয়াৰ মৃত্যু হয় তেন্তে এই বছৰেকীয়া অনুষ্ঠানতহে তেওঁৰ বিষয়বাব আন কাৰোবাক অৰ্পণ কৰা হয়। মূখ্যতঃ উত্তৰাধিকাৰী সূত্ৰে বিষয়বাব সমূহ অৰ্পণ কৰা হয় যদিও ৰাইজৰ সন্মতি অবিহনে এইয়া সম্ভৱ নহয়। কোনো বিষয়ববীয়াই গাওঁৰ জনসাধাৰণৰ অনুমতি অবিহনে যি কোনো পদত অধিষ্ঠিত হৈ থাকিব নোৱাৰে। সেয়েহে নিৰ্বাচনৰ দিনা প্ৰত্যেকজন গাওঁবাসীৰ মতামত গ্ৰহণ কৰা হয়। যদি কোনো ব্যক্তিৰ কণ্ঠস্বৰত সামান্য সন্দেহৰ আভাষ পোৱা যায় তেতিয়া তেনে ব্যক্তিক নিজৰ স্থিতি স্পষ্ট কৰিবলৈ কোৱা হয়। যদি কোনো ব্যক্তিৰ নিৰ্বাচনৰ ক্ষেত্ৰত কাৰোবাৰ বিৰোধিতা প্ৰকাশ হয় তেতিয়া সমগ্ৰ বিষয়টো পদ্ধতি গত ভাৱে অনুসন্ধান কৰা হয়। তাৰ পাছতহে নিৰ্বাচিত ব্যক্তিক নিৰ্ণায়ক শপত বাক্য পাঠ কৰিবলৈ দিয়া হয়।

## বাৰণ বা টেবু ঃ

'মেজিক' শব্দটো এটি নৃবৈজ্ঞানিক পৰিভাষা। চাৰ জেমচ্ ফ্ৰেজাৰৰ মতে বাস্তৱৰ কোনো এটা ঘটনা বা ক্ৰিয়াৰ অনুকৰণশীল আন এটা কৰ্মই বাস্তৱত প্ৰভাব পেলাব পাৰে বুলি আদিম মানৱৰ ধাৰণা আছিল আৰু এই ধাৰণাৰ পৰাই মেজিকৰ উৎপত্তি। ফ্ৰেজাৰে 'মেজিক'ক দুটা ভাগত ভগাইছে — সদৃশ বিধানী বা অনুকৃত মেজিক (Homeopathic, imitative or mimetic magic) আৰু স্পৰ্শজ মেজিক (Contagious magic)। বাস্তৱৰ এটা ঘটনাৰ অনুকৰণ কৰি অনুৰূপ ফল পবলৈ আশা কৰিলে তাক অনুকৃত মেজিক বুলিকোৱা বয়। উদাহৰণ স্বৰূপে — অসমৰ তোলনী বিয়াৰ সময়ত ছোৱালীজনীক 'জননী' (কাপোৰত কিবা কিবি বস্তু দি বন্ধা টোপোলা) কোলাত দিয়া হয়, উজনী অসমত কেচুঁৱা কোলাত দিয়া হয়, ভৱিষ্যতে সন্তান জন্ম দিয়াৰ আশা কৰি। বড়ো কছাৰীসকলৰ মাজত ভাত খায়েই বিছনাত বাগৰিব নাপায়, তেনে কৰিলে পথাৰৰ শস্য বাগৰি পৰে বুলি জনবিশ্বাস প্ৰচলিত। আনহাতে

'স্পৰ্শজ মেজিক'ক এটা সময়ত নিজৰ সংস্পৰ্শত থকা বস্তু দূৰলৈ গ'লে তাৰ পৰাই ক্ৰিয়া কৰিব বুলি ভবা হয়। সন্তান জন্মৰ পাছত গৰ্ভ ফুল পুতি থোৱা হয় যাতে তাৰদ্বাৰা আনে সন্তানৰ অনিষ্ট কৰিব নোৱাৰে।[৬]

অজ্ঞাতসাৰে হ'লেও আদিম মানৱে মেজিকৰ যোগেদি এটা কাৰণিক সূত্ৰ মানি লৈছিল আৰু এই ফালৰ পৰা মেজিক এটা প্ৰাকৃতিক সূত্ৰৰ তুল্য। এনে মেজিকক ফ্ৰেজাৰে 'তাত্বিক মেজিক' আখ্যা দিছে। আনহাতে মেজিকৰ সহায়েৰে নিজৰ ইপ্সিত আকাংক্ষা পূৰণাৰ্থে আদিম মানৱে নৃত্য কৰিছিল আৰু গীত গাইছিল আৰু এইদৰেই ভালেমান আচাৰ অনুষ্ঠানৰ সৃষ্টি হৈছিল। এই আচাৰ অনুষ্ঠানসমূহকেই ফ্ৰেজাৰে ব্যৱহাৰিক মেজিক (Practical Magic) নাম দিছিল। ব্যৱহাৰিক মেজিকক ফ্ৰেজাৰে পুনৰ দুই ভাগত ভাগ কৰিছে — ধনাত্মক মেজিক (Positive magic) বা ভোজবাজী (Sorcery) আৰু ঋণাত্মক মেজিক (Negative) বা টেবু (Taboo)। কিছুমান আচাৰ আচৰণ পালন কৰি ফলাকাঙ্খা কৰিলে তাক ধনাত্মক মেজিক বোলা হয় আনহাতে সেই নীতি নিয়ম পালন কৰাৰ পৰা বিৰত থাকি যেতিয়া ফলাকাঙ্খা কৰা হয় তাক ঋণাত্মক মেজিকবোলা হয় অৰ্থাৎ মেজিকৰ ঋণাত্মক দিশটোৱেই হৈছে টেবু। ইয়াত মানুহে কিছুমান আচাৰ আচৰণ পালনৰ পৰা বিৰত থাকি মনত ভবা ফল পোৱাৰ আকাংক্ষা কৰে। টেবু এটা পলিনেচীয় শব্দ। সামাজিক আচাৰ অনুষ্ঠান, ক্ৰিয়া কৰ্ম আদিকে ধৰি লোককৃষ্টিৰ এক বুজন অংশ টেবুৰ ওপৰত ভিত্তি কৰি গঠিত হৈছে বুলি কব পাৰি। টেবুৰ অসংখ্য নিদৰ্শন অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত বিদ্যমান। যেনে — বিধবাই আন কাৰো হাতে ভাত খাব নাপায়, পত্নীয়ে তেওঁৰ স্বামীৰ নাম উচ্চাৰণ কৰা নিষেধ। সন্তান জন্মৰ সময়ত তিৰোতা মানুহ সমায়িকভাৱে টেবু হৈ পৰা ইত্যাদি।[৭]

অসমৰ চাওঁতালসকলৰ মাজতো এনে বহু ধৰণৰ টেবুৰ প্ৰচলন দেখা যায়। তেওঁলোকে এইবোৰক 'বাৰণ' বুলি কয়। কোনো পুৰুষে তেওঁৰ ভাই বোৱাৰীৰ আৰু তেওঁৰ খুলশালিৰ ঘৈণীয়েকৰ নাম লব নোৱাৰে, কোনো মহিলাই তেওঁৰ দেওৰৰ পত্নিৰ নাম লব নোৱাৰে। ৰাজহুৱা বা ব্যক্তিগত যি ধৰণৰ কথোপকথন নহওক কিয় পত্নিয়ে পতিৰ নাম আৰু পতিয়ে পত্নিৰ নাম লব নোৱাৰে। দেওৰ আৰ ননদৰ মাজত এনে নিয়ম কঠোৰ ভাবে পালন কৰা হয়। আৰু ইয়াৰ উলংঘন কৰাটো পাপ বুলি গণ্য কৰা হয়। ইয়াৰ ফলত কেৱল ইহজনমেই নহয়

পৰজনমতো এই ফল ভোগ কৰিব লাগে বুলি বিশ্বাস কৰা হয়। তদুপৰি তেওঁলোকে যিজন কুলদেৱতাৰ পৰা তেওঁলোকৰ উপাধি পাইছে, সেইজনাৰ নামো উল্লেখ কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে মাল চোৰেণ এজনে ধৰ্মীয় অনুষ্ঠানত অথবা ৰাজহুৱা স্থানত মাল শব্দটো ব্যৱহাৰ কৰাত নিষেধাজ্ঞ আছে। জিহু চোৰেণে জিহু চৰাই মাৰিব নোৱাৰে কাৰণ জিহু চৰায়ে সেই বংশৰ পূৰ্বপুৰুষজনক ঘন অৰণ্যৰ মাজত তৃষ্ণা পুৰাবৰ বাবে বাট দেখুৱাইছিল। একেদৰে শংখ-চোৰেণসকলে শামুকৰ খোলাৰ গলপতা অথবা আ-অলংকাৰ পিন্ধা নিষেধ আৰু শামুক খোৱা অথবা শামুকৰ খোলা ব্যৱহাৰ কৰা নিষেধ।

কোনো গৰ্ভৱতী মহিলাক পশু-পক্ষীৰ প্ৰাণ ল'ব দিয়া নহয় আৰু মৃতদেহ স্পৰ্শ কৰিবলৈ দিয়া নহয়। সেই গৰ্ভৱতীৰ বাবে পঞ্চামৃত ভক্ষন অনুষ্ঠান পতা দেখা নাযায়। কাৰোবাৰ বিয়োগ ঘটিলে তেওঁ কান্দিব নোৱাৰে। তেওঁক নদী বা জান-জুৰিৰ কাষলৈ যাবলৈ দিয়া নহয় কিয়নো তাত ভূত-প্ৰেত থকা বুলি বিশ্বাস কৰা হয়। তেওঁক খাদ্যশস্যৰ মুঠি বান্ধিবলৈ থোৱা তঙালৰ ওপৰৰে পাৰ হৈ যাবলৈ দিয়া নহয়। তেওঁক চোতালত অথবা মুকলি ঠাইত শুবলৈ দিয়া নহয়, কিয়নো অপদেৱতা তেওঁৰ গাৰ ওপৰেৰে পাৰ হৈ যাব পাৰে। তেওঁ তেওঁৰ চুলিত কঠালৰ ফুল গুজি ল'ব নোৱাৰে। কিয়নো পানী নাপাই কঠালৰ ফুল শুকাই যোৱাৰ দৰে মাতৃগৰ্ভতে সন্তান শুকাই যাব পাৰে। তদুপৰি আন কেতবোৰ সাৱধানতাও অৱলম্বন কৰিবলগীয়া হয়। বতাহ-বৰষুণ আৰু বজ্ৰপাতৰ সময়ত এগৰাকী গৰ্ভৱতী মহিলাক ঘৰৰ ভিতৰতে থাকিব দিয়া হয় আৰু কাণত সোপা দি ৰাখিব দিয়া হয় যাতে গৰ্ভত থকা সন্তানে বজ্ৰপাতৰ শব্দ শুনিবলৈ নাপায়, নহ'লে শিশুটি ভয়াতুৰ হৈ জন্ম পাব। তেওঁক পিঠা-পনা বনাবলৈ দিয়া নহয়, কিয়নো তাৰ ফলত শিশুটিৰ কাণত আচোঁৰ পৰিব। তেওঁক কোনো কাৰণতে হালধী ৰুব বা ভাঙিবলৈ দিয়া নহয়, এনে কৰিলে শিশুটিৰ আঙুলি ভাঙি যাব পাৰে বা অতিৰিক্ত আঙুলি গজিব পাৰে বুলি আশংকা কৰা হয়। তেওঁক পাতৰ কাপ তৈয়াৰ কৰিব দিয়া নহয়, তেনে কৰিলে শিশুটিৰ ওঁঠ ফঁটা হৈ জন্ম পাব পাৰে। গৰ্ভাৱস্থাৰ কালত হাতী দেখিলে শিশুটিৰ জিভা দীঘল আৰু কাণ ডাঙৰ বা কুলাহেন হ'ব পাৰে বুলি লোকবিশ্বাস প্ৰচলিত। কেতবোৰ বাধা-নিষেধ পিতৃৰ ওপৰতো আৰোপ কৰা হয়। তেওঁ কোনো জীৱ-জন্তুৰ প্ৰাণ ল'ব নোৱাৰে আৰু মৃতদেহৰ স্পৰ্শলৈ অহাও অনুচিত। চিকাৰত কটা বা বলি দিয়া জীৱ-জন্তুৰ মূৰ খোৱাৰ পৰাও

তেওঁ বিৰত থাকিব লাগে।[৮] চাওঁতাল ঘৰসমূহত খিৰীকি ৰখাটো বাৰণ। সন্তান জন্মৰ সময়ত মহিলা গৰাকী সাময়িক ভাৱে 'টেবু' হৈ পৰে। প্ৰসবৰ পিছত গৰ্ভফুল প্ৰসূতি গৰাকী থকা ঘৰৰ মূখ্য দৰ্জাৰ তলত পুতি থব লাগে। তাৰ বাহিৰে আন কোনো ঠাইত গৰ্ভফুল পোতা বাৰণ। যিকোনো পূজাৰ আগনিশা নাইকিয়ে উপবাসে থাকি মাটিত শুব লাগে আৰু পত্নীৰ সৈতে সহবাসত লিপ্ত হোৱাটো নিষিদ্ধ। ভাই শহুৰৰ উপস্থিতিত কোনো মহিলাই বিচনাত বহা নিষিদ্ধ। শ্মশানৰ পৰা অহা পাছত গা নোধোৱাকৈ নিজ গৃহত প্ৰৱেশ নিষিদ্ধ। একে গোত্ৰৰ মাজত বিবাহ নিষিদ্ধ। জাতি বহিৰ্ভূত বিবাহ নিষিদ্ধ।

কোনো পুৰুষ-মহিলাকে জাহেৰ থানৰ পৱিত্ৰ বৃক্ষ ৰুবলৈ বা কাটিবলৈ দিয়া নহয়। বিশেষকৈ মহিলাসকলে পৱিত্ৰ বৃক্ষত বগাব নোৱাৰে আৰু ইয়াৰ ঠালঠেঙুলি ভাঙিব নোৱাৰে। কাৰণ এই পবিত্ৰ বৃক্ষত বঙ্গাই বাস কৰে আৰু বঙ্গাই মহিলাই তেওঁৰ মূৰত উঠাতো মুঠেই পছন্দ নকৰে। যদি কোনো মহিলাই বঙ্গা গছত বগায় তেতিয়া বঙ্গাই মনে বিচৰালৈকে বৰযুণ হয় বুলি বিশ্বাস কৰা হয়। কুল্হী অথবা গাওঁৰ সমূহীয়া পথ সমানেই গুৰুত্বপূৰ্ণ কিয়নো চাওঁতালসকলে গ্ৰাম্য পথক মৌন্ঝি বুকু গণ্য কৰে। যদিহে ইয়াৰ উপৰিভাগ এৰি যায় তেন্তে তেওঁ সেই গাঁওখন ত্যাগ কৰিব। সেয়ে কোনো লোকে পথত হাল বাব নোৱাৰে, আঁচ টানিব নোৱাৰে বা জোঙা ডাল ইফালৰ পৰা সিফাললৈ টানিব নোৱাৰে। একেদৰে কোনো ছোৱালীয়ে ঘৰৰ ছালত উঠিব নোৱাৰে কিয়নো ঘৰৰ ছালত বঙ্গা থাকে বুলি ভবা হয়। বঙ্গাৰ সৈতে জড়িত এনে বাধা নিষেধৰ-লগতে চাওঁতাল মহিলাক পুৰুষে কৰা বহু কামৰ পৰাও বাৰণ কৰা হৈছে। কোনো ছোৱালীয়ে ধনু টানিব নোৱাৰে, গাত খান্দিব নোৱাৰে, কুঠাৰ চলাব নোৱাৰে আৰু বৰশীৰে মাছ ধৰিব নোৱাৰে। ছোৱালীক পুৰুষৰ পোছাক পিন্ধা আৰু বাহী বজোৱাতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এগৰাকী ছোৱালীক যখলা ব্যৱহাৰতো বাধা দিয়া হয়। কিছুমান সম্পৰ্কৰ ক্ষেত্ৰটো ধৰাবন্ধা নিয়ম আছে। এনে সম্পৰ্কীয় সকলক বাহোঞহাড়িয়া[৯] আৰু আজনাৰিয়া[১০] বুলি কোৱা হয়। এই সম্পৰ্ক দুটাৰ ক্ষেত্ৰতে কেতিয়াও ইজনে আনজনৰ নাম লৈ মাতিব নোৱাৰে।

## টোটেম (কুলদেৱতা) ঃ

টোটেম অভিধাটোৰ উদ্ভাৱক হ'ল জে.এফ. মেকলেনান। পাছলৈ এই অভিধাটোৰ পৰিবৰ্ধন আৰু উত্তৰণ ঘটায় ডব্লিউ. আৰ. স্মিথ, ভিলহেল্ম উণ্ডট, জেমচ ফ্রেজাৰ, ৰেডক্লিফ ব্রাউন, জৰ্জ থমচন আদি নৃবিজ্ঞানীসকলে। ওঠৰ শতিকাৰ শেষৰফালে জন লং নামৰ নৃতত্ত্ববিদজনে প্রথম 'টোটেম' শব্দটো ব্যৱহাৰ কৰিছিল। 'টোটেম' হৈছে ৰেড ইণ্ডিয়ানসকলৰ 'আজিবুবা' নামৰ জন গোষ্ঠীটোৰ এটা শব্দ যাৰ অৰ্থ হ'ল প্রতীক বা চিহ্ন। ফ্রেজাৰে টোটেমৰ সংজ্ঞা তলত দিয়া ধৰণে উল্লেখ কৰিছে —

> *"Totemism is an intimate relation which is supposed to exist between a group of kindred people on the one side and a species of natural or artificial objects on the other side, which objects are called the totem."*[১১]

**অৰ্থ ঃ** টোটেম হৈছে সমগোত্রীয় মানুহৰ গোট আৰু আনফালে কৃত্রিম অথবা প্রাকৃতিক এটি প্রজাতিৰ মাজত আন্তৰিক সম্পৰ্ক থকা বুলি কৰা এটা বিশ্বাস।

টোটেম হৈছে এটা জনজাতীয় গোষ্ঠীৰ প্রতিনিধি। ইয়াৰ নামেৰে গোষ্ঠীৰ নাম ৰখা হয় আৰু গোষ্ঠীৰ প্রতিজন সভ্যই ইয়াৰ লগত নিজকে অংগাগীভাৱে জড়িত বুলি ভাবে। উদাহৰণ স্বৰূপে, যিটো গোষ্ঠীৰ টোটেম কুকুৰ, তেওঁলোকৰ প্রত্যেকেই নিজকে কুকুৰৰ বংশধৰ বুলি ভাবে। 'আংগামী নগা'সকলৰ 'থেমভা' গোষ্ঠীয়ে আৰু চেমাসকলৰ 'আৰমী' গোষ্ঠীয়ে নিজকে গাহৰীৰ বংশধৰ বুলি কয়। বড়োসকলৰ মাজত 'মুছাহাৰী' গোটৰ মানুহ খিনিয়ে বাঘৰ ভাগিন বুলি ভাবে ইত্যাদি। টোটেমিক জন গোষ্ঠীসমূহ মূলত বহিৰ্বিবাহমূলক অৰ্থাৎ নিজৰ গোত্রৰ মানুহক বিয়া নকৰায়। যেনে — বড়োসকলৰ মুছাহাৰী গোটৰ যুৱকে মুছাহাৰী গোটৰ যুৱতীৰ লগত, মিচিং সমাজত পেগু গোষ্ঠীৰ যুৱকে পেগু গোষ্ঠীৰ যুৱতীৰ সৈতে বিয়া নাপাতে।[১২]

অসমৰ চাওঁতালসকলৰ মাজত সৰ্বমুঠ বাৰটা গোত্রৰ প্রচলন দেখা যায়। উল্লিখিত গোত্রসমূহৰ নামৰ উৎস হৈছে উদ্ভিদ আৰু প্রাণী। এটা গোত্র আৰু তেওঁলোকৰ গোত্রৰ দেৱতাজনৰ সৈতে এক পৱিত্র আত্মিক সম্পৰ্ক থকা বুলি তেওঁলোকে বিশ্বাস কৰে। কুলদেৱতাৰ

বংশৰ পৰা উদ্ভূত হোৱা বুলি চাওঁতাল সমাজত সকলোতে মানি লোৱা নহয় যদিও গোত্ৰটোৰ পূৰ্ব পুৰুষসকলৰ জন্ম বা কৰ্মৰ সৈতে কুলদেৱতাৰ যোগসূত্ৰ থকা বুলি বিশ্বাস কৰা হয়। হাঁসদা গোত্ৰৰ সদস্যসকলে দাবী কৰে যে তেওঁলোকেই সকলো গোত্ৰৰ ভিতৰত উচ্চ স্থান দখল কৰি আছে। তেওঁলোকে প্ৰথম পুৰ্বপুৰুষৰ পৰা নিজৰ গোত্ৰৰ নাম আহৰণ কৰিছে। 'হাঁস' নামটোয়ে হাঁহক বুজায় আৰু চাওঁতালী ভাষাত 'ডা' শব্দটোৰ অৰ্থ হৈছে পানী। সেয়েহে এই গোত্ৰটো, জগতৰ আদি অৱস্থাৰ সৈতে আৰু আদি পুৰুষৰ সৈতে জড়িত। সৃষ্টিৰ ৰহস্যৰ সৈতে যোগসূত্ৰ থকা বুলি বিশ্বাস কৰা হেতুকে এই গোত্ৰটোক আটাইবোৰৰ ভিতৰত জেষ্ঠ্য বুলি গণ্য কৰা হয়। তাৰোপৰি হাঁহ কেৱল পানীত চৰি ফুৰা চৰাইতে নপৰে। ই মাটিত বাহ সজে আৰু মাটিত খোজ কাঢ়ে, অথচ আকাশত উৰে। হাঁসদা পৰিয়ালৰ সদস্যসকলে এই কেইটা লক্ষণৰে নিজকে সংযোজিত কৰি নিজকে আনতকৈ শ্ৰেষ্ঠ বুলি বিবেচনা কৰে। এই ক্ৰমত দ্বিতীয় স্থানত আছে মুৰ্মুসকল যিয়ে নীলগায় বা কৃষ্ণসাৰ মৃগক প্ৰতিনিধিত্ব কৰে। এই গোত্ৰৰ মূল বিচাৰিলে প্ৰথমে কৃষ্ণসাৰৰ কথাই মনলৈ আহে কিয়নো প্ৰথমটো ফৈদে চিকাৰ কৰা প্ৰাণীবিধেই আছিল কৃষ্ণসাৰ মৃগ। এই প্ৰাণীবিধকে চাওঁতালসকলে দেৱতালৈ অৰ্ঘ্য হিচাপে আগবঢ়াইছিল। তাৰ পাছৰ পৰাই চাওঁতালসকলৰ জন্তু চিকাৰ কৰা এটা পৰম্পৰা হৈ পৰে। ভূমিত চৰা কৃষ্ণসাৰ মৃগ চাওঁতালসকলৰ মাজৰ ধ্বংসৰ কাৰণ হোৱাৰ বিপৰীতে হাঁহক মানৱতা আৰু মনুষ্য জীৱনৰ সৃষ্টিৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়। হাঁসদা আৰু মুৰ্মুসকল হৈছে চাওঁতাল জনগোষ্ঠীৰ অন্যতম উচ্চ গোত্ৰ। লোককথা অনুসৰি তেওঁলোকে বহিগোত্ৰীয় বিবাহ কৰোৱা নাছিল আৰু আন্তঃগোত্ৰীয় সম্পৰ্কত বিশ্বাস কৰিছিল। হাঁসদাসকলক বিধান দিওঁতাৰ শাৰীত ধৰা হয় আৰু মুৰ্মুসকলক পুৰোহিত আখ্যা দিয়া হয়। কিস্কুসকলে মাছৰোকা চৰাইক তেওঁলোকৰ কুলদেৱতা বুলি মানে আৰু ক্ৰমৰ তৃতীয় স্থান অধিকাৰ কৰিছে। তেওঁলোকক ৰজা বুলি ধৰা হয় আৰু সম্পূৰ্ণ ৰাজসিক মৰ্য্যাদা প্ৰদান কৰা হয়। হেমব্ৰম হৈছে ক্ৰমত চতুৰ্থ স্থানত আৰু তেওঁলোকৰ কুলদেৱতা হৈছে তামোল। জনবিশ্বাস অনুসৰি হেমব্ৰম গোত্ৰটো ককালত তামোলৰ ৰছী এডাল লৈ জন্ম পাইছিল। আন কিছুমানে আকৌ তেওঁলোকৰ পূৰ্বপুৰুষ তামোলগছৰ তলত জন্ম পাইছিল বুলিও বিশ্বাস কৰে। তামোল ভিতৰি টান আৰু দৃঢ় হোৱাৰ দৰেই হেমব্ৰমসকলক সততা আৰু নিষ্ঠাৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। মাৰ্দিসকলক ঘাঁহৰ

সৈতে সম্পৰ্কিত কৰা হয় আৰু তেওঁলোক বেপাৰ-বাণিজৰ সৈতে সম্পৰ্কিত। চোৰেণসকল সৈনিক অথবা যুঁজাৰু আৰু তেওঁলোকৰ টোটেম হ'ল গ্ৰহপুঞ্জ। টুডুসকল সংগীতজ্ঞ আৰু ফেঁচাক তেওঁলোকৰ কুলদেৰতা হিচাপে গণ্য কৰে। বাস্কেসকল হৈছে ৰান্ধনী আৰু পইতা ভাতৰ সৈতে তেওঁলোকৰ সম্পৰ্ক। তেওঁলোকে বঙ্গালৈ পইতা ভাত আগবঢ়াইছিল আৰু পইতা ভাত নিজে খোৱা নিষিদ্ধ কৰিবলগা হৈছিল। বেদিয়াসকলৰ কুলদেৰতা হৈছে ভেড়া। বৰ্তমান কালত তেওঁলোকৰ অস্তিত্ব বিচাৰি পোৱা নাযায়। শেষৰ গোত্ৰ দুটা হৈছে পৌউৰিয়া আৰু চোৰেসকল। এওঁলোকৰ কুলদেৰতা হৈছে ক্ৰমে পাৰচৰাই আৰু সৰীসৃপ। তেওঁলোকৰ পুৰ্বপুৰুষসকলে সম্ভৱতঃ বছৰেকীয়া চিকাৰ উৎসৱত কেৱল পাৰচৰাই আৰু সৰীসৃপেই চিকাৰ কৰিছিল। এইদৰে অনুসন্ধান কৰিলে এটা সিদ্ধান্তলৈ আহিব পাৰি যে চাওঁতালসকলে চিকাৰ কৰোতে যিটো প্ৰাণীক বধ কৰিব পাৰিছিল সেই প্ৰাণীটোকেই তেওঁলোকৰ কুলদেৰতা হিচাপে থিৰাং কৰিছিল যাতে সেই প্ৰাণী বিধৰ বিলুপ্তি নঘটে।

কুলেদৰতাসকলৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধা আৰু আৱেগ ইমানেই শক্তিশালী যে তেওঁলোকে টোটেম বুলি মানি চলা প্ৰাণীবিধক তেওঁলোকৰ নিজৰ গোত্ৰৰ সদস্য হিচাপে গণ্য কৰে। আনকি গোত্ৰৰ সদস্যসকলে টোটেম বুলি গণ্য কৰা প্ৰাণীবিধৰ মৃতদেহ দেখা পালে শৱটোৰ শেষকৃত্য সমাপন কৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে যে একে টোটেমৰ অন্তৰ্গত সদস্যসকলে নিজৰ গোত্ৰৰ মানুহৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপন কৰা নিষিদ্ধ। টোটেম গণ্য কৰা প্ৰাণীবিধ খোৱা বা হত্যা কৰাটো নিষিদ্ধ।

## সামাজিক আচাৰ ব্যৱহাৰ ঃ

অসমৰ চাওঁতাল সমাজখনত কিছুমান পৰম্পৰাগত আচাৰ-ব্যৱহাৰ অদ্যপি বৰ্ত্তমান। 'নৃত্য আৰু গীত চাওঁতাল উৎসৱ-পাৰ্বণৰ এক অপৰিহাৰ্য অংগ। নৃত্যৰত অৱস্থাত কেতিয়াবা টামাক, তুম্‌দা বজোৱা লোকসকল উন্মত্ত পৰ্যায় পায় যদিও সেয়া অশালীন কেতিয়াও নহয়। কোনো চাওঁতাল যুৱক-যুৱতী সমজুৱা স্থানত নাঙঠ হৈ ঘুৰিব নোৱাৰে যদিও চাওঁতাল গাঁও এখনত কিছুমান নিৰ্দিষ্ট সম্বন্ধত বাহিৰে মিলামিছা কৰা, হাঁহি-ধেমালী কৰাত কোনো বিশেষ অসুবিধা নাই। সহৰায় উৎসৱৰ সময়ত এই মিলামিছা বেচিকৈ শিথিল হৈ পৰে। আনহাতে

অশ্লীল বা যৌনতা সম্পৰ্কীয় কথা বতৰা সামাজিক ভাৱে নিষিদ্ধ যদিও ‘লাণ্ডা সাগাই’ অৰ্থাৎ খুলশালী, ককা-নাতি, ককা-নাতিনী, আইতা-নাতি, আইতা-নাতিনী, ককা-নাতিৰ ঘৈণী, স্বামী-ঘৈণীৰ আইতা, পেহা-ভাতিজা, পেহা-ভাতিজীৰ মাজত এই নিয়ম কিছুপৰিমানে শিথিল। কিন্তু ‘বাহোঞহাৰিয়া’ অৰ্থাৎ এজন পুৰুষ আৰু তেওঁৰ ভাইবোৱাৰী, এজন পুৰুষ আৰু তেওঁৰ খুলশালীৰ ঘৈণী আৰু ‘আজনৰিয়া’ অৰ্থাৎ এগৰাকী মহিলা আৰু ভনীজোঁৱাই, এগৰাকী মহিলা আৰু তেওঁৰ ভাইবোৱাৰী  মাজত এইয়া সম্পূৰ্ণৰূপে নিষিদ্ধ। এই দুটা সম্পৰ্কক চাওঁতাল সমাজত পৱিত্ৰ সম্পৰ্ক বুলি গণ্য কৰে। তেওঁলোকে কোনো কাৰণতে  এজনে আনজনৰ নামেৰে সম্বোধন কৰিব নোৱাৰে। এগৰাকী মহিলাই কোনো পুৰুষৰ উপস্থিতিত বিচনাত বহিব নোৱাৰে। ৰাতি তেওঁলোকৰ কক্ষত কোনো সম্বন্ধীয় পুৰুষ আলহি উপস্থিতি থাকিলে তেওঁ আন যিকোনো ঠাইত শুব পাৰিব যদিও বিচনাত শুৱা নিষেধ। তেওঁ আনকি সেই আত্মীয়ৰ কাপোৰ অথবা তেওঁ বহা বিচনাখন চুবও নোৱাৰিব। তেওঁ আনকি সেই আত্মীয়জনৰ ওচৰত বিচনাখনত বহিবও নোৱাৰিব। তেওঁ সেই আত্মীয়ৰ ছায়া চুব নোৱাৰিব অথবা তেওঁ খাই এৰা কোনো খাদ্য বা পানীয় গ্ৰহণ কৰিব নোৱাৰিব। সেই পুৰুষ আত্মীয়ৰ সন্মুখত তেওঁ চুলি মেলিব নোৱাৰিব অথবা আন কাৰোবাক ওকণি চাব কব নোৱাৰিব। এগৰাকী অবিবাহিত যুৱতী পুৰুষ আত্মীয়ৰ সম্মুখত গছ বা জখলা বগাব নোৱাৰিব যাতে আত্মীয়জনে তেওঁৰ গোপন অংগ দেখা নাপায়। খোৱা লোৱাৰ ক্ষেত্ৰতো কিছুমান আচাৰ-ৰীতি চাওঁতাল সমাজত বিদ্যমান। কোনো চাওঁতাল মহিলাই অনাচাওঁতাল লোকে বনোৱা খাদ্য খোৱা নিষেধ কিন্তু চাওঁতাল পুৰুষ সকলৰ এই ক্ষেত্ৰত বিশেষ বাধা নাই তথাপি একেখন থালৰ পৰা খোৱা নিষেধ। মামা-ভাগিন বা ভাগিনী, মামী-ভাগিন বা ভাগিনী, বাহোঞহাৰিয়া, আজনবিয়া, শহুৰ-জোঁৱাই, শাহু-জোঁৱাই, শহুৰ-বোৱাৰী, বিবাহিত ভনী-দাদা আৰু বাইদেউ, বিয়ৈ-বিয়ৈনী  আৰু স্বামী-স্ত্ৰীৰ মাজত একেখন থালত খাদ্য খোৱা নিষেধ। লগতে এই সম্বন্ধ সমূহৰ মাজত কোনেও কাৰো খাই এৰা খাদ্য খোৱা নিষেধ।

চাওঁতাল সমাজত অভ্যাগতসকলক আদৰণি জনোৱা পৰম্পৰাগত প্ৰথাও আন আন জনগোষ্ঠীসমূহতকৈ সুকীয়া। কণিষ্ঠজনে জ্যেষ্ঠজনক আদৰিণ জনোৱাৰ সময়ত কণিষ্ঠজন ল’ৰা হ’লে পোনতে মূৰটো সম্মুখৰ ফালে নমাই বাওঁহাতেৰে সোঁহাতৰ কিলাকুটি স্পৰ্শ কৰে,

সোঁহাতখন কপাললৈ দাঙি লাহে লাহে তললৈ নমাই আনে। ছোৱালী হ'লে মূৰ তললৈ নমাই দুই হাতৰ তলুৱাৰে মাটি স্পৰ্শ কৰে। জ্যেষ্ঠজনে কণিষ্ঠজনক আশীৰ্বাদ দিয়াৰ ভংগীমাৰে হাতখন দাঙি ধৰে। বাহোএঙহাৰিয়া আৰু আজনাৰিয়া সম্পৰ্কৰ ক্ষেত্ৰত এই প্ৰক্ৰিয়াটো কিছু জটিল। পুৰুষজনে সোঁহাতৰ তলুৱাৰে চকু ওপৰৰ পিনে ঢাকি ধৰিব যাতে সম্মুখত থকা জনৰ মুখখন হে মাথোন দেখে আৰু মহিলাগৰাকীয়ে দুই হাতৰ তলুৱাৰে চকু ঢাকি লৈ হাতৰ ফাকেৰে তেওঁলৈ চায়। এই অভিবাদনৰ অৰ্থ হ'ল যিহেতু এই সম্পৰ্কক পবিত্ৰ সম্পৰ্ক গণ্য কৰা হয় তাৰ পৱিত্ৰতা ৰক্ষা কৰা। আনহাতে বালিয়া জহৰ অৰ্থাৎ বিয়ৈ-বিয়ৈনীৰ ক্ষেত্ৰত অভিবাদন পৰ্বটো সুকীয়া। বিয়ৈ আৰু বিয়ৈনী দুয়োজনে দুই হাতৰ তলুৱাৰে চকু ঢাকি দুই হাতৰ ফাকেৰে পৰস্পৰে পৰস্পৰক চাব আৰু নিজৰ মূৰটো এবাৰ সোঁফালে এবাৰ বাওঁফালে তিনিবাৰকৈ নমাই দিব। আনহাতে বিয়ৈ বিয়ৈ দৰ্শন হ'লে দুই বিয়ৈ বাওঁহাতৰ তলুৱাৰে সোঁহাতৰ কিলাকুটিত ধৰিব যাতে সোঁহাতখন সম্মুখৰ ফালে চিধা হৈ থাকে আৰু তাৰ পাছত দুয়োজনে চিধাকৈ থকা সোঁহাত দুখন ধৰি এবাৰ আগলৈ এবাৰ পিছলৈ তিনিবাৰ অগা পিছা কৰিব।

আনহাতে কোনো আলহী ঘৰলৈ আহিলে অভিবাদন পৰ্ব শেষ হোৱাৰ পাছত তেওক বহিবলৈ দিয়া হয় আৰু তেওঁৰ সমুখৰ ঠাইখিনি মচি তাত এটি ফুলেৰে সৈতে এক লোটা পানী ৰখা হয়। কোনো উৎসৱ-পাৰ্বণ উপলক্ষে কোনো আলহী ঘৰলৈ আহিলে ঘৰৰ পদূলীত এখন কাহৰ থালত প্ৰথমে তেওঁক সোভৰি ৰাখিব দি ঘৰৰ এজনী ছোৱালীয়ে পোনতে পানীৰে ধুই পিছত সৰিয়হৰ তেল লগোয় আৰু তাৰ পিছত বাওঁভৰিখনো ধুই তেল লগোৱা হয়। এই কাম সম্পন্ন হোৱাৰ পাছত পৰম্পৰাগত ভাবে অভিবাদন জনোৱা হয়। এই প্ৰথা কোকৰাঝাৰ জিলাৰ চাওঁতাল সমাজখনত অধূনা পৰিলক্ষিত হয়।

## বৈবাহিক পৰম্পৰা ঃ

পুৰুষ আৰু মহিলাৰ মাজত হোৱা সম্পৰ্কক সামাজিক ভাবে অনুমোদন জনোৱা ব্যৱস্থাটোক বিবাহ হিচাপে স্বীকৃতি দিয়া হয়। ইয়াৰ লগতে উক্ত সম্পৰ্ক কেনেদৰে প্ৰতিষ্ঠা কৰা বা সমাপন্ কৰা হ'ব আৰু কোনে কি কাৰ্য সমাপন্ কৰিব সেই কথাও নিৰ্ধাৰণ কৰি দিয়ে। বৈবাহিক

পৰম্পৰাৰ মুখ্য উদ্দেশ্য হৈছে সামাজিক ৰীতি-নীতি, অধিকাৰ আৰু কৰ্তব্য মানি চলিবলৈ বাধ্য কৰা আৰু ব্যয় নিয়ন্ত্ৰণ কৰা। চাওঁতালসকল ভাৰতৰ এটা অন্যতম বৃহৎ জনগোষ্ঠী। তেওঁলোকৰ জনজাতীয় পৰিচয় আৰু একাত্মতা বৰ্তাই ৰখাৰ বাবে জনজাতীয় সবৰ্ণ বিবাহ ব্যৱস্থাটোৰ কটকটীয়া নিয়ম এতিয়াও প্ৰচলন আছে। নিয়ম মতে এজন চাওঁতালে অন্য জাতিৰ লোকক বিবাহ কৰিব নোৱাৰিব। এই নিয়ম ভংগ কৰাৰ অৰ্থ হ'ল চাওঁতালসকলৰ পৰম্পৰাক ঘৃণা কৰা আৰু এনে কাৰ্যক তেওঁলোকৰ জনজাতীয় একতা আৰু পৰিচয়ৰ প্ৰতি ভাবুকি বুলি গণ্য কৰা হয়। পূৰ্বতে এনে নিয়ম ভংগকাৰীক 'বিত্‌লাহা' (সামাজিক ভাৱে এঘৰীয়া কৰাৰ লগতে ৰাজহুৱা শাস্তি প্ৰদান) মঞ্জুৰ কৰিছিল যদিও বৰ্তমান এই প্ৰথা লুপ্ত প্ৰায়। চাওঁতালসকলৰ বিশ্বাস মতে, যদি কোনো চাওঁতাল গাভৰুৱে চাওঁতাল সমাজ বহিৰ্ভূত কোনো ব্যক্তিৰ লগত শাৰীৰিক সম্পৰ্ক স্থাপন কৰে তেতিয়া গাভৰুজনীয়ে কেৱল নিজকে নহয় সমগ্ৰ জনগোষ্ঠীটোক কুলষিত কৰে। সেই বাবে তেওঁ সমগ্ৰ জনগোষ্ঠীটোক অতল গহ্বৰত নিক্ষেপ কৰা বুলি বিশ্বাস কৰা হয়।[১৩] চাওঁতাল সমাজত গোত্ৰ আৰু উপ-গোত্ৰ বিভাজনৰ প্ৰধান কামেই হ'ল বিভিন্ন গোত্ৰৰ মাজত পূৰ্বৰে পৰা চলি অহা পৰম্পৰা অনুসৰি নিজ গোত্ৰ আৰু উপ-গোত্ৰৰ মাজত বিবাহ প্ৰতিহত কৰা। অৰ্থাৎ এজন চাওঁতালে নিজ গোত্ৰ বা উপ-গোত্ৰৰ লোকৰ সৈতে কেতিয়াও বিবাহ সম্পন্ন কৰিব নোৱাৰে। অৱশ্যে বৰ্তমান সময়ত চাওঁতাল সমাজে উপ-গোত্ৰ বিবাহৰ বাবে বিশেষ অন্তৰায় বুলি গণ্য নকৰে যদিও সমগোত্ৰীয় বিবাহ নিষিদ্ধ নীতিটো ইমানেই কঠোৰ যে এজন ব্যক্তিয়ে এনে নীতি অমান্য কৰি তেওঁৰ নিজগোত্ৰৰ এগৰাকী ছোৱালীক বিবাহ কৰিলে সামাজিক ভাৱে বহিস্কাৰৰ দৰে কঠোৰ শাস্তি প্ৰদান কৰা হয়। ঠিক তেনেদৰে আন গোত্ৰৰ লোকৰ সৈতে বিবাহপাশত আবদ্ধ হোৱাৰ মূলত হ'ল দুটাগোটৰ তেজৰ মিলন হ'লে গোটটোৰ সদস্যসকলক অপশক্তিৰ পৰা সুৰক্ষা প্ৰদান কৰে বুলি তেওঁলোকৰ বিশ্বাস।[১৪]

যদিও নিজ গোত্ৰৰ বাহিৰে আন গোত্ৰৰ সৈতে তেওঁলোক বিবাহ পাশত আবদ্ধ হয় তথাপি প্ৰাচীন পৰম্পৰা অনুসৰি কিস্কু আৰু মাৰ্দিৰ মাজত তথা টুডু আৰু বেস্ৰাৰ মাজত বিবাহ অনুষ্ঠিত কৰা নহয়।

## জীৱিকা ঃ

কৃষি অসমৰ চাওঁতালসকলৰ মূল চালিকা শক্তি। ঘাইকৈ কৃষিৰ ওপৰত ভিত্তি কৰিয়েই চাওঁতাল সকল জীৱন নিৰ্বাহ কৰি আছে। খাদ্য সংগ্ৰহ কৰা, মাছ মৰা আৰু চিকাৰ কৰা আদি পূৰ্বতে জীৱিকাৰ লেখত লবলগীয়া উৎস আছিল যদিও পৰিৱেশৰ আৰু সমাজৰ পৰিৱৰ্তনৰ লগে লগে জীৱিকাও সলনি হৈছে। চৰণীয়া পথাৰৰ পৰিমাণ কমি অহাৰ লগে লগে খেতি-বাতিৰ কামত লগোৱা গৰু-ম'হৰ সংখ্যাও কমি গৈছে আৰু খেতিপথাৰত গৰু-ম'হৰ গোবৰৰ ব্যৱহাৰৰ পৰিমানো কমি গৈছে। দৰিদ্ৰতাৰ কবলত পৰা খেতিয়কচামে কৃষিৰ বাবে আধুনিক সা-সৰঞ্জাম, জৈৱ কিম্বা ৰাসায়নিক সাৰ আদি ব্যৱহাৰ কৰাত অসমৰ্থ। কৃষিজাত উৎপাদন অপৰ্যাপ্ত হোৱা বাবে পৰিয়ালৰ মুৰব্বীয়ে পৰিয়ালৰ খৰচৰ বোজা বহন কৰাত অপাৰগ হৈ পৰা দেখা যায়। জীৱিকাৰ সন্ধানত চাওঁতালসকলে অনা-চাওঁতাল চুবুৰীত কাম কৰিবলৈ আৰম্ভ কৰিছে, দৈনিক হাজিৰাৰে ঘৰৰ খৰচ নোজোৰাৰ ফলত চাওঁতালসকলে তেওঁলোকৰ খেতিৰ মাটিও কোনো ধনী ব্যক্তিৰ হাতত বন্ধকত থবলৈ বাধ্য হয়। খেতিৰ মাটি নোহোৱাত তেওঁলোকে কান্ধত আৰু চাইকেলত বোজাই কৰি ওচৰৰ জংঘলৰ পৰা খৰি সংগ্ৰহ কৰি বজাৰত বেচিবলৈ লৈছে। কোকৰাঝাৰ জিলাৰ চাওঁতালসকলৰ বাবে এয়া দৈনন্দিন জীৱন।

গৰু-ম'হ, ছাগলী, গাহৰি, হাঁহ-মূৰ্গী আদি পালনও তেওঁলোকৰ জীৱিকাৰ আন এক উৎস। গৰু-ম'হক খেতি-বাতিৰ কামত লগোৱা হয় আৰু হাঁহ-মূৰ্গী, ছাগলী, গাহৰি আদি কণী আৰু মাংসৰ বাবে আৰু বঙ্গাৰ নামত উছৰ্গা কৰাৰ বাবে ব্যৱহৃত হয়।

শাক-পাচলিৰ খেতি কৰাটোও চাওঁতাল মহিলাসকলৰ আন এক উপাৰ্জনৰ উপায়। তেওঁলোকে বিভিন্ন শাক-পাচলিৰ খেতি কৰে আৰু সেয়া ওচৰৰ বজাৰত বিক্ৰী কৰে। ধানেই কোকৰাঝাৰৰ চাওঁতালসকলৰ ঘাইকৈ উৎপাদন কৰা শস্য। আহাৰ (জুন-জুলাই) মাহত পথাৰত বৰষুণ পৰি মাটি কোমল হোৱাৰ লগে লগে খেতিৰ বাবে চাহ কৰা কাম আৰম্ভ কৰা হয়। মাটি মিহিকৈ চহোৱাৰ পাছত বীজ সিঁচা হয়। কঠিয়া তুলি ৰুব লগা পথাৰখন আকৌ এবাৰ চাহ কৰা হয়। শাওন (জুলাই-আগস্ত) মাহত ঘন বৰষুণ হোৱাৰ সময়তে খেতিপথাৰ দুবাৰ চহোৱা হয়। ইয়াৰে প্ৰথমবাৰ চহোৱাক কোৱা হয় জাবোদ আৰু দ্বিতীয়বাৰৰ চহোৱাক কোৱা হয় লচোট

(বোকাময় কৰা)। এইখিনি সময়তে কঠিয়াতলিত কঠিয়া ডাঙৰ হয় আৰু সেয়া তাৰ পৰা তুলি আনি পথাৰত ৰোৱা হয়।

শস্য চপোৱা কাম আঘোন ( নৱেম্বৰ-ডিচেম্বৰ) মাহত কৰা হয়। পকা ধান কাচিৰে কাটি ডাঙৰি কৰি কঢ়িয়াই অনা হয়। গৰু-ম'হেৰে ধানৰ মুঠিবোৰ চোতালত মোকলাই মৰণা মৰা হয়। ধানৰ খেৰবোৰ বাহেৰে তৈয়াৰী এখন 'আখাইনি' বুলি কোৱা আহিলাৰে আঁতৰোৱা হয় আৰু ধানবোৰ কৰনিৰে চপোৱা হয়। কুলাত জাৰি ধানবোৰ পৰিষ্কাৰ কৰা হয়। পৰিষ্কাৰ কৰা ধানবোৰ ৰদত শুকোৱাই ভৰালত মজুত কৰা হয়।

কৃষি আৰু ঘৰুৱা কামবোৰ চাওঁতালসকলৰ পুৰুষ-নাৰীৰ মাজত ভাগ কৰি লোৱা হয়। পুৰুষে প্ৰথমতে খেতিৰ মাটি চহাবৰ বাবে উপযোগী কৰি তোলে। চহোৱাৰ পাছৰ বীজ সিঁচা, কাম পুৰুষেই কৰে। অৱশ্যে ভুই ৰোৱা আদি কামত মহিলাই সহায় কৰে। মৰণা মাৰিবৰ বাবে মুকলি ঠাই এখন সাজু কৰা হয় আৰু গৰু বা ম'হেৰে তাতে মৰণা মৰা হয়। খেতিৰ সকলো সা-সৰঞ্জাম আদি ঘৰতে বাহ-কাঠ আদিৰে তৈয়াৰ কৰা হয়। পুৰুষে বাহ-কাঠ আদি কাটি আনি ঘৰ তৈয়াৰ কৰে আৰু মহিলাই গোবৰ-মাটিৰে লেপি সজাই তোলে।

কেতবোৰ কামৰ ক্ষেত্ৰত মহিলাৰ বাবে নিষেধাজ্ঞা থকাৰ বিপৰীতে আন কেতবোৰ কাম কেৱল মহিলাৰ বাবেহে থিৰাং কৰি থোৱা থাকে কিয়নো সেই কাম পুৰুষৰ বাবে সন্মান লাঘৱ কৰিব বুলি ভৰা হয়। তেওঁলোকে কাহিলি পুৱাতে উঠি ঘৰ-দুৱাৰ সাৰি-মচি পৰিষ্কাৰ কৰে। গোহালিৰ গোবৰ আদি চাফা কৰে, পানী আনে আৰু পুৱাৰ আহাৰ প্ৰস্তুত কৰে। পথাৰৰ কঠিয়া তোলা, সেয়া পথাৰত ৰোৱা, আৰু ধান কটা আদি কামো তেওঁলোকেই কৰে। হাবিৰ পৰা শাক-পাচলি, খৰি আদি সংগ্ৰহ কৰা কাম আদিও তেওঁলোকৰে ভাগত পৰে। চিকাৰৰ বাবে যোৱা কামত তেওঁলোকে ভাগ নলয় যদিও মাছ মৰা চাওঁতাল মহিলাৰে কাম। গৰু-ছাগলী, হাঁহ-মূৰ্গী আদিক আহাৰ দিয়া কাম তেওঁলোকৰে। চাওঁতাল মহিলাই পুৰুষৰ সৈতে একেলগে খাদ্য গ্ৰহণ নকৰে। প্ৰথমেই পুৰুষ আৰু ল'ৰা-ছোৱালীয়ে খাদ্য গ্ৰহণ কৰে। তাৰ পাছতহে মহিলাই ভাতৰ পাত পাৰি বহিব পাৰে। তদুপৰি ৰাস্তা-ঘাট নিৰ্মাণ আদিতো বনুৱাৰ কাম তেওঁলোকে কৰে।

কৃষি কৰ্মৰ উপৰিও মাছ মৰাটোও চাওঁতালসকলৰ আন এটা জীৱিকাৰ উৎস।

খেতিপথাৰ, নদ-নদী, জান-জুৰি, খাল-দোং আদিত জাল মাৰি, চেপা পাতি, বৰশি বাই আদি বিভিন্ন ধৰণে তেওঁলোকে মাছ মাৰে। জীৱ-জন্তু আৰু চৰাই-চিৰিকতি আদি চিকাৰ কৰাতোও চাওঁতালসকলৰ জীৱিকাৰ আন এক উৎস। শৰ মাৰি, জাল পাতি, ফান্দ পাতি, আঠা লগাই বিভিন্ন জন্তু, চৰাই, খেতি পথাৰৰ এন্দুৰ আদিৰ চিকাৰ কৰা হয়।

## চাওঁতাল জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য গীত ঃ

কৰ্মব্যস্ত জীৱনৰ চিন্তা ভাৱনা আৰু শাৰিৰীক মানসিক কষ্ট পাহৰিবলৈ চাওঁতাল সমাজ 'ৰাস্কা' অৰ্থাৎ মনোৰঞ্জনৰ আশ্ৰয় লয় আৰু এই মনোৰঞ্জন বিভিন্ন নৃত্য-গীতৰ মাজেৰে প্ৰতিফলিত হয়। চাওঁতাল সকলৰ মাজত বিভিন্ন প্ৰকাৰৰ নৃত্য-গীত বিচাৰিপোৱা যায়। নৃত্যৰ প্ৰতিশব্দ হিচাবে চাওঁতাল সমাজে 'এনেঞ্চ' আৰু গানৰ প্ৰতিশব্দ হিচাপে 'সিৰিঞ্চ' শব্দৰ ব্যৱহাৰ কৰে। কোকৰাঝাৰ জিলাত চাওঁতাল জনগোষ্ঠীৰ মাজত প্ৰচলিত গীতৰ সৈতে নচা নৃত্যসমূহ হ'ল ক্ৰমে (১) লাগড়ে (২) দং (৩) গুলবৌৰী (৪) ডাহাৰ (৫) বাহা (৬) ৰিন্‌জৌ (৭) ভিনচৌৰ (৮) ঝিকৌ (৯) হুমটী (১০) গুজৌৰ (১১) সহৰায় (১২) লবই (১৩) দুঙগৌড় (১৪) ডান্টা (১৫) জালে (১৬) পৌইকৌহা আনহাতে গীত নোগোৱাকৈ নচা নৃত্যসমূহ ক্ৰমে — (১) পাক জুপিয়া (২) ডম (৩) লৌউড়ীয়া আৰু (৪) হৰক বান্দি।

এই নৃত্যসমূহৰ ভিতৰত লাগড়ে, গুলবৌৰী আৰু হুমটী এই তিনিটা নৃত্য শৈলী যিকোনো সময়তে পৰিৱেশন কৰা হয়। বাহা নৃত্য বাহা উৎসৱৰ সময়ত পৰিবেশন কৰা হয়। সহৰায় আৰু গুজৌৰ সহৰায় উৎসৱৰ সময়ত; ৰিনজৌ আৰু ভিনচৌৰ কাৰাম পূজাৰ সময়ত; দং বিয়া আৰু চৌতিয়ৌৰ অনুষ্ঠানত আৰু ডাহাৰ নৃত্য খৰালী কালত মাথো মহিলাসকলে পৰিবেশন কৰে। ঝিকৌ চৌতিয়ৌৰ অনুষ্ঠানত আৰু ডম্ নৃত্যটো বিয়াত বৰিয়ত অৰ্থাৎ বৰযাত্ৰীক আদৰিবলৈ ঢুলীয়া (ডম) সকলে ডাঙৰ ঢোল লৈ পৰিৱেশন কৰে। ইয়াক নাটুৱা নৃত্য বুলিও কোৱা হয়। পাক জুপিয়া আৰু লৌউড়ীয়া সহৰায় উৎসৱৰ সময়ত আৰু সহৰায় উৎসৱৰ ষষ্ঠ দিনত অনুষ্ঠিত সমূহীয়া চিকাৰ অৰ্থাৎ 'সাকৰাত' অনুস্থানত পুৰুষসকলে ল'বই নৃত্য পৰিৱেশন কৰে। দাঁশাই নৃত্য দাঁশাই উৎসৱৰ সময়ত, দুঙগীৰ নৃত্য হাবিত চিকাৰ কৰিবলৈ গৈ ৰাতি শোৱাৰ আগত আৰু হৰক বন্দি নৃত্য নতুন দৰা-কইনাক কাপোৰ পিন্ধোৱা

আৰু আঙুঠি পিন্ধোৱা সময়ত পৰিৱেশন কৰা হয়। তদুপৰি একে গোত্ৰৰ যুৱক যুৱতী বিবাহ পাশত আবদ্ধ হ'লে (যিটো চওঁতাল সমাজত বাৰণ অৰ্থাৎ 'টেবু') তেওলোকক 'পান্টে বেঘৰ' অৰ্থাৎ এঘৰীয়া কৰা হয় আৰু তেওঁলোকৰ চোতালত সমজুৱাই এই নৃত্য কৰে।

বৰ্তমান সময়ত লক্ষ্য কৰিলে দেখা যায় যে জনজাতীয় সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটিছে আৰু তেওঁলোকৰ সামাজিক জীৱন প্ৰণালী বাৰুকৈ প্ৰভাবান্বিত হৈছে। সাধাৰণতে আন আন প্ৰভাৱশালী জাতিৰ সংস্কৃতিয়ে সৰ্বপ্ৰথমে জনজাতীয় যুৱক-যুৱতীসকলক আকৃষ্ট কৰে আৰু ই লাহে লাহে জনজাতীয় সমাজৰ কঠোৰ নিয়মক ভেদ কৰিবলৈ সক্ষম হয়। ফলস্বৰূপে চহৰৰ সমীপবৰ্তী অঞ্চলৰ জনজাতিবোৰৰ সামাজিক বান্ধোনৰ খহনীয়া আৰম্ভ হয়। এনেধৰণৰ সাংস্কৃতিক পৰিৱৰ্তনৰ বাবে জনজাতি সমাজ ব্যৱস্থাত চলি অহা পৰম্পৰাগত কাৰ্যক্ৰমণিকা সু-কলমে চলাই নিয়াত গাওঁ ব্যৱস্থাই বাৰুকৈ সমস্যাৰ সন্মুখীন হৈছে। জনজাতিৰ সামাজিক, সাংস্কৃতিক আৰু আচৰণত হোৱা এনে তাৎক্ষণিক পৰিবৰ্তনৰ বাবে কিছুমান দিশত পৰিপন্থী প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে মৌন্‌ঝিয়ে আহ্বান কৰা সভাবোৰত নতুন প্ৰজন্মই অংশ লোৱাৰ বাবে বিশেষ ইচ্ছা প্ৰকাশ নকৰে আৰু যদি তেনে অনিচ্ছুক লোকে গাওঁ সভাত অংশ লোৱাৰ বাবে যায় তেতিয়াও সভাখনত ব্যাঘাট জন্মাবলৈ যত্ন কৰাহে পৰিলক্ষিত হয়। আনকি জাহেৰ সভাবোৰতো গৰিষ্ঠ সংখ্যকে অংশ গ্ৰহণ কৰে যদিও কিছু সংখ্যক লোকে উক্ত সভাতো অংশ গ্ৰহণ নকৰে। অন্য ধৰ্মলৈ ধৰ্মান্তকৰণ হোৱাৰ পৰিপ্ৰেক্ষিতত ধৰ্মীয় বিশ্বাস আৰু চিন্তাৰ সলনি হোৱাত তেওঁলোকৰ মনত জনজাতীয় প্ৰশাসন আৰু আচাৰ অনুষ্ঠানৰ প্ৰতি পূৰ্বৰে পৰা থকা সন্মান লাহে লাহে কমি অহাৰ বাবেও তেনে হোৱা পৰিলক্ষিত হৈছে। তদুপৰি ভাৰতীয় দণ্ডবিধি আইন ব্যৱস্থা কাৰ্যকৰী কৰাৰ পাছত পৰগণাবাইসী আৰু ল'বীৰ বাইসীৰ দৰে বিচাৰ ব্যৱস্থা প্ৰচলনৰ যথাৰ্থতাও ক্ৰমাৎ লুপ্ত হ'ব ধৰিছে।

-----

## প্ৰসংগ টোকা ঃ


১) অকাডেমি অফ ফোকলোর, বাংলার লোকসংস্কৃতির বিশ্বকোষ, পৃ- ৪

২) N. Datta-Majumdar ঃ The Santal: A Study in Culture-Change, pp. 123-124.

৩) W.G. Archer, The Hill of Flutes. Life, Love and Poetry in Tribal India. A Portrait of the Santals, P-25.

৪) অকাডেমি অফ ফোকলোর, বাংলার লোকসংস্কৃতির বিশ্বকোষ, পৃ- ২-৩

৫) Harka Bahadur Chetri, Adivasis and the Culture of Assam, PP- 58-61

৬) শিৱনাথ বৰ্মন, লোককৃষ্টিৰ উৎস, পৃ-১৪-১৫

৭) উল্লিখিত, পৃ-১৬-১৭

৮) W.G. Archer , The Hill of Flutes ঃ Life, Love and Poetry in Tribal India, A Portrait of the Santals, P-159

৯) 'বাহোএঙহাৰিয়া' অৰ্থাৎ এজন পুৰুষ আৰু তেওঁৰ ভাইবোৱাৰী, এজন পুৰুষ আৰু তেওঁৰ খুলশালীৰ ঘৈণী।

১০) 'আজনাৰিয়া' এগৰাকী মহিলা আৰু ভনীজোঁৱাই, এগৰাকী মহিলা আৰু তেওঁৰ ভাইবোৱাৰী।

১১) S.V. Ferreira, Totemism in India P-55

১২) শিৱনাথ বৰ্মন, লোককৃষ্টিৰ উৎস, পৃ- ৯২

১৩) তথ্যজ্ঞাপক ঃ চানুৰাম হেমব্ৰম, পু, ৫৬, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

১৪) J. Troisi , The Santals: A Classified and Annotated Bibliography, P- 77.


-----

# চতুৰ্থ অধ্যায়

# অসমৰ চাওঁতাল জনগোষ্ঠীৰ সামাজিক লোকাচাৰ আৰু লোকবিশ্বাস

কোনো এটা জনগোষ্ঠীৰ পৰম্পৰাগত জীৱনশৈলীক সামাজিক লোকাচাৰ আখ্যা দিব পাৰি। লোক সমাজ আৰু সেই সমাজৰ অন্তৰ্গত পৰিয়ালসমূহৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু তথা ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ সমূহক পৰম্পৰাগত জীৱনশৈলীৰ পৰিসীমাত ধৰিব পাৰি। লোকাচাৰ আৰু লোকবিশ্বাস জনসাধাৰণৰ মাজত পৰম্পৰাগত ভাৱে চলি অহা লোকবিজ্ঞান। লোক সমাজ পৰিচালিত হয় লোকাচাৰ আৰু লোকবিশ্বাসৰ মাজেদি। সি সমূহ পৰম্পৰাগত, গতিশীল আৰু পৰিৱৰ্ত্তনশীল। মানৱ জাতিয়ে যুগ যুগ ধৰি আহৰণ কৰা অভিজ্ঞতাৰ ভেটিত গঢ়ি উঠা লোকাচাৰ আৰু লোকবিশ্বাস সমূহ চৰ্চা কৰিলে এক শুদ্ধ জীৱন শৈলীৰ আভাস পাব পাৰি। একোটা জাতি তথা জনগোষ্ঠীৰ ধাৰ্মিক, সামাজিক আৰু মনস্তাত্বিক বিষয়সমূহৰ উপলব্ধিত লোকাচাৰ আৰু লোকবিশ্বাসে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। লোকাচাৰ সম্পৰ্কে ফুলকুমাৰী কলিতাই লিখিছে —

> *"ইংৰাজী ভাষাত এষাৰ কথা আছে — "Ancient custom has the force of law" পুৰণি ৰীতি-নীতিত আইনৰ শক্তি আছে। ভৌগলিক অৱস্থান, পাৰিপাৰ্শ্বিকতা, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন কাৰণে লোকাচাৰসমূহ নিয়ন্ত্ৰণ কৰি থাকে। বাংলাত কোৱা হয় — 'যস্মিন দেশে যদাচাৰ, গামলা চড়ে নদী পাৰ'। অসমীয়া ফকৰা-যোজনাইও কয় — 'যি দেশৰ যি নীতি, অনাচাৰে অধোগতি'। এই নীতি সম্পৰ্কে দাৰ্শনিক হেগেলৰ ধাৰণা অতি উচ্চ। তেখেতৰ মত অনুসৰি জননীতি কেৱল মানৱ মনৰেই প্ৰকাশ নহয়, ই হ'ল*

*ব্ৰহ্মাৰো প্ৰকাশ। এই জননীতি বা লোকাচাৰেই সমাজৰ বাঘজৰী ধৰি ৰাখে। আনকি বহুক্ষেত্ৰত যুক্তিপূৰ্ণ হ'লেও লোকাচাৰৰ পৰিপন্থী ব্যৱস্থাক সমাজে অনুমোদন নকৰে। এই ক্ষেত্ৰত সমাজ বিজ্ঞানীৰ ধাৰণা, "লোকাচাৰ, লোক বিশ্বাসেই প্ৰত্যেক সমাজ তথা এটি জাতিৰ লোক সংস্কৃতিৰ আধাৰশিলা নিৰ্মাণ কৰে। এই লোক সংস্কৃতি প্ৰত্যেক জাতিৰে জীৱন যাপন আদৰ্শৰ সোঁৱৰণী পত্ৰ স্বৰূপ।"১*

মানুহে জন্মতে কেতবোৰ সহজাত প্ৰবৃত্তি লাভ কৰে আৰু সেই প্ৰবৃত্তি অনুসৰি কাম কৰে। লোকাচাৰ আৰু লোকবিশ্বাস যেন তাৰেই প্ৰতিফলন। জীৱনৰ তাড়নাত অথবা সহজাত প্ৰবৃত্তিৰ তাড়নাত মানুহে সময়ে সময়ে প্ৰায় অজ্ঞাতসাৰেই প্ৰাকৃতিক নিয়মৰ দৰে লোকাচাৰ পালন কৰে বা মানি চলে। সেইবোৰ প্ৰায়েই স্বতঃস্ফুৰ্ত হয়। লোকসমাজে ইয়াক জীৱনৰ সৈতে অংগাগীভাবে জড়িত কৰি লয় আৰু পালনীয় সংস্কাৰ বুলিয়েই বিবেচনা কৰে। যিহেতু সমগ্ৰ বিশ্বই বিৱৰ্ত্তনৰ অধীন, সেয়ে লোকাচাৰ আৰু লোকবিশ্বাসমূহো বিৱৰ্তনৰ মাজেদি প্ৰচলিত হৈ আহিছে। বৰুণ চক্ৰৱৰ্তীয়ে মন্তব্য কৰিছে যে সংহত এটি জনগোষ্ঠীয়ে যি বিশেষ বিশেষ আচাৰ আচৰণ ক্ৰিয়া আদিক কৰ্তব্য অকৰ্তব্য বুলি বিবেচনা কৰে, যিবোৰৰ সৈতে শুভা-শুভবোধ জড়িত হৈ থাকে, সেয়াই হ'ল লোকবিশ্বাস।২

প্ৰত্যয় লোকাচাৰ আৰু লোকবিশ্বাসৰ উমৈহতীয়া বৈশিষ্ট্য। কোনো এক বিষয়ৰ ওপৰত প্ৰত্যয় জন্মিলেহে মানুহে তাৰ প্ৰতি আকৰ্ষিত হয় আৰু সেয়া মানি চলে। লোকাচাৰ আৰু লোকবিশ্বাসৰ মূল চালিকা শক্তি প্ৰাত্যাহিক জীৱনৰ শুভা-শুভবোধ যদিও দুয়োটাৰ মাজতে পাৰ্থক্য বিদ্যমান। লোকবিশ্বাস পৰম্পৰাগত ভাৱে অহা যদিও সাম্প্ৰতিক সময়তো ইয়াৰ সৃষ্টি হ'ব পাৰে। সেইহেতুকে লোকবিশ্বাস বহুক্ষেত্ৰত এটি মানসিক চিন্তনৰ সৃষ্ট আনহাতে লোকাচাৰ হৈছে বিভিন্ন আচাৰ ৰীতি জড়িত হোৱা প্ৰক্ৰিয়া। এই আচাৰ ৰীতি কেতিয়াবা ধৰ্মীয় বিশ্বাসৰ পৰাও সৃষ্টি হ'ব পাৰে। লোকবিশ্বাস সমূহ মানসিক চিন্তনৰ সৃষ্ট হোৱাৰ পৰিপ্ৰেক্ষিতত এইবোৰ মানি চলা বা নচলাক লৈ কোনো বাধ্যবাধকতা নাই কিন্তু লোক সংস্কাৰ অবিহনে সমাজ বিশৃংখল হয় বুলি বিশ্বাস কৰা হয়। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে ব্যক্তি বিশেষৰ

বিশ্বাস আৰু লোকবিশ্বাসৰ মাজত পাৰ্থক্য বিদ্যমান। এই ক্ষেত্ৰত বৰুণ চক্ৰৱৰ্তীয়ে উল্লেখ কৰিছে যে প্ৰতিজন মানুহৰে ব্যক্তিগত শুভ অশুভ ৰং, দিন, ঠাই বা বস্তু থাকিব পাৰে।[৩] এই সন্দৰ্ভত ৰমেশ বৰাই মন্তব্য কৰিছে —

> *"এই ব্যক্তিগত আচাৰ-আচৰণ সমূহ যদি একে ভৌগলিক জনসমষ্টিয়ে গ্ৰহণ কৰিবলৈ সক্ষম হয়, তেতিয়াই ই লোকবিশ্বাস বা সংস্কাৰ নাম পায়। এবাৰ ই জনসমষ্টিৰ মাজত সৰ্বসন্মত ভাৱে চলিলে সকলোৱে তাক পুৰুষানুক্ৰমে বিনাদ্বিধাই মানি চলিবলৈ আৰম্ভ কৰে। ব্যক্তিগত বিশ্বাস বা সংস্কাৰ লুপ্ত হয় ব্যক্তিজনৰ মৃত্যুৰ লগে লগে, কিন্তু লোকবিশ্বাস বা লোকসংস্কাৰ লুপ্ত নহয় কিয়নো ইয়াৰ উদ্ভৱ হয় সমাজৰ পৰা। জন্মৰ দিনৰে পৰা মানৱ সমাজে এটা এটাকৈ এইবোৰ আহৰণ কৰে আৰু পাছৰ প্ৰজন্মলৈ তেওঁলোকে এইবোৰ ৰোঁৱাই লৈ যায়। গতিকে লোকবিশ্বাস আৰু লোকসংস্কাৰ ঐতিহ্যৰ ওচৰত সদায় ঋণী।"[৪]*

চাওঁতালসকলৰ উৎসৱ-পাৰ্বণ সমূহৰ ধাৰণাৰ পৰা এই কথা নিশ্চিত হয় যে তেওঁলোকৰ অৰ্থনৈতিক, সামাজিক আৰু বিধিগত প্ৰদৰ্শনবোৰ কৃষিকৰ্মৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। এক কথাত কবলৈ হলে বাৰ্ষিক কৃষি চক্ৰৰ সৈতে তেওঁলোকৰ জীৱনৰ সম্পৰ্ক নিবিড়। কৃষিকৰ্মই চাওঁতালসকলক বছৰটোৰ অধিক সময় ব্যস্ত কৰি ৰাখে। চাওঁতালসকলে অনুভৱ কৰে যে কৃষিকৰ্মত বিভিন্ন ধৰণৰ বাধা-বিঘিনি অন্তৰ্নিহিত হৈ থাকে। তেওঁলোকে এই কথা বাৰুকৈয়ে উপলব্ধি কৰে যে যি কোনো ধৰণৰ প্ৰাকৃতিক দুৰ্যোগে দেখা দিলে সকলোৱে দুৰ্ভিক্ষৰ সন্মুখীন হ'ব লাগিব। সেয়ে তেওঁলোকে যথাৰ্থ উৎসৱ-পাৰ্বণ আৰু বিধি পালন কৰি এই পাৰ্থিৱ জীৱনৰ সকলো দিশ সুৰক্ষিত ৰখাৰ কথাত বিশ্বাসী। বছৰটোৰ কৃষিকৰ্মৰ বিভিন্ন পৰ্য্যায়ক উপলক্ষ্য কৰি চাওঁতালসকলে বিভিন্ন তিথি আৰু উৎসৱ পালন কৰে। অসমৰ চাওঁতাল জনগোষ্ঠীৰ লগত সংপৃক্ত বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস জড়িত উৎসৱ-পাৰ্বণ সম্পৰ্কে তলত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

## কৃষিভিত্তিক ঋতুকালীন উৎসৱৰ সৈতে জড়িত লোকাচাৰ আৰু লোকবিশ্বাস ঃ

### সহৰায় ঃ

পথাৰৰ পৰা ধান চপোৰাৰ পাছত ডিচেম্বৰ বা জানুৱাৰী মাহৰ আৰম্ভণিতে সহৰায় উৎসৱ পালন কৰা হয়। যদি জন্ম বা মৃত্যুই গাওঁখন অশুচি কৰে, তেন্তে এই উৎসৱৰ তাৰিখ সলনি কৰা হয়। এনেক্ষেত্ৰত ভোজৰ তাৰিখ স্থগিত ৰখাৰ বাবে চুবুৰীয়া গাওঁৰ গাওঁবুঢ়াৰ সৈতে আলোচনা কৰা হয়। এয়া একধৰণৰ শস্য ঘৰ চপোৱা উৎসৱ। ধান খেতি যিহেতু পথাৰ চহোৱাৰ ওপৰতে নিৰ্ভৰশীল, সেয়ে এই উৎসৱক গৰু-ম'হ আৰু উৰ্বৰতাৰ উৎসৱ বুলিও বিবেচনা কৰা হয়।

লোক বিশ্বাস অনুসৰি সহৰায় আছিল প্ৰথম চাওঁতাল দম্পত্তি পিলচু হাৰাম আৰু পিলচু বুঢ়ীৰ ডাঙৰ জীয়ৰী। তেওঁলোকৰ মুঠ আঠজনী জীয়ৰী আৰু সাতজন পুত্ৰ আছিল। এদিনাখন পিলচু হাৰামে পুত্ৰকেইজনক চিকাৰলৈ লৈ যায় আৰু পিলচু বুঢ়ীয়ে ঔষধি গছ-লতা বিচাৰি জীয়ৰীকেইজনীৰ লগত ওলাই যায়। গছ-লতা সংগ্ৰহ কৰাৰ পাছত এডাল বটগছৰ তলত তেওঁলোকে আশ্ৰয় লয় আৰু তাৰে ফল খাবলৈ লয়। ডাঙৰ জীয়ৰীজনীৰ পিছে পিছে আন কেইজনীও একাদিক্ৰমে গছত উঠিবলৈ লয়। তেওঁলোকে গোটেইকেইজনী গছত উঠাৰ সময়ত, আটাইকেইজনীৰ মাজৰ ডাঙৰজনী গছৰ ওপৰত আৰু আটাইতকৈ সৰুজনী একেবাৰে তলত আছিল। তেনেতে তাত সাতোজন ভায়েক উপস্থিত হয়। তাতে ছোৱালীকেইজনীক ফল খাই থকা অবস্থাত দেখি তেওঁলোকৰ মনত কামভাৱ জাগ্ৰত হয়। সেয়ে তেওঁলোকে কণিষ্ঠ ভাতৃজনক তেওঁলোকৰ বাবে ফল আনিবলৈ পঠায়। সৰুজনী ভগ্নীয়ে ফল তললৈ দলিয়াই দিয়াৰ কথা কয় যদিও গছৰ পৰা নামি আহি ফল দিয়াৰ বাবে সৰু ভাতৃজনে অনুৰোধ কৰে আৰু সৰুজনীয়ে গছৰ পৰা নামি অহাৰ পাছত সৰু ভাইজনে গছৰ তলত গৈ সৰু ভগ্নীকে তেওঁৰ পত্নি কৰি লয়। তাৰ পাছত সৰুজনৰ ওপৰৰ জন ফল আনিবলৈ গৈ একে কামৰে পুনৰাবৃত্তি কৰে। এনেদৰে শেষত আটাইকেইজন ভাতৃয়ে পত্নি বৰণ কৰি লোৱাৰ পাছত আটাইতকৈ ডাঙৰজনী কন্যাই স্বামী নাপাই অকলশৰীয়া হৈ উচুপিবলৈ ধৰে। তেতিয়া তেওঁক সান্তনা দিবৰ বাবে বাকীসকলোৰে কয় যে তেওঁলোকে তেওঁক কেতিয়াও নাপাহৰে আৰু প্ৰত্যেক বছৰতে তেওঁৰ সোঁৰৰণিত এটাকৈ কুমাৰী অৰ্ঘ্য

আগবঢ়াব। তেতিয়াৰ পৰাই সহৰায় নামৰ ডাঙৰজনী ভনীয়েকৰ নামত পথাৰত এটাকৈ কণি অৰ্ঘ্য দিয়াটো পৰম্পৰাত পৰিণত হয়।[৫]

সহৰায় হৈছে চাওঁতালসকলৰ আটাইতকৈ ডাঙৰ উৎসৱ। এই উৎসৱ একেলেথাৰিয়ে ছয় দিন চলে। আৰু প্ৰত্যেকটো দিনৰেই একোটা স্বকীয় নাম থাকে যিটোৱে স্বকীয় বৈশিষ্ট্য বহন কৰে। গাওঁৰ মৌন্‌ঝিৰ সৈতে বহি গঞ্জা ৰাইজে উৎসৱৰ দিন থিৰাং কৰে। মৌন্‌ঝিয়ে সকলোকে মাতি মেল পাতে আৰু সহৰায়ৰ বাবে দিনবাৰ ঠিক কৰে।

এই উৎসৱ চাওঁতাল সকলৰ বাপতি-সাহোন আৰু তেওঁলোকৰ হাড়ে-হিমজুৱে লগা প্ৰধান উৎসৱ। 'সহৰায়' প্ৰকৃতাৰ্থত প্ৰধান শস্য চপোৱাৰ পাছত উদ্‌যাপিত ভোগ আৰু আনন্দ-উল্লাসৰ উৎসৱ। ইতিহাসে ঢুকি নোপোৱা সময়ৰ পৰাই চাওঁতাল সকলে এই উৎসৱ পৰম্পৰাগত ভাৱে উদ্‌যাপন কৰি আহিছে। এই উৎসৱৰ সময় ওচৰ চাপি অহাৰ লগে লগে সকলো বয়সৰ পুৰুষ-তিৰোতাৰ গাত তৎ নাইকিয়া হয়। বিশেষকৈ উঠি অহা চাওঁতাল ডেকা-গাভৰুৰ গা নাচি উঠিবলৈ আৰম্ভ কৰে। সহৰায় উৎসৱ উদ্‌যাপনৰ যোগেদি ইয়াত নিহিত হৈ থকা চাওঁতাল জনজাতীয় লোকসকলৰ সামাজিক ৰীতি-নীতি, ধৰ্মীয় পৰম্পৰা আৰু নৈতিকভাৱ ধাৰা প্ৰতিফলিত হয়।

চাওঁতাল সকলৰ লোক-গাঁথা অনুসৰি, অতীতত সহৰায় উৎসৱটি শৰৎ কালত অনুষ্ঠিত কালীপূজাৰ দিনৰ পৰা আৰম্ভ কৰি ছদিন ব্যাপী বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰি অহা হৈছিল। কিন্তু শৰৎ কালত (আহিন-কাতি মাহ) কৃষিজীৱি চাওঁতাল সকলৰ ভৰালত পৰ্যাপ্ত পৰিমাণৰ খাদ্য-শস্য নাথাকে। দ্বিতীয়তে, যিহেতু এই উৎসৱটি তেওঁলোকৰ বছৰটোৰ একমাত্ৰ প্ৰধান উৎসৱ সেয়ে এই উৎসৱৰ সময়ত নিজৰ ওচৰত বা দূৰত থকা ভাই-ভনীৰ লগতে আত্মীয়-স্বজনক নিমন্ত্ৰণ কৰি আনি সামৰ্থ অনুযায়ী দুই-এপদ কাপোৰ-কানি দি খোৱা-লোৱা কৰাৰ নিয়ম। সেইবাবে সম্ভৱত আৱহমান কালৰ পৰাই পৰম্পৰাগত ভাৱে উদ্‌যাপন কৰি অহা এই উৎসৱটি দুৰ্দিনৰ সময়ত পালন নকৰি পাছৰ সময়ছোৱাত বছৰটোৰ আঘোণ মাহৰ শস্যাদি চপোৱাৰ পাছত মাঘ মাহত উদ্‌যাপন কৰিবলৈ আৰম্ভ কৰে। মাঘ মাহত কৃষিজীৱি চাওঁতাল সকলৰ প্ৰতি ঘৰতে কম-বেছি পৰিমাণে খাদ্য শস্য মজুত থাকে বাবে খোৱা লোৱাৰ বিশেষ অভাৱ নহয়। এই সময়ছোৱাত খেতি-বাতিৰ কাম বা অন্যান্য কাম-কাজো বেছি নাথাকে।

সেইবাবে চাওঁতাল সকলে তেওঁলোকৰ অতি আদৰৰ 'সহৰায়' উৎসৱটি প্ৰতিবছৰে মাঘ মাহতে উদ্‌যাপন কৰি আহিছে। অৱশ্যে গোটেই ভাৰতবৰ্ষ তথা বহিৰাষ্ট্ৰত বসবাস কৰা চাওঁতাল জনজাতীয় লোকসকলে সমূহীয়া ভাৱে একেটা দিনতে এই উৎসৱ পালন কৰা দেখা নাযায়। সম্প্ৰতি 'আসাম চাওঁতালী সাওঁহেৎ বাইসি' (অসম চাওঁতালী সাহিত্য সভা) ই মাঘ মাহত উদ্‌যাপিত হোৱা অসমৰ মাঘ বিহুৰ লগত সংগতি ৰাখি 'সহৰায়' উৎসৱ উৎযাপনৰ নিৰ্দিষ্ট দিন বাৰ নিৰ্দ্ধাৰণ কৰি দিছে আৰু সেইমৰ্মে প্ৰতিবছৰে ১৪ জানুৱাৰী পৰা আৰম্ভ কৰি ১৯ জানুৱালীলৈ ছয় দিন ব্যাপি এই উৎসৱ পালন কৰা হয়।

'সহৰায়' উৎসৱৰ সময়ত চাওঁতাল সকলে পৰস্পৰৰ মাজত থকা ভেদ-ভাৱ পৰিহাৰ কৰি মিলা-প্ৰীতি আৰু সমন্বয়ৰ মাজেৰে এই উৎসৱ পালন কৰে। এই উৎসৱৰ সময়ত তেওঁলোকে ধৰ্মীয় আৰু মাংগলিক অনুষ্ঠানৰ যোগেদি 'মাৰাং বুড়ু', বিভিন্ন দেৱ-দেৱী আৰু পূৰ্বপুৰুষ সকলক স্মৰণ কৰি পূজা-অৰ্চনা কৰে। উৎসৱৰ সময়ত আত্মীয়-স্বজন আৰু মিতিৰ-কুটুম্বক আমন্ত্ৰণ কৰি খোৱা লোৱা কৰাৰ লগতে নৃত্য-গীতৰ জৰিয়তে সকলোৱে আনন্দ উপভোগ কৰে। গাওঁৰ প্ৰত্যেকে ইঘৰে-সিঘৰে যোৱা অহা কৰি সমন্বয়ৰ সেতু ৰচনা কৰে। মনকৰিবলগীয়া যে, এই উৎসৱৰ সময়ত বিয়া-বাৰু দিয়া নিজৰ নিজৰ জীয়েক বা ভনীয়েকক নিমন্ত্ৰণ কৰি তেওঁলোকৰ আগমণৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰা হয়। জী-জোঁৱাই বা বায়েক-ভনীয়েক সকলেও মা-দেউতা বা ককাই-ভাইৰ নিমন্ত্ৰণ পোৱাৰ বাবে আশা পালি থাকে। আমন্ত্ৰিত সকলে পিতৃ-মাতৃ বা ভাই-ককাইৰ ঘৰলৈ আহোতে লগত চিৰা, মুড়ি, গুড় আৰু হাঁড়িয়া উপহাৰ হিচাপে লৈ আহে। এই উৎসৱত বিভিন্ন বঙ্গা আৰু পূৰ্বপুৰুষ সকলৰ আত্মাও উপস্থিত থাকে বুলি এটা জন বিশ্বাস চাওঁতাল সকলৰ মাজত প্ৰাচীন কালৰে পৰা চলি আহিছে।

চাওঁতাল সকলৰ সহৰায় পৰ্বৰ প্ৰথম দিনটো 'উম্ হিলৌক্' (স্নানপৰ্ব) বুলি কোৱা হয়। এই দিনটোত গাওঁৰ গদিৎ এ ৰাতিপুৱাই লগত কেইজনমান একেবাৰে কম বয়সীয়া ল'ৰা লৈ গাওঁৰ ঘৰে ঘৰে চাউল, নিমখ, জলকীয়া, হালধি আৰু এটাকৈ সৰু মুৰ্গী ৰাজহুৱা পূজাৰ বাবে সংগ্ৰহ কৰে। সংগ্ৰহ কৰা সামগ্ৰীবোৰ গাওঁৰ পুৰুষসকলে গাওঁৰ বাহিৰত থকা খেতি পথাৰলৈ লৈ গৈ তাত সমূহীয়া পূজা-পাঠ কৰি মুৰ্গীবোৰ বলি দিয়ে। সমূহীয়া পূজাত গাওঁৰ 'নাইকি'য়ে নেতৃত্ব দিয়ে। তাৰ পাছত বলি দিয়া মুৰ্গীৰে ছুৰ্‌চী (খিচিৰি) ৰান্ধি সকলোৱে ৰং-ধেমালি কৰি

একেলগে ভোজ ভাত খায়। তাৰ পাছত ঢাক-ঢোল বজাই বজাই সন্ধিয়াপৰত ঘৰলৈ ঘূৰি আহে। সন্ধিয়া 'জগমৌন্‌ঝি'ৰ নেতৃত্বত চাৰি-পাঁচজনমান ডেকা ল'ৰা গাওঁৰ প্ৰত্যেক ঘৰৰ গোহালিৰ সন্মুখত গৰু -ম'হৰ মংগলৰ বাবে গীত গাই টামাক-তুম্‌দা বজাই গুণ-কীৰ্ত্তন কৰে। এইখিনি কাম সেই ৰাতিৰ ভিতৰতে শেষ কৰি গাওঁৰ 'পাৰাণিকে' দিয়া এক হাড়ী 'হাঁন্ডি' (মদ) খাই তেওঁৰ চোতালতে আয়োজন কৰা 'ডান্টা' (নৃত্য) ৰ জৰিয়তে প্ৰথম দিনাৰ কাৰ্য-ক্ৰমণিকা সমাপ্ত কৰে। ইফালে ঘৰৰ তিৰোতাবোৰে সেই দিনা ঘৰবোৰ গোবৰেৰে মচি পৰিষ্কাৰ কৰে আৰু পৰিয়ালৰ সকলোৰে কানি-কাপোৰ ধুই চাফা কৰে। গৰখীয়াবোৰে গৰু/ম'হবোৰক গা ধোৱায়, সন্ধিয়া শিঙত আৰু কপালত সৰিয়হৰ তেল সানে। ঘৰৰ গৃহিনীয়ে গোহালিত মাটিৰ বন্তি জ্বলায়। চাউল আৰু দূৱৰিৰে পূজা-অৰ্চনা কৰে।

উৎসৱৰ দ্বিতীয় দিনটোক 'দকাই হিলৌক্' অৰ্থ্যাৎ ভোজন দিৱস বুলি কোৱা হয়। এই দিনটোত পুৰুষ মানুহবোৰে ৰাতিপুৱা নাঙলৰ যুৱলিখন নদীলৈ লৈ গৈ পানীৰে ধুই চাফা কৰি নিজেও গা-পা ধুই ঘৰলৈ উভতে। কণী নিদিয়া তিনিটা মূৰ্গী আৰু জহা চাউল লৈ ঘৰৰ ভিতৰত চাওঁতাল সকলৰ মুখ্য উপাস্য দেৱতা 'মাৰাং বুড়ু' ৰ লগতে অন্যান্য আৰাধ্য দেৱ-দেৱীক পূজা-অৰ্চনা কৰি মূৰ্গী কেইটা বলি দিয়ে। তাৰ পাছত বলি দিয়া মূৰ্গী কেইটাৰ মাংসৰে ভাত ৰান্ধি আগৰ থানতে পূজা দিয়ে। এই ৰন্ধা ভাত-মাংসৰ লগতে পূজাৰ নামত বনোৱা 'হাঁণ্ডি' ঢালি দি উৎসৱৰ নামত বঙ্গা সকলক পূজা দি সকলোৱে থানত সেঁৱা জনায়। তাৰ পাছতহে সিদিনা ঘৰৰ সকলোৱে 'হাঁণ্ডি' আৰু ভাত, মাংস আদিৰে খোৱা লোৱা পৰ্ব সমাপন কৰি নৃত্য-গীত আৰম্ভ কৰে। নিমন্ত্ৰিত অতিথি ঘৰলৈ আহিলে প্ৰথমতে বহিবলৈ দি অতি আদৰেৰে ঘৰৰ তিৰোতাই তেওঁলোকৰ ভৰি পানীৰে ধুই দি মিঠাতেল সানে; তাৰ পাছত খোৱা বস্তুৰে আপ্যায়ন কৰে।

সহৰায় উৎসৱৰ তৃতীয় দিনটোক 'খুন্টাও হিলৌক' বুলি জনা যায়। অৰ্থাৎ এই দিনটো চাওঁতাল সকলে গৰু বিহু হিচাপে পালন কৰে। দিনটোৰ প্ৰথম ভাগত গাওঁবুঢ়াৰ ঘৰত গাওঁৰ প্ৰতি ঘৰৰ মুৰব্বীসকল গোট খায় আৰু গাওঁৰ যিসকল অতি ইচ্ছুক ব্যক্তিয়ে সুকীয়াকৈ গৰু-ম'হৰ উৎসৱ পালন কৰিব খোজে সেই বিষয়ে আলোচনা কৰে। কোনোৱে নিজাকৈ এই উৎসৱ পালন কৰিব বিচাৰিলে তেওঁ নিজৰ ঘৰৰ বলিষ্ঠ ষাঁড় গৰু বা ম'হ ঘৰৰ চোতালৰ

মুকলি ঠাইত এটা টান খুটাত তিনিডালমান নতুন পঘাৰে বান্ধি থয়। শিং দুটাত তেল, সেন্দুৰ সানি আগতে মজুত কৰি ৰখা ধানৰ লেচেৰিৰে সৈতে গা-গছৰ মালা, ফুল আৰু পিঠাৰ মালা আৰু নিজৰ ইচ্ছানুসাৰে নতুন গামোছা বা ধুতি এখনত কিছু টকা বা সোণ, ৰূপ বান্ধি উক্ত গৰু বা ম'হটোৰ ডিঙিত পিন্ধাই দিয়ে। ঘৰৰ গৰাকীজনে গোহালিত পূজা-পাঠ কৰি তাৰ অৱশিষ্ট 'হাঁণ্ডি' খিনি গৰু বা ম'হটোক খুৱাই খঙাল কৰি তোলে। তাৰ পাছতহে গৰু-ম'হৰ নৃত্য আৰম্ভ হয়। টামাক আৰু তুম্‌দাৰ ধ্বনি আৰু নৃত্যৰ উদ্দামতাৰ মাজতে গৰু বা ম'হটোৰ ডিঙিত বান্ধি ৰখা ধুতিখন যিয়ে খুলি আনিব পাৰিব তেওঁৰেই সেই ধনখিনিৰ গৰাকী হ'ব। তাৰ বাহিৰেও সিদিনাখন গাওঁৰ প্ৰত্যেকে নিজ নিজ ঘৰৰ গোহালিত 'হাঁণ্ডি', দূৰৰি, চাউল, পিঠা আদিৰে পূজা পাঠ কৰি চাকি জ্বলায় আৰু গৰু-ম'হ আদিৰ শিঙত তেল আৰু সেন্দুৰ সানি দি ডিঙিত ধানৰ গা-গছৰ মালা, ফুলৰ মালা পিন্ধাই দি চৰিবলৈ এৰি দিয়ে। ধুই পৰিষ্কাৰ কৰা যুৰলিতো তেল আৰু সেন্দুৰ সানি দিয়ে। গাওঁৰ 'জগমাঁন্‌ঝি' আৰু 'জগপাৰাণিক' দুজনে কেইজনমান যুৱকক লগত লৈ প্ৰত্যেক ঘৰৰ চোতালে চোতালে টামাক-তুম্‌দা বজাই গৰু-ম'হৰ গুণ-কীৰ্ত্তন কৰি এডালকৈ খুটি পুতি থৈ যায়।

চতুৰ্থ দিনটোক সহৰায় উৎসৱৰ 'জালি হিলৌক্' বুলি জনা যায়। 'জালি' অৰ্থাৎ ঘৰে ঘৰে গৈ নৃত্য-গীত পৰিবেশন কৰা আৰু 'হিলৌক' মানে দিন। গাওঁৰ জগমাঁন্‌ঝিয়ে প্ৰথমতে প্ৰতিটো ঘৰৰ পুৰুষ-মহিলাক নিজৰ ঘৰলৈ মাতি আনি গোট খুৱায়। তেওঁলোকক তেল, ফণি আৰু আয়না দি সাজি-কাচি সাজু হ'বলৈ কয়। পাছত তেওঁলোকক 'গাদাই হাঁণ্ডি' (নৃত্য-গীতৰ নামত দিয়া মদ)ৰে আপ্যায়ন কৰে। তাৰ পাছত জগপাৰাণিকৰ নেতৃত্বত গাওঁৰ পুৰুষ-মহিলা সকলে টামাক-তুম্‌দা লৈ ঘৰে ঘৰে গৈ নৃত্য-গীত কৰে আৰু ঘৰৰ গৃহস্থইও বিনিময়ত সামৰ্থ্য অনুযায়ী চাহ-জলপান আৰু হাঁণ্ডি দি তেওঁলোকক বিদায় দিয়ে। আগদিনাখন ঘৰৰ চেতালত পুতি থৈ যোৱা খুটাবোৰ জগপাৰাণিকৰ নেতৃত্বত যোৱা লোকসকলে উঠাই আনি ঘৰৰ দুৱাৰে দুৱাৰে থৈ যায়হি আৰু গৃহস্থ সকলেও তেওঁলোকক চাহ-জলপান, মদ আদি খুৱাই যাবলৈ দিয়ে। ইফালে এই দিনটোত চাওঁতাল ডেকা-গাভৰুৱে একেলগে মুকলি মনেৰে গাওঁৰ আলিবাটত নৃত্য-গীত কৰি মচ্‌গুল হৈ পৰে। এই নৃত্য-গীতৰ মাজতে তেওঁলোকৰ মাজত

প্ৰেম, ভালপোৱা ভাৱ গঢ়ি উঠে। এক কথাত চাওঁতাল সকলৰ সহ্ৰায় উৎসৱৰ এই দিনটোক অসমীয়াৰ বাপতি সাহোন মুকলি বিহুৰ দিন হিচাপে আখ্যা দিব পাৰি।

উৎসৱৰ পঞ্চম দিনটো হ'ল 'হাকো কাট্‌কম হিলৌক্'। 'হাকো' মানে মাছ আৰু 'কাট্‌কম' মানে কেঁকোৰা। অৰ্থাৎ এই দিনটো মাছ, কেকোঁৰা মাৰি ৰান্ধি খোৱাৰ দিন। চাওঁতাল সকলৰ এটা বিশ্বাস আছে যে এই দিনটোত মাছ, কেকোঁৰা যিয়ে মাৰি খায় তেওঁ হেনো সদা কুশলে থাকে আৰু দীৰ্ঘজীৱি হয়। এই দিনটোত ঘৰৰ আলহী সকলক বিশেষ ভাৱে আদৰ অভ্যৰ্থনা কৰা হয়।

সহ্ৰায় উৎসৱৰ অন্তিম পৰ্বটো হৈছে 'সাকৰাত হিলৌক' বা বনৰীয়া জীৱ-জন্তু চিকাৰ কৰাৰ দিন। পুৰুষ মানুহবোৰে সিদিনা ৰাতিপুৱাই ভাত-পানী খাই জগমৌন্‌ঝিৰ 'টামাক' ৰ শব্দ ধ্বনি শুনাৰ লগে লগে চিকাৰ কৰিবলৈ ওলাই যায়। চিকাৰলৈ ওলাই যাওঁতে তেওঁলোকে বিভিন্ন ধৰণৰ চিকাৰ সম্পৰ্কীয় 'বীৰ সেৰেঞ' (বনগীত) গাই গাই যায়। হাতত শৰ-ধনু, যাঠি-জোং লৈ হাবিলৈ যোৱাৰ পথত হাবিৰ বঙ্গা সকলক সন্তুষ্ট কৰিবৰ বাবে চাউল, সেন্দুৰ আৰু সৰু ৰঙামতা মূৰ্গী পোৱালিৰে 'কুদুম নাইকি' য়ে পূজা এভাগ আগবঢ়ায় যাতে চিকাৰলৈ গৈ তেওঁলোকৰ কোনো অমঙ্গল নহয় আৰু চিকাৰ কৰিব পাৰে। উল্লেখ্য যে সিদিনা চিকাৰলৈ যাওঁতে লগত জগমৌন্‌ঝিয়ে এটা 'টামাক্' লৈ যায় আৰু চিকাৰ কৰি থকা সময়খিনিত টামাক্ বজাই থাকে। তেওঁলোকে চিকাৰ কৰি যি পায় তাক কাটি-কুটি লয় আৰু চিকাৰ কৰি ঘুৰি অহাৰ সময়ত মাংসবোৰ নিজৰ গাওঁখনৰ বাহিৰতে ভগাই লয়। তাৰ পাছত প্ৰত্যেকে ঘৰলৈ ঘূৰি আহি পদূলি মুখত ৰয়। তেওঁলোকক ঘৰৰ এজনী তিৰোতাই ভৰি ধুৱাই দি সেৱা জনোৱাৰ পাছতহে চোতালত প্ৰবেশ কৰিবলৈ দিয়ে। পৰিয়ালৰ মুৰব্বী জনে গা পা ধুই উঠি চিৰা, মুড়ি, দৈ আৰু পিঠা উপকৰণ হিচাপে আগবঢ়ায় আৰু উৎসৱৰ দ্বিতীয় দিনাৰ নিচিনাকৈ পূজা পাঠ কৰে। তাৰ পাছতহে ঘৰৰ সকলোকে খাবলৈ দিয়া হয়। ইপিনে গাওঁৰ জগমৌন্‌ঝি জনে সিদিনাখন আবেলিপৰত পথাৰত এডাল সৰু কলগছ (চাৰি ফুট মান দীঘল) ৰুই তাৰ ওপৰত এটা 'সুনুম পিঠা' (মিঠাতেলত ভজা পিঠা) থৈ দিয়ে। তাৰ পাছত লগত লৈ যোৱা সেন্দুৰ আৰু 'বৗটি হৗণ্ডি'ৰে কলগছ ডালৰ গুৰিত পূজা কৰি উঠি প্ৰায় এশ ফুট্ আঁতৰৰ পৰা গাওঁখনৰ প্ৰতিযোগী সকলক কাঁড়েৰে কলগছত লক্ষ্যভেদ কৰিবলৈ নিৰ্দেশ দিয়ে। যিয়ে প্ৰথমে লক্ষ্যভেদ

কৰিবলৈ সক্ষম হয় সেইজনক সিদিনাৰ নায়ক হিচাপে গণ্য কৰা হয়। তাৰ পাছত জগমৌন্‌ঝিয়ে লক্ষ্যভেদ কৰিবলৈ সমৰ্থ হোৱা ব্যক্তি জনক কান্ধত লৈ কলগছৰ গুৰিৰ পৰা লক্ষ্যভেদ কৰা স্থানলৈ তিনিবাৰ অহা যোৱা কৰে। শেষত জগমৌন্‌ঝিয়ে সেই কলগছডাল তিনি ডোখৰকৈ সমানে কাটি টুকুৰা কৰি প্ৰতি টুকুৰা ক্ৰমে মৌন্‌ঝি, নাইকি আৰু নিজৰ ঘৰৰ চালত থৈ দিয়ে। এই পৰ্বটো শেষ হোৱাৰ পাছত 'লাঁউড়িয়া' (লাঠিৰ খেল) খেল প্ৰতিযোগীসকলৰ মাজত অনুষ্ঠিত হয়। তাৰ পাছত সন্ধিয়াৰ পৰা ডেকা গাভৰুসকলে টামাক্-তুম্‌দা লৈ গাওঁৰ ৰাস্তাই ৰাস্তাই ওৰে নিশাটো নৃত্য-গীত আৰু হাই উৰুমি কৰি কটাই দিয়ে।

পিছদিনাখন প্ৰত্যেক পৰিয়ালৰ মানুহে অলপ হলেও পথাৰত বা বাৰীৰ আশে-পাশে হাল বায়।

**বাঁহা ঃ**

বাঁহা পৰব বা ফুলৰ উৎসৱ হৈছে চাওঁতালসকলৰ দ্বিতীয় বৃহৎ উৎসৱ। এয়া ফাগুন (ফেব্ৰুৱাৰী-মাৰ্চ) মাহৰ প্ৰথম শুক্লপক্ষৰ পাছতে শাল আৰু মহুৱা ফুলিবলৈ আৰম্ভ কৰাৰ সময়ত পালন কৰা হয়। এই উৎসৱ চাওঁতালসকলৰ বসন্ত উৎসৱ।

গাওঁ এখনৰ স্থাপন হোৱাৰ পূৰ্বেই স্থাপন কৰা পবিত্ৰ 'জাহেৰ থান'ত প্ৰতিখন চাওঁতাল গাওঁতে বংশানুক্ৰমিক ভাৱে প্ৰতিটো প্ৰজন্মই এই বাহা উৎসৱ উদযাপন কৰি আহিছে যদিও ২০০০ চন মানৰ পৰা বহুকেইখন গাওঁ সামৰি আঞ্চলিক পৰ্যায়ত 'দিসম বাহা' উদযাপন কৰা পৰিলক্ষিত হৈছে। চাওঁতালী ভাষাত 'দিসম' শব্দৰ অৰ্থ হৈছে 'দেশ' বা 'অঞ্চল'।

পৰম্পৰাগত 'বাহা পৰব'ৰ সৈতেই চাওঁতালি নৱবৰ্ষৰ শুভাৰম্ভ হয়। এই উৎসৱ প্ৰতিখন গাওঁতে তিনিদিনীয়াকৈ অনুষ্ঠিত হয়। মূল উৎসৱৰ আগদিন পবিত্ৰ 'জাহেৰ থান'ত 'বাহা পৰব'ৰ প্ৰস্তুতি সম্পন্ন কৰা হয়। এই দিনটোক 'জাহেৰ ডাব' বুলি কোৱা হয়। 'জাহেৰ থান'ত গাওঁৰ ডেকা সকলে বাহ আৰু খেৰেৰে দুখন চালি সাজে আৰু উলুবনেৰে দুই ধৰণৰ 'দুৰিঞঙ' বনোৱা হয়। এবিধ 'দুৰিঞঙ' ময়ুৰ চৰাইৰ আকৃতিৰ বনোৱা হয় আৰু আনবিধ পুৰুষ জননাংগ আৰু নাৰী জননাংগক সংগমৰত অৱস্থাত দেখুওৱা হয়। পাছত এই 'দুৰিঞঙ' বোৰ

উক্ত চালিদুখনৰ প্ৰৱেশদ্বাৰত ৰচিৰে ওলোমাই ৰখা হয়।

সন্ধিয়া সময়ত গাওঁৰ পুৰুষ মহিলাসকলোৱে 'নাইকি'ৰ চোতালত গোটখায় য'ত তেওঁলোকক 'হাঁণ্ডি' পৰিৱেশন কৰা হয়। তাৰ পাছত গাওঁবাসীয়ে 'নাইকি জাগৰণ'ৰ বাবে গীত পৰিৱেশন কৰি 'বঙ্গা'ৰ আৰধনা কৰে। উক্ত গাওঁবাসীৰ মাজৰ তিনিজনৰ গাত দেও উঠে আৰু 'মাৰাং বুডু', 'জাহেৰ বুঢ়ী' আৰু 'মোৰেইকো-টুৰেইকো' বঙ্গাই লম্ভে। নাইকিৰ চোতালত গাওঁৰ বয়োজেষ্ঠ্য কেইজনমানে উক্ত বঙ্গা লম্ভা মানুহ কেইজনক তেওঁলোকে ব্যৱহাৰ কৰা বুলি বিশ্বাস কৰা কেইপদমান সামগ্ৰী অৰ্পণ কৰে। যেনে — মোৰেইকো টুৰেইকোৰ হাতত ধনু-কাঁড়, জাহেৰ বুঢ়ীৰ হাতত ঝাডু আৰু খৰাহী আৰু মাৰাংবুডুৰ হাতত লাঠি অৰ্পণ কৰা হয়। উক্ত সামগ্ৰী কেইপদ লাভ কৰাৰ পাছত বঙ্গা লম্ভা মানুহকেইজন জাহেৰ থানলৈ দৌৰি যায় আৰু পিছদিনা হ'ব লগা অনুষ্ঠানৰ বাবে প্ৰস্তুতিৰ বুজ লয়। পাছত সকলোৱে মিলি ওচৰৰ হাবিৰ পৰা শাল আৰু মহুৱা ফুল সংগ্ৰহ কৰে।

মূল উৎসৱৰ দিনটোক 'বাহা সৰ্দি' বুলি কোৱা হয়। উক্ত দিনত আন আন গাঁওৰ মিতিৰ সকল আহি গাওঁত উপস্থিত হয় কিন্তু মাত্ৰ গাওঁৰ পুৰুষসকলেহে উক্ত দিনৰ ৰাতিপুৱাৰ ভাগত অনুষ্ঠিত হোৱা বলি বিধান পৰ্বত উপস্থিত থাকিব পাৰে। এই বলি বিধান জাহেৰ থানত থকা শালগছৰ তলত অনুষ্ঠিত হয়। এই বলি বিধান সম্পন্ন হোৱাৰ পাছত মাৰাংবুডুৰ চৰণত শালগছৰ ফুল আৰু জাহেৰ বুঢ়ীৰ চৰণত মহুৱা গছৰ ফুল অৰ্পণ কৰা হয়। বলি দিয়া মূৰ্গী আৰু ছাগলীৰ মাংস বনাই জ্ঞাতি সকলৰ (পিতৃমূলীয়) মাজত বিতৰণ কৰা হয় আৰু মূৰ্গী আৰু ছাগলীৰ মূৰবোৰ পৃথক কৈ বনাই 'নাইকি' আৰু 'কুদুম নাইকি'ৰ মাজত বিতৰণ কৰা হয়। বলি বিধানৰ সময়ত মহিলাৰ উপস্থিতি বাৰণ কৰা হয় যদিও উক্ত পৰবৰ বাবে মহিলাৰ উপস্থিতি বাধ্যতামূলক। এই উৎসৱতেই মহিলাসকলক 'জাহেৰ থানত' প্ৰৱেশৰ অনুমতি দিয়া হয়। বিশ্বাস অনুসৰি মহিলাসকলৰ গীত আৰু নৃত্য অবিহনে 'জাহেৰ থান'ৰ বঙ্গা সমূহ জাগ্ৰত নহয়। তেওঁলোকে গীত আৰু নৃত্যৰ জৰিয়তে বঙ্গা সকলক আৰাধনা কৰি থকাৰ সময়তে আগদিনা যি কেইগৰাকী ব্যক্তিৰ গাত বঙ্গা লম্ভিছিল সেই ব্যক্তিকেইগৰাকীৰ গাত পুনৰ একে বঙ্গাই লম্ভে আৰু তেওঁলোকে পুনৰ তেওঁলোকৰ হাতত আগদিনা লোৱা সামগ্ৰীসমূহ লৈ নাচিবলৈ লয়।

আবেলি সময়ত ডেকা-বুঢ়া সমন্বিতে গাওঁৰ সকলোৱে তেওঁলোকৰ মিতিৰ সমন্বিতে 'জাহেৰ থান'লৈ আহে।

মহিলাসকলে জাহেৰ থানৰ বেদীৰ সম্মুখত হাতত হাত ধৰি থিয় হয়। গাওঁৰ নাইকিয়ে বেদীৰ পৰা শালগছৰ ফুল সকলোৰে হাতত দিয়ে আৰু তেওঁলোকে এই ফুল খোপাত গুজি লয়। তাৰ পাছতে সমবেত পুৰুষসকলক শালফুল প্ৰদান কৰে আৰু তেওঁলোকে এই ফুল কানত গুজি লয়। এই ফুলবোৰক পবিত্ৰ জ্ঞান কৰা হয় বাবে তেওঁলোকে বৰ যত্ন সহকাৰে এই ফুলখিনি ঘৰত যোৱাৰ পাছত দৰ্জাৰ ওপৰত 'সগুন' (শুভ প্ৰতীক) হিচাপে গুজি ৰাখে। যেতিয়া পুৰুষ মহিলা সমন্বিতে সকলোৱে 'টামাক' আৰু 'তুম্‌দা'ৰ তালত নৃত্যত মতলীয়া হৈ থাকে পূৰ্বতে বঙ্গা লম্ভা লোককেইজনৰ গাত পুনৰ বঙ্গা লম্ভে আৰু সেই বঙ্গাৰ বেশত তেওঁলোকৰ নৃত্য আৰম্ভ হয়।

সন্ধিয়া হোৱাৰ লগে লগে তেওঁলোক গৃহাভিমুখী হয় আৰু হাঁণ্ডি পৰিবেশনেৰে খোৱা লোৱা সমাপ্ত কৰি ৰাতি বাল, বৃদ্ধ, মহিলা সমন্বিতে গাওঁৰ 'আখাৰা'ত সমবেত হৈ নৃত্য -গীতত মত্ত হয়। গাওঁৰ আৰু অন্যান্য গাওঁৰ পৰা অহা মিতিৰ সমন্বিতে এই নৃত্য -গীতৰ পৰ্ব ৰাতিপুৱালৈকে চলি থাকে।

তৃতীয় দিনটোক 'বাহা বাস্কে' বুলি কোৱা হয়। উক্তদিনত ৰাতিপুৱাতেই মুখ্যত দুটা কাৰ্য্য সমাপন কৰা হয়। এটা হ'ল 'সগুন সুপাৰি' অৰ্থাৎ পবিত্ৰ মাটিৰ পাত্ৰ পৰীক্ষা আৰু আনটো হ'ল পানী খেলা। গাওঁৰ নাইকিৰ ঘৰত আগদিনাই প্ৰতিষ্ঠা কৰা এটা পানী ভৰ্ত্তি ম্যাটিৰ কলহত গাওঁৰ মহিলা সকলে পানীৰ পৰিমাণ জুমি জুমি চায়। লোকবিশ্বাস অনুসৰি এই মাটিৰ পাত্ৰ আৰু তাত থকা পানীৰ পৰিমাণে আহিবলগা খেতিৰ বতৰত হ'ব লগা বৰষুণৰ পৰিমাণৰ পূৰ্বানুমান কৰিব পাৰে। পানী যিমানেই কম হ'ব বৰষুণৰ পৰিমাণো সিমানেই কম হ'ব বুলি বিশ্বাস কৰা হয়।

তাৰ পাছত সমবেত সকলোৱে 'নাইকি'ৰ ঘৰত গীত গায়। এই গীতসমূহত উক্ত দিনৰ ৰাতিপুৱাৰ কাৰ্যাবলী আৰু পৰবৰ্তী চিকাৰ কাৰ্যাবলীৰ বৰ্ণনা কৰা হয়। শেষবাৰৰ বাবে পুনৰ দুজন ব্যক্তিক 'মোৰেকো টুৰুইকো' বঙ্গাই লম্ভে আৰু 'ভেন্টা কাথা' (সাংস্কৃতিক কথা)ৰ জৰিয়তে উক্ত বঙ্গাই চিকাৰত যোৱাৰ সময়ত চিকাৰ ক'ত পোৱা যাব সেই সম্বন্ধে ইংগিত

দিয়ে। তাৰ পাছতে গাওঁবাসীয়ে  পৰম্পৰাগত ধেনু, কাঁড়, কুঠাৰ আদিৰে বছৰটোৰ প্ৰথম চিকাৰৰ বাবে ৰাওনা হয়। চিকাৰ শেষ কৰি 'টামাক্' আৰু 'তুম্‌দা' আদি বজাই 'চিংগ্ৰাই সিৰিঞ' গাই চিঞৰি সুহুৰি আদিৰে গাওঁলৈ ঘূৰি আহে। গাওঁত 'নাইকি'ৰ ঘৈনীয়েকে তেওঁলোকক স্বাগতম জনায়। একেসময়তে গাওঁত পানী খেল আৰম্ভ হয়। এই উৎসৱ হিন্দুসকলৰ ৰঙৰ উৎসৱ 'হোলী'ৰ সময়তেই উদযাপিত হয় বাবে 'হোলী'ৰ সমকক্ষ বুলিও অভিহিত কৰিব পাৰি। পাৰ্থক্য মাথো এইয়েই যে তেওঁলোকে এই উৎসৱ পানী অথবা 'বাহা দা' অৰ্থাৎ পৱিত্ৰ ফুল মিহলি পানী তেওঁলোকৰ আত্মীয় সকলৰ সৈতে ছটিয়াই উদযাপন কৰে। আৰু যিবোৰ সম্পৰ্ক 'টেবু'ৰ ভিতৰত পৰে তেনে ব্যক্তিক এই পানী ছটিওৱা নহয়।

মন কৰিবলগীয়া যে বাহা উৎসৱ চাওঁতাল গাওঁসমূহত বসন্তকালৰ আৰম্ভণীতে উদযাপন কৰা হয়। সেয়েহে এই উৎসৱৰ সতে জড়িত উৰ্বৰতাৰ  প্ৰতীক হিচাপে শাল আৰু মহুৱা গছৰ ফুল, বেদীত সংস্থাপিত 'দুৰিঞ' তথা পুৰুষ মহিলাৰ সমান অংশগ্ৰহণ অপৰিহাৰ্য্য। চাওঁতাল জনজীৱনৰ এইটোৱেই  একমাত্ৰ উৎসৱ য'ত মহিলাক জাহেৰ থানত প্ৰবেশৰ অনুমতি দিয়া হয় তথা বঙ্গা আৰু গাওঁবাসীৰ মাজত শাল আৰু মহুৱা ফুল অৰ্পণ আৰু প্ৰদান তথা  পুৰুষ মহিলাৰ  উমৈহতীয়া  নৃত্যৰ  জৰিয়তে প্ৰকৃতিৰ সৈতে এক যোগসূত্ৰ স্থাপনৰ চেষ্টা কৰা হয়। উৰ্বৰতাৰ প্ৰতীক যেনে সংগমৰত অৱস্থাত থকা 'দুৰিঞ', হাঁণ্ডি, শাল আৰু মহুৱা ফুলৰ  অপৰিহাৰ্য্যতা, পৰিবেশিত হোৱা মহিলা কেন্দ্ৰীক গীতসমূহে এই উৎসৱৰ অন্তৰালত নিহীত হৈ থকা প্ৰকৃতি তথা মানৱ সমাজৰ উৰ্বৰতা বঢ়োৱাৰ প্ৰৱনতাকে সূচায় বুলি অনুমান কৰাৰ থল আছে।

**এড়ক চিম ঃ**

চাওঁতাল ভাষাৰ এড়ক চিম শব্দৰ অৰ্থ হৈছে কৃষিকৰ্মৰ সৈতে জড়িত সকলো অপায় অমঙ্গল দূৰ কৰা। আৰু এই উৎসৱ শীতকালত খেতিৰ  বীজ ছটিওৱাৰ পাছত উদযাপন কৰা দেখা যায়। মূৰ্গী আদি কৰি পূজাৰ অইন সামগ্ৰীসমূহ গদিতে গাওঁৰ গৃহস্থসমূহৰ পৰা সংগ্ৰহ কৰে। উৎসৱৰ তাৰিখ গাওঁৰ ৰাইজে সভা পাতি থিৰাং কৰে। শুদ্ধি কৰণৰ বাবে গা ধোৱাৰ পাছত আবেলি নাইকি, কুদুম নাইকি আৰু গদিতে গাওঁবাসীৰ সৈতে জাহেৰথানলৈ যায় আৰু

নাইকিয়ে মাৰাং বুড়ু, মোৰেকো টুৰুইকো, জাহেৰ এৰা, গোসাঁই এৰা আৰু মৌন্‌ঝি হাৰাম বঙ্গাৰ নামত মূৰ্গী বলি দি প্ৰাৰ্থনা কৰে যাতে পৰ্যাপ্ত বৰষুণ হয় আৰু মাটি উৰ্বৰা হৈ খেতি ভাল হয়। জাহেৰ বঙ্গাকো স্তুতি কৰা হয় যাতে কোনো ধৰণৰ বেমাৰ-আজাৰ আৰু অপায়-অমংগল নহয় আৰু গৰু-ম'হৰ সংখ্যা বৃদ্ধি পায়। কুদুম নাইকিয়ে এটাকৈ ক'লা মূৰ্গী সীমা বঙ্গা আৰু বাহ্‌ৰে বঙ্গাৰ নামত আগবঢ়াই তেওঁৰ ভাগৰ পূজা কৰে আৰু তেওঁৰ উৰুৰ তেজ উছৰ্গা কৰে। ইয়াক 'বুল মায়াম' পৰ্ব কোৱা হয়। পূজা সম্পন্ন হোৱাৰ পাছত উছৰ্গা কৰা মূৰ্গীবোৰ আৰৈ চাউলৰ সৈতে ৰন্ধা হয় আৰু 'চিউৰ ডাকা' হিচাপে উপস্থিত ৰাইজক পৰিবেশন কৰা হয়। মোৰেকো টুৰুইকো আৰু জাহেৰ এৰাৰ নামত উছৰ্গীত মূৰ্গী নাইকিৰ বাবে আছুটীয়াকৈ ৰন্ধা হয়। সেইদিনাই বা তাৰ পৰবৰ্তী দিনা প্ৰতিটো পৰিয়ালৰ মুৰব্বীয়ে আবগে বঙ্গা, মাৰাং বুড়ু আৰু প্ৰয়াত পুৰ্বপুৰুষৰৰ সন্মানাৰ্থে বলি দিয়ে। ইয়াৰ পাছত পৰিয়ালৰ সকলোৰে গাওঁৰ কুলহিৰ মাজেৰে নাচি-বাগী এই উৎসৱৰ পৰিসমাপ্তি ঘটায়। প্ৰচলিত বিশ্বাস অনুসৰি এই অনুষ্ঠান পালন নকৰা পৰ্যন্ত গাওঁৰ কোনো ব্যক্তিয়ে ধান সিঁচিব নোৱাৰে।

**হৌৰিয়াড়চিম ঃ**

শাওন (জুলাই-আগষ্ট) মাহত যেতিয়া কঠিয়াতলিত ধানৰ গঁজালি ওলায়, সেই সময়ত উদ্‌যাপন কৰা উৎসৱ হৈছে হৌৰিয়াড়চিম। এই উৎসৱত খেতি পথাৰত পৰ্যাপ্ত পৰিমাণৰ শস্যৰে নদন-বদন হোৱাৰ উদ্দেশ্যেৰে গাওঁৰ বঙ্গাৰ নামত বলি দি উছৰ্গা কৰা হয়। বলি উছৰ্গাৰ আগদিনা ৰাতি নাইকিয়ে শুদ্ধিকৰণৰ বাবে গা ধোৱে, উপবাসে থাকি মজিয়াত শোৱে আৰু সহবাসৰ পৰা বিৰত থাকে। পৰবৰ্তী দিনা গা ধোৱাৰ পাছত নাইকি, কুদুম নাইকি আৰু গদিতে গাওঁবাসীৰ সৈতে জাহেৰথানলৈ যায়। নাইকিয়ে কুলা এখনত সেন্দুৰ, আৰৈ চাউল, চাউলৰ গুড়ি আৰু কঠিয়া লৈ যায়। জাহেৰথানত মাৰাং বুড়ুং, মোৰেকো টুৰুইকো, জাহেৰ এৰা, গোসাঁই এৰা আৰু পৰগণা বঙ্গাৰ নামত মূৰ্গী বলি দিয়া হয় আৰু উপস্থিত সকলোকে হাঁণ্ডি পৰিবেশন কৰা হয়। বলি দিয়া মূৰ্গীসমূহ আৰৈ চাউলৰ সৈতে ৰান্ধি সমজুৱাৰ মাজত ভোগ হিচাপে পৰিবেশন কৰা হয়। বাহ্‌ৰে বঙ্গা আৰু সীমা বঙ্গাকো কুদুম নাইকিয়ে শ্ৰদ্ধাৰ্ঘ্য যাচে আৰু হাঁণ্ডি আগবঢ়ায়। তাৰে এভাগ বঙ্গাসকলৰ বাবে আছুতীয়াকৈ ৰখা হয়। ঘৰলৈ

উভতি অহাৰ পাছত নাইকিয়ে তেওঁৰ ঘৰত গোট খোৱা সকলোকে হাঁণ্ডি পৰিবেশন কৰে। এই পৰ্ব  অনুষ্ঠিত নকৰাকৈ কোনেও কঠিয়া তুলিব নোৱাৰে বুলি বিশ্বাস কৰা হয়।

**জাহ্ণাৰ বা অগাৰ হোড়ো নাৱাই ঃ**

সাধাৰণতে খেতিৰ প্ৰথম শস্য পৱিত্ৰ বুলি গণ্য কৰা হয় আৰু সেয়ে নাইকিৰ হতুৱাই গাওঁৰ ৰাইজে মিলি জাহেৰ বঙ্গালৈ পূজা এভাগ আগবঢ়াই বিধিগত নিয়ম পালন নকৰালৈকে এই নতুন শস্য গ্ৰহণ কৰা নহয়। উৎসৱৰ দিনা গা ধুই উঠি গাওঁবাসীয়ে খেতিপথাৰলৈ যায় আৰু এমুঠি শস্য কাটি আনে আৰু তেওঁলোকৰ 'ওড়াক বঙ্গা' (গৃহদেৱতা) লৈ শস্য মুঠি আগবঢ়াই পানী চতিয়াই প্ৰাৰ্থনা কৰে। এই আচাৰ প্ৰতিটো পৰিয়ালৰে পবিত্ৰ ভিতৌৰ অথবা গোহালীত অনুষ্ঠিত কৰা হয়।

**কাৰাম উৎসৱ ঃ**

চাওঁতাল সকলৰ কাৰাম কোনো বাৰ্ষিক উৎসৱৰ শাৰীত  নপৰে আৰু নিয়মীয়াকৈ উদযাপন কৰাও দেখা নাযায়। কাৰাম পূজা মুলতঃ দুই ধৰণৰ-জিবেত কাৰাম (জীয়াই থকাৰ বাবে কাৰাম) আৰু মৰা কাৰাম (মৃতজনৰ বাবে কাৰাম)। জিবেত কাৰাম পাঁচটা ভিন্ন উপলক্ষত পতা হয়। নতুন গাওঁবুঢ়াই  দায়িত্বভাৰ লোৱাৰ সময়ত তথা গাওঁৰ ল'ৰা-ছোৱালী বিয়াৰ বাবে উপযুক্ত হ'লে  বিয়াৰ  আগত, ওঝাবিদ্যা অনুশীলন আৰম্ভ কৰাৰ প্ৰাক্‌মুহূৰ্তত, এজন ছাত্ৰৰ শিক্ষা সমাপ্ত  হোৱাৰ পাছত তেওঁলোকৰ  কামৰ  আৰম্ভণি কৰাৰ সময়ত  আৰু  ৰোগৰ পৰা মুক্তি দিয়াৰ  বাবে ধন্যবাদ  যাঁচি কাৰাম পৰ্ব পতা হয়। জনম কাৰাম এজন ব্যক্তিৰ নিজা মাটিত কাৰাম গছৰ (চিকামৰলীয়া) অংকুৰণ হলে পালন কৰা হয়। কাৰাম পৰ্ব শাওণ  (জুলাইৰ মাজভাগৰ পৰা আগষ্টৰ মাজভাগলৈ) মাহত পালন কৰা হয়। কাৰাম গছৰ আলৌকিক শক্তিৰ ওপৰত থকা বিশ্বাসৰ ভিত্তিতে এই উৎসৱ পালন কৰা হয়। ঘৰ, শস্য আৰু  সতি-সন্ততিৰে নদন-বদন হোৱাৰ বাবে প্ৰাৰ্থনা জনাই কাৰাম গছক পূজা কৰা হয়। পূজাৰ আগদিনা জগমৌন্‌ঝিৰ নেতৃত্বত সূৰ্য্য অস্ত যোৱাৰ পাছতেই এই পৰ্ব আৰম্ভ হয়। জগমৌন্‌ঝিয়ে দুজন অবিবাহিত ল'ৰা আৰু তিনিগৰাকী ছোৱালীৰ সৈতে পূজাৰ বিভিন্ন সামগ্ৰী যেনে — কুলা, যুদ্ধৰ কুঠাৰ, সেন্দুৰ,

তেল, দূৰৰি বন, কপাহ, আৰৈ চাউল, গাখীৰ আৰু হৌণ্ডি আদি এখন কুলাতলৈ কাৰাম গছৰ ওচৰলৈ গৈ গছ জোপাৰ তলত চাকি জ্বলাই পূজা অৰ্চনা কৰি দুটা ঠেঙুনী থকা এটা ডাল বাচিলৈ প্ৰতিটোতে এৰাঁ সূতা মেৰিয়াই তেল লগাই তিনিটাকৈ সেন্দুৰৰ ফোট দি গাঁওলৈ উভতি আহে। পূজাৰ দিনা সকলোৱে নাচি-বাগি গৈ কাৰাম গছডালৰ ওচৰ পায় আৰু কাৰাম গছডাল সকলোৱে আগুৰি লয়। জগমৌন্‌ঝিয়ে চাকি এটা জলাই গছডালৰ চাৰিওফালে পানী চটিয়াই দিয়ে। তাৰ পাছত গছডালৰ চাৰিওফালে এখন হালধীয়া কাপোৰেৰে তিনিপাক মেৰিয়াই গাঠি দিয়ে। গাওঁৰ সকলোকে স্বাস্থ্যবান কৰি ৰখাৰ বাবে মিনতি কৰি মাৰাং বুড়ুৰ পৰা আশীৰ্বাদ বিচাৰি কেতবোৰ বিধি পালন কৰা হয়। এই ৰীতি শেষ হোৱাৰ পাছতেই সকলোয়ে গছডালৰ চাৰিওফালে বৃত্তাকাৰে ঘেৰি ধৰি গীত গাই গাই নাচিবলৈ লয়। তেওঁলোকে গছডালক কেন্দ্ৰ কৰি দুটা ঐককেন্দ্ৰীয় বৃত্ত তৈয়াৰ কৰি নাচে। ইয়াৰে ভিতৰৰ বৃত্তটোত মহিলা আৰু বাহিৰৰ বৃত্তটোত পুৰুষসকলে নাচে। ইয়াৰ পাছত অবিবাহিত ডেকা দুজনৰ সহযোগত কাৰাম গছৰ ডাল দুটাৰ পৰা এৰাঁ সূতা আতৰাই ডাল দুটা কটা হয় আৰু উক্ত ডেকা দুজনৰ হাতত সেই ডাল দুটা তুলি দিয়া হয়। ডাল কঢ়িওৱা ডেকা দুজনক সমুখত লৈ সকলোৱে 'ধুৰুমজাক' কৰি আগবাঢ়ে আৰু গাওঁৰ আখৰাঘৰ নোপোৱালৈকে এই নৃত্য-গীত অব্যাহত থাকে। তিনিগৰাকী অবিবাহিত ছোৱালীৰ লগত ডেকা দুজনে আখৰাৰ মাটিত ডাল দুটা পোতে। ছোৱালীকেইজনীয়ে আখৰা গৰুৰ গোবৰেৰে মচি শুদ্ধি কৰে। ডাল দুটা জগমৌন্‌ঝিয়ে পুনৰ এৰাঁ সূতাৰে মেৰিয়াই দিয়ে। তাৰ পাছত বিন্‌তিগুৰুৱে বিভিন্ন বিন্‌তি আওৱায়। এই বিন্‌তি শেষ হোৱাৰ পাছত গাওঁৰ আখৰা গৃহত 'ৰিঞ্জা' নৃত্য নচা হয়। কিছুমানে গাভৰুবোৰক উদ্দেশ্যি ঢোল বজায় আৰু একে সময়তে পুৰুষসকলে এটা পৃথকে বৃত্তাকাৰে নাচে। গাভৰুবিলাকে হাত চাপৰি বজাই সমৰ্থন দিয়ে, আনহাতে আদহীয়া আৰু ডেকাবোৰে কেতবোৰ দ্ৰুত আৰু সাৱলীল ছন্দত নাচে। গোটেই ৰাতি নৃত্য-গীত চলি থাকে। ৰাতি পুৱাবৰ সময়ত নৃত্য-গীত মন্থৰ হৈ যায় আৰু 'ভিনসাৰ' বা কাহিলি পুৱাৰ গীত গাবলৈ ধৰে। এসময়ত কাহিলি পুৱাৰ গীত শেষ হয় আৰু মহিলাসকল ঘৰলৈ উভতে। ইয়াৰ পাছতে পুৰুষৰ নৃত্যৰ তাল খৰ হৈ পৰে আৰু নৃত্য-গীতৰ অন্ত পৰে। এনেদৰে উৎসৱত ক্ষন্তেক সময়ৰ বাবে যতি পৰে যদিও সূৰ্য্য উদয় হোৱাৰ পাছতে উৎসৱৰ অন্তিম বিধি পালন কৰা হয়। গাওঁবাসীয়ে

ডালদুটাৰ ওচৰত একগোট হয়। পূৰ্বোক্ত ডেকা দুজনে মাটিৰ পৰা সেই ডালদুটা উভালি গাওঁবাসীৰ সৈতে ডালদুটা পানীত উটুৱাই দিয়ে। ডালদুটা ভাহি গৈ থকা সময়ত ডেকাবোৰে গীত গায় আৰু বিসৰ্জন দিয়া কাৰ্য সম্পূৰ্ণ হোৱাৰ পাছত ডেকাবোৰ উভতি আহে আৰু সকলো আখৰাত একগোট হয় আৰু সমবেতসকলে লাগ্ৰে নৃত্য-নাচে। তাৰ পাছতে এই উৎসৱৰ অন্ত পৰে। উৎসৱৰ সৈতে জড়িত হৈ থকা বিন্তিবোৰ ভিন্ন ভিন্ন প্ৰকৃতিৰ হয়। ইয়াৰে কেতবোৰ বিশ্বজগতৰ সৃষ্টি, কেতবোৰ যৌনতা আৰু ব্যাভিচাৰ আৰু কেতবোৰ কাৰামৰ উৎপত্তিৰ বিষয় লৈ ৰচিত। এই কাৰাম বিধি কেনেদৰে সৃষ্টি হ'ল সেইবিষয়ে বৰ্ণনা কৰা কেতবোৰ মনোগ্ৰাহী ধৰ্মোপদেশমূলক বাণীও এই বিন্তিসমূহত দেখা যায়।চাওঁতালসকলৰ জীৱনত নৃত্য-গীতৰ তাৎপৰ্য্য কিমান তাৰেই সাক্ষ্য এই কাৰাম পূজাই বহন কৰে।

লোকবিশ্বাস অনুসৰি ধাৰ্মু আৰু কাৰ্মু নামে দুজন ভাই-ককাই আছিল। ধাৰ্মু আছিল ডাঙৰ। দুয়োজনেই স্থানীয় জমিদাৰ এজনৰ তলত কাম কৰিছিল যিজনে তেওঁলোকক গৰখীয়া হিচাপে ৰাখিছিল। তেওঁলোকে প্ৰতিদিনে গৰু আৰু ছাগলীবোৰক চৰাবলৈ লৈ গৈছিল। দুয়োজনে নৃত্য কৰি খুব ভাল পাইছিল আৰু প্ৰায়ে গৰু-ছাগলীৰ জাকটোক অৱহেলা কৰি নিজে ৰোৱা কাৰাম গছৰ ডাল এটাৰ চাৰিও ফালে নৃত্য কৰি থাকিছিল। সেয়ে গৰু-ছাগলীৰ জাকটো চৰাবলৈ তেওঁলোকৰ সময়ৰ নাটনি হৈছিল। আনহাতে গৰু-ছাগলীৰ জাকটোৱে ভাই-ককাইহালৰ নৃত্য চাই ভাল আমোদ পাইছিল আৰু গোটেই দিনটো নৃত্য চায়েই কটাইছিল। ফলত দিনে দিনে গৰু-ছাগলীৰ জাকটো শুকাই-ক্ষীণাই ৰুগীয়া হৈ পৰিছিল। জমিদাৰ জনে এই কথাটো শুনিবলৈ পাই খঙৰ ভমকত গৈ তেওঁলোকে ৰোৱা কাৰাম গছৰ ডালটো উভালি নদীত পেলাই দিয়ে। কাৰাম গোসাঁই (কাৰাম গছডালত থকা বঙ্গা) বিতুষ্ট হৈ জমীদাৰক পূৰ্বতে দিয়া সকলো প্ৰাচুৰ্য্য কাঢ়ি লৈ যায়। নিজৰ সকলো সা-সম্পত্তি, গৰু-ছাগলী হেৰুওৱাৰ পাছত জমিদাৰ গৰাকী দুখীয়া হৈ পৰে।

এদিনাখন, কাৰাম বঙ্গা জমিদাৰজনৰ সপোনত আহি কয় যে তেওঁ গছৰ ডালটো দলিয়াই পেলাই গোসাঁইক অপমান কৰিছে। এই কথা জানিবলৈ পাই জমিদাৰজনে ভাই-ককাই দুজনক গোসাঁইৰ আগত নৃত্য কৰি গীত গাই সন্তুষ্ট কৰাৰ বাবে অনুৰোধ কৰে। তেওঁলোকে তেনেদৰে গোসাঁইক সন্তুষ্ট কৰাত জমিদাৰজনৰ বিষয়ে বিধান দিয়ে যে গাওঁৰ

আখৰাত প্ৰত্যেক বছৰে দুডাল কাৰামৰ ডাল পুতি তাৰ চাৰিওফালে গোটেই নিশা নৃত্য কৰি কাৰাম গোসাঁইৰ উপাসনা কৰিলে পূৰ্বৰ প্ৰাচুৰ্য্য ঘুৰাই পাব। ভাই-ককাই দুয়োয়ে জমিদাৰৰ ঘৰলৈ আহি গোসাঁই কোৱাৰ দৰে কৰিবলৈ কয়।[৬] এনেদৰে কাৰাম পূজাৰ আৰম্ভণি হয়।

মৰা কাৰাম যিকোনো তিনিটা কাৰণ উপলক্ষে উদ্‌যাপন কৰা হয়- (ক) যদি মৃতক কাৰাম গুৰু আছিল, (খ) যদি তেওঁৰ চোতালত বা তেওঁৰ শেষকৃত্য কৰা স্থানত কাৰামৰ গুটিৰ পৰা গঁজালি মেলিছে আৰু (গ) তেওঁ যদি নিজৰ বিভূতি-বৈভৱৰ বাবে জনাজাত আছিল। এই কাৰাম পূজাৰো নিয়ম-নীতি প্ৰায় একেই, মাত্ৰ ইয়াত কাৰ্মু-ধাৰ্মুৰ প্ৰবাদৰ সৈতে সম্পৰ্ক নাই। শেষকৃত্য সম্পন্ন কৰা স্থানত কাৰাম গছে গজালি মেলিলে গাওঁবাসীয়ে কাৰাম গুৰুৰ সৈতে শেষকৃত্য সম্পন্ন হোৱা স্থানলৈ গৈ উক্ত কাৰাম গছৰ পুলিটো উভালি আনি গাওঁৰ সোমাজত পুতি সমবেত সকলোৰে সম্মুখত কাৰাম গুৰুৱে মৰা কাৰামৰ বাণী শুনায়। পোনতে চাওঁতাল সকলৰ পূৰ্ব বাসস্থানৰ মৌখিক ইতিহাস বিন্‌তি আকাৰে বাখ্যা কৰে। তাৰ পাছত সেই মৃত ব্যক্তিজনে কেনেদৰে মৃত্যুৰ মুখত পৰিছিল সেয়া বাখ্যা কৰা হয়। সদৌ শেষত তেওঁ মৰা কাৰাম পালনৰ তাৎপৰ্য বাখ্যা কৰে।[৭] এই ধৰ্মোপদেশ শেষ হোৱাৰ পাছত সমবেত সকলোৱে বৃত্তাকাৰে নৃত্য-গীত কৰি ৰাতিপুৱা মৃতকলৈ তেল, পানী আৰু গাখীৰ আগবঢ়ায় আৰু উক্ত স্থানৰ পৰা কাৰাম গছৰ পুলিটো উভালি শোকাৰ্ত পৰিয়ালক অৰ্পণ কৰে। উক্ত পৰিয়ালে যদি সেইয়া ৰোপণ কৰে আৰু যদি গছডাল জীয়াই থাকে তেন্তে সেই পৰিয়ালৰ কোনো সদস্যৰ বিবাহ উদযাপন কৰাৰ আগত মৌন্‌ঝি কাৰাম অনুষ্ঠিত কৰিব লাগে। এই কাৰামত এটা ক'লা ছাগলী বলি দিয়া হয় আৰু নতুনকৈ গজালি মেলা গছ ডালৰ এটা ঠেঙুলি কাটি আনি পানীত উটুৱাই দিয়া হয়। যদি পৰিয়ালটোৱে উক্ত গছ ডাল ৰোপণ কৰিব নিবিচাৰে তেন্তে এখন দলঙৰ ওপৰৰ পৰা সেই গছডাল তলৰ পানীত পেলাই দিয়া হয়। তাৰ পাছত সমবেত সকলোৱে গাওঁলৈ উভতি আহি হাঁণ্ডি পান কৰি ৰিঞ্জা নৃত্য কৰি এই উৎসৱৰ সামৰণি পেলায়।

### দাঁশাই উৎসৱ ঃ

আহিণ মাহ (ইংৰাজী কেলেণ্ডাৰ অনুযায়ী ছেপ্তেম্বৰৰ মাজভাগৰ পৰা অক্টোবৰৰ মাজভাগলৈ)ত চাওঁতালসকলে পালন কৰা আন এটা উৎসৱ হৈছে দাঁশাই। এই উৎসৱটোত

কেতবোৰ বিশেষ ৰীতি-নীতি আৰু এক বিশেষ ধৰণৰ নৃত্য জড়িত থাকে যাক ‘বুয়াং এনেঞ’ বুলি কোৱা হয়। এই বুয়াং ৰঙালাউৰ খোলৰ দ্বাৰা নির্মিত। ‘দাঁশাই দাড়ান’ৰ সময়ত বুয়াং এনেঞ প্রচলনক লৈ এটা প্রবাদ আছে। বহুবছৰৰ আগতে যেতিয়া চাওঁতালসকলে একলগ হৈ এটা অঞ্চলত বাস কৰিছিল তেতিয়া এগৰাকী মুছলমান সম্রাট চাওঁতাল ছোৱালীৰ প্ৰতি আগ্ৰহী হৈ পৰিছিল। পানীৰ নাটনিৰ সময়ত ছোৱালীবোৰে বহু দূৰত থকা নদীৰ পৰা পানী আনিবলৈ যাবলগা হৈছিল। এদিনাখন যেতিয়া আইণু আৰু কাজল নামৰ ছোৱালী দুজনীয়ে পানী আনিবৰ বাবে দূৰৈৰ নদীলৈ যায়, সম্রাট আৰু তেওঁৰ সহযোগীসকলে ছোৱালী দুজনীৰ ওপৰত আতিশায্য চলাই তেওঁলোকক অপহৰণ কৰি লৈ যায়। বহুদেৰি হোৱাৰ পিছতো যেতিয়া ছোৱালী দুজনী ঘূৰি নাহিল, দিবি আৰু দূৰ্গা নামৰ ল’ৰা দুজনে তেওঁলোকক বিচাৰি ওলাই যায়। কিন্তু সেই আতিশায্য চলোৱাকেইজনৰ অপৰাধৰ বাবে আকাশৰ পৰা অগ্নিবৃষ্টি হোৱাৰ ফলত ল’ৰা দুজনে দিক-বিদিক হেৰুৱাই নিৰুদ্দেশ হয়। তেতিয়া গাওঁবাসী একগোট হয় আৰু নিৰুদ্দেশ হোৱাকেইজনক বিচাৰি উলিওৱা আৰু সেই লোককেইজনক শাস্তি দিয়াৰ পণ লয়। তেওঁলোকে বাঁহ আৰু ৰঙালাউৰ খোলেৰে ধেনুৰ দৰে অস্ত্ৰ তৈয়াৰ কৰে যি দেখিবলৈ ধেনু যেন নালাগে আৰু তাৰ কাঁড়বোৰ ৰঙালাউৰ খোলৰ ভিতৰত লুকাই লয়। আকৌ তেওঁলোকক বিচাৰি ওলাই যোৱা ডেকাকেইজনে মহিলাৰ ছদ্মবেশ ধাৰণ কৰি লয়। এনেদৰেই সেই ল’ৰা-ছোৱালী দুহালৰ সন্ধানৰ প্ৰতীক স্বৰূপেই বুয়াং নিৰ্মাণ কৰা পৰম্পৰা চলি আহিছে।[৮] সেয়ে এই উৎসৱত পুৰুষে শাৰী আৰু কালগা (মূৰত পিন্ধা ময়ুৰৰ পাখিযুক্ত টুপি) পিন্ধি লয়। কেতিয়াবা তেওঁলোকে নিজকে চৰাই আৰু জন্তুৰ বেশো ধাৰণ কৰে।

দাঁশাই উৎসৱ সাধাৰণতে হিন্দুসকলে পালন কৰা দূৰ্গা পূজাৰ সময়ত অনুস্থিত হয়। দূৰ্গা পূজাৰ বেলবৰণৰ এদিন পূৰ্বে আৰম্ভ হোৱা ওঝা বেলবৰণৰ দিনা ওঝা আৰু তেওঁৰ ‘চেলা’ অৰ্থাৎ শিষ্যসকলে গাওঁৰ পৰা নিলগত কোনো ডাঠ হাবিৰ সমীপবৰ্তি স্থানত একগোট হয়। সেইদিনা তেওঁলোক উপবাসে থাকে। তেওঁলোকে লগত পূজাৰ সামগ্ৰী হিচাপে — সেন্দুৰ, কাজল, আৰৈ চাউল, পিঠাগুড়ি, খাদ্য বনোৱা পাত্ৰ, জুই, ময়ুৰৰ পাখি আৰু উছৰ্গা কৰাৰ বাবে সৰু মূৰ্গী লৈ যায়। ডাঠ হাবিত এডাল ডাঙৰ গছৰ তলত মাটিৰে এটা ডাঙৰ

বেদী প্ৰস্তুত  কৰি গোবৰ পানীৰে মচি তাৰ ওপৰত কেইমুঠিমান চাউল ৰখা হয় আৰু প্ৰতিমুঠি  চাউলত বঙ্গা  আৰু গুৰুৰ নামত পাঁচটাকৈ সেন্দুৰৰ ফোট আৰু কাজলৰ ফোট লগাই দিয়ে। শিষ্য সকল শাৰী পাতি বহে আৰু গুৰুই উছৰ্গা কৰাৰ বাবে অনা মূৰ্গীসমূহক বেদী ওপৰত থকা চাউল খাবলৈ দি এটা এটাকৈ বলি দিয়ে। বলি দিয়াৰ সময়ত ওঝাই বেদীৰ সন্মুখত এনেদৰে স্তুতি কৰে। যথা —

"জোহাৰ ট'বৈ, কামৰু গুৰু,
টাহেন দ'লে বেলবৰণক' কানা ঃ
ওনা এঃতুমতেল এমাপে কানা।
দিসমলে, দাড়ানা এঃন্দা এঃতা
টাটকা বিড়কি আলো হয়ক' মা;
চালাওখান, আলো লাগাও বাজুওৱালে মা;
আপে দোহায়টে দিসমলে ভাড়া আগুই মা।
হড়কো অকালে জাএঃগে অকালে টাহেনপে।"[৯]

**অৰ্থ ঃ** হে কামৰূ গুৰু  তোমাক  স্বাগতম জনাইছো। আজি আমি বেলবৰণ অনুষ্ঠিত কৰিছো। আমি দেশৰ বেলবৰণৰ সৈতে সংগতি ৰাখি এই বেলবৰণ অনুষ্ঠিত কৰিছো আৰু এই বেলবৰণৰ নামত এইবোৰ তোমাক  উছৰ্গা কৰিছো। আমি ৰাতি অন্ধকাৰত এই দেশত ঘূৰি ফুৰিম। ভয় পাব লগা যাতে একোৰে সন্মুখীন নহও। যদি কোনোবাই আমাৰ ওপৰত ক'লা  যাদু কৰে তাৰ যাতে কোনো প্ৰভাব আমাৰ ওপৰত নপৰে। তোমাৰ আশীৰ্বাদত যাতে আমি দেশ ভ্ৰমি সুকলমে  ঘূৰি আহিব পাৰো। তুমি আমাৰ  ওপৰত কৰুণা ৰাখিবা আৰু আমাক নিৰাপত্তা প্ৰদান কৰিবা।

তাৰ পাছত শিষ্যসকলে লগত লৈ যোৱা ময়ুৰৰ পাখিবোৰত সেন্দুৰৰ ফোট লগায়। এই ময়ুৰৰ পাখিবোৰ তেওঁলোকে 'দাঁশাই দাড়াণ' (দাঁশাই উপলক্ষে ভিক্ষা মাগিবলৈ যোৱা)ৰ সময়ত লগত লৈ যায়। তাৰ পাছত  বিধিমতে পূজা-পাঠ কৰি ওঝা আৰু চেলা সকলোৱে 'ৰানজাগাও' অৰ্থাৎ বনৌষধিৰ আশীষ বিচৰা পৰ্বৰ বাবে সাজু হয়। চেলাসকলে হাতত এখন খন্তা আৰু ওঝাই এটা 'ফুৰুক' (গছৰ পাতেৰে বনোৱা বাটি) ত পানীৰে মিহলী আৰৈ চাউলৰ

গুড়ি লৈ ঘন হাবিলৈ যায়। লোকবিশ্বাস অনুসৰি কোনো বনৌষধি গছ বিচাৰি পালে ওঝাই ফুৰুকৰ পৰা চাউলৰ গুড়িৰ মিশ্ৰনটো গছৰ গুৰিত ছতিয়াই দি সেইয়া কি ৰোগৰ ঔষধ চেলা সকলৰ আগত বিশ্লেষণ কৰে আৰু চেলা সকলে সেই গছৰ শিপা বা ছাল খন্তাখনৰে কাটি সংগ্ৰহ কৰে। আৰেলি পৰত সকলোৱে ঘৰলৈ ঘূৰি আহে আৰু ওঝাই চেলাসমূহে সংগ্ৰহ কৰা বনৌষধি গছৰ শিপা সমূহ বা ছাল সমূহ পানী আৰু আৰৈ চাউলৰ গুড়িৰে মিহলাই এটা মিশ্ৰণ তৈয়াৰ কৰে। তাৰ পাছত উক্ত মিশ্ৰণটো ছটিয়াই ওঝাৰ চোতালৰ পৰা দাঁশাই দাড়ান পৰ্বৰ শুভাৰম্ভণী ঘটায়। দাঁশাই দাড়ানৰ বাবে গাওঁৰ পথেৰে অগ্ৰসৰ হোৱাৰ সময়ত চেলাসবে এইদৰে গায় —

"জাগাও গুৰু হো,
জাগাও চেলা,
আথাৰো গণ্ডা মনতাৰ জাগাও;
যোল গণ্ডা বিৰু, জাগাও জাগাও হো,
ঠাকিন ঠাকৰান; জাগাও জাগাও হো,
সাৰা দেশ জাগাও"[১০]

**অৰ্থ ঃ** জাগা গুৰু হে, জাগা শিষ্য, বাসত্তৰ ধৰণৰ মন্ত্ৰ জাগা। চৌষষ্ঠি প্ৰকাৰ গছৰ শিপা জাগা; হে ঠাকুৰ ঠাকুৰানী জাগা; জাগা সমস্ত দেশ।

ওঝাগৃহৰ পৰা পোনতে তেওঁলোকে মৌন্‌ঝিৰ ঘৰৰ চোতালত দাঁশাই সংগীত পৰিবেশন কৰি দাঁশাই নৃত্য প্ৰদৰ্শন কৰে। ওঝাই দাড়ানৰ বাবে বাহিৰ হোৱাৰ আগতে প্ৰস্তুত কৰা উল্লিখিত মিশ্ৰণটো গৃহস্থৰ ঘৰৰ দৰ্জাৰ গুৰিত ছতিয়াই দিয়ে। দাঁশাই দাড়ান নৃত্যৰ শেষত ঘৰৰ গৃহিণীয়ে সাধ্যানুসাৰে চাউল, মাকৈ, টকা ইত্যাদি প্ৰদান কৰে। এইদৰে গাওঁৰ চাওঁতাল তথা অনাচাওঁতাল সকলো লোকৰ গৃহত নৃত্য-গীত পৰিবেশন কৰাৰ অন্তত প্ৰথম দিনৰ সামৰণি পৰে। তাৰ পাছৰ দিনা ৰাতিপুৱা পুনৰ গুৰুগৃহত সমবেত হৈ ৰীতি অনুযায়ী কাপোৰ পৰিধান কৰি আন আন গাওঁত 'দাঁশাই দাড়ান'ৰ বাবে প্ৰস্থান কৰে। এনেদৰে তিনিদিন বিভিন্ন গাওঁত নৃত্য-গীত আদিৰে আনন্দ কৰি খুজি-মাগি দুৰ্গা বিসৰ্জনৰ দিনা ওঝা সহিত চেলা সকলে দুৰ্গা পূজা অনুষ্ঠিত হোৱা মণ্ডপলৈ যায় আৰু বাদ্য যন্ত্ৰ

সহিতে গীত গাই নৃত্য আৰম্ভ কৰে। তেওঁলোকৰ মাজত এজন এজনকৈ বিভিন্ন বঙ্গাই লম্ভে আৰু সেই বঙ্গা অনুসৰি বিভিন্ন ক্ৰিয়া পৰিৱেশন কৰে। উল্লিখিত সকলোবোৰৰ অন্তত তেওঁলোক পুনৰ গুৰু গৃহলৈ উভতি আহি পুনৰাই নৃত্য-গীত কৰি নিজ নিজ গৃহলৈ উভতি যায়।

এই মূল অনুস্থান শেষ হোৱাৰ পাছতো প্ৰতি সন্ধিয়া চেলাসকল ওঝা গৃহলৈ আহে সংগ্ৰহিত ধান-চাউলবোৰ জাৰি পৰিস্কাৰ কৰাৰ বাবে। এনেদৰে পৰিস্কাৰ কৰা ধান, চাউল, মাকৈ আদি ভালদৰে শুকুৱাৰ পাছত সেইবোৰ বিক্ৰী কৰি এটি খাহি ছাগলী অথবা খাহি গাহৰী ক্ৰয় কৰা হয় আৰু সেই খাহি ছাগলী বা গাহৰিটো মাৰি গাওঁৰ প্ৰতিঘৰ মানুহৰ বাবে সমান পৰিমাণৰ মাংসৰ টোপোলা বান্ধি প্ৰেৰণ কৰে।

চাওঁতালসকলৰ উৎসৱ-পাৰ্বণত পালন কৰা ৰীতি-নীতিৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথা যে প্ৰতিটো উৎসৱ বা পৰ্বই চাওঁতাল লোকসকলক প্ৰচুৰ আনন্দ আৰু সন্তুষ্টি দিয়ে। চাওঁতালসকল নীতি-নিয়মৰ মাজত জীৱন নিৰ্বাহ কৰা লোক। যদি প্ৰত্যাশিত ফলাফল লাভ কৰিব পৰা নাই, তেন্তে তাৰ অন্তৰালত কোনো অপশক্তিৰ প্ৰভাৱ থকা বুলি বা বিধিসমূহ যথোচিত ভাৱে পালন কৰা হোৱা নাই বুলি তেওঁলোকে বিশ্বাস কৰে। সেয়ে এটা নিৰ্দিষ্ট বিধি পালন কৰাৰ সময়ত স্থান, কাল, পাত্ৰ আৰু নিৰ্দেশাৱলীসমূহক লৈ তেওঁলোকে যথেষ্ট সাৱধানতা অৱলম্বন কৰে। তদুপৰি বিভিন্ন বিধি-বিধান আৰু উৎসৱ আদিয়ে চাওঁতালসকলৰ মনত ধৰ্মীয় চেতনা জাগ্ৰত কৰি ৰখাৰ লগতে চাওঁতালসকলক তেওঁলোকৰ দৈনন্দিন জীৱনৰ দুখ-কষ্ট পাহৰাই এক চাপমুক্ত জীৱন কটোৱাতো লক্ষণীয়ভাৱে সহায় কৰে। একেদৰে সামুহিক জীৱনৰ বান্ধোনো এই উৎসৱ-পাৰ্বণ সমূহে সৱল ৰূপত প্ৰতিষ্ঠা কৰে বুলি ক'ব পাৰি।

## সংস্কাৰমূলক অনুষ্ঠানৰ সৈতে জড়িত লোকাচাৰ আৰু লোকবিশ্বাস ঃ

চাওঁতালসকলৰ জীৱন পৰিক্ৰমা ভালেমান ৰীতি-নীতি আৰু আচাৰ-অনুষ্ঠানৰ সৈতে ওতপ্ৰোতঃ ভাৱে জড়িত হৈ থাকে। এই ৰীতি-নীতিসমূহ উপকাৰী বঙ্গা আৰু অপকাৰি বঙ্গা প্ৰতি থকা লোকবিশ্বাসৰ সৈতে সম্পৰ্কিত। জীৱনৰ বিভিন্ন পৰ্যায়ত চাওঁতালসকলৰ পৰিয়ালৰ

জীৱনৰ নিৰাপত্তা, কুশল কামনাৰ্থে আৰু প্ৰাচুৰ্য্যতাৰ বাবে মংগলকাৰী বঙ্গাসকলৰ সক্ৰিয় সহায় সহযোগিতা নিশ্চিত কৰাৰ বাবে আৰু অপকাৰী-বঙ্গাৰ কু-দৃষ্টিৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে চাওঁতাল জীৱনৰ বিভিন্ন পৰ্যায়ত বিভিন্ন আচাৰ-অনুষ্ঠান পালন কৰা হয়। এজন চাওঁতালৰ জীৱনচক্ৰত চাৰিটা প্ৰমুখ পৰ্যায় দেখা যায়। সেই চাৰিটা পৰ্যায় হৈছে — জন্ম (জনম চৗতিয়াঁৰ অথবা নিম ডা মাণ্ডি), দীক্ষা (চাচো চৗতিয়াঁৰ), বিবাহ (বাপলা) আৰু মৃত্যু (মৰণ)।

গৰ্ভস্থ হোৱাৰ পৰা সন্তান জন্ম হেৰা, জন্মৰ পৰা দীক্ষা, দীক্ষাৰ পৰা বিবাহ, বিবাহৰ পৰা মৃত্যুলৈকে ব্যক্তি জীৱনৰ বিভিন্ন পৰ্যায়ত বিভিন্ন সংকট আহিব পাৰে। উক্ত সংকট সমূহ দূৰ কৰি নিজৰ লগতে পৰিয়ালৰ আন আন সদস্য সমূহক যাতে নিৰাপদ কৰি ৰাখিব পাৰে তাৰ কাৰণে চাওঁতাল সমাজে বিভিন্ন লোকাচাৰ পালন কৰে। তলত জন্ম, দীক্ষা, বিবাহ আৰু মৃত্যুৰ লগত জড়িত বিভিন্ন লোকাচাৰ সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

**জনম চৗতিয়াঁৰ (জন্ম) ঃ**

চাওঁতালসকলৰ বাবে শিশুৰ জন্ম এক গুৰুত্বপূৰ্ণ বিষয়। শিশুৰ জন্মৰ লগে লগে পৰিয়ালবৰ্গই এলানি নতুন অধিকাৰ আৰু কৰ্ত্তব্য মূৰ পাতি লয়। শিশুটি হৈ পৰে পৰিয়ালৰ সম্পত্তিৰ নতুন দাবীদাৰ।[১১] শিশুৰ জন্মৰ সময়ত পৰিয়ালৰ লগতে সমগ্ৰ গাওঁখনকে অশুচি হোৱা বুলি বিবেচনা কৰা হয়। সেয়েহে শিশুৰ জন্মৰ পাছতে জনম চৗতিয়াঁৰ নামৰ এক শুদ্ধিকৰণ পৰ্ব অনুষ্ঠিত কৰা হয়। অৱশ্যে এই অনুষ্ঠানত কোনো বলি-বিধান দিয়া নহয় অথবা কোনো ধৰ্মীয় অনুষ্ঠান পতা নহয়। 'জনম' শব্দৰ অৰ্থ হৈছে জন্ম আৰু 'চৌতিয়াঁ'ৰ শব্দটো আহিছে হিন্দী শব্দ 'চুট'ৰ পৰা যাৰ অৰ্থ হৈছে কলুষিত কৰা। [১২] এই অনুষ্ঠান নপতালৈকে, পৰিয়ালৰ কোনো লোকৰ সৈতে গাওঁৰ কোনো ব্যক্তিয়ে খোৱা-বোৱা নকৰে, আনকি পানী এটুপিও মুখত নিদিয়ে। পৰিয়ালবৰ্গ তথা আত্মীয়-কুটুমৰ লগতে গাওঁৰ সকলোৱেই অংশ গ্ৰহণ কৰা এই শুদ্ধিকৰণৰ অনুষ্ঠান ল'ৰা সন্তান জন্মৰ পাঁচ দিনৰ পাছত আৰু কন্যা সন্তান জন্মৰ তিনিদিন পাছত পতা হয়। শুদ্ধিকৰণ অনুষ্ঠানতে, শিশুটোৰ নামকৰণ কৰা হয়।[১৩] নামকৰণ হৈছে জনম চৗতিয়াঁৰ অনুষ্ঠানৰ এক তাৎপৰ্যপূৰ্ণ অংশ। কিয়নো শিশুটিক নাম দিয়াৰ লগে লগে পিতৃয়ে

শিশুটিক নিজৰ বুলি স্বীকৃতি প্ৰদান কৰে আৰু শিশুটিয়ে গাওঁখনত আৰু আত্মীয়-স্বজনৰ মাজত এক নিৰ্দিষ্ট স্থান লাভ কৰে।

উত্তৰাধিকাৰী নোপোৱাৰ ভয় প্ৰতিটো চাওঁতাল পৰিয়ালতে থাকে। সন্তান নোহোৱাৰ বাবে এজন পুৰুষে তেওঁৰ পত্নীক ত্যাগ কৰিব পাৰে, তেনেদৰে পত্নীয়েও স্বামীক ত্যাগ কৰিব পাৰে। আকৌ পূৰ্বৰ পত্নীৰ সন্মতিমৰ্মে তেওঁ দ্বিতীয় এগৰাকীও বিয়া কৰিব পাৰে। সন্তান লাভ কৰাত অসমৰ্থ হোৱা দম্পতিয়ে 'ৰাৰাণিক' অৰ্থাৎ দৰৱ দিওতাৰ সৈতে পৰামৰ্শ কৰিবও পাৰে। সেই প্ৰক্ৰিয়া যদি অসফল হয়, তেতিয়া বিকল্প হিচাপে বঙ্গাৰ সহায় লোৱা দেখা যায়। বঙ্গা ব্যৱস্থাত মহিলাগৰাকীয়ে ওঝাৰ কাষ চাপে আৰু ওঝাই অনুসন্ধান কৰি কোন বঙ্গাই অৱৰোধৰ সৃষ্টি কৰিছে সেইটো অনুসন্ধান কৰে। সেই কথাটো প্ৰমাণ হলে দায়ী বঙ্গাৰ নামত এটা মূৰ্গী বলি দিয়ে। চাওঁতালসকলে বিশ্বাস কৰে যে মাতৃগৰ্ভত থকা সময়ছোৱাত আৰু জন্মৰ সময়ছোৱাত শিশুৰ প্ৰতি অপকাৰী বঙ্গাৰ কু-প্ৰভাৱ অতি কাৰ্যকৰী হৈ থাকে। আৰু সেইহেতুকে মাতৃয়ে তেওঁৰ গৰ্ভৰ সুৰক্ষাৰ বাবে বিভিন্ন সাৱধানতা অৱলম্বন কৰিব লাগে। চাওঁতালসকলে বিশ্বাস কৰে যে সকলো সাৱধানতা অৱলম্বন কৰি চলিলে শিশুটিৰ জন্ম সুকলমে হৈ যায়। শিশুৰ জন্মৰ পাছত নাড়ী লোৰে তৈয়াৰী এডাল চোকা শৰেৰে ধাত্ৰীৰ দ্বাৰা কটা হয়। সন্তান প্ৰসৱৰ সময়ত গাওঁৰ বুঢ়া-মেথা সকলো গোট খায় যদিও কোনো পুৰুষকে উক্ত স্থানত উপস্থিত থাকিবলৈ দিয়া নহয়। সন্তান জন্ম হোৱা গৃহৰ মূল দৰ্জাৰ তলতে গৰ্ভফুলপুতি থোৱা হয়। চাওঁতালসকলে বিশ্বাস কৰে যে এই গৰ্ভফুল পুতি নথৈ পেলাই দিলে কুকুৰ বা আন জন্তুয়ে যদি ভক্ষণ কৰে, তেন্তে মাতৃগৰাকী বেমাৰত ভুগিবলগা হ'ব পাৰে। অৱশিষ্টখিনি গভীৰকৈ পুতিলে পৰৱৰ্তী শিশুটিৰ জন্ম বিলম্বিত হ'ব আৰু অগভীৰকৈ পুতিলে পৰৱৰ্তী শিশু সোনকালেই জন্ম পাব বুলি বিশ্বাস কৰে। সন্তান জন্ম হোৱাৰ লগে লগে উক্ত স্থানত উপস্থিত থকা মহিলাসকলে সন্তানৰ পিতৃক অৱগত কৰে। খবৰ পোৱাৰ পিছমূহুৰ্ততে পিতৃয়ে এডাল ডাঙৰ মাৰিৰে ঘৰৰ চালত কোবায় যাতে অশুভ শক্তিবোৰ আঁতৰি যায়।

চাওঁতাল সমাজত জন্মৰ দিনাই 'মেত হালাম' নামৰ এক অনুষ্ঠান পতা হয়। মাতৃ আৰু ধাত্ৰী দুয়োগৰাকীয়েই মুখামুখিকৈ মজিয়াত বহে। মাকে কঠাল বা শাল গছৰ পাতৰ পিয়লা এটাত হাঁণ্ডি ভৰাই ধাত্ৰীগৰাকীলৈ আগবঢ়ায় তেওঁ সেই পিয়লাতো বাওঁ হাতেৰে গ্ৰহণ কৰি

মাটিত পেলাই দিয়ে। এই প্ৰক্ৰিয়া তিনিবাৰকৈ পুনৰাবৃত্তি কৰা হয়। জনবিশ্বাস মতে এনে কৰাৰ ফলত শিশু আৰু মাতৃ দুয়ো আসন্ন বিপদৰ পৰা মুক্ত হয়। মৃত সন্তান প্ৰসৱ কৰিলে নৱজাতকৰ মৃতদেহ সৎকাৰ কৰাৰ বিপৰীতে গৰুৰ জাক অহা যোৱাৰ কৰাৰ পথত সমাধিস্থ কৰা হয়। আনহাতে গৰ্ভৱস্থাৰ কালছোৱাত অথবা শিশুৰ জন্মৰ সময়ত যদি মাতৃৰ মৃত্যু ঘটে তেতিয়া বিশ্বাস অনুযায়ী তেওঁৰ আত্মা ভূতলৈ পৰিবৰ্তিত হয়। সেয়ে ভৰিৰ তলুৱাত গজাল মাৰি দকৈ গাত খান্দি এনে মৃতব্যক্তিক পুতি থয়। লোকবিশ্বাস অনুসৰি এনেধৰণৰ ব্যৱস্থাৰ ফলত মৃত ব্যক্তি জন 'চুৰিণ' অৰ্থাৎ ভূতলৈ ৰূপান্তৰিত হ'ব নোৱাৰে।

কেতিয়াবা আকৌ কেতবোৰ বিশেষ পৰিস্থিতিত জন্মৰ পৰা পাঁচ বা তিনিদিনত পাতিব লগা এই নিয়ম কঠোৰ ভাৱে নামানি স্থগিত ৰখাও দেখা যায়। যদিহে উক্ত দিনত কিবা উৎসৱ আহি পৰে, যদি কোনো আত্মীয়ৰ বিয়া অথবা পূৰ্ণিমা বা অমাৱশ্যা হয় তেনে অৱস্থাত উল্লিখিত অনুষ্ঠান স্থগিত ৰখা হয়।

জনম চৌতিয়ৌৰ অনুষ্ঠানৰ বাবে সমগ্ৰ গাওঁবাসী তথা আত্মীয়জনক আমন্ত্ৰণ জনোৱা হয়। সেই নিৰ্ধাৰিত দিনত তেওঁলোক উপহাৰৰ সৈতে নৱজাতকৰ ঘৰৰ উপস্থিত হয়। সমাগত পুৰুষসকলে নাপিতৰ হতুৱাই দাড়ি কাটে। এই কাম আৰম্ভ হয় নাইকিৰ পৰা আৰু পিতৃয়ে শেষত দাড়ি কটায়। ধাত্ৰীগৰাকীয়ে চোতাললৈ নৱজাতকক উলিয়াই আনে য'ত নাপিতজনে শিশুটিৰ চুলি কাটি পাতৰ পিয়লা এটাত ৰাখে, তাৰ সৈতে তেল, হালধী মিহলি কৰি ধাত্ৰীগৰাকীয়ে শিশুটিৰ মূৰত ঘহি দিয়ে। তাৰ পাছত সমৱেত পুৰুষসকলে ওচৰৰ নদী, জান-জুৰি অথবা পুখুৰীলৈ গৈ গা ধোৱে। তাৰ পাছত পুৰুষসকলৰ অনুপস্থিতিত নাড়ী কাটিবলৈ ব্যৱহাৰ কৰা কাঁড় ডাল দুডাল এৰাঁ সূতাৰে বন্ধা হয় আৰু এটা টোপোলাত শিশুটিৰ চুলি খিনি বন্ধা হয়। পুৰুষসকল উভতি অহাৰ পাছত, শিশুটিক লৈ থকা ধাত্ৰীগৰাকীৰ সৈতে মহিলাসকল তথা নৱজাতকৰ মাতৃ গা ধুবলৈ যায়। উক্ত স্থান পোৱাৰ পাছত, কাঁড় ডালত মেৰিয়াই থোৱা এডাল এৰাঁ সূতা আঁতৰাই সেই ডালেৰে চুলিৰ টোপোলাটো বান্ধি মাৰাং বুডু আৰু পিতৃৰ ফালৰ পূৰ্বপুৰুষৰ বঙ্গাবোৰক আহ্বান জনাই চুলিৰ টোপোলাটো পানীত উটুৱাই দিয়া হয়।

ঘৰলৈ ওভতাৰ পাছত শিশুটিৰ সৈতে মাকক ঘৰৰ মজিয়াত বহিবলৈ দিয়ে। ধাত্ৰীগৰাকীয়ে কাঁড় ডালৰ পৰা আন ডাল এৰাঁ সূতা তেল-হালধিৰ মিশ্ৰণত ডুবাই শিশুটিৰ

কঁকালত বান্ধি দিয়ে। ধাত্ৰীগৰাকীয়ে পানীৰ সৈতে অলপ চাউলৰ গুড়ি মিহলি কৰি শিশুটিৰ মাকৰ হাতৰ তলুৱাত দিয়ে আৰু মাকে সেইখিনিৰ অকণ মান খাই বাকিখিনি তেওঁৰ কপালত ঘঁহি লয়। তাৰ পাছত ধাত্ৰীগৰাকীয়ে শিশুটিক জন্ম পোৱা পাৰকম (শয্যা)ত শুৱাই দিয়ে। তেওঁ আৰৈ চাউলৰ গুড়ি পানীৰ সৈতে মিহলি কৰি উক্ত শয্যাৰ চাৰিটা খুঁটিৰ লগতে শিশুটিৰ গাত ছটিয়াই দিয়ে। তাৰ পাছত সেই মিশ্ৰণ শিশুৰ মাতৃ আৰু সমাগত লোকসকলৰ গাতো ছটিয়াই দিয়া হয়। এই পৰ্ব সমাপন হোৱাৰ পাছত ধাত্ৰীগৰাকীয়ে শিশুটিক চোতাললৈ লৈ আহে আৰু শিশুটিৰ নাম ঘোষণা কৰে। চাওঁতাল সমাজত নামকৰণ পৰ্ব খুবেই তাৎপৰ্যপূৰ্ণ কিয়নো এই নামকৰণে শিশুটিক তেওঁৰ পিতৃৰ গোত্ৰ আৰু উপগোত্ৰৰ সৈতে আনুষ্ঠানিক ভাৱে পৰিচয় কৰাই দিয়ে আৰু পিতৃ পুৰুষৰ বঙ্গাৰ দ্বাৰা শিশুটিক সুৰক্ষা প্ৰদান কৰা হয়। লগতে পিতৃয়ে সন্তানটিক নিজৰ বুলি পৰিচয় দি সকলো প্ৰকাৰৰ অবৈধতা দূৰ কৰে।

নৱজাতকৰ নামকৰণৰ পদ্ধতি চাওঁতালসকলৰ মাজত পৰম্পৰাগত ভাৱে চলি আহিছে। প্ৰথমটো সন্তানৰ নাম পিতৃ ফালৰ ককাকৰ নামৰ আধাৰত কৰা হয়; দ্বিতীয়টো সন্তান মাকৰ ফালৰ ককাকৰ নামৰ আধাৰত কৰা হয়, তৃতীয়টো পিতৃৰ ফালৰ ককাকৰ জেষ্ঠ্য ভ্ৰাতৃজনৰ নামত আৰু চতুৰ্থটো মাকৰ ফালৰ ককাকৰ জেষ্ঠ্য ভ্ৰাতৃজনৰ নামৰ আধাৰত কৰা হয়। কন্যা সন্তান হ'লে মাকৰ ফালৰ একেটা ক্ৰমতে নামকৰণ কৰা হয়। পিতৃ 'ঘৰ দি জাঁৱাই' হ'লে মাতৃৰ ফালৰ ক্ৰমটো প্ৰথমে বিবেচনা কৰা হয়। যঁজা সন্তানৰ জন্ম হ'লে হিন্দু পৌৰাণিক আখ্যানৰ আধাৰত নামকৰণ কৰা হয়। উদাহৰণ স্বৰূপে দুয়োটা সন্তান ল'ৰা হ'লে নাম ৰাম-লক্ষ্মণ ৰখা হয়। আকৌ দুয়োটা সন্তান কন্যা হোৱাৰ ক্ষেত্ৰত নাম সীতা আৰু খাপ্ৰা ৰখা হয়। আকৌ সন্তান দুটাৰ এটা ল'ৰা আৰু আনটো কন্যা সন্তান হ'লে নাম ৰাম আৰু সীতা ৰখা দেখা যায়।

সন্তানটোৰ দুটা নাম ৰখা হয়, এটা 'চেতান নুতুম' (বাহিৰা নাম) আৰু আনটো 'ভিতৰি নুতুম' (গুপ্ত নাম)। গুপ্ত নামটোৱে পূৰ্বপুৰুষৰ পৰিচয় বহন কৰে আৰু সেই নামটোৰে সন্তানটোক মতা নহয়। চেতান নুতুম প্ৰয়োজন সাপেক্ষে সলাবও পৰা যায়। জনম চৌতিয়াৰ পৰ্বত নিমপাতৰ সৈতে আৰৈ চাউলৰ ভাত বনাই সকলোকে পৰিৱেশন কৰা হয়। আৰু তাৰ

পাছতে এই অনুষ্ঠানৰ সামৰণি পৰে। সেয়েহে জনম চৗতিয়ৌৰক ‘নিম ডাক মৌণ্ডি’ অনুষ্ঠান বুলিও অভিহিত কৰা হয়।

কোনো অবিবাহিত চাওঁতাল ছোৱালী এগৰাকীয়ে সন্তান জন্ম দিলে, সেই সন্তানৰ পিতৃৰ নাম বিচাৰি নোপোৱালৈকে ছোৱালীৰ ঘৰখনক এঘৰীয়া (পান্তে বেগাৰ) কৰি থোৱা হয়। আৰু দুইধৰণে পিতৃৰ সন্ধান কৰা হয়। প্ৰথমতে যদি কোনো এজন ব্যক্তি পিতৃ বুলি সামাজিক ভাৱে প্ৰমাণিত হয় তেন্তে তেওঁ পিতৃত্ব স্বীকাৰ কৰি লওক বা নলওক, সেই ছোৱালীজনীৰ সৈতে বিবাহপাশত আবদ্ধ হ’বই লাগিব অথবা আন এজনক স্বামী হিচাপে বিচাৰি আনি সমস্ত ব্যয় বহন কৰিবলৈ সাজু হ’ব লাগিব। দ্বিতীয়তে, যদিহে গাওঁবাসীয়ে পিতৃৰ সন্ধান উলিওৱাত অসমৰ্থ হয়, তেনেহলে এজন সু-যোগ্য ব্যক্তিক পিতৃ হিচাপে যোগাৰ কৰা হয়। দুয়োটা পৰিস্থিতিতে ‘নিম ডাক মৌণ্ডি’ অনুষ্ঠানে অবৈধতাৰ সকলো চিন-মোকাম দূৰ কৰে আৰু সন্তানটোৱে তেওঁৰ পিতৃৰ পৰিচয় লাভ কৰে।

**চাচো চৗতিয়ৌৰ (দীক্ষা) ঃ**

চাওঁতাল জীৱনৰ দ্বিতীয়টো গুৰুত্বপূৰ্ণ পৰ্যায় হৈছে ‘চাচো চৗতিয়ৌৰ’। যদিওবা ‘চাচো’ শব্দৰ অৰ্থ হৈছে শিশু, তথাপি শিশুটি কৈশোৰ অথবা যৌৱন প্ৰাপ্ত নোহোৱালৈকে এই পৰ্ব উদযাপন কৰা নহয়। চাচো চৗতিয়ৌৰ উদযাপনৰ বাবে কোনো নিৰ্দ্দিষ্ট সময় নিৰ্ধাৰিত কৰি থোৱা নহয় যদিও বিবাহৰ পূৰ্বে যিকোনো প্ৰকাৰে অনুষ্ঠিত কৰে। কিয়নো চাচো চৗতিয়ৌৰ উদযাপন নকৰাকৈ কোনো চাওঁতাল ল’ৰা-ছোৱালীয়ে বিয়াত বহিব নোৱাৰে, আনকি তেওঁৰ মৃত্যু হ’লেও তেওঁক বিধিগত ভাৱে সৎকাৰো কৰা নহয়। চাচো চৗতিয়ৌৰ পৰ্বৰ যোগেদি সন্তানটোৱে জনগোষ্ঠীটোৰ সদস্য হিচাপে থকা সকলো দায়িত্ব মূৰ পাতি লয়। এই অনুষ্ঠানত গাওঁৰ সকলোকে নিমন্ত্ৰণ জনাই এসাঁজ খুৱাব লগা হেঁতুকে যথেষ্ট অৰ্থব্যয় হয়। এই অৰ্থব্যয়ৰ কথা বিবেচনা কৰিয়ে হয়তো চাচো চৗতিয়ৌৰ প্ৰথাৰ লক্ষণীয় ভাৱে পৰিবৰ্তন ঘটা পৰিলক্ষিত হৈছে। সেয়ে একেটা খৰচতে সকলো ককাই-ভাই অথবা বাই-ভনীৰ এই পৰ্ব পতাৰ বাবে অপেক্ষা কৰি থকা হয় আৰু ডাঙৰ ল’ৰাৰ বা ডাঙৰ ছোৱালীৰ বিবাহৰ আগমূহূৰ্তলৈ এই অনুষ্ঠান পতা দেখা নাযায়।

উক্ত অনুষ্ঠানৰ দিনটোত গাওঁৰ সকলোকে গদিৎৰ  দ্বাৰা অনুষ্ঠান পতাজনৰ ঘৰলৈ নিমন্ত্রণ জনোৱা হয়। জন্মৰ সময়ত নাড়ী কটা ধাত্রী গৰাকীয়ে বা তেওঁৰ অনুপস্থিতিত গাওঁৰ আন এগৰাকী বয়োজ্যেষ্ঠ মহিলাই সকলোৰে উপস্থিতিত ল'ৰা বা ছোৱালীজনীক গা ধুৱাই দিয়ে। তাৰ পাছত গাওঁৰ  তিনিগৰাকী  কিশোৰীয়ে  নাইকি  আৰু  তেওঁৰ পত্নিৰ পৰা আৰম্ভ কৰি সকলোকে তেল-হালধী সানে। সেই  বিশেষ উৎসৱ উপলক্ষে তৈয়াৰ  কৰা  হাঁণ্ডি উপস্থিত সকলোকে  পৰিবেশন  কৰা হয়। সকলোৱে হাঁণ্ডি গ্রহণ কৰাৰ পাছত, জগমৌন্‌ঝিজনে উক্ত যুৱক বা যুৱতীগৰাকীক সম্পূর্ণৰূপে চাওঁতাল জনগোষ্ঠীৰ অর্ন্তভূক্ত হোৱা বুলি ঘোষণা কৰে। তাৰ পাছত গৃহস্থৰ  সন্মানার্থে সকলোৱে নৃত্য-গীত পৰিৱেশন কৰে। ইয়াৰ পৰিসমাপ্তিৰ পাছত বিন্‌তি গুৰুৱে  সৃষ্টিতত্ত্ব, গোত্রসমূহৰ সৃষ্টি, পূর্বপুৰুষসকলৰ প্রব্রজনৰ আখ্যান আদি ব্যাখ্যা কৰে।

তাৰ পাছত যদিহে পৰিয়ালে বহন কৰিব পাৰে, তেন্তে উপস্থিত সকলোকে দুপৰীয়া আহাৰ পৰিৱেশন কৰা হয়। তেনে কৰাত অপাৰগ হ'লে আত্মীয়-কুটুম্ব আৰু গাওঁ সভাৰ বিষয়-ববীয়াসকলৰ বাবে দুপৰীয়া আহাৰৰ আয়োজন কৰা হয়। এই  অনুষ্ঠানৰ যোগেদি অভিষেক ঘটা ব্যক্তিজনে সমাজত পুনর্জনম লোৱাৰ দৰে হয় আৰু ধাত্রীগৰাকীৰ উপস্থিতিয়ে ইয়াৰেই তাৎপর্য্য বহন কৰে। এই  অনুষ্ঠানত কোনোধৰণৰ বলি-বিধান দিয়া নহয়।

এই  অনুষ্ঠানৰ পাছত ডেকা  গাভৰুসকলে গাত 'টাটু' বা পোৰা চিহ্ন খোদিত কৰাৰ প্রথা প্রচলন আছিল যদিও  অতি সম্প্রতি সি সমূহৰ  প্রচলন  দেখা নাযায়। ল'ৰাবোৰে তেওঁলোকৰ বাহুত নিজহাতে  দাগ দিয়ে। এই  চিহ্ন আজীৱন থাকি যায়। এই কার্য্যক্রমত সাধাৰণতে পাঁচটাকৈ ঘূৰণীয়া দাগ দিয়া হয়। দাগ তাতোকৈ  অধিকো হ'ব পাৰে। মাত্র এই সংখ্যা অযুগ্ম সংখ্যা হ'ব  লাগে। বিশ্বাস অনুসৰি অযুগ্ম  সংখ্যাই  জীৱনৰ অর্থ বহন কৰাৰ বিপৰীতে যুগ্ম সংখ্যাই মৃত্যুৰ ইংগিত বহন কৰে। অৱশ্যে এই  বিধিৰ  বাবে কোনোধৰণৰ উৎসৱ পতা নহয়। গাওঁৰ গৰু-ম'হ চৰাবলৈ পথাৰলৈ ওলাই যোৱাৰ সময়তহে এয়া কৰা হয়। একুৰা জুই জ্বলাই লৈ তাত এটুকুৰা  কাপোৰ  জ্বলোৱা হয়। ইয়াৰ  পাছত প্রতিজন ডেকাই জ্বলি থকা কাপোৰ বাওঁ হাতত হেঁচি ধৰে। এই প্রক্রিয়া 'চিকা' বুলি কোৱা হয়। চাওঁতালসকলে বিশ্বাস কৰে যে তেওঁলোকে  যদি এই পোৰা চিহ্ন নলয়, মৃত্যুৰ পাছত অইন এখন পৃথিৱীত

বিশাল পোকে তেওঁলোকক যাতনা দিব। এই একেখিনি বিধিয়ে গাভৰুসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। তেওঁলোকে অৱশ্যে গাত পোৰা চিহ্ন ল'ব নালাগে। কিন্তু তাৰ বিকল্প হিচাপে তেওঁলোকে দেহত 'টাটু' কৰিব লাগে। 'টাটু' কৰা কামটোক 'খোডা' বুলি জনা যায় আৰু বিবাহৰ পূৰ্বে উক্ত কাৰ্য কৰাতো বাঞ্চনীয়। ডেকাসকলৰ লগতে গাভৰুসকলৰ বাবেও 'টাটু' কৰাৰ কোনো নিৰ্দিষ্ট সময় নাথাকে। এই পৰ্ব শীতৰ দিনত কৰা হয়। তদুপৰি 'টাটু'ৰ কোনো নিৰ্দিষ্ট আকাৰ-আকৃতিও ধৰা বন্ধা নাথাকে। প্ৰথা অনুযায়ী গাভৰুসকলে তেওঁলোকৰ বুকুত 'টাটু' কৰিব লাগে যদিও তাৰ পৰিবৰ্তে তেওঁলোকৰ বাওঁ বাহুত 'টাটু' কৰাত বাধা নাই।

**বাপ্‌লা (বিবাহ)ঃ**

চাওঁতালসকলৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰ্যায়টোয়ে হৈছে বিবাহ। বিবাহৰ তাৎপৰ্য্য চাওঁতালসকলৰ মাজত ইমানেই বেছি যে প্ৰবাদ আছে "যধামূৰ্খৰ বাদে আন কোনোৱে অবিবাহিত হৈ নাথাকে" [১৪] আৰু অবিবাহিত হৈ ৰৈ যোৱা জনক পুৰুষ-মহিলা সকলোৱে তিৰস্কাৰ কৰে, আৰু সেইজনক "চোৰ বা ডাইনীৰ শাৰীতহে গণ্য কৰা হয়; এই দুৰ্ভগীয়াজনক মানুহ বুলিয়ে গণ্য কৰা নহয়"। [১৫] চাওঁতালসকলৰ মাজত বাল্য বিবাহৰ প্ৰচলন অতি বিৰল। প্ৰথম পত্নী বাঁজী হোৱাৰ ক্ষেত্ৰত আগৰ গৰাকীৰ সন্মতি মৰ্মে দ্বিতীয় এগৰাকী বিয়া কৰাব পৰা প্ৰথা প্ৰচলিত। চাওঁতালসকলৰ মতে এজন মূৰ্খইহে এজনীতকৈ বেছি পত্নীৰে জীৱন নিৰ্বাহ কৰিব পাৰে। কিয়নো প্ৰবাদ আছে যে সহপত্নীয়ে কাইটিয়া ঘাঁহৰ দৰে বিন্ধে।[১৬] যদিও বিবাহ পিতৃ-মাতৃৰদ্বাৰা আয়োজিত কৰা হয়, জীৱনসংগী বাচনি কৰা বিষয়টোত দুয়োপক্ষকে সমানেই স্বাধীনতা দিয়া হয়। কইনাগৰাকী দৰাতকৈ বয়সত সৰু হোৱাতো বাঞ্চনীয়।

জনজাতীয় সংহতি আৰু ঐক্য অটুট ৰখাৰ বাবে চাওঁতালসকলৰ মাজত সগোত্ৰীয় আৰু জাতি বহিৰ্ভূত বিবাহৰ নিয়ম অতি কঠোৰ। জাতি বহিৰ্ভূত বিবাহক জনগোষ্ঠীটোৰ সংহতিৰ প্ৰতি ভাবুকি বুলি বিবেচনা কৰা হয়। লোকবিশ্বাস মতে, পূৰ্বতে জনগোষ্ঠীটোৰ সগোত্ৰীয় বিবাহৰ ৰীতি অটুট ৰখাৰ বাবে তেওঁলোকে নিজ ভূমিৰ পৰা দুবাৰকৈ পলায়ন কৰিছিল। সাধাৰণ নিয়ম অনুযায়ী, পত্নীৰ মৃত্যুৰ পাছত পত্নীৰ জেষ্ঠ্যা গৰাকীক বিয়া পতা

নিষেধ যদিও কনিষ্ঠা গৰাকীক বিয়া পতাত বাধা নাই। একেদৰে মহিলা এগৰাকীয়ে পতিৰ মৃত্যুৰ পাছত তেওঁৰ ভাতৃৰ সৈতেহে বিয়াত বহিব পাৰে, ককায়েকৰ সৈতে বিবাহ সম্পন্ন কৰা নিষেধ।

অসমৰ চাওঁতাল জনগোষ্ঠীটোৰ মাজত বিবাহ-বিচ্ছেদৰ ঘটনাও অতি বিৰল। কেতবোৰ এৰাব নোৱৰা অথবা আচহুৱা পৰিস্থিতিত, পুৰুষৰ ফালৰ পৰা বিবাহ বিচ্ছেদৰ বাবে তিনিটা নায্য কাৰণ দৰ্শাব লাগে। সি সমূহ হৈছে — (১) ব্যভিচাৰ (২) ডাইনী বিদ্যা অনুশীলন আৰু (৩) বন্ধাত্য। অইন কেতবোৰ কাৰণতো এজন পুৰুষে বিবাহ বিচ্ছেদ কৰিব পাৰে। উদাহৰণ স্বৰূপে যদিহে পত্নীগৰাকী অত্যন্ত খৰচী হয় আৰু পৰিয়ালৰ সম্পদৰ অপব্যয় কৰে অথবা পত্নী স্থায়ীৰূপে ৰুগীয়া হয় বা খুব এলেহুৱা হ'লেও বিবাহ বিচ্ছেদৰ কাৰণ নায্য বিবেচিত হয়। একেদৰে, মহিলা এগৰাকীৰো বিবাহ বিচ্ছেদ কৰাৰ সম অধিকাৰ থাকে। জীৱনৰ অপৰিহাৰ্য্য প্ৰয়োজনখিনি স্বামীয়ে পত্নীৰ হাতত তুলি দিব নোৱাৰাৰ বাবেও পত্নীয়ে বিবাহ বিচ্ছেদ বিচাৰিব পাৰে অথবা স্বামীয়ে প্ৰথমা পত্নীৰ অনুমতি নোহোৱাকৈ দ্বিতীয় এগৰাকীৰ সৈতে বিয়াৰ বাবে ইচ্ছা প্ৰকাশ কৰিলে প্ৰথমা পত্নীয়ে বিবাহ বিচ্ছেদ বিচাৰিব পাৰে। চাওঁতালসকলৰ মাজত সাধাৰণতে বাৰ প্ৰকাৰৰ বিবাহৰ প্ৰচলন দেখা যায়। তলত সেই বিষয়ে আলোচনা কৰা হ'ল—

**ডাংগুৱী বাপ্‌লা ঃ**

এইধৰণৰ বিবাহত নিজৰ ল'ৰাৰ বাবে পিতৃয়ে কইনাৰ বাবে উপযুক্ত মূল্য প্ৰদান কৰি কইনা আনে। ডাংগুৱী বাপ্‌লা চাওঁতালসকলৰ মাজত স্বাভাৱিক বিয়া হিচাপে গণ্য কৰা হয়।

**কিৰিঞ জাৱে বাপ্‌লা ঃ**

একে গোত্ৰ হোৱাৰ বাবে অথবা অইন কোনো কাৰণত যদি এজন ব্যক্তিয়ে এজনী ছোৱালীক কইনাৰ মূল্য দিয়াৰ পাছতো বিবাহ কৰিব নোৱাৰে অথবা ইচ্ছা প্ৰকাশ নকৰে, তেতিয়া এনে ধৰণৰ বিবাহ অনুষ্ঠিত কৰা হয়। উল্লিখিত পৰিস্থিতিত সমাজে এজন উপযুক্ত ল'ৰা বিচাৰি

ছোৱালীজনীৰ বিয়া পাতি দিয়ে আৰু এই ক্ষেত্ৰত হ'ব পৰা এই বিয়াৰ সম্ভাব্য সকলো খৰচ বিয়া কৰিবলৈ অপাৰগ জনে অথবা তেওঁৰ পৰিয়ালে বহন কৰিব লাগে।

**টুংকি দিপিল বাপ্‌লা ঃ**

দৰা অথবা দৰাৰ ঘৰে কইনাৰ মূল্য আদায় দিব নোৱাৰিলে তথা সামাজিক ৰীতি-নীতি অনুসৰি বিয়া পতাৰ সামৰ্থ নাথাকিলে এই বিবাহ সম্পন্ন কৰা হয়। ইয়াত কইনাজনীয়ে তেওঁৰ লাগতিয়াল সা-সামগ্ৰী বাহৰ এটা সৰু বাকচত ভৰাই লয় যাক চাওঁতালী ভাষাত 'টুংকি' বুলি কোৱা হয় আৰু সেই টুংকিটো মূৰত লৈ ছোৱালীজনীয়ে দৰাৰ ঘৰত প্ৰৱেশ কৰে।

**চৌডৰী বাপ্‌লা ঃ**

এই ধৰণৰ বিবাহ সাধাৰণতে বিচ্ছেদিত হোৱা অথবা বিধবা মহিলাৰ আৰু বৰলা পুৰুষৰ মাজত হোৱা বিবাহ। যদি বিপত্নীক গৰাকীয়ে কোনো অবিবাহিত মহিলাৰ সৈতে বিয়াত বহিব খোজে, তেন্তে তেওঁ সম্পূৰ্ণ কইনাৰ মূল্য আদায় দিব লাগিব। তদুপৰি বিপত্নীক গৰাকীয়ে অবিবাহিত মহিলাক বিয়া পাতিলে ব্যক্তিগত ভাৱে সেন্দুৰদান পৰ্ব সমাপন কৰিব লাগিব। আনহাতে এগৰাকী বিধবাক বিয়া পাতিলে বিপত্নীক গৰাকীয়ে সেন্দুৰদান বিধি পালন কৰিব নালাগে। তাৰ পৰিবৰ্তে ফুলত সেন্দুৰ লগাই কাণত সেই ফুল পিন্ধাই দিব লাগে।

**ঘৌৰদি জাঁৱাই বাপ্‌লা ঃ**

পৰিয়ালত দুই বা ততোধিক ছোৱালী আৰু একমাত্ৰ নাবালক ল'ৰা সন্তান থাকিলে পৰিয়ালৰ মূৰব্বীয়ে ডাঙৰ ছোৱালীজনীৰ বিয়া উল্লিখিত প্ৰক্ৰিয়াৰে সমাপন কৰিব পাৰে। ইয়াত কইনাৰ অভিভাৱকে বিয়াৰ সকলো ব্যয় বহন কৰিব লগা হয়। উল্লেখযোগ্য যে এই ধৰণৰ বিয়াত দৰাজনে কইনাৰ মূল্য দিব নালাগে। তাৰ পৰিবৰ্তে তেওঁ কোনো পাৰিশ্ৰমিক অবিহনে কেৱল খাদ্য আৰু পিন্ধা কাপোৰৰ বাবদ শহুৰেকৰ ঘৰত অতি কমেও পাঁচ বছৰৰ বাবে কাম কৰি দিব লাগে। বিয়াৰ সময়ত, তাৰ বাবদ পৰিয়ালৰ মূৰব্বী জনে ঘৌৰদি জাঁৱাইজনক এটা

দমৰা অথবা বলদ গৰু অথবা এটুকুৰা মাটি আগবঢ়ায়। পাঁচ বছৰ সম্পুৰ্ণ হোৱাৰ পাছত জাঁৱাইজনে ঘৰ ত্যাগ কৰাৰ সিদ্ধান্ত ল'লে তেওঁ সেই উপহাৰ লগত লৈ যাব পাৰে। ছোৱালীৰ পিতৃয়ে গাওঁৰ মানুহৰ লগত দৰাৰ ঘৰলৈ গৈ দৰাজনক ছোৱালীৰ ঘৰলৈ লৈ আহে য'ত বিবাহকাৰ্য সম্পন্ন কৰা হয়।

লক্ষ্যনীয় যে, ঘীৰদি জাঁৱাই বাপলাত পুত্ৰৰ নামকৰণ মাতৃৰ ফালৰ ককাদেউতাকৰ ফালৰ পৰা কৰা হয়। তেনেদৰে দ্বিতীয়জনৰ নামকৰণ পিতৃৰ ফালৰ ককাদেউতাক, তৃতীয়জনৰ মাতৃৰ ফালৰ ককাকৰ জেষ্ঠ্য ভাতৃৰ নামৰ আধাৰত কৰা হয় আৰু এই অনুক্ৰম চলি থাকে। কন্যা সন্তানৰ ক্ষেত্ৰত, তেওঁলোকৰ সমতূল্য মহিলাকুটুমৰ নামেৰে নামকৰণ কৰা হয়।

**ঘীৰ জাঁৱাই বাপ্‌লা ঃ**

ঘীৰ জাঁৱাই বাপ্‌লা হৈছে একধৰণৰ বিবাহ য'ত দৰাই স্থায়ীভাৱে তেওঁৰ শহুৰেকৰ ঘৰত থাকিব লাগে। এই ধৰণৰ বিয়া এনেকুৱা পৰিয়ালত হয় যাৰ ঘৰত ছোৱালীৰ বাদে আন কোনো উত্তৰাধিকাৰী নাথাকে। তেতিয়া ছোৱালীৰ পিতৃয়ে এই কথা নিশ্চিত কৰে যে তেওঁৰ সম্পদ আৰু মাটি-বাৰী তেওঁৰ ছোৱালীয়ে জন্ম দিবলগা নাতিয়েকে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিব। এনে ঘীৰ জাঁৱাই বাচনি কৰাৰ ক্ষেত্ৰত ঘৰৰ পৰিয়ালৰ সদস্য তথা আত্মীয়-স্বজনৰ মতামত আৰু গাওঁবাসীৰ সন্মতিৰ প্ৰয়োজন হয়। মনকৰিবলগীয়া যে এই বিবাহ কাৰ্য ঘীৰদি জাঁৱাই বাপ্‌লাৰ দৰে সম্পন্ন হয়।

বিয়াৰ দ্বিতীয় দিনা ছোৱালীৰ পিতৃয়ে গাওঁৰ বিষয়-ববীয়াসকলৰ সৈতে দৰাক স্থাৱৰ সম্পত্তি দেখুৱায়। উল্লেখযোগ্য যে দৰাজনে শহুৰেকৰ ঘৰৰ বঙ্গালৈ আহুতি আগবঢ়াব নোৱাৰে যদিও তেওঁৰ নিজৰ পিতৃ পুৰুষৰ বঙ্গাৰ ক্ষেত্ৰত সেই কাম কৰিব পাৰে। তেওঁৰ সন্তানেও তেওঁৰ শহুৰেকৰ ফালৰ গোত্ৰ আৰু উপগোত্ৰ গ্ৰহণ কৰে। তেওঁৰ পত্নীৰ মৃত্যু ঘটিলে তেওঁক মাটি আৰু সা-সম্পত্তি ব্যৱহাৰ কৰাৰ অনুমতি দিয়া হয় যদিহে তেওঁ দ্বিতীয় বিয়া নাপাতে। কিন্তু যদি দ্বিতীয় বিয়া পাতে, তেন্তে তেওঁ এই অধিকাৰ হেৰুৱাবলগা হয়। আনহাতে, পিতৃ গৃহত থকা পৰ্য্যন্ত অভিভাৱকৰ সম্পত্তিৰ ওপৰত ছোৱালী গৰাকীৰ সম্পূৰ্ণ অধিকাৰ বাহাল থাকে।

**ইপটুট বাপ্লা ঃ**

এই বিবাহ হ'ল জোৰ-জোবৰদস্তি কৰি কোনো ছোৱালীৰ কপালত সেন্দুৰ পিন্ধাই দি পত্নীবৰণ কৰা বিবাহ। যেতিয়া ছোৱালী এজনীয়ে ল'ৰাজনক ভাল পায় নে নাপায় আৰু ল'ৰাজনক স্বামী হিচাপে মানি ল'ব নে নাই সেই বিষয়ে ল'ৰাজন নিশ্চত নহয়, অথবা অভিভাৱকে বিয়াৰ সন্মতি দিব নে নাই সেইয়া নিশ্চিত নহয়, তেতিয়া ল'ৰাজনে বলপূৰ্বক ভাৱে ছোৱালীজনীৰ শিৰত সেন্দুৰ পিন্ধাই দিয়ে আৰু ছোৱালীজনীক পত্নী বুলি দাবী কৰে। এনেধৰণৰ বিয়া সাধাৰণ প্ৰথাৰেই পৰিচালিত হয় য'ত ল'ৰা ঘৰৰ পিতৃ-মাতৃয়ে ছোৱালীৰ পিতৃ-মাতৃক এক নিৰ্দিষ্ট পৰিমাণৰ ধনৰাশি আদায় দিব লগা হয় যাক 'জব্ৰানি' বুলি কোৱা হয়। ইয়াৰ লগতে মৌন্‌ঝি আৰু গাওঁবাসীকো অতিৰিক্ত ভাৱে টকা-পইচা আদায় দিব লগা হয় যাক 'বহক বানচাও' কোৱা হয়। উল্লেখযোগ্য যে বিয়াখনক লৈ কিবা ওজৰ-আপত্তি থাকিলে ছোৱালীজনীয়ে বিবাহ বিচ্ছেদ কৰিব পাৰে।

এই ধৰণৰ বিবাহক 'অৰ আদেৰ বাপ্লা' বুলিও কোৱা হয়।

**ঞিৰ বলক' বাপ্লা ঃ**

ঞিৰ বলক' বাপ্লাৰ ক্ষেত্ৰত, ছোৱালী জনীয়েহে সকলো দায়িত্ব মূৰ পাতি ল'ব লগা হয়। শাৰিৰীক সম্পৰ্ক স্থাপন কৰাৰ পাছত যদি ল'ৰাজনে ছোৱালীজনীক বিয়া পতাত সৈমান নহয় তেতিয়া ছোৱালীজনীয়ে ল'ৰাৰ ঘৰত বলপূৰ্বক প্ৰৱেশ কৰি তেওঁক বিয়া কৰাৰ বাবে হেঁচা প্ৰয়োগ কৰে। এইধৰণৰ বিয়াৰ বিধিও সাধাৰণ বিয়াৰ সৈতে একেই।

**গোলাইটি বাপ্লা ঃ**

একেটা পৰিয়ালৰ দুজন ব্যক্তিয়ে আন এটা ছোৱালীৰ পৰিয়ালৰ দুজনী বাই-ভনীয়েকক একেখন চোতালতে একেবহাতে বিয়া কৰালে, তেনেকুৱা বিবাহক গোলাইটি বাপ্লা বুলি কোৱা হয়।

**আপাংগিৰ বাপ্‌লা ঃ**

যদি ল'ৰা-ছোৱালী দুয়োজনে বিয়াৰ বাবে সাজু হৈছে কিন্তু দুয়োপক্ষই পিতৃ-মাতৃৰ পৰা সন্মতি ল'ব পৰা নাই, তেতিয়া তেওঁলোকে পলাই গৈ কোনো আত্মীয়ৰ ঘৰত আশ্ৰয় লয় আৰু পৰিস্থিতি শাম কাটিলে ল'ৰাই কইনা লৈ নিজৰ ঘৰ সোমায়। এই প্ৰকৃতিৰ বিবাহক আপাংগিৰ বাপ্‌লা বুলি কোৱা হয়। এই বিবাহৰো নিয়ম আন বিবাহৰ সৈতে একে ধৰণৰ হয় আৰু জৰিমনা ভৰিবলগাও হয়।

**কুণ্ডল এঞাপাম বাপ্‌লা ঃ**

অবৈধ কাৰ্য্যকলাপত জড়িত হোৱা পুৰুষ মহিলাক গাওঁৰ মানুহে হাতে-লোতে ধৰা পেলালে তেওঁলোকক জোৰ-জবৰদস্তি বিয়া পাতি দিয়া হয়। এই ধৰণৰ বিয়াক কুণ্ডল এঞাপাম বাপ্‌লা বুলি কোৱা হয়।

**হিৰৌম চেতান বাপ্‌লা ঃ**

যেতিয়া কোনো এজন অবিবাহিত যুৱকে এগৰাকী বিবাহিত মহিলাক বিয়া কৰায় বা কোনো অবিবাহিত যুৱতীয়ে কোনো বিবাহিত পুৰুষক বিয়া কৰায়, তেনে ধৰণৰ বিয়াক হিৰৌম চেতান বাপ্‌লা বুলি কোৱা হয়।

## বিবাহৰ বিধি ঃ

বিবাহযোগ্য যুৱকৰ অভিভাৱকে 'ৰাইবাৰ' অৰ্থাৎ ঘটকৰ জৰিয়তে উপযুক্ত ছোৱালী বিচৰাৰ কাম আৰম্ভ কৰে। জোৰা মিলিলে, এখন মুকলি ঠাই বা বজাৰৰ মুকলি স্থানত 'নেপেল' অৰ্থাৎ বৈঠকৰ আয়োজন কৰে আৰু উক্ত স্থানত দুয়োটা পক্ষ লগ লাগি দুয়োটা পক্ষৰ সুবিধা তথা অসুবিধা সমূহ চালি-জাৰি চায়। দুয়োটা পক্ষই সন্মত হ'লে ল'ৰাৰ ঘৰ-বাৰী চোৱাৰ বাবে এক আনুষ্ঠানিক পৰিদৰ্শনৰ দিন-বাৰ ঠিক কৰা হয় যি প্ৰথাক 'অড়াক দুঔৰ এ্ঞেল' বুলি কোৱা হয়।

নিৰ্ধাৰিত দিনটোত, আত্মীয়ৰ সৈতে কইণাৰ পিতৃ, মৌন্‌ঝি আৰু জগমৌন্‌ঝি দৰাৰ ঘৰ অভিমুখে যাত্ৰা কৰে। যাত্ৰাকালত অশুভ লক্ষণ যাতে দেখা পোৱা নাযায় তাৰ বাবে কড়া নজৰ ৰাখে। কুঠাৰ হাতত লৈ গৈ থকা মানুহ দেখিলে, সাপ অথবা শিয়ালে বাওঁফালৰ পৰা সোঁফাললৈ ৰাস্তাৰ পাৰ হৈ গ'লে, অথবা মহিলাই মূৰত খৰি বোজাই কৰি লৈ গৈ থকা দৃষ্টিগোচৰ হ'লে সেয়া অশুভ ইংগিত বুলি গণ্য কৰি যাত্ৰা বাতিল কৰা হয়। আনহাতে মাটিৰ পাত্ৰ, গাইগৰু, ম'হৰ জাক অথবা সোঁফালৰ পৰা বাওঁফাললৈ ৰাস্তা পাৰ হোৱা শিয়াল দেখা কাৰ্যবোৰ শুভ ইংগিত বুলি বিশ্বাস কৰে। তেওঁলোক ল'ৰাৰ গাওঁত উপস্থিত হোৱাৰ পাছত ল'ৰাৰ গাওঁৰ মৌন্‌ঝি আৰু জগমৌন্‌ঝিয়ে তেওঁলোকক আদৰিণ জনাই ল'ৰাৰ ঘৰলৈ লৈ যায়। ল'ৰাৰ ঘৰত আলহীসকলক 'ডবক জহাৰ' প্ৰথাৰে আদৰণি জনোৱা হয়। উক্ত প্ৰথা অনুযায়ী অভ্যাগতসকলক ভৰি ধুৱাই দি তেল সানি সম্ভাষণ জনোৱা হয় আৰু হাঁণ্ডিৰে আপ্যায়ন কৰা হয়। দুয়োপক্ষৰ মৌন্‌ঝিয়ে তেওঁলোকৰ পূৰ্বপুৰুষসকললৈ হাঁণ্ডি উছৰ্গা কৰি আশীৰ্বাদ বিচাৰে আৰু তাৰ পাছত সমজুৱাক হাঁণ্ডি পৰিৱেশন কৰে। তাৰ পাছত ল'ৰাৰ ঘৰ কোনো সামাজিক অপৰাধত দোষী সাব্যস্ত হৈছিল নেকি সেইটো নিশ্চিত কৰা হয়। সকলো থিকে-থাকে থাকিলে আলহীক আহাৰ গ্ৰহণ কৰিবলৈ দিয়া হয় আৰু তেওঁলোকৰ বিশ্ৰামৰ সু-ব্যৱস্থা কৰি দিয়া হয়।

পাছৰ দিনা ৰাতিপুৱা ছোৱালীৰ পক্ষক দৰা পক্ষৰ ঘৰ-বাৰী আৰু খেতিপথাৰ আদি দেখুৱাবলৈ লৈ যায় আৰু 'গণংপণ' ধাৰ্য্য কৰা হয়। 'গণংপণ'ৰ অৰ্থ হ'ল ছোৱালী এজনীক বিবাহ কৰিবৰ বাবে দৰাৰ ঘৰৰ পৰা ছোৱালীৰ অভিভাৱকক আদায় দিব লগীয়া মূল্য। 'গণং টাকা' হিচাপে স্থিৰ হোৱা ৰাশি দৰাৰ পিতৃয়ে বহন কৰিব লাগে। কেতিয়াবা আকৌ 'অড়াক দুওৰ এঞলৰ' দাবী ছোৱালী পক্ষৰ ফালৰ পৰাও কৰা হয় তেনে ক্ষেত্ৰত ছোৱালীৰ ঘৰটো একেই আনুষ্ঠানিকতা পালন কৰা হয় যদিও খেতি পথাৰৰ পৰিদৰ্শনৰ আদি কৰি স্থাৱৰ সম্পত্তিৰ পৰিদৰ্শন কৰোৱা নহয় আৰু ছোৱালীক আঙুঠি পিন্ধোৱাৰ ব্যৱস্থা কৰা হয়। উক্ত অনুষ্ঠানৰ পাছত দুয়ো পক্ষৰ আলোচনা মৰ্মে এটা দিন থিৰাং কৰা হয় যাক 'হৰক চিখনী' পৰ্ব বুলি কোৱা হয়। এই পৰ্ব প্ৰথমে ল'ৰা ঘৰত পতা হয় যাক 'জাৱাই ধূতি' বোলা হয় আৰু তাৰ পাছত দৰা ঘৰে বিচাৰিলে কইনা ঘৰতো পতা হয় যাক 'বহু বাণ্ডি' বোলা হয়।

'জাৱাই ধূতি'ৰ বাবে কইনাৰ পিতৃ, তেওঁৰ নিকট সম্পৰ্কীয়, ৰেইবাৰ, মৌন্‌ঝি আৰু জগমৌন্‌ঝিৰ সৈতে দৰাৰ গাঁও অভিমুখে ৰাওনা হয়। দৰাপক্ষৰ গাওঁত উপস্থিত হোৱাৰ পাছত সেই গাওঁৰ মৌন্‌ঝি আৰু জগমৌন্‌ঝিয়ে কইনা পক্ষৰ দলটোক দৰাৰ ঘৰলৈ আগবঢ়াই লৈ যায়। সম্ভাষণৰ আনুষ্ঠানিক বিধি পালনৰ পাছত দৰাজনে 'লোটা দা' অৰ্থাৎ এটি তামৰ লোটাত এক লোটা পানী লৈ মোমায়েক অথবা ভনীজোঁৱাইৰ লগত কইনাৰ পিতৃৰ কোলাত বহে। তাৰ পাছত কইনাৰ পিতৃক হাঁণ্ডি পৰিৱেশন কৰি তেওঁৰ মুখ পানীৰে ধুই দিয়ে। তাৰ পাছত কইনাৰ পিতৃয়ে ল'ৰা জনক এখন নতুন ধূতি আৰু কিছু নগদ ধন দি চুমা খায়। লগত যোৱা আন আন অভ্যাগত সকলেও একেই নিয়মকে পালন কৰে। উপহাৰখিনি কইনাপক্ষৰ হৈ জগমৌন্‌ঝিয়ে গণনা কৰি দৰাৰ পৰিয়ালৰ হাতত অৰ্পণ কৰে। তাৰ পাছত পৰিয়ালৰ পূৰ্বপুৰুষৰ বঙ্গা আৰু জাহেৰ বঙ্গাৰ আশীৰ্বাদ বিচাৰি দৰাৰ গাওঁৰ জগমৌন্‌ঝিয়ে এটা ছাগলী উছৰ্গা কৰি তেওঁলোকৰ পৰা আশীৰ্বাদ বিচাৰে।

অনুৰূপ ধৰণে কইনাৰ ঘৰত 'বহু বাণ্ডি' পৰ্বও পালন কৰা হয়। দুয়োটা পৰিয়ালে আগবঢ়োৱা উপহাৰসমূহ গ্ৰহণ কৰিলে পৰিয়াল দুয়োটাৰ মাজত বিয়াখনৰ চুক্তি মানি লোৱা বুলি বিবেচনা কৰা হয়।

পৰবৰ্তী পৰ্ব হিচাপে 'হৰক বণ্ডি' অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানটো হ'ল দৰা ঘৰে কইনাক নতুন কাপোৰ আৰু 'গণংটাকা' অৰ্থাৎ কইনাৰ মূল্য প্ৰদান কৰা অনুষ্ঠান। এই অনুষ্ঠানত কইনাক সেন্দুৰ পিন্ধোৱা নহয় যদিও দৰা ঘৰৰ অভ্যাগতসকলে কইনাক বিভিন্ন উপহাৰ প্ৰদান কৰে। তাৰ পাছতে দৰাৰ অভিভাৱক, তেওঁৰ নিকট আত্মীয়, গাওঁৰ মৌন্‌ঝি আৰু জগমৌন্‌ঝিয়ে কইনা পক্ষৰ গাওঁৰ মৌন্‌ঝি আৰু জগমৌন্‌ঝিৰ সন্মুখত কইনাৰ পিতৃৰ হাতত 'গণং টাকা' প্ৰদান কৰে আৰু বিয়াৰ তাৰিখ থিৰাং কৰে। তাৰ পাছত মৌন্‌ঝি দুজনাই দুয়োপক্ষৰ পূৰ্ব পুৰুষৰ আশীৰ্বাদ বিচৰাৰ পাছত সমৱেত সকলোকে আহাৰ পৰিৱেশন কৰে।

চাওঁতাল সমাজত বিয়াৰ বাবে উত্তম সময় হৈছে ইংৰাজী মাৰ্চ মাহৰ পৰা জুনমাহ। কইনা বা দৰাৰ জন্ম হোৱা মাহত বিয়া হোৱাতো অশুভ বুলি বিশ্বাস কৰা হয়। বিয়াৰ দিন কাষ চাপি অহাৰ লগে লগে, কোনো এটা দিনত দৰাৰ অভিভাৱকে গাওঁ সভাৰ বিষয়ববীয়াক মাতি আনি 'গিৰৌ বান্ধি' ৰেইবাৰৰ হাতত কইনাৰ ঘৰলৈ এই গিৰৌ প্ৰদান কৰে। গিৰৌ হৈছে শাল

গছৰ পাতেৰে তৈয়াৰী এটা বাটিত আৰৈ চাউল, হালধী আৰু দূৰৰিৰ মিশ্ৰণত ডুবাই হালধীয়া কৰা এৰাঁ সূতা য'ত খুলিব পৰা ধৰণে বিয়ালৈ যিমান দিন বাকী থাকে সিমানটা গাঠি বন্ধা হয়। অনুৰূপ ধৰণে কইনাৰ ঘৰৰ পৰাও দৰা ঘৰলৈ 'গিৰৌ' প্ৰদান কৰে।

বিয়াৰ তিনি বা পাঁচদিন আগত গাওঁৰ বিষয়া আৰু গাওঁবাসীয়ে কইনাৰ ঘৰলৈ আহি 'মগুৱা' সাজে। কইনাৰ পিতৃয়ে গাওঁৰ নাইকিলৈ অপদেৱতাৰ পৰা দৰা-কইনাক নিৰাপদে ৰাখিবৰ বাবে জাহেৰ বঙ্গাক স্তুতি জনাই মূৰ্গী, চাউল আৰু হাঁণ্ডি আগবঢ়ায়। তাৰ পাছত জগমাঁন্‌ঝিয়ে মগুৱাৰ সোমাজত এটা গাত খান্দি তাত কড়ি, দূবৰি আৰু হালধী দিয়ে। তাৰ ওচৰত এখন বেদী সাজি এডাল মহুৱা আৰু আম গছৰ ঠাল সেই গাতত পুতি দিয়া হয় আৰু তাকেই 'মগুৱা খুন্টি' কোৱা হয়। বেদী স্থাপন হোৱাৰ পাছত দৰাৰ বায়েক বা পেহীয়েকে বেদীটো গোবৰ পানীৰে লেপি দিয়ে। অনুৰূপ ধৰণে কইনাৰ চোতালতো মগুৱা সজোৱা হয়।

বিয়াৰ আগদিনা 'ডা বাপ্‌লা' অৰ্থাৎ পানী বিয়া পাতে। ইয়াত ওচৰ-সম্পৰ্কীয় 'টেট্ৰা কুড়ি' অৰ্থাৎ আত্মীয় তিনিজনী কুমাৰী ছোৱালীয়ে সমজুৱা সকলোকে মগুৱাৰ তলত তেল আৰু হালধী লগায়। নাইকি আৰু নাইকিৰ পত্নীক প্ৰথমে আৰু দৰা বা কইনাক সৰ্বশেষত তেল-হালধী লগাই মূৰ ফণিয়াই দিয়া হয়। জগমাঁন্‌ঝি গৰাকীয়ে হাঁণ্ডি ভৰ্তি এটা লোতা আৰু তিনি ডাল শৰ লৈ দৰা বা কইনাপক্ষৰ আত্মীয়-কুটুমৰ সৈতে বিধি অনুসৰি পানী আনিবলৈ যায়। দুজনী ছোৱালীয়ে তেওঁলোকৰ মূৰত দুটা সৰু মাটিৰ কলহ 'চাচাং কিক্রিক' অৰ্থাৎ হালধীৰ ৰস মিশ্ৰিত পানীত ডুবাই হালধীয়া কৰা কাপোৰ যিজোৰ কাপোৰ সেন্দুৰ দানৰ সময়ত দৰা আৰু কইনাই পিন্ধিব লাগে সেই কাপোৰেৰে ঢাকি লৈ যোৱা হয়। এই পাত্ৰক 'চৌগুণ থিলি' অৰ্থাৎ শুভ পাত্ৰ বুলি কোৱা হয়। দৰাৰ মাতৃয়ে এখন কাঁহৰ থালত আৰৈ চাউল, দূবৰি, তেল, সেন্দুৰ, তিনিটা কড়ি, এৰাঁ সূতা আৰু দৰাৰ খুড়ীয়েকে এখন তৰোৱাল আৰু পেহীয়েকে হাতত ধেনু লয়। 'বাব্রে ক'ৰা' হিচাপে সাধাৰণতে ভিনীহিয়েকে কান্ধত এখন কোৰ লয়।

গন্তব্যস্থল পোৱাৰ পাছত 'বাব্রে ক'ৰা'ই তেওঁৰ কোৰখনেৰে পানী যুৰলিত এটা গাঁত খান্দি তাত পানী সাঁচি ৰাখে। জগমাঁন্‌ঝিয়ে গাঁতটোৰ চৌপাশে শৰ তিনিডাল পোতে আৰু পশ্চিম দিশটো মুকলি কৰি ৰাখি শৰকেইডাল এৰাঁ সূতাৰে পাঁচবাৰ মেৰিয়ায়। তাৰ পাছত পুতি

থোৰা প্ৰতিডাল শৰৰ কাষত কড়ি কেইটা ৰাখে। কড়িক উৰ্বৰতাৰ প্ৰতীক বুলি লোকবিশ্বাস প্ৰচলিত।[১৭] লোকবিশ্বাস অনুসৰি কড়িয়ে অপদেৱতা আৰু দুষ্টশক্তিবোৰৰ মনযোগ বিচ্ছিন্ন কৰে। শৰ আৰু কড়ি কেইটা সেন্দুৰেৰ দাগ দিয়াৰ পাছত জগমৌন্‌ঝিজনে ফুৰুকত অৰ্থাৎ গছ পাতেৰে তৈয়াৰী বাটিত মাৰাং বুড়ু, মৌন্‌ঝি হাৰাম বঙ্গা, পৰগণা বঙ্গা আৰু হাপ্ৰাম বঙ্গালৈ হীণ্ডি আগবঢ়ায়। এই বিধি সম্পূৰ্ণ হোৱাৰ পাছত পেহীয়েকে তেওঁৰ হাতৰ ধনুৰে পানীখিনিত শৰ মাৰে আৰু খুড়ীয়েকে পানীখিনি তৰোৱালেৰে কাটে (প্ৰতিকী)। তাৰ পাছত ছোৱালী দুজনীয়ে সেই গাঁতৰ পৰা তেওঁলোকৰ হাতত থকা মাটিৰ কলহ দুটাত পানী ভৰায় আৰু সেয়া তেওঁলোকৰ মূৰত লৈ ঘৰলৈ উভতি আহে।

তেওঁলোক মণ্ডৱালৈ ঘূৰি অহাৰ পাছত মণ্ডৱাৰ তলত বাব্ৰে ক'ৰাই নদীৰ ওচৰত খন্দাৰ দৰে এটি গাঁত খান্দে আৰু গাঁতটোৰ চাৰিওফালে জগমৌন্‌ঝিয়ে শৰ তিনিডাল পুতি এৰাঁ সূতাৰে মেৰিয়াই দিয়ে। কলহ দুটাৰ পানীখিনি গাঁতটোত জমা কৰিবলৈ কয় আৰু 'মণ্ডৱা খুন্তি' ধৰিবৰ বাবে টেট্ৰা কুড়িক আহ্বান জনায়। জগমৌন্‌ঝিয়ে প্ৰতিগৰাকীৰ সোঁ হাতৰ কেঁএঙা আঙুলি মণ্ডৱা খুন্তিত বান্ধি বাওঁ হাতত পাঁচ বা সাতটা ধান দিয়ে যিবোৰৰ বাকলি ভিতৰৰ চাউল নভঙাকৈ বুঢ়া আৰু কেঁএঙা আঙুলিৰে গুচাব লাগে। এই বিধি দৰা বা কইনাৰ উপস্থিতিতে কৰা হয়। তাৰ পাছত টেট্ৰাকুড়িৰ আঙুলীৰ বান্ধ খুলি দিয়া হয়। জগমৌন্‌ঝিগৰাকীয়ে দৰাৰ বাওঁকাণৰ পৰা বাওঁভৰিৰ পতালৈকে এৰাঁ সূতাৰে পাঁচবাৰ পকাই মাপ লৈ চাউলত দূৰৰি বন আৰু হালধী মিহলাই আম পাতেৰে মেৰিয়াই দৰা বা কইনাৰ সোঁ হাতৰ বাহুত তাবিজৰ দৰে বান্ধি দিয়ে আৰু সেইয়া বিবাহ সম্পন্ন হোৱাৰ পাছতহে খুলি দিয়া হয়।

উক্ত পৰ্বৰ পাছত পৰবৰ্তী পৰ্ব হিচাপে জগমৌন্‌ঝিয়ে দৰাৰ ডাড়ি খুৰুৱাবৰ বাবে বাব্ৰে ক'ৰাক নিৰ্দেশ দিয়ে। উক্ত কাৰ্যৰ সমাপন হোৱাৰ পাছত দৰাজন পূৰমুৱাকৈ বহে আৰু দৰাৰ পিতৃ-মাতৃয়েও একে দিশলৈ মুখ কৰি দৰাৰ কাষত হাতত তৰোৱাল লৈ থিয় হয়। তৰোৱালৰ জোঙা মূৰটো দৰাৰ মূৰৰ ওপৰত ধৰি ৰখা হয়। জগমৌন্‌ঝি মণ্ডৱাৰ মাজত থকা গাঁতৰ পানী লোটা এটাত লৈ তৰোৱালৰ ওপৰত এনে ভাৱে ঢালি দিয়ে যাতে সেই পানী তৰোৱালৰ আগেৰে বৈ আহি দৰাৰ মূৰত পৰে। এই পৰ্বক 'তৰৱাড় দাক' বোলা হয়। তৰৱাড় দাক সম্পন্ন হোৱাৰ পাছত উপস্থিত মূৰব্বীসকলে দৰাক পানীৰে গা ধুৱাই কাপোৰ পিন্ধায়। তাৰ পাছত

'বৰিয়ত' অৰ্থাৎ (বৰযাত্ৰী) কইনাৰ ঘৰ অভিমুখে ৰাওনা হয়। অনুৰূপ বিধি কইনাৰ ঘৰতো পালন কৰা পৰিলক্ষিত হয়।

বৰিয়ত কইনাৰ ঘৰ অভিমুখে যাত্ৰা কৰাৰ আগমুহূৰ্তত 'নুনু টাকা' পৰ্ব অনুষ্ঠিত কৰা হয়। দৰাৰ মাতৃয়ে এক লোটা পানী, ফুৰুকত অলপ গাখীৰ আৰু সোণ বা ৰূপৰ মুদ্ৰা এটা লৈ দৰাসহিতে মৌন্‌ঝিথানলৈ যায় আৰু দৰাক কোলাত বহুৱাই গাখীৰখিনি খুৱাই মুখ খন মুচি দিয়ে। দৰাজনে তাৰ পাছত সোণ বা ৰূপৰ মুদ্ৰাটো তেওঁৰ ওঁঠৰ মাজত লৈ মাকৰ ওঁঠত গুজি দিয়ে। তাৰ পাছত মৌন্‌ঝি হাৰাম বঙ্গালৈ হৌণ্ডি অৰ্পণ কৰে আৰু উক্ত স্থানৰ পৰাই বৰিয়ত কইনাৰ ঘৰলৈ ৰাওঁনা হয়।

বৰিয়ত কইনাৰ গাওঁৰ কুলহি পোৱাৰ লগে লগে ৰেইবাৰে কইনাৰ ঘৰলৈ বাৰ্তা প্ৰেৰণ কৰে। কইনাৰ গাওঁৰ বিষয়ববীয়া সকলে আৰু বাদ্যকাৰ সকলে নৃত্য-গীতেৰে বৰিয়তক উষ্ণ আদৰণি জনায়। তাৰ পাছত সকলোয়ে মৌন্‌ঝিথানলৈ আগবাঢ়ে য'ত জগমৌন্‌ঝিয়ে মৌন্‌ঝি হাৰাম বঙ্গালৈ দৰা-কইনাৰ বাবে আশীৰ্বাদ বিচাৰি দুটা পাৰচৰাই বলি দিয়ে। বিবাহৰ সফলতাৰ বাবে হৌণ্ডি অৰ্পণ কৰি মৌন্‌ঝি হাৰাম বঙ্গা আৰু জাহেৰ বঙ্গাক স্তুতি জনোৱা হয়। তাৰ পাছত দৰাজনক আৰু 'লোমটা ক'ৰা'ক অৰ্থাৎ দৰাৰ সৈতে যোৱা দৰাৰ নিকট আত্মীয়ৰ এজন সৰু ল'ৰাক কইনাৰ মাক আৰু আত্মীয়সকলে গুৰমিঠৈ খুৱাই মুখ মচি দিয়ে। এই অনুষ্ঠানটোক 'গুৰ জম' বুলি কোৱা হয়।

তাৰ পাছত শহুৰ-শাহুৰেকবৰ্গই 'বলয়া জহৰ' বিধি পালন কৰে। দুয়োটা পক্ষৰ সম্পৰ্কীয়সকলে মুখামুখিকৈ দুটা শাৰীত থিয় হয়। কইনাৰ পক্ষৰ পিতৃ আৰু আত্মীয়সকলৰ পুৰুষ-মহিলা সকলোয়ে এক বিশেষ ভংগীমাত দৰা পক্ষৰ লোকক সেঁৱা জনায়।

দৰা আহি কইনাৰ পদুলি মুখ পোৱাৰ পাছত কইনাৰ বান্ধৱীসকলে অভিযোগ কৰে যে দৰাই ভালদৰে দাড়ি খুৰোৱা নাই। সেয়েহে এটা আমপাত আইনা আৰু সৰু কাঠৰ টুকুৰা এটাক খুৰ হিচাপে লৈ প্ৰতিকী হিচাপে দাড়ি খুৰাই দিয়া হয়। তাৰ পাছত দৰাক গা ধুৱাই, তেল সানি 'কাচা পিচৌৰি' অৰ্থাৎ হালধীৰ পানীত দুবাই হালধীয়া কৰা কাপোৰ পিন্ধাই সজোৱা হয় আৰু বাব্ৰে ক'ৰাৰ কান্ধত উঠাই মণ্ডপলৈ লৈ অনা হয় আৰু একেদৰে কইনাৰ সৰু ভায়েককো কান্ধত উঠাই মণ্ডপলৈ অনা হয়। তেওঁলোকৰ মাজত এখন বগা কাপোৰ আৰি ধৰা হয়। তাৰ

পাছত জগমৌন্‌ঝিয়ে আম গছৰ পাঁচটা পাত থকা ঠেঙুলি এটাকৈ তেওঁলোকৰ দুয়োজনৰে হাতত তুলি দিয়ে আৰু তেওঁলোকে ঠেঙুলি দুটা পানীত তিয়াই পৰস্পৰৰ গাত ছটিয়াই দিয়ে। তদুপৰি অলপ আৰৈ চাউলো ইজনে সিজনৰ গাত ছটিয়ায়। আমপাতৰ অযুগ্ম সংখ্যা আৰু পানী ছটিওৱাতো শুভ বুলি বিশ্বাস কৰা হয়। তাৰ পাছত দৰাই তেওঁৰ খুলশালিয়েকক 'চাৰা দীৰহি' অৰ্থাৎ এটা হালধী মিশ্ৰিত পানীত তিয়াই হালধীয়া কৰা কাপোৰৰ পাগুৰি পিন্ধায়। উক্ত সময়খিনি গাঁওৰ যুৱক-যুৱতীসকলে নৃত্য -গীতেৰে মুখৰিত কৰি ৰাখে।

বৰিয়তত সাধাৰণতে কোনো মহিলাই অংশ গ্ৰহণ নকৰে যদিও দৰা ঘৰৰ পৰা ৰাইবাৰৰ ঘৈণীয়েকৰ হাতত কইনাৰ 'সেন্দুৰ খাঁণ্ডি' (কইনা সজোৱা সামগ্ৰী আৰু কাপোৰ) সেন্দুৰ দানৰ সময়ত ব্যৱহাৰ হ'বলগা 'ডাউড়া' (পাচি)ত ভৰাই দি পথোৱা হয়। কইনাক উক্ত ডাউড়াত পথোৱা তেল হালধী সনা হয় আৰু তেওঁৰ মুখখন সম্পূৰ্ণৰূপে ঢাক খোৱাকৈ 'কাচা পিচৌৰি' পিন্ধোৱা হয়। তাৰ পাছত দৰা ঘৰৰ পৰা যোৱা তিনি বা পাঁচজন আত্মীয়ই কইনাক সেই 'ডাউড়া'ত বহুৱাই সেন্দুৰ দান পৰ্বৰ বাবে বাহিৰলৈ উলিয়াই আনে। 'বাব্ৰে ক'ৰাই' দৰাক কান্ধত তুলি লৈ পূব দিশে মুখ কৰি কইনাৰ মুখামুখিকৈ থিয় হয়। পানী ভৰ্তী লোটা দুটাত পাঁচটা পাতেৰে সৈতে থকা আমৰ ঠেঙুলী দুটা ডুবাই দৰা-কইনাৰ দুয়োৰে হাতত লোটা দুটা দিয়া হয় আৰু এই লোটা দুটাৰ পৰা আম পাত কেইটা পানীত তিয়াই পৰস্পৰে পৰস্পৰলৈ পাঁচবাৰ কৈ পানী ছতিয়াই দিয়ে। তাৰ পাছত জগমৌন্‌ঝিয়ে দৰাৰ হাতত পাঁচটা শাল গছৰ পাত দিয়ে। একেবাৰে ওপৰৰ খিলা পাতত সেন্দুৰ থাকে। তাৰ পাছত দৰাই কইনাৰ ওৰণি গুচায়। কিছু সেন্দুৰ মাটিত ছটিওৱাৰ পাছত, তেওঁ সোঁহাতৰ বুঢ়া আঙুলি আৰু কেঞা আঙুলিৰে কইনাৰ শিৰত সেন্দুৰ পিন্ধাই দিয়ে। অৱশিষ্ট সেন্দুৰখিনি কইনাৰ ডিঙিত সানি হালধীয়া কাপোৰখনেৰে মুখখন পুনৰ ঢাকি দিয়া হয়। টামাক, তুম্‌দাৰ শব্দ আৰু হৰিবোল ধ্বনিৰে এইখিনি সময়ত পৰিৱেশ মুখৰিত হৈ থাকে। এনে ধ্বনিয়ে ওচৰে-পাজৰে থকা দুষ্টাত্মাবোৰক খেদি পঠায় বুলি বিশ্বাস কৰা হয়। মাহীয়েকে তাৰ পাছত দৰা-কইনাৰ কাপোৰত গাঠি এটা মাৰি ঘৰৰ ভিতৰলৈ লৈ যায়। ইয়াতেই চাওঁতাল সমাজৰ বিবাহ কাৰ্য সম্পন্ন হয়।

গৃহ প্ৰৱেশৰ পাছত 'চৌমৌৰা' অৰ্থাৎ দৰা-কইনাক 'বা' দিয়া পৰ্ব অনুষ্ঠিত কৰা হয়। বিধি অনুযায়ী কইনাৰ মাকে এখন কুলাত দূৱৰি, ধান আৰু আৰৈ চাউল দৰা কইনাৰ মূৰৰ

ওপৰেৰে তিনিবাৰ ঘূৰায়। বাব্রে ক'ৰা আৰু লোমটি কুড়িয়ে দূৰৰি, ধান আৰু আৰৈ চাউলখিনি দৰা কইনাৰ মূৰত ছটিয়াই দিয়ে। কইনাৰ দুগৰাকী মাহীয়ে দুখন কাহৰ থালৰ এখনত এটি 'ফুৰুক'ত গুড় আৰু দুটি 'ফুৰুক'ত তেল আৰু আনখন থালত দুটা 'ফুৰুক'ত হালধী গোবৰৰ পাঁচটা সৰু লাড়ু আৰু চাউলৰ গুড়িৰ পাঁচটা সৰু লাড়ু থাকে। কইনাৰ মাকে দৰা কইনা দুজনকে 'ফুৰুক'ৰ তেল সানে আৰু গুড় আৰু পানী খাবলৈ দিয়ে। তাৰ পাছত হালধীৰ মিশ্রণ দৰা আৰু কইনাৰ গালত সানে। নৱ-দম্পত্তিয়েও কইনাৰ মাকক হালধী লগায়। তাৰ পাছত কইনাৰ মাকে গোবৰ আৰু চাউলৰ গুড়িৰ লাড়ুবোৰ দৰা-কইনাৰ মূৰৰ ওপৰেৰে দলিয়াই দিয়ে। কইনাৰ ঘৰৰ নিকট আত্মীয়সকলেও এই পৰ্বৰ পুনৰাবৃত্তি কৰে। এই পৰ্ব সমাপ্তিৰ পাছত দৰাৰ দেউতাককে আদি কৰি মুৰব্বীসকলক ঘৰৰ ভিতৰলৈ নিমন্ত্রণ জনাই আপ্যায়ণ কৰা হয়। এই অনুষ্ঠানক 'বালয়া জহাৰ' বুলি কোৱা হয়। এই পৰ্বৰ সমাপ্তিৰ পাছত 'পৰচৗ' নামৰ আন এক বিধি পালন কৰা হয়।

'পৰচৗ'ৰ বাবে কইনাৰ মাহীয়েক দুজনীয়ে মাটিৰ পাত্রত জলন্ত আঙঠা আনি দম্পত্তিহালৰ সমুখত ৰাখে। সেই মাটিৰ পাত্রতো প্রণাম কৰি তেওঁৰ সোঁহাতত লৈ কইনাৰ মাকে বাওঁহাতেৰে তিনিবাৰ সেই জলন্ত আঙঠাৰ বা দিয়ে। তাৰ পাছত আন মূৰব্বী আত্মীয় সকলেও এই বিধি পালন কৰে। শেষৰজন ব্যক্তিয়ে আঙঠাখিনি পিহি ছাই কৰে ভিতৰলৈ লৈ যায়। অপকাৰী বঙ্গাক বাধা দি ক্ষতিৰ পৰা পৰিত্রাণ পোৱাৰ বাবেই 'পৰচৗ' বিধি পালন কৰা হয়।

পাছত দম্পত্তিহালক একেখন ঠালতে আহাৰ গ্ৰহণ কৰিবলৈ দিয়া হয়। সেই সময়ত বাহিৰত দুয়োখন গাওঁৰ মূৰব্বী তথা অভ্যাগত লোকসকলক আহাৰ পৰিৱেশন কৰা হয় আৰু এই কাৰ্য সম্পন্ন হোৱাৰ পাছত দৰা-কইনা আৰু লোমটা কোৰা, লোমটা কুৰিক মণ্ডৱাত সমজুৱাৰ সন্মুখত বহুৱাই আৰৈ চাউল আৰু দূৰৰি ছতিয়াই আশীৰ্বাদ জনাই উপহাৰ প্ৰদান কৰে।

বিয়াৰ পাছৰ দিনা ৰাতিপুৱা চোতালত 'গিডি চৗমৗৰা' পালন কৰা হয়। উক্ত কাৰ্যৰ বাবে দম্পত্তিহালক ঢাৰি পাৰি বহিবলৈ দিয়া হয়। দৰাৰ সোঁফালে তেওঁৰ লোমটা ক'ৰা আৰু বাব্রে ক'ৰা বহে আৰু লোমটি কুৰি (কইনাক সংগ দিয়া নাবালিকা) আৰু বাব্রে কুৰি কইনাৰ

বাওঁফালে বহে। প্ৰত্যেককে কইনাৰ মাকে আৰু কইনাৰ মাহীয়েকে তেল হালধী সানে। তাৰ পাছত দম্পত্তিহালক মণ্ডৱাৰ ওচৰত নিয়া হয় আৰু আকৌ ঢাৰিত বহিবলৈ দিয়া হয়। কইনাৰ আত্মীয়ৰ মহিলাসকলে আৰু গাওঁ সভাৰ বিষয়ববীয়াসকলৰ ঘৈণীয়েক সকলে কইনাৰ মাকৰ পৰা আৰম্ভ কৰি 'গিডি চৌমৌৰা' ৰূপায়ণ কৰে। প্ৰত্যেকেই আৰৈ চাউল আৰু দূৰৰি থকা ডাউড়ীতোৰ পৰা আৰৈ চাউল আৰু দূৰৰি দম্পত্তি হালৰ সন্মুখত তিনিবাৰকৈ ঘূৰাই তেওঁলোকৰ মূৰত ছতিয়াই দিয়ে। প্ৰতিগৰাকী আত্মীয় মহিলাই 'গিডি চৌমৌৰা' সম্পন্ন হোৱাৰ পাছত তেওঁলোকৰ প্ৰত্যেকৰে আগত ৰখা পিতলৰ বঁটাত কিছু পইচা আগবঢ়ায় যাক 'চৌমৌৰা পইচা' বুলি কোৱা হয়। কইনাৰ বায়েক-ভনিয়েকসকলে সদৌ শেষত 'গিডি চৌমৌৰা' বিধি পালন কৰে।

সদৌ শেষত সকলোৱে মৌন্‌ঝিথানলৈ যায় য'ত জগমৌন্‌ঝিয়ে দম্পত্তিহাল ঘৰলৈ ওভতাৰ পথত আৰু জীৱনৰ সুৰক্ষাৰ বাবে মৌন্‌ঝি হাৰাম বঙ্গালৈ পূজা অৰ্পণ কৰে। দৰা-কইনাক মৌনঝিথানত এখন ঢাৰিত বহিবলৈ দি কইনাৰ মাকে গুৰমিঠৈ আৰু পানী খাবলৈ দিয়াৰ পাছত গালত চুমা খায়। কইনাৰ পেহীয়েক আৰু আন তিনি বা পাঁচ গৰাকী আত্মীয়ইও এই বিধি পালন কৰে। এই বিধি পালনৰ পাছত কইনাৰ অভিভাৱকে দৰাৰ অভিভাৱকৰ হাতত কইনাক অৰ্পণ কৰি কইনাৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। শেষত কইনাৰ মৌন্‌ঝি আৰু দৰাৰ জগমৌন্‌ঝিয়ে সকলোকে বিদায়ী সম্ভাষণ জনাই কইনাৰ ঘৰৰ পৰা বিদায় লয়।

দৰা-কইনা দৰাৰ গাওঁত উপস্থিত হোৱাৰ পাছত 'ঔবুক জংগা' পালন কৰা হয়। দৰা-কইনা সমন্বিতে সকলোকে গাওঁৰ প্ৰৱেশ দ্বাৰত ভৰি ধুৱাই আদৰণি জনোৱা হয়। দৰাৰ ঘৰৰ পদুলিত দৰাৰ মাকে দৰা-কইনাৰ ভৰি ধুৱাই ঘৰলৈ আদৰি আনে। তাৰ পাছত কইনাৰ ঘৰত অনুষ্ঠিত হোৱাৰ দৰে দৰা ঘৰতো 'দাৰামডাক', 'গুৰ জম', 'চৌমৌৰা', 'পৰচা' আৰু 'গিডি চৌমৌৰা' আদি পৰ্ব পালন কৰা হয়।

নৱ-দম্পত্তিহালক গা ধুবলৈ দিয়াৰ পাছত তেওঁলোকক নতুন কাপোৰ পিন্ধিবলৈ দিয়া হয় আৰু তেওঁলোকে বিয়াত ব্যৱহাৰ কৰা হালধীয়া বস্ত্ৰ 'বাব্‌ৰে এৰা' অৰ্থাৎ দৰাৰ বায়েকক

ধুৰলৈ দিয়া হয়। এই হালধীয়া বস্ত্র শুকুৱাৰ পাছত দম্পত্তিহালক পুনৰাই সেই বস্ত্র পৰিধান কৰিবলৈ দিয়া হয়। তাৰ পাছত কইনাই তেওঁৰ স্বামীৰ ভৰি ধুৱাই দি ঘৰৰ দুৱাৰদলি মচে।

কইনাৰ লগতে বাৱ্রে ক'ৰা অৰ্থাৎ ভিনদেউৱে নাইকিৰ লগতে দৰা ঘৰৰ গাওঁৰ সমস্ত বিষয়ববীয়া আৰু আত্মীয়-কুটুম্বক ভৰি ধুই তেল ঘঁহি সেৱা জনায়। বয়োজেষ্ঠ্য কোনোবা আত্মীয় থাকিলে বাৱ্রে এৰাই দুই লোটা পানী আনি কইনা আৰু বয়োজেষ্ঠ্য জনৰ হাতত দিয়ে আৰু তেওঁলোক দুয়োজনে লোটাৰ পানী তেওঁলোকৰ বাওঁফালে ঢালি দিয়ে। এই কৰ্ম চাওঁতাল সমাজত শ্ৰদ্ধা আৰু সন্মানৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। তেওঁলোকেও কইনাক বিভিন্ন উপহাৰ প্ৰদান কৰে। নিয়ম অনুযায়ী দৰা ঘৰৰ পৰা কইনাৰ ককায়েক বা ভায়েকক উপহাৰ স্বৰূপে এটা গৰু আগবঢ়োৱা হয়।

এই অনুষ্ঠান সম্পন্ন হোৱাৰ পাছতে ন-দম্পত্তিহালে সমবেত সকলোকে হাঁণ্ডি যাঁচে। দৰাই সমবেতসকলক ফুৰুক বোৰ দিয়াৰ পিছে পিছে কইনাই সেই পাত্ৰত হাঁণ্ডি ঢালি দিয়ে। এই প্ৰক্ৰিয়াক 'ঔবৌক জংগা হাঁণ্ডি' বুলি কোৱা হয়। তাৰ পাছত সেৱা সৎকাৰেৰে কইনা ঘৰৰ মানুহবোৰক বিদায় দিয়া হয়।

এদিন বা দুদিন পাছত কইনাৰ গাওঁৰ জগমান্‌ঝি আৰু জগপৰাণিকে দৰা-কইনাক কইনাৰ ঘৰলৈ লৈ আহে। দৰাৰ পিতৃয়ে নৱ-দম্পতীৰ বাবে আশীষ বিচাৰি পূৰ্বপুৰুষৰ বঙ্গালৈ এটি পঠা ছাগলী উছৰ্গা কৰে। এই উছৰ্গা পৰ্বৰ সমাপ্তিৰ পাছত অভ্যাগত সকলৰ মাজত খাদ্য আৰু হাঁণ্ডি পৰিবেশন কৰা হয়। ভোজ-ভাত খোৱাৰ পূৰ্বে পূৰ্ব পুৰুষৰ নামত হাঁণ্ডি উছৰ্গা কৰে। লোকবিশ্বাস অনুসৰি সেই ভোজৰ-ভাত কইনাই খাব নাপায় অন্যথা কইনাৰ শৰীৰত অপশক্তিয়ে বিভিন্ন বেমাৰ-আজাৰৰ সৃষ্টি কৰিব পাৰে। দৰা-কইনা কইনাৰ পিতৃ গৃহত কেইদিনমান কটোৱাৰ পাছত দৰা-কইনা দৰাৰ ঘৰলৈ উভতি যায় আৰু এনেদৰে হাঁহি ধেমালীৰে চাওঁতাল বিবাহ পৰ্বৰ সামৰণি ঘটে।

## বিবাহ-বিচ্ছেদ ঃ

বিবাহ-বিচ্ছেদ চাওঁতাল সমাজত কেইটামান বিশেষ পৰিস্থিতিত হে অনুমোদন জনোৱা হয়। বিবাহ-বিচ্ছেদৰ বাবে আবেদন কৰা ব্যক্তিজনে 'চাডাওডি' নামৰ জৰিমনা

ভৰিবলগা হয়। কোকৰাঝাৰত চাওঁতাল সমাজত সেই নিৰিখটো হৈছে সাত টকা।

ক) যদি স্বামীয়ে বিবাহ বিচ্ছেদ বিচাৰে, তেন্তে তেওঁ তেওঁৰ পত্নীক চাডাওডি আৰু এখন শাৰী দিব লাগে। তেওঁ কইনাপণ ঘুৰাই দিবলৈ ক'ব নোৱাৰে।

খ) যদি পত্নীয়ে বিবাহ-বিচ্ছেদ বিচাৰে, তেতিয়া কইনাৰ পিতৃয়ে কইনাপণ ঘূৰাই দিয়াৰ লগতে চাডাওডি ভৰিব লাগে।

গ) স্বামীয়ে প্ৰথম পত্নীৰ সন্মতি অবিহনে দ্বিতীয়গৰাকী পত্নী চপোৱাৰ কাৰণে যদি প্ৰথম পত্নীয়ে বিবাহ বিচ্ছেদ বিচাৰে, তেতিয়া কইনাপণ ওভতাই দিব লাগে আৰু তেওঁ স্বামীৰ পৰা পাৰিশ্ৰমিক পাই থাকে।

ঘ) বিধবা বিয়া পতাৰ ক্ষেত্ৰত, স্বামীৰ ভূলৰ কাৰণে যদি বিবাহ বিচ্ছেদ হয়, তেতিয়া মহিলা গৰাকীয়ে স্বামীৰ সম্পত্তিৰ আধা অংশ দাবী কৰিব পাৰে।

বিবাহ-বিচ্ছেদ এবাৰ অনুমোদিত হৈ যোৱাৰ পাছত পিতৃয়ে সন্তানৰ দায়িত্ব লাভ কৰে। বিবাহ-বিচ্ছেদ এখন আইনী অনুষ্ঠানৰ জৰিয়তে কৰা হয় যাক 'চাকাম অৰেচ' বুলি কোৱা হয়।

নিৰ্ধাৰিত দিনটোত গাওঁৰ বিষয়ববীয়া আৰু গাওঁবাসী বিবাহ-বিচ্ছেদ হ'ব লগা ঘৰখনলৈ আহে। স্বামী-স্ত্ৰী পূৱা-পশ্চিমাকৈ প্ৰাৰ্থনা কৰা ভংগীত মুখা মুখিকৈ থিয় হ'বলৈ কোৱা হয়। পুৰুষজনে সদায় পূবফালে মুখ কৰি থিয় হ'ব লাগে। দুয়োজনৰ সোমাজত এটা পানী ভৰ্তি লোতা ৰখা হয়। গাওঁৰ মৌন্‌ঝিয়ে সমবেত ৰাইজক সম্ভাষণ জনাই ঘটনাৰ সাক্ষী হ'বলৈ জাহেৰ বঙ্গাক আহ্বান জনায়। মৌন্‌ঝিয়ে স্বামী-স্ত্ৰী দুয়োকে বাওঁভৰিৰ ওপৰত ভৰ দি থিয় হ'বলৈ কয় আৰু তাৰ পাছত দুয়োপক্ষৰ হাতত পাঁচটাকৈ শাল গছৰ পাত দি সেই পাতকেইটা সোমাজেৰে ফালি পেলাব কয়। তাৰ পাছত দুয়োৰে মাজত থকা পানী ভৰ্তি লোটাটো বিবাহ-বিচ্ছেদ বিচৰা পক্ষক সোঁভৰিৰে গোৰ মাৰি পেলাই দিব কোৱা হয়। উক্ত শাল পাত কেইটা সোমাজেৰে ফালি দুভাগ কৰাৰ পাছত গাওঁৰ মৌন্‌ঝিয়ে তেওঁলোকৰ বিবাহ-বিচ্ছেদ হোৱা বুলি ঘোষণা কৰে। শেষত বিচ্ছেদিত পুৰুষ আৰু মহিলাগৰাকী দুয়োৰে গাওঁৰ মৌন্‌ঝিজনৰ পৰা আৰম্ভ কৰি সকলোকে সেৰা জনায়। কোকৰাঝাৰৰ চাওঁতাল সমাজতো উল্লিখিত পদ্ধতিৰে বিবাহিত পুৰুষ আৰু মহিলাৰ মাজত বিবাহ-বিচ্ছেদ হোৱা দেখা যায়।

**মৃত্যু (মৰণ) ঃ**

চাওঁতালসকলে বিশ্বাস কৰে যে এজন ব্যক্তিৰ মৃত্যুৰ পাছত তেওঁৰ সামাজিক ব্যক্তিত্ব নিশেষ হৈ নাযায় বৰঞ্চ তাৰ পৰিৱৰ্তন হে হয়। লোক বিশ্বাস মতে এজন ব্যক্তিয়ে নশ্বৰ দেহ ত্যাগ কৰাৰ পাছত তেওঁৰ নিৰ্দিষ্ট সৎকাৰ বিধি পালন কৰাৰ পাছত উক্ত ব্যক্তি গৰাকী বঙ্গা লৈ পৰিৱৰ্তিত হয় আৰু সেই বঙ্গাই স্বৰ্গত তেওঁলোকৰ পূৰ্বপুৰুষৰ সৈতে বাস কৰে। উল্লিখিত লোকবিশ্বাস সকলো চাওঁতালৰ মাজতে অদ্যপি বিৰাজমান। চাওঁতাল সমাজত মৃত্যু সম্পৰ্কে থকা বিশ্বাস সম্বন্ধে ডব্লিউ জি আৰ্চাৰে এনে ধৰণে উল্লেখ কৰিছে। যথা —

> *"Death is a victory for all those anti-Santal forces which are represented by hostile bongas. It is as if the dead Santal has betrayed his trust, has failed in his main duty-to go on living. To die is therefore to pollute and for the moment the whole village is bereft of its tribal guardians and deprived of ghostly care. At the same time death subjects a man to violent unnatural change. He remains a Santal. He is still a member of his family but until he has safely reached the country of the dead, he is a man with a grievance. He can no longer do the things which Santals value most for he is abruptly deprived of sex and the company of his children. He is 'out of position'. He no longer 'belongs' and only the most careful conduct by his family can ensure his due demission. He is now much more a bonga than a man - a ghostly force invisible but intimately real. The danger which killed him still infects his person and until the funerary process is over, he must remain a source of menace to all the members of the family. When he has achieved the final status of ancestor, he has still a bonga nature and can on no account be ignored. He is not*

*as obvious as living Santals but he is something to be reckoned with, a power with whom it is even more necessary to be on good terms that when he worked and went about the village"*[১৮]

**অৰ্থ ঃ** হিংসুক বঙ্গাক প্ৰতিনিধিত্ব কৰা চাওঁতালবিৰোধী সকলো শক্তিৰ বাবে মৃত্যু মানে হৈছে বিজয়। ইয়াৰ অৰ্থ হ'ল মৃত চাওঁতালজনে তেওঁৰ বিশ্বাস ভংগ কৰিছে, তেওঁৰ মূল কৰ্তব্য জীয়াই থকাত ব্যৰ্থ হৈছে। সেয়েহে মৃত্যু মানে হৈছে কলুষিত কৰা আৰু তাৰ ফলস্বৰূপে কিছু সময়ৰ বাবে সমগ্ৰ গাওঁখনেই তেওঁলোকৰ জনগোষ্ঠীয় অভিভাৱকৰ পৰা আৰু অশৰীৰি তত্বাবধায়কৰ পৰা বঞ্চিত হয়। একে সময়তে মৃত্যুই হিংসুক অশৰীৰিলৈ পৰিৱৰ্তনৰ বিষয় হৈ থাকে। তেওঁ চাওঁতাল হৈয়ে থাকে। মৃতকৰ দেশ নিৰাপদে ঢুকি নোপোৱালৈক তেওঁ তেওঁৰ পৰিয়ালৰ সদস্য হিচাপে এক শোকগ্ৰস্ত ব্যক্তি হৈয়ে থাকে। চাওঁতালসকলে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা কামবোৰ তেওঁ আৰু কৰিব নোৱাৰে কিয়নো তেওঁ শাৰীৰিক সম্পৰ্ক স্থাপন কৰিব নোৱাৰে আৰু ল'ৰা-ছোৱালীৰ সংগৰ পৰাও তেওঁ বঞ্চিত হয়। তেওঁ 'স্থানচ্যুত' হয়। তেওঁ কাৰো হৈ নাথাকে আৰু তেওঁৰ পৰিয়ালৰ সাৰধানতাৰে কৰা আচৰণেহে তেওঁৰ মুক্তি নিশ্চিত কৰে। তেওঁৰ অস্তিত্ব এতিয়া মানুহতকৈ ভিন্ন বঙ্গাহে-এক অদৃশ্য কিন্তু ঘনিষ্ঠ প্ৰেতৰূপী শক্তি। যি বিপদে তেওঁৰ মৃত্যু ঘটালে সেয়া এতিয়াও তেওঁৰ সত্তাক সংক্ৰমিত কৰি ৰাখিছে আৰু অন্ত্যেষ্টিক্ৰিয়াৰ বিধি শেষ নোহোৱালৈকে, তেওঁ পৰিয়ালৰ সকলো সদস্যৰ বাবে এক আশংকাৰ উৎসয়েই হৈ থাকিব। তেওঁ তেওঁৰ পূৰ্বপুৰুষৰ চূড়ান্ত মৰ্য্যাদা প্ৰাপ্ত নকৰালৈকে, তেওঁৰ প্ৰকৃতি হিংস্ৰ হৈয়ে থাকে আৰু তেওঁক সেয়েহে উপেক্ষা কৰিব পৰা নাযায়। তেওঁ জীৱিত আত্মীয়সকলে তেওঁলোকৰ চাল-চলন আৰু বিভিন্ন কামৰ সময়ত তেওঁৰ সৈতে ভাল সম্পৰ্ক বজাই ৰাখিব লাগিব।

চাওঁতালসকলৰ মতে মৃত্যু প্ৰাকৃতিক হ'ব নোৱাৰে অথবা মৃত্যু কোনো দুৰ্ঘটনা ও নহয়, বৰঞ্চ এয়া কোনোবা বঙ্গাৰ শত্ৰুতা, কোনো অশৰীৰি শক্তি অথবা তন্ত্ৰ-মন্ত্ৰৰ ফল বুলিহে তেওঁলোকে বিশ্বাস কৰে। লোকবিশ্বাস অনুসৰি ব্যক্তি এজনৰ জীৱন দুষ্ট শক্তিৰ বিৰুদ্ধে চলা এক জীৱনজোৰা সংঘৰ্ষ যিয়ে তেওঁৰ জীৱনৰ অন্ত পেলায়। এজন মৃত চাওঁতাল ব্যক্তি

তেতিয়াহে 'হাপ্রামক' বঙ্গা' অৰ্থাৎ পূৰ্বপুৰুষৰ বঙ্গালৈ ৰূপান্তৰিত হয় যেতিয়া মৃতকৰ নামত সকলো অন্ত্যেষ্টিক্রিয়াৰ বিধি সমাপন কৰা হয়। গৰ্ভাৱস্থা বা সন্তান প্রসৱৰ সময়ত হোৱা মৃত্যুৰ বাবে কোনোধৰণৰ বিধি পালন কৰা নহয়। তেওঁলোকে বিশ্বাস কৰে যে তেনে লোকৰ আত্মা ভূত-প্রেত হৈ বিশ্বত ঘূৰি ফুৰে। বিশ্বাস অনুসৰি তেওঁলোকৰ ভৱিষ্যত জীৱন পাৰ্থিৱ জীৱনত কৰা কৰ্মৰ ওপৰতে নিৰ্ভৰ কৰে। এজন সৎ স্বভাৱৰ লোকে পুৰস্কাৰ পোৱাৰ বিপৰীতে কু-চৰিত্ৰৰ লোকক যম ৰজা আৰু 'হৗনাপুৰি' অৰ্থাৎ পাতাল পুৰীত হুডুৰ ৰজাই শাস্তি প্ৰদান কৰে। 'নাওপুৰি' অৰ্থাৎ মৰ্ত্যত বাস কৰি থকা অৱস্থাত আনৰ অন্যায় কৰা সকলে হৗনাপুৰি অৰ্থাৎ পাতালত পচা মাংসৰ বোজা মূৰত লৈ কঢ়িয়াব লাগে, বিশাল পোকৰ সৈতে যুদ্ধ কৰিব লাগে অথবা মল-মূত্ৰ আদিৰ ওপৰত থিয় হ'ব লাগে। যিয়ে চাওঁতাল জনগোষ্ঠীয় নৈতিকতাৰ অনুশাসন পালন নকৰে অথবা দেহত পৰম্পৰাগত জনগোষ্ঠীয় চিহ্ন 'চিকা' আৰু 'খোড়া' দেখুওৱাত অসমৰ্থ হয় তেওঁলোকেও মৃত্যুৰ পাছত একেই শাস্তিৰ সন্মুখিত হয়। আনহাতে সততাৰে জীৱন কটোৱা জনে হৗনাপুৰিত পুৰস্কৃত হয়। [১৯]

এজন ব্যক্তিৰ মৃত্যুৰ পাছতে তেওঁৰ ঘৰ আৰু গাওঁখন অশুচি হৈ পৰে। গাওঁ তথা ঘৰখনক সুৰক্ষা দিয়া বঙ্গা সকলৰ সুৰক্ষাৰ পৰাও গাওঁ বা ঘৰখন বঞ্চিত হয় বুলি বিশ্বাস কৰা হয়। সেয়েহে মৃতকৰ অন্ত্যেষ্টিক্রিয়াৰ বিধি সম্পন্ন নকৰালৈকে গাওঁত কোনো ধৰণৰ বিয়া, উৎসৱ-পাৰ্বণ, অথবা ৰাজহুৱা কোনো ধৰ্মীয় অনুষ্ঠান আদি অনুষ্ঠিত কৰিব পৰা নাযায়। তদুপৰি, অন্ত্যেষ্টিক্রিয়াৰ বিধি পালন নকৰালৈকে পৰিয়ালৰ জীৱিত সদস্য সকলৰ বাবে প্ৰয়াতজনৰ আত্মা আশংকাৰ কাৰণ হৈ থাকে। সেয়েহে গাওঁত কাৰোবাৰ মৃত্যুত পৰিয়ালৰ সদস্য আৰু গাওঁৰ সমূহ ৰাইজে অন্ত্যেষ্টিক্রিয়াৰ বিধিত সহযোগীতা আগবঢ়ায়।

গাওঁৰ কাৰোবাৰ বিয়োগ ঘটিলে গদিতে মৌন্‌ঝিৰ পৰা আৰম্ভ কৰি গাওঁৰ সকলোকে খবৰ দিয়ে। বিয়োগ ঘটা ব্যক্তিজনৰ অত্মীয়-স্বজনৰ যিসকল ওচৰতে থাকে, তেওঁলোককো অৱগত কৰা হয়। তেওঁলোক সকলো মৃতকৰ ঘৰত উপস্থিত হোৱাৰ পাছত মৃতকৰ নশ্বৰ দেহটো সমাধিস্থ বা দাহনৰ বাবে সাজু কৰা হয়।

মৃতদেহটো গা ধুৱাই, তেল-হালধী সানি নতুন কাপোৰ পিন্ধাই এখন পাৰকমত শুৱাই চোতাললৈ উলিয়াই অনা হয়। স্বামী জীয়াই থকা অৱস্থাত পত্নীৰ মৃত্যু ঘটিলে মৃত পত্নীৰ

শিৰত আত্মীয়ৰ মহিলা এগৰাকীয়ে সেন্দুৰৰ ফোট দিয়ে। কিছু ধন, এখন পিতলৰ থাল, খোৰাপানীৰ পাত্ৰ আৰু আত্মীয়-কুটুমে আগবঢ়োৱা উপহাৰসমূহ এখন কাপোৰত বান্ধি মৃতকৰ কাষত ৰখা হয়। মৃতদেহটো 'পাৰ্কম'ত তুলি চাৰিজন আত্মীয়-কুটুম্ব অথবা পুত্ৰই কান্ধত তুলি গাওঁৰ ৰাস্তাৰে কঢ়িয়াই লৈ যায় আৰু গাওঁৰ সীমাত থকা চাৰি আলিৰ সংযোগ স্থলত 'পাৰ্কম' খন কিছু সময়ৰ বাবে নমাই দিয়া হয়। সেই স্থানত পৰিয়ালৰ তথা গাওঁৰ মহিলাই মৃতকৰ দেহত তেল-হালধী সানে। তাৰ পাছত উক্ত চাৰি ব্যক্তিয়ে 'পাৰ্কম'ৰ সৈতে মৃতদেহটো কান্ধত তুলি শ্মশানলৈ লৈ যায়। গাওঁৰ গদিতে কুলাত অলপ ধান আৰু একলহ পানী কান্ধত লৈ যায়। তেওঁ হাতত এটা খেৰৰ জ্বলি থকা জুমুঠিও লয়। তেওঁ কুলাৰ পৰা অলপ ধান জুমুঠিতোত দিয়ে আৰু শ্মশানলৈ যোৱা বাটচোৱাত কুলাৰ পৰা ধানলৈ অলপ অলপ কৈ ছতিয়াই গৈ থাকে। তেওঁ লগত এটা মুৰ্গীৰ পোৱালিও লৈ যায়।[২০] মহিলাসকল শ্মশানলৈ যোৱাটো নিষেধ।

দুই ধৰণে মৃত দেহৰ সৎকাৰ কৰা হয়। দাহন কৰি অথবা সমাধিষ্ঠ কৰি। শ্মশান পোৱাৰ পাছত মৃত দেহটো পাৰকমৰে সৈতে দক্ষিণ মুৱাকৈ ৰখা হয়। গদিতে তেওঁৰ লগত লৈ যোৱা কলহৰ পানী বাতি এটাত লৈ তাত এটা মুদ্ৰা দিয়ে আৰু মৃতকৰ আত্মীয় তথা সৎকাৰলৈ যোৱা সমজুৱাই সেই মুদ্ৰাৰে মৃতকৰ মুখ আৰু হাত ভৰিত পানী ছতিয়াই দিয়ে। তাৰ পাছত গাওঁবাসীয়ে উত্তৰা-দক্ষিণাকৈ বাঁহ আৰু কাঠেৰে এখন চিতা সাজে। খাটত ৰখা সামগ্ৰীবোৰ আঁতৰাই দিয়া হয়। মৃতকৰ দেহৰ পৰা সকলো সূতা অথবা আ-অলংকাৰ আঁতৰাই সমজুৱাৰ মাজত সামগ্ৰীবোৰ নিলাম কৰা হয়। কিন্তু যক্ষ্মা, সৰু আই অথবা কুষ্ঠৰোগ হৈ মৃত্যু বৰণ কৰা লোকৰ সামগ্ৰীবোৰ নিলাম নকৰি পুতি পেলোৱা হয়। মৃতদেহটো চিতাৰ চাৰিওফাল তিনিবাৰ ঘড়ীৰ কাটাৰ বিপৰীত দিশত পৰিক্ৰমা কৰোৱাৰ পাছত চিতাত দক্ষিণ মুৱাকৈ ৰখা হয়। মুখাগ্নি কৰা জনে এডাল বাঁহৰ লাঠিত কাপোৰ বান্ধি গদিতে লৈ যোৱা জুমুঠিৰ পৰা জুই জ্বলাই মৃতকৰ মুখত জুই দিয়ে। মুখত জুই দিয়াৰ সময়ত তেওঁ বিপৰীত দিশে চাব লাগে। শিতানৰ পশ্চিম ফালৰ খুঁটিত গদিতে লৈ যোৱা মুৰ্গীটো বান্ধি ৰখা হয়। মৃতদেহটো জ্বলি থকাৰ সময়ত বান্ধি থোৱা মুৰ্গী পোৱালীটো জ্বলি থকা খৰিৰ টুকুৰাৰে চকুত

হানি মৰা হয়। তেনে কৰিলে মূৰ্গীৰ আত্মাটোৱে মৃতকৰ আত্মাক ভৰিষ্যতত সংগ দিব বুলি লোক বিশ্বাস প্ৰচলিত।

সমাধি দিয়াৰ ক্ষেত্ৰত শ্মশানত উত্তৰ-দক্ষিণ মুৰাকৈ এটা গাঁত খন্দা হয়। ঘড়ীৰ কাটাৰ বিপৰীত দিশত পাৰ্কমখন তিনিবাৰ প্ৰদক্ষিণ কৰোৱা হয়। ভৰিৰ কেঞা আঙুলিৰ নখ আৰু অলপ চুলি কাটি এখন সৰু কাপোৰত বান্ধি মৃতকৰ পুত্ৰ বা আত্মীয়ক দিয়া হয়। যাক 'জান বাহা' বুলি কোৱা হয়। শৱ-দাহন কৰাৰ ক্ষেত্ৰত মৃত দেহটো দাহ হোৱাৰ পাছত মূৰৰ পাছফালৰ পৰা অস্থি সংগ্ৰহ কৰি ঢাকন থকা এটা মাটিৰ পাত্ৰত ৰাখি ঢাকন খনত এটা সৰু ফুটা কৰি তাত এডাল সৰু মাৰি ভৰাই দিয়া হয় যাতে মাটিৰ পাত্ৰত থকা মৃতকৰ আত্মাৰ অংশ বিশেষৰ পাত্ৰটোৰ ভিতৰত সহজ সঞ্চালন হ'ব পাৰে। সমাধিৰ বাবে খণ্ডা গাঁতটোত এখন কাপোৰ পাৰি দিয়া হয়। ইয়াৰ পাছত মৃতদেহটো দক্ষিণমুৰাকৈ সমাধিত ৰখা হয়। পাৰকমখন ভাঙি পেলোৱা হয়। তেওঁৰ পুত্ৰ বা পুত্ৰ অবিহনে নিকট আত্মীয়ই বিপৰীত দিশে চাই মৃত দেহৰ ওপৰত তিনিবাৰ মাটি আৰু তিনিটা বাঁহ বা কাঠৰ টুকুৰা দিয়ে। তাৰ পাছত উপস্থিত সকলোৱে তিনিবাৰকৈ মাটি আৰু বাঁহ বা কাঠৰ টুকুৰা দিয়ে। এই কাৰ্য সম্পন্ন হোৱাৰ পাছত এইবোৰৰ ওপৰত দীঘলকৈ বাঁহ পাৰি দিয়া হয়। এই বাঁহৰ ওপৰত পুত্ৰ বা নিকট আত্মীয়ই পোনতে তিনি কোদাল মাটি দিয়াৰ পাছত সমজুৱাসকলোৱে গাঁতটো পুতি পেলায় আৰু সমাধিৰ ওপৰত টিলা এটা তৈয়াৰ কৰা হয়। গৰুৰ গোবৰ মিহলি পানী ছটিয়াই ঠাইখন পৰিষ্কাৰ কৰি লোৱাৰ পাছত পানী পুৰাই থোৱা মাটিৰ পাত্ৰ এটা আৰু গদিতে লৈ যোৱা কুলাখন ধানেৰে সৈতে সমাধিৰ কাষত ৰখা হয়।

লোকবিশ্বাস অনুসৰি, বিয়োগ ঘটাজন পুৰুষ হ'লে তেওঁৰ জেষ্ঠ্য পুত্ৰই মুখাগ্নি কৰে। যদিহে প্ৰয়াতজনৰ ল'ৰা সন্তান নাথাকে, তেন্তে মুখাগ্নি কৰাৰ অধিকাৰ পিতৃ, ভাতৃ অথবা কোনো নিকট পুৰুষ আত্মীয়ক দিয়া হয়। মহিলাৰ ক্ষেত্ৰত, গিৰীয়েকে অন্ত্যেষ্টিক্ৰিয়াৰ বিধিসমূহ পালন কৰে। আনহাতে বিধবাৰ ক্ষেত্ৰত, তেওঁৰ ডাঙৰ পুত্ৰই এই বিধি পালন কৰে।[২১]

মৃতদেহ সৎকাৰৰ পাছত জান বাহা গাওঁৰ মুৰব্বীসকলৰ সৈতে মৃতকৰ পুত্ৰ অথবা মুখাগ্নি কৰা জনে মৃতকৰ ঘৰলৈ লৈ আহে আৰু ঘৰত মহিলাসকলে গাখীৰ আৰু হালধী পানী

এই জান বাহাৰ ওপৰত ঢালি দিয়ে। তাৰ পাছত সকলোৱে গা ধুৱাৰ বাবে জান-জুৰি অথবা নদীৰ ঘাটলৈ যায়।

মৃতকৰ আদ্য শ্ৰাদ্ধ অনুষ্ঠানৰ আৰম্ভণিক 'জান বাহা উম' অথবা 'তেল নাহান' পৰ্ব বুলি কোৱা হয়। মৃত্যুৰ পাঁচদিন পাছত এই অনুষ্ঠান পতা হয়। বিশ্বাস অনুযায়ী এই অনুষ্ঠান নপতালৈ মৃতকৰ আত্মা অপদেৱতাৰ সংস্পৰ্শত থাকে সেয়েহে পৰিয়াল অথবা গাওঁবাসী এই অপদেৱতাৰ কবলত পৰিব পাৰে। উপস্থিত সকলোৱে গা ধুবৰ বাবে জান-জুৰি অথবা নদীৰ ঘাটলৈ যায়। পৰিয়ালৰ মহিলাসকলে উক্ত ঘাটতে আত্মীয় মহিলাসকলক শ্ৰদ্ধা জনাই ঘৰলৈ উভতে ইয়াক 'ডবক জহাৰ' বুলি কোৱা হয়। পুৰুষসকলে উক্ত ঘাটত নাপিতৰ হতুৱাই চুলি দাড়ি কাটে আৰু মুখাগ্নি কৰা জনৰ মুণ্ডন কৰোৱা হয়। ঘাটত এটা বেদী পাতি জানবাহা খিনি থৈ মাৰাং বুড়ু, পিলচু হাৰাম, পিলচু বুঢ়ী আৰু মৃতকৰ নামত উছৰ্গা কৰি পূজা অৰ্চনা কৰা হয়। পূজা শেষ হোৱাৰ পাছত মুখাগ্নি কৰোতা জনে জানবাহা পানীত বিসৰ্জন দি পানীত ডুব মাৰি গা ধুৱে আৰু সকলো নিজ নিজ ঘৰলৈ উভতি আহে।

এই বিধি পালনৰ লগে লগে মৃতকৰ আত্মা তেওঁৰ মৃত্যুৰ বাবে দায়ী অপদেৱতাৰ পৰা মুক্ত হয় আৰু গাওঁবাসী তথা পৰিয়ালে তেওঁলোকৰ হাপ্ৰামক আৰু ওড়াক বঙ্গাৰ পৰা পুনৰ সুৰক্ষা লাভ কৰে। লোকবিশ্বাস অনুসৰি এই পৰ্ব অনুষ্ঠিত কৰাৰ পাছতহে গাওঁৰ বঙ্গা পৰিশুদ্ধ হয় আৰু গাওঁত উৎসৱ-পাৰ্বণ আদি আগৰদৰেই অনুষ্ঠিত কৰিব পৰা যায়। প্ৰয়াতজনৰ পৰিয়াল পৰবৰ্তী পৰ্ব অনুষ্ঠিত নোহোৱা পৰ্যন্ত শুদ্ধ নহয় আৰু তেওঁলোকে কোনো পূজা-অৰ্চনা, বিবাহ আদি পাতিব নোৱাৰে। উক্ত পৰ্বৰ সমাপ্তিৰ পাছত 'উমুল আদেৰ' পৰ্ব অনুষ্ঠিত কৰা হয়।

'উমুল আদেৰ' পৰ্বৰ বাবে শোকাৰ্ত পৰিয়ালটোৰ চোতালত গাওঁবাসী গোট খায়। তাৰ কাৰণে ওঝাক নিমন্ত্ৰণ জনোৱা হয়। ওঝা জনৰ লগতে সমজুৱা সকলোকে হাঁড়িৱে আপ্যায়ণ কৰাৰ পাছত এটা সময়ত ওঝাজনৰ গাত মাৰাং বুড়ু আৰু প্ৰয়াতজনৰ আত্মাই ভৰ কৰে। মৃতকৰ এজন আত্মীয়ই প্ৰয়াতজনৰ আত্মাক তেওঁৰ মৃত্যুৰ কাৰণ সোধে আৰু প্ৰয়াতজনৰ আত্মাই ভৰ কৰা ওঝাজনে মৃত্যুৰ কাৰণ ব্যক্ত কৰাৰ পাছত ওঝাজন স্বাভাৱিক অৱস্থালৈ ঘূৰি আহে। চোতালত এটা মাইকী ছাগলী আৰু এটি মূৰ্গী কোনো গধূৰ বস্তুৰে মূৰৰ পিছফালে কোবাই মাৰি সেই ছাগলী আৰু মূৰ্গীটোৰ তেজ ফুৰুকত লৈ চাউলৰ সৈতে মিহলাই মৃতকৰ

আত্মাৰ নামত উছৰ্গা কৰা হয় আৰু বাকী মাংসখিনি চাউলৰ সৈতে ৰান্ধি সমবেতসকলক আপ্যায়ণ কৰা হয়। লগতে হাঁণ্ডিও পৰিৱেশন কৰা হয়। মনকৰিবলগীয়া যে ছাগলীৰ মূৰৰ মাংসখিনি মৃতকৰ পৰিয়ালৰ বাবে আছুতীয়াকৈ ৰখা হয়।

লোকবিশ্বাস অনুসৰি এই 'উমুল আদেৰ' পৰ্বৰ যোগেদিহে মৃতকৰ আত্মাই সকলো বান্ধোন তথা অপদেৱতাৰ পৰা মুক্ত হৈ তেওঁৰ অন্তিম আশ্ৰয়ৰ বাবে ৰাওঁনা হয় আৰু এজন 'হাপ্ৰামক' বঙ্গাৰ এজন হৈ পৰে। 'ভাণ্ডান' পৰ্বৰ যোগেদি মৃতকৰ পৰিয়ালৰ আত্মীয়-স্বজনে প্ৰয়াতজনলৈ অন্তিম শ্ৰদ্ধাৰ্ঘ্য যাচে। 'ভাণ্ডান' কাৰ্য্যসূচীৰ লগে লগে মৃতকৰ পৰিয়ালে তেওঁলোকৰ বঙ্গালৈ অৰ্ঘ্য যঁচা, উৎসৱ-পাৰ্ৱণত ভাগ লোৱা আৰু বিয়া-সবাহত আনন্দ কৰাৰ বাবে বিধি নিষেধৰ পৰা মুক্ত হয় বুলি বিশ্বাস কৰে।

**ভাণ্ডান ঃ**

'ভাণ্ডান' সাধাৰণতে মৃত্যুৰ পোন্ধৰ দিন পাছত পতা হয় যদিও কেতিয়াবা মৃত্যুৰ তিনিমাহ, ছয়মাহ অথবা এবছৰ পাছতো অনুষ্ঠিত কৰিব পৰা যায়। 'ভাণ্ডান'ৰ দিনা মৃতকৰ আত্মীয়-কুটুম্ব তথা গাওঁৰ ৰাইজ মৃতকৰ চোতালত সমবেত হয়। পুৰুষ আৰু মহিলাসকলে দুই ভাগে জান-জুৰি অথবা নদীৰ ঘাটলৈ যায়। মৃতকৰ পুত্ৰসকলে মুণ্ডন কৰে আৰু সমজুৱা সকলে দাড়ি-চুলি কাটি নিকা হয়। ইয়াৰ পাছত সকলোৱে গা ধুই ঘৰলৈ উভতে। ঘৰলৈ ঘূৰি অহাৰ পাছত, তেওঁলোকক টাবেন, খাজাৰি আৰু হাঁণ্ডি পৰিৱেশন কৰা হয়। 'ভাণ্ডান' অনুষ্ঠানলৈ গাঁওৰ প্ৰতিটো পৰিয়ালে সাধ্য অনুযায়ী ছাগলী, মূৰ্গী, গাহৰি অথবা হাঁণ্ডি আগবঢ়ায়। ভাণ্ডানৰ দিনা মৃতকৰ চোতালত এখন বেদী সাজি মুখাগ্নি কৰা জনে পূজা-অৰ্চনা কৰে। এটা মাইকী ছাগলীক প্ৰথমে অলপ আৰৈ চাউল খাবলৈ দিয়া হয়। তাৰ পাছত গদিতে কুঠাৰৰ ভোটা ফালেৰে ছাগলীটো পাছ মূৰত আঘাট কৰে। ছাগলীটো যিটো ফালত পৰে সেই ফালৰ মাংস পৰিয়ালৰ বাবে ৰাখি আন ফালৰ মাংস গাওঁবাসীৰ সংগ্ৰহীত মাংসৰ সৈতে বনাই গাওঁবাসীৰ বাবে ৰখা হয়। চোতালত পতা বেদীখনত এটা ফুৰুকত থেতেলিয়াই মৰা ছাগলীটোৰ তেজ আৰৈ চাউল সৈতে মিহলাই অলপ হাঁণ্ডিৰে সৈতে মৃতকৰ আত্মাৰ নামত উছৰ্গা কৰা হয়। লগতে পূৰ্ব পুৰুষৰ নামটো এটা মূৰ্গী আৰু হাঁণ্ডি অৰ্পণ কৰা হয়। মৃতকৰ

বেদীত উছৰ্গা কৰা তেজেৰে মিহলি চাউলখিনি আন চাউলৰ সৈতে মিহলাই থেতেলিয়াই মৰা ছাগলীটোৰ পৰিয়ালৰ বাবে ৰখা অংশটো আৰু পূৰ্বপুৰুষৰ নামত আহুতি দিয়া মূৰ্গীৰ মাংসৰ খিচিৰি বনাই পৰিয়ালৰলোকৰ মাজত পৰিবেশন কৰা হয়।

আত্মীয় তথা গাওঁবাসীৰ পৰা সংগ্ৰহিত ছাগলী, গাহৰি আৰু মূৰ্গীৰ পিছৰ অংশবোৰ মৃতকৰ পৰিয়াল তথা আত্মীয়ৰ বাবে ৰাখি সন্মুখৰ ভাগবোৰ কাটি দুটা ভাগত কৰা হয়। ইয়াৰে এটা ভাগ ৰান্ধি সমজুৱাৰ মাজত পৰিবেশন কৰা হয় আৰু আনটো ভাগ গাওঁবাসীৰ মাজত ভগাই দিয়া হয়। এনেদৰেই মৃতকৰ অন্ত্যেষ্টিক্ৰিয়াৰ সকলো বিধি শেষ হয়।

যদি জনম চৌতিয়ৌৰ অথবা চাচো চৌতিয়ৌৰ পতাৰ আগেয়ে নৱজাতকৰ মৃত্যু ঘটে, তেন্তে সেই মৃতদেহ পুতি থোৱা হয়। তেওঁলোকৰ ভাগুানো পালন কৰা নহয়। গৰ্ভৰস্থাত কোনো মহিলাৰ মৃত্যু ঘটিলে, তেওঁৰ সন্তানটো বাহিৰ কৰি গৰু অহাযোৱা কৰা ৰাস্তাত গাঁত খাণ্ডি পুতি থোৱা হয়। বিশ্বাস কৰা হয় যে এনেকৰিলে মৃত শিশুটিৰ আত্মাই চূৰিণ ৰূপ লৈ মানুহৰ অপকাৰ কৰিব নোৱাৰে। মহিলা গৰাকীক দাহন নকৰি ভৰিৰ পতাত লোৰ গজাল মাৰি সমাধি দিয়া হয়। দুৰ্ঘটনাজনিত কাৰণবশতঃ আৰু সৰ্প দংশনত তথা পানীত পৰি মৰা বা অপঘাতী মৃত্যুৰ ক্ষেত্ৰত মৃতদেহ পুতি থোৱা হয় যদিও ভাগুান বিধি পালন কৰা হয়।

## ধৰ্মীয় লোকাচাৰ আৰু লোকবিশ্বাস ঃ

চাওঁতালসকলে জগতখনক অদৃশ্য আলৌকিক সত্তা আৰু শক্তিৰ স্থল বুলি বিশ্বাস কৰে। এই শক্তি সমূহ বিভিন্ন প্ৰকাৰৰ। তেওঁলোকৰ বিশ্বাস এই আলৌকিক সত্তাবোৰৰ মাজতে তেওঁলোকে নিৰন্তৰ উঠা-বহা কৰি জীৱন নিৰ্বাহ কৰি আছে। এক কথাত ক'বলৈ হ'লে, চাওঁতালসকলে কেৱল তেওঁলোকৰ জনজাতীয় সমাজখনত বসবাস নকৰে, তদুপৰিও আলৌকিক সত্তাৰে পৰিপূৰ্ণ আন এখন বৃহৎ সমাজৰো তেওঁলোক অংশীদাৰ।[২২] চাওঁতাল ইতিহাসত, চাওঁতালসকলে আলৌকিক শক্তি আৰু সত্তাৰ সৈতে ফেৰ মাৰিবৰ বাবে কেতবোৰ বিশ্বাস আৰু ৰীতি-নীতি গঢ়ি তুলিছে। এই সম্পৰ্কত ভি কে কচাৰৰ নিম্নোক্ত মন্তব্যৰ সৈতে একমত হ'ব পাৰি —

*“The Santals have very vague notions about the individualities of supernatural beings or bongas. One of the main reasons for this is that their relationship with these supernatural beings, except the supreme being Thakur, are shrouded with a feeling of taboo, mystery, secrecy and fear”*

**অৰ্থ ঃ** অলৌকিক শক্তি অথবা বঙ্গাৰ ব্যক্তিত্ব সম্বন্ধে চাওঁতালসকলৰ ধাৰণা খুবেই অস্পষ্ট। ইয়াৰ কাৰণ হ’ল পৰম সত্তা ঠাকুৰৰ বাদে আন অলৌকিক সত্তাবোৰৰ সৈতে তেওঁলোকৰ সম্পৰ্ক অতি ৰহস্যময়, গোপনীয়তা, নিষিদ্ধতা আৰু ভয়ৰ অনুভৱেৰে আৱৰি আছে।” [২৩]

চাওঁতাল পৰম্পৰা অনুসৰি, চাওঁতালসকলে আদিতে কেৱল ঠাকুৰ-জিউকহে পূজা-অৰ্চনা কৰিছিল। পাছত তেওঁলোকে মাৰাং বুডু আৰু শেষত চাম্পাত থকা সময়ছোৱাত মোৰেকো-টুৰুইকো, জাহেৰ এৰা আৰু গোসাঁই এৰাক পূজা-অৰ্চনা কৰিবলৈ আৰম্ভ কৰে আৰু জাহেৰথানত তেওঁলোকক প্ৰতিষ্ঠা কৰে। চাওঁতালসকলে সৃষ্টিকৰ্তা, ভূত-প্ৰেত, ৰক্ষক আত্মা, বিয়োগ ঘটা আত্মীয়-কুটুমৰ আত্মা, ডাইনী আদি বুজোৱাৰ বাবে ও বঙ্গা শব্দটো ব্যৱহাৰ কৰে। আনকি হিন্দু দেৱ-দেৱীকো বঙ্গা বুলিয়ে কোৱা হয়। দৰাচলতে, যিকোনো অদৃশ্য শক্তিক বঙ্গা বুলি অভিহিত কৰা হয়। চাওঁতালসকলৰ অভিজ্ঞতা অনুযায়ী এই বিশ্বত এনে ধৰণৰ অনেক দিশ আছে যিবোৰৰ ওপৰত কাৰো নিয়ন্ত্ৰণ নাই অথবা আছে যদিও সেয়া অতি নগণ্য। সি সমূহৰ ফলাফল কোনোৱেও কল্পনা কৰিব নোৱাৰে। সেই হেতু চাওঁতালসকলে বিশ্বাস কৰে যে প্ৰকৃতিৰ গতিবিধিৰ ওপৰত বঙ্গাৰ নিয়ন্ত্ৰণ আছে। যাদু-মন্ত্ৰ অথবা ধৰ্মীয় আচাৰ-ব্যৱহাৰৰ পালনৰ যোগেদিহে বঙ্গাৰ শৰণাপন্ন হ’ব পাৰি। আলৌকিক শক্তি আৰু সত্তাৰ ওপৰত বিশ্বাস কৰা আৰু সেই জগতখনৰ লগত যোগসূত্ৰ স্থাপন কৰি সম্পৰ্ক বজাই ৰখাৰ প্ৰক্ৰিয়াৰ পৰাই চাওঁতাল ধৰ্মৰ সমাজত সৃষ্টি হৈছে বুলি ভাবিব পাৰি। উল্লেখযোগ্য যে বঙ্গাৰসৈতে চাওঁতালসকলৰ সম্পৰ্ক হৈছে ভক্তিমিশ্ৰিত সমীহভাৱ, নিৰ্ভৰশীলতা, সমৰ্পণ আৰু তুষ্টিকৰণৰ। বঙ্গাৰ ওপৰত চাওঁতালসকলৰ বিশ্বাস ইমানেই দৃঢ় যে সেই বিশ্বাস তেওঁলোকৰ জীৱনৰ সকলো দিশতে শিপাই থাকে। চাওঁতাল সমাজৰ এই ধৰ্মীয় বিশ্বাসক ‘বিদীন’ বুলি অভিহিত কৰা হয়।

## অলৌকিক আত্মা আৰু শক্তিৰ ওপৰত থকা বিশ্বাস ঃ

চাওঁতালসকলে ঠাকুৰ-জিউকেই পৰম দেৱতা বুলি বিশ্বাস কৰে। অৱশ্যে কিছুমানে এই দেৱতাক 'চাণ্ড' অর্থাৎ সূর্য্যদেৱতা বুলিও অভিহিত কৰে। চাওঁতালসকলৰ মতে চাণ্ড হৈছে স্বর্গীয় কার্যকলাপৰ সৈতে মানৱৰ সম্পর্কৰ এক স্বর্গীয় নিদর্শন। চাওঁতালসকলৰ মতে ঠাকুৰ-জিউ হৈছে বিশ্বব্রহ্মাণ্ডৰ সৃজনকর্তা আৰু পৰিচালনকাৰী আৰু সেইবাবেই মংগলময় দেৱতা। সেয়ে হে চাওঁতালসকলে প্রত্যেক ৫ম আৰু ১০ম বৰ্ষত ছাগলী বলি দি ঠাকুৰ জিউক পূজা কৰে। ঠাকুৰ-জিউৰ উপৰিও, চাওঁতাল ধর্মীয় বিশ্বাসত উপকাৰী আৰু অপকাৰী দুই ধৰণৰ বঙ্গাক উপাসনা কৰা হয়। তলত সেই সম্পর্কে আলোচনা কৰা হ'ল।

## উপকাৰী বঙ্গা ঃ

### মাৰাং বুড়ু ঃ

মাৰাং বুড়ুয়ে হৈছে সকলো বঙ্গাৰ প্রধান আৰু মাৰাং বুড়ু নিজৰ শক্তিৰ বলত উপকাৰি আৰু অপকাৰি দুয়োধৰণৰ বঙ্গাৰ সৈতে সম্পর্কিত। প্রবাদৰ সৈতে জড়িত হৈ থকা বঙ্গাসকলৰ ভিতৰত এইজন বঙ্গা অন্যতম। মাৰাং বুড়ুৰ নামত হাঁণ্ডি আৰু আহাৰ নিবেদন কৰিহে হাঁণ্ডি খোৱা বা আহাৰ গ্রহণ কৰাৰ প্রথাই চাওঁতালসকলৰ পূর্ব পুৰুষৰ সৈতে থকা মাৰাং বুড়ুৰ সম্পর্কৰ সাক্ষ্য বহন কৰে। মাৰাং বুড়ু চাওঁতালসকলৰ জন্ম কাহিনীৰ সৈতে জড়িত। প্রবাদ অনুযায়ী চাওঁতাল প্রথম দম্পত্তিহাল হিহিড়ী পিপিড়ীত অনাই-বনাই যেতিয়া ঘূৰি ফুৰিছিল, তেতিয়াই তেওঁলোকৰ ওচৰলৈ 'লিটা হাৰামৰ' ছদ্মবেশত মাৰাং বুড়ু আহিছিল। মাৰাং বুড়ুই নিজকে পৰিচয় দিছিল তেওঁলোকৰ ককা বুলি। তেওঁলোকে বিশ্বাস কৰে যে মাৰাং বুড়ুয়েই পিলচু হাৰাম আৰু পিলচু বুঢ়ীক যৌন সংগম কৰিবলৈ আৰু হাঁণ্ডি তৈয়াৰ কৰিবলৈ শিকায়। এই কাৰণেই মাৰাং বুড়ুৰ নামত প্রায় সকলো চাওঁতাল উৎসৱ অনুষ্ঠানতেই হাঁণ্ডি অর্ঘ্য হিচাপে যঁচা হয়। সেই কাৰণে মাৰাং বুড়ুক এগৰাকী মংগলময় দেৱতা হিচাপে চাওঁতাল সমাজে পূজা কৰা দেখা যায়।

গাওঁৰ নাইকিয়ে গাওঁবাসীৰ হৈ মাৰাং বুড়ুক পূজা-অর্চনা কৰে। 'ভিতৌৰ' অর্থাৎ ঘৰত ভিতৰত পতা গোসাঁই থানতো তেওঁক পূজা-অর্চনা কৰা হয়। আনহাতে মৌন্‌ঝিথান আৰু

জাহেৰথানতো তেওঁৰ বাবে বেদী প্ৰতিষ্ঠা কৰি পূজা-অৰ্চনা কৰা হয়। প্ৰত্যেকজন চাওঁতাল ব্যক্তিৰ পৰা তেওঁ অৰ্ঘ্য হিচাপে হাঁণ্ডি লাভ কৰে। দৰাচলতে, মাৰাং বুডুক সামূহিক তথা পাৰিবাৰিক দুয়োটা বঙ্গাৰেই স্বীকৃতি দিয়া হৈছে।

**মোৰেকো-টুৰুইকো ঃ**

মোৰেকো-টুৰুইকো শব্দই সমূহ বুজালেও তেওঁক একক বঙ্গা বুলিয়েই বিবেচনা কৰা হয়। চাওঁতালসকলে বিশ্বাস কৰে যে এই বঙ্গাই গাওঁখনৰ মংগলৰ বিষয়বোৰ নিয়ন্ত্ৰণ কৰে। বৰষুণ, শস্য আৰু ব্যাধি তেওঁ নিয়ন্ত্ৰণ কৰে। সকলো জাহেৰ পূজাতে এই বঙ্গালৈ বুলি বলি দিয়া হয়। গাওঁৰ ৰাইজে মিলি মোৰেকো-টুৰুইকোলৈ সামূহিক ভাৱে বলি আৰু পূজা আগবঢ়ায়। বিশেষকৈ গাওঁত মহামাৰী বা গৰু-ম'হৰ বেমাৰে দেখা দিলে এই পূজা-অৰ্চনা কৰা হয়। বীজ সিঁচাৰ সময়ত আৰু শাল গছৰ ফুল ফুলাৰ সময়তো কিছুমান পৰিয়ালে তেওঁলোকৰ ঘৰতে ভিতৌৰত মোৰেকো-টুৰুইকোৰ নামত বলি দিয়ে আৰু তেওঁলোকলৈ পূজা আগবঢ়ায়। ব্যক্তি বিশেষেও এনে পূজা-অৰ্চনা কৰা পৰিলক্ষিত হয়। ৰোগৰ সময়ত পূজা আগবঢ়াম বুলি প্ৰতিশ্ৰুতি দিয়া পৰিয়ালে এনেধৰণৰ পূজা আগবঢ়ায়। উল্লেখযোগ্য যে মোৰেকো-টুৰুইকোই হৈছে এনে এক জাহেৰ বঙ্গা যাৰ বাণীসমূহ ওঝাৰদ্বাৰা গোৰা হয়।

**জাহেৰ এৰা ঃ**

চাওঁতাল সমাজত জাহেৰ এৰাক মোৰেকো-টুৰুইকোৰ ভগ্নি বুলি উপাসনা কৰা হয়। চাওঁতালসকলৰ বিশ্বাস মতে, এই দেৱীগৰাকীয়ে জাহেৰথানৰ পদাধিকাৰী আৰু তেৱেঁই জাহেৰথানৰ অইন বঙ্গাবিলাকক চোৰা চিতা কৰে আৰু ভাল শস্য আৰু গাওঁবাসী তথা গৰু-ম'হৰ সু-স্বাস্থ্যৰ বাবে এই দেৱীগৰাকীক সাধাৰণতে সকলো উৎসৱতে পূজা কৰা হয়।

জাহেৰ এৰা আৰু মোৰেকো টুৰেইকো বাহা বা পুষ্প উৎসৱৰ সৈতে নিবিড় ভাৱে জড়িত আৰু দুয়োজনকে জাহেৰথানত একেখন চালিতে প্ৰতিষ্ঠা কৰা হয়। জাহেৰ এৰা সম্পৰ্কত বুচাননৰ মন্তব্য এনে ধৰণৰ —

*"The most common objects of their worship are Marang Burha, old man, Marako his younger brother, and their sister Jaher Burhi, an old good natured creature, who never does them any harm. Man (1867) describes them as 'the five brother and the one sister', while Hunter(1868) writes maniko for Moreko Tureiko and describes him as ' the husband as well as brother of the female deity in the triad, Jaher Era.' Neither Kolean Haram nor Bodding throw any light on the curious numeral-five-six which comprise their name, but C.L.Mukherjee (1945) notes from Mayurbhanj, 'another village deity is Moreko Tureiko who is now a single entity but addressed in the plural. The Santhal believes that there were five brothers (more-five) who were wedded to six sisters (turui-six) named Dangi, Pungi, Hisi, Dumni, Chita, and Kapra. They were supposed to preside over the welfare of the village. His younger sister, Gosae Era, constitute a separate deity of the Jaherthan; Jaher Era, another sister of Moreko is the goddess of the Jaherthan named after her"*[২৪]

**অৰ্থ ঃ** তেওঁলোকৰ আটাইতকৈ বেছি পূজা কৰা বঙ্গাজন হৈছে মাৰাং বুড়ু, এজন ভাল বুঢ়া মানুহ, মাৰাকো, তেওঁৰ সৰু ভাতৃ, তেওঁলোকৰ ভগ্নি জাহেৰ বুঢ়ী, এগৰাকী ভাল প্ৰবৃতিৰ আত্মা, যিয়ে চাওঁতালসকলৰ একো ক্ষতি নকৰে। মনে (১৯৬৭) তেওঁলোকক 'পাঁচ গৰাকী ভাতৃ আৰু এগৰাকী ভগ্নি' বুলি বৰ্ণনা কৰিছে, আকৌ হান্টাৰে (১৮৬৮) মোৰেকো টুৰেইকোক মাণিকো বুলি লিখি তেওঁক 'জাহেৰ এৰা দেৱীৰ স্বামী আৰু ভাতৃ বুলি বৰ্ণনা কৰিছে'। কলিয়ান হাৰাম বা বডিং কোনোৱেই মোৰেকো-টুৰুইকো (পাঁচ-ছয়) নামৰ সৃষ্টিৰ আঁৰৰ ৰহস্যৰ ওপৰত আলোকপাত কৰা নাই, কিন্তু চি এল মুখাৰ্জীয়ে (১৯৪৫) য়ে 'ময়ুৰভঞ্জ'ত লিখিছে যে 'আন এগৰাকী গ্ৰাম্য দেৱতা যাক এতিয়া একক সত্তা হিচাপে বিবেচনা কৰা হয়

যদিও বহুবচনতহে তেওঁক সম্বোধন কৰা হয়। চাওঁতালসকলে বিশ্বাস কৰে যে পূৰ্বতে পাঁচ গৰাকী ভাতৃ আছিল (মোৰে-পাঁচ) যিয়ে ছয় গৰাকী ভগ্নি (টুৰুই-ছয়) ক বিয়া পাতে যাৰ নাম হৈছে ডাংগি, পুংগি, হিচি, দুন্নি, সিতা আৰু খাপ্রা'। এই দেৱ-দেৱীয়ে গাওঁৰ কল্যাণৰ দায়িত্ব লয় বুলি বিশ্বাস কৰা হয়। তেওঁৰ সৰু ভগ্নি, গোসাঁই এৰাক জাহেৰথানৰ এগৰাকী পৃথক দেৱী হিচাপে প্রতিষ্ঠিত বুলি ধৰা হয়; মোৰেকোৰ আন এগৰাকী ভগ্নি, জাহেৰ এৰাৰ নামত জাহেৰথান নামকৰণ কৰা হৈছে।

**গোসাঁই এৰা ঃ**

এই গোসাঁই এৰাৰ উৎপত্তি সম্বন্ধে কোনো বিশেষ প্ৰবাদ নাই। কিছুমানে এইগৰাকী দেৱী জাহেৰ এৰাৰ ভগ্নি হ'ব পাৰে বুলি অনুমান কৰে। জাহেৰথানৰ এডাল মহুৱা গছ হৈছে তেওঁৰ প্ৰতীক। বাহা বা পুষ্প উৎসৱৰ সময়ত জাহেৰথানত তৈয়াৰ কৰা দুটা বেদীৰ এটা গোসাঁই এৰাৰ বাবে তৈয়াৰ কৰা হয়। এই বঙ্গাজনক শুভ আত্মা বুলি বিবেচনা কৰা হয় আৰু জাহেৰৰ সকলো পূজা-অৰ্চনাত নাইকিয়ে মূৰ্গী বলি দি এইগৰাকী বঙ্গালৈ পূজা অৰ্চনা কৰে। সাধাৰণতে, কষ্ট-যাতনা আদিৰ পৰা ৰক্ষা পাবলৈ চাওঁতালসকলে এই গৰাকী দেৱীৰ পূজা কৰে।

ওপৰত বৰ্ণনা কৰা সকলো জাহেৰ বঙ্গা হৈছে প্ৰতিজন চাওঁতালে পূজা কৰা বঙ্গা, যদিওবা জাহেৰথানত কৰা পূজা গাওঁ বিশেষৰ পূজা বুলি বুজা যায়। মাৰাং বুডু, মোৰেকো টুৰুইকো আৰু জাহেৰ এৰা পৰস্পৰৰ সৈতে সম্পৰ্কিত যাৰ বাবে পৱিত্ৰ জাহেৰ থানত তেওঁলোকক প্ৰতিষ্ঠা কৰা হয়। জাহেৰ থানত স্থাপন কৰা দুখন বেদীৰ এখনত মাৰাং বুডু, মোৰেকো টুৰুইকো আৰু জাহেৰ এৰা আৰু আনখনত গোসাঁই এৰাক প্ৰতিষ্ঠা কৰা হয়।

**পৰগণা বঙ্গা ঃ**

পৰগণা বঙ্গাৰ গুৰুত্ব চাওঁতালসকলৰ মাজত তাৎপৰ্য্যপূৰ্ণ। জনবিশ্বাস মতে, তেৱেঁই সকলো বঙ্গাৰ গুৰু আৰু সকলো ডাইনীৰো তেৱেঁই গৰাকী আৰু সেয়ে আটাইতকৈ সন্মানীয় বুলি তেৱেঁই পূজিত। বিশ্বাস অনুসৰি ডাইনীবিলাকৰ ওপৰত পৰগণা বঙ্গাৰ এক বিশেষ কৰ্ত্তৃত্ব

থাকে। ডাইনীবোৰে সিহঁতৰ অভিযানৰ বাবে অনুমতি আৰু সফলতাৰ বাবে পৰগণাৰ পৰা আশীৰ্বাদ বিচাৰে। পৰগণা বঙ্গাৰ প্ৰতীক হৈছে শালগছ। গাওঁত কোনোধৰণৰ বেমাৰ-আজাৰ হ'লে ওঝাই এইগৰাকী দেৱতাৰ সন্তুষ্টিৰ বাবে পূজা আগবঢ়ায় যাতে গাওঁখনে সকলো দুখ-দুৰ্গতিৰ পৰা মুক্তি পায়।

জাহেৰথানৰ দেৱ-দেৱীবোৰক জাতীয় দেৱতা বুলি বিবেচনা কৰা হয় আৰু সহৰায়, বাহা, এড়ক জিম, হৌৰিয়াড় চিম আৰু জান্থাৰ বা অগাৰ হোড়ো নাৱাইৰ সময়ত হাঁহ-মূৰ্গী বলি দি তেওঁলোকক পূজা আগবঢ়োৱা হয়। মাৰাং বুডু, মোৰেকো টুৰুইকো, জাহেৰ এৰা আৰু গোসাঁই এৰাক নাইকিয়ে পূজা কৰে। আনহাতে পৰগণা বঙ্গাক তেজ আহুতি দিয়া 'বুল মায়াম' উৎসৱৰ যোগেদি পূজা কৰা হয় য'ত কুদুম নাইকিয়ে নিজৰ উৰুৰ পৰা তেজ আগবঢ়ায়।

**মৌন্‌ঝি বঙ্গা ঃ**

গাওঁৰ সকলোকে অপকাৰী বঙ্গাৰ পৰা ৰক্ষা কৰাৰ বাবে বিশেষ ভাৱে সক্ৰিয় বঙ্গা হৈছে মৌন্‌ঝি বঙ্গা। পৰগণা বঙ্গাৰ তলতে এইগৰাকী বঙ্গাক স্থান দিয়া হৈছে। এইগৰাকী বঙ্গাই গাওঁৰ প্ৰকৃত প্ৰতিষ্ঠাপক আৰু প্ৰতিষ্ঠাপকৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ সক্ৰিয় গাওঁবুঢ়ালৈকে গাওঁৰ সকলো মৌন্‌ঝিৰ আত্মাৰ প্ৰতিনিধি। মৌন্‌ঝি বঙ্গাজনে মৌন্‌ঝিথানত বাস কৰে আৰু এডাল কাঠৰ খুটাৰ তলত প্ৰতিষ্ঠা কৰা এটা শিলক তেওঁৰ প্ৰতীক বুলি ধৰা হয়। প্ৰমুখ উৎসৱ-পাৰ্ৱণৰ সময়ত মৌন্‌ঝিথানত মৌন্‌ঝি হাৰাম বঙ্গালৈ অৰ্ঘ্য আগবঢ়োৱা হয়। লোকবিশ্বাস মতে এই বঙ্গা গৰাকীয়ে গাওঁৰ মৌন্‌ঝিৰ মূখ্য পৰামৰ্শ দাতা হিচাপে কাম কৰে আৰু পূৰ্বৰ মৌন্‌ঝিসকলে বৰ্তমানৰ গাওঁবুঢ়াৰ ৰক্ষক আত্মা হিচাপে কাম কৰে। গাওঁৰ মুখীয়াল হিচাপে ভাৰ পোৱা মৌন্‌ঝিজনে সেই উত্তৰপুৰুষসকলৰ সৈতে বিধিবতঃ যোগসূত্ৰ স্থাপন কৰাৰ পাছতহে কাৰ্য্যভাৰৰ বৈধতা লাভ কৰে। মৌন্‌ঝি বঙ্গাজনক শুভ দেৱতা বুলি বিবেচনা কৰা হয় আৰু গাওঁৰ সামূহিক কল্যাণৰ সৈতে এইজনা বঙ্গা জড়িত। তদুপৰি গাওঁৰ মুখিয়াল আৰু তেওঁৰ পৰিয়ালৰ কল্যাণৰ দায়িত্বও মৌন্‌ঝি বঙ্গাৰ হাততে থাকে।

**আব্‌গে বঙ্গা ঃ**

প্ৰতিটো বংশৰে নিজাকৈ আব্‌গে বঙ্গা থাকে। এই বঙ্গা হৈছে শুভচিন্তক। এই বঙ্গাবোৰক অতি পৱিত্ৰ বুলি বিবেচনা কৰা হয় আৰু এই বঙ্গাই পাৰ্থিৱ সুখ-শান্তি প্ৰদান কৰে। আপদে-বিপদে পৰিয়ালক উদ্ধাৰ কৰাৰ বাবেও এইগৰাকী বঙ্গাক পূজা আৰু হয়। ঘৰুৱা দুখ-দূৰ্দশা আৰু বেমাৰ-আজাৰৰ সময়ত চাওঁতালসকলে এই বঙ্গাকে পূজা কৰে। লোকবিশ্বাস মতে এই বঙ্গাই শস্য পথাৰ আৰু পাৰ্থিৱ সা-সম্পত্তিৰো চোৱা-চিতা কৰে।

আব্‌গে বঙ্গাৰ বিষয়টো অতি ব্যক্তিগত বিষয় হোৱা হেঁতুকে তেওঁলোকৰ নাম কোনো কাৰণতে ৰাজহুৱা কৰা নহয়। আব্‌গে বঙ্গাৰ নাম কেৱল পৰিয়ালৰ মূৰব্বীজনেহে গম পায় আৰু মৃত্যুৰ আগেয়ে তেওঁৰ ডাঙৰজন সন্তানৰ কাণত সেই নাম প্ৰকাশ কৰে। চাওঁতালসকলে বিশ্বাস কৰে যে আব্‌গে বঙ্গাৰ নাম কিবাকৈ আন ব্যক্তিৰ কাণত পৰিলে পৰিয়ালৰ হানি হ'ব পাৰে। আব্‌গে বঙ্গাৰ নাম যাতে মহিলাৰ কাণত নপৰে তাৰ বাবে যথেষ্ট সাৱধানতা অৱলম্বন কৰা হয়। কিয়নো কিবা কাৰণবশতঃ এগৰাকী ডাইনীয়ে যদি আব্‌গে বঙ্গাৰ নাম জানিবলৈ পায়, তেন্তে পৰিয়ালৰ সদস্য মৃত্যু মুখতো পৰিব পাৰে। এনে ক্ষেত্ৰত পৰিয়ালক উদ্ধাৰ কৰাৰ বাবে ওঝাক মাতি আনি হাঁহ-মূৰ্গী বলি দিয়া হয়।

চাওঁতালসকলে উপৰোক্ত বঙ্গা সকলোলৈ বছৰত এবাৰ এড়ক চিম উৎসৱৰ সময়ত পূজা আগবঢ়ায়। এড়ক চিমৰ সময়ত এই পূজা ভাগ আগবঢ়াব নোৱাৰা জনে এয়া সহৰায় উৎসৱৰ সময়ত আগবঢ়ায়। উইহাফলুৰ কাষৰ মুকলি স্থানত এই পূজাৰ বাবে বলি দিয়া ব্যৱস্থা কৰা হয়। এনে অৱস্থানৰ অভাৱ হ'লে উইহাফলুৰ মাটি এচপৰা কাটি আনি বলি দিবলগা ঠাইত দিয়া হয়। ভেড়া, গাহৰি আদি এই পৰ্বত বলি দিয়া হয়। এই বলিৰ মাংস মহিলাক কোনো কাৰণতে খাবলৈ দিয়া নহয়। উপস্থিত থকাসকলে বলিৰ মাংস খাই শেষ কৰিব নোৱাৰিলে অৱশিষ্টখিনি জ্বলাই দিয়া হয়। এইয়া প্ৰেতাত্মাৰ শক্তি আৰু যাদু-মন্ত্ৰৰ পৰা বাচি থাকিবৰ বাবে কৰা হয়।

বলিৰ বাবে নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট দিনটোৰ আগদিনা বলিবিধিত ভাগ ল'বলৈ ওলোৱাসকলে শুদ্ধিকৰণৰ বাবে গা ধোৱে। বলি বিধি পালন কৰাজনে উপবাসে থকাৰ উপৰিও মাটিত শুব লাগে আৰু সহবাসত লিপ্ত হ'ব নালাগে। পৰবৰ্তী দিনত ব্যক্তিজনৰ

পত্নিয়ে গা ধুই উঠি অলপ আৰৈ চাউলৰ গুড়ি স্বামীৰ হাতত দিয়ে আৰু তাৰ লগতে এখন পাতত সেন্দুৰ আৰু আন এখন পাতত তেল দি পঠায়। এইখিনি লৈ তেওঁ উইহাফলুৰ পৰা মাটি আনিবলৈ যায় আৰু সেয়া গোহালিলৈ লৈ আহে। উপস্থিত সকলোৰে আগত দায়িত্ব লোৱা ব্যক্তিজনে আৰৈ চাউলৰ গুড়িৰ এটা বেদী তৈয়াৰ কৰে আৰু ঠাইখন গোবৰেৰে মচি লয়। বেদীৰ মাজত এটা গাঁত কৰি তাত আৰৈ চাউলৰ গুড়িৰ দম এটা কৰা হয়। বেদীৰ মাজত থকা আৰৈ চাউলৰ গুড়ি বলি দিবলগীয়া প্ৰাণীটোক খাবলৈ দিয়া হয় আৰু তাৰ পাছত আব্গে বঙ্গাক স্মৰণ কৰি প্ৰাণীটো বলি দিয়া হয়। বলি দিয়া প্ৰাণীটোৰ মাংসখিনি খিচিৰি ৰন্ধা হয় আৰু ঠাইতে পৰিৱেশন কৰা হয়। খোৱা হৈ যোৱা পাছত অৱশিষ্টখিনি নিজ নিজ ঘৰলৈ লৈ যোৱা হয়।

**হাপ্ৰামক' বঙ্গা ঃ**

প্ৰতিটো চাওঁতাল পৰিয়ালে তেওঁলোকৰ পূৰ্ব পুৰুষৰ আত্মাক পূজা কৰে। উক্ত আত্মাক হাপ্ৰামক' বঙ্গা বুলি কোৱা হয়। পূৰ্ব পুৰুষসকলক পূজা কৰাৰ সম্বন্ধে তেওঁলোকে বিশ্বাস কৰে যে এজন ব্যক্তিৰ মৃত্যুৰ লগে লগে তেওঁৰ সামাজিক ব্যক্তিত্ব লোপ নাপায়, তাৰ সলনি ৰূপৰ পৰিৱৰ্তনহে হয়। আচলতে আত্মাই দেহ ত্যাগ কৰাৰ পাছত বঙ্গাৰ ৰূপ লয় বুলি চাওঁতাল সকলে ধাৰণা কৰে। অন্ত্যেষ্টিক্ৰিয়াৰ বিধি সম্পন্ন কৰাৰ পাছত এজন ব্যক্তি হাপ্ৰামক' বঙ্গা হৈ পৰে। ঘৰুৱা যি কোনো সমস্যাত এই বঙ্গাবোৰে পৰিয়ালৰ সদস্যবোৰৰ মাজৰ এজনৰ দৰে পৰিয়ালক সহায় কৰে বুলি চাওঁতালসকলে বিশ্বাস কৰে। পৰিয়ালৰ জীৱিত সদস্যকসকলৰ কল্যাণ নিশ্চিত কৰাটোয়ে এনে বঙ্গাৰ দায়িত্ব। পূৰ্বপুৰুষক কৰা পূজা-অৰ্চনাই প্ৰয়াতজনৰ স্মৃতি সজীৱ কৰি ৰখাত সহায় কৰে। ব্যক্তিগত বা ৰাজহুৱা, সকলো উৎসৱতে তেওঁলোকক শ্ৰদ্ধা অৰ্পণ কৰা হয় আৰু বিশেষ অৰ্ঘ্য যঁচা হয়। সকলো সামাজিক উৎসৱত তেওঁলোকৰ আশীষ বিচাৰি আহ্বান জনোৱা হয়। সহৰায় উৎসৱৰ সময়ত, পূৰ্বপুৰুষৰ স্মৃতিত প্ৰতিটো পৰিয়ালেই মূৰ্গী, হাঁণ্ডি আদি ব্যক্তি জনৰ নাম উল্লেখ কৰি আগবঢ়ায়। এজন ব্যক্তিয়ে যদি সহৰায়ৰ সময়ত মূৰ্গী বলি দি পূজা আগবঢ়াব নোৱাৰে তেন্তে তেওঁ সেইভাগ পূজা বাহা উৎসৱৰ সময়ত দিয়ে। মূৰ্গী বলি দিয়া যদি সম্ভৱ হৈ নুঠে, তেন্তে বাহা আৰু এড়ক চিম উৎসৱত মাথো হাঁণ্ডি অৰ্পণ

কৰে। ঘৰৰ জেষ্ঠ্য পুৰুষজনে পুৰোহিত হিচাপে কাম কৰে। ঘৰত কোনো পুৰুষ সদস্য নাথাকিলে, পৰিয়ালৰে সগোত্ৰীয়ৰ এজনক সেই পূজাভাগ কৰিবলৈ কোৱা হয়। বলি দিয়াৰ সময়ত 'ভিতৌৰ' ভালদৰে পৰিষ্কাৰ কৰি গৰুৰ গোবৰেৰে মচি নিকা কৰি লোৱা হয়। পুৰোহিতৰ দায়িত্ব লোৱাজনৰ ওপৰত কোনো ধৰণৰ নিষেধাজ্ঞ নাথাকে যদিও বলি দিয়াৰ আগদিনা তেওঁ উপবাসে থকাৰ নিয়ম আছে আৰু শুদ্ধিকৰণৰ অৰ্থে গা ধুব লাগে। পুৱাৰ ভাগত বলিবিধি পৰিচালন কৰিবলৈ ওলোৱা ব্যক্তিজনৰ পত্নীয়ে আৰৈ চাউলৰ গুৰিৰ আধা স্বামীক দি বাকীখিনি পিঠা তৈয়াৰ কৰাৰ বাবে ৰাখে। পৰিয়ালৰ সকলো সদস্য ভিতৌৰত একগোট হয় আৰু বেদী প্ৰস্তুত কৰা হয়। এই পূজাত সেন্দুৰৰ ব্যৱহাৰ কৰা নহয় আৰু মূৰ্গীটো পোনে পোনে বলি নিদি তাৰ গল ৰেপি দিয়া হয় যাতে অলপ তেজ মজিয়াৰ বেদীত থকা চাউলৰ গুড়িত পৰে। বলি দিয়াৰ পাছত পূৰ্বপুৰুষসকলক বঙ্গাক বলিৰ আহাৰৰ লগতে হাঁণ্ডি গ্ৰহণ কৰিবলৈ উপাসনা কৰা হয়। উপস্থিত সকলেও এই পৰিৱেশনৰ পৰ্বত ভাগ লয়। সাধাৰণতে এই পূজাত ঘৰৰ পৰিয়ালৰ বাহিৰে আন কোনো লোকে অংশ গ্ৰহণ কৰা দেখা নাযায়।

## অপকাৰী বঙ্গা ঃ

### সীমা বঙ্গা ঃ

সীমা বঙ্গা হৈছে গাওঁৰ সীমাত থকা বঙ্গা যিসকলক কুদুম নাইকিয়ে নিৰ্দিষ্ট দিৱসত পূজা কৰে। কিবা কাৰণত সীমা বঙ্গাই তেওঁ পৰিয়ালৰ প্ৰতি বিপদ ঘটোৱাৰ আশংকা যদি ওঝাই প্ৰকাশ কৰে, তেনে পৰিস্থিতিত ওঝাৰ যোগেদি সীমা বঙ্গালৈ বলি আগবঢ়োৱা হয়। সীমা বঙ্গাই মানুহক পথাৰত সাঁপৰ খোট খুৱাব পাৰে বা অইন জন্তুৰ দ্বাৰা মানুহক আক্ৰমণ কৰাব পাৰে, সেই আশংকা সকলোৰে মনত থাকে। গাওঁৰ সীমাত থকা গছ এই বঙ্গাৰ বাসস্থান হিচাপে গণ্য কৰা হয়। এই বঙ্গাবোৰক খুব হিংস্ৰ বুলি জনা যায় আৰু মূৰ্গী আদি বলি দি বছৰত দুবাৰকৈ পূজা কৰা হয়। এই বঙ্গা ইমানে ভয়ংকৰ যে মানুহৰ তেজেৰেও তেওঁলোকক পূজা কৰিব লগা হয়। বলিৰ বিধি অনুযায়ী মন্ত্ৰোচ্চাৰণেৰে ৰ'দত শুকুৱা চাউলৰ গুড়ি শাল গছৰ পাতেৰে তৈয়াৰী 'ফুৰুক'ত তেজেৰে সৈতে মিহলি কৰি এনে গছৰ ওচৰত ৰখা হয়।

**বাহৰে বঙ্গা ঃ**

চাওঁতাল গাওঁৰ আশে-পাশে বসবাস কৰি থকা দেৱতাবোৰেই হৈছে বাহৰে বঙ্গা। পৰম্পৰাগত বিশ্বাস অনুসৰি এই বঙ্গাবোৰ দলং, খাল-বিল, জান-জুৰি, নিজান ঠাই (ঘৰ, মাটি গছ ইত্যাদি), গছৰ মূঢ়া, পুৰণি শ্মশান, মাটিত থকা গাত, টিলা, পিতনি আদিত থাকে। এই বঙ্গাবোৰে মৰীচিকাৰ সৃষ্টি কৰি তৃষ্ণাতুৰ লোকক আওবাটে লৈ যায়। যেতিয়া তৃষ্ণাতুৰ ব্যক্তিজনে জলাশয়ৰ কাষ পায়, সেই ক্ষণতে বাহৰে বঙ্গাই জলাশয় অদৃশ্য কৰি মানুহৰজনৰ ৰং চায়। আহুতি আগবঢ়োৱাৰ কথা দিলেহে সেই মৰিচীকা নাইকিয়া হৈ পৰে আৰু সেই ঠাইত পানী ওলায়। এই বঙ্গাবোৰে আলৈ-আথানি কৰাৰ ভয়তে গাওঁৰ মানুহে এনে বঙ্গা থকা ঠাইৰ পৰা দূৰতে বিদূৰ হৈ থাকে। এই বঙ্গাসকলক সন্তুষ্ট কৰাৰ বাবে জাহেৰ উৎসৱৰ সময়ত এক সামূহিক বলি বিধানৰ ব্যৱস্থা কৰা হয়।

হৌৰিয়াড় চিম আৰু সহৰায় উৎসৱৰ সময়ত তেওঁলোকৰ সন্মানাৰ্থে গাওঁত মূৰ্গী বলি দিয়াৰ ব্যৱস্থা কৰা হয় আৰু মহিলাৰ বাদে উপস্থিত গাওঁবাসীয়ে ৰন্ধা মাংসৰ ভাগ লয়। বেমাৰৰ ক্ষেত্ৰত, ওঝাই অলৌকিক উপায়ে জনাৰ চেষ্টা কৰে যে উক্ত ৰোগৰ বাবে বাহৰে নে সীমা বঙ্গা দায়ী। সেয়া জনাৰ পাছত তেওঁ ৰোগীজনৰ পৰিয়ালৰ হৈ অৰ্ঘ্য আগবঢ়ায়। এনে ক্ষেত্ৰত কেতিয়াবা ওঝাজনে 'বুল মায়াম' উৎসবো পতা দেখা যায়।

**বুডু বঙ্গা ঃ**

চাওঁতালসকলে বিশ্বাস কৰে যে তেওঁলোকৰ চাৰিওফালে থকা পাহাৰবোৰ কিছুমান বঙ্গাৰ বাসস্থান আৰু সেই পাহাৰবোৰৰ নাম অনুযায়ী সেই বঙ্গাবোৰৰ নাম ৰখা হয়। এই বঙ্গাবোৰে পূজা নাপালে শস্য পথাৰ নষ্ট কৰা আৰু দুৰ্ঘটনা ঘটোৱাৰ বাবে দায়ী বুলি বিবেচনা কৰা হয়। চাওঁতাল এজনে দীঘলীয়া যাত্ৰাৰ বাবে ৰাওনা হ'লে, যাত্ৰাকালত যাতে কোনোধৰণৰ অপায়-অমংগল নঘটে তাৰ বাবে বুডু বঙ্গালৈ প্ৰায়ে মূৰ্গী অথবা ছাগলী বলি দিয়ে। তদুপৰি খৰাং পৰিস্থিতি আদিৰ উদ্ভৱ হ'লেও সেই বঙ্গাবোৰলৈ পূজা আগবঢ়োৱা দেখা যায়।

**ডাক বঙ্গা ঃ**

পুখুৰী, জান-জুৰি, নদ-নদী আদিত এনে জলদেৱী বাস কৰে বুলি চাওঁতালসকলে বিশ্বাস কৰে। এই দেৱীবোৰে ধুনীয়া চাওঁতাল ছোৱালীৰ ছদ্মবেশ ধাৰণ কৰি বিয়া পতাৰ প্ৰলোভনেৰে ডেকা ল'ৰাক লৈ যায়।

**ৰংগো ৰুজি বঙ্গা ঃ**

পুৰণি কালত চাওঁতালসকলে জীৱন নিৰ্বাহৰ একমাত্ৰ সমল হিচাপে কেৱল ধেনুকাঁড় ব্যৱহাৰ কৰিছিল। পৰম্পৰা অনুযায়ী, বাৰ্ষিক চিকাৰ (দিচম চেন্দ্ৰা) হৈছে চাওঁতালসকলৰ এক গুৰুত্বপূৰ্ণ উৎসৱ। চিকাৰৰ মূল পুৰোহিত 'দিহিৰী' জনেই চিকাৰৰ বাবে দায়বদ্ধ। তেৱেঁই চিকাৰৰ সময়ত বাধা-বিঘিনিৰ পৰা বাচি থকাৰ বাবে প্ৰয়োজনীয় পূজা-অৰ্চনাৰ ব্যৱস্থা কৰে। চিকাৰৰ দিনটো অহাৰ আগৰ দিনকেইটাত আৰু বিশেষকৈ চিকাৰৰ আগদিনা বিভিন্ন বঙ্গালৈ মূৰ্গী বলি দিয়া হয় যাতে সিহঁতে চিকাৰৰ সময়ত কোনো ধৰণৰ আহুকাল হ'বলৈ নিদিয়ে। এনেকৈ পূজা আগবঢ়োৱা বঙ্গাসকলৰ ভিতৰত এজন হৈছে ৰংগো ৰুজি বঙ্গা। 'টেৰেল' নামৰ এডাল বিশেষ গছত এই দেৱীয়ে বাস কৰে। গছডালৰ তলত বঙ্গাৰ প্ৰতীক হিচাপে এটা শিল ৰখা হয়। এই বঙ্গা যৌনতাৰ বিষয়ত আগ্ৰহী আৰু অশালীন গীত-মাতেৰে তেওঁক সন্তুষ্ট কৰাতো খুবেই প্ৰয়োজনীয়। তেওঁ সন্তুষ্ট নহ'লে চিকাৰৰ সময়ত অঘটন ঘটাব পাৰে। যৌনতাৰ বিষয়ত কথা-বতৰা পতা আৰু তেনে বিষয়ৰ শব্দ উচ্চাৰণ কৰাৰ ওপৰত থকা নিষেধাজ্ঞা আৰু জৰিমনা আদি এই বঙ্গাৰ পূজাৰ সময়ত উঠাই লোৱা হয় আৰু সকলোৱে সেয়েহে আমোদ পায়। কেতিয়াবা তেওঁ ঋতুমতী হোৱা মহিলাৰ তেজো অৰ্ঘ্য হিচাপে দাবী কৰে। বন্ধ্যাত্যৰ সমস্যা আৰু দৰৱৰ যোগে সুফল নোপোৱাৰ ক্ষেত্ৰত মহিলাই ওঝাৰ কাষলৈ যায় আৰু কোন বঙ্গাৰ প্ৰভাৱত এনে হৈ আছে সেই কথাৰ অনুমান কৰে। এনে ক্ষেত্ৰত ৰংগো ৰুজিৰ পূজা কৰা হয়।

**বাঘুত বঙ্গা ঃ**

এই বঙ্গা হ'ল বাঘ-ঘোঙৰ মুখত পৰি মৃত্যু হোৱা লোকৰ দুষ্ট আত্মা। এনে বঙ্গা অসন্তুষ্ট হ'লে বাঘ-ঘোঙৰ ছদ্মবেশত আহি মানুহক আক্ৰমণ কৰে বুলি লোকবিশ্বাস প্ৰচলিত। এই বঙ্গাক সন্তুষ্ট কৰি বিপদৰ পৰা আঁতৰত ৰখাৰ বাবে ওঝাৰ প্ৰশিক্ষণ লৈ থকা ডেকাসকলে প্ৰতি বছৰে দাঁশাই উৎসৱৰ সময়ত বাঘুত বঙ্গাৰ ৰূপ ধাৰণ কৰে। এই বঙ্গাৰ ৰূপ ধাৰণ কৰা জনৰ সন্মুখত বলিৰ বাবে থোৱা মুৰ্গী মুকলি কৰি দিয়া হয় আৰু তেওঁ বাঘৰ দৰে দাঁতেৰে কামুৰি মুৰ্গীটো মাৰি পেলায়।

ওপৰৰ সকলো বঙ্গাকে ৰাজহুৱা ভাৱে পূজা কৰা হয় আৰু সেইবোৰক জাতীয় বঙ্গা ৰূপে গণ্য কৰা হয়। এই বঙ্গাবোৰৰ উপৰি, প্ৰত্যেকটো পৰিয়ালৰে নিজাকৈ 'ওৰাক বঙ্গা' অৰ্থাৎ ঘৰুৱা দেৱতা থাকে। কোনো চাওঁতাল লোকে তেওঁলোকৰ ওৰাক বঙ্গাৰ কথা বাহিৰত প্ৰকাশ নকৰে। এই বঙ্গাৰ নাম কেৱল ঘৰৰ ডাঙৰজন পুত্ৰক হে কোৱা হয়।

এই বঙ্গাবোৰৰ লগতে তেওঁলোকে হিন্দু দেৱ-দেৱী, যম-চিম বঙ্গা, চাকেট বঙ্গা, ভূত-প্ৰেত আদিৰ ওপৰতো বিশ্বাস কৰে।

বিভিন্ন ধৰণৰ অলৌকিক আত্মাৰ স্তুতি-মিনতিক কেন্দ্ৰ কৰিয়ে চাওঁতালসকলৰ ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাগত আচৰণবিধি গঢ় লৈ উঠিছে। চাওঁতালসকলে উপকাৰী আৰু অপকাৰী দুয়ো ধৰণৰ বঙ্গাকে পূজা কৰে আৰু সেইবোৰৰ আধাৰতে চাওঁতালসকলৰ ধৰ্মীয় বিশ্বাসৰ ভেঁটি গঢ়লৈ উঠিছে। অলৌকিক শক্তি আৰু মানুহৰ মাজৰ সম্পৰ্ক বুজাবৰ বাবেই ধৰ্ম শব্দটো ব্যৱহাৰ চাওঁতাল সমাজত ব্যৱহাৰ কৰা হয় আৰু বিভিন্ন সংগঠিত বিশ্বাসৰ ব্যৱস্থা আৰু পূজা-পাতল আদিয়ে হৈছে এই সম্পৰ্কৰ অভিব্যক্তি। ধৰ্মীয় বিশ্বাস আৰু অনুভূতিয়ে অইন সাংস্কৃতিক অনুষ্ঠানৰ সৈতে এনেদৰে ক্ৰিয়া কৰে যে আন কোনো সামাজিক পৰিঘটনাই ইমান বৃহৎ পৰিসৰৰ অভিব্যক্তি বহন কৰিব নোৱাৰে।

চাওঁতাল ধৰ্মটো বিমূৰ্ত ধাৰণাৰ ওপৰত আধাৰিত নহয়, ই চাওঁতালসকলৰ সামাজিক গাঁথনিৰ এক অত্যাৱশ্যকীয় অংশ। চাওঁতালসকলৰ ধৰ্মীয় বিশ্বাস আৰু সামাজিক গাঁথনি ইমানেই ওতঃপ্ৰোত ভাৱে সাঙোৰ খাই আছে যে এটা এৰি আনটো বুজা সম্ভৱ নহয়। চাওঁতালসকলে নিজকে এই আত্মা আৰু বঙ্গাৰ মাজতে আবৃত হৈ থকা বুলি বিবেচনা কৰে

যিবোৰে প্ৰতিক্ষণতে আত্মপ্ৰকাশ কৰি মানুহৰ জীৱন আৰু প্ৰকৃতিৰ পৰিৱৰ্তন ঘটায়। চাওঁতালসকলে সেয়ে আত্মাবোৰৰ সৈতে বন্ধুত্বসুলভ সম্পৰ্ক বজাই ৰখাৰ বাবে অনুশীলন কৰাতো খুবেই আৱশ্যকীয় বুলি বিবেচনা কৰে। চাওঁতাল আৰু বঙ্গাবোৰৰ সৈতে তেওঁলোকৰ সম্পৰ্ক বাৰ্ষিক কৃষিচক্ৰৰ প্ৰতিটো ঋতুতে উদযাপন কৰা উৎসৱ-পাৰ্ৱণ, পূজা-পাতল আদিত প্ৰকাশ পায়। বঙ্গাৰ ওপৰত চাওঁতালসকলৰ বিশ্বাস তেওঁলোকৰ জীৱনচক্ৰৰ প্ৰতিটো স্তৰতে প্ৰতিফলিত হয়। জন্ম, অভিষেক, বিবাহ আৰু মৃত্যু- চাওঁতালসকলৰ জীৱনৰ এই চাৰিটা মূল স্তৰৰ সৈতে জড়িত বিভিন্ন সংস্কাৰ আৰু উৎসৱ আদিৰ দুটা স্পষ্ট দিশ চকুত পৰে — এটা হৈছে গৃহস্থৰ আৰু গাওঁবাসীৰ শুদ্ধি কৰণ আৰু আনটো হৈছে অপদেৱতাৰ হাতত পৰি হ'ব পৰা দূৰ্যোগ আদিৰ পৰা সুৰক্ষা লাভ কৰা।

## হিন্দুধৰ্মৰ প্ৰভাৱ ঃ

সংস্কৃতিৰ দৰে ধৰ্মও সাংস্কৃতিক অভিযোজনৰ দ্বাৰা পৰিৱৰ্তনশীল। এই সাংস্কৃতিক অভিযোজন মূলত দুই ধৰণৰ— নিগমন আৰু পোনপটীয়া পৰিৱৰ্তন। পোনপটীয়া পৰিৱৰ্তনক তিনিটা প্ৰমুখ ভাগত ভাগ কৰিব পৰা যায়— আত্মীকৰণ, সংমিশ্ৰণ আৰু প্ৰতিক্ৰিয়া। প্ৰতিক্ৰিয়াৰ ফলাফল স্বৰূপে সম্পূৰ্ণ আত্মীকৰণ সম্ভৱ হৈ নুঠে। কিয়নো পুৰণি সংস্কৃতি সদায়েই মানুহৰ মাজত জীয়াই থাকিবলৈ চেষ্টা কৰে। পৰম্পৰা মতে চাওঁতালসকলে থিতাপি লোৱাৰ পূৰ্বে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ভ্ৰমি ফুৰিছিল। সেয়ে এয়া অতি স্বাভাৱিক যে যি ঠাইৰ লোকৰ সংস্পৰ্শলৈ তেওঁলোক আহিছিল, সেই ঠাইৰ প্ৰভাৱ কম বেছি পৰিমাণে তেওঁলোকৰ ধৰ্ম তথা ভাষা আৰু সংস্কৃতিৰ ওপৰত নপৰাকৈ থকা নাছিল। সেয়ে চাওঁতাল ধৰ্মত স্বাভাৱিকতে হিন্দুধৰ্ম আৰু খ্ৰীষ্টান ধৰ্মৰ প্ৰভাৱ পৰিছিল। হিন্দু ধৰ্মৰ প্ৰভাব তেওঁলোকৰ ওপৰত আছিল লক্ষণীয়। খ্ৰীষ্টান ধৰ্মৰ প্ৰভাৱো এইক্ষেত্ৰত উপেক্ষা কৰিব পৰা নাযায়। কিন্তু আশ্বৰ্য্যজনক ভাৱে ইছলাম ধৰ্মী লোকসকলৰ লগত বহু শতিকা ধৰি সংস্পৰ্শত কটোৱা স্বত্তেও চাওঁতাল ধৰ্মৰ ওপৰত তেওঁলোকৰ ধৰ্মীয় আচৰণ-বিধিৰ বাস্তৱিক প্ৰভাৱ বিচাৰি পোৱা নাযায়। তেৰ শতিকাত ইছলাম ধৰ্মৰ উদ্ভৱ হোৱাৰ এহাজাৰ বছৰ মান পূৰ্বে চাওঁতালসকল হিন্দুসকলৰ সংস্পৰ্শলৈ অহা বুলি জানিবলৈ পোৱা যায়। এই সংস্পৰ্শৰ ফলত চাওঁতালসকলৰ

সামাজিক, অৰ্থনৈতিক, ভাষিক আৰু ধৰ্মীয় দিশত পৰিৱৰ্তন হৈছে। তাৰ প্ৰতিফলনো ঘটিছে চাওঁতালসকলৰ পৰম দেৱতা 'ঠাকুৰ' নামটোৰ ক্ষেত্ৰত, যি শব্দ মুল হিন্দু ধৰ্মৰ বুলি অনুমান কৰিব পাৰি। হিন্দু দেৱ-দেৱী যেনে শিৱ, লক্ষ্মী, পাৰ্ৱতী, ৰাম, কালি, দুৰ্গা আৰু কৃষ্ণ আদিক চাওঁতালসকলে নিজৰ ধৰ্মত আঁকোৱালি হৈছে আৰু তেওঁলোকক পৰম্পৰাগত বঙ্গাৰ শাৰীত স্থান দিছে। হিন্দু ধৰ্মৰ দুৰ্গা পূজাক চাওঁতালসকলে দাঁশাই পৰ্ব হিচাপে পালন কৰে আৰু হিন্দুসকলৰ দৰে চাওঁতালসকলৰ বাবেও এই পূজাৰ আয়োজন আড়ম্বৰপূৰ্ণ হয়। ইয়াত ওঝাৰ ভূমিকাও মন কৰিবলগীয়া। চাওঁতালসকলৰ মাজত ওঝাৰ প্ৰতিষ্ঠাও হিন্দুধৰ্মৰে প্ৰভাৱ। ওঝাই আহ্বান জনোৱা প্ৰায়ভাগ চাকেট বঙ্গাৰ নামেই হিন্দু নামেৰে জনা যায়। আকৌ 'ওঝা' শব্দটোও হিন্দী শব্দাৱলীৰে অন্তৰ্ভূক্ত। চাওঁতালসকলৰ ওঝাই উচ্চাৰণ কৰা প্ৰায়ভাগ মন্ত্ৰ ভোজপুৰী অথবা বাংলা ভাষাৰ অপভ্ৰংশ যেন অনুমান হয়। চাওঁতালসকলে ব্যৱহাৰ কৰা 'মান্তাৰ' শব্দটো সংস্কৃত শব্দ 'মন্ত্ৰ'ৰ পৰা অহা যেন অনুমান হয়। চাওঁতালসকলৰ বিবাহ আৰু অন্ত্যেষ্টিক্ৰিয়াৰ ভালেমান বিধি হিন্দু বিধি-বিধানৰ সৈতে একেই। কইনাৰ শিৰত সেন্দুৰ দিয়া, চিতাত তুলি মৃতদেহ সংস্কাৰ কৰা আদি হিন্দুধৰ্মৰ প্ৰভাৱ বুলিয়ে ক'ব লাগিব। চাওঁতালসকলৰ 'ওড়াক বঙ্গা'ৰ হিন্দু ধৰ্মৰ গৃহ-লক্ষ্মীৰ সৈতে মিল দেখা যায়। তেনেদৰে চাওঁতাল সমাজৰ জাহেৰথানৰ তুলনা হিন্দু ধৰ্মৰ পঞ্চবতিৰ সৈতে কৰিব পাৰি। যদিও গছৰ প্ৰজাতিৰ মাজত পাৰ্থক্য আছে, তথাপি স্থানৰ পৱিত্ৰ স্বৰূপ আৰু গছৰ সংখ্যা একেই হোৱা দেখা যায়। আনহাতে বঙ্গাসকলৰ মূৰব্বী মাৰাং বুড়ুৰ দৰেই হিন্দুধৰ্মতো শিখৰত মহাদেৱ বা শিৱ আছে। গৰুৰ গোবৰ, সেন্দুৰ, হালধি, কড়ি, দূৱৰি বন এইবোৰৰ বিধিগত তাৎপৰ্য চাওঁতাল সমাজত অপৰিহাৰ্য। একেদৰে হিন্দুসকলৰ শক্তি সাধক সকলে হাঁহ, মূৰ্গী বলি দিয়া দৰে চাওঁতালসকলেও অপায়-অমঙ্গল নাশৰ কাৰণে হাঁহ-মূৰ্গী বলি দিয়া দেখা যায়। একেদৰে কইনাৰ শিৰত সেন্দুৰ দিয়া বিধি হিন্দু ধৰ্মৰ বিধিৰ পৰাই অহা বুলি বিশ্বাস কৰিব পাৰি। অৱশ্যে এই কথা স্বীকাৰ কৰিব লাগিব যে দুয়োটা ধৰ্মীয় গোষ্ঠীৰ মাজত পাৰম্পৰিক বিনিময় ইমানেই অধিক যে কোনে কাৰ পৰা কি উপাদান আঁকোৱালি লৈছে সেই কথা স্পষ্টকৈ কৈ দিব পৰা নাযায়, সম্ভৱত 'খেৰৱাড় আন্দোলন'ৰ[২৫] পাছত হিন্দুসকলৰ সংস্কৃতিৰ সৈতে চাওঁতালসকলৰ সাংস্কৃতিক অভিযোজন বৃদ্ধি পায়। সাংস্কৃতিক আভিযোজনৰ

এই আন্দোলনত কেতবোৰ বিশ্বাস আৰু আচৰণবিধি যেনে বিভিন্ন হিন্দু দেৱ-দেৱীক চাওঁতালৰ ধৰ্মীয় বেদীত প্ৰতিষ্ঠা, পাতা আৰু চাতাক চাওঁতালৰ উৎসৱত অন্তৰ্ভূক্ত কৰা, মূৰ্গী আৰু গাহৰিৰ মাংস ভক্ষণ নকৰা, কিছু পৰিমাণে হ'লেও মদ্যপান পৰিহাৰ কৰা আৰু দৈনিক পৰিশুদ্ধিৰ বাবে গা ধুৱা আদিৰ যোগেদি চাওঁতাল সমাজত সামাজিক আৰু ধৰ্মীয় দিশত যথেষ্ট পৰিৱৰ্তন সাধন হৈছে বুলি ক'ব পাৰি। কিন্তু কালক্ৰমত এই আন্দোলনৰ প্ৰভাৱ কমি যোৱাত বৰ্ত্তমান প্ৰায়সংখ্যক চাওঁতালেই নিজস্ব ধৰ্মীয় মূলসুঁতিলৈ উভতি অহা দেখা যায়। কিন্তু ইতিমধ্যে অভিযোজিত কিছুসংখ্যক হিন্দু দেৱ-দেৱী, কেতবোৰ উৎসৱ, বিধি আৰু ধাৰণা আদি চাওঁতালসকলৰ মাজত বিশেষ ভাৱে পৰিৱৰ্তন নোহোৱাকৈয়ে ৰৈ যায়। একেদৰে কেতবোৰ অত্যন্ত প্ৰয়োজনীয় বাৰ্ষিক উৎসৱ-পাৰ্ৱণ আৰু বিধি আদি এতিয়াও হিন্দু ধৰ্মৰ দৰে আড়ম্বৰেৰে উদযাপন কৰা হয়। বৰ্তমান কিছু সংখ্যক চাওঁতাল হিন্দুধৰ্মলৈ ধৰ্মান্তিৰিত হৈছে যদিও তেওঁলোক পূৰ্বৰ ধৰ্মীয় বিশ্বাসৰ পৰা আঁতৰি আহিব পৰা নাই। তেওঁলোকে জনজাতীয় বিশ্বাস আৰু পৰম্পৰা আদি এতিয়াও পালন কৰা দেখা যায়। মুঠতে হিন্দু ধৰ্মৰ সংস্পৰ্শলৈ অহাৰ ফলত চাওঁতালসকলৰ ধৰ্মীয় দিশত সীমিত সংখ্যক পৰিৱৰ্তন হৈছে বুলি ক'ব পাৰি।

## নব্য খ্ৰীষ্টান চাওঁতাল সমাজ ঃ

চাওঁতালসকলৰ বাবে খ্ৰীষ্টান ধৰ্ম আপেক্ষিক ভাৱে নতুন। খ্ৰীষ্টীয় ঊনৈশ শতিকাত আমেৰিকাৰ ফ্ৰী উইল বেপ্টিষ্ট মিছনে প্ৰথমে চাওঁতাল সকলৰ মাজত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰে। এলি নইচ, ১৮৩৮ চনৰ ২৯ ডিচেম্বৰত বংগ আৰু উৰিষ্যাৰ সীমান্তৱৰ্তী কোনো এলেকাৰ ঘন জংগলৰ মাজৰ কোনো এখন সৰু গাঁওলৈ অহাৰ পাছতে চাওঁতাল ইতিহাসত এক নতুন কাৰকৰ অৱতাৰণা হয়। [২৬] ১৮৫৫ চনৰ চাওঁতালসকলৰ দুৰ্দশাযুক্ত বিদ্ৰোহৰ পাছতে মূল মিছনেৰী কাৰ্যকলাপে গতি ল'বলৈ আৰম্ভ কৰে। সেই সময়তে শোষণ আৰু নিপীড়ন ব্যাপক ৰূপ লৈছিল। ১৮৬২ চনৰ গীৰ্জাৰ মিছনেৰী সমাজৰ বিভিন্ন মিছনেৰী যেনে ৰেভ. ই এল পাক্ললে আৰু ৰেভ. ডব্লিউ টি ষ্টৰচ্, ১৮৬৭ চনৰ ২৬ছেপ্তেম্বৰৰ মিষ্টাৰ বৰেচন আৰু নৰৰেৰ লাৰ্চ অলচেন স্কেফৰুড (তেওঁলোকৰ অভিযানৰ নাম আছিল ইণ্ডিয়ান হোম

মিছন টু দা চান্তালচ্), ১৯৭০ চনৰ দা ইউনাইটেড ফ্রী চাৰ্চ অৱ স্কটলেণ্ড, ১৮৮৪ চনৰ আমেৰিকাৰ মেথডিষ্ট এপিস্কপেল মিছন আৰু অইন প্ৰটেষ্টান্ট সমাজ যেনে জামতাৰাৰ প্লাইমাউথ ব্ৰেথ্ৰেন, দা চেভেন ডে এডভেন্টিষ্ট, ৰেচলেয়ান মিছন আৰু বেংগল বেপ্টিষ্ট মিছন আদিয়ে তেওঁলোকৰ ধৰ্ম প্ৰচাৰৰ কাৰ্যকলাপ আৰম্ভ কৰে। অসমতো খ্ৰীষ্টান মিছনেৰীসকলে ৰামপুৰ হাতত গীৰ্জা প্ৰতিষ্ঠা কৰি ১৮৬৯ চনৰ পৰা খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ লয়। খ্ৰীষ্টধৰ্মত ধৰ্মান্তিকৰণ হোৱা প্ৰথম তিনিজন চাওঁতাল হ'ল ৰঘু, চিৰাম আৰু জগত।[২৭] চাওঁতালসকলৰ ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাত খ্ৰীষ্ট ধৰ্মৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিবলৈ হ'লে খ্ৰীষ্টান মিছনেৰীসকলৰ চাওঁতাল জনজীৱনৰ সকলো দিশতে পেলোৱা প্ৰভাৱৰ বিষয়টোৰ ওপৰত প্ৰথমে আলোকপাত কৰিব লাগিব। কিয়নো চাওঁতাল মিছনেৰীসকলৰ ধৰ্ম প্ৰচাৰৰ মূল উদ্দেশ্য আছিল চাওঁতালসকলক ধৰ্মান্তিকৰণ কৰা। তেওঁলোকেই প্ৰথমবাৰৰ বাবে চাওঁতাল ভাষা আৰু সংস্কৃতি অধ্যয়ন তথা প্ৰচাৰত আগভাগ লৈছিল। তেওঁলোকেই চাওঁতাল ভাষাটোৰ বাবে ৰোমান লিপি গ্ৰহণ কৰি লিখিত ভাষাৰ পৰ্যায়লৈ আনে। তেওঁলোকে বিকাশ কৰা ব্যাকৰণ আৰু অভিধানেই চাওঁতালসকলৰ বিষয়ে যিকোনো দিশৰ অধ্যয়নৰ বাবে বৰ্তমানলৈকে আটাইতকৈ ভৰসাযোগ্য উৎস বুলি বিবেচনা কৰা হয়। চাওঁতালসকলৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটোৱাৰ মূল হোতাও আছিল তেওঁলোকেই। চিকিৎসা সেৱা আৰু সমাজ কল্যাণৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদান লেখত ল'বলগীয়া। তেওঁলোকে চলোৱা চিকিৎসালয় আদিয়ে খ্ৰীষ্টানসকলৰ লগতে সাধাৰণ লোকৰো উপকাৰ সাধিছিল। খ্ৰীষ্টান মিছনেৰীসকলে যেতিয়া চাওঁতালসকলৰ কাষ চাপিছিল তেতিয়া চাওঁতাল সমাজ অৰ্থনৈতিক ভাৱে বিধ্বস্ত হৈ আছিল। মিছনেৰীসকলৰ এই শৈক্ষিক আৰু পৰোপকাৰী কাৰ্য্যকলাপে চাওঁতালসকলৰ বাবে ইস্পিৎ লাভালাভ আনি দিছিল। একেদৰে চাওঁতালসকলৰ মানসপটত এক গভীৰ চাপ পেলোৱা মিছনেৰীসকলে বহুক্ষেত্ৰত চাওঁতালসকলক নিপীড়নৰ পৰা উদ্ধাৰ কৰাৰ বাবেও পদক্ষেপ লয়। মহাজন শ্ৰেণীৰ লোকৰ পৰা আৰু ঋণ লোৱাসকলৰ শোষণৰ পৰা মুক্তি পাবৰ বাবেই ভালেসংখ্যক চাওঁতাল লোকে খ্ৰীষ্টান ধৰ্মক আদৰি লৈছিল। কিন্তু মিছনেৰীসকলৰ অবিৰত প্ৰচেষ্টা আৰু সা-সুবিধা স্বত্তেও চাওঁতালসকলৰ ধৰ্মৰ ওপৰত খ্ৰীষ্ট ধৰ্মৰ প্ৰভাৱ সীমাবদ্ধ হৈয়ে থাকে। প্ৰটেষ্টান্টবাদ তাৰ এক কাৰণ বুলি বিবেচনা কৰিব পাৰি।

হাঁড়ি আৰু সামুহিক নৃত্য-গীত আদি চাওঁতাল সমাজৰ এক অবিচ্ছেদ্য অংগ। কিন্তু ৰক্ষণশীল আৰু প্ৰটেষ্টান্ট আচৰণবিধি মতে মদ্যপান আৰু যৌনতা সম্পৰ্কীয় ব্যভিচাৰৰ পৰা সম্পূৰ্ণ আঁতৰত থাকিব লগাতো চাওঁতালসকলৰ বাবে সহজ কথা নাছিল। সেইবোৰ খ্ৰীষ্টানসকলৰ বিধিমতে আছিল অৰক্ষয়মূলক আৰু অশ্লীল। আনকি চাওঁতালসকলৰ জনজাতীয় নৃত্যগীতৰ অনুষ্ঠানত বজোৱা পৰম্পৰাগত বাদ্য যেনে টামাক আৰু তুমন্‌দা আদি বজোৱাতো বাধা দিয়া হৈছিল। চাওঁতালসকলে এইকথা ভাবিবলৈ বাধ্য হৈছিল যে এনেদৰে প্ৰটেষ্টান্ট হ'বলৈ হ'লে তেওঁলোকে নৃত্য-গীত, মদ্যপান আৰু ভোজ আদিৰ পৰা পোৱা সুখ যাক তেওঁলোকে 'ৰাস্কা' বুলি কয়, তাৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত হ'ব লাগিব। যিবোৰ বিষয় তেওঁলোকৰ জীৱনৰ অপৰিহাৰ্য্য বুলি বিবেচনা কৰা হৈছিল, সেই সকলোবোৰ বাদ দিয়াৰ কথা ভাবিয়েই তেওঁলোকে প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰে। যিসকল চাওঁতাল খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হৈছে, তেওঁলোকৰ বাবে আনন্দ ব্যক্ত কৰাৰ পাৰম্পৰিক জনজাতীয় জীৱন অবিহনে উৎসৱ-উদযাপন নিৰৰ্থক হৈ পৰে। আকৌ নিজৰ জনগোষ্ঠীৰ পৰা আতৰি থকাৰ এই পদ্ধতিয়ে চাওঁতালসকলক শংকাত পেলায়। চাওঁতালসকলৰ মতে তেওঁলোকৰ গাওঁ আৰু জনগোষ্ঠীটোয়ে তেওঁলোকৰ বাবে এক প্ৰকাৰৰ সুৰক্ষিত স্থান। জনগোষ্ঠীয় আইন আৰু নীতি-নিয়মৰ মাজতেই তেওঁলোকৰ জীৱনৰ কাঠামো গঢ়া হয়। এই কাঠামোতে দৃশ্যমান আৰু অদৃশ্য জগতৰ সৈতে তেওঁলোকৰ সম্পৰ্ক বান্ধ খাই থাকে। কিন্তু প্ৰটেষ্টান্ট আৰু কেথলিকসকলৰ চাওঁতাল ধৰ্ম আৰু সাংস্কৃতিক দিশৰ প্ৰতি দৃষ্টিভংগী আছিল ভিন্ন। এই দুয়োটা পন্থাই ধৰ্মান্তৰিত চাওঁতালসকলৰ ধৰ্মীয় জীৱনত এক দ্ৰুত পৰিৱৰ্তন অনাৰ বাতাৱৰণ সৃষ্টি কৰাত জড়িত হৈ পৰে। এই পৰিৱৰ্তনত আছিল বঙ্গাসকলৰ প্ৰতি চাওঁতালৰ বিশ্বাস প্ৰত্যাখ্যান কৰা। মিছনেৰীসকলে বঙ্গাৰ প্ৰতি চাওঁতালসকলৰ অগাধ বিশ্বাস খণ্ডন কৰাৰ চেষ্টা কৰে। মিছনেৰীসকলে চাওঁতালসকলৰ দেৱতাসকলৰ মুখ্য দেৱতা মাৰাং বুড়ুকে ধৰি সকলো বঙ্গাকে চয়তানৰ সৈতেহে তুলনা কৰিছিল। তেওঁলোকৰ খ্ৰীষ্টান পৰিচয় সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে ধৰ্মীয় গণ্ডিৰ ভিতৰে-বাহিৰে তেওঁলোকৰ সদস্যসকলৰ বাবে কেতবোৰ আচৰণবিধি বাধ্যতামূলক কৰি দি তেওঁলোকৰ আচৰণবিধি নিয়ন্ত্ৰণ কৰাৰ চেষ্টাও তেওঁলোকে কৰিছিল। ধৰ্মান্তৰিত হোৱা চাওঁতালসকলক তেওঁলোকৰ বঙ্গাক পূজা-অৰ্চনা কৰাৰ পৰা বাৰণ কৰা

হৈছিল। বলিবিধিৰ অনুষ্ঠান-পৰ্বৰ পৰা তেওঁলোকক আঁতৰত ৰখা হয়। বেমাৰ-আজাৰৰ ক্ষেত্ৰত অথবা আন বিলাই-বিপত্তিৰ সময়ত ওঝাক নিমন্ত্ৰণ দিয়া বিধিৰো অন্ত পেলায়। তদুপৰি গাওঁৰ উৎসৱ-পাৰ্বণৰ সময়ত দান-বৰঙণি আগবঢ়োৱা বিধিও নিষেধ কৰে। প্ৰটেষ্টান্টসকল যিমানেই কঠোৰ হ'বলৈ আৰম্ভ কৰিছিল, কেথলিক মিছনেৰীসকলে সিমানেই শিথিল আৰু উদাৰ হ'বলৈ আৰম্ভ কৰে। খ্ৰীষ্টান ধৰ্মৰ সৈতে চাওঁতালসকলৰ যিবোৰ আদৰ্শ তথা বিধিৰ কোনো পোনপটীয়া সংঘাত নাই, তেনেবোৰ নীতি-নিয়মৰ ক্ষেত্ৰত শিথিলতা দৰ্শোৱাৰ বাবে তুলনামূলক ভাৱে তেওঁলোকে সফলতা লাভ কৰে। এনেদৰে তেওঁলোকৰ নীতিত চাওঁতালসকলৰ হাঁড়ি খোৱা আৰু সামূহিক নৃত্য-গীতৰ কোনো স্পষ্ট বিৰোধ ভাৱ ৰখা নাছিল। প্ৰটেষ্টান্ট মিছনেৰীসকলে বিচাৰিছিল যে চাওঁতালসকলৰ জীৱন-ধাৰণৰ প্ৰণালী, মূল্যবোধ আৰু আচৰণবিধি আদি পৰিৱৰ্তন কৰি তেওঁলোকৰ মূল্যবোধ, দৃষ্টিভংগী, আচৰণ বিধি আৰু জীৱন-ধাৰণৰ প্ৰণালী প্ৰচলন কৰিব লাগিব। চাওঁতাল খ্ৰীষ্টান সৃষ্টিৰ বিপৰীতে খ্ৰীষ্টান চাওঁতাল সৃষ্টি কৰাৰ মনোভাৱ তেওঁলোকে গ্ৰহণ কৰে। বিবাহৰ বিধিক লৈয়ো দুয়োটা গোটৰ মাজত বিৰোধৰ সৃষ্টি হয়। যদিও জনগোষ্ঠী বহিৰ্ভূত বিবাহৰ বিধিক খ্ৰীষ্টান চাওঁতালসকলে গ্ৰহণ কৰি লৈছিল তথাপি কিছু সংখ্যকে উক্ত বিধি আওকাণ কৰি খ্ৰীষ্টাননীতিৰ বিৰুদ্ধাচৰণ কৰে। অ-খ্ৰীষ্টানসকলৰ মাজত সম্পৰ্কীয় ভগ্নি বিয়া পতাতো নিষেদ, কিন্তু সেয়া চাওঁতাল খ্ৰীষ্টানসকলৰ মাজত নিষিদ্ধ নহয়। অ-খ্ৰীষ্টানে যেনেদৰে বিবাহ-বিচ্ছেদ কৰিব পাৰে, সেয়া খ্ৰীষ্টানসকলৰ বাবে সম্পূৰ্ণ নিষিদ্ধ। অৰ্থাৎ, কোনো খ্ৰীষ্টানেই চাংগা বাপলা, কিৰিঙ জৱাই বাপলা আদিত ভাগ ল'ব নোৱাৰে। এগৰাকী অ-খ্ৰীষ্টানৰ সৈতে বিয়াত বহাৰ ক্ষেত্ৰতো তেওঁলোকক নিষিদ্ধ কৰা হৈছিল। আৰু অ-খ্ৰীষ্টানগৰাকীয়ে খ্ৰীষ্টান ধৰ্ম গ্ৰহণৰ প্ৰতি আগ্ৰহ ভাৱ প্ৰকাশ কৰিলেহে তেনে বিধিৰ বাবে সন্মতি প্ৰদান কৰা হৈছিল। চাওঁতালসকলৰ জীৱনচক্ৰৰ লগত জড়িত বিধিসমূহৰ ক্ষেত্ৰতো বিৰোধৰ ভাৱ সৃষ্টি হৈছিল। এজন অ-খ্ৰীষ্টান লোকৰ বাবে জন্মৰ বিধিক জনম চৌতিয়াৰ বুলি জনা যায়, সেয়াই আকৌ এজন খ্ৰীষ্টানৰ বাবে 'ব্যাপ্তিজিম'। পৰম্পৰাগত চাওঁতাল নিয়মেৰে বিবাহ কাৰ্য্য সম্পাদন কৰাৰ বিপৰীতে এজন চাওঁতাল খ্ৰীষ্টানে বিবাহৰ ক্ষেত্ৰত ভাৰতীয় খ্ৰীষ্টান বিবাহ আইন অনুসৰণ কৰিবলগা হয়। এয়া সাধাৰণতে গীৰ্জাঘৰত যাজকৰ উপস্থিতিত কৰা হয়।

অ-খ্ৰীষ্টান লোকৰ বাবে কইনাৰ শিৰত সেন্দুৰ সানি দিয়া পৰ্বৰ গুৰুত্ব তাৎপৰ্য্যপূৰ্ণ যদিও এজন খ্ৰীষ্টান ধৰ্মালম্বী চাওঁতালৰ ক্ষেত্ৰত সেয়া নিষিদ্ধ আৰু গীৰ্জাত তাৰ পৰিবৰ্তে কেৱল আঙুঠি পৰস্পৰৰ মাজত সলনি কৰিলেই খ্ৰীষ্টান ধৰ্মমতে স্বামী-স্ত্ৰীৰ মৰ্য্যাদা লাভ কৰে। দৰা-কইনাক গেৰুৱা বসন পৰিধান কৰোৱা নহয়, কইনাক ডাউৰীতো অনা নহয়। অ-খ্ৰীষ্টান চাওঁতাল বিয়াত সমগ্ৰ গাওঁখনেই সাক্ষী হিচাপে থাকে, কিন্তু খ্ৰীষ্টানসকলৰ বিবাহত মাত্ৰ চাৰিজন সম্পৰ্কীয়হে উপস্থিত থাকে। ইয়াৰে দুজন দৰাৰ পক্ষৰ আৰু আন দুজন কইনাৰ পক্ষৰ হৈ সাক্ষ্য দিয়ে। অন্ত্যেষ্টিক্ৰিয়াৰ বিধিতো অ-খ্ৰীষ্টান বিধি সামান্য পৰিমাণেহে দেখা যায়। খ্ৰীষ্টান লোকে মৃত ব্যক্তিৰ ঘৰৰ পৰা দূৰতে থাকে আৰু মৃতদেহৰ অন্তিম সংস্কাৰ কৰাৰ ক্ষেত্ৰত কৰণীয় একো নাথাকে। সমাধি পূবৰ পৰা পশ্চিমলৈ দীঘলীয়াকৈ খন্দা হয় আৰু মূৰটো পশ্চিমৰ দিশে ৰখা হয়। একেদৰে তেল নাহান আৰু ভাণ্ডান বিধিও পালন কৰা নহয়। তদুপৰি ধৰ্মৰ পৰিৱৰ্তনে একেধাৰে খাদ্যাভাস, শিক্ষাৰ প্ৰতি দৃষ্টিভংগী, স্বাস্থ্য আৰু অনাময় ইত্যাদি বিভিন্ন দিশত নিসন্দেহে পৰিবৰ্তন সাধন কৰে। চাওঁতালসকলক হাঁণ্ডিৰ পৰিবৰ্তে চাহ খাবলৈ পৰামৰ্শ দিয়া হয়। চাওঁতাল মহিলাসকলে শাৰী, ব্লাউজ আৰু পেটিকোট আদি বস্ত্ৰ আদৰি লয়। তেওঁলোকে ল'ৰা-ছোৱালীক মিছন আৱাসিক বিদ্যালয়ত পঢ়াবলৈ লয় আৰু বিভিন্ন পেছা গ্ৰহণ কৰাত আগ্ৰহী কৰি তোলা হয়। আনহাতে ছোৱালীবোৰক নাৰ্চৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয় অথবা শিক্ষাদানৰ কামত নিয়োজিত কৰা হয় আৰু ল'ৰাবোৰক চৰকাৰী চাকৰি কৰিববলৈ উৎসাহ প্ৰদান কৰা হয়। এনেদৰে তেওঁলোকে তেওঁলোকক আগৰ সামূহিক জীৱনৰ পৰা নিলগত ৰখাৰ ফলত তেওঁলোক এখন নতুন সমাজৰ অংশীদাৰ হৈ পৰে। চাওঁতাল সমাজৰ পৰা আঁতৰত এনেদৰে এখন স্বতন্ত্ৰ সমাজৰ সৃষ্টি হয়। পৰম্পৰাগত নীতি অনুযায়ী এখন চাওঁতাল গাওঁ এক স্বতন্ত্ৰ সত্তা হিচাপে থাকে, যিহেতু তেওঁলোকৰ নিজস্ব জাহেৰথান, মৌন্‌ঝিথান আদি আৰু ধৰ্মীয় কাম-কাজ আদি চলোৱা ব্যক্তি যেনে নাইকি, কুদুম নাইকি আদি থাকে। কিন্তু এই নতুন সমাজখনে এই গণ্ডীৰ পৰা ওলাই আহি গীৰ্জা আৰু যাজকৰ মাজতে সীমাবদ্ধ হৈ ৰয়। আনহাতে হিন্দু ধৰ্ম এইক্ষেত্ৰত বহু উদাৰ আৰু সহিষ্ণু। চাওঁতালসকলক তেওঁলোকৰ নতুন ধৰ্মীয় আচৰণ আৰু ধ্যান-ধাৰণা আদিক আঁকোৱালি ল'বলৈ কোৱা হৈছিল যদিও নিজৰ ধৰ্মৰ স্বকীয় বৈশিষ্ট্য, তেওঁলোকৰ সামাজিক আৰু

সাংস্কৃতিক অনুষ্ঠান আদি বিসৰ্জন নিদিয়াকৈও সি সমূহ কৰিবৰ বাবে উৎসাহ যোগোৱা হৈছিল। খ্ৰীষ্টান ধৰ্মৰ দৰে হিন্দুধৰ্মত নিজস্বতা ত্যাগ কৰি সম্পূৰ্ণৰূপে আত্মনিৰেশ কৰিব লগা হোৱা নাছিল। চাওঁতাল ধৰ্মই হিন্দু আৰু খ্ৰীষ্টান আদিৰ দৰে দুটাকৈ প্ৰমুখ ধৰ্মৰ মুখামুখি হ'ব লগা হৈছিল যদিও স্বকীয় পৰিচয় হেৰুওৱা নাছিল। বঙ্গাৰ প্ৰতি থকা বিশ্বাসো তেওঁলোকৰ মাজত অটুট আছিল। তেনেদৰে, আটাইতকৈ গুৰুত্বপূৰ্ণ উৎসৱ-পাৰ্বণ তথা ধৰ্মীয় আচৰণ-বিধি আড়ম্বৰপূৰ্ণ ভাৱেই তেওঁলোকে পালন কৰি আহিছে।

## চাওঁতাল সমাজৰ যাদু-মন্ত্ৰ সম্বন্ধে থকা লোকবিশ্বাস ঃ

ধৰ্মৰ পৰা পৃথক, কিন্তু তাৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা বিষয়টো হৈছে চাওঁতাল সমাজৰ যাদু বিদ্যা। চাওঁতালসকলৰ যাদু বিদ্যা আৰু ধৰ্ম ইটোৰ সৈতে সিটো জটিল ভাৱে সংপৃক্ত আৰু অলৌকিক জগতখনৰ অন্বেষণৰ বাবে এই দুয়োটাৰে নিৰৱচ্ছিন্ন ভাৱে ব্যৱহাৰ হয়। ধৰ্মীয় আৰু যাদু বিদ্যাৰ ওপৰতে প্ৰতিজন চাওঁতাল ব্যক্তিৰ জীৱনৰ কাঠামো ৰচিত হৈছে। এই সকলো ধৰ্মীয় আৰু যাদুধৰ্মী আচৰণ বিধি তথা পূজা-পাতলৰ একমাত্ৰ অৰ্থ হৈছে যে মানুহ, প্ৰকৃতি আৰু অলৌকিক বিশ্বখনৰ সৈতে ভাৰসাম্য প্ৰতিষ্ঠা কৰি সমাজৰ কল্যাণ সাধন কৰা। চাওঁতালী লোকৰ বাবে তাৰ কেতবোৰ অনুশীলন আচহুৱা যেন লাগিলেও চাওঁতালসকলৰ বাবে সেই সমূহেই হৈছে তেওঁৰ ব্যক্তি সত্তা আৰু সম্পূৰ্ণ সম্প্ৰদায়টোৰ বাবে প্ৰাচুৰ্য্য, সুৰক্ষা আৰু বিশ্বাস গঢ়ি তোলাৰ বাবে একমাত্ৰ উপায়।

সাধাৰণতে জনজাতীয় সমাজত যাদু আৰু ধৰ্ম এক অবিচ্ছেদ্য অংগ। অপ্ৰত্যাশিত প্ৰাকৃতিক ঘটনা, যথাৰ্থ প্ৰযুক্তিৰ অভাৱ আৰু বিপদসংকুল পৰিস্থিতি তথা অনিশ্চয়তাই মানুহক যাদুবিদ্যাত বিশ্বাস কৰিবলৈ প্ৰত্যয় জন্মায়। প্ৰায়ভাগ জনজাতীয় সম্প্ৰদায়ৰ ক্ষেত্ৰত যাদু বিদ্যা আৰু ধৰ্মৰ মাজত বিশেষ পাৰ্থক্য ৰখা নহয় আৰু বহুসময়ত এটা আনটোৰ পৰিপূৰক হিচাপেহে কাম কৰে। জনজাতীয় সমাজত মনৰ মনসা পুৰণ কৰাৰ বাবে দেৱ-দেৱীক পূজা কৰাৰ পাছতো আকাংক্ষিত ফলাফল লাভ নকৰিলে সেই সমাজখনে যাদু বিদ্যাৰ আশ্ৰয় লয়। সেয়েহে চাওঁতালসকলে কেতবোৰ দুষ্ট প্ৰকৃতিৰ আত্মা আৰু অপশক্তিৰ অস্তিত্বত বিশ্বাস কৰে যিবোৰক পূজা কৰা নহয়। যাদু-মন্ত্ৰৰ জৰিয়তে সিবোৰক সদায় আঁতৰাই

ৰাখিব লাগে বুলি বিশ্বাস কৰে। এনে নৈর্ব্যক্তিক ৰহস্যময় অসংখ্য শক্তিয়ে বিভিন্ন প্ৰাকৃতিক আৰু কৃত্ৰিম অবয়ৱৰ লগত জড়িত হৈ থাকে। চাওঁতালসকলে দৈনন্দিন জীৱনত ভালেমান বাখ্যা কৰিব নোৱাৰা অতিপ্ৰাকৃতিক পৰিঘটনাৰ সৈতে মুখামুখি হৈয়ে থাকে। এই সকলো ৰহস্যময় নৈর্ব্যক্তিক বল আৰু শক্তিৰ সৈতে যুঁজাৰ বাবে চাওঁতালসকলে বিভিন্ন তন্ত্ৰ-মন্ত্ৰৰ আশ্ৰয় লয়। এই তন্ত্ৰ-মন্ত্ৰবোৰৰ একমাত্ৰ উদ্দেশ্য হৈছে বশ কৰা, নিয়ন্ত্ৰণ তথা আয়ত্বাধীন কৰা। চাওঁতাল সমাজত ধৰ্ম হৈছে গাওঁৰ সকলো লোকৰ বাবে, কিন্তু যাদু-মন্ত্ৰ হৈছে বিশেষজ্ঞ জনৰ বাবেহে। সেয়ে দেখা যায় যে চাওঁতালসকলৰ ধৰ্মৰ পুৰোহিত আৰু যাদুমন্ত্ৰৰ পুৰোহিত বেলেগে বেলেগ। চাওঁতালসকলে মংগলকাৰী বঙ্গা আৰু অপকাৰী যাদুৰ মাজতো পাৰ্থক্য বিচাৰ কৰিব পাৰে। অপকাৰ সাধন কৰা যাদুক ঋনাত্মক যাদু বোলাৰ বিপৰীতে সামাজিক আৰু মনঃস্তাত্বিক উপকাৰ সাধন কৰা যাদুক ধনাত্মক যাদু নাম দিয়া হৈছে। ধনাত্মক যাদু পৰিচালনা কৰাজনক ওঝা বুলি কোৱাৰ বিপৰীতে ঋনাত্মক যাদু কৰা গৰাকীক ডাইনী বুলি কোৱা হয়।

ডাইনীৰ অসামাজিক কাৰ্য্যকলাপ প্ৰতিহত কৰাৰ বাবে আৰু নৈর্ব্যক্তিক শক্তিৰ কুপ্ৰভাৱৰপৰা বাচি থকাৰ বাবে ওঝাই উপায় বিচাৰি উলিয়ায়। তেওঁৰ যাদু তেতিয়ালৈকেহে উপকাৰী বুলি ধৰা হয় যেতিয়ালৈ তেওঁ ব্যক্তিগত আখেজ তেওঁৰ সহযোগীৰ ওপৰত ঋনাত্মক যাদুৰ জৰিয়তে প্ৰয়োগ নকৰে। এগৰাকী চাওঁতাল ওঝাৰ হাতত এনে বিশেষ শক্তি থকা বুলি বিশ্বাস কৰা হয়। তেওঁ সাধাৰণ মানুহৰ জ্ঞান আৰু শক্তিৰ পৰিসৰৰ বাহিৰত কেতবোৰ কাম কৰিব পাৰে।

চাওঁতালসকলে বিশ্বাস কৰে যে ওঝা এজনে বিশেষ কিছুমান বঙ্গা পুহি ৰাখে। সাধাৰণ মানুহে মংগলকাৰী দেৱতা আৰু অপদেৱতাৰ শক্তিৰ ভয়ত থাকিলেও ওঝাই কোনো কাৰণতে ভীতিগ্ৰস্ত নহয়। বৰঞ্চ, ওঝাই কোনো অপদেৱতাক সম্বোধন কৰাৰ সময়ত কোনোধৰণৰ স্তুতি নকৰে, ভাবুকি দিহে মাতে। ৰক্ষক বঙ্গাৰ পৰা আহৰণ কৰা জ্ঞান আৰু শক্তিৰ সহায়ত ওঝাই এটা বঙ্গাৰ বিপৰীতে আন এটাক ব্যৱহাৰ কৰে। আত্মাৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰিব পৰা শক্তিৰ ওপৰিও এজন ৰোগ নিৰাময়কাৰী হিচাপে সাধাৰণ বস্তু আদিৰ ওপৰত ওঝা এজনৰ তান্ত্ৰিক জ্ঞানো থাকে। দুৰ্দশা আৰু ৰোগ

নিৰাময়ৰ ক্ষেত্ৰত কি কৰিব লাগে সেইবিষয়ে ওঝা এজনে ভালদৰে জানে। এই কাম তেওঁ ভৱিষ্য কথনৰ আশ্ৰয় লোৱাৰ জৰিয়তে কৰে। এই প্ৰক্ৰিয়াত এটা বঙ্গাই ওঝাৰ দেহত ভৰ কৰে আৰু ওঝাৰ মুখেৰে ৰোগৰ প্ৰকৃতি, ইয়াৰ প্ৰাকৃতিক অথবা অধি-প্ৰাকৃতিক কাৰণ বিচাৰি উলিয়ায় আৰু অপদেৱতাৰ ইচ্ছা ব্যক্ত কৰোৱায়। পৰম্পৰা অনুযায়ী, চাওঁতাল সকলে বিশ্বাস কৰে যে তেওঁলোকৰ পূৰ্বপুৰুষে ওঝাবিদ্যা কামৰূ গুৰুৰ পৰা শিকিছিল। কামৰূ গুৰুক আন সকলো ৰক্ষক বঙ্গাতকৈ উৰ্দ্ধত স্থান দিয়া হয়। তেৱেঁই যাদুবিদ্যাৰ সকলো মন্ত্ৰ উচ্চাৰণ কৰে। বিশেষ প্ৰশিক্ষণৰ মাজেৰে পাৰ হোৱা শিষ্যসকলক পূৰ্বপুৰুষে তেওঁলোকৰ জ্ঞান হস্তান্তৰ কৰে। চাওঁতালসকলৰ মাজত কেৱল পুৰুষেহে ওঝাবিদ্যা আয়ত্ব কৰিব পাৰে। বঙ্গাৰ সৈতে ওচৰ সম্পৰ্ক ৰখা মহিলা এগৰাকীক ডাইনী বুলি ধৰা হয় আৰু আনকি ওঝা এজনেও নিজৰ যশস্যা আৰ্জিব লগা হয় আৰু সেয়া অটুত ৰখাৰ চেষ্টা অহৰহ কৰি থাকিবলগীয়া হয়। আনৰ আগত নিজৰ আলৌকিক যাদুবিদ্যা প্ৰদৰ্শন কৰি তেওঁ সেয়া কৰে। নাইকিৰ দৰে ওঝা এজনেও কঠোৰ নীতি-নিয়মৰ মাজেৰে জীৱন নিৰ্বাহ কৰিব লগা হয়। কোনো কাম আধৰুৱা হৈ থাকিলে সেইটো সমাধান নোহোৱালৈকে তেওঁ যৌন সম্ভোগৰ পৰা বিৰত থাকে। চাওঁতালসকলে বিশ্বাস কৰে যে ওঝা এজনৰ বহুত শত্ৰু গঢ় লৈ উঠে কিয়নো তেওঁ বহুতকে বিতুষ্ট কৰে। ওঝা এজনে এফালে অপদেৱতাৰ লোভ, বিদেহী শক্তি, ডাইনী আৰু আনফালে মানুহৰ মাজত ৰক্ষক হিচাপে থিয় দিয়ে। তেওঁক নিৰন্তৰ নীৰিক্ষণ কৰি থকা বঙ্গাসকল যাতে অসন্তুষ্ট নহয়, তাৰ বাবে তেওঁ সাৱধানে খোজ দিবলগা হয়। সেই কাৰণত পত্নীৰ বাদে আন কাৰো লগত তেওঁ যৌন সম্পৰ্ক স্থাপন নকৰে। ওঝাৰ পদবী বংশানুক্ৰমিক নহয়। তেওঁ নিজৰ কামৰ বাবে ৰাজহুৱা মাননি নাপায় কিন্তু তেওঁৰ সৈতে পৰামৰ্শ কৰা গৃহস্থৰ পৰা মাননি লাভ কৰে যদিহে পৰিয়ালটোৰ দুৰ্দশা দূৰ হয় বা বেমাৰ-আজাৰৰ পৰা মুক্তি পায়। চাওঁতাল ওঝাৰ ওপৰত হিন্দু ধৰ্মৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে ওঝা শব্দটো হিন্দী শব্দৰ পৰা অহা। ইয়াৰ অৰ্থ হৈছে "এক জ্যোতিষী, ভৱিষ্যদ্ৰষ্টা, মায়াবী, ভূত বশকাৰী, আৰু যাদুকৰ।" ওঝাই ব্যৱহাৰ কৰা প্ৰায়বোৰ মন্ত্ৰই হিন্দী আৰু বংলা ভাষাৰ অপভ্ৰংশহে। চাওঁতাল ভাষাত কোৱা 'মান্তাৰ' শব্দটো সংস্কৃত শব্দ 'মন্ত্ৰ'ৰ পৰা লোৱা। তদুপৰি চাওঁতালসকলে স্মৰণ কৰা বহুতো চাকেট বঙ্গাৰ

নামৰ মূল হিন্দীভাষাৰ। চাওঁতালসকলৰ ওঝা আৰু হিন্দু ওঝাৰ মাজৰ এনে মিল থকালৈ চাই এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে দুয়োটা একে মূলৰপৰা অহা। এই বিদ্যা চাওঁতালসকলে নিজস্ব ধ্যান-ধাৰণাৰে গঢ়ি তুলিছে। অইন জনগোষ্ঠীৰ দৰে চাওঁতালসকলেও বেমাৰ-আজাৰ আদিক ভূত-প্ৰেত, অপশক্তি, ডাইনী আৰু কু-দৃষ্টিৰ ফলত ঘটা অস্বাভাৱিক বিষয় হিচাপেহে বিবেচনা কৰে। যাহওক, ইয়াৰ অৰ্থ এনে নহয় যে চাওঁতালসকলে কেৱল অতি প্ৰাকৃতিক কাৰণকে ইয়াৰ বাবে দোষী বুলি বিবেচনা কৰে। ৰোগৰ প্ৰাকৃতিক কাৰণো যে থাকে সেই কথাও চাওঁতালসকলে স্বীকাৰ কৰে। তেওঁলোকে মুখ লগা আৰু তাৰ তাৎক্ষণিক প্ৰভাৱতো বিশ্বাস কৰে। তেওঁলোকে সাধাৰণ ৰোগৰ বস্তুগত প্ৰকৃতিৰ বিষয়েও বাখ্যা আগবঢ়াইছে। প্ৰকৃতিৰ বুকুৰ পৰা পোৱা উদ্ভিদ, বীজ আৰু অইন প্ৰাকৃতিক উপাদানৰ আধাৰত মালিচ আৰু সেক দিও ৰোগৰ উপশম ঘটোৱাৰ ব্যৱস্থা গ্ৰহণ কৰে। নিদান আগবঢ়োৱা নিৰ্দিষ্ট ব্যক্তি জনক 'ৰাৰানিক' বুলি কোৱা হয়। মূল দৰৱবোৰক 'ৰেহেত' বুলি কোৱা হয়। প্ৰায়ভাগ ৰোগৰ প্ৰাকৃতিক কাৰণ শিৰ বাগৰা বুলিয়ে ধৰা হয়। শিৰ মানে ইয়াত মাংসপেশী, স্নায়ু, ধমনী আৰু শিৰা আদি বুজায়। শিৰ বাগৰা ৰোগৰ বাবে চিকিৎসা হৈছে ইচকিৰ বা মালিচ। কেতবোৰ ৰোগ যেনে জলাতংক, মৃগী, খজুৰতি; খৰ আদি বিভিন্ন প্ৰকাৰৰ ৰোগ পোকৰ পৰা হোৱা বুলি তেওঁলোকে বিবেচনা কৰে। ইয়াৰ প্ৰাকৃতিক কাৰণবোৰৰ ভিতৰত বেয়া খাদ্যাভাস, লেতেৰা খাদ্য খোৱা, প্ৰদূষিত পানীত গা ধোৱা ইত্যাদি। কিন্তু সাধাৰণতে হোৱা ৰোগৰ বাদে আন কোনো অচিন ৰোগ হ'লেই চাওঁতালসকল বিবুদ্ধিত পৰে। সন্দেহৰ বশৱৰ্তী হৈ তেওঁলোকে বিশ্বাস কৰিবলৈ বাধ্য হয় যে কিবা অপদেৱতা বা অশৰীৰি আত্মা, ডাইনী বা মায়াবীৰ প্ৰভাৱতে এনে ঘটিবলৈ পাইছে। এনে পৰিস্থিতিত চাওঁতালসকলে যাদু-মন্ত্ৰ আদিৰ আশ্ৰয় লয়। এনে ধাৰণাৰ আধাৰতে এজন ৰুগীয়া ব্যক্তিৰ চিকিৎসা কৰা হয়। এইবোৰে কামত নিদিলে এজন ৰাৰানিকক মতা হয়। ৰাৰানিকেই ৰোগ নিৰ্ণয় কৰে আৰু আৱশ্যকীয় দৰৱৰ পৰামৰ্শ দিয়ে। তৎস্বত্বেও যদি ৰোগ নকমে, তেন্তে পৰিয়াল আৰু আত্মীয়-কুটুমে ভাবিবল বাধ্য হয় যে কিবা অতিপ্ৰাকৃতিক শক্তিয়ে এই ৰোগৰ মূল। এনেস্থলত ওঝাই হৈ পৰে একমাত্ৰ ত্ৰাণকৰ্তা। তাৎপৰ্য্যপূৰ্ণ যে ৰোগৰ ক্ষেত্ৰত কোকৰাঝাৰৰ চাওঁতালসকলৰ খুব কমেইহে আধুনিক দৰৱৰ আশ্ৰয় লয়। তদুপৰি আধুনিক

দৰৱৰ ওপৰত চাওঁতালসকলে বিশ্বাস নকৰে। ফলত অতিপ্ৰাকৃতিক কাৰণকে ৰোগৰ কাৰক বুলি ধৰা হয় আৰু তেওঁলোকে ওঝাৰ কাষ চপাটোয় উত্তম উপায় বুলি বিবেচনা কৰে আৰু ভাবে যে ওঝা গৰাকীয়েহে বঙ্গাক বশ কৰি ৰোগ নিৰাময় কৰিব পাৰিব। ৰোগীজন কিমান দিন ধৰি ৰোগত পৰি আছে আৰু তাৰ বাবে কেনেধৰণৰ নিদান গ্ৰহণ কৰিছে সেইবিষয়ে ওঝাজনে বুজ লয়। তাৰ পাছত তেওঁ ৰোগীৰ নাড়ী চায় আৰু জিভা পৰীক্ষা কৰে। চাওঁতালসকলে বিশ্বাস কৰে যে ওঝা এজনে এনেদৰে ৰোগৰ কাৰণ নিৰ্ণয় কৰিব পাৰে। তাৰ পাছতে তেওঁ জৰা-ফুকাৰ কাম আৰম্ভ কৰে। এই প্ৰক্ৰিয়াত তেওঁ ৰোগীক সন্মুখত লৈ বিভিন্ন মন্ত্ৰ উচ্চাৰণ কৰে আৰু কেতবোৰ ঝাৰনি (যাদুৰ মন্ত্ৰবিশেষ) পাঠ কৰে। এই মন্ত্ৰ আৰু ঝাৰনিৰ অন্তৰ্নিহিত আলৌকিক শক্তিয়ে অমংগলীয়া শক্তিক আঁতৰ কৰে। দুষ্ট আত্মা আৰু অশৰীৰি অপদেৱতাৰ ক্ষেত্ৰত এই মন্ত্ৰ আৰু ঝাৰনিৰ উচ্চাৰণে ভাবুকি স্বৰূপে কাম কৰে। যদি ৰোগী ইমানতে সুস্থ হৈ নুঠে, তেন্তে ওঝাই দৈৱজ্ঞানৰ যোগেদি ৰোগৰ পৰম কাৰণ আৰু প্ৰকৃত কাৰণ জনাৰ চেষ্টা কৰে। দিব্যজ্ঞান লাভ কৰাৰ ধাৰণা সমগ্ৰ বিশ্বতে ভিন্ন প্ৰকৃতিৰ হ'লেও ইয়াৰ উদ্দেশ্য একেটাই-অসংখ্য অলৌকিক শক্তিক আহ্বান জনোৱা। সফল হ'লে ওঝাক তেওঁৰ সেৱাৰ বাবদ মাননি আগবঢ়োৱা হয়। অৱশ্যে ৰোগীৰ ৰোগ সম্পূৰ্ণৰূপে নিৰাময় হৈছে নে নাই সেয়া জানিবৰ বাবে ৰোগীৰ পৰিয়ালবৰ্গই আৰু আত্মীয়-কুটুমে কেবামাহো অপেক্ষা কৰে। এবাৰ আশ্বস্ত হোৱাৰ পাছত তেওঁলোকে ওঝাক জনায় যে ৰোগী সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিছে আৰু তাৰ বাবে তেওঁলোকে কৰা প্ৰতিশ্ৰুতি পালন কৰিবলৈ সাজু। চাকেট বলি বিধি পালন কৰিবলৈ তেওঁলোকে প্ৰস্তুতি চলায়। দিন এটা থিৰাং কৰি মৌন্‌ঝি, পাৰাণিক আৰু অনান্য আত্মীয়-কুটুমক নিমন্ত্ৰণ জনোৱা হয়। শুদ্ধিকৰণৰ বাবে গা ধোৱাৰ পাছত ওঝাই চোতালত বেদী তৈয়াৰ কৰে আৰু চাকেট জন্তুটোক বঙ্গাৰ নাম লৈ বলি দিয়ে। বলি দিয়া জন্তুটোৰ মূৰটো ওঝাৰ বাবে পৃথকে ৰখা হয়। যকৃত আৰু হাওঁফাওঁ চাউলৰ লগত খিচিৰি ৰন্ধা হয় আৰু ওঝা, মৌন্‌ঝি, পাৰাণিক আৰু ঘৰৰ পৰিয়ালে ভোজন কৰে। বাকী অংশখিনি তিনিটা ভাগত ভগোৱা হয়। ইয়াৰে এটা ভাগ ওঝাজনৰ, এটা গৃহস্থৰ আৰু বাকীখিনি উপস্থিত ৰাইজক দিয়া হয়। সকলোৱে খোৱা-লোৱা শেষ হোৱাৰ পাছত ওঝাজনক তেখেতৰ 'দাদনি' অৰ্থাৎ মাননি যঁচা হয়। ওপৰত উল্লেখ কৰি অহাৰ দৰে ওঝাৰ

দায়িত্ব বংশানুক্রমিক ভাৱে প্ৰবাহিত নহয়। চাওঁতালসকলে ওঝাবিদ্যাৰ নিয়মিত বিজ্ঞান চিনাক্ত কৰে। এই বিজ্ঞানৰ প্ৰশিক্ষণ ল'বৰ বাবে গাওঁৰ চাওঁতাল ডেকাল'ৰাক বাঁচনি কৰা হয়। তেওঁলোকে ওঝাবিদ্যাৰ জ্ঞান লাভৰ বাবে ভাদৰ (আগষ্ট-ছেপ্তেম্বৰ) মাহত আৰম্ভ কৰে আৰু দাঁশাই উৎসৱৰ সময়ৰ আহিন মাহত, মন্ত্ৰ, বান্ধোন আৰু ঝাৰনি শিকোৱা হয়। তেওঁলোকক শব্দ আৰু তাৰ প্ৰয়োগৰ বিধি সম্পৰ্কে শিকোৱা হয়। ঝাৰণিৰ ক্ষেত্ৰত তাত সুৰৰ বিষয়েও শিকোৱা হয়। এই পাঠ্যক্ৰমত বিভিন্ন গীত-নৃত্য, নাটক, আত্মা ধাৰণৰ পদ্ধতি (ৰাম)ৰ প্ৰশিক্ষণ দিয়া হয় যিবোৰৰ বেছিভাগেই দাঁশাই উৎসৱত প্ৰয়োগ কৰা হয়। মন্ত্ৰ, বান্ধোন আৰু ঝাৰণি প্ৰত্যাশিত ফলাফল দৰ্শোৱাত ব্যৰ্থ হোৱাৰ ক্ষেত্ৰত কেতবোৰ প্ৰাথমিক দৰৱৰ প্ৰয়োগৰ বিষয়েও শিষ্যসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। কিন্তু ওঝাবিদ্যাৰ এইটো প্ৰাৰম্ভিক স্তৰহে। এই প্ৰশিক্ষণ গ্ৰহণ কৰাজনে ওঝা হিচাপে কাম কৰিব নোৱাৰে যদিও এই পাঠেই তেওঁলোকক ওঝাবিদ্যাৰ বিষয়টোত প্ৰাথমিক আভাসহে দিয়ে। ওঝা হিচাপে স্বীকৃতি পাবলৈ হ'লে গুৰুৰ অধীনত কঠোৰ প্ৰশিক্ষণ ল'ব লাগে। এই নিৰ্দেশনা দাঁশাই পৰবৰ দুদিন বা তিনিদিন আগত শেষ হয়।

চাওঁতালসকল ডাইনীক লৈ যথেষ্ট সন্ত্ৰস্ত। ডাইনীয়ে সমাজত অস্থিৰতাৰ সৃষ্টি কৰে আৰু মানুহৰ অপায়-অমংগল, আনকি মৃত্যুৰ বাবেও ডাইনী অন্যতম কাৰণ। অসমৰ গ্ৰাম্যাঞ্চলৰ সাধাৰণ শ্ৰেণীৰ লোকৰ মাজত ডাইনী বিশ্বাস এতিয়াও আঁতৰি যোৱা নাই। সেয়েহে এজন ৰোগীৰ ওপৰত ডাইনীয়ে তন্ত্ৰ-মন্ত্ৰ কৰিলে ৰোগৰ পৰা সহজে আৰোগ্য লাভ কৰা সম্ভৱ নহয় বুলি সন্দেহ কৰা হয়। মুণ্ডা, ওৰাও, ভিলসকলৰ মতে পুৰুষ-মহিলা সকলোৱে ডাইনী বিদ্যা অনুশীলন কৰাৰ কথা বিশ্বাস কৰাৰ বিপৰীতে চাওঁতাল সকলে মহিলাকহে ডাইনী বুলি অভিহিত কৰে। এই লোকবিশ্বাসৰ আঁৰত এক প্ৰবাদ প্ৰচলিত আছে। প্ৰবাদ মতে মহিলাসকলে তেওঁলোকৰ স্বামীৰ ছদ্মবেশত গৈ মাৰাং বুডুৰ পৰা ডাইনী বিদ্যা শিকিছিল। এই ভুলৰ শুধৰণি কৰাৰ বাবেই মাৰাং বুডুই পুৰুষসকলক ডাইনী পৰাস্ত কৰাৰ বিদ্যা শিকায়। চাওঁতালসকলৰ মাজত ডাইনীক 'ডান' বুলি কোৱা হয়। চাওঁতালসকলে বিশ্বাস কৰে যে ডাইনী বিদ্যা শিকা মহিলাই নিজকে সলনি কৰি সমাজত যথেষ্ট ক্ষতি কৰে। যদিও কিছুমান ৰোগ সাধাৰণ উপায়ে সমাধান কৰিব পৰা যায়, কিন্তু যদি ডাইনীৰ কু-

দৃষ্টি সেই ৰোগীৰ ওপৰত পৰে, তেন্তে সেই ৰোগেই কালান্তক হ'ব পাৰে। চাওঁতালসকলে বিশ্বাস কৰে যে ডাইনীয়ে নিজৰ মোহিনী শক্তিৰে অপকাৰী বঙ্গাক আকৰ্ষিত কৰি প্ৰভাৱিত কৰে আৰু নিজৰ কামত খটুৱায়। তেনেদৰে অপদেৱতায়ো ডাইনীৰ যোগেদিয়েই সিহঁতৰ পৈশাচিত উদ্দেশ্য চৰিতাৰ্থ কৰে। যদিও সিহতে বঙ্গাৰ সৈতে একেলগেই কাম কৰে, তথাপি বঙ্গাৰ সমান মৰ্য্যাদা সিহতে লাভ নকৰে। ডাইনীয়ে মায়াবী বিদ্যাৰো অনুশীলন কৰে আৰু পাৰ্থিৱ সামগ্ৰী ব্যৱহাৰ কৰি অপদেৱতাক প্ৰভাৱিত কৰিব পাৰে। ডাইনী বিদ্যা গোপন প্ৰশিক্ষণৰ যোগেদিহে আয়ত্ব কৰিব পাৰি। যিকোনো বয়সৰ মহিলাই ডাইনীবিদ্যা আয়ত্ত্ব কৰিব পাৰে। লোকবিশ্বাস মতে ডাইনীবোৰে নিজেই সেই পদক্ষেপ লয়। তেওঁলোকে ছোৱালীক তেওঁলোকৰ শিষ্য হ'বলৈ বাধ্য কৰায় যাতে তেওঁলোকৰ মৃত্যুৰ পাছতো পৰম্পৰা অব্যাহত থাকে। তেনে দীক্ষা অন্ধকাৰ ৰাতি অৰণ্যৰ মাজত বা মুকলি পথাৰত প্ৰদান কৰা হয়। তাতেই তেওঁলোকক তন্ত্ৰ-মন্ত্ৰ আৰু মোহিনীবিদ্যা তথা গীত-মাতৰ দীক্ষা প্ৰদান কৰা হয়। সকলো কলা ভালদৰে আয়ত্ব কৰাৰ পাছত তেওঁলোকক বঙ্গাৰ সৈতে পৰিচয় কৰাই দিয়া হয় আৰু সকলো বঙ্গাৰ নাম তেওঁলোকে মনত ৰাখিব লাগে। তাৰ পাছত কোনো এটা বঙ্গাৈলে তেওঁক বিয়া দিয়া হয়, যাৰ বিনিময়ত তেওঁ 'হত্যা'ৰ কলা শিকে। প্ৰশিক্ষণৰ অন্তত, তেওঁ শিকা বিদ্যাৰ অনুশীলন কৰাৰ বাবে ডাইনী প্ৰশিক্ষকৰ অধীনত কোনো এগৰাকী আত্মীয়ৰ ওপৰত সেইটো প্ৰয়োগ কৰাৰ বাবে কোৰা হয়। এই কামত অমান্তি হ'লে তেওঁ পাগলি হৈ মৃত্যু মুখত পৰে বুলি বিশ্বাস কৰা হয়। ব্যক্তি, পৰিয়াল অথবা সমগ্ৰ এখন গাওঁক বিপদাপন্ন কৰাৰ বাবে ডাইনীৰ হাতত ছয়টা পদ্ধতি থাকে বুলি বিশ্বাস কৰা হয়। ইয়াৰে প্ৰথম পদ্ধতিটো হৈছে ব্যক্তিজনৰ যকৃত উলিয়াই ভাতৰ লগত ৰান্ধি খোৱা। কিন্তু বঙ্গাৰ অনুমতি নোহোৱাকৈ আৰু ভুক্তভোগীজনৰ পৰিয়ালৰ কোনো এগৰাকী সদস্য ডাইনী নহ'লে এই কাম কৰিব পৰা নাযায়। আন এক উপায় হৈছে ডাইনীগৰাকীয়ে এটা ক'লা মেকুৰীৰ ৰূপত আহি ভুক্তভোগী শুই থকা অৱস্থাত ঘৰত সোমাই ব্যক্তিজনৰ মুখৰ পৰা লেলাওটি চেলেকি খোৱা। কেতিয়াবা ব্যক্তিৰ প্ৰতিকী ছবি আকি তাত আক্ৰমণ কৰিও নিজৰ উদ্দেশ্য সাধন কৰিব পাৰে। এই পদ্ধতিক অনুকৰণ বুলি জনা যায় আৰু এয়া খুবেই বিষাক্ত ক'লা যাদু। বাকী তিনিটা পদ্ধতি ডাইনী গৰাকীয়ে নিজে ৰূপায়ন নকৰি

অপদেৱতাৰ হতুৰাই সেই কাম কৰে। এগৰাকী ডাইনীয়ে এটা শিলত থাপনা বঙ্গাৰ প্ৰতিষ্ঠা কৰে আৰু সেয়া ভুক্তভোগীৰ ঘৰত বা গোহালিত পুতি থয়। এনে শিলৰ ওপৰেৰে পাৰ হৈ যোৱা যিকোনো ব্যক্তিয়ে নৰিয়াত পৰে আৰু আনকি কেতিয়াবা মৃত্যু মুখতো পৰে। থাপনা বঙ্গা সমগ্ৰ গাওঁ এখনতো প্ৰতিষ্ঠা কৰিব পাৰি। আন এক পদ্ধতি হৈছে ৰোগৰ বীজ গাওঁৰ চুকে-কোণে সিঁচি দিয়া। শেষৰটো উপায় হৈছে এটা প্ৰেতাত্মাৰ জৰিয়তে নিজেই সকলোৰে দুৰ্গতি কৰা। গাওঁত উদ্ভৱ হোৱা দুৰ্যোগ বা বেমাৰ-আজাৰৰ পৰিস্থিতিত এনে যিকোনো ধৰণৰ ডাইনী সম্বন্ধীয় সন্দেহৰ উদ্ভৱ হ'লেই সেয়া সামুহিক চিন্তাৰ বিষয় হৈ পৰে। প্ৰথমে মৌন্‌ঝি গৰাকীয়ে গাওঁ সভাৰ বিষয়ববীয়া সকলৰ সৈতে গাওঁৰ চাৰিওফালে ঘূৰি ডাইনীক তেওঁৰ অপকৰ্ম বন্ধ কৰাৰ বাবে আৰু ৰোগীক এৰাৰ বাবে উচ্চ স্বৰত সাৱধান বাণী শুনায়। যদি এই সিদ্ধান্তত উপনীত হোৱা যায় যে ডাইনীয়ে ইয়াৰ আঁৰত কাম কৰি আছে, তেন্তে সেই ডাইনী ক'ত লুকাই আছে সেয়া জনাৰ বাবে চেষ্টা কৰা হয়। কোনো প্ৰত্যক্ষ প্ৰমাণ নথকা হেতুকে বিভিন্ন ধৰণৰ মঙ্গল চোৱাৰ প্ৰণালীৰ আশ্ৰয় লোৱা হয়। ইয়াৰ ভিতৰত সেন্দুৰ সনা পদ্ধতিটো প্ৰধান। এই পদ্ধতিত ভালেকেইটামান গছৰ ঠাল আনি মাটিত ৰখা হয় আৰু চাণ্ডো বঙ্গা অৰ্থাৎ সূৰ্য্যক সাক্ষী কৰি প্ৰথম ঠালটো ৰখা হয়। এনেদৰে ৰোগীজনৰ ওৰাক বঙ্গা, পত্নীৰ পিতৃ, ঘৰৰ আন পৰিয়াল আৰু গাওঁৰ পৰিয়ালবোৰৰ হৈ একোটাকৈ ঠাল ৰখা হয়। ঠালবোৰত সেন্দুৰ লগোৱা হয়। তাৰ পাছত চাণ্ডো বঙ্গাক আহ্বান জনোৱা হয় আৰু কেইঘন্টামান পাৰ হৈ যোৱাৰ পাছত কোনটো ঠাল লেৰেলিছে সেয়া পৰীক্ষা কৰা হয়। সম্পূৰ্ণ নিশ্চিত হ'বৰ বাবে এই পৰীক্ষা গাওঁৰ সীমাৰ বাহিৰতো বাৰম্বাৰ কৰা হয়। একেদৰে গছ এডালৰ ডাঙৰ ডাল এটা লৈ তাত পৰিয়ালবৰ্গৰ সকলো তথা অনান্য লোকৰ বাবে পাতত চিন দিয়া হয় আৰু ডালটো বগা উই হাঁফলুৰ ওপৰত ৰখা হয়। কোনটো পাতত প্ৰথমে পোকে ধৰে সেয়া চোৱা হয়। অৱশ্যে সেইটো চাই ডাইনী কাৰ ঘৰত আছে সেয়াহে নিৰ্ণয় কৰা হয়। এই পদ্ধতিৰে ডাইনীৰ কাম বুলি থিৰাং কৰাৰ পাছত অইন তিনিজন ওঝাৰ দ্বাৰা এই কথা নিশ্চিত কৰা হয়। যদি সূৰ্য্য দেৱতাক সাক্ষী কৰি কৰা এই নিশ্চিতকৰণৰ পৰীক্ষাত একে ফলাফল পোৱা নাযায়, তেন্তে বিষয়টো নিষ্পত্তি কৰা হয়। কিন্তু যদি এই কথাত একমত হোৱা যায় যে

ডাইনীয়ে এই কামত জড়িত হৈ আছে, তেন্তে ডাইনী ক'ত লুকাই আছে সেই বিষয়ে অনুসন্ধান কৰা হয়। কেৱল 'জান গুৰু'ৱেহে এইক্ষেত্ৰত অপৰাধীজনক বিচাৰি উলিয়াব পাৰে। এইজন জান গুৰুই চাওঁতালসকলৰ ডাইনী সন্ধানকাৰী হিচাপে কাম কৰে যি গৰাকীয়ে অলৌকিক শক্তিৰ যোগেদি সত্য উদ্‌ঘাটন কৰিব পাৰে। জান গুৰুৰ অসমীয়া প্ৰতিশব্দ হ'ল সৰবজান। চাওঁতাল সমাজত ডাইনীৰ সন্ধানৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালৰ দৰে কাৰণ জান গুৰুৱে এবাৰ কাৰোবাক ডাইনী বিবেচিত কৰিলে সকলোৱে সেয়া মানি ল'বলৈ বাধ্য।[২৮] পৰিয়ালৰ লোকে জান গুৰুৰ ওচৰলৈ যোৱাৰ সিদ্ধান্ত ল'লে ৰোগীজনৰ পুৰুষ আত্মীয়সকল পৰিয়ালৰ পুৰুষ সদস্য সকলৰ সৈতে জান গুৰুৰ ওচৰলৈ যায়। আনহাতে গাওঁত মহামাৰীয়ে দেখা দিলে গাওঁৰ মাঁন্‌ঝি জনেও সমজুৱাৰ সৈতে জান গুৰুৰ ওচৰলৈ যায়। যাত্ৰা পথত তীক্ষ্ণ নজৰ ৰখা হয় যাতে দলৰ কোনো সদস্যই জান গুৰুক আগতিয়াকৈ কোনো খবৰ দিব নোৱাৰে। সাধাৰণতে দূৰৰ আন কোনো গাওঁৰ জান গুৰুৰ ওচৰলৈ যোৱা হয় যাতে ঘটনা সম্বন্ধে তেওঁ কোনো আগতিয়াকৈ সম্ভেদ নাপায়। জান গুৰুৰ গাওঁ পোৱাৰ পাছত সেই গাওঁৰ মাঁন্‌ঝিৰ ওচৰলৈ গৈ জান গুৰুৰ সৈতে পৰিচয় কৰাই দিবলৈ অনুৰোধ জনোৱা হয়। তাৰ পাছত জান গুৰুৱে দিয়া সময় অনুসৰি তেওঁলোকে জান গুৰুৰ ঘৰত উপস্থিত হোৱাৰ পাছত জান গুৰুৱে নিজৰ গৃহত অথবা গাওঁৰ 'জাহেৰ থান'ত ডাইনী সন্ধান পৰ্ব আৰম্ভ কৰে। জান গুৰুৱে পোনতে আৰৈ চাউল মুঠি মুঠি কৈ বিভিন্ন বঙ্গাৰ নামত বেলেগ বেলেগ স্থানত ৰাখে। তাৰ পাছত আৰৈ চাউল ৰখা স্থান সমূহৰ ওচৰত বেল পাতৰ একোটাকৈ দম ৰাখে আৰু শেষত তেলৰ সৈতে সেন্দুৰ মিহলাই আৰৈ চাউলৰ দম সমূহৰ ওচৰত সেই সেন্দুৰেৰে ফোট দিয়ে। তাৰ পাছত জ্বলি থকা আঙঠাৰ ওপৰত ধূনা ছতিয়াই শঙ্খ ফুৰাই বঙ্গাৰ আৰাধনা আৰম্ভ কৰে। এনেদৰে আৰাধনা কৰাৰ কিছুসময় পাছত তেওঁৰ গাত দেও লম্ভে আৰু একাদিক্ৰমে তেওঁলোকে কোন গাওঁৰ পৰা আহিছে; সেই গাওঁৰ মাঁন্‌ঝিৰ নাম; কোন মানুহৰ বাবে তেওঁলোক আহিছে তেওঁৰ পৰিয়ালৰ প্ৰতিগৰাকী সদস্যৰ নাম ব্যক্ত কৰে আৰু অৱশেষত তেওঁলোকে যি সমস্যা লৈ আহিছে সেই সমস্যাৰ অন্তৰালত থকা অপশক্তি অথবা ডাইনীৰ বিশদ বিৱৰণ উল্লেখ কৰে। কোন গৰাকী মহিলাই এই কাৰ্য্যৰ বাবে দায়ী সেই কথা জনাৰ লগে লগে গাওঁবাসীয়ে তেওঁক কঠোৰ শাস্তি প্ৰদান

কৰি গাওঁৰ পৰা বহিষ্কাৰ কৰে। ডাইনীৰ অপকৰ্মৰ ফলত ব্যক্তি গৰাকী জীয়াই আছে নে মৃত্যু ঘটিছে তাৰ ওপৰত শাস্তিৰ পৰ্যায় নিৰ্ভৰ কৰে। ভুক্তভোগী গৰাকী যদি জীয়াই আছে, তেন্তে গাওঁৰ সকলোৱে মিলি ডাইনীজনীক শাৰীৰিক অত্যাচাৰ চলায় আৰু বৃহৎ পৰিমাণৰ জৰিমনা বিহে। বৰ্তমান সময়তো সমগ্ৰ চাওঁতাল সমাজৰ লগতে কোকৰাঝাৰৰ চাওঁতাল সমাজতো ডাইনীৰ সন্দেহত মাৰ ধৰ কৰা অথবা হত্যা কৰা ঘটনা অধূনা পৰিলক্ষিত হয়।

-----

## প্ৰসংগ টোকা ঃ

১) ফুলকুমাৰী কলিতা, লোক-সংস্কৃতিৰ দাপোন, পৃ- ১৮-১৯

২) বৰুণ চক্ৰৱৰ্তী, লোক বিশ্বাস ও লোকসংস্কার, পৃ-১২

৩) উল্লিখিত, পৃ-২০

৪) ৰমেশ বৰা, অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোকবিশ্বাস আৰু লোকাচাৰ এটি তুলনামূলক অধ্যয়ন, পৃ- ২৫

৫) বৰুণ চক্ৰৱৰ্তী, লোকবিশ্বাস ও লোকসংস্কার, পৃ-২০

৬) তথ্য জ্ঞাপক, সৰোজিনী হাসদা, ম, ৫০, শিয়ালমাৰী, কোকৰাঝাৰ।

৭) তথ্য জ্ঞাপক, চানুৰাম হেম্ব্ৰম, পু, ৫৫, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

৮) তথ্য জ্ঞাপক, শিবু হাসদা, পু, ৫৫, শিয়ালমাৰী, কোকৰাঝাৰ।

৯) উল্লিখিত

১০) উল্লিখিত

১১) উল্লিখিত

১২) তথ্য জ্ঞাপক, চানুৰাম হেম্ব্ৰম, পু, ৫৫, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

১৩) তথ্য জ্ঞাপক, সৰোজিনী হাসদা, ম, ৫০, শিয়ালমাৰী, কোকৰাঝাৰ।

১৪) E.G. Man, Sonthalia and The Sonthals, P-101.

১৫) Ibid, P-102

১৬) তথ্য জ্ঞাপক, মঞ্জুলা হাসদা, ম, ৫২, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

১৭) উল্লিখিত

১৮) W.G. Archer, The Hill of Flutes ঃ Life, Love and Poetry in Tribal India, A Portrait of the Santals, PP. 328-329

১৯) তথ্য জ্ঞাপক, চানুৰাম হেম্ব্ৰম, পু, ৫৫, উত্তৰ পাটগাঁও, কোকৰাঝাৰ।

২০) লীনা শৰ্মা, অসমৰ চাওঁতাল জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, পৃ-২১৬

২১) তথ্য জ্ঞাপক, বৃন্দাবন হেম্ব্ৰম, পু, ৫২, শ্ৰীৰামপুৰ, কোকৰাঝাৰ।

২২) N. Datta Mazumder, The Santal : A Study in Culture-Change, পৃ-১০১

২৩) V.K. Kochar, Village Deities of the Santhal and Associated Rituals, পৃ-৬১-২৪১

২৪) C. L. Mukharjee, The Santals, পৃ-১১৫

২৫) খেৰৱাড় আন্দোলন হ'ল ১৯ শতিকাত আৰম্ভ হোৱা এটি সামাজিক, ৰাজনৈতিক আৰু ধৰ্মীয় আন্দোলন। 'ভাগৰীথ' নামৰ এজন চাওঁতাল ব্যক্তিৰ দ্বাৰা আৰম্ভ হোৱা এই আন্দোলনৰ ফলশ্ৰুতিত ধৰ্মীয় আৰু সামাজিক ক্ষেত্ৰখনত বহুতো সংস্কাৰ সাধন কৰি জনগোষ্ঠীটোক হিন্দুত্বৰ দিশত আগবঢ়াই লৈ যোৱা হৈছিল। তেওঁ 'ৰামচন্দ্ৰ'ৰ পূজা আৰম্ভ কৰি বিভিন্ন হিন্দু ৰীতি যেনে — মাংস খোৱা বাৰণ, সন্ধিয়া ঘৰৰ মহিলাৰ দ্বাৰা চাকি জ্বলোৱা, সদায় গা ধোৱা, জীৱ-জন্তু আৰু মানুহক দয়া কৰা, হাঁড়ি খোৱা বাৰণ আদিৰ প্ৰচলন আৰম্ভ কৰিছিল। লগতে লগুণ লোৱা আৰু নিৰামিষ খোৱা প্ৰথাও প্ৰচলন কৰিছিল।

২৬) P.O. Bodding, Materials for a Santali Grammer, Pt-II, পৃ-২৯

২৭) J. Troisi, Tribal Religion: Religious Beliefs and Practices Among the Santals, পৃ-৩৮৪-৫

২৮) P.O. Bodding, Studies in Santal Medicine and Connected Folklore, পৃ-৪১

-----

## পঞ্চম অধ্যায়

# অসমৰ চাওঁতাল জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি

একোখন সমাজত বা প্ৰতিটো জনগোষ্ঠীৰে এটি পৰম্পৰাগত জীৱনশৈলী থাকে। এই পৰম্পৰাগত জীৱনশৈলীয়ে এটা জাতি বা জনগোষ্ঠীৰ নিজৰ সুকীয়া পৰিচয় দাঙি ধৰে। এই আত্মপৰিচয় বহনকাৰী এটা জনগোষ্ঠীৰ পৰম্পৰাগত লোক-জীৱনকেই ভৌতিক সংস্কৃতি আখ্যা দিয়া হৈছে। লোক-সংস্কৃতিবিদ ড° নবীন চন্দ্ৰ শৰ্মাৰ মত অনুসৰি —

> *"যুগে যুগে প্ৰবহমান পৰম্পৰা আৰু ৰক্ষণশীল ঐতিহ্যৰ অংগীভূত বাচিক কলা-কৌশল, পাৰদৰ্শিতা, পদ্ধতি আদিক সাধাৰণতে ভৌতিক সংস্কৃতি বোলে। পৰম্পৰা আশ্ৰয়ী সমাজৰ পুৰুষ-স্ত্ৰী আদিয়ে কেনেকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰে, কেনেকৈ কাপোৰ বোৱে অথবা খাদ্য-দ্ৰব্য প্ৰস্তুত কৰে, খেতি-বাতি কৰে, মাছ-কাছ পোহে আৰু ধৰে, মাটি-পানীৰ ব্যৱস্থা কৰে, যন্ত্ৰ-পাতি নিৰ্মাণ কৰে, সাজ-সৰঞ্জাম, বাচন-বৰ্তন প্ৰস্তুত কৰে আদিৰ চৰ্চাই ভৌতিক সংস্কৃতিৰ অন্যতম লক্ষ্য।"*[১]

অসমত বাস কৰা অন্যান্য জনগোষ্ঠীৰ দৰে চাওঁতাল জনগোষ্ঠীৰো এক সুকীয়া বৈশিষ্ঠ্য দেখা যায়। তলত সি সমূহৰ বিষয়ে আলোচনা কৰা হ'ল —

### গৃহ নিৰ্মাণ প্ৰণালী ঃ

মানুহ সামাজিক জীৱ। সামাজিক ভাৱে বসবাস কৰাৰ স্বাৰ্থত তথা নিজৰ একাত্মতা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ স্বাৰ্থত মানৱ সমাজে গৃহ নিৰ্মাণ কৰিবলৈ লয়।

এই গৃহনির্মাণ প্ৰণালী সমাজ বা জনগোষ্ঠী ভেদে ভিন্ন ভিন্ন হোৱা দেখা যায়। অসমৰ চাওঁতাল জনগোষ্ঠীয়ে স্থানীয় ভাৱে উপলব্ধ বাহ, খেৰ, কাঠ, ইকৰা আদিৰে গৃহ নিৰ্মাণ কৰে। ঘৰৰ ভেটি মাটিৰে প্ৰায় তিনিফুটমান ওখকৈ নিৰ্মাণ কৰে। ঘৰৰ চোতালখন আঠা মাটি, গোবৰ, তুহ আৰু খেৰ সৰু সৰুকৈ কাটি ভালদৰে মিহলাই এটা মিশ্ৰণ তৈয়াৰ কৰি মোচে। ঘৰৰ খুটা বাঁহ, কাঠ আদিৰ ওপৰত আঠা মাটি, গোবৰ আৰু খেৰৰ টুকুৰাৰ মিশ্ৰণেৰে লেপ দিয়ে। তাৰ পাছত ঘৰৰ বেৰবোৰ উক্ত মিশ্ৰণেৰে লেপ দি তাৰ ওপৰত বোকা মাটিৰ এটি প্ৰলেপ লগোৱা হয়।

ঘৰৰ মূধচৰ তলত বাঁহৰ 'কোৰালী' বা দাং লগাই পিয়াজ, নহৰু আদি শুকাই ৰাখে। ঘৰৰ ভিতৰত চাৰি বা ছয়টা বাহৰ খুটাৰ ওপৰত বাহ বা কাঠৰ মাৰিৰে 'ঢুল' বা চাং বনাই তাৰ ওপৰত 'বাণ্ডি' বা বাহৰ কামিৰে নিৰ্মিত ডুলি তৈয়াৰ কৰি তাত ধান, মাহ আদি ৰখা দেখা যায়। চাওঁতাল সকলৰ মুখ্য ঘৰটোক 'তাহেন ওড়াক' বুলি কোৱা হয়। ঘৰৰ সম্মুখৰ ফালে এখন বাৰাণ্ডা থাকে। সেই বাৰাণ্ডাখন আধা বেৰেৰে ঢাকি ৰাখি তাত ৰন্ধা বঢ়া কৰে। কিছুমানে আকৌ বাৰাণ্ডাত সৰুকৈ কোঠা নিৰ্মাণ কৰি দৈনব্যৱহাৰ্য সামগ্ৰীসমূহ ৰাখে। ঘৰৰ এচুকত এখন চাপৰকৈ বেৰ দি তাত 'ওড়াক বঙ্গা' অৰ্থাৎ গৃহদেৱতাৰ বাবে এখন বেদী স্থাপন কৰে। যাক 'ভিতৌৰ' বুলি কয়। এই 'ভিতৌৰ'ক অতি পৱিত্ৰ হিচাপে গণ্য কৰে আৰু আন মহিলা তথা নিজৰ ঘৰৰ বিবাহিত জীয়ৰীও ঘৰলৈ আহিলে তেওঁলোকক উক্ত 'ভিতৌৰ'ত প্ৰৱেশৰ অনুমতি দিয়া দেখা নাযায়। চাওঁতাল জনগোষ্ঠীৰ ঘৰসমূহত কোনো খিৰিকীৰ ব্যৱস্থা নাথাকে সেয়েহে ভিতৰখন ঘোপমৰা আন্ধাৰ হৈ থাকে। ঘৰসমূহত প্ৰায় এখনেই দৰ্জা থাকে আৰু এই দৰ্জা বাঁহ বা কাঠেৰে নিৰ্মাণ কৰা হয়। চাওঁতাল জনগোষ্ঠীৰ ঘৰসমূহ মূলত অসমৰ ভৈয়ামৰ ঘৰসমূহৰ দৰে দুচলীয়া হয়। এই ঘৰসমূহক 'বাংলা ওড়াক' কোৱা হয়। ধনী শ্ৰেণীৰ চাওঁতালসকলে চাৰিখন চালি যুক্ত ঘৰ নিৰ্মাণ কৰাও দেখা যায়। তেনে ঘৰক 'চাতোম ওড়াক' কোৱা হয়। প্ৰায়বোৰ চাওঁতাল পৰিয়ালেই বাৰাণ্ডাত ঢেঁকী আৰু পটা ৰাখে। প্ৰয়োজন সাপেক্ষে ঘৰৰ ওচৰত গৰু ম'হৰ বাবে দুচলীয়াকৈ 'গোড়া' বা গোহালী বনায়। থিক তেনেদৰে প্ৰয়োজন সাপেক্ষে ছাগলী ৰাখিবলৈ 'মেৰম গুডুঢ়ী' আৰু গাহৰী ৰাখিবলৈ 'চুক্ৰি বাঢ়া' সাজে।

আনহাতে পাৰ চৰাইৰ বাবে ঘৰৰ বাৰাণ্ডাৰ ওপৰত বাঁহৰ কামিৰে ‘পাওৰা টাঅ’গী’ আৰু বাৰান্দাৰ কোণ এটাত মূৰ্গী ৰাখিবলৈ ‘চিম খুড়ী’ নিৰ্মাণ কৰা পৰিলক্ষিত হয়।

## লোকশিল্প ঃ

### কৃষিৰ বাবে ব্যৱহৃত সজুলি ঃ

চাওঁতাল জনগোষ্ঠী মূখ্যত কৃষি নিৰ্ভৰশীল হোৱা হেতুকে কৃষিকাৰ্যত ব্যৱহৃত প্ৰায় সকলো সঁজুলি তেওঁলোকে নিজাববীয়াকৈ নিৰ্মাণ কৰা দেখা যায়। তলত সেই সম্পৰ্কে আলোচনা কৰা হ’ল —

### নাহেল (নাঙল) ঃ

চাওঁতাল সমাজত নাঙলখন অতি প্ৰাচীন কালৰপৰাই তেওঁলোকৰ জীৱনৰ অপৰিহাৰ্য্য অংগ হিচাপে ব্যৱহৃত হৈ আহিছে। ইয়াৰে কাঠৰ অংশটো চাওঁতালসকলে নিজে তৈয়াৰ কৰে। বাকী বেঁকা অংশটোত লোৰে তৈয়াৰী এখন ধাৰাল পাল লগায়।

### আৰ্গোম (মৈ) ঃ

সাধাৰণতে আৰ্গোম ১২ ৰ পৰা ১৮ চেন্টিমিটাৰমান পুতলৰ এডাল কাঠৰে সজা দেখা যায়। এই কাঠচটাৰ মাজতে এটা ফুটা কৰা থাকে য’ত গোটা বাঁহ এডাল লগাই দিয়া হয়। আৰ্গোম সাধাৰণতে চহোৱা মাটি সমান কৰিবলৈ ব্যৱহাৰ কৰা হয়।

### বাণ্ডি (ডুলি) ঃ

শস্যদানা মজুত কৰাৰ বাবে খেৰেৰে তৈয়াৰী ঘুৰণীয়া আকৃতিৰ আহিলা। খেৰবোৰ ইডালৰ ওপৰত সিডাল এটা বিশেষ ক্ৰমত গাঠি তাত শস্য ভৰোৱা হয়। ডুলিটো ভৰ্ত্তি হোৱা পাছত সেয়া এডাল পাতল খেৰৰ ৰচীৰে গাঠি ৰখা হয়।

**ধিংকি (ঢেঁকী) ঃ**

গুড়ি কৰা বা বাকলি গুচোৱাৰ বাবে ধিংকি ব্যৱহাৰ কৰে। ধিংকি সাজিবলৈ সাধাৰণতে ডাঙৰ কাঠৰ টুকুৰা এটা ব্যৱহাৰ কৰে। বাকী অংশ কাঠৰ টুকুৰাৰে নির্মিত। ইয়াৰ পুতল ২০ ৰ পৰা ২৫ চেন্টিমিটাৰ মান হয়। অসমৰ ভৈয়ামৰ মানুহে ব্যৱহাৰ কৰা ঢেঁকীৰ আৰ্হিতে এই ধিংকি সজা দেখা যায়।

**আখাঁইনি (ওখোন) ঃ**

বাহেৰে নির্মিত এটি যতন। ইয়াক মৰনা মৰাৰ সময়ত খেৰবোৰ তল ওপৰ কৰাৰ বাবে ব্যৱহাৰ কৰে।

**আৰড় (যুঁবলি) ঃ**

ই এডাল তিনিমিটাৰ মান দীঘল বাঁহ বা কাঠেৰে নির্মিত সঁজুলি। দুকাষত চাৰিটা ফুটা কৰি বাঁহৰ শলা লগোৱা হয় যাতে দুটা শলাৰ মাজেৰে হালবোৱাৰ সময়ত গৰু বা ম'হৰ গলৰ ওপৰতে ভাগটো লগাই বান্ধিব পৰা যায়। সোমাজত এটা ফুটা থাকে য'ত এডাল বাঁহ সুমুৱাই নাঙলেৰে সংযোগ কৰা হয়।

এই সমূহৰ উপৰিও কৌকৰি (জবকা) পাইড়া (এচাৰি) শিকুয়ৌৰ (শিকিয়া) আদি ব্যৱহাৰ কৰা দেখা যায়।

**মাছ মৰাৰ সৈতে জড়িত সঁজুলি ঃ**

চাওঁতাল জনগোষ্ঠীৰ জীৱিকাৰ আন এক উৎস হৈছে নৈ, জান-জুৰি, খাল-দোং আদিত মাছ মৰা। তেওঁলোকে জাল মাৰি, চেঁপা পাতি, বৰশি বাই আদি বিভিন্ন ধৰণে মাছ মাৰে। জাল বিভিন্ন প্ৰকাৰৰ বনায়। তাৰ ভিতৰত কাভি জালি, হুণ্ডি জালি, লেবডা জালি আদিয়েই প্ৰধান। আন আন সঁজুলিৰ ভিতৰত টৰডম, জিমব্ৰি, চায়েৰা, টেন্ট্ৰা আৰু খোচা প্ৰধান। তলত উক্ত বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল —

**কাভি জালি ঃ**

ই এখন চামুচ আকৃতিৰ জাল। এইখন ধৰাৰ বাবে কোনো ব্যৱস্থা নাথাকে। মাছুৱৈ জনে জালৰ এটা অংশত ধৰি পানীত ধৰি থাকে। জালখনৰ তলত মাছৰ অৱস্থিতিৰ উমান পালেই তেওঁ জালখন মাটিত হেচি ধৰে যাতে বাঁহৰ ৰিংটো মাটিত লাগি ধৰে আৰু মাছটো ওলাব নোৱাৰে। তাৰ পাছত হাতেৰে খেপিয়াই জালখনৰ ভিতৰত থকা মাছটো ধৰাৰ পাছতহে তেওঁ জালখন পানীৰ পৰা ওপৰলৈ আনে। এনে জাল ডাঙৰ নদী আৰু খেতিপথাৰত ব্যৱহাৰ কৰা হয়।

**হুণ্ডি জালি ঃ**

হুণ্ডি জালি হৈছে চাওঁতালসকলে সঘনে ব্যৱহাৰ কৰা এখন জাল। ই দেখাত এখন ডাঙৰ মোনাৰ দৰে, কেন্দ্ৰৰ ফালে ক্ৰমে ক্ষীণাই যোৱা আৰু বুকু ঠেক কিন্তু দীঘল। বাহিৰৰ ফালে প্ৰসাৰিত হৈ থকা তিনিডাল কাঠি তাত লগোৱা থাকে। ইয়াক ব্যৱহাৰ কৰাৰ এটা ফাল মাটিত লগাই আনটো ফাল পানীৰ ওপৰত ধৰি আগুৱাই গৈ থাকে।

**লেবডা জালি ঃ**

লেবডা হৈছে অগভীৰ পানীত মাছ মাৰিবৰ কাৰণে ব্যৱহাৰ কৰা জাল। জালখনৰ এক বহল বৃত্তাকাৰ আকাৰ থাকে যাৰ কেন্দ্ৰত এডাল দীঘল ৰচী গাঠি থোৱা থাকে। জালখনৰ কাষবোৰত লোৰ সৰু সৰু টুকুৰা গাঠি থোৱা থাকে যাতে পানীত পৰাৰ লগে লগে জালখন পানীত বুৰ যায়। এই ধৰণৰ জাল পানীত মৰাৰ বাবে অনুশীলন আৰু কৌশলৰ প্ৰয়োজন।

**পাচি জালি ঃ**

এয়া একধৰণৰ ফাচত পোলোৱা ধৰণৰ জাল। সাধাৰণতে পাঁচ মিটাৰমান দীঘল এই জালখনত বিশেষ আকাৰৰ ফুটা থাকে। জাল বিশেষে এই ফুটাৰ আকাৰ বেলেগ বেলেগ হয়। জালখনৰ তলৰভাগত ধাতু বা বা আন ওজন থকা বস্তু লগাই থোৱা থাকে

যাতে জালখনৰ তলৰ ফালটো পানীত ডুব গৈ থাকে। জালখন পানীত ৰখা হয় আৰু দুয়োটা মূৰ দুডাল খুটিত গাঠি থোৱা থাকে যাতে জালখন কোচ নোখোৱাকৈ পানীত দীঘল হৈ থাকে। বিশেষ আকৃতিৰ মাছ জালখনৰ মাজেৰে পাৰ হৈ যাব ধৰোতে মূৰটো পাৰ হৈ যায় যদিও মাছৰ গাটো তাতে ফাচ লাগি ৰয় আৰু এনেদৰে সেই মাছবোৰ ধৰা পৰে।

**টৰডান ঃ**

টৰডান বাঁহৰ কাঠিৰ পৰা তৈয়াৰ কৰা হয়। এইয়া দীঘল আৰু গোলাকৃতিৰ হয়। পাছৰ ফালটো চেপেটা আৰু আবদ্ধ হয় যদিও সমুখৰ ফালটো বহল আৰু খোলা হয়। সাধাৰণতে পানী বৈ গৈ থকা ঠাইত এই টৰডান পতা হয়। সাধাৰণতে বৰষুণৰ বতৰত মাছবোৰ এটা ফালৰ পৰা পানী বৈ যোৱা ঠেক বাটেৰে আন এটা ফাললৈ গৈ থকা পথত এই টৰডান পাতি মাছ ধৰা হয়। পথাৰৰ আলি কাটি পানী বৈ যাবলৈ দি তাৰ মাজেৰে পাৰ হৈ যোৱা মাছ ধৰাৰ বাবেও এই টৰডান পতা হয়। এই টৰডানৰ মাজেৰে পানী সৰকি যায় যদিও মাছবোৰ ৰৈ যায়।

**জিম্‌ব্ৰি ঃ**

জিম্‌ব্ৰি মিহিকৈ দৈ তোলা বাঁহেৰে তৈয়াৰ কৰা হয়। মিহিকৈ তোলা দৈ বোৰৰ পৰা এটা চাৰিকোণীয়া বাকচ তৈয়াৰ কৰা হয়। বাকচটোত চাৰিও ফালে ফুটা থাকে যিবোৰ এনেদৰে তৈয়াৰী যে মাছ সেইপিনেৰে সহজতে সোমাব পাৰে যদিও ওলোৱাতো মুঠেই সহজ নহয়। জিম্‌ব্ৰিত টোপ দি পানীত ৰখা হয়।

**চায়েৰা ঃ**

এয়া এক ধৰণৰ মাছ ফাচত পেলোৱা জাল। জালখনক বাঁহেৰে গোল বা ডিম্বাকৃতিৰ কৰি তৈয়াৰ কৰা হয় আৰু মুখখনত বাঁহৰ টুকুৰা ৰখা হয় যাতে মাছবোৰ বাহিৰত ওলাই যাব নোৱাৰে যাক 'দাতিয়া' বুলি কোৱা হয়। এই আহিলা সৰু সৰু মাছ থকা পানী জুৰলী বিশেষকৈ ধাননী পথাৰৰ কাষত পতা হয়। সৰু জান-জুৰি আদিতো এই আহিলা মাছ ধৰাৰ

বাবে ব্যৱহাৰ কৰা হয়। পানীৰ সৈতে মাছ জালত সোমায় আৰু পিছফালৰ বাঁহৰ মাজৰ ফুটাবোৰ তেনেই সৰু সেইবাবে মাছ সেইপিনেৰে বাহিৰত ওলাই যাব নোৱাৰে।

**টেন্টা ঃ**

টেন্টা পাতল লোৰ এক মিটাৰমান দীঘল কেইডালমান ৰড লগ লগাই তৈয়াৰ কৰা হয়। জোঙা মূৰৰ ৰডকেইডাল এডাল বাহৰ নালত মজবুতকৈ লগাই থোৱা থাকে। জলাহ অঞ্চলত বামি আৰু কুচিয়া মাছ ধৰাৰ বাবে এই আহিলা ব্যৱহাৰ কৰা হয়। বোকাৰ মাজত টেন্টা ভৰাই দিয়া হয় আৰু তাত মাছ লাগিলে মাছটোয়ে এৰাই যাবৰ চেষ্টা চলায়। তেতিয়াই মাছুৰৈজনে বুজি পায় যে টেন্টাত মাছ লাগিছে। আৰু ইয়াৰ পাছত বোকা আঁতৰাই মাছটো টেন্টাৰ সৈতে উলিয়াই অনা হয়।

**খোচা ঃ**

ইয়াত দহডালমান বাঁহৰ লাঠি জোৰা লগোৱা থাকে আৰু এই গোটেইকেইডাল এডাল দীঘল বাঁহত টানকৈ গাঠি থোৱা থাকে আৰু জোঙা আগকেইটা বহলকৈ মেল খোৱা অৱস্থাত থাকে। সাধাৰণতে এই আহিলা ডাঙৰ মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰা হয়।

## চিকাৰ ঃ

চাওঁতালসকলৰ জীৱিকাৰ আন এক উৎস হৈছে চিকাৰ কৰা। কাঁড় মাৰি, জাল পাতি, ফান্দ পাতি, আঠা লগাই বিভিন্ন ধৰণেৰে চিকাৰ কৰা দেখা যায়। চিকাৰৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন আহিলাসমূহ হৈছে ধেনুকাঁড়, কেটেপা, যুদ্ধৰ কুঠাৰ, কুলাই পাচি আৰু লাঠা। তলত এই সম্পৰ্কে আলোচনা আগবঢ়োৱা হ'ল —

**আ-চাৰ (ধেনুকাঁড়) ঃ**

চিকাৰ কৰাৰ বাবে ধেনুকাঁড় চাওঁতালসকলৰ প্ৰধান আহিলা। সৰু-বৰ জীৱ-জন্তু, চৰাই চিৰিকতি আদি কাঁড় মাৰিয়েই তেওঁলোকে চিকাৰ কৰে। চিকাৰৰ বাবে ব্যৱহাৰ কৰা

কাঁড় এনেদৰে তৈয়াৰ কৰা হয় যাতে সেয়া জন্তুৰ গাত সোমাই যায় আৰু সহজে ওলাই যাব নোৱাৰে। কাঁড়ত বনৌষধি লগাই বিষাক্ত কৰিও তেওঁলোকে চিকাৰ কৰে।

**তেংগচ(যুদ্ধৰ কুঠাৰ) ঃ**

বনৰীয়া গাহৰি আদি চিকাৰ কৰাৰ বাবে যুদ্ধৰ কুঠাৰ ব্যৱহাৰ কৰা হয়। বনৰীয়া গাহৰি খুব খঙাল হয় আৰু চিকাৰৰ সময়ত চিকাৰীৰ ফালে আক্ৰমণাত্মক ভাৱত খেদি আহে। এনে সময়তে যুদ্ধৰ কুঠাৰেৰে মূৰত আঘাত কৰি বধ হয়।

**ঝাম্পা (চৰাইৰ জাল) ঃ**

ঝাম্পা হৈছে বাহ আৰু সূতাৰে তৈয়াৰ কৰা ম'হৰ শিঙৰ ওপৰত পতা জাল। এই জাল বিশেষকৈ কপৌ চৰাই ধৰিবৰ বাবে পতা হয়। এটা পোক ঝাম্পাত ৰখা হয় যিটোয়ে বনৰীয়া কপৌ চৰাইক আকৰ্ষিত কৰে আৰু সেইটো খাবলৈ আহোতে কপৌ চৰাই জালত পৰে।

**টুচি (এন্দুৰৰ ফান্দ) ঃ**

টুচি হৈছে এন্দুৰ ধৰাৰ বাবে পতা চুঙা আকৃতিৰ ফান্দ। যাৰ এটা মূৰ খোলা থাকে আৰু আনটো মূৰ বন্ধ হৈ থাকে। খেতি পথাৰৰ অনিষ্ট কৰা এন্দুৰ ধৰাৰ বাবে এন্দুৰ অহাযোৱা কৰা ৰাস্তাত এই ফান্দ পতা হয়। ইয়াত এন্দুৰ এবাৰ সোমালে পিছমুৱাকৈ ই ওলাই আহিব নোৱাৰে।

**এন্দুৰ মৰা বাহৰ ফান্দ ঃ**

খেতি পথাৰত এন্দুৰ মাৰিবলৈ এইবিধ ফান্দ চাওঁতালসকলৰ মাজত যথেষ্ট জনপ্ৰিয়। ইয়াক সম্পূৰ্ণকৈ বাহেৰে তৈয়াৰ কৰা হয় আৰু ৰাতিৰ ভাগত এন্দুৰ অহা-যোৱা কৰা বাটত পাতি থোৱা হয়। এন্দুৰটো পাৰ হৈ যাব খোজাৰ লগে লগে স্প্ৰীঙৰ কাম কৰা গাঠিটো খুলি যায় আৰু বাহৰ কোবত এন্দুৰটো মৃত্যু মুখত পৰে।

**কুলাই পাচি ঃ**

এই আহিলাৰ এটা মূৰত পাতল লোৰ দুফুট দীঘল তাঁৰ গাঠি থোৱা থাকে। এটা ফালে ফান্দ দি থোৱা থাকে আৰু জোং থকা ফালটো মাটিত লগাই থোৱা থাকে। পাৰ হৈ যাব খোজা এন্দুৰ ফান্দত লাগি মৃত্যুমুখত পৰে। এই ফান্দ ৰাতিহে পতা হয়।

**চেৰে লাথা (আঠা লগোৱা চৰাইৰ ফান্দ) ঃ**

এই ফান্দ ১৫-২০ ডালমান এফুটমান দীঘল বাহৰ সৰু দৈৰে তৈয়াৰ কৰা হয়। কঠালৰ আঠা এই পাতল টুকুৰাবোৰত লগোৱা হয়। আঠা লাগি থকা এই দৈবোৰৰ এটা ফাল সামান্য বেকাকৈ মাটিত লগাই থোৱা থাকে। পোক-পৰুৱা আদিৰ লোভ দি দৈবোৰৰ ভিতৰত থৈ দিয়া থাকে। সেই পোক বা পৰুৱা খাবৰ বাবে চৰাই নামি অহাৰ লগে লগে সেই আঠালগা দৈত লাগি ধৰে।

## দৈনন্দিন জীৱনত ব্যৱহাৰ্য সঁজুলি ঃ

অসমৰ আন আন জিলাৰ চাওঁতালসকলৰ দৰে কোকৰাঝাৰৰ চাওঁতাল সকলেও পৰাপক্ষত দৈনন্দিন জীৱনত ব্যৱহাৰ্য সামগ্ৰীসমূহৰ প্ৰায়ভাগে নিজেই তৈয়াৰ কৰি লয়। তেওঁলোকৰ শিল্পকলাৰ এক সুকীয়া পৰিচয় আছে। তেওঁলোকৰ হস্তশিল্পৰ নিদৰ্শনৰ ভিতৰত আৰ্গোম, বানাম, বাণ্ডি, বৰ, ধিংকি, গাণ্ডো, গুংগু, হাটাক', জনক, কাৰ্হা, পাৰকম, পাত্ৰ, পাটিয়া, ফুৰুক, ফাটিয়াক, মাচি, নাহেল, সাগৰ, চায়েৰা, টুপলৌক, টিৰিঅ, তুম্‌ডা আৰু টামাক আদি। তলত সি সমূহৰ বিষয়ে আলোচনা কৰা হ'ল —

**বানাম ঃ**

একধৰণৰ বেহেলা। চাওঁতালসকলৰ বেহেলাখন কাঠৰ খোলত জন্তুৰ ছালেৰে ঢাকি এডাল তাঁৰ লগাই লয়। সমূখৰফালে ৰখা এডাল ধেনু জাতীয় আহিলাৰে এই বাদ্যযন্ত্ৰ বজোৱা হয়।

**বৰ ঃ**

খেৰৰ ৰচী। খেৰবোৰ মেৰিয়াই তাৰ আগত নতুনকৈ খেৰ যোগ দি গৈ থকা হয়। যিমান দীঘল কৰাৰ প্ৰয়োজন হয়, সিমান খেৰৰ প্ৰয়োজন হয়। সাধাৰণতে এই ৰচীডালত দুটা পেচ থাকে যাক 'পেটেৰ বৰ' বুলি কোৱা হয়। তিনিডাল পেচেৰে গঠা মোটা ৰচীডালক 'গালান বৰ' বুলি কোৱা হয়।

**গাঙো ঃ**

গোটা কাঠৰ টুকুৰাৰে তৈয়াৰ কৰা মুঢ়া। ওলোটাই থলে ইংৰাজী ইউ (U) আখৰটোৰ দৰে দেখি। ইয়াক বহিবৰ বাবে ব্যৱহাৰ কৰে।

**গুংগু ঃ**

ই বৰষুণৰ পৰা বাচি থকাৰ বাবে ব্যৱহাৰ কৰা পাতেৰে তৈয়াৰী একধৰণৰ জাপি। পুৰুষমহিলা সকলোৱে খেতিপথাৰত কাম কৰাৰ সময়ত এই গুংগু ব্যৱহাৰ কৰা দেখা যায়। এই গুংগু সাধাৰণতে তকৌপাতেৰে  তৈয়াৰ কৰা হয়।

**হাটাক' ঃ**

কুলাবিশেষ। চাওঁতালসকলৰ ঘৰৰ এপদ অপৰিহাৰ্য্য বস্তু হৈছে হাটক'। চাউল বা আন দানা চাফা কৰা বাবে কুলা ব্যৱহাৰ কৰা হয়। এয়া ফলা বাঁহৰ দৈ তুলি তৈয়াৰ কৰা হয়। আয়তাকাৰৰ এই কুলাখনৰ আগফাল আৰু দুয়োকাষে বাহৰে সামান্য ওখকৈ বন্ধোৱা থাকে আৰু পিছৰফালটো ওখ কৰি তৈয়াৰ কৰা হয়।

**জনক (ঝাড়ু) ঃ**

খেৰ কাটি আৰু আনটো মূৰ টানকৈ বান্ধি মুকলিকৈ ৰখা হয়। যেতিয়া সেয়া ঘূৰাই দিয়া হয়, এডাল সুন্দৰ ঝাড়ু হৈ পৰে। এই ঝাড়ু চাওঁতালসকলৰ মাজত অতিকৈ জনপ্ৰিয়।

**পাৰকম (বিছনা) ঃ**

চাওঁতালসকলে শুৱলৈ পাৰকম ব্যৱহাৰ কৰে। ইয়াক চাৰিটা কাঠৰ খুটাৰ ওপৰত ৰচিৰে বনোৱা হয়। ওপৰভাগ ৰছীৰে বন্ধা। বিছনাখনৰ ইমূৰ পৰা সিমূৰলৈ ৰচীবোৰ দুবাৰ টানকৈ বন্ধা হয়।

**পাত্ৰ ঃ**

গছৰ পাতৰ থাল। শাল বা কঠাল গছৰ পাতেৰে এই থাল তৈয়াৰ কৰা হয়। পাতবোৰ ঘাইকৈ মহিলাসকলে মিহি টান কাঠিৰে এটাৰ ওপৰত এটা গুজি থালৰ আকাৰ দিয়ে। মহিলাসকলে তল সৰা পাতবোৰ সংগ্ৰহ কৰে। পাতৰ থাল ঘূৰণীয়া আকৃতিৰ আৰু আকাৰত ৩০ ছেন্টিমিটাৰমান হয়।

**পীটিয়া ঃ**

বহিবৰ বাবে বাঁহৰ পাতেৰে তৈয়াৰ কৰা পাটি। ইয়াত ঘৰলৈ অতিথি আহিলে সন্মান সহকাৰে বহিবলৈ দিয়া হয়।

**ফুৰুক ঃ**

পাতৰ পিয়লা। পাত্ৰ বনোৱা গছৰ পাতেৰে এই পিয়লা তৈয়াৰ কৰা হয়। পাতৰ পিয়লা সাধাৰণতে ভাজ খুৱাই তৈয়াৰ কৰা হয়। এই পিয়লা সাধাৰণতে পূজা-পাতলত পানী, হাঁণ্ডি আদি খাবলৈ ব্যৱহাৰ কৰে।

**ফটিয়ক ঃ**

বাঁহৰ সৰু খৰাহি।

**মেচি ঃ**

মেচি হৈছে বৰ্গাকাৰ বহিব পৰা যতন। চাৰিটা খুটাৰ ওপতৰ ৰচি টানি এই যতন

বনোৱা হয়।

**সাগৰ ঃ**

চকাযুক্ত গৰুগাড়ী। দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য সামগ্ৰীবোৰ কঢ়িয়াবৰ বাবে সাগৰ ব্যৱহাৰ কৰে। এয়াক সাধাৰণতে কাঠ, বাঁহ আৰু লোৰ দ্বাৰা তৈয়াৰ কৰা দেখা যায়।

**টুপলীক ঃ**

বাঁহ আৰু তেনেধৰণৰ সামগ্ৰীৰ পৰা প্ৰস্তুত কৰা তেনেই সৰু খৰাহী।

**টিৰিঅ ঃ**

এবিধ বাঁহী। এই বাঁহী চাওঁতালসকলে এবিধ বিশেষ বাঁহেৰে তৈয়াৰ কৰে। এটা বাঁহীত আঙুলি কেইটাৰ বাবে ছটা ফুটা আৰু ফু দিবৰ বাবে এটা ফুটা থাকে। এই বাঁহীটোক চাওঁতাল যুৱকসকলৰ জাতীয় বাদ্য বুলিব আখ্যা দিয়া দেখা যায়। ইয়াক সাধাৰণতে যুৱীয়াকৈ সাজে।

**তুম্‌দা ঃ**

ই ঢোল জাতীয় বাদ্যযন্ত্ৰ। শংকু আকৃতিৰ তুম্‌দা পোৰা মাটিৰে তৈয়াৰ কৰা হয়। ঠেক শেষৰ মূৰটো বান্দৰ অথবা ছাগলীৰ চালেৰে আৰু বহল অংশটো বলধ, ম'হ অথবা ছাগলীৰ ছামৰাৰে আবৃত কৰা হয়। এটা মূৰৰ পৰা আনটো মূৰলৈ দীঘল চামৰাৰ লেজুৰে আবৰণটোক বান্ধি লোৱা হয়। লোহেৰে তৈয়াৰ কৰা আঙুঠি প্ৰতিটো মূৰতে চামৰাৰ আৱৰণটোৰ বাহিৰত লগোৱা হয়। বাদ্যটো কান্ধত ওলমাই ৰখা হয় অথবা ৰছীৰে ডিঙিত ওলমাই লোৱা হয়।

**টামাক ঃ**

ইও এক প্ৰকাৰৰ ঢোল জাতীয় বাদ্য। দেখিবলৈ ডাঙৰ বাটি এটাৰ দৰে টামাক ধাতুৰ

প্লেটেৰে প্ৰস্তুত কৰা অবয়ব। ওপৰত বলধ বা ম'হৰ ছামৰাৰে মেৰিয়াই বনোৱা হয়। সাধাৰণতে টামাক চিকাৰৰ সময়ত আৰু বিভিন্ন উৎসৱ পাৰ্বণত ব্যৱহাৰ কৰা দেখা যায়।

## খাদ্যাভাস আৰু ৰন্ধন প্ৰণালী ঃ

অসমৰ আন আন জনগোষ্ঠীসমূহৰ দৰে চাওঁতাল জনগোষ্ঠীৰো মুখ্য খাদ্য হ'ল ভাত যাক 'ডাকা' বুলি কোৱা হয়। সচৰাচৰ ভাত বিভিন্ন ব্যঞ্জনেৰে পৰিবেশন কৰা হয় যাক 'উতু' বুলি কোৱা হয়। এলুমিনিয়াম বা ষ্টিলৰ বাচন বৰ্তনত খোৱা বস্তু বনোৱা হয়। প্ৰায়বোৰ চাওঁতাল ঘৰতে মাটিৰ চৌকা বনাই খৰিৰে ভাত বনোৱা হয়। অৰ্থনৈতিক ভাৱে স্বাচ্ছন্দ্য থকা পৰিয়ালে দিনত দুবাৰ ভাত ৰান্ধে। এবাৰ মধ্যাহ্ন ভোজনৰ বাবে যাক 'মঞ্জন' বুলি কোৱা হয় আৰু এবাৰ গধূলি খোৱা বাবে ৰান্ধে যাক 'কেডক্' কোৱা হয়। কেডক্‌েই চাওঁতালসকলৰ প্ৰধান আহাৰ। দুখীয়া পৰিয়ালৰ লোক সকলে কেৱল গধূলিৰ আহাৰ প্ৰস্তুত কৰে আৰু অৱশিষ্টখিনি পানী ঢালি ৰাখি ৰাতিপুৱা 'দাকমৌণ্ডি' অৰ্থাৎ পইতা ভাত হিচাবে গ্ৰহণ কৰে। চাওঁতালসকলে মুখ্যত উখুৱা চাউলৰ ভাত খায়। আৰৈ চাউল বিভিন্ন পিঠা-পনা বনাবলৈ ব্যৱহাৰ কৰে।

খাদ্য যিকোনো পাত্ৰতে আপ্যায়ন কৰা হয়। আজিকালি কাহ-পিতলৰ বাচন-বৰ্তনো ব্যৱহাৰ কৰা দেখা যায়। কেতিয়াবা বাচন-বৰ্তন আদিৰ অভাৱ হ'লেহে পাতৰ কাপ-প্লেট ব্যৱহাৰ কৰে।

বজাৰৰ পৰা কিনা কাপ গিলাচ আদি নাথাকিলে পানী, হাঁণ্ডি, জোল আদি 'ফুৰুক' (পাতৰ কাপ) তে পৰিৰেশন কৰা হয়। প্লেট তৈয়াৰ কৰোতে ব্যৱহাৰ কৰা একেধৰণৰ পাতেই কাপ তৈয়াৰ কৰোতে ব্যৱহাৰ কৰা হয়। আকাৰ, গঠণ আৰু ব্যৱহাৰৰ দিশৰ পৰা চাওঁতালসকলে বিভিন্ন ধৰণৰ পাতৰ কাপ ব্যৱহাৰ কৰে। সকলো ধৰণৰ কাপতেই পাতবোৰ ওপৰমুৱাকৈ থোৱা থাকে আৰু ভাঁজ কৰা থাকে যাতে তাত জুলীয়া বস্তু থব পৰা যায়। হাঁণ্ডি খোৱাৰ বাবে এটা পাত মেৰিয়াই দুয়োটা মূৰ সী লোৱা হয়। এই একেধৰণৰ পাতৰ কাপ শিশুক পানী আৰু গাখীৰ খুওৱাৰ বাবেও ব্যৱহাৰ হৈছে। ধোঁৱা খোৱাৰ বাবেও পাতৰ বহুল প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়। কোকৰাঝাৰৰ চাওঁতালসকলৰ ভাতেই

মুখ্য খাদ্য। ভাতৰ উপৰিও চাওঁতাল জনগোষ্ঠীৰ আন দুবিধ জনপ্ৰিয় খাদ্য হ'ল — খাজাৰি আৰু টাবেন।

**খাজাৰি ঃ**

খাজাৰি মানে হ'ল 'মুড়ি'। মুড়ি প্ৰস্তুত কৰা বাবে আৰৈ চাউল ভালদৰে পৰিস্কাৰ কৰা হয় আৰু তাৰ ওপৰত নিমখ পানী চতিয়াই শুকাবলৈ দিয়া হয়। ভালকৈ শুকুৱাৰ পাছত জুইৰ ওপৰত পোৰা মাটিৰে নিৰ্মিত পাটচৰুত বালি গৰম কৰি তাত শুকুৱা চাউল খিনি অলপ অলপ কৰি ঢালি বাহেৰে নিৰ্মিত বাঢ়নিৰে লৰাই মুড়ি প্ৰস্তুত কৰা হয়। তাৰ পাছত গুৰ অথবা চাহৰ লগত পৰিবেশন কৰা হয়।

**টাবেন ঃ**

টাবেনৰ অসমীয়া প্ৰতিশব্দ হ'ল 'চিৰা'। চিৰা প্ৰস্তুত কৰা বাবে চাউলখিনি গৰম পানীত মিহলি কৰি অলপ উতলোৱা হয়। পাছত চিৰা খুণ্ডাৰ বাবে বিশেষ ভাৱে ব্যৱহৃত 'টাবেন ধিংকি' অৰ্থাৎ চিৰা বনোৱা ঢেঁকীত সেই চাউলবোৰ চেপেতা কৰি বনোৱা হয়। এই ঢেঁকীৰ থোৰাৰ তলতো বহল গোলাকাৰ আকৃতিৰ হয় আৰু লোহাৰ ৰিং বন্ধা হয়।

এই সমূহৰ উপৰিও কোকৰাঝাৰৰ চাওঁতাল সমাজে জন্দ্ৰা (মাকৈ), কোড (বজৰা), আৰ্চা পিঠা, চোৰ পিঠা, দোল পিঠা, ডম্বক পিঠা, গুৰ পিঠা, জেল পিঠা, জন্দ্ৰা পিঠা , ঝিলুম পিঠা, খাৰপা পিঠা, ওটি পিঠা, পাৰৰা পিঠা,পাত্ৰা পিঠা, চাকাম পিঠা, চিম পিঠা আদি নিজৰ ঘৰত তৈয়াৰ কৰি খোৱা দেখা যায়।

**শাক-পাচলি ঃ**

চাওঁতালসকলে তেওঁলোকৰ দৈনন্দিন জীৱনত বিভিন্ন শাক-পাচলিৰে 'উতু' অৰ্থাৎ ব্যঞ্জন প্ৰস্তুত কৰে। তলত সেই সম্পৰ্কে আলোচনা কৰা হ'ল —

**ৰহেৰ (ৰহৰ) ঃ**

ৰহেৰ দানা সিজাই অথবা ভাজি খোৱা হয়।

**হৰেক’ (একধৰণৰ বিনজাতীয় শস্য) ঃ**

হৰেক’ৰ দানা সিজাই নিমখৰ লগত খোৱা হয়। ইয়াক ভাজি বা গুড়ি কৰিও খোৱা দেখা যায়।

**ঘাংগ্ৰা (একধৰণৰ বিন) ঃ**

ইয়াক সিজাই বা ভাজি খোৱা হয়।

**চেকেৰকেন্দ্ৰা (মিঠা আলু) ঃ**

ইয়াৰ শিপা সিজাই খোৱা হয়।

ইয়াৰ ওপৰিও স্থানীয় ভাৱে উপলব্ধ সকলো ধৰণৰ শাক- পাচলি আদিৰ ব্যৱহাৰ কৰা দেখা যায়।

সি সমূহৰ উপৰিও কোকৰাঝাৰৰ চাওঁতাল জনগোষ্ঠীটোৱে বিভিন্ন ধৰণৰ কাঠ ফুলা; বান্দৰ, ঘোঁড়া, কুকুৰ আৰু হায়েনাত বাহিৰে আন সকলো ধৰণৰ জীৱ-জন্তুৰ মাংস, কাউৰী আৰু ভাটৌ চৰাইৰ বাহিৰে আন সকলো ধৰণৰ চৰাইৰ মাংস তথা অজগৰ আৰু জামব্ৰী (বালিৰ সাপ)ৰ মাংস ভক্ষণ কৰা দেখা যায়।

**পেয় ঃ**

হাঁণ্ডি অৰ্থাৎ চাউলৰ মদ হৈছে চাওঁতালসকলৰ আটাইতকৈ পৱিত্ৰ আৰু অপৰিহাৰ্য্য পেয়। চাওঁতাল সমাজৰ সবাতোকৈ জনপ্ৰিয় আৰু পবিত্ৰ পানীয় হ’ল হাঁণ্ডি বা মদ। জনশ্ৰুতি অনুসৰি তেওঁলোকৰ মুখ্য বঙ্গা মাৰাং বুড়ুৱে চাওঁতাল আদি মানৱ পিলচু হাড়াম আৰু পিলচু বুঢ়ীক মদ প্ৰস্তুত কৰিবলৈ শিকাইছিল। চাওঁতাল সমাজৰ সামাজিক তথা ধৰ্মীয় সকলো অনুষ্ঠানতে হাঁণ্ডি অপৰিহাৰ্য্য। হাঁণ্ডি দুই ধৰণৰ বনোৱা হয়। ‘টুকুহ’

হাঁণ্ডি অৰ্থাৎ কেঁচা মদ আৰু ‘পৌউৰী হাঁণ্ডি অৰ্থাৎ পকা মদ। টুকুই হাঁণ্ডি বিশেষকৈ পূজা-পাৰ্বণত ব্যৱহাৰ কৰা হয়।

হাঁণ্ডি চাউলৰ পৰা বনোৱা হয়। চাউলখিনি প্ৰথমে সামান্য পৰিমানে ভাজি লোৱা হয়। তাৰ পাছতে চাউলখিনি সিজাই, ঠাণ্ডা কৰাৰ পাছত তাত ‘ৰাঁনু’ অৰ্থাৎ বাখৰ মিহলাই কিছু সময়ৰ বাবে মেলি দি ডাঙৰ মুখৰ ‘টুকুই’ অৰ্থাৎ কলহ এটাত ভৰাই ঢাকনিৰে ঢাকি ৰখা হয়। এই ব্যৱহৃত বাখৰৰ ওপৰতে হাঁণ্ডিৰ গুণাগুণ নিৰ্ভৰ কৰে। বাখৰ অবিহনে হাঁণ্ডিৰ বাবে ব্যৱহৃত ভাত খিনি পচি যায়। চাওঁতাল মহিলাৰ বাবে বাখৰ বনোৱাটোও এটি কলা। সম্পূৰ্ণ প্ৰাকৃতিক উপাদানেৰে বাখৰ প্ৰস্তুত কৰা হয়। যেনে — তিনিটা মান কঠাল পাত, কেইটামান ভীৰনি গছৰ পাত, কেইটামান আনাৰসৰ পাত, কেইটামান ধঁতুৰাৰ পাত, অলপমান কলপাত অলপ যষ্টিমধুৰ পাত আৰু চাউল একেলগে খুন্দি গুড়ি কৰি লোৱা হয়। তাৰ পাছত ডাঙৰ চালনিৰ ওপৰত খেৰ দি সেই খেৰৰ ওপৰত ঢেকীয়া পাত দি গুড়িবিলাক হাতেৰে মথি সৰু সৰু পিঠা বনাই শুকাবলৈ দিয়া হয়। এই পিঠাবোৰ কেচাই থাকোতে তাৰ ওপৰত পুৰণি বাখৰ চতিয়াই ধান খেৰ দি জাপি পুনৰ ভালদৰে শুকোৱা হয়। আৰু এই পিঠাবোৰেই ভালদৰে শুকুৱাৰ পাছত ৰাঁনু অৰ্থাৎ বাখৰ হৈ পৰে।

কলহত ভৰাই থোৱা ভাতখিনি হাঁণ্ডি প্ৰস্তুত হ’বলৈ গ্ৰীষ্ম কালত চাৰিপাঁচ দিন মানৰ দৰকাৰ হয় আৰু শীতকালত পোন্ধৰ দিন মানৰ প্ৰয়োজন হয়। ৰাঁনু মিহলোৱা ভাতখিনিৰ পৰা কিছুদিন পাছৰ পৰা ৰস জমা হোৱা আৰম্ভ হয়। এই ৰসক ‘ঝাৰহাঁণ্ডি’ কোৱা হয়। সামূহিক ভাৱে পৰিবেশৰ বাবে এই ৰসত পানী মিহলোৱা হয় আৰু এই হাঁণ্ডিক ‘তাংহাঁণ্ডি’ কোৱা হয়।

আনহাতে ‘পৌউৰী হাঁণ্ডি’ প্ৰস্তুত কৰাৰ বাবে ভাতখিনিত পানী মিহলাই এটা ডাঙৰ ডেক্সিত ৰখা হয়। ডেক্সিটো জুইৰ ওপৰত ৰাখি সেইটোৰ ওপৰত এটা খৰাহী দি তাৰ ভিতৰত এটা মাটিৰ পাত্ৰ ৰখা হয় আৰু আন এটা মাটিৰ পাত্ৰ তাৰ ওপৰত ৰখা হয়। ওপৰৰ পাত্ৰটোৰ ওপৰত এটা ঠাণ্ডা পানীৰ ডেক্সি ৰখা হয়। ডেক্সি আৰু খৰাহীৰ মাজত ঠাইখিনি এখন কাপোৰেৰে ভাপ ওলাব নোৱাৰাকৈ বান্ধি দিয়া হয়। এনেদৰে ৰখাৰ পাছত মাটিৰ সৰু পাত্ৰটোত জমা হোৱা মদ খিনিয়েই হয় ‘পৌউৰী হাঁণ্ডি’ ৰা পকা মদ।

এই হাঁণ্ডি চাওঁতাল সকলৰ বাবে পবিত্ৰ পানীয়। যিকোনো পূজা-পাতলৰ সময়ত মাৰাংবুডুৰ নামত হাঁণ্ডি উছৰ্গা কৰা হয় আনহাতে সকলো উৎসৱ-পাৰ্বণতে সমজুৱাক এই হাঁণ্ডিৰেই আপ্যায়ন কৰা হয়। ঘৰলৈ অহা আলহী অতিথিকো এই হাঁণ্ডিৰেই আপ্যায়ন কৰা হয়।

চাওঁতাল সমাজৰ আন এটি আসক্তি হৈছে ধুম্ৰপান। ধপাতৰ গুড়ি শালপাতেৰে মেৰিয়াই বিড়ি বনাই হোপে। কোনো কোনো ঠাইত 'হুকৌচিলিম' অৰ্থাৎ হোকাওঁ ব্যৱহাৰ কৰে। ধপাত মাটিৰ কলহত ভৰাই ধানখেৰ আৰু গোবৰেৰে মুখ বন্ধ কৰি সাচি ৰখা হয়।

## সাচ-পোচাক আৰু আ-অলংকাৰ ঃ

চাওঁতাল শিশু এটা জন্ম পোৱাৰ পাছৰ অনুষ্ঠানত ধাত্ৰীয়ে হালধিত ডুবোৱা এডাল সূতা শিশুটিৰ কঁকালত গাঠি দিয়ে। যিমানদিনলৈ সম্ভৱ এই সূতাডালেই শিশুটিৰ গাত ৰখা হয় আৰু ছিগি গ'লে নতুন এডাল গাঠি দিয়া হয়। কাপোৰ পিন্ধাৰ আগলৈকে কন্যা সন্তানকো এই সূতাডালেই পিন্ধাই ৰখা হয়। অৱশ্যে কিছুমানে কাপোৰ পিন্ধিবলৈ শিকাৰ পাছতো মাজে-সময় ডোৰা বা সূতাডাল পিন্ধা দেখা যায়। ল'ৰা সন্তানৰ ক্ষেত্ৰত কঁকালৰ সূতাডাল অপৰিহাৰ্য। আৰ্হি অনুযায়ী এই কঁকালত পিন্ধা সূতাডালৰ নাম বেলেগ বেলেগ হোৱা দেখা যায়।

ল'ৰাই পিন্ধা প্ৰথম বস্ত্ৰ হৈছে 'ভাগৰা' এয়া হৈছে কাপোৰৰ টুকুৰামাত্ৰ, যিয়ে কেৱল দেহৰ গোপন অংগ ঢাকি ৰাখে। ইয়াক উৰুৰ তলেৰে মেৰিয়াই আগে-পিছে পেচ মাৰি পিন্ধা হয়। প্ৰাপ্তবয়স্ক সকলেও ভাগৰা পিন্ধিব পাৰে। ই দীঘে ১.৫০ মিটাৰ মান হয় আৰু পুতলে হয় ০.৫০ মিটাৰ। পথাৰৰ কামত আৰু বোকা-পানী গাত লাগিব পৰা ধৰণৰ কামত এই বস্ত্ৰ পৰিধান কৰা হয়। গা ধোৱাৰ বাবেও এই বস্ত্ৰই চাওঁতালসকলে ব্যৱহাৰ কৰে।

পুৰুষে সাধাৰণতে কঁকালত এখন আৰু দেহৰ ওপৰৰ ভাগ আবৰি ৰাখিব পৰাকৈ আন এখন বস্ত্ৰ পিন্ধে। পেচ মাৰি পিন্ধা এই বস্ত্ৰবিধৰ প্ৰকাৰ ভিন্ন হলেও ইয়াক সাধাৰণতে 'ডেংগানাক' বুলি কোৱা হয়। এই নামৰ আগত উপসৰ্গ লগাই কি প্ৰকৃতিৰ বস্ত্ৰ সেই কথা বুজোৱা হয়। এনে প্ৰকৃতিৰ আটাইতকৈ পুৰণি বস্ত্ৰ হৈছে কাচা ডেংগা অথবা কাচা। এয়া

একধৰণৰ কপাহী কাপোৰেৰে তৈয়াৰী যিখন কঁকালত মেৰিয়াই লৈ আগ দুটা দুই উৰুৰ মাজেৰে পাৰ কৰি পিছপিনে খোচা মাৰি খোৱা হয়। প্ৰাপ্তবয়স্ক এজনৰ বাবে এনে কাপোৰৰ আকাৰ দীঘে ২.৫০ মিটাৰ আৰু পুতলে ০.৫০ মিটাৰ হয়। অসমত এনে পোচাকক ‘পাঞ্চী’ বুলি কোৱা হয়। এনে বস্ত্ৰ বজাৰত সহজেই উপলব্ধ।

কান্ধ আৰু বুকু ঢাকিবৰ বাবে তেওঁলোকে ‘পিচৌৰি’ নাম দিয়া কাপোৰ ব্যৱহাৰ কৰে। এই কাপোৰটুকুৰা দীঘে ২.৫০ মিটাৰ হোৱাৰ বিপৰীতে পুতলে ১.৫০ মিটাৰমান হয়। একেলগে দুই-তিনিটুকুৰা কাপোৰ সী তৈয়াৰ কৰা পোচাকক ‘বাৰ্কি’ বুলি কোৱা হয়। এনে পোচাক সামাজিক উৎসৱ-পাৰ্বণৰ সময়ত পিন্ধা হয়। কাম কৰাৰ সময়ত অথবা বতৰ খুব গৰম হৈ থাকিলে পুৰুষে সাধাৰণতে ককালৰ ওপৰত কোনোধৰণৰ পোচাক নিপিন্ধে।

অৱশ্যে আজিকালি অসমীয়া চাওঁতালসকলে সময়ৰ পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই গেঞ্জী আৰু চোলা, কুৰ্তা আদি পিন্ধিবলৈ লৈছে।

পাগুৰি চাওঁতালসকলৰ অপৰিহাৰ্য্য বস্ত্ৰ নহয়। ৰ’দৰ পৰা বাচিবৰ বাবে চাওঁতালসকলে মূৰত এখন কম পুতলৰ দীঘল কাপোৰ মেৰিয়াই লৈ সাধাৰণতে পিন্ধে। পাগুৰি চাওঁতালসকলে বিয়া আৰু কন্যাদান আদি অনুষ্ঠানত পিন্ধে। বিয়াৰ উৎসৱত সেন্দুৰদান পৰ্বৰ আগত দৰাই কইনাৰ সৰু ভায়েকৰ মূৰত ‘চাৰা দীৰহি’ নামৰ পাগুৰি এটা পিন্ধাই দিয়ে। এয়া হালধী পানীত দুবাই হালধীয়া কৰা কাপোৰেৰে বনোৱা হয়। দৰা আৰু লমটা ক’ৰা এক বিশেষ ধৰণৰ পাগুৰি বিবাহ উৎসৱত পিন্ধে। ইয়াৰ এটা মূৰ ওপৰৰ ফালে থিয় কৰি থোৱা হয়।

আনহাতে এগৰাকী চাওঁতাল ছোৱালীয়ে ব্যৱহাৰ কৰা প্ৰথম বস্ত্ৰ হ’ল ‘পুত্‌লি’। ‘পুত্‌লি’ নামৰ এই বস্ত্ৰ কঁকালত মেৰিয়াই খোচনি মাৰি লয় আৰু ‘বুলি’ নামৰ ওপৰৰ ফালটো কান্ধৰ তলেৰে মেৰিয়াই লোৱা হয়। দহ-বাৰ বছৰমান বয়সলৈকে এই বস্ত্ৰ পৰিধান কৰা হয়। এবাৰ কৈশোৰপ্ৰাপ্তি লাভৰ পিছৰে পৰা ‘পাৰহীওঁ’ পিন্ধিবলৈ আৰম্ভ কৰে। ‘পাৰহীওঁ’ হৈছে ডেৰমিটাৰমান দীঘল আৰু এক মিটাৰমান পুতলৰ এখন মেখেলাজাতীয় বস্ত্ৰ। বুকুত মেৰিয়াই লোৱা বস্ত্ৰখনক ‘পাঞ্চি’ বুলি কোৱা হয়। পাঞ্চিখন সাধাৰণতে তিনিমিটাৰমান দীঘল হয় আৰু পুতলে আধামিটাৰমান হয়। ইয়াৰে এটা মূৰ পাৰহীওঁত ককালত সোঁফালে খোচনি

মাৰি লোৱা হয় আৰু আনটো মূৰ বাওঁকান্ধেৰে পাৰ কৰি পিছফালে ককালত সোঁফালে খোচনি মাৰি লোৱা হয়। বৰ্ত্তমান চাওঁতাল মহিলাই শাৰী, পেটীকোট, ব্লাউজ আৰু অন্তৰ্বাস আদিও পোচাক হিচাপে আদৰি লৈছে। সাধাৰণতে মহিলাই পিন্ধা সম্পুৰ্ণ পোচাক হৈছে 'খৌণ্ডি'। পুৰুষ-মহিলা সকলোকে উপহাৰ হিচাপে আগবঢ়োৱা সম্পূৰ্ণ এজোৰ কাপোৰক 'খৌণ্ডি' বুলি কোৱা হয়। 'খৌণ্ডি'ৰ উপৰিও জোখত মিলিলে আন কাপোৰো যেনে 'ডোয়েল' ব্যৱহাৰ কৰা হয়। ডোয়েল হৈছে দীঘে ছয় মিটাৰ আৰু পুতলে এক মিটাৰমান জোখৰ কাপোৰ। প্ৰত্যেকটো মূৰতে ডাঙৰকৈ ৰঙা ৰঙৰ পটী লগোৱা হয়। আজিকালি এইবিধ পোচাক কাচিৎহে দেখিবলৈ পোৱা যায়। দৰাই কইনাৰ মাকক এই কাপোৰ উপহাৰ দিয়ে। কিন্তু আজিকালি বজাৰত সহজতেই উপলব্ধ কটনৰ শাৰীহে কিনি উপহাৰ হিচাপে দিয়া দেখা যায়। চাওঁতালসকলৰ মাজত মূৰত ওৰণি লোৱা প্ৰথা নাই।

চাওঁতাল মহিলাই পিন্ধা পোচাকৰ বিশেষত্ব আছে। মহিলাই পিন্ধা পাঞ্চি আৰু পুৰুষে পিন্ধা কাপোৰৰ মূৰ দুটাৰ অৱশিষ্ট সূতাখিনি ছয় ইঞ্চি দৈৰ্ঘলৈ মুকলি হৈ থাকে যাৰ কিছু অংশ একেলগে গাঠি বিশেষ ডিজাইন কৰা হয়। এই সূতাখিনি কেতিয়াবা খোলাকৈয়ো থাকে।

উৎসৱৰ সময়ত চাওঁতাল পুৰুষে 'কাচা' নামৰ পোচাক পিন্ধে। কাচা হৈছে কপাহী বগা ৰঙৰ পোচাক আৰু দেহৰ উপৰিভাগ ঢকাৰ বাবে চাদৰ বা 'পিচাউৰি' বা গেঞ্জি অথবা বগা চোলা পিন্ধা হয়।

গাওঁৰ মুখীয়ালজনে যিকোনো সামাজিক মেল-মিটিং অথবা সামাজিক উৎসৱ-পাৰ্বণ আদি উপলক্ষে ধুতি আৰু দেহৰ ওপৰিভাগত পিন্ধাৰ বাবে পিচাউৰি বা বগা কপাহী কুৰ্তা পিন্ধে। কেতিয়াবা কপাহী কাপোৰৰ পাগুৰিও তেওঁলোকে পিন্ধে। ওঝা, নাইকি আৰু কুদুম নাইকিয়ে মুগা বৰণৰ কপাহী কাপোৰ পিন্ধে আৰু দেহৰ উপৰিভাগ ঢকাৰ বাবে গেঞ্জী পিন্ধে।

তদুপৰি চাওঁতালসমাজত মহিলাসকলে উৎসৱৰ সময়ত বিভিন্ন ধৰণৰ আ-অলংকাৰ যেনে - ভৰিৰ দ্বিতীয়টো আঙুলিত পিন্ধা আঙঠি, বাক অৰ্থাৎ নুপুৰ, অনামিকা আঙুলিত পিন্ধা আঙঠি, কঁকালত পিন্ধা চাকোম, দুয়োখন হাতত পিন্ধা বাহুবন্ধনী, গলপতা

হিচাপে  পিন্ধা হাচলি, চিকিৰমালা, কাণফুলি হিচাপে পিন্ধা পাগ্ৰা আৰু পুটকি, চুলিত খোপা মৰাৰ বাবে পিন্ধা চুলুক আদিৰ ব্যৱহাৰ কৰা দেখা যায়। এনে আ-অলংকাৰৰ বাবে ব্যৱহৃত ধাতুৰ বিষয়ে তলত উল্লেখ কৰা হৈছে —

**বাট্ৰি** ঃ এই  অলংকাৰ লো, তাম, পিতল বা ৰূপেৰে তৈয়াৰ কৰা হয়।

**বাক** ঃ এই নূপুৰ পিতল বা ৰূপেৰে তৈয়াৰ কৰা হয়।

**বাংকি** ঃ এই নূপুৰ পিতল বা ৰূপেৰে তৈয়াৰ কৰা হয়।

**বাজু** ঃ এই  বাহুবন্ধনী তাম, লো বা ৰূপেৰে তৈয়াৰ কৰা হয়।

**হাচলি** ঃ পিতল, লো বা ৰূপেৰে মহিলাৰ বাবে এই বিশেষ গলপতা তৈয়াৰ কৰা হয়।

**হাৰহাৰি** ঃ ৰূপ বা সোণেৰে তৈয়াৰী কপালত বন্দা অলংকাৰ।

**মাণ্ডলি** ঃ লো, ৰূপ, পিতল আদিৰে তৈয়াৰী গলত পিন্ধা সূতাৰে গঠা এবিধ সৰু অলংকাৰ।

**লিপুৰ** ঃ এয়া পিতল বা লোৰে তৈয়াৰ কৰা হয় আৰু ভিতৰত লোৰ সৰু সৰু  টুকুৰা ভৰাই দিয়া হয়।

**পাগ্ৰা** ঃ কাণত পিন্ধা সোণ-ৰূপৰ কাণফুলি।

**পুটকি** ঃ ৰূপ বা সোণেৰে তৈয়াৰী কাণত পিন্ধা অলংকাৰ।

**চকোম** ঃ লো, পিতল, ৰূপ আৰু শামুকৰ খোলাৰে তৈয়াৰী এখন বা দুয়োখন হাতত পিন্ধা মহিলাৰ বিশেষ অলংকাৰ।

**চিকিৰমালা** ঃ ৰূপ বা তামেৰে  তৈয়াৰী গলত পিন্ধা এবিধ অলংকাৰ।

**চুলুক** ঃ পিতল বা ৰূপেৰে তৈয়াৰী চুলিবন্ধা পিন।

**টডৰ** ঃ লো বা পিতলেৰে তৈয়াৰী পুৰুষে হাতত পিন্ধা অলংকাৰ বিশেষ।

উল্লেখযোগ্য যে চাওঁতাল সমাজত  সোণৰ আ-অলংকাৰৰ প্ৰচলন খুব কমেই হে পৰিলক্ষিত হয়।

## চাওঁতালসকলৰ পৰম্পৰাগত বনৌষধি ঃ

চাওঁতাল সমাজত ৰোগ আৰু  প্ৰতিকাৰ সম্পৰ্কে কিছু সংখ্যক নিজস্ব চিন্তাধাৰা

আছে। যদি কোনো ৰোগ সাধাৰণ বৈশিষ্টগত হয় আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰোগীজন আৰোগ্য হয় তেনেহ'লে তেওঁলোকে সেই ৰোগবিধক লৈ কোনা বিশেষ গুৰুত্ব আৰোপ নকৰে। কিন্তু যদি কোনো ৰোগ বহুদিনীয়া হয়, ৰোগৰ স্বৰূপ বুজা নাযায় আৰু সেই ৰোগৰ ফলশ্ৰুতিত যদি ৰোগীৰ মৃত্যু ঘটে তেন্তে তেওঁলোকৰ মনত সেই ৰোগ সম্বন্ধে সন্দেহ ঘনিভূত হয়। যদি ৰোগীৰ মৃত্যু হয় তেতিয়া মৃত্যুৰ অন্তৰালত কিবা ৰহস্য লুকাই থাকে বুলি সন্দেহ প্ৰকাশ কৰে।

চাওঁতাল সমাজত যেতিয়া কোনো ব্যক্তি অসুস্থ হৈ পৰে আৰু যদি ৰোগ বেছি গম্ভীৰ প্ৰকাৰৰ নহয় তেতিয়া তেওঁলোকে 'ৰাৰানিক'ক খবৰ নকৰে। তেওঁলোকে বিশ্বাস কৰে যে নিৰ্দিষ্ট সময়ত এই ৰোগবিধ নিজেই ভাগৰি পৰিব আৰু ৰোগীজন সুষ্ঠ হৈ উঠিব। কিন্তু যদি এটা নিৰ্দিষ্ট সময় উকলি যোৱাৰ পাছতো ৰোগীজন সুষ্ঠ হৈ নুঠে তেতিয়া তেওঁলোকে 'ৰাৰানিক' অথবা 'ওঝা'ৰ আশ্ৰয় লয়। 'ৰাৰানিক' আৰু 'ওঝা'ৰ মাজত পাৰ্থক্য হ'ল 'ৰাৰানিকে' বনৌষধিৰে চিকিৎসা কৰে। আনহাতে ওঝাই বনৌষধিৰ লগতে যাদুবিদ্যা আৰু মন্ত্ৰৰ সহায়ত চিকিৎসা কৰে।

'ৰাৰানিক' সকল বনৌষধি সম্বন্ধে যথেষ্ঠ জ্ঞানলব্ধ। চাওঁতাল সমাজত 'ৰাৰানিক' মানে যিয়ে 'ৰান' ব্যৱস্থা কৰিবলৈ সক্ষম লোক। 'ৰান' এটি চাওঁতালী শব্দ যাৰ অৰ্থ হ'ল ঔষধ। এই বিদ্যা আহৰণৰ বাবে চাওঁতাল সমাজত কোনো নিৰ্দিষ্ট অনুষ্ঠান দেখা নাযায়। উৎসাহী যিকোনো ব্যক্তিয়ে আন কোনো 'ৰাৰানিক'ৰ পৰা উক্ত বনৌষধি বিদ্যা আহৰণ কৰিব পাৰে।

চাওঁতাল সমাজত বিভিন্ন বনৌষধিৰ প্ৰচলন দেখা যায়। পি. অ. বোডিং য়ে চাওঁতাল সমাজত ব্যৱহৃত তিনিশ পাঁচ বিধ বনৌষধি আৰু ইয়াৰ ব্যৱহাৰ সম্বন্ধে তথ্য দাঙি ধৰিছে।[২] অসমৰ চাওঁতাল সমাজত উপলব্ধ কেইবিধমান বনৌষধিৰ নাম আৰু ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল —

১) **লাটুৰানী (Abrus precatorius L) ঃ**

ক) লাটুৰানী গছৰ শিপা গুড়ি কৰি সৰু সৰু 'বৰি' বনাই চিনি বা মৌৰ সৈতে

মিহলাই 'কুকুৰীকনা' ৰোগত খাবলৈ দিয়া হয়।

খ) দাঁতৰ মাৰিৰ বিষত এই গছৰ শিপা গুড়ি কৰি 'পেষ্ট' বনাই লগালে মাৰিৰ বিষত আৰাম পোৱা যায়।

২) **বচ (Acorus calamus) ঃ**

ক) মৃগী ৰোগীৰ ক্ষেত্ৰত জাতি জালুক, লং আৰু কৰ্জা টেঙা (Carissa Carandus) গুড়ি কৰি বচ গছৰ শিপাৰ গুড়িৰ সৈতে মিহলাই খাটি সৰিয়হৰ তেলৰ লগত মিহলাই গোটেই শৰীৰত প্ৰতিদিনে মালিচ কৰিব লাগে আৰু ৰোগী মূৰ্চ্ছা গ'লে সেই সংমিশ্ৰনৰ ৰস দুটোপাল মান ৰোগীৰ নাকত ঢালি দিব লাগে।

খ) বদহজমী হোৱা ৰোগীৰ ক্ষেত্ৰত একশটা জাতি জালুক, অকন মান আদা আৰু এডাল বচৰ শিপা গুড়ি কৰি 'বৰি' বনাই ৰোগীক খাবলৈ দিয়া হয়। আনহাতে যিকোনো ধৰণৰ চৰ্দি আৰু কাহৰ ক্ষেত্ৰত বচৰ শিপাৰ গুড়ি ব্যৱহাৰ কৰা হয়।

৩) **বেল (Aegle mermelos) ঃ**

ক) সঘনাই হোৱা জ্বৰৰ ক্ষেত্ৰত বেলৰ পাতৰ ৰস খাবলৈ দিয়া হয়।

খ) পেতচলা ৰোগৰ ক্ষেত্ৰত বেলৰ ৰসৰ সৈতে চিনি মিহলাই চৰবত বনাই ৰোগীক খাবলৈ দিয়া হয়।

গ) নতুনকৈ প্ৰসৱ কৰা মাতৃৰ কষ্ট লাঘব কৰিবলৈ কেঁচা বেল, তুলসীৰ পাত, অকন মান আদা আৰু আশিটা মান জাতি জালুকৰ গুড়িৰ লেপ বনাই প্ৰসূতি গৰাকীৰ তলপেতত তৰপ লগোৱা হয়। প্ৰসৱৰ পাছত হোৱা বীজাণু সংক্ৰমনৰ বাবে হোৱা জ্বৰত পকা বেলৰ ৰস শুকান আমৰ গুটিৰ গুড়িৰ মিশ্ৰণ বনাই ৰোগীক খাবলৈ দিয়া হয়।

ঘ) কোনো প্ৰসূতিৰ গাখীৰ গোত মাৰি হোৱা বুকুৰ বিষত গাখীৰৰ সোঁত নিয়মীয়া কৰাব বাবে বেলৰ ৰস, শিলাবৃষ্টিত পৰা বৰফৰ পানী আৰু এন্দুৰে ওঠোৱা মাটিৰ

মিশ্ৰণ কৰি প্ৰসূতিগৰাকীৰ বুকুৰ ওপৰত লেপ দিয়া হয়।

ঙ) যিকোনো সাঁপে কামুৰিলে বিষত প্ৰতিকাৰ হিচাপে পুৰনি বেল গছৰ ছাল আৰু নিমৰ মিশ্ৰণ বনাই খাবলৈ দিয়া হয়।

৪) **তামোল (Areca actechu) ঃ**

ক) সৰু আই ওলোৱা ৰোগীৰ টেমুনা বোৰ শুকাই যোৱাৰ সময়ত তামোলৰ ফলটো খাবলৈ দিয়া হয়।

খ) 'গলব্লাডাৰ'ত পাথৰ হ'লে তামোলৰ সৈতে আন অৰদানৰ মিশ্ৰণ বনাই খাবলৈ দিয়া হয়।

৫) **চিহাৰি -চপ (Bauhinia vahli) ঃ**

ক) পেতচলা বেমাৰত আৰু পেতৰ বিষত গা-গছ ডালৰ ৰস ব্যৱহাৰ কৰা হয়।

খ) গৰ্ভনিৰোধক হিচাপে এই গছৰ ফল ব্যৱহাৰ কৰা হয়।

৬) **পলাশ (Betea monosperma) ঃ**

টি.বি ৰোগৰ ক্ষেত্ৰত এই গছৰ শিপাৰ ৰস ব্যৱহাৰ কৰা হয়।

৭) **খুবতি (Careya arborea) ঃ**

শ্বেতকুষ্ঠ ৰোগৰ ক্ষেত্ৰত গা-গছ ডালৰ বাকলি নিমপাতৰ সৈতে লেপ বনাই দাগবোৰত লগোৱা হয়।

৮) **নয়নতৰা (Catharanthus roseus) ঃ**

ছালৰ সংক্ৰামক খজুৰতিৰ ঔষধ হিচাপে নয়নতৰা ফুলৰ আঠা লগোৱা হয়।

**৯) চাচাং (Curuma Longa) ঃ**

ক) ধোৱা ধোৱা দৃষ্টি, চকু ওখহা, কুকুৰীকণা, জ্বৰৰ পাছত সাধাৰণতকৈ কম কৈ থকা গাৰ উত্তাপ, গাথিৰ বিষ, মূৰ্চা যোৱা তথা কথা লাগি যোৱা, সঘনাই হোৱা ছালৰ সংক্ৰমণ, বদহজমি, চৰ্দি আৰু কাহ আদিত হালধিৰ মূল ব্যৱহাৰ কৰা হয়।

খ) ভদগুৰ, গলৰ চৰচৰণি আৰু কলেৰা ৰোগত হালধিৰ ফুলৰ ৰস ব্যৱহাৰ কৰা হয়।

গ) জণ্ডিচ ৰোগত হালধিৰ শুকান ফুলৰ গুড়ি ব্যৱহাৰ কৰা হয়।

**১০) কৰভাত্তা (Dillenia Indica) ঃ**

ক) কলেৰাৰ সময়ত ৰোগ প্ৰতিৰোধী হিচাবে মূলৰ ৰস ব্যৱহাৰ কৰা হয়।

খ) বুকুত হোৱা পোৰণি দূৰ কৰিবলৈ আন আন উপাদানৰ সৈতে কৰভাত্তা মূলৰ ৰস ব্যৱহাৰ কৰা হয়।

গ) পাৰাৰ দ্বাৰা সংক্ৰমণ হৈ হোৱা ছালৰ ঘা আৰু কলেৰা প্ৰতিৰোধ হিচাপে গা-গছৰ ছালৰ ৰস ব্যৱহাৰ কৰা হয়।

ঘ) পোৰা ঘাঁত এই গছৰ আঠা ব্যৱহাৰ কৰা হয়।

**১১) বোংগ'-সংগা (Dioscorea bulbifera) ঃ**

ক) ঘাঁ আৰু চুলি ধোৱা চেম্পু হিচাপে এই ফল শুকাই গুড়ি কৰি ব্যৱহাৰ কৰা হয়।

খ) এই লতাৰ ৰস পাগল ব্যক্তিক আৰোগ্য কৰণত ব্যৱহাৰ কৰা হয়।

**১২) মকৰ কেন্দা (Diospyros peregrina) ঃ**

ক) 'থাইৰয়ড' ৰোগীৰ ক্ষেত্ৰত শিপাৰ ৰস ব্যৱহাৰ কৰা হয়।

খ) কলেৰা ৰোগীৰ ক্ষেত্ৰত গছৰ ছালৰ ৰস ব্যৱহাৰ কৰা হয়।

গ) পেত চলা আৰু মহিলাসকলৰ মাহেকীয়াৰ সয়মত অত্যাধিক ৰক্তস্ৰাব হ'লে এই গছৰ ফল ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।

**১৩) হোড়েক’ (Delichos biflous) ঃ**

ক) এই উদ্ভিদৰ কাণ্ডৰ ৰস প্ৰেসাবৰ সংক্ৰমণ, ছালৰ সংক্ৰমণ আৰু ‘টিউমাৰ ৰোগত ব্যৱহাৰ কৰা হয়।

খ) পুৰিলে ক্ষত স্থানত হোড়েক’ৰ পাতৰ লেপ বনাই লগোৱা হয়।

গ) কোনো গ্ৰন্থিৰ বিষ, অৰ্শ, বুকুৰ দুইফালৰ কামিহাড়ৰ মধ্যভাগৰ বিষ, ফুচফুচত সক্ৰমণ হৈ হোৱা ঘাঁ, সন্নিপাত জ্বৰ, আদি ৰোগত এই উদ্ভিদৰ গুটি ব্যৱহাৰ কৰা হয়।

**১৪) ডুম্বাৰি -হেসা, লোৱা - তাৰে (Ficus racemosa) ঃ**

ক) ফোহা, অণ্ডকোষ বৃদ্ধি আদি ৰোগত এই গছৰ ছালৰ ৰস ব্যৱহাৰ কৰা হয়।

খ) মাংসপেষীৰ বিষ, শালমইনা আৰু খজুৰতি আদি ৰোগত এই গছৰ আঠা লগোৱা হয়।

**১৫) কাশ্মাৰ ডাৰু (Gmeliua arborea Roxb) ঃ**

হাপানী, কলেৰা, পেতৰ বিষ, পেত চলা, বদহজম, মৃগী, জ্বৰ, গাঁঠিৰ বিষ, সৰু আই, ছালৰ সংক্ৰমণৰ সমস্যা, ভদগুৰ, গল ফুলা, লগতে আন কিছুমান বিষৰ প্ৰতিষেধক হিচাপে এইবিধ উদ্ভিদ ব্যৱহাৰ কৰা হয়।

**১৬) চিৰিকসামানো (Gloriosa superba) ঃ**

ক) গৰ্ভপাত, মধ্যমীয়া জ্বৰ, ঘাঁ আদিত শিপাৰ ব্যৱহাৰ কৰা হয়।

খ) প্লীহাৰ সমস্যা, ভগগুৰ, টিউমাৰ আদিত এই উদ্ভিদৰ ৰসৰ ব্যৱহাৰ কৰা হয়।

গ) হাপানী ৰোগত  পাতৰ ৰস খাবলৈ দিয়া হয়।

**১৭) হাট (Hatarrheua pubesceue) ঃ**

ক) শিয়াল বা কুকুৰে কামুৰীলে, শৌচৰ লগত বিজল বা তেজ ওলালে, পেচতলা,

আদিত এই গছৰ শিপাৰ ৰস ব্যৱহাৰ কৰা হয়

খ) হাপানি, কেটেলা পহুৰ কামোৰ, কলেৰা, চৰ্দি, কাহ, পেতৰ বিষ আদিত ছালৰ ৰস ব্যৱহাৰ কৰা হয়।

গ) ৰক্তহীনতা, পেতৰ বিষ, কোষ্ঠকাঠিন্য, পেতচলা, শুকান কাহ, মৃগী, সন্তান প্ৰসৱৰ পাছৰ সমস্যা, তলপেতৰ বিষ আদিত এই গছৰ ফল ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।

**১৮) মুংগা ছাল (Moringa pterygosperma) ঃ**

এই গছৰ ছাল গুড়ি কৰি চদ্ৰক' অৰ্থাৎ টপা পৰা ব্যক্তিৰ মূৰত লেপ লগোৱা হয়।

**১৯) ঘিনী কুমাৰী সাকাম ৰস (Atoe indica) ঃ**

'বহক হাসো' বা মূৰৰ বিষত এই ঘিনী কুমাৰী পাতৰ ৰস কপালত লগোৱা হয়।

**২০) পুচি টোৱা ল'ৰে (Euphosia pilulifera) ঃ**

কৰ্ণিয়াৰ পাতল স্বচ্ছ আৱৰণৰ প্ৰদাহ (Conjunctivitis) আৰু 'মেণ্ডাকা' অৰ্থাৎ চকুৰ সংক্ৰমণ হ'লে এই উদ্ভিদৰ ৰসৰ টোপাল চকুত দিয়া হয়।

**২১) নস্থা দুধি লোটা ৰাহেত (Ichnocarpus frutescenes) ঃ**

ইয়াৰ শিপা ভালদৰে ঠেতেলি এখন কাপোৰত বান্ধি চেপি চেপি ৰস বাহিৰ কৰি কুকুৰীকণা ৰোগীৰ চকুত টোপ্ টোপ্কৈ দিয়া হয়।

**২২) চপাৰোম সাকাম (Laeues of Nyctanthes arbortristis) ঃ**

পলিৰুৱা অৰ্থাৎ মেলেৰীয়া হোৱা ৰোগীক ইয়াৰ পাতৰ ৰস উটলাই নিতৌ খাবলৈ দিয়া হয়।

**২৩) চাওঁৰাজ জন (Seeds of vernonia authelmitica) ঃ**

লাচ হাসল অৰ্থাৎ পেতৰ বিষত ইয়াৰ গুটি গুড়ি কৰি পানীৰ সৈতে মিহলাই খাবলৈ দিয়া হয়।

**২৪) পাতাল গাৰু ৰাহেত (roots of Raucoolfia Serpentime) ঃ**

এই শিপাবিধ ঠেতেলী মেলেৰীয়া ৰোগীক খাবলৈ দিয়া হয়।

**২৫) হাত ৰাহেত (Roots of Holarrhena authidysenterica) ঃ**

এইবিধ শিপা পানীৰ সৈতে ভালদৰে ঠেতেলী খালী পেতত মেলেৰীয়া ৰোগীক খাবলৈ দিয়া হয়।

**২৬) কুম্ভিৰছাল ঃ**

(Bark of careya arborea), সোদাৰে ছাল (Bark of polythia asuberos) আৰু আম্বৰ্‌ছাল (Bark of sponsdias mangifera) এই কেইবিধ ছাল একেলগে উতলাই 'ডায়েৰিয়া' হোৱা ৰোগীক ৰসখিনি খাবলৈ দিয়া হয়।

**২৭) মাতকম লোৰে** (Resin of bassia latifolia) **ঃ**

মাতকম লোৰে, পোচো লোৰে (resin of tentrathera monopetala), কেৰোচিন তেল সমহাৰত মিহলাই গাত 'এলাৰ্জি' উঠিলে ঘহি দিয়া হয়।

**২৮) ৰোহিন ছাল** (Bark of Soymida Febrifuga) **ঃ**

ৰোহিন ছাল আৰু খায়েৰ ছাল (Bark of Acacia Catachu) একেলগে গুড়ি কৰি 'কোৰাম হাসো' বা বুকুৰ বিষ হ'লে একেৰাহে তিনিদিন খাবলৈ দিয়া হয় আৰু কেতিয়াবা বুকুৰ ওপৰত লেপ দিয়া হয়।

**২৯) সেগা ৰাহেত** (Roots of Mimosa rubicaulis)

সেগা ৰাহেত, গেত খাল লেন খাল অৰ্থাৎ লোহাৰ বস্তুৰ দ্বাৰা আঘাত প্ৰাপ্ত হ'লে এইবিধ শিপা গুড়ি  কৰি আঘাত প্ৰাপ্ত ঠাই সমূহত লগোৱা হয়।

**৩০) মাঞ্চাক ৰাহেত (Root of Alocasia Indica) ঃ**

মাঞ্চাক ৰাহেত, খোগ অৰ্থাৎ কাহ হ'লে ঘীৰ সৈতে এই মূল ভাজি ৰোগীক দুই তিনিদিন খালি পেতত খাবলৈ দিয়া হয়।

**৩১) তুলসী সাকাম ৰস** (Juice of the Ocimum sanctum) ঃ

তুলসী সাকাম ৰস, কালীয়া জিৰা (Nigella indica), আধে ৰস (Zingiber officinolis) নেলে ৰস (Honey) একেলগে মিহলাই 'কাতিক গিদ্ৰাকো মণ্ডক' অৰ্থাৎ শিশুৰ চৰ্দি লাগিলে দুই তিনিদিনৰ বাবে খাবলৈ দিয়া হয়।

**৩২) চাপাৰাম বাহেও (Root of Nyctanthes arbortrestis) ঃ**

হামুচ বা ৰক্তহীনতা ৰোগত এই শিপা গুড়ি কৰি পানীৰ সৈতে মিহলাই খাবলৈ দিয়া হয়।

**৩৩) বাৰ ছাল (the bark of Mimusops eleugi) ঃ**

জিভাৰ ঘাঁ হ'লে এই ছাল পানীত উতলাই সেই পানীৰে ঘাঁ ঠিক নোহোৱা পৰ্যন্ত কুলি কৰি মুখ ধুব দিয়া হয় আৰু ৰোগীক তিনিদিনলৈ নিমখ খাবলৈ দিয়া নহয়।

**৩৪) নিম চকুম (the leaf of relia azadiracha) ঃ**

দীৰ্ঘদিন ধৰি ভুগি থকা কাহ আৰু জ্বৰত পূৰঠ সেউজীয়া পাতৰ পেস্ত বনাই ভাতৰ মাৰৰ সতে মিহলাই ৰোগীক নিয়মীয়াকৈ খাবলৈ দিয়া হয়।

**৩৫) ঝাৰ ছাল (the bark of Jatrohe sp), নিম সাকাম (Melia azadirachta) ঃ**

বসন্ত হোৱা ৰোগীক 'ঝাৰ' ছালৰ ৰস মুড়িৰ সৈতে খাবলৈ দিয়া হয় আৰু নিম পাতৰ 'পেস্ত' বনাই হালধীৰ সৈতে মিহলাই ৰোগীৰ শৰীৰত প্ৰলেপ লগোৱা হয়। লগতে ৰোগীৰ বিচনাখন শুকান নিম পাতেৰে পূৰ্ণ কৰি ৰোগী গৰাকীক তাৰ ওপৰত শুবলৈ দিয়া হয়। কেতিয়াবা ৰোগী গৰাকীক ডাব নাৰিকলৰ পানীৰে ধোৱাই দিয়া হয়।

**৩৬) কুম্বিৰ ছাল (the bark of Careya ab borca) ঃ**

এই ছাল গুড়ি কৰি যিকোনো সাপে কামুৰিলে বিষৰ প্ৰতিৰোধী হিচাবে ৰোগীক খাবলৈ দিয়া হয় আৰু ক্ষত স্থানত লগোৱা হয়। লগতে তেতেলীৰ গুটি দুভাগ কৰি ক্ষত স্থানত লগোৱা হয়।

**৩৭) বীৰ কুন্দৰি চুকুম ৰস (juice of the leaf of zehneria umbellata) ঃ**

চুতীয়া বাদুৰী (blood of pteropus sp) ; গান্দি চুকুম ৰস, (juice of Tagetes erecta) - কাণৰ ভিতৰত ঘাঁ হ'লে এইবোৰৰ যিকোনো এটাৰ ৰস কাণত টোপ্ টোপ্ কৈ দিয়া হয়।

**৩৮) ব'দ লাৰ ৰাহেত (the root of vitis adaufa) হাড় জোৰা নাৰীতেত (the tendrils of cissces quadrangcularis) ঃ**

এই দুইবিধ গুড়ি কৰি 'পেস্ত' বনাই 'জান ৰাপুদক' অৰ্থাৎ ফটা বা ভঙা হাড় জোৰা লগাবলৈ ক্ষত স্থানত প্ৰলেপ লগোৱা হয়।

**৩৯) পোসো ছাল (the bark of Teramthera monopetala) ঃ**

বাত বিষত এই ছালৰ আঠা বাহিৰ কৰি বাত হোৱা স্থানত লগোৱা হয়।

**৪০) চিনি (Sugar) ঃ**

বাত বেমাৰত চিনি পানীৰ সৈতে ওতলাই আক্ৰান্ত অংশত লগোৱা হয়।

**৪১) মেৰম ইতিল ৰেয়াক সুনুম (Oil made from gaot's fat) ঃ**

শৰীৰৰ কোনো অংশত পুৰিলে ছাগলীৰ চৰ্বিৰ তেল লগোৱা হয়।

**৪২) ধুনা (resin of shora robusta) আৰু উটিন সুনুম (resturd oil) ঃ**

এই দুইবিধ একেলগে মিহলাই শৰীৰৰ পোৰা অংশত প্ৰতিদিন এবাৰ কৈ প্ৰলেপ লগোৱা হয়।

**৪৩) কাজি নিম্মু ৰস (Juice of the fruit of citrus acida) ঃ**

'উপ নুৰক' অৰ্থাৎ মহিলাৰ চুলি সৰা বন্ধ কৰিবলৈ এই কাজি নিমুৰ ৰস গৰম কৰি চুলিৰ গুড়িত লগোৱা হয়।

**৪৪) হালিম (The seed of Lapidicum satitum) ঃ**

এই গুটিবোৰ গুড়ি কৰি গৰুৰ গাখীৰৰ সৈতে মিহলাই মহিলাৰ মাহেকীয়াৰ সময়ত বিষ হ'লে তাৰ পৰা উপশম পাবৰ বাবে খাবলৈ দিয়া হয়।

**৪৫) ৰসুন / আদাগাঠিয়া ঘাচ (the bulb of Panicem repeus) / বুলুন (Salt) ঃ**

এই সকলোবোৰ একেলগে মিহলাই গুড়ি কৰি বৰি বনাই চৰ্দি আৰু কাহ হোৱা ৰোগীক খাবলৈ দিয়া হয়।

**৪৬)** নিম সাকাম (Leaves of Melia azadirachta) ঃ

নিম পাত পানীত উতলাই পানী খিনি চেকনিৰে চেকি গুড়ৰ সৈতে মিহলাই চাহৰ দৰে খালে গৰ্ভাৱস্থাৰ জ্বৰৰ পৰা পৰিত্ৰান পোৱা হয়।

**৪৭) পুচি টোৰা ৰাহেত (root of Euphorbia pululifera) ঃ**

গোটেই উদ্ভিদ বিধ শিপাৰে সৈতে উভালি ভালদৰে পৰিস্কাৰ কৰি মিহিকৈ পিহি লৈ চেনিৰে মিহলাই 'টোৰা আনেজেদক' অৰ্থাৎ প্ৰসূতিৰ গাখীৰ শুকাই গ'লে খাবলৈ দিয়া হয়।

**৪৮) লপন ছাল (bark of terminalia bellerica) ঃ**

যদি অত্যাধিক খোজকঢ়া অথবা ৰদত কাম কৰাৰ ফলত বাহু বোৰত বিষ অনুভৱ হয়, শৰীৰ দূৰ্বল হয় আৰু প্ৰেসাৰ হালধীয়া হয় তেতিয়া এইবিধ ছালৰ ৰস বাহিৰ কৰি 'মাহত গুড়' অৰ্থাৎ গুড়ৰ সৈতে মিহলি কৰি খাবলৈ দিয়া হয়।

**৪৯) কৰবী (Thevetia peruviana Apocynaceae) ঃ**

পেতত পেলু হ'লে অথবা গৰুৰ কুষ্ঠ ৰোগ হ'লে কৰবী পাতৰ ৰস খাবলৈ দিয়া হয় আৰু গৰুৰ চকুত সংক্ৰমণ হ'লে কৰবী ফুলৰ ৰস চকুত ঢালি দিয়া হয়।

**৫০) বাঘ জাৰ (Mikania cordate Asteraceae) ঃ**

এই উদ্ভিদৰ পাত চেপি ৰস বাহিৰ কৰি কটা ঘাঁহ বা আন যিকেনো ঘাঁত লগোৱা হয়।

**৫১) হাতি সুৰ (Heliotropilim indiceem. Boraginaceae) ঃ**

চকুত চানী পৰা বেমাৰ হ'লে 'হাতি সুৰ'ৰ পাতৰ ৰসৰ এটোপালকৈ তিনিদিনৰ বাবে চকুত লগোৱা হয়।

**৫২) ভাং (Canmalis Sativa L. Canmabaceae) ঃ**

পেতত গেচ জমা হৈ পেত ফুলিলে, কাহ আৰু কফ হ'লে ভাং পাতৰ ৰস খাবলৈ দিয়া হয়।

**৫৩) কলাবতি (Canna indica L. Cannaceae) ঃ**

পোৰা ঘাঁ, পেত ফুলা, বদহজমী, সঘনাই ভোক লগা বা পিয়াহ লগা, চকুৰ সংক্ৰমণ, বহুমূত্ৰ, নপুংষতা আদি ৰোগত ফুল আৰু পাতৰ ৰস একেলগ কৰি খাবলৈ দিয়া হয়। পোৰা ঘাঁ আৰু চকুৰ সংক্ৰমণত এই ৰস ক্ষত স্থানত আৰু চকুত লগোবা হয়।

**৫৪) তেলাকুচি (Coccinia grandies cucurbitaceae) ঃ**

মানসিক হতাশা, কৰ্মস্পৃহাহীনতা, ৰক্ত অতিসাৰ, বিষ আদিত 'তেলাকুচি পাত' পানীত উতলাই সেই পানী ৰোগীক খাবলৈ দিয়া হয়।

**৫৫) লাউ (Legenaria vulgaris See. Cururbitaceae) ঃ**

কাণৰ ভিতৰত পূজ জমা হৈ কাণৰ বিষ হ'লে দিনত দুবাৰকৈ লাউ পাতৰ ৰস কেইদিনমানৰ বাবে ব্যৱহাৰ কৰা হয়।

**৫৬) কৰলা (Momordica charntia L. Cucurbita) ঃ**

কৰলা পাতৰ ৰস ৰক্ত শোধক হিচাবে ব্যৱহাৰ কৰা হয়। আনহাতে শিপাৰ ৰস পাঁচ-দহ টোপাল কাহ-কফ আৰু বিষত দিনত দুইবাৰ কৈ কিছুদিন খাবলৈ দিয়া হয়।

**৫৭) মুঠা (Cyperus roteudus) ঃ**

পেতৰ বিষ, পেত ফুলা আদি ৰোগত পাতৰ ৰস খাবলৈ দিয়া হয়।

**৫৮) আমলখি (Emblica officinalis Gaertur) ঃ**

কফ জমা হ'লে সকলো খোৰা বস্তু মুখত তিতা তিতা লাগিলে, ভোখ নলগা হ'লে আৰু চুলি সৰা বন্ধ কৰিবলৈ আমলখি ফল খাবলৈ দিয়া হয়। কফ বাহিৰ হ'বলৈ আমলখি পাতৰ ৰস খাবলৈ দিয়া হয়।

**৫৯) জামাল গোটা (Jatropha gossypifolia) ঃ**

বগা অতিসাৰ আৰু শৌচ বিজলুৱা হ'লে জামাল গোটাৰ আঠা নিমখ মিহলাই খাবলৈ দিয়া হয়।

**৬০) যষ্টি মধু (Abrus precatoreus) ঃ**

শৰীৰত অৰযাদ লাগিলে এই গছৰ শিপাৰ ৰস খাবলৈ দিয়া হয়।

**৬১) ষিম পাতা (Lablab purpureces fabaceae) ঃ**

এই মিঠা মিঠা পাতবোৰ ঠেতেলী 'টনচিল' ফুলা ৰোগত গলৰ চাৰিওফালে প্ৰলেপ লগোৱা হয়।

**৬২) তেজপাতা (Cinnamomum Lauraceae) ঃ**

কাহ, পেতফুলা, মুখ তিতা লগা, অৰ্শ আদিত আৰু ভোক বৃদ্ধি কৰিবলৈ তেজপাতৰ ৰস খাবলৈ দিয়া হয়।

**৬৩) দাৰুচিনি (Cennamomum Lacureaceae) ঃ**

বীৰ্যবৰ্দ্ধক হিচাপে, গাঁথিৰ বিষ আদিত এই গছৰ বাকলি থেতেলী ৰস বাহিৰ কৰি খাবলৈ দিয়া হয়।

**৬৪) জবা বাহা (Hibiscus rosa-sinensis) ঃ**

শীঘ্ৰ বীৰ্যস্খলন হোৱা ৰোগীক জবা বাহাৰ দহ-বাৰ টা পাত এপোৱা পানীত এৰাতি তিয়াই ৰাখি পিছদিনা ৰাতিপুৱা চেকি লৈ, গুড়েৰে আঠ-দহ দিনলৈ খাবলৈ দিয়া হয়।

**৬৫) বিৰিয়েনিয়া (Urena lobata Malvaceae) ঃ**

অণ্ডকোষৰ বিষ হ'লে শিপাৰে সৈতে উভালি ভালদৰে পিহি লৈ ৰস বাহিৰ কৰি ৰস

খিনি ৰোগীক খাবলৈ দিয়া হয়।

**৬৬) জাম (Syzygium Cumini Myrtaceae) ঃ**

জামৰ গুটি এক লিটাৰ পানীত উতলাই সেই পানী বহুমূত্র ৰোগীক খাবলৈ দিয়া হয়।

**৬৭) কডম (Athrocephalus chinensis Rubiceae) ঃ**

শৰীৰৰ কোনো অংশত 'টিউমাৰ' অথবা টেমুনা হ'লে নতুন সতেজ পাত নহৰুৰ সৈতে ভালদৰে পিহিলৈ টেমুনা হোৱা স্থানত লগোৱা হয়।

**৬৮) জাম্বুৰা (Cytrus grandes (L) Osbeck) ঃ**

শিশুৰ মূৰৰ কোনো বিসংগতি থাকিলে এই ফলৰ বাকলি 'পেস্ত' বনাই শিশুৰ মূৰত প্রলেপ লগোৱা হয়।

**৬৯) ৰিঠা (Spindus mueko rossi spindaceae) ঃ**

মূৰত লগোৱা চাবোন হিচাবে ৰিঠা গছৰ ফল ব্যৱহাৰ কৰা হয়।

**৭০) সাদা ধতুৰা (Datura shampniwn L. Solanaceae) ঃ**

এই ধতুৰা ফল দুভাগ কৰি এভাগ সৰিয়হ তেলৰ সৈতে মিহলাই অলপমান গৰম কৰি আঙুলী ফুলিলে সেই আঙুলীটোত পিন্ধি ৰখা হয়।

**৭১) তিখতো ভাত (Clerodeudium Verbenaceae) ঃ**

কৃমী বা পেলুৰ সংক্ৰমণ হ'লে এই পাতৰ ৰস পানীৰ সৈতে খাবলৈ দিয়া হয় আৰু কেঁকোৱাই চেপিলে পাতৰ 'পেস্ত' বনাই ক্ষত স্থানত লগোৱা হয়।

এইদৰে আলোচনা কৰিলে দেখা যায় যে অসম তথা কোকৰাঝাৰ জিলাৰ চাওঁতাল জনগোষ্ঠীটোৱে জীৱন নিৰ্বাহৰ কাৰণে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী সমূহ নিজে নিৰ্মাণ তথা তৈয়াৰী কৰাৰ উপৰিও কিছু ক্ষেত্ৰত কলা সূলভ মনৰ পৰিচয় দিবলৈও সক্ষম হৈছে। উদাহৰণ স্বৰূপে উৎসৱৰ সময়ত মহিলা সকলে বিভিন্ন ধৰণৰ আ-অলংকাৰ পিন্ধি নিজকে চৌখিন কৰাৰ উপৰিও বিভিন্ন খাদ্য প্ৰস্তুত কৰি নিজৰ প্ৰতিভাৰো পৰিচয় দিয়ে। মনকৰিবলগীয়া যে, অসমৰ অন্যান্য জনগোষ্ঠীৰ মাজত সততে দেখা পোৱা বয়ন শিল্পৰ প্ৰচলন চাওঁতাল জনগোষ্ঠীৰ মাজত দেখা নাযায়। সেয়েহে চাওঁতাল মহিলাই কাপোৰত কলাৰ প্ৰতিভা দেখুৱাব নোৱাৰে। চাওঁতাল জনগোষ্ঠীৰ কলাসুলভ প্ৰতিভা তেওঁলোকৰ ঘৰৰ বেৰ, খুটা আদিত অংকিত চিত্ৰসমূহৰ জৰিয়তে ফুটি উঠে। ঘৰৰ বেৰ, খুটা আদিত অংকিত গছ, ফুল, জীৱ-জন্তু আদিৰ চিত্ৰসমূহৰ বাহিৰে আন ক্ষেত্ৰত তেওঁলোকৰ কলাসুলভ মনৰ পৰিচয় খুৱ কমেইহে পৰিলক্ষিত হয়।

-----

## প্ৰসংগ টোকা ঃ

১) নবীন চন্দ্ৰ শৰ্মা , লোক-সংস্কৃতি, পৃ- ১৯

২) P.O. Bodding, The Santals and Desease, PP-161-305

৩) লোক ঔষধী (ক্ৰমিক নং ১ পৰা ৯ ) তথ্যজ্ঞাপক, বাসিক টুডু, গোসাইগাঁও (বাশবাৰী), পৃ- ৫০

৪) বনৌষধী (ক্ৰমিক নং ১০ পৰা ২১ ) তথ্যজ্ঞাপক, ধনাই টুডু, গৰুফেলা (পাণবাৰী), পৃ- ৫৫

৫) বনৌষধী (ক্ৰমিক নং ২২ পৰা ২৭ ) তথ্যজ্ঞাপক, দূৰ্গা মাৰ্দি, কচুগাঁও, পৃ- ৪৫

৬) বনৌষধী (ক্ৰমিক নং ২৮ পৰা ৩৬ ) তথ্যজ্ঞাপক, জিহাই বাস্কে, কচুগাঁও (বাগানপাৰা) ,পৃ- ৪৫

৭) বনৌষধী (ক্ৰমিক নং ৩৭ পৰা ৪৯ ) তথ্যজ্ঞাপক, মঙ্গল হাসদা, ইছলামপুৰ, পৃ- ৫০

৮) বনৌষধী (ক্ৰমিক নং ৫০ পৰা ৬১ ) তথ্যজ্ঞাপক, দিবিয়া বেস্ৰা, পৃ- ৫৫

৯) বনৌষধী (ক্ৰমিক নং ৬২ পৰা ৬৯ ) তথ্যজ্ঞাপক, জেঠা মুৰ্মু, নবীনগৰ, পৃ- ৫২

১০) বনৌষধী (ক্ৰমিক নং ৭০ পৰা ৭১) তথ্যজ্ঞাপক, চাৰ্লচ হাসদা, কচুগাঁও (অৰ্জুনদোহা) ,পৃ- ৫২

-----

# উপসংহাৰ

এটা জনগোষ্ঠীৰ বিষয়ে বিজ্ঞানসন্মত অধ্যয়নৰ ক্ষেত্ৰত সেই জনগোষ্ঠীৰ সদস্য সকলৰ মাজত থকা সামাজিক সম্পৰ্কৰ সমগ্ৰ সত্তাক আঁকোৱালী লোৱা সামাজিক ব্যৱস্থাৰ ওপৰত অধ্যয়ন পুস্ত পূৰ্বজ্ঞান  নিতান্তই আৱশ্যক। এটা জনগোষ্ঠীৰ সামাজিক ব্যৱস্থাই সামূহিক উদ্দেশ্যেৰে সংগঠিত হোৱা মানুহৰ সমষ্টিৰ প্ৰকাৰ নিৰূপণ কৰে। সেই সামাজিক ব্যৱস্থাই এটা  জনগোষ্ঠীৰ চিন্তাশক্তি, আদৰ্শ, লোকপৰম্পৰা আদি প্ৰতিফলিত কৰে।

চাওঁতাল জনগোষ্ঠীৰ ইতিহাস সম্বন্ধে কোনো লিখিত তথ্য বিচাৰি পোৱা নাযায়। বৃটিছসকল  ভাৰতবৰ্ষলৈ অহাৰ পাছতহে তেওঁলোকৰ মৌখিক পৰম্পৰাক লিখিত ৰূপ দিয়াৰ চেষ্টা কৰা হয় আৰু যি সামান্য লিখিত তথ্য বিচাৰি পোৱা যায় সেয়াও এক সুনিদিষ্ট তথ্য  আহৰণৰ  বাবে পৰ্য্যাপ্ত  নহয়। তদুপৰি যি সমূহ গুৰুৰ জৰিয়তে সংস্কৃতি, পৰম্পৰা তথা সৃষ্টিতত্ত্বৰ  উপকথাসমূহ  প্ৰবাহিত হৈ আহিছে তেওঁলোকৰ সংখ্যাও অতি তাকৰ। আনহাতে এই লোকসমূহৰ গৰিষ্ঠ সংখ্যকেই  অশিক্ষিত হোৱা সূত্ৰে তেওঁলোকৰ সমাজখনৰ প্ৰকৃত ছবিখন দাঙি ধৰিবলৈ তেওঁলোকে  লজ্জাবোধ কৰে। নৃতত্ত্ববিদ সকলৰ মত অনুসৰি চাওঁতাল জনগোষ্ঠী ‘প্ৰোটো এষ্ট্ৰালয়দ’ মূলৰ এটা প্ৰশাখা আৰু ভাষাগত হিচাপে ‘এষ্ট্ৰো এচিয়াটিক’ ভাষাগোষ্ঠীৰ ঠেঙুলি। বাগানৰ বনুৱা মজদুৰ হিচাপে তথা চাওঁতাল বিদ্ৰোহৰ পাছত পুনঃ সংস্থাপনৰ নীতি অনুসৰি ভাৰতবৰ্ষৰ কিছু সংখ্যক চাওঁতাললোকক অসমত সংস্থাপিত কৰাৰ হয়। তাৰ পাছত সুবিধাজনক স্থানৰ সন্ধানত পৰবৰ্তী সময়ত উক্ত চাওঁতাল লোকসকল অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰে।

চাওঁতাল সমাজত কোনো লিখিত ইতিহাস পাবলৈ নাই  যদিও এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ তেওঁলোকে মৌখিক  ভাৱেই তেওঁলোকৰ ইতিহাস  প্ৰবাহিত কৰি আহিছে। তেওঁলোকৰ মৌখিক সাহিত্যৰ ভঁৰাল অতি মেটমৰা। তেওঁলোকৰ এই মৌখিক

সাহিত্য  লোকগীত, লোক কথা, ফকৰা যোজনা, সাঁথৰ, সাংকেতিক ভাষা, বিন্‌তি, মন্ত্র আদিৰে পৰিপূৰ্ণ। প্ৰায়বোৰ গীত নৃত্যৰ সৈতে পৰিবেশন কৰা হয়। চাওঁতাল সাহিত্যৰ এটা উল্লেখনীয় বৈশিষ্ট্য  হ'ল মৃত্যুত শোক প্ৰকাশৰ বাবে বিনাই বিনাই গোৱা বিলাপ গীতসমূহ। সম্পৰ্ক  ভেদে এই গীতসমূহ আকৌ ভিন্ন ভিন্ন হোৱা দেখা যায়। যেনে— স্বামীৰ মৃত্যুত পত্নীয়ে গোৱা গীত, পত্নীৰ মৃত্যুত স্বামীয়ে গোৱা গীত, সন্তানৰ মৃত্যুত পিতৃ-মাতৃয়ে গোৱা গীত, পিতৃ-মাতৃৰ  মৃত্যুত সন্তানে  বিলাপ কৰা গীত আদি। চাওঁতালী জৌড় অৰ্থাৎ সাধুকথা সমূহ  চাওঁতাল চহা জনজীৱনৰ সৈতে জড়িত। আনহাতে শিশু ভুলনী আৰু ওমলা গীতৰ প্ৰচলনো  যথেষ্ট পৰিমাণে চাওঁতাল সমাজত দেখা যায়। 'ভেনতা কাথা' অৰ্থাৎ সাংকেতিক ভাষাৰ  প্ৰয়োগ  আৰু  প্ৰচলন চাওঁতাল সমাজত প্ৰায়েই দেখিবলৈ পোৱা যায়। আনহাতে গদ্য প্ৰধান 'বিন্‌তি' সমূহ  হিন্দুসমাজৰ বেদৰ  সমতুল্য। মাথো বিন্‌তিগুৰুৰ  দ্বাৰা পৰিবেশিত হোৱা এই বিন্‌তিসমূহৰ দ্বাৰা তেওঁলোকৰ পৰম্পৰাগত সৃষ্টিতত্ত্বৰ কাহিনী তথা পৰবৰ্তী সময়ত তেওঁলোকৰ বিভিন্ন স্থানলৈ প্ৰব্ৰজনৰ কাহিনী এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ বোৱাই নিয়া হয়। আনহাতে চাওঁতাল 'ওঝা' সমূহে ব্যৱহাৰ কৰা মন্ত্ৰসমূহৰ ভাষা  বাংলা অথবা ভোজপুৰী ভাষাৰ অপভ্ৰংশ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি অনুমান কৰিব পাৰি যে চাওঁতাল সকল হয়তো  পশ্চিমবংগ আৰু বিহাৰৰ সীমান্তৱৰ্তী অঞ্চলত  বহুশতিকা জুৰি বসবাস কৰিছিল। তাৰ ফলস্বৰূপে হয়তো চাওঁতাল মন্ত্ৰ সমূহ উল্লিখিত ভাষা দুটাৰ পৰা আহিব পাৰে।

চাওঁতালসমাজখন  মুখ্যতঃ  পিতৃ প্ৰধান। তেওঁলোক বাৰটা 'পৰিচ' বা গোত্ৰত বিভক্ত আৰু  এই গোত্ৰসমূহ পুনৰ বিভিন্ন 'খুট' বা উপগোত্ৰত বিভক্ত। এই বাৰটা 'পৰিচ'ৰ ভিতৰত 'বেদীয়া' নামৰ 'পৰিচ'টোৰ  অস্তিত্ব  বিচাৰি পোৱা নাযায়। চাওঁতালসমাজৰ এই গোত্ৰ  বিভাজনে জনগোষ্ঠীটোৰ  ভিতৰত তেওঁলোকৰ  আচাৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ উপৰি 'বঙ্গা'ৰ ওপৰত তেওঁলোকৰ বিশ্বাসকো  প্ৰভাৱান্বিত কৰে। এই গোত্ৰ আৰু উপ-গোত্ৰৰ বিভাজনৰ  মূল  লক্ষ্য  আৰু উদ্দেশ্য হ'ল  সগোত্ৰীয় বিবাহ তথা আন আন জনগোষ্ঠীৰ সৈতে বিবাহ নিষিদ্ধৰ যি পৰম্পৰা এই পৰম্পৰা বৰ্তাই ৰখা। জনগোষ্ঠীয় একতাৰ প্ৰতি চাওঁতালসকলৰ  যি  আনুগত্য  প্ৰকাশ সেইটো তেওঁলোকৰ  সামাজিক  অনুষ্ঠান সমূহৰ

জড়িয়তে প্ৰতিফলিত হয়। এই সামাজিক অনুষ্ঠানসমূহক প্ৰশাসনিক, ন্যায়িক অথবা বিধায়িনী ব্যৱস্থা হিচাপে শ্ৰেণী বিভক্ত কৰিব পৰা নাযায়। কাৰণ প্ৰতিটোৱে আনটোৰ সৈতে ঘনিষ্ঠ ভাবে সংপৃক্ত। চাওঁতাল গাঁও এখন চাওঁতাল সমাজৰ সবাতোকৈ পুৰণি আৰু পৰম্পৰাগত অনুষ্ঠান। এখন গাওঁ 'বঙ্গা'ৰ বিশেষাধিকাৰেৰে সৃষ্টি হয়। আৰু তেওঁৰ আশীৰ্বাদেৰে পৱিত্ৰও হয়। চাওঁতাল জগজখনত বিভিন্ন ধৰণৰ উপকাৰী আৰু অপকাৰী 'বঙ্গা'ৰ স্থান দেখা যায়। সেইবাবে প্ৰাকৃতিক সমতা বৰ্তাই ৰখাৰ স্বাৰ্থত উপকাৰী বঙ্গাৰ উপাসনা কৰিব লাগে। আনহাতে গাওঁৰ সৰ্বাঙ্গ সমৃদ্ধি আৰু ভাল শষ্য উৎপাদনৰ বাবে অপকাৰী বঙ্গাসমূহক উপাসনা কৰিব লাগে। এখন চাওঁতাল সমাজত গৃহকন্দল, সামাজিক বিবাদ, মহামাৰী, প্ৰাকৃতিক দুৰ্যোগ আদি উপকাৰী আৰু অপকাৰী বঙ্গাৰ মাজত সামঞ্জস্যহীনতাৰ বাবেই উদ্ভৱ হয় বুলি তেওঁলোকে বিশ্বাস কৰে।

প্ৰতিখন চাওঁতাল গাওঁতেই এক স্বয়ংসম্পূৰ্ণ ন্যায়িক আৰু প্ৰশাষণিক গোট থকা দেখা যায়। 'মৌন্‌ঝি'ৰ নেতৃত্বত এখন গাওঁসভাই এই গোটৰ পৰিচালনা কৰে যাক 'মোৰে হড়' কোৱা হয়। 'মোৰে হড়'ৰ অৰ্থ হ'ল পাঁচজন ব্যক্তি। আৰ্যমূলীয় সমাজ ব্যৱস্থাৰ 'পঞ্চ' আৰু 'মোৰে হড়'ৰ মাজত থকা সামঞ্জস্যই ইতিহাসৰ কোনোবা এক সময়ত হোৱা সামাজিক আৰু সাংস্কৃতিক আদান প্ৰদানকে সূচায়। এই 'মোৰে হড়ে' গাওঁৰ আভ্যন্তৰীণ বিষয়সমূহকে মাথো নিয়ন্ত্ৰণ নকৰে তাৰ লগতে বাহ্যিক জগতখনৰ সৈতে গাওঁবাসীৰ সম্পৰ্কৰ ওপৰতো নজৰ ৰাখে। প্ৰায়বোৰ চাওঁতাল গাওঁৱেই এক আভ্যন্তৰীণ স্ব-শাসন ব্যৱস্থা মানি চলে আৰু সেই স্ব-শাসন ব্যৱস্থা পৰম্পৰাগত ভাৱে প্ৰচলিত আইনী ব্যৱস্থাৰে নিয়ন্ত্ৰিত হয়। পৰম্পৰাগত আইনী ব্যৱস্থাত 'মোৰে হড়'ৰ দ্বাৰা নিয়ন্ত্ৰিত গাওঁ সভাৰ উপৰি দহৰ পৰা বিশখন গাওঁৰ এক সমূহ থাকে যাক 'পৰগণা বাইসি' কোৱা হয়। কাৰণ পৰম্পৰা গত সমাজ ব্যৱস্থাত দহৰ পৰা বিশখন গাওঁৰ সমূহক পৰগণা কোৱা হয়। গাওঁসভাত নিস্পত্তি নোহোৱা বিষয়সমূহ পৰগণা বাইসিয়ে বিচাৰ কৰে। কিন্তু সাম্প্ৰতিক সময়ত কোকৰাঝাৰ জিলাৰ পশ্চিম সীমান্তত থকা 'অসম কলোনী'ত এখন মাত্ৰ পৰগণা থকা বিপৰীতে অসমৰ আন কোনো ঠাইত পৰগণা বিচাৰি পোৱা নাযায়। সেইবাবে গাওঁসভাত নিস্পত্তি নোহোৱা বিষয় সমূহ ওচৰ-চুবুৰীয়া গাওঁসমূহক লৈ বৈঠক বহুৱাই নিস্পত্তি কৰা

হয় যাক ‘আদে টোলা’ কোৰা হয়। চাওঁতাল পৰম্পৰাগত সমাজ ব্যৱস্থাত আৰু এক ধৰণৰ ন্যায়িক অনুষ্ঠান দেখা যায় সেয়া হৈছে ‘ল’বীৰ বাইসি’ অৰ্থাৎ জংঘল সভা। চাওঁতালসকলে এই অনুষ্ঠানটোক সৰ্বোচ্চ আদালত ৰূপে গণ্য কৰে। প্ৰতিবছৰে সমূহীয়া চিকাৰৰ দিনা জংঘলত এজন ‘দিহিৰী’ ৰ অৰ্থাৎ চিকাৰৰ নেতা নেতৃত্বত ৰাতি উক্ত সভা অনুস্থিত হয়। আৰু ‘পৰগণা বাইসি’ত নিস্পত্তি নোহোৱা গোচৰ সমূহ ল’বীৰ বাইসি’ত নিস্পত্তি কৰা হয়। কিন্তু সাম্প্ৰতিক সময়ত অসমৰ চাওঁতাল সমাজত উক্ত সভাৰ প্ৰচলন দেখা নাযায়। তাৰ পৰিবৰ্তে কোনো নিস্পত্তি নোহোৱা বিষয় থাকিলে স্থানীয় সংগঠনৰ সমূহক আহ্বান কৰি বিষয়সমূহ নিস্পত্তি কৰা হয়।

এই অনুষ্ঠানসমূহৰ স্বৰূপ বাহ্যিক দৃষ্টিত গণতান্ত্ৰিক যেন লাগিলেও প্ৰায়বোৰ বিষয় বাবেই পুৰুষানুক্ৰমে হস্তান্তৰিত হয়। বিষয়ববীয়া সকলৰ কাৰ্যকালৰ সময় মৃত্যুপৰ্যন্ত অক্ষুণ্ণ থাকে যদিও প্ৰয়োজন সাপেক্ষে সালসলনি কৰিব পৰা প্ৰথাও প্ৰচলিত।

এজন চাওঁতাল ব্যক্তিবিশেষৰ জীৱনচক্ৰ জীৱনৰ বিভিন্ন পৰ্যায়ৰ সৈতে অনুষ্ঠিত হোৱা আচাৰ ৰীতিৰ দ্বাৰা সীক্ত। এই বিভিন্ন আচাৰ-ৰীতি সমূহ পালন কৰাৰ অন্তৰালতো উপকাৰী আৰু অপকাৰী বঙ্গাৰ প্ৰতি থকা প্ৰচলিত বিশ্বাস আৰু বিধি ব্যৱস্থাই নিহীত হৈ থাকে। এই অনুষ্ঠানসমূহ এহাতে যেনেকৈ জীৱনৰ বিভিন্ন পৰ্যায়ত ব্যক্তিজীৱনৰ নিৰাপত্তা, শাৰীৰিক শ্ৰীবৃদ্ধি আৰু সমৃদ্ধিৰ বাবে উপকাৰী বঙ্গাসমূহৰ আশীৰ্বাদ বিচাৰি পালন কৰা হয়; থিকতেনেদৰে অপকাৰী বঙ্গাসমূহৰ পৰোক্ষ বাধা বিঘিনীসমূহ নাশ কৰিবলৈ পূজা অৰ্চনা কৰা হয়। চাওঁতাল ব্যক্তিজীৱনৰ জীৱনচক্ৰৰ চাৰিটা পৰ্যায়েৰে গঠিত। যেনে — জনম চৌতিয়ৌৰ, চাচো চৌতিয়ৌৰ, বাপ্‌লা আৰু মৰণ। ল’ৰা শিশুৰ জন্মৰ পাঁচ দিন আৰু কন্যা শিশুৰ জন্মৰ তিনিদিন পাছত ‘জনম চৌতিয়ৌৰ’ অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত সমৱেত সকলক নিম পাতেৰে সিজোৱা ভাত পৰিৱেশন কৰা হয় বাবে এই অনুষ্ঠানক ‘নিম ডাক মৌণ্ডি’ হিচাপেও জনা যায়। উক্ত অনুষ্ঠানতে শিশুটিৰ নামকৰণ কৰা হয়। চাওঁতাল সমাজত জন্মৰ সৈতে জড়িত এটি একক বৈশিষ্ট্য হ’ল যে জন্মৰ পাছত শিশুটিৰ নাড়ী লোহাৰ এপাত ধাৰাল শৰেৰে কটা হয়। গৰ্ভফুল শিশুটিৰ জন্মগৃহৰ মূল দৰ্জাৰ তলত পোতা হয়। বিশ্বাস কৰা হয় যে গৰ্ভফুল গভীৰ কৈ পুতিলে পৰৱৰ্তী শিশুৰ জন্ম দেৰিকৈ হয় আৰু অগভীৰ কৈ পুতিলে

সোনকালে জন্ম পায়। চাওঁতাল ব্যক্তি জীৱনৰ জীৱনচক্ৰৰ দ্বিতীয়টো অনুষ্ঠান 'চাচো চৌতিয়াৰ'। এই অনুষ্ঠানটোৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল 'চৌতিয়ৌৰ বিন্‌তি' পৰিবেশনৰ পৰম্পৰা। এই চৌতিয়ৌৰ বিন্‌তি পৰিৱেশনৰ জৰিয়তে সন্তানক চাওঁতাল জনগোষ্ঠীৰ সৃষ্টি আৰু প্ৰব্ৰজনৰ মৌখিক ইতিহাস সম্বন্ধে অৱগত কৰোৱা হয় আৰু এই অনুষ্ঠানৰ জৰিয়তে এটি সন্তানক সমাজ বা গোষ্ঠীভূক্ত কৰা হয়। উল্লেখযোগ্য যে চাচো চৌতিয়ৌৰ অনুষ্ঠান পালনৰ আগতে কোনো চাওঁতাল সন্তানৰ মৃত্যু হ'লে তেওঁৰ বিধিগত সৎকাৰ কৰা নহয় আৰু তেওঁৰ মৃতদেহ পুতি ৰখা হয়। চাচো চৌতিয়ৌৰ পালন নকৰালৈকে সন্তানৰ বিবাহ সম্পন্ন হ'ব নোৱাৰে।

চাওঁতাল জীৱনৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল যে যুৱকসকলে যুৱ অৱস্থাত বাওঁবাহুত কিছুমান পোৰা দাগ খোদিত কৰিব লাগে যাক 'চিক' কোৱা হয় আৰু যুৱতী সকলে বাহু বা বুকুৰ ওপৰৰ অংশত 'টাটু' কৰিব লাগে যাক 'খোদা' কোৱা হয়। বিশ্বাস কৰা হয় যে 'চিক' আৰু 'খোদা' অবিহনে কোনো চাওঁতাল ব্যক্তিৰ মৃত্যু হ'লে তেওঁ 'হাঁনাপুৰিত' অথবা যমপুৰিত নৰক যন্ত্ৰণা ভুঞ্জিব লগা হয়। সাম্প্ৰতিক সময়ত নতুন প্ৰজন্মৰ মাজত এই পদ্ধতি ক্ৰমাৎ বিলুপ্ত হ'ব ধৰা পৰিলক্ষি হৈছে।

'বাপলা' অৰ্থাৎ বিবাহ হ'ল চাওঁতাল জীৱন চক্ৰৰ সবাতোকৈ উল্লেখযোগ্য স্তৰ। মনকৰিবলগীয়া যে চাওঁতালসমাজত বাল্য বিবাহৰ প্ৰচলন নাই। সাধাৰণতে চাওঁতাল সমাজত মুখ্যত এক বিবাহৰ বিধি প্ৰচলিত যদিও ঘৈণীজনী বাজি হ'লে অথবা দুৰাৰোগ্য ৰোগত পতিত হ'লে প্ৰথমা ঘৈণীৰ অনুমতি সাপেক্ষে দ্বিতীয় বিবাহ কৰিব পাৰে। চাওঁতাল সমাজৰ আন এক বিশেষত্ব হ'ল বিধবা বিবাহৰ প্ৰচলন। আনহাতে ঘৈণীয়েকৰ মৃত্যু হ'লে তেওঁৰ খুলখালী আৰু পতিৰ মৃত্যু হ'লে তেওঁৰ দেৱৰক বিয়া কৰিব পৰা প্ৰথা প্ৰচলিত যদিও ঘৈণীয়েকৰ বাইদেউ তথা ভাইশহুৰৰ সৈতে বিবাহ নিষিদ্ধ। কইনা দৰাতকৈ সদায় বয়সত কণিষ্ঠ হোৱা বাঞ্চনীয়। যদিও বিবাহ বিচ্ছেদ চাওঁতাল সমাজত নিষিদ্ধ নহয় তথাপি কিছুমান নিৰ্দিষ্ট কাৰণ অবিহনে সেইটো সম্ভৱ নহয়। যদি ঘৈণীয়েক বাজি হয় অথবা আন কাৰোবাৰ সৈতে অবৈধ সম্পৰ্ক থাকে, অথবা ডাইনী বুলি সন্দেহ কৰা হয় অথবা যথেষ্ঠ খৰচী হয় তেতিয়া স্বামীয়ে বিবাহ বিচ্ছেদ বিচাৰিব পাৰে। আনহাতে যদিহে

স্বামীয়ে ঘৰৰ প্ৰয়োজন পূৰণ কৰিবলৈ অসমৰ্থ আৰু ঘৈণীয়েকৰ বিনা অনুমতিত দ্বিতীয় বিবাহ কৰে তেতিয়া ঘৈণীয়েকেও বিবাহ বিচ্ছেদ দাবি কৰিব পাৰে। চাওঁতাল বিবাহৰ সৈতে জড়িত আচাৰ-ৰীতিৰ দুটা বুনিয়াদী উদ্দেশ্য থাকে। তাৰ ভিতৰত এটা হ'ল সেই দম্পতি হালৰ নতুন সামাজিক দায়িত্ববোধ আৰু আনটো হ'ল বঙ্গাৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু নিৰ্ভৰশীলতাৰ বিষয়ে সজাগ কৰোৱা। সেইবাবে চাওঁতাল সমাজৰ বাবে বিবাহ দুটা পৰিয়ালৰ মাথো মিলন নহয়, বিবাহ হৈছে দুখন গাওঁৰো একত্ৰিকৰণৰ অনুষ্ঠান। চাওঁতাল বিয়া এখনত সেন্দুৰ দান কৰাৰ সময়ত কইনা জনীক এটা ডাউৰী অৰ্থাৎ বাঁহৰ পাচিত বহাই মণ্ডপলৈ লৈ অহা হয়। যিটো আন কোনো সমাজতে বিচাৰি পোৱা নাযায়। চাওঁতাল সমাজত বাল্য বিবাহৰ প্ৰচলন দেখা নাযায়।

চাওঁতালসকলে বিশ্বাস কৰে যে মৃত্যুৰ সৈতে এজন ব্যক্তিৰ সামাজিক দায়িত্ববোধ শেষ হৈ নাযায় মাথো ৰূপান্তৰিত হে হয়। আত্মাই দেহ ত্যাগ কৰাৰ পাছত বঙ্গালৈ তেওঁ ৰূপান্তৰিত হয় আৰু তেওঁ মৃত পূৰ্বপুৰুষৰ সৈতে সহাৱস্থান কৰে। মৃত্যুৰ পৰৱৰ্তী আচাৰ-ৰীতি সমূহ পালনৰ উদ্দেশ্যই হ'ল তেওঁৰ আত্মাক বঙ্গাৰ স্থান প্ৰদান কৰি পূৰ্বপুৰুষৰ বঙ্গাৰ সৈতে সহাৱস্থানৰ ব্যৱস্থা কৰা। বিশ্বাস অনুসৰি মৃত্যু আচাৰ-ৰীতি সমূহ পালন নকৰিলে মৃতকৰ আত্মাই পূৰ্বপুৰুষৰ বঙ্গালৈ ৰূপান্তৰিত হ'ব নোৱাৰিব আৰু উক্ত আত্মা চিৰদিন ভূত, প্ৰেত, চুৰিণ আদিৰ ৰূপে ভ্ৰমি ফুৰিব। পৰম্পৰাগত চাওঁতাল সৎকাৰ বিধি অনুসৰি দুই ধৰণে মৃতদেহ সৎকাৰ কৰা হয় যেনে — চিতাত জ্বলাই অথবা সমাধিস্থ কৰি। চিতা উত্তৰা-দক্ষিণাকৈ সজা হয় আৰু মৃতকৰ মূৰটো দক্ষিণ দিশে ৰখা হয়। তেনেদৰে সমাধিস্থ কৰিলেও গাঁতটো উত্তৰা-দক্ষিণাকৈ খন্দা হয় আৰু মৃতকৰ মূৰ দক্ষিণ দিশে ৰখা হয়। মৃতদেহ সৎকাৰৰ সময়ত এটি মূৰ্গী পোৱালী চিতাৰ জ্বলা খৰিৰে চকুত হানি বধ কৰা হয়। বিশ্বাস কৰা হয় যে উক্ত মূৰ্গীটোৰ আত্মাই ভৱিষ্যতে সকলো সময়তে মৃতকৰ আত্মাক সংগ দিব। মৃতদেহ সৎকাৰৰ সময়ত মহিলাৰ অংশ গ্ৰহণ চাওঁতাল সমাজত নিষিদ্ধ। কোনো গৰ্ভৱতী মহিলাৰ সন্তান প্ৰসৱৰ সময়ত অথবা মৃত সন্তান প্ৰসৱৰ কৰি মৃত্যু হ'লে সন্তানটিক গৰুৰ জাক অহা যোৱা কৰাৰ ৰাস্তাত আৰু মহিলা গৰাকীৰ ভৰিত এটি গজাল মাৰি সমাধিস্থ কৰা হয়। তেনে কৰিলে সন্তানটি আৰু মহিলাগৰাকী চুৰিণ বা প্ৰেতলৈ

ৰূপান্তৰিত হ'ব নোৱাৰে বুলি বিশ্বাস কৰা হয়।

চাওঁতালসকলে এই জগতখন বিভিন্ন ধৰণৰ অলৌকিক আৰু অদৃশ্য সত্তাৰ বাসস্থান হিচাপে গণ্য কৰে। এই সত্তাসমূহে তেওঁলোকৰ অলৌকিক শক্তিৰ সমাহাৰেৰে এই জগতখনত লৌকিক জগতৰ বাসিন্দাসমূহৰ দ'ৰেই অস্তিত্ব জাহিৰ কৰে। সময়ৰ সোঁতত এই অদৃশ্য আৰু অলৌকিক সত্তাৰ সৈতে মোকামিলা কৰাৰ বাবে তেওঁলোকে এক নিৰ্দ্দিষ্ট ধৰ্মীয় বিশ্বাস আৰু আচাৰ-ৰীতিৰ সৈতে সাঙোৰ খাই পৰে। পৰবৰ্তীসময়ত এই বিশ্বাস পদ্ধতি 'বিদীন' হিচাপে পৰিগণিত হয়। এই 'বিদীন' পৰম্পৰা অনুসৰি 'বঙ্গা'ই আদিমূল। এই বঙ্গা হৈছে সৃষ্টিকৰ্তা, ভূত-প্ৰেত, পূৰ্বপুৰুষৰ আত্মা, ডাইনী, গৃহ-দেৱতা আদি বিভিন্ন প্ৰকাৰৰ অদৃশ্য আৰু অলৌকিক সত্তাৰ সমষ্টি। পৰবৰ্তী সময়ত চাওঁতালসকলে আৰ্যসকলৰ সৈতে হাজাৰ হাজাৰ বছৰৰ সাংস্কৃতিক অভিযোজন আৰু সমিলকৰণৰ ফলত বহুতো হিন্দু দেৱ-দেৱীকো 'বঙ্গা'ৰ স্থলাভিষিক্ত কৰা দেখা যায়। আনহাতে চাওঁতাল বিবাহৰ সময়ত পালন কৰা সেন্দুৰ দান অৰ্থাৎ পত্নীক সেন্দুৰ পিন্ধোৱা পৰ্ব, 'হৰিবোল' ধ্বনী, অৰণ্যৰ ভিতৰত পাঁচ ডাল শাল আৰু মহুৱা গছৰ তলত স্থাপিত জাহেৰ থান আৰু হিন্দু ধৰ্মৰ 'পঞ্চবতি', ওঝা আৰু ওঝাৰ মন্ত্ৰত ব্যৱহৃত বাংলা আৰু ভোজপুৰী শব্দৰ অপভ্ৰংশ, উপাসনাৰ সময়ত ব্যৱহৃত দূৱৰি বন, কড়ি, এৰাঁ সূতা, সেন্দুৰ আদি হিন্দু ধৰ্মৰ প্ৰভাব হিচাপে গণ্য কৰিব পাৰি। মনকৰিবলগীয়া কথা যে বহু শতিকা জোৰা সামাজিক আদান-প্ৰদান স্বত্বেও ইছলাম ধৰ্মৰ প্ৰভাব চাওঁতাল সমাজত বিচাৰি পোৱা নাযায়। খ্ৰীষ্ট ধৰ্ম চাওঁতাল সমাজত তুলনামূলক ভাৱে নতুন যদিও খুব কম সময়ৰ ভিতৰত বহুসংখ্যক লোকে এই ধৰ্মক আকোৱালী লৈছে। যাৰ ফলত চাওঁতাল পৰম্পৰাগত জীৱন শৈলীৰ প্ৰতি এক ভাবুকীৰ সৃষ্টি হৈছে। খ্ৰীষ্টীয়ান চাওঁতালসকলৰ এখন বেলেগ সমাজ গঢ়ি উঠিছে য'ত তেওঁলোকে জীৱন চক্ৰৰ বিভিন্ন পৰ্যায়ত পালন কৰিব লগা আচাৰ অনুষ্ঠানসমূহ পালন নকৰে, প্ৰচলিত বঙ্গাৰ বিশ্বাসক মান্যতা নিদি সেইবোৰক 'চয়তান' আখ্যা দিয়ে, ধৰ্মীয় পৰম্পৰাৰে জড়িত সামাজিক, কৃষিভিত্তিক অনুষ্ঠানসমূহ পালন নকৰে। তেওঁলোকৰ পৰম্পৰাগত পানীয় 'হাঁড়ি' তেওঁলোকে পান নকৰে ইত্যাদি। ফলস্বৰূপে দুয়োখন সমাজৰ মাজত এখন প্ৰাচীৰৰ সৃষ্টি হোৱা অনুমান হয়। অৱশ্যে 'কেথলিক'

খ্ৰীষ্টানসকলে বিয়াৰ ক্ষেত্ৰত গীৰ্জাৰ নিয়ম পালনৰ পাছত হাতত শাখা আৰু কপালত সেন্দুৰ পিন্ধাৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰা পৰিলক্ষিত হয়। আনহাতে পৰম্পৰা গত ধৰ্মীয় বিশ্বাস মানি চলাসকলৰ তুলনাত খ্ৰীষ্টান চাওঁতাল সকল সাজ-পোচাক, শিক্ষা-দীক্ষা আৰু জীৱিকাৰ ক্ষেত্ৰত আগবঢ়া হিচাপে বিবেচিত হৈছে।

চাওঁতালসকলৰ অভিজ্ঞতাই এই কথাকেই প্ৰমাণ কৰে যে এই জগতখনত এনেকুৱা কিছুমান শক্তি আছে যাৰ ওপৰত মানুহৰ কোনো নিয়ন্ত্ৰণ নাথাকে আৰু যি শক্তিৰ প্ৰকোপৰ ফলাফল অনুমান কৰিব নোৱাৰি। সেইবাবে চাওঁতালসকলে বিশ্বাস কৰে যে দৈৱক্ৰমে ঘটা প্ৰাকৃতিক ঘটনাৰাজিক নিয়ন্ত্ৰণ কৰাৰ শক্তি বঙ্গাসমূহৰ থাকে আৰু এনেধৰণৰ ঘটনাৰাজিক নিয়ন্ত্ৰণ কৰাৰ স্বাৰ্থত বঙ্গাৰ প্ৰত্যক্ষ অথবা পৰোক্ষ হস্তক্ষেপ বিচাৰি বিভিন্ন ধৰ্মীয় তথা যাদুৰ দ্বাৰা তেওঁলোকক উপাসনা কৰা হয়। চাওঁতাল ধৰ্মীয় বিশ্বাসৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল পূৰ্বপুৰুষৰ সত্ত্বাৰ ওপৰত তেওঁলোকৰ বিশ্বাস। প্ৰতিটো চাওঁতাল পৰিয়ালে তেওঁলোকৰ পূৰ্বপুৰুষৰ আত্মাক উপাসনা কৰে যাক তেওঁলোকে 'হাপ্ৰামক' বঙ্গা বুলি কয়। এই উপাসনাৰ অন্তৰালত থকা বিশ্বাসেই হ'ল আত্মাৰ অৱিনশ্বৰতা। চাওঁতাল ধৰ্মৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট হ'ল 'বাহা' উৎসৱৰ বাহিৰে আন কোনো ধৰ্মীয় উৎসৱ, উপাসনা, উছৰ্গা আদিত মহিলাৰ অংশগ্ৰহণ নিষিদ্ধ। চাওঁতাল সমাজত যিহেতু মহিলাই হে ডাইনী হ'ব পাৰে সেইবাবেই হয়তো সকলো মহিলাক ধৰ্মীয় অনুষ্ঠানৰ পৰা বিৰত ৰখা হয়।

কোনো এটা ধৰ্মই বাহ্যিক মূৰ্ত প্ৰকাশ অবিহনে জিয়াই থাকিব নোৱাৰে। সেইবাবে ধৰ্মীয় বিশ্বাসৰ সৈতে থকা ঔপচাৰিকতাসমূহ বিভিন্ন উৎসৱ পাৰ্বণৰ জৰিয়তে অনুষ্ঠিত কৰা হয়। চাওঁতাল সমাজত অনুষ্ঠিত বিভিন্ন উৎসৱ পাৰ্বণ অথবা ঔপচাৰিক বিধি বিধান সমূহৰ অধ্যয়নৰ পৰা এই কথা সুস্পষ্ট যে তেওঁলোকৰ অৰ্থনৈতিক ব্যৱস্থা, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ৰীতি-নীতি সকলোবোৰ কৃষিচক্ৰৰ সৈতে সংপৃক্ত। চাওঁতাল জনজীৱনত কৃষি মাথো জীৱন নিৰ্বাহৰ উপায় নহয়। এই কৃষিকৰ্ম চাওঁতাল জীৱনৰ সৰ্বত্ৰতে পৰিব্যাপ্ত। তেওঁলোকে বিশ্বাস কৰে যে জীৱনৰ বিভিন্ন পৰ্যায় সমূহৰ দৰে কৃষিকৰ্মৰ বিভিন্ন পৰ্যায় সমূহো সংকটেৰে পূৰ্ণ সেইবাবে উপযুক্ত বিধি বিধানেৰে

কৃষিচক্ৰৰ বিভিন্ন পৰ্যায়ৰ সৈতে জড়িত আৰ্থিক দিশটোক সুৰক্ষা প্ৰদান কৰাটো নিত্যান্তই আৱশ্যক। চাওঁতালসকল হ'ল আচাৰ প্ৰিয় জনগোষ্ঠী। এই আচাৰ অনুষ্ঠান সমূহৰ ফলপ্ৰসুতাৰ ওপৰত কাৎচিৎ হে তেওঁলোকে সন্দেহ প্ৰকাশ কৰে। এই ঔপচাৰিকতাৰ পৰা সুফল নাপালে তেওঁলোকে কোনোৱা অপকাৰী বঙ্গাৰ প্ৰভাৱত অথবা আচাৰ-ৰীতি শুদ্ধ ৰূপত অনুষ্ঠিত নোহোৱাৰ পৰিপ্ৰেক্ষিতত তেনে হৈছে বুলি বিশ্বাস কৰে। সেইবাবে অনুষ্ঠান এটা অনুষ্ঠিত কৰাৰ নিৰ্দিষ্ট সময়সূচী, স্থান, বিধি আৰু লোক সম্পৰ্কে তেওঁলোক খুবেই সচেতন। তেওঁলোকৰ ঋতুকেন্দ্ৰীক উৎসৱ পাৰ্বণ সমূহৰ ভিতৰত দাঁশাই এক উল্লেখযোগ্য উৎসৱ। হিন্দুসমাজৰ দূৰ্গা পূজাৰ সময়ত অনুষ্ঠিত এই উৎসৱৰ বৈশিষ্ট্য হ'ল এই উৎসৱ চাওঁতাল ওঝা বিদ্যাৰ সৈতে জড়িত। চাওঁতাল ওঝাবিদ্যাৰ পৰিসমাপ্তি হিচাপে এই উৎসৱ অনুষ্ঠিত কৰা হয়।

চাওঁতালসকলৰ স্বকীয় ভাৱমূৰ্ত্তি তেওঁলোকৰ কৃষিপদ্ধতি, চিকাৰ, সাজ-পাৰ, আ-অলংকাৰ, খাদ্য আৰু পানীয়, শিল্প কলা, আচাৰ ব্যৱহাৰ, বাৰণ, পৰম্পৰাগত ঔষধি আদিৰ জৰিয়তে পৰিস্ফুট হয়। তেওঁলোকৰ জীৱিকাৰ প্ৰধান উৎস কৃষি হ'লেও নাঙলেৰে কৃষি কাৰ্য কৰাৰ সুপ্ৰাচীন ধাৰাই এতিয়াও প্ৰচলিত। খেতিত গোবৰৰ বাদে আন ৰাসায়নিক সাৰৰ প্ৰয়োগ এতিয়াও সুদূৰ পৰাহত। খোৱাৰ বাবে শাল গছৰ অথবা কঠাল গছৰ পৰা প্ৰস্তুত কৰা থাল আৰু বাটিৰ প্ৰচলন সাম্প্ৰতিক সময়তো দেখা যায়। পৰম্পৰাগত পদ্ধতিৰে খেতিপথাৰত এন্দুৰ চিকাৰ কৰা প্ৰায়েই দেখিবলৈ পোৱা যায়। মৰাশ নোখোৱা প্ৰায়বোৰ চৰাই, শিয়াল, হায়েনা, গাধ আৰু বান্দৰৰ বাদে প্ৰায়বোৰ জন্তু, অজগৰ আৰু এন্দুৰ খোৱা সাপ, বিভিন্ন ধৰণৰ কাঠফুলা, সকলো ধৰণৰ মাছ আৰু স্থানীয় ভাৱে পোৱা সকলো শাক-পাচলি তেওঁলোকে খাদ্য হিচাপে ব্যৱহাৰ কৰে। ভাতৰ বাবে মুখ্যত উখুৱা চাউল আৰু চিৰা, মূড়ী আৰু পিঠা বনোৱাৰ বাবে আৰৈ চাউল ব্যৱহাৰ কৰে। 'হাঁণ্ডি' হ'ল চাওঁতাল সমাজৰ পৱিত্ৰ আৰু জনগোষ্ঠীয় পানীয়। সকলো ধৰ্মীয় তথা সামাজিক অনুষ্ঠানতে বঙ্গালৈ এই হাঁণ্ডি অৰ্পণ কৰা হয় আৰু উৎসৱ অনুষ্ঠান উপলক্ষে অভ্যাগত সকলোকে হাঁণ্ডিৰে আপ্যায়ন কৰা হয়। মন কৰিবলগীয়া যে প্ৰতিজন ব্যক্তিয়ে 'মাৰাংবুড়ু'ৰ নামত প্ৰথমে হাঁণ্ডি উছৰ্গা কৰিহে পান কৰে।

চাওঁতাল সমাজৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল তেওঁলোকৰ মাজত বয়ন শিল্পৰ প্ৰচলন নাই। পশ্চিমবংগত জলধা সম্প্ৰদায়ে তেওঁলোকৰ বাবে পিন্ধা কাপোৰ প্ৰস্তুত কৰে যদিও অসম তথা কোকৰাঝাৰৰ চাওঁতাল সকলে বজাৰৰ পৰাই তেওঁলোকৰ আভৰণ সমূহ ক্ৰয় কৰে। ঠাই বিশেষে যেনে কোকৰাঝাৰ জিলাৰ কঁচুগাওঁ, গোসাঁইগাওঁ আদি অঞ্চলত ৰাভা আৰু ৰাজবংশী সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ পিন্ধা কাপোৰ প্ৰস্তুত কৰে। সময়ৰ সোঁতত আৰু চহৰমুখী প্ৰৱণতাৰ ফলত নতুন প্ৰজন্মৰ সৰহসংখ্যক যুৱকে আধুনিক চাৰ্ট-পেন্ট, অন্তৰ্বাস আদি ব্যৱহাৰ কৰে যদিও চহৰত বাস কৰা নগণ্য সংখ্যক চাওঁতাল মহিলাই শাৰী আৰু অন্তৰ্বাস পৰিধান কৰাৰ বিপৰীতে গাওঁ অঞ্চলৰ প্ৰায় সকলো মহিলাই তেওঁলোকৰ পৰম্পৰাগত পোছাকেই পৰিধান কৰে। চাওঁতাল মহিলাৰ মাজত ওৰণি লোৱা দেখা নাযায়।

চাওঁতাল সমাজত ব্যৱহৃত প্ৰায়বোৰ আ-অলংকাৰ ৰূপ, তাম আৰু পিতলেৰে নিৰ্মিত। সোণৰ অলংকাৰ ব্যৱহাৰ চাওঁতাল সমাজত কাৎচিৎ হে দেখিবলৈ পোৱা যায়।

চাওঁতাল সমাজ লোককলাৰ দিশত তুলনামূলক ভাৱে পিছ পৰা বুলি কব পাৰি। তেওঁলোকৰ ঘৰসমূহত অংকিত বিভিন্ন চিত্ৰ বা চানেকি সমূহত বাহিৰে চাওঁতাল লোককলাৰ নিদৰ্শন বিচাৰি পোৱা নাযায় কিন্তু হস্তশিল্পৰ ক্ষেত্ৰত তেওঁলোক যথেষ্ট আগবঢ়া। তেওঁলোকৰ বিচনা, টুল, মুঢ়া, ঝাৰু আাদি অপূৰ্ব হস্তশিল্পৰ নিদৰ্শন। তেওঁলোকে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা ধেনু আৰু কাঁড় শ্ৰদ্ধাৰ বস্তু হিচাপে গণ্য কৰে। কোনো কাৰণতেই ধেনু আৰু কাঁড় ভৰিৰে স্পৰ্শ নকৰে। আনহাতে কোনো মহিলাক ধেনুৰ কাঁড় মাৰিবলৈ দিয়া নহয়।

চাওঁতাল সমাজৰ আন এক সুকীয়া বৈশিষ্ট্য হ'ল অভ্যাগতক আদৰণি জনোৱা পৰম্পৰা। সম্পৰ্ক ভেদে এই পৰম্পৰা ভিন্ন হোৱা দেখা যায়। জ্যেষ্ঠ আৰু কণিষ্ঠৰ মাজত, বাহোঞহাড়িয়া আৰু আজনৰিয়াৰ মাজত তথা বালায়াৰ মাজত এই পৰম্পৰা ভিন ভিন হয়।

উপৰি উক্ত আলোচনাৰ পৰা এটা সিদ্ধান্তত উপনিত হ'ব পাৰি যে অসম তথা কোকৰাঝাৰ জিলাৰ চাওঁতাল জনগোষ্ঠীটো স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত। তেওঁলোকৰ

পূৰ্বপুৰুষ ডেৰ শতিকাৰো অধিক কাল আগতে মধ্য ভাৰতৰ পৰা অসমলৈ প্ৰব্ৰজিত হৈছিল। প্ৰব্ৰজন কালত বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীৰ ভাষা, সংস্কৃতিৰ সম্পৰ্কলৈ আহিছিল যদিও অধুনাও তেওঁলোকে তেওঁলোকৰ স্বকীয় পৰম্পৰা আৰু আচাৰ-ৰীতি বৰ্ত্তাই ৰাখিবলৈ সক্ষম হৈছে। সেয়েহে উল্লিখিত জনগোষ্ঠীৰ সংস্কৃতিক চাওঁতাল সংস্কৃতি বুলি ক'ব পাৰি।

-----

# গ্ৰন্থপঞ্জী


**অসমীয়া ঃ**

১) কলিতা, ফুলকুমাৰী ঃ লোক সাহিত্যৰ ৰহঘৰা ফঁকৰা যোজনা,তালুকদাৰ প্ৰিন্টাৰ্চ, হাউলী,২০০৩

২) ___ ___ ___ ঃ লোক সংস্কৃতিৰ দাপোণ, পূৰ্বশ্ৰী অফচেট প্ৰিন্টাৰ্চ, বৰপেটা,২০০০

৩) ___ ___ ___ ঃ লোক-সংস্কৃতিৰ সুবাস, শিৰম অফছেট প্ৰিন্টাৰ্চ, বৰপেটাৰোড, ২০১৩

৪) গগৈ, ৰাজেন ঃ গোস্বামী প্ৰফুল্লদত্ত, অসমীয়া জন-সাহিত্য, বাণী প্ৰকাশ মন্দিৰ, গুৱাহাটী, ২০১৮

৫) ___ ___ ___ ঃ চাহ জনগোষ্ঠীৰ চিন্তা-চেতনা, অসম সাহিত্য সভা, যোৰহাট,২০০১

৬) গগৈ, লীলা ঃ অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, বনলতা, গুৱাহাটী,২০০১

৭) চেতিয়া, উমেশ ঃ অসমীয়া লোক-সংস্কৃতিৰ ৰূপৰেখা, কিৰণ প্ৰকাশন, ধেমাজী, ২০১০

৮) বৰ্মন, শিৱনাথ ঃ লোককৃষ্টিৰ উৎস, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,১৯৮২

৯) বৰুৱা, বাবুল ঃ চাওঁতাল গণ সংগ্ৰামৰ ইতিহাস (অনুবাদ), নতুন সাহিত্য পৰিষদ, শোণিতপুৰ,২০০৬

১০) ৰাজবংশী, পৰমানন্দ (সম্পা) ঃ অসমীয়া জাতি আৰু সংস্কৃতি, অসমীয়া বিভাগ, প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী,২০০৩

১১) শৰ্মা, নবীন চন্দ্ৰ ঃ লোক সংস্কৃতি, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১৩

১২) ___ ___ ___ ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, গুৱাহাটী, ২০১১

১৩) শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, অৰুণোদয় প্ৰেছ, শিলপুখুৰী, গুৱাহাটী,২০১৮

## বাংলা ঃ


১) অকাদেমি অফ ফোকলোর ঃ বাংলার লোকসংস্কৃতির বিশ্বকোষ, দে'জ অফসেট, কলকাতা,২০০৪

২) চক্ৰৱৰ্তী, বরুণকুমাৰ (সম্পাঃ) ঃ বাংলার লোক সংস্কৃতি, অপর্না বুক ডিষ্ট্রিবিউটার্স, কলিকতা,১৯৯৫

৩) বাস্কে, ধীরেন্দ্র নাথ ঃ চাওঁতাল গণ সংগ্রামের ইতিহাস, বাস্কে পাব্লিকেশন, কলকাতা, ২০০৮

৪) ___ ___ ___ ঃ চাওঁতাল ভাষা ও সাহিত্যেৰ ইতিহাস, বাস্কে পাব্লিকেশন, কলকাতা, ২০১০

৫) ভৌমিক, সুহৃদ কুমার(অনু ও সম্পা) ঃ সাঁওতালি গান ও কবিতা সংকলন, সাহিত্য অকাদেমি, নতুন দিল্লী, ১৯৯৬

৬) মুরমু, বাবুলাল ঃ হড় সেরেঞ, লেটার প্রিন্ট, হাওরা, ১৯৯১

৭) হেমব্রম, পরিমল ঃ সাঁওতালি সাহিত্যের ইতিহাস, নির্মল বুক এজেন্সি,কলকাতা, ২০০৭

৮) সিদ্দিকী, আশৰাফ ঃ লোক-সাহিত্য (দ্বিতীয় খণ্ড), জি. জি. অফসেট প্রেছ, ঢাকা, ২০০৮


## English ঃ


1) Archer, W.G. ঃ Santal Poetry, Man in India, 23(2) June, Ranchi.,1943.

2) ___ ___ ___ ঃ The Hill of Flutes: Life, Love and Poetry in Tribal India, A Portrait of the Santals, Isha Books, Delhi, 2007.

3) Arjjumend ঃ Inquiry into Tribal Self-Governance in Santal Parganas, Jharkhand, Grassroots India Trust, 2005.

4) Bandyopadhyay, Tapan ঃ Saontali Kabita, Dey's Publishing; Calcutta, 1973.

5) Bag, Dhanipati ঃ Santal Samaj Sameeksha - A Study on Santal Society,Samatat Prakashani; Calcutta,1983.

6) Barth,F. ঃ Cosmologies in the Making, Cambridge University Press: Cambridge,1987.

7) Bascom, William R. ঃ Contributions to Folkloristics, Folklore Institute, Meerut, 1981.

8) Basu, K.K ঃ Missionary Education in the Santhal Parganas, Journal of the Bihar research Societv, Ranchi , 1944

9) Bhan, Susheela : Impact of Ethnic violence on Youth: A Study of Tribal-Non-Tribal Violene in Kokrajhar, Assam. Delhi: Institute of Peace Research and Action,1999.

10) Bhargava Gopal (ed) : Customs of India (Vol-5), Isha Books, Delhi,2013

11) Biswas, A.K. : Santhal Rebellion: - A study of little known facts of their life and culture. Bulletin of Bihar Tribal Welfare Research Institute, Ranchi. XXXV, December, 1995.

12) Biswas, P.C. : Primitive Religion, Social Organisation, Law and Government among the Santals, Journal of the Department of Letter's, Calcutta, 1935.

13) Bodding, P. O. : Traditions and Institutions of the Santals, A.W. Broggers Boktrykkri, Oslo, 1942.

14) __ __ __ : Santal Folk Tales, Cambridge, Mass.: H. Aschehoug; Harvard University Press, 1925.

15) __ __ __ : Santal Riddles and Witchcraft among the Santals,A. W. Broggers, Oslo, 1940.

16) __ __ __ : A Santal Dictionary.(5 volumes), 1933-36,J. Dybwad, Oslo, 1929.

17) __ __ __ : Materials for a Santali Grammar I, Dumka, 1922.

18) __ __ __ : Studies in Santal Medicine and Connected Folklore (3 volumes), Dumka, 1925-40.

19) Bompas, Cecil Henry & Bodding, P. O. : Folklore of the Santal Parganas. London: D. Nutt, 1909.

20) Brahma, Dr. Kameswar : A Study of Socio-Religious Beliefs, Practices and Ceremonies of the Bodos Puthi Pustak, Calcutta, 2010.

21) Carstairs, R. : Harma's Village- A Novel of Santal Life , The Santal Mission Press, Pokhuria, 1935.

22) Chakrabortti, Digambar : History of the Santal Hool of 1855reprinted Calcutta: 1989.

23) Chakravorty, R. N. : Socio-Economic Development of Plantation Workers in North East India. N. L. Publishers, Dibrugarh,1997.

24) Chakrabarti, Dr. Byomkes : A Comparative Study of Santali and Bengali, KP Bagchi, Calcutta, 1994.

25) Chhetri. Harka Bahadur : Adivasis and the Culture of Assam, Maulana Abdul Kalam Azad Institute of Asian Studies, Kolkata, 2005.

26) Chaudhury, A.B. : The Santal Religion and Rituals, Ashish Publishing House; New Delhi,1985.

27) Chaudhury, Asit Baran : Saontal Samaj, Daini O Bartaman Sankat - The Society of Saontal, A. Mukherjee and Co. Pvt. Ltd.; Calcutta,1985.

28) C. K. Hembrom : The History of the Santal Parganas, Santals and Paharias, Bihar, 1973.

29) Crawford, T. C. : Castes and Tribes on the Tea Estates of North Eastern India, Vintage Publishers, Gurgaon,1989.

30) Culshaw, W. J. : Tribal Heritage; a Study of the Santals, London: Lutterworth Press,,1949.

31) Datta Kalikinkar : The santal insurrection of 1855-57, second ed., Firma KLM Pvt Ltd, Kolkata,2001.

32) Dutta-Majumdar, N. : The Santal : A Study in Cultural Change, A.S.I. Memoir No. 2, Calcutta,2004.

33) Dutta, Pranita : Tribal Population in India in K. Uma Devi and Neera Bharioke (eds), Tribal Rights in India, Serials Publications, New Delhi, 2006.

34) Fernandes Walter : Assam Adivasis: Identity Issues and Liberation, Vidyajyoti Journal of Theological Reflection,2003.

35) Fuch, Stephen : Rebellious Prophets: Asia Publishing House, Calcutta,1965.

36) Fuch, Stephen : Origin of Religion: Pontifical Institute of Theology and Philosophy,Kerala,1975.

37) Gait, E. A : History of Assam, Bina library, Guwahati,(2008).

38) Gausdal, Johannes : The Santal Khuts - Contribution to Animistic Research, Harvard University Press; Cambridge,1960.

39) Ghosh, Arun Kumar : Tagmemic analysis of some aspects of the Santali transitive verb. In: J.C. Sharma (ed.): From sound to discourse. A tagmemic approach to Indian languages,1992.

40) ___ ___ ___ : Santali - A Look into Santal Morphology, Gyan Publishing House, New Delhi,1994.

41) ___ ___ ___ : New findings in Santali as compared with P.O. Bodding (1929).Report of the 11th All India Conference of Dravidian Linguistics,1981.

42) Guha, B.S. : An Outline of the Racial Ethnoloqy of India, Calcutta, 1937.

43) Hembram, S. : Bengali - Medium: Santali Self - Taught Mecheda, Marang Buru Press, Midnapore,1985.

44) Hembrom, P.C. : Sari-Sarna (Sathal Religion), Mittal Publication, Delhi, 1988.

45) Hembram, S. : Bengali-Medium: Santali Self-Taught, Marang Buru Press. Revised by M.K. Soren, Mecheda, Midnapore,1985.

46) Kar, R.K. : A Panoramic View of the Tea and Ex-Tea Tribes of Assam, in Thomas Pulloppillil (ed.), Identity of Adivasis in Assam,Don Bosco Publications, Guwahati,2005.

47) Karotemprel,sabastian : The Tribes of North East India. Centre(ed)for Indigenous Culture : Shillong, 1998.

48) Kisku, D. Barka. : The Santals and their Ancestors, Career Press, Dumka, 2000.

49) Kisku, P.C. & K.R. Soren : Santali Sabdakos. Santal Paharia Seva Mandal, Deoghar, 1951.

50) Konow, Sten : Mundaa and Dravidaa, The Indian Antiquary, 33, May, Bombay,1904.

51) Macphail, R.M. : An introduction to Santali.,Firma KLM Private Limited, . Calcutta,1964.

52) Macphail R M : Introduction to Santali, Firma KLM Pvt Ltd, Kolkata, 1983.

53) McPherson, M. : Note on the Aboriainal Races of the Sonthal Pargana,1908.

54) Majhi, L. : Santal: byakarasa, racanakali, sabdakosa Santali (Oriya) dictionary, Adibasi Bhasha o Samskriti Ekademy, Bhubaneshwa,1990.

55) Mahapatra, B.P. : Santali Language Movement in the Context of Many Dominant Languages, Language Movement in India. In: CIIL Conferences and Seminar Series No. 5, Mysore,1979.

56) Mahapatra, Mary D. : Tribal Religion and Rituals,: Accounts of Superstition, Sorcery and Spirits, Dominant, Delhi, 2001.

57) Mahapatra, Sitakant : Modernisation and Ritual Identity and Change in Santal Society, Oxford University Press, Calcutta,1986.

58) Mahapatra, S. K. : Unending Rhythms: Oral Poetry of Indian Tribes, Inter-India Publications, Delhi, 1992.

59) Martin, W. : English-Santali Vocabulary. Medical Hall Press, Benares,1898.

60) ——— : English-Santali Vocabulary, Medical Hall Press, Benaresø¸1898.

61) Mathur, Nita (Ed.) : Santhal Worldview., Indira Gandhi National Center for the Arts, New Delhi, 2001.

62) Mishra, Kirti., : Adivasis in Assam, in Countercurrents (Internet edition), 12 April 2005 (http://www.countercurrents.org, accessed on 15 June 2012)

63) Mitra P C : Santhali: The base of world languages, Firma KLM Pvt Ltd, ,Kolkata, 1988.

64) ——— : Santhali - A universal heritage, Firma KLM Pvt Ltd, Kolkata, 1991.

65) Moirangthem Prakash : 'The Adivasi Question in Assam', Tehelka (Internet edition), 17 Dec. 2007 (http://www.tehelka.com, accessed on 18 June 2012).
66) Mukherjee, C.L. : The Santals.,A. Mukherjee: Calcutta, 1962.
67) Orans, M : The Santal: A Tribe in Search of a Great Tradition. Wayne State University Press: Detroit, 1965.
68) O'Malley, L.S.S : Bengal district gazetteers: Santal Parganas, Logos Press , New Delhi, 1999.
69) Pederson,M.A. : Sketches from Santalistan by Dev Lutherske Missionaer, Minneapolis, 1913.
70) Peffer, George : Santal Totemism, South Asian Anthropologist, 1984.
71) Prabhakara, M.S., : Behind the Adivasi Unrest in Assam, The Hindu (Internet edition), 3 Dec. 2007 (http://www.hinduonnet.com, accessed on 17 June 2012).
72) Prasad, Onkar : Santal Music: A Study in Pattern and Process of Cultural Persistence, Tribal Studies of India Series, Inter-India Publications, New Delhi, 1985.
73) Risley H H : The tribes and castes of Bengal, Firma KLM Pvt Ltd,Kolkata, 1981.
74) Roy Chaudhury, Indu : Folk Tales of the Santals, 1st ed. Folk Tales of India Series, 13 Sterling Publishers, New Delhi,1973.
75) Roy, Dr. K.K., : Tribal Religions: Incorporating Religious Consultancy, Vol. 1; Intertrade Publications Pvt. Ltd., West Bengal.
76) Sachchidananda : The Santal Odyssey: A Quest for Identity, Man in India, Ranchi,1991.
77) Sahu, Chaturbhuj : The Santhal Women - A Social Profile; Sarup & Sons,New Delhi, 1996.
78) Sarkar, S.S. : The Racial Affinities of the Santal, Silver Jubilee Session of the Indian Sience Congress, Calcutta,1938.
79) Satpathy, Sunil Kumar : Anthology of Santal songs, Dance and Music of Orissa, Indian academy of Folk and Tribal Cultural,1990.
80) S. Mahapatra : Modernization and Ritual. Identity and Change in Santal Society, Delhi-Bombay-Madras,1986.
81) Somers, George E. : Dynamics of Santal Traditions in a Peasant Society, Abhinav,1985.
82) Soren, S.S.K. : Santalia: Catalogue of Santal manuscripts in Oslo,1999.

83) Srinivas, M. N. ঃ Religion and Society among the Coorgs of South India, Asia Publishing House, Bombay,1952.

84) Singh, K.S. ঃ Tribal Society in India, Manohar Publications, Delhi,1985.

85) Somers, George E. ঃ Dynamics of Santal Traditions in a Peasant Society, Abhinav, 1985.

86) Srinivas, M. N. ঃ Religion and Society among the Coorgs of South India, Asia Publishing House, Bombay,1952.

87) ___ ___ ___ ঃ Village Studies and their significance, in M.N., 1962,

88) Srinivas, ঃ Caste in Modern India and Other essays, Asia Publishing House, Bombay.

89) Srivastava, A.R.N. ঃ Tribal freedom Fighters of India, Publications Division; New Delhi,1986.

90) Thomas Pulloppillil (ed.), ঃ Identity of Adivasis in Assam ,Don Bosco Publications: Guwahati, 2005.

91) Troisi, J. ঃ The Santals: A Classified and Annotated Bibliography, Manohar Book Service,New Delhi,1976.

92) ___ ___ ___ ঃ Tribal Religion: Religious Beliefs and Practices among the Santals. Manohar, New Delhi, 2000.

**অপ্ৰকাশিত গৱেষণা গ্ৰন্থ ঃ**

**অসমীয়া ঃ**

১) বৰা, ৰমেশ ঃ অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোকবিশ্বাস আৰু লোকাচাৰ এটি তুলনামূলক অধ্যয়ন (নামনি অসমৰ জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় বিশেষ উল্লিখনেৰে), অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়,২০১৯

২) শৰ্মা, লীনা ঃ অসমৰ চাওঁতাল জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি ঃ এটি অধ্যয়ন ( কোকৰাঝাৰ জিলাৰ বিশেষ উল্লিখন সহ), অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়,২০১৫

**English ঃ**

1) Deka, Ratul ঃ A Comparative Study of the Folktales of the Mising and Deori Tribes in Assam in Terms of Structuralist Narratology, Unpublished Thesis submitted to Gauhati University, 2018.

**অসমীয়া - ইংৰাজী অভিধান ঃ**

১)	গোস্বামী, দীনেশ চন্দ্ৰ	ঃ শৰাইঘাট অভিধান, শৰাইঘাট প্ৰকাশন, গুৱাহাটী, পঞ্চম মুদ্ৰণ, ২০১৬

২)	বৰুৱা, হেমচন্দ্ৰ	ঃ হেমকোষ, হেমকোষ প্ৰকাশন, গুৱাহাটী, অষ্টাদশ মুদ্ৰণ,২০১৮


**ইংৰাজী-অসমীয়া অভিধান ঃ**

1)	Bhattacharya, Buddhindra Nath	ঃ Anglo-Assamese Dictionary, L.D.S. publication,Guwahati, 26th edition, 1999.


-----

# পৰিশিষ্ট

# পৰিশিষ্ট - ক

## চাওঁতাল পাৰিভাষিক শব্দাৱলী আৰু অসমীয়া অৰ্থ

অতিসুৰ ঃ হেংগেনা পকা।
অড়াক বঙ্গা ঃ গৃহ দেৱতা।
অড়াক দুৱাৰ নেল ঃ ঘৰ চোৱা।
আব্‌গে বঙ্গা ঃ বংশৰ দেৱতা (উপকাৰী)
আৰ্গোম ঃ মৈ
আখাঁইনি ঃ ওখোন।
আৰড় ঃ যুঁবলি।
আ-চাৰ ঃ ধনু কাড়।
আজনৰিয়া ঃ এগৰাকী মহিলা আৰু ভনীজোঁৱাই, এগৰাকী মহিলা আৰু তেওঁৰ ভাইবোৱাৰী।
ইতুৎ সিন্দুৰ দং ঃ দ'ৰা কইনাক সেন্দুৰ লগোৱাৰ সময়ত গোৱা গীত।
ইৰাৰ্পা ঃ ছোৱালীৰ বিবাহ নোহোৱা লৈকে ভৰণ পোষণৰ বাবে ৰখা ভূমিৰ অংশ।
উম্ হিলৌক ঃ স্নানপৰ্ব
উমুল আদেৰ ঃ অস্থি বিসৰ্জন অনুষ্ঠান।
উতু ঃ ব্যঞ্জন।
এৰে ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
এনেএঁও ঃ নৃত্য।
এড়ক চিম ঃ কৃষি কৰ্মৰ অপায় অমংগল দূৰ কৰাৰ বাবে অনুষ্ঠিত উৎসৱ।
ওঝা ঃ ওজা।
ঔবুক জংগা ঃ বিবাহৰ বাবে প্ৰস্তুত কৰা বিশেষ ধৰণৰ মদ।
কুম্ভিৰ ছাল ঃ কুম ছাল।
কাৰাম ঃ উৎসৱ।
কঁয়ডা গড় ঃ লোককথাত উল্লেখ থকা দুৰ্গ।
কানহু ঃ ১৮৫৫ চনত সংঘটিত চাওঁতাল বিদ্ৰোহৰ মূল নেতা।
কুদুম ঃ সাথৰ।
কাৰাম বিন্‌তি ঃ কাৰাম পৰ্বৰ সময়ত পাঠ কৰা বিন্‌তি।
কুলহি ঃ গাওঁৰ মূখ্য পথ।
কাৰাম ঃ শস্য আৰু গৃহস্থৰ মংগলাৰ্থে কাৰাম গছক পূজা কৰা উৎসৱ।
কামৰূ গুৰু ঃ ওজা বিদ্যাৰ মুখ্য গুৰু। তেওঁৰ জড়িয়তেই কামৰূপৰ পৰা মন্ত্ৰ বিদ্যা চাওঁতাল সকলৰ মাজত প্ৰচলন হয় বুলি লোকবিশ্বাস প্ৰচলিত।
কাভি জালি ঃ এবিধ মাছ ধৰা জাল।
কুলাই পাচি ঃ এন্দুৰ ধৰা ফান্দ।
কেডক ঃ নৈশ আহাৰ।
কাশ্মাৰ ডাৰু ঃ গমাৰি গছ।
কুলাই পাচি ঃ এন্দুৰ ধৰা ফান্দ।
কাভি জালি ঃ এবিধ মাছ মৰা জাল।
কুদুম নাইকি ঃ সহকাৰী পুৰোহিত।
কইণ্ডে ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
খোজ কামান ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
খুন্টাও ঃ গৰুক পূজা কৰা পৰ্ব।
খোচা ঃ মাছ মৰা সঁজুলি।
খেৰবাড় ঃ চাওঁতাল সকলৰ পূৰ্বৰ পৰিচয়।
খুঁট ঃ উপগোত্ৰ।

খুন্টাও হিলৌক ঃ গৰু বিহু।
খোদা ঃ ল'ৰাৰ হাতত লগোৱা পোৰা দাগ।
খাজাৰি ঃ মুড়ি।
খুবতি ঃ কুম্ভী।
গোসাঁই এৰা ঃ উপকাৰী দেৱতা।
গুলবৌৰী ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
গুজৌৰ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
গোড়া ঃ গোহালী।
গিৰৌ ঃ হালধী পানীত দুবোৱা এঁৱা সূতাৰ এবিধ আহিলা য'ত বিয়ালৈ বাকী থকা দিনৰ হিচাপত খুলিব পৰাকৈ গাঠি মৰা হয়।
গিদৰী গাতে সিৰিঞঃ ঃ শিশু ওমলা গীত।
গডিৎ ঃ দূত।
গণংপন ঃ ছোৱালীৰ মূল্য।
গুমটেট ঃ খুলশালী।
গিডি চুমৌন ঃ বিবাহৰ সময়ত উদ্‌যাপিত এক ধৰণৰ অনুষ্ঠান।
গিডি চৌমৌৰা ঃ বিবাহৰ সময়ত উদ্‌যাপিত এক ধৰণৰ অনুষ্ঠান।
গোড়া ঃ গোহালী।
গাণ্ডো ঃ মূঢ়া।
গুংগু ঃ জাপি।
গান্দি চুকুম ঃ নাৰ্জি ফুল।
ঘিনী কুমাৰী ঃ ঘৃত কুমাৰী।
চাই ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
চাম্পা ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
চাচো চৌতিয়ৌৰ ঃ দীক্ষা অনুষ্ঠান।
চেতান নুটুম ঃ বাহিৰত মতা নাম।
চিকা ঃ ছোৱালীবোৰে বাহুত বা বুকুৰ ওপৰৰ অংশত কৰা টাটু।
চাডাউডি ঃ বিবাহ বিচ্ছেদৰ বাবে ভৰিব লগা জৰিমণা।
চাকাম অৰেচ্ ঃ বিবাহ বিচ্ছেদ অনুষ্ঠান।
চাণ্ড বঙ্গা ঃ সূৰ্য দেৱতা।
চুকৰি বাঢ়া ঃ গাহৰীৰ গড়াল।
চিম খুড়ী ঃ মুৰ্গীৰ বাহ।
চায়েৰা ঃ মাছ মৰা সঁজুলি।
চেৰে লাথা ঃ আঠা লগোৱা চৰাইৰ ফান্দ।
চিহাৰি চপ ঃ কাঞ্চন লতা।
চাচাং ঃ হালধি।
চিৰিক সামানো ঃ কলিহাৰী।
চপাৰোম সাকাম ঃ শেঁৱালী।
চাওৰাজ জন ঃ শিংকৰা।
চুতীয়া বাদুৰী ঃ বৰ বাদুলী।
চাই চাম্পা গড় ঃ লোককথাত উল্লেখ থকা দুৰ্গ।
চৌৰচী ঃ শুভাশুভ লক্ষ্যণ চোৱা গুৰু।
চাক্লাদাৰ ঃ পৰগণাৰ সহায়ক।
চৌতিয়ৌৰ বিন্‌তি ঃ চৌতিয়ৌৰ উৎসৱৰ সময়ত পাঠ কৰা বিন্‌তি।
জনম চৌতিয়ৌৰ ঃ শিশুৰ জন্মৰ পাছত পালন কৰা প্ৰথম অনুষ্ঠান।
জাহেৰ এৰা ঃ উপকাৰী দেৱতা।
জৌৰ ঃ সাধুকথা।
জমসিম বিন্‌তি ঃ জমসিম পূজাৰ সময়ত পাঠ কৰা বিন্‌তি।
জাহেৰ থান ঃ গাওঁৰ সমূহীয়া উপাসনা স্থলী।
জগমৌন্‌ঝি ঃ গাওঁৰ নৈতিক দিশ চোৱা চিতা কৰা গাঁও সভাৰ বিষয়ববীয়া।
জাবোদ ঃ খেতিপথাৰ চহোৱা।
জালি হিলৌক ঃ ঘৰে ঘৰে গৈ নৃত্য-গীত কৰা দিন।
জাহেৰ ডাব ঃ বাহা পৰ্বৰ প্ৰথম দিন।
জান্থাৰ ঃ খেতিৰ প্ৰথম শস্য কটাৰ সময়ত অনুষ্ঠিত উৎসৱ।
জাৱাই ধূতি ঃ ধূতি আৰু উপহাৰ প্ৰদান।
জান বাহা ঃ অস্থি।
জান বাহা উম ঃ অস্থি বিসৰ্জন অনুষ্ঠান।

জানগুৰু ঃ ডাইনি বিশাৰদ।
জিমব্রি ঃ মাছ মৰা সঁজুলি।
জনক ঃ ঝাড়ু।
জার্পি ঃ লোককথাত উল্লেখ থকা পূর্বৰ বাসস্থান।
জালে ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
ঝাম্পা ঃ চৰাই ধৰা জাল।
ঝৰ্ণি ঃ সুৰ লগাই গোৱা মন্ত্ৰ।
ঝাৰ ছাল ঃ ভোট এৰাৰ ছাল।
ঝিকৌ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
টৰডান ঃ মাছ মৰা সঁজুলি।
টুচি ঃ এন্দুৰ ধৰা জাল।
টেন্টা ঃ মাছ মৰা সঁজুলি।
টোলা ঃ চুবুৰী।
টেট্ৰাকুড়ি ঃ নিকট আত্মীয় তিনিগৰাকী কুমাৰী ছোৱালী।
টুচি ঃ এন্দুৰ ধৰা জাল।
টুপলী ঃ সৰু খৰাহী।
টিৰিও ঃ বাঁহি
তুম্‌দা ঃ ঢোঁল।
টামাক ঃ ঢোঁল।
টাবেন ঃ চিৰা।
ঠাকুৰ জিউ ঃ সৰ্বোচ্চ দেৱতা।
ডাহাৰ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
ডান্টা ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
ডম ঃ গীত নগোৱা কৈ নচা এক প্ৰকাৰৰ নৃত্যৰ নাম।
ডবক জহাৰ ঃ দ'ৰা বা কইনা পক্ষক আদৰণি জনোৱা পৰ্ব।
ডা বাপলা ঃ পানী বিয়া।
ডাউৰী ঃ পাচি য'ত বহাই কইনাক মণ্ডপলৈ অনা হয়।
ডাক বঙ্গা ঃ অপকাৰী দেৱতা।
ডাকা ঃ ভাত।
ডোৰা ঃ ককালত পিন্ধা সূতা।
ডেংগানাক ঃ ল'ৰাই পিন্ধা কাপোৰ।
ঢুল' ঃ চাং।
তোৰে পুখুৰী বাহা বান্দেলা ঃ লোককথাত উল্লেখ থকা পূর্বৰ বাসস্থান।
তেল নাহান ঃ মৃত্যুৰ পাঁচ দিন পাছত পালন কৰা পৰ্ব।
তাবেনজম ঃ ম্যাদী মাটি।
তৰোৱাড় ডাক ঃ তৰোৱালেৰে দিয়া পানী।
তেংগচ ঃ যুদ্ধৰ কুঠাৰ।
তালদৰে ঃ তাল গছৰ শিপা।
তেলাকুছি ঃ বিম্বিকা।
দাঙ্গুৱাহিচা ঃ পোহনীয়া জন্তুৰ ৰূপত ঘৰৰ ছোৱালীক দিয়া সম্পত্তিৰ অংশ।
দং ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
দুঙগীৰ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
দকাই হিলৌক ঃ ভোজন দিৱস।
দাঁশাই ঃ ওঝা বিদ্যা সামৰণি উপলক্ষে অনুষ্ঠিত উৎসৱ।
দাঁশাই দাড়াণ ঃ দাঁশাই উৎসৱৰ সময়ত ঘৰে ঘৰে খুজিবলৈ যোৱা প্ৰথা।
দাক মৌণ্ডি ঃ পইতা ভাত।
দুৰিঅ' ঃ বাহা পৰবৰ সময়ত উলুখেৰেৰে বনোৱা বিশেষ প্ৰতীক।
দিহীৰি ঃ চিকাৰৰ নেতা।
দেসমৌন্‌ঝি ঃ পৰগণাৰ মূৰব্বী।
ধিংকি ঃ ঢেঁকী।
নিম দাক মাণ্ডি ঃ শিশুৰ জন্মৰ পাছত পালন কৰা প্ৰথম অনুষ্ঠান।
নাইকি ঃ পুৰোহিত।
নেপেল ঃ বৈঠক।
নুনু টাকা ঃ বৰযাত্ৰী নিজ ঘৰৰ পৰা প্ৰস্থান কৰাৰ আগমুহূৰ্ত্তত অনুষ্ঠিত কৰা পৰ্ব।

নাহেল ঃ নাঙল।
নষ্ঠা দুধি লোটা ৰাহেতয ঃ লাল কণ্ডল।
পৰিচ ঃ গোত্ৰ।
পাৰাণিক ঃ সহকাৰী গাওঁবুঢ়া।
পুতলি ঃ কুমাৰী ছোৱালীয়ে ব্যৱহাৰ কৰা বস্ত্ৰ।
পাৰহাড ঃ মেখেলা সদৃশ বস্ত্ৰ।
পিচাউৰি ঃ বগা কপাহি কুৰ্তা।
পাতাল গাৰু ৰাহেত ঃ সৰ্প গন্ধা।
পোচো লোৰে ঃ মুগা।
পাৰকম ঃ বিছনা।
পৰচী ঃ বিবাহ সম্পন্ন হোৱাৰ পাছত অনুষ্ঠিত কৰা পৰ্ব।
পৰগণা বঙ্গা ঃ উপকাৰী দেৱতা।
পাওৰা টাঅ'গী ঃ পাৰৰ বাহ।
পাচি জালি ঃ এবিধ মাছ মৰা জাল।
পাত্ৰ ঃ শাল বা কঠাল পাতেৰে বনোৱা থাল।
পৗটিয়া ঃ পাটি।
পাঞ্চি ঃ ল'ৰাৰ ককালৰ তলত পিন্ধা বস্ত্ৰ /ছোৱালীৰ বুকুৰ অংশ ঢাকিবলৈ ব্যৱহাৰ কৰা বস্ত্ৰ।
পিচৗৰি ঃ উৎসৱৰ সময়ত ককালৰ ওপৰ অংশ ঢাকিবলৈ ল'ৰাই পিন্ধা কাপোৰ।
পৗড়া ঃ পকা ম'দ।
পৗইকৗহা ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
পাক জুপিয়া ঃ গীত নগোৱা কৈ নচা এক প্ৰকাৰৰ নৃত্যৰ নাম।
পাণ্টে বেঘৰ ঃ এঘৰীয়া কৰা।
পৰগনা বাইসি ঃ দহৰ পৰা বিশ খন গাঁওৰ গাওঁবুঢ়া সকলৰ পৰিষদ।
ফুৰুক ঃ পাতেৰে তৈয়াৰ কৰা পিয়লা।
ফটিয়ক ঃ খৰাহি।
বঙ্গা ঃ যি কোনো অশৰীৰি আত্মা।
বাণ্ডি ঃ ডুলি।
বাৰণ ঃ টেবু।

বাংলা অড়াক ঃ দুচলীয়া ঘৰ।
বাহৰে বঙ্গা ঃ অপকাৰী দেৱতা।
বুৰু বঙ্গা ঃ অপকাৰী দেৱতা।
বাব্ৰে ক'ৰা ঃ ভিনিহী।
বাব্ৰে কুড়ি ঃ বাই।
বলয়া জহাৰ ঃ বিয়ে-বিয়েনীক আদৰণি অনুষ্ঠান।
বৰিয়ত ঃ বৰযাত্ৰী।
বুয়াং ঃ ৰঙা লাও খোল আৰু দুচটা বাহেৰে বনোৱা এবিধ বাদ্য যন্ত্ৰ।
বাব্ৰে এৰা ঃ বাইদেও।
বৗটি হৗণ্ডি ঃ সৰহায়ৰ বাবে প্ৰস্তুত কৰা বিশেষ ধৰণৰ মদ।
বাহা সৰদি ঃ বাহা পৰৱৰ দ্বিতীয় দিন।
বাহা বাস্কে ঃ বাহা পৰৱৰ তৃতীয় দিন।
বানাম ঃ বেহেলা।
বৰ ঃ খেৰৰ ৰচি।
বচ ঃ বচ।
বৗংগ'-সংগা ঃ বন আলু।
বাৰুচাকাম ঃ নয়নতৰা।
বাৰছাল ঃ গকুল গছৰ ছাল।
বৰে দৰে ৰাহেত ঃ বট গছৰ শিপা।
বাঘ ঝাৰ ঃ জাপানী লতা।
বাহা ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
বাপ্লা বিন্‌তি ঃ বিয়াৰ সময়ত পাঠ কৰা বিন্‌তি।
বিন্‌তি ঃ হিন্দু সমাজৰ বেদ সদৃশ গদ্য আৰু পদ্য দুয়োধৰণে পাঠ কৰা এক ধৰণৰ মৌখিক সাহিত্য।
বীৰ সিৰিঞ ঃ অৰণ্যৰ মাজত বছৰেকীয়া চিকাৰ উৎসৱৰ সময়ত গোৱা গীত।
বাই দুৱাৰ ঃ লোককথাত উল্লেখ থকা সুৰংগ পথ।
বাদোলী গড় ঃ লোককথাত উল্লেখ থকা দূৰ্গ।
বাপলা ঃ বিয়া
বিদীয় দং ঃ কইনাক বিদায় দিয়াৰ সময়ত গোৱা গীত।

বুঢ়িহি দং : বিয়াৰ সময়ত বয়জেষ্ঠ মহিলাসকলে গোৱা গীত।
বালায়া দং : বিয়াৰ সময়ত বিয়নীসকলে গোৱা গীত।
বাহোঞহাৰিয়া : এজন পুৰুষ আৰু তেওঁৰ ভাই বোৱাৰী, এজন পুৰুষ আৰু তেওঁৰ খুলশালীৰ ঘৈণী
ভোগ্‌দ : মৌন্‌ঝিৰ প্ৰতিনিধি।
ভেনতা কাথা : সাংকেতিক শব্দ বিশেষ।
ভাঁগুান বিন্‌তি : শ্ৰাদ্ধ অনুষ্ঠানত পাঠ কৰা বিন্‌তি।
ভিনচীৰ : এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
ভাগুান : শ্ৰাদ্ধ।
ভিতৰি নুটুম : গুপ্ত নাম।
মৌন্‌ঝি থান : গাওঁৰ পূৰ্বৰ গাওঁবুঢ়াসকলৰ আত্মাৰ উপাসনা স্থলী।
মোৰে হড় : গাওঁ সভা।
মান্‌তাৰ : মন্ত্ৰ।
মেন কাথা : ফকৰা যোজনা।
মৌন্‌ঝি বাইসি : গাওঁবুঢ়াৰ পৰিষদ।
মাঘচিম : উৎসৱ।
মাৰাং বুডু : উপকাৰী দেৱতা।
মৰেকো-টুৰুইকো : উপকাৰী দেৱতা।
মৌন্‌ঝি বঙ্গা : উপকাৰী।
মৰন : মৃত্যু।
মেত হালাম : জন্মৰ দিনত পতা এক অনুষ্ঠান।
মণ্ডৱা : মণ্ডপ।
মেৰম গুডঢ়ী : ছাগলীৰ গড়াল।
মেচি : টুল।
মঞ্জন : মধ্যাহ্ন ভোজন।
মকৰ কেণ্ডা : কেন্দু।
মুংগা ছাল : ছজিনা গছৰ ছাল।
মাতকম ল'ৰে : মহুৱা।
মাঞ্চাক ৰাহেত : মান কচু।
মুঠা : কেঞা বন।
ৰংগো ৰুজি বঙ্গা : অপকাৰী দেৱতা।
ৰাৰাণিক : কবিৰাজ।
ৰক ভাত্তা : ঔটেঙা।
ৰোহিন ছাল : আকণ।
ৰিনজৌ : এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
লাচেৰ : গাওঁৰ বিচাৰক মণ্ডলিৰ এজন সদস্য।
লৌ লৌ সিৰিঞ : নিচুকণি গীত।
লিতা গোসাঁই : মূখ্য দেৱতা।
লাজাওমাৰাও : এজনী ছোৱালীৰ সন্মান হানি কৰাৰ বাবদ অপৰাধীৰ পৰা সংগ্ৰহ কৰা জৰিমনা।
ল'বীৰ বাইসি : জংগল পৰিষদ।
লাচোট : বোকাময় কৰা।
লবই : এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
লাগড়ে : এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
লোমটা ক'ৰা : দৰাক সংগ দিয়া নিকট আত্মীয়ৰ এগৰাকী সৰু ল'ৰা।
লোৰা তাৰে : মৌদিমৰু।
লোমটা কুড়ি : কইনাক সংগ দিয়া নিকট আত্মীয়ৰ এগৰাকী সৰু ছোৱালী।
লৌউড়ীয়া : গীত নগোৱা কৈ নচা এক প্ৰকাৰৰ নৃত্যৰ নাম।
লেবডা জালি : এবিধ মাছ মৰা জাল।
শিখৰ : লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
শান্ত : লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
ষিম : উৰহী।
সিনদুৱাৰ : লোককথাত উল্লেখ থকা সুৰংগ পথ।
সাসাংবেদা : লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
সিৰিঞ : গীত
সাসাং সুনুম দং : দ'ৰা কইনাক তেল হালধী লগোৱাৰ সময়ত গোৱা গীত।

সহৰায় ঃ বছৰেকীয়া উৎসৱ।

সিধু ঃ ১৮৫৫ চনত সংঘটিত চাওঁতাল বিদ্ৰোহৰ মূল নেতা।

সিঞ সাদম ঃ ঘোঁৰা ৰূপী দেৱতা।

সিৰোম ঃ দুৱৰি।

সগুন ঃ ভাল লক্ষ্যণ।

সুনুম পিঠা ঃ চাউল গুড়িৰে বনোৱা এবিধ পিঠা।

সেন্দুৰ খৌণ্ডি ঃ বিয়াৰ বাবে হালধী পানীত দুৱাই হালধীয়া কৰা বিশেষ ধৰণৰ বস্ত্ৰ।

সহৰায় ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।

সীমা বঙ্গা ঃ অপকাৰী দেৱতা।

সাগৰ ঃ গৰু গাড়ী।

হৰকবান্দি ঃ গীত নগোৱা কৈ নচা এক প্ৰকাৰৰ নৃত্যৰ নাম।

হৗণ্ডি ঃ চাউলৰ পৰা প্ৰস্তুত কৰা মদ।

হিহিড়ী পিপিড়ী ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।

হাৰাতা ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।

হুমটী ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।

হাঁস-হাঁসিল ঃ লোককথা অনুসৰি ভগৱানে সৃষ্টি কৰা প্ৰথম স্থলচৰ প্ৰাণী।

হৗৰিয়াড় চিম ঃ কঠিয়া তলিত ধান গঁজালি ওলোৱাৰ সময়ত অনুষ্ঠিত উৎসৱ।

হাকো কাটকৗম হিলৌক ঃ মাছ, কেঁকোৰা ৰান্ধি খোৱা দিন।

হৰক বাণ্ডি ঃ কইনাক নতুন কাপোৰ প্ৰদান।

হৰক চিখনৗ পৰ্ব ঃ আঙুঠি পিন্ধোৱা।

হুণ্ডি জালি ঃ এবিধ মাছ মৰা জাল।

হাপ্ৰামক' বঙ্গা ঃ পূৰ্ব পুৰুষৰ দেৱতা। (উপকাৰী)

হাটাক' ঃ কুলা।

হোড়েক' ঃ অসমীয়া প্ৰতি শব্দ বিচাৰি পোৱা নগ'ল।

হাট ৰাহেত ঃ দুধ কুৰি।

হালিম জান ঃ হালিম শাক।

-----

## পৰিশিষ্ট - খ

# আলোক চিত্ৰ



মৌন্‌ঝি থান



জাহেৰ থান



মহিলাসকলে বুকুৰ ওপৰ অংশত খোদিত
কৰা টাটু বা খোদা



বিঁয়ৈ অভিবাদন



বিঁয়ৈনী অভিবাদন



বিঁয়ৈ-বিঁয়ৈনী অভিবাদন



মহিলা অতিথিক অভিবাদন



পুৰুষ অতিথিক অভিবাদন


বিবাহত ব্যৱহৃত ডাউৰৌ


সেন্দুৰ দান পৰ্ব


নেপেল (বিবাহৰ পূৰ্বৰ আলোচনা)


ভাণ্ডান (শ্ৰাদ্ধ অনুষ্ঠান)



কাৰাম পূজা



কাৰাম নৃত্য



জাহেৰ পূজা



সহৰায় উৎসৱৰ খুন্টাও হিলক'



সহৰায় নৃত্য



বাহা নৃত্য



বাওঁফালে- ঢোল, সোফালে-ৰহৰ
পিছফালে - তুম্‌দা, সম্মুখত-টামাক
আৰু কৰতাল



দাঁশাই নৃত্য



সাকৰাত



গছৰ পাতেৰে বনোৱা পাত্ৰ (থাল) আৰু
ফুৰুক (বাতি)



পাৰ্কম (বিছনা)




মেচি (টুল)



জনক' (ঝাড়ু)



কুলাই পাচি (এন্দুৰ ধৰা ফান্দ)



জিমব্ৰি (মাছ ধৰা সঁজুলি)



তেংগচ (যুদ্ধৰ কুঠাৰ)



বাণ্ডি (ডুলি)



হাঁণ্ডি প্ৰস্তুত কৰণ



পৰম্পৰাগত চাওঁতাল বাসগৃহ



টুচি (এন্দুৰ মৰা ফান্দ)



টৰ'ডন (মাছ মৰা সজুলি)



মহিলাৰ  পৰম্পৰাগত সাজ-পাৰ



চিকিৰি মালা (গলপতা)



চুলুক (খোপাত মৰা পিন)